ৰিচাৰ্ড এম লুৱেলিনৰ

হাও গ্ৰীন ৱজ মাই ভেলি

অনুবাদক

আবুল লেইচ

লয়াৰ্চ বুক ষ্টল
পাণবজাৰ : গুৱাহাটী-১

হাও গ্ৰীন ৱজ মাই ভেলি

অসমীয়া অনুবাদ : আবুল লেইচ

॥ প্ৰকাশক ॥

শ্ৰীখগেন্দ্ৰনাৰায়ণ দত্তবৰুৱা

লয়াৰ্ছ বুক ষ্টল : গুৱাহাটী

॥ লয়াৰ্ছ সংস্কৰণ ॥

মাৰ্চ, ১৯৯০

॥ মুদ্ৰক ॥

বিচিত্ৰনাৰায়ণ প্ৰিন্টিং প্ৰেছ

আমবাৰী : গুৱাহাটী-১

॥ মূল্য ॥

পঞ্চাশ টকা মাত্ৰ

হাও গ্রীন ৱজ মাই ভেলি

ভূমিকা

'হাও গ্ৰীন ৱজ মাই ভেলি'—কেনে সেউজীয়া আছিল মোৰ ভৈয়াম—পঢ়িছোঁ, কিতাপখনৰ ওপৰত কৰা চিনেমাখনো দেখিছোঁ। প্ৰযুক্তিবিদ্যা বা টেকনোলজিৰ প্ৰগতিয়ে মানুহৰ শোভাময় পৰিবেশ আৰু শান্তিময় জীৱন-ধাৰাত যি পৰিবৰ্তন আনিছে সেই কথা অস্বীকাৰ কৰিবৰ উপায় নাথাকিলেও পৰিবৰ্তনৰ আগৰ অৱস্থা মনলৈ আহিলে আমাৰ আটাইৰে অন্তৰত এটি বিষাদৰ দোলনি উঠে। লুৱেলিনে ৱেলচ অঞ্চলৰ যি ভৈয়ামলৈ হেঁপাহেৰে দৃষ্টি গুভতাই পঠিয়াইছে, য'ত কয়লাৰ খনিৰ প্ৰসাৰে সেউজীয়া গছ-গছনি আৰু নিৰ্মল পানীৰ নৈৰ শোভা ক্ৰমে সংকীৰ্ণ কৰি আনি সময়ত নাইকিয়াই কৰিলে, য'ত অৰ্থনৈতিক অৱস্থাৰ সলনিৰ লগে লগে আগৰ সৰলচিতীয়া লোকসকলো দুষ্প্ৰাপ্য হ'ল, সেই ভৈয়ামখন যেন কোমলতা সৰলতা আদি মানবীয় সদগুণৰ প্ৰতীক, সেইখনলৈ যেন আমাৰ আটাইৰে একোবেলি উভতি চাই পঠিয়াবৰ মন যায়।

এই অনুপম কাব্যিক উপন্যাসখনৰ লিখক ৰিচাৰ্ড দইল ভিভিয়ান লুৱেলিন লইদৰ জীৱন বিচিত্ৰতাপূৰ্ণ। এই দীঘলীয়া নাম চুটি কৰিবলৈ ৰিচাৰ্ড লুৱেলিন ৰূপে সুবিখ্যাত লিখকজনৰ জন্ম ৱেলচৰ দক্ষিণ পশ্চিমৰ চেন দেভিদজ নামে সৰু চহৰত (১৯০৭) * তেওঁৰ নিজৰ ভাষাত—"মোৰ স্কুলীয়া কাল কাটে চেন দেভিদজ, কাৰ্দিফ আৰু লণ্ডন চহৰত। যোলবছৰ বয়সত হোটেল চলোৱা বিদ্যাৰ বন্ধাবঢ়াৰ পৰা বাকী সকলো শিকিবলৈ মোক ইটালীলৈ পঠিওৱা হয়। আজৰি সময়ত ভেনিচত মই চিত্ৰবিদ্যা আৰু ভাস্কৰ্য অনুশীলন কৰোঁ, আৰু চলচ্চিত্ৰদল এটা পাই তেওঁলোকৰ লগত কথাছবিৰ সাধাৰণ জ্ঞানো লাভ কৰোঁ। উনৈশ বছৰ বয়সলৈ এই কালছোৱাৰ অস্থিৰতাৰে ভৰা। শৃঙ্খলাৰ আৱশ্যকতা বোধ কৰি মই সৈন্যবাহিনীত চিপাহী হিচাবে যোগ দিওঁ আৰু ইংলণ্ড আৰু বিদেশত পাঁচবছৰ কটাওঁ। ১৯৩১ চনত ঘৰলৈ উভতি ক'লো

---

* ৱেলচীয় নামৰ উচ্চাৰণ অলপ জটিল। লুৱেলিন শব্দৰ প্ৰকৃত উচ্চাৰণ হব লাগে— হ্লুৱেল্লিন।

চাকৰিৰ সুবিধা কৰিব নোৱাৰি কথাছবিৰ পৰিবেশন শিকিবলৈ মন কৰিলে আৰু ওপৰঞ্চি অভিনেতা হিচাবে চলচ্চিত্ৰ ব্যৱসায়ত যোগ দিও। মাজতে সন্তীয়া কথাছবি সম্পৰ্কীয় আলোচনী এখনৰ সাংবাদিক ৰূপেও কাম কৰে। এই কালছোৱাৰতে মই নিজৰ তৃপ্তিৰ অৰ্থে কিতাপ লিখিবলৈ আৰম্ভ কৰে।

এওঁ অৱশ্যে কথাছবি বাদ নিদিলে আৰু ক্ৰমে সহকাৰী প্ৰযোজক, চিনেৰি লিখক, পৰিবেশন, মেনেজাৰ আৰু শেহত প্ৰযোজক হিচাবে কাম কৰিবলৈ সুযোগ ললে। এনে সময়তে ব্যৱসায় জগতত 'মন্দা' উপস্থিত হোৱাত তেওঁ কথাছবিৰ জগত ত্যাগ কৰি ৰঙ্গমঞ্চলৈ চকু দিলে। তেওঁ ৰচা 'পইজন পেন' নামৰ নাটখনে লণ্ডনৰ মঞ্চত আদৰ পাইছিল। মনৰ ক্ৰিয়াৰ বিশ্লেষণ আছিল নাটখনৰ এটি লক্ষণ।

'হাও গ্ৰীন ৱজ মাই ভেলি'ৰ ৰচনা আৰম্ভ হয় ভাৰতত সৈন্যবাহিনীত কাম কৰি থাকোতে। প্ৰথম খচৰা ডুনাই ভালকে লিখি উলিওৱা হয় কাৰ্দিফ, লণ্ডন আদি বিভিন্ন ঠাইত। লণ্ডনৰ মাইকেল জোচেফ নামৰ সুবিখ্যাত প্ৰকাশকে লুৱেলিনক চিনি পাইছিল। এওঁৱেই কিতাপখন প্ৰকাশ কৰিবলৈ গাত ললে। ১৯৩৯ খৃষ্টাব্দৰ অক্টোবৰ মাহত কিতাপখন পাঠকৰ হাতত পৰে। কিতাপখন পাঠকসকলে এনে মোহনীয় পালে যে চাৰিমাহৰ ভিতৰতে ৫০,০০০ বিক্ৰী হ'ল, আমেৰিকাত ছপা হোৱা সংস্কৰণটোৰো তত্তালিকে একলাখৰ ওপৰ বিক্ৰী হয়। মাটিৰ তলৰ খনিত নিজৰ জীৱনৰ মমতা তুচ্ছ কৰি জীৱিকা উলিওৱা ৱেলচীয় লোকৰ চিন্তা আৰু কাৰ্য তন্নতন্নকৈ পৰ্যবেক্ষণ কৰি ঘাইকৈ এটি পৰিয়ালৰ সুখ-দুখকে কেন্দ্ৰ কৰি লিখকে কাহিনী তৰিছে। কাহিনীৰ মূলত আছে বাস্তৱৰ অভিজ্ঞতা আৰু ৰচনাভঙ্গীত ফুটি ওলাইছে সংবেদনশীলতা। সমবেদনাপূৰ্ণ হাঁহিৰো তাত অভাৱ নাই। উল্লেখ কৰিব পাৰি যে এই উপন্যাসত ৱণৱেন নবো আৰু কাহিনীৰ বৰ্ণনাকাৰ হিউ দেওৰৰ মাজত যি আকৰ্ষণীয় সম্বন্ধ লক্ষ্য কৰিব পাৰি সি 'সেউজী পাতৰ কাহিনী'ৰ ৰচক ড° বিৰিঞ্চিকুমাৰ বৰুৱাক আঁহি যোগাইছিল। বহুতেই আচৰিত হৈছিল যে এই বাগৰি ফুৰা মানুহজনে—যি হোটেলত বন্ধা-বঢ়া শিকাৰ পৰা, পালোৱানী, চিপাহীগিৰি, অভিনয়, কথাছবি-প্ৰযোজনা, সাংবাদিকতা, কিহতনো হাত দিয়া নাই তেওঁ।—কেনেকৈ এই ধৰণৰ পাকৈত ৰচনাৰ চানেকি দাঙি ধৰিব

পাৰিলে। ১৯৪৯ খৃষ্টাব্দত কিতাপখন কথাছবিত পৰিণত কৰা হয় আৰু আমেৰিকান ছবিৰ ভিতৰত সেইখনেই বছৰৰ শ্ৰেষ্ঠ ছবি বুলি পুৰস্কাৰ লাভ কৰে।

লুৱেলিন মাধ্যহজন মজলীয়াকৈ ওখ, পাতল আটিল শৰীৰৰ, চকু আৰু চুলি উজ্জ্বল ক'লা, নাকৰ হাড ওখ (ইয়াকেই 'ৰোমান' নাক বুলি কয়) কিন্তু একালে সামান্য ঢাল খোৱা। তেওঁৰ হাত দুখন সৰু যদিও তাত যথেষ্ট শক্তি। এসময়ত এই সৰু হাতেৰেই তেওঁ পালোৱানী খেলিছিল আৰু বিপক্ষৰ খোচা খাইহে তেওঁৰ নাকৰ হাড বেঁকা হৈ পৰিছিল। মাধ্যহজন সজাগ চকুৰ স্থিৰ দৃষ্টি, মেজাজত অলপ যুদ্ধং দেহি ভাব। দ্বিতীয় মহাযুদ্ধত তেওঁ আকৌ সৈন্যবাহিনীত যোগ দিয়ে, এইবেলি বিষয়া হিচাবে। এওঁৰ দ্বিতীয় উপন্যাস "নান বাত দি লোনলি হাৰ্ট" (১৯৪৩) কিতাপখনো ঘাইকৈ সৈন্যবাহিনীত থাকোঁতেই ৰচনা কৰা। এইখনৰ পটভূমি লণ্ডন চহৰৰ বস্তী অঞ্চল আৰু ইয়াত দুখীয়া' ল'ৰা এজন কেনেকৈ উদণ্ড হৈ সমাজদ্বেষী হৈ পৰিল তাৰ সমবেদনাপূৰ্ণ আৰু ধৈৰ্যশীল বৰ্ণনা পায়। কিতাপখনৰ ৰচনাত অধ্যৱসায়ৰ চিন ফুটি ওলালেও এইখনে প্ৰথমখনৰ দৰে সমাদৰ লাভ কৰিব নোৱাৰিলে। আধুনিক কিছুমান উপন্যাসে সমাজৰ একোটা স্তৰ যি ধৈৰ্যৰে বৰ্ণনা কৰে আৰু যিবিলাক ৰচনা বহু সময়ত সমাজতাত্ত্বিকৰ অধ্যয়নৰ সামগ্ৰী হৈ পৰে, এইখন তেনে উপন্যাসৰ প্ৰতিনিধিমূলক। কিতাপখন পঢ়োঁতেও যে অলপ ধৈৰ্যৰ প্ৰয়োজন নহয় এনেবুলি ক'ব নোৱাৰি। আন এখন উপন্যাসত লুৱেলিনে লণ্ডনবাসী 'ককনি' চিপাহী এজনৰ জীৱন খুঁতখুঁটীয়াভাবে বৰ্ণনা কৰিছে। সমালোচকসকলে ক'ব খোজে যে, লুৱেলিনে তেওঁৰ প্ৰথম উপন্যাসত যি প্ৰতিভাৰ চিন দেখুৱাইছিল সেই প্ৰতিভাৰ ওচৰ তেওঁ পিচত আৰু পাব নোৱাৰিলে।

পুথি-ৰচনাই তেওঁৰ ঘাই কাম হলেও তেওঁ একে ঠাইতে টো খুটি মাৰি থকা লোক নহয়। এই লক্ষণটোৱে পশ্চিমীয়া লিখকৰ এটি সাধাৰণ বৈশিষ্ট্যও প্ৰকাশ কৰে। এই লিখকসকলৰ সৰহ ভাগেই নানা কামত বাধা-বিপত্তি নেওচা দিয়ো দেশ-বিদেশ ভ্ৰমি ফুৰে। ইয়াৰ ফলত তেওঁলোকৰ অভিজ্ঞতাৰ জোলোঙা গধুৰ হয় আৰু ৰচনাৰ কাৰণে বিষয়-বস্তুৰ অভাৱতো নপৰে।

১৯৫০ খৃষ্টাব্দত তেওঁ আমেৰিকাৰ যুক্তৰাষ্ট্ৰৰ বিভিন্ন ঠাইত বক্তৃতা দিবলৈ যায়, ১৯৪৯ আৰু ১৯৫২ খৃষ্টাব্দত তেওঁ দক্ষিণ আফ্ৰিকা ভ্ৰমণ কৰে।

অধ্যাপক লেইচে ইয়াৰ আগেয়ে মাৰ্ক টোৱেইনৰ 'টম ছয়াৰ' অনুবাদ কৰি পাঠকৰ দৃষ্টি আকৰ্ষণ কৰিব পাৰিছে, 'হাও গ্ৰীন বজ মাই ভেলি'খনো তেওঁ বিশেষ যত্নসহকাৰে অনুবাদ কৰিছে। অনুবাদ কাৰ্য দুৰূহ, বিশেষকৈ প্ৰত্যেক ভাষাৰ বাক্য গাঁথনি আৰু প্ৰকাশভঙ্গী স্বকীয়া আৰু এই ভাষাৰ মাজত থাকে এক স্বকীয়া সংস্কৃতিৰ ভাব-চিন্তাৰ বহণ। বহুত সময়ত হুবহু ভাঙনি কৰিব নোৱাৰি মূলৰ মৰ্মহে সংগ্ৰহ কৰিব লগা হয়। বিশেষকৈ কাব্য নাইবা কাব্যিক ৰচনাৰ ক্ষেত্ৰত। এই সমস্যাবিলাক লেইচৰ নজনা নহয়, সেই কাৰণে এওঁ টান পালেই মূলৰ পৰা ফালৰি কাটি নিজৰ ভাষাত কিবা এটা লিখি থবৰ মন নকৰে। সততা এওঁৰ অনুবাদৰ মাই লক্ষণ। লেইচৰ অনুবাদনীতিয়ে আমাৰ আন আন অনুবাদকক কিছু আহি যোগাব বুলি আশা কৰিব পাৰি। দ্বিতীয়তে, ইংৰাজী সাহিত্যৰ এখনি উল্লেখযোগ্য অবদান অসমীয়া পাঠকৰ হাতত দিবলৈ চেষ্টা কৰাৰ কাৰণেও লেইচ আটাইৰে প্ৰশংসনীয়।

২৯।৮।৬৪
গুৱাহাটী

শ্ৰীপ্ৰফুল্লদত্ত গোস্বামী

১

মই মোৰ কামিজ দুটা, মোজা কেইযোৰ আৰু আটাইতকৈ ভাল চুটযোৰ, মায়ে ঘৰ সাৰোঁতে মূৰত মাৰি লোৱা নীলা কাপোৰখনত টোপোলা বান্ধি লবলৈ ওলাইছোঁ।

এই নীলা কাপোৰখন টোপোলা বান্ধিবৰ উপযুক্ত নহয়। তাতকৈ বহুত ভাল কাপোৰখন। কিন্তু মোৰ কাপোৰখিনি কঢ়িয়াই নিবৰ বাবে অইন একোৱেই যে ঘৰখনত নাই। বেতৰ সৰু ছুপাটো আছে পাহাৰৰ সিফালে থকা মিছেছ হেৰিছৰ ঘৰত। টচ্চাৰৰ দোকানত যদি বাকচ বিচাৰি যাওঁ তেন্তে সি পোনেই সুধিব বাকচ মোক কিয় লাগে? তাক কথাষাৰ জনালেই অইন সকলোৱে গম পাব যে মই যাবলৈ ওলাইছোঁ। আৰু সেইটো মই কোনোমতেই নিবিচাৰোঁ। মাৰ নীলা কাপোৰখন লোৱাৰ বাহিৰে আৰু উপায় নাই। কিন্তু ক'ৰবাত নিগাজীকৈ ঘৰ পতাৰ লগে লগেই মই কাপোৰখন খুব ভালকৈ ধুই যতনে থৈ দিম বুলি প্ৰতিজ্ঞা কৰিছোঁ।

অলপ আগতে অলৱেনৰ পৰা বিদায় লওঁতে মোৰ খুব বেয়া লাগিছিল। কিন্তু আচলতে অলৱেনক মই "বিদায়"—এই শব্দটো কোৱা নাই। আৰু সেই বাবে তাই মই যে কৰবালৈ যাবলৈ ওলাইছোঁ, এই কথাষাৰ নাজানে। সকলোকে জনাই বিদায় লোৱাটো আৰু মোৰ দৰে মনে মনে বিদায় লোৱা একে কথা নহয়।

এই পুৰণি নীলা কাপোৰখনে মোক শান্তি নিদিব দেখিছোঁ। বাৰে বাৰে মোৰ ভয় লাগে যেন কাপোৰখন ফালি বা হেৰাই যাব। তেনেকুৱা কিবা এটি ঘটিলে মই গোটেই জীৱন শান্তি নেপাম। মই একেবাৰে সৰু থকাৰেপৰা মাই এই কাপোৰখন মূৰত পিন্ধা মনত পৰে। মাৰ চুলিটাৰ আছিল অতি শুৱনি, কেঁকোৰা, ঘন চুলি।

দেউতাই যেতিয়া প্ৰথমবাৰ দেখিছিল তেতিয়া মাৰ বয়স আছিল ষোল আৰু দেউতাৰ কুৰি। দেউতা তেতিয়া পাম এখনৰপৰা লোহাৰ কাৰখানাত কাম কৰিবলৈ ইয়ালৈ আহিছিল। এদিনাখন ৰাতি গান গাই গাই আলিবাটেৰে আহি থাকোঁতে তেওঁ এঘৰৰ দুমহলাৰ খিৰিকী-মুখত মাক দেখিলে। মায়ে সেই ঘৰত চাকৰি কৰিছিল। দেউতাই গান বন্ধ কৰি ওপৰৰ পিনে চাই বল আৰু মোৰ বোধেৰে মাথো তললৈ চাই পঠিয়ালে। সেয়ে দুয়োৰে দেখা দেখি হ'ল আৰু দুয়োৰে অন্তৰৰ বিনিময় হ'ল।

পাছে চাবা, মাক কিন্তু এইবোৰ ক'লে তেওঁ সকলো মিছা বুলি হাঁহি উৰুৱাই দিব। কিন্তু মই জানো নহয়, মোক দেউতাই নিজে কৈছিল। সেই প্ৰথম দেখাদেখিৰ ডেৰ মাহৰ পিছতে অতি দুৰ্দান্ত শীতকাল এটিত তেওঁলোকৰ বিয়া হৈছিল। কেইবাটাও বেয়া শীতকাল আমি ইতিমধ্যে পাইছো, কিন্তু দেউতাৰ মতে তেওঁলোকৰ বিয়াৰ সময়ৰ শীতকালটোৰ দৰে বেয়া শীতকাল আৰু কেতিয়াও নাহে।

তেতিয়াৰ দিনবোৰ বৰ কষ্টৰ আছিল। ঘৰ-বাৰী যথেষ্ট নাছিল আৰু নতুন ঘৰবোৰ সজা হোৱালৈকে বিবাহিতবোৰে পুৰণি ভগা-ছিগা গুদাম ঘৰ আদিতে থাকিবলগীয়া হৈছিল। ঘৰবোৰৰপৰা ঘৰৰ গৰাকীয়ে বহুতো পইছা ঘটিছিল। আমি থকা এই ঘৰটোৰ বাবে দেউতাই কুৰি বছৰতকৈও বেছি দিন ভাৰা দি থাকি শেষত হে নিজে কিনি ললে। তেওঁ এই কাম কৰাৰ বাবে মই সঁচাকৈয়ে আনন্দিত, কাৰণ তাকে নকৰা হলে আজি কেইবা বছৰ আগতেই মা। মুৰ সুমুৱাবলৈকে ঠাই এডুখৰি নোহোৱা হ'লহেঁতেন।

কিন্তু, তেতিয়া মানুহে অতি সহজে ধন উপাৰ্জন কৰিছিল। আৰু সিও কাগজৰ নোট নহয়—মোৰ ককাদেউতাই জেপ-ঘড়ীৰ শিকলিডালত পিন্ধা মোহৰবোৰৰ নিচিনা খাটি খাটি সোণৰ মোহৰ। জহকালিৰ দেফোদিল ফুলৰ দৰে হালধীয়া ঘূৰণীয়া ধুনীয়া মোহৰবোৰ। টান কিহবাৰ ওপৰত পেলাই দিলে মোহৰবোৰ টং টং কৈ বাজি উঠিছিল। তেনেকুৱা দহ বা পোন্ধৰটা মোহৰ জেপত পৈ হাত এখন জেপত ভৰাই সেইবোৰ জোকাৰি বজাই থাকিবলৈ কেনেকুৱা লাগিছিল চাগে! কিন্তু সেইটোতো আৰু কাৰো ভাগ্যত নঘটে, অন্ততঃ মোৰ জীৱন কালত নিশ্চয় নহয়।

ঘণ্টাত শ শ মাইল বেগে উৰিব পৰাটো একো ডাঙৰ কথা নহয়; আচলতে মোৰ মতে এনেবুৰা কথাবোৰ লৈ বৰ বেছি হৈ-চৈ কৰাটো মূৰ্খামিহে। মোক মাথোন এজন মানুহ দেখুৱাই দিয়া যাৰ জেপত খৰচ কৰিবলৈ এতিয়াও এসোপা সোণৰ মোহৰ আছে। কিন্তু এসময়ততো আমাৰ ইয়াত সকলোৰে জেপত সোণৰ মোহৰ ভৰি আছিল।

শনিবাৰে গধূলি মুনিহবোৰে খনিৰ কাম শেষ কৰাৰ শিঙা বাজি উঠা শুনিলেই মায়ে লৰি গৈ আমাৰ ঘৰৰ দুৱাৰ মুখত সৰু টুল এখন পাৰি লৈ কাম শেষ কৰি পাহাৰ বগাই আহিব ধৰা দেউতা আৰু ককাইদেউহঁতলৈ বাট চাই বৈছিল।

এতিয়াও বহুদিন মই আমাৰ দুৱাৰ মুখত বৈ থাকি মনৰ চকুৰে স্পষ্ট দেখিছোঁ কয়লাৰ গুড়িৰে মলিয়ন হৈ, দল বান্ধি হাঁহি-ধেমালি কৰি মানুহবোৰ আহিবলৈ ধৰিছে। সকলোৰে অলপ কুঁজা হৈ খোজ কাঢ়িছে, কাৰণ বাটটো খিয়।

ঘৰবোৰ অৱশ্যে এতিয়া যেনে তেনেকুৱাই আছিল— ওচৰৰ কোৱাৰিৰ পৰা অনা শিলেৰে বন্ধোৱা ঘৰবোৰ

শনিবাৰে পুৰা তিৰোতাসকলে ভাল সাজ পাৰ পিন্ধিছিল, কাৰণ, সেই-দিনাই দুপৰীয়াৰ ভাগৰ কাম শেষ কৰি মুনিসকলে দৰমহা পাইছিল।

খনিৰ শিঙা বাজি উঠাৰ লগে লগে ঘৰৰ দুৱাৰ মুখত চকী আদি পাৰি লৈ বহি থাকি তিৰোতাসকলে পাহাৰ বগাই ঘৰলৈ আহিব ধৰা মুনিহসকললৈ অপেক্ষা কৰি থাকে। দুৱাৰমুখ আহি পায়েই মুনিহসকলে দৰমহা পেলাই দিয়ে তেওঁলোকৰ কোলাত। প্ৰথমতে দিয়ে দেউতাকে, তাৰ পাছতহে ল'ৰাইতে। মোৰ মায়ে প্ৰায় চল্লিশটামান মোহৰ পাইছিল, কাৰণ দেউতাৰ উপৰিও মোৰ পাঁচজন ককাইদেউৱে কাম কৰিছিল। হাঁহি আৰু গান গাই আলিবাটেৰে আহি থাকে তেওঁলোক, তাৰ মাজতে কিন্তু সোণৰ মোহৰৰ কণ জুণ শব্দ শুনা যায়। সঁচাকৈয়ে ভাল আছিল তেতিয়াৰ শনিবাৰবোৰ।

দেউতা আৰু ককাইদেউহঁতে গা ধুই তেওঁলোকৰ আটাইতকৈ ভাল সাজ-পাৰ পিন্ধি পাগৰবলৈ আহিছিল ৰাতিৰ আহাৰ খাবলৈ। শনিবাৰৰ ৰাতিৰ আহাৰ সাজ সদায় আছিল বঢ়িয়া। দেওবাৰে কিন্তু বন্ধা-বঢ়া

নহৈছিল। অৱশ্যে দেউতাই কাম চাবলৈ খনিলৈ যাবলগীয়া থাকিলে বেলেগ কথা। কিন্তু কেতিয়াও মায়ে সহজে ৰন্ধা-বঢ়া কৰিবলৈ নিদিছিল।

শনিবাৰটো কিন্তু সদায় বঢ়িয়া আছিল। আনকি মোৰো তেতিয়াৰ দিনবোৰ মনত পৰে, যদিও সেই সময়ত মই একেবাৰে সৰু আছিলোঁ।

আমাৰ ৰান্ধনিশালত গাহৰিৰ মাংস ওলোমাই থোৱা হৈছিল, এটুকুৰা নহয়, বহুতো। পাছফালৰ চোতালত আছিল কুকুৰা-গড়াল— ধুনীয়া বগা আৰু ৰঙচুৱা কুকুৰাবোৰ। সিহঁতৰ পৰা কণীবোৰ যদি তুমি দেখিলাহেঁতেন! কণীবোৰ আছিল ৰঙচুৱা, কেতবোৰ ফুটফুটীয়া, কেতবোৰ গুলপীয়া আৰু আকাৰত প্ৰায় তোমাৰ হাতৰ মুঠিৰ সমান। ধান খেৰৰ ওপৰেৰে আঁঠুকাঢ়ি গৈ পাখী মাৰি চিঞৰি থকা কুকুৰাবোৰৰ ওচৰৰপৰা তেতিয়াও তপত হৈ থকা কণীবোৰ হাতত তুলি লোৱা মোৰ এতিয়াও মনত পৰে। কণীবোৰ ইমান ডাঙৰ আছিল যে, হাত দুখন বুকুৰ ওচৰত লৈহে মই কণীবোৰ পাগঘৰত কাম কৰি থকা মাৰ ওচৰলৈ কঢ়িয়াই নিব পাৰিছিলোঁ। কুকুৰাবোৰৰ কিবা এটি অদ্ভুত গোন্ধ আছে। গোন্ধটো মোৰ বোধেৰে সিহঁতৰ পাখীৰ গোন্ধ। কুকুৰাৰ এই গোন্ধটোৰ দৰে ঘকৰা অইন একোৱেই নাই। এই গোন্ধটোৱে অতীতৰ মধুৰ স্মৃতি মনলৈ আনি দিয়ে।

শনিবাৰে ৰাতিৰ আহাৰ খোৱাৰ পৰত আমাৰ মেজখন চাবলগীয়া হৈ পৰিছিল। গৰু আৰু ভেঁৰাৰ মাংসৰ উপৰিও দেউতাৰ আগত থোৱা হৈছিল সিজোৱা বা ভজা তুৰুৰা, হাঁহ বা টাকি চৰাইৰ মাংস। লগতে আলু, বন্ধাকবি, ফুলকবি, মটৰ, উৰহী আদিৰ বিভিন্ন ধৰণে ৰন্ধা তৰকাৰী, ভজা আদি।

খোৱা আৰম্ভ কৰাৰ আগতে ঈশ্বৰক ধন্যবাদ জনাই "গ্ৰেইচ" আওৰোৱা হৈছিল। এইবাৰে সকলোৱে থিয় দিছিল আৰু মায়ে মোক সেইখিনি সময় কোলাত লৈ থাকিছিল। দেউতাৰ অভ্যাস আছিল চকু জপাই আৰু হাত দুখন মেজৰ ওপৰত মেলি দি 'গ্ৰেইচ' কোৱা। 'গ্ৰেইচ' কোৱাৰ পিচত দেউতাই মোক তেওঁৰ মুখলৈ চাই থকা দেখিলে কেতিয়াবা ধেমালি কৰি কৈছিল যে মোৰ যাবা জীৱনত একো নহব। কিন্তু ধেমালিকৈ ক'লেও দেউতাই যি কৈছিল সেইটো আজি সম্পূৰ্ণকৈ ফলিছে। মাজে সময়ে মোৰ ভাব হয় দেউতা নিশ্চয় কোনোবা ঈশ্বৰ-প্ৰেৰিত পুৰুষ আছিল।

আমি সকলোৰে খাবলৈ প্ৰস্তুত হওঁ। মাৰ কোলাত মই! ডাঙৰ বাটি এটাত থকা 'লিক' আৰু মাংসৰ টুকুৰাখিনি চাম্‌চ এখনেৰে লবাই দেউতাই সকলোকে ভগাই দিয়ে। সেই টুকুৰাৰ এটি বিশেষ গোন্ধ আছিল। সেই গোন্ধ এতিয়াও মোৰ নাকত লাগি আছে। সেই গোন্ধটিত আছিল সুখী সংসাৰ এখন আৰু সুখী মানুহ কেইবোৰৰ মধুৰতা। সঁচাকৈয়ে, যদি সুখৰ কিবা গোন্ধ আছে তেন্তে মই ভালদৰে জানো সেইটো কেনে। আমাৰ পাগঘৰত সেই গোন্ধ এতিয়ালৈকে আছে, কিন্তু তেতিয়াৰ দিনত আমাৰ গোটেই ঘৰখনতেই সেই গোন্ধ বিয়পি আছিল।

মা আৰু ডাঙৰ বাইদেউৱে সকলোকে কাঁহী দিয়াৰ পাছত ৰোষ্ট কৰা টুকুৰা বা অইন যি থাকে তাকে দেউতাই কাটি টুকুৰা টুকুৰ কৰি সকলোকে দিছিল। মায়ে ইয়াৰ পিছত কৰি ইয়াক ইটো তাক সিটো দি আটাইতকৈ শেষত খাবলৈ বহিছিল।

দেউতাই প্ৰায়েই কৈছিল, 'খাই ল, ভালকৈ খাই ল। মাৰ অৱস্থা ৰান্ধনী হিচাপে বৰ সুবিধাৰ নহয়। পাছে সেইবোৰ নাভাবিবি। ভালকৈ খাই ল।

খোৱাৰ সময়ত কোনোৰে কথা-বতৰা নকৈছিল। আনকি ময়ো কিবা শব্দ কৰিলে তেনেই চুপ থাকিবলৈ নিৰ্দেশ পাইছিলোঁ। মোৰ বোধেৰে সেইদৰে খালেহে খোৱাত বেছি মজা পোৱা যায়, কাৰণ ভাল খাদ্যতকৈ উপাদেয় কথা কব পৰা মানুহ মই আজিলৈকে লগ পোৱা নাই।

কটাৰ টুকুৰাৰে কাঁহীত থকা মাংসৰ জোল নিকাকৈ খাই উঠাৰ লগে লগে মায়ে কৰা পুডিং মেজত খোৱা হৈছিল। এইখিনিতে মই কৈ থোৱা ভাল যে মায়ে কৰা পুডিং খাবলৈ লোভ সামৰাটো টান কথা।

ইয়াৰ পাছত আহিছিল একাপ চাহ।

খোৱা মেজত বহি দেউতাই কেতিয়াও পাইপ্‌ নাখাইছিল। বাইদেউৱে পাচফালে কাঁহী বাটিবোৰ ধুই থকা পৰত দেউতা আৰু ককাইদেউহঁত আন এটা কোঠালৈ গৈছিল। কেতিয়াবা ময়ো গৈছিলো আৰু দেউতাৰ কোলাত বহিছিলোগৈ। দেউতা আৰু ককাইদেউহঁতে কেতিয়াবা নগৰলৈ কিবা কিনিবলৈ যাবলগীয়া হলে খাই উঠাৰ পিচতো সকলোৰে মেজত বহি থাকে। মায়ে ইতিমধ্যে সকলোকে খৰচৰ বাবে পয়চা দিবলৈ যো-জা কৰে।

মায়ে পাগঘৰৰ জুহালৰ ওচৰত থকা ঠাক এখনত টিনৰ বাকচ এটাত

টকা-পইচাবোৰ থয়। বহুতো বছৰ জুৰি প্ৰত্যেক শনিবাৰে মায়ে সেই বাকচটোত টকা থৈ আহিছে। সেইবাবে বাকচটো যথেষ্ট গধুৰ হৈ পৰিছিল। কেতিয়াবা ককাইদেউহঁতে বাকচটো ভঙাত সহায় কৰিব লাগিব নেকি বুলি সুধি মাক ভোকায়। কেতিয়াবা আকৌ মোৰ আৰু ইহঁতকৈ ডাঙৰ ককাইদেউ আইভৰে মা আৰু বাকচ দুয়োকে একেলগে দাঙি লৈ যায়গৈ।

বাকচটো মেজত থৈ সাঁফৰখন খুলি মা দেউতাৰ পিনে চাই বহি থাকে।

"পাছে গুইলাম?" মায়ে সোধে।

"ও পাছে?" দেউতাই পাইপটো মুখৰপৰা আঁতৰাই পোন হৈ বহে। ঘৰৰ খৰচৰ বাবে টকা দিয়া লোৱাৰ আগতে সদায় ঠিক এনেকুৱাই হৈছিল।

দেউতাই সদায় কৈছিল যে মানুহে শক্তি আৰু বুদ্ধি ব্যয় কৰি পয়চা আৰ্জে খৰচ কৰিবলৈহে, গতিকে পইচা খৰচ কৰিব লাগে কিন্তু মানুহে যিদৰে উদ্দেশ্য লৈহে পইচা আৰ্জে সেইদৰে কষ্ট কৰি অৰ্জা পইচাও উদ্দেশ্য লৈ খৰচ কৰিব লাগে, নষ্ট কৰিব নেপায়। সেইবাবেই আমাৰ পৰিয়ালত—য'ত বাইদেউহঁত, মা আৰু মোৰ বাহিৰে আটাই কেইজনেই আৰ্জিছিল—পইচা থোৱা বাকচটো পাগঘৰৰ পৰা আনি খোলাৰ আগতে যথেষ্ট চিন্তা কৰা হৈছিল।

যিদিনা দেউতা আৰু ককাইদেউহঁত পাহাৰৰ সিপাৰে ক'ৰবাত বাগৰি ফুটবল খেল চাবলৈ যাব খোজে, সিদিনা তেওঁলোক প্ৰত্যেককে কেই চিলিংমান বেলেগে লগা হয়। সেইবাবে দেউতাই নিজে আধা 'চভ্‌ৰেণ' লৈ সকলোকে সমানে ভগাই দিয়ে। নিজৰ বাবে খৰচ কৰা পইচাৰ পৰিমাণ নিৰ্দিষ্ট কৰি দিয়া আছিল। পইচা খৰচ কৰিবলৈ সেই সময়ত বাটো তেনেকৈ নাছিল।

পাহাৰৰ নামনিত থ্ৰি বেলচ্ নামৰ পানশালাতে সকলোৱে বিয়াৰ খাইছিল আৰু ইয়াৰ বাবে পইচা দেউতাই দু সপ্তাহৰ অন্তৰে অন্তৰে আদায় কৰি দিছিল। কেতিয়াবা দেউতাহঁত আমাৰ গাঁৱৰে ধৰ্ম সঙ্গীত গোৱা দলটোৰ লগত গান গাই ফুৰিবলৈ ওলাই গৈছিল, কেতিয়াবা গৈছিল ওচৰৰ উপত্যকাখনলৈ ফুটবল খেল চাবলৈ; কেতিয়াবা আকৌ আন্তৰ্জাতিক খেল এখন চাবলৈ নগৰলৈ। কিন্তু কেনেকুৱা খেল থাকিলে একমাত্ৰ নৰিয়া পাটীত পৰি থকাবোৰৰ বাহিৰে, আমাৰ উপত্যকাখনৰ সকলোৱে নগৰলৈ লৰ ধৰিছিল। পাছে, সকলোৱেই যে খেল চাবলৈ পাইছিল তেনে নহয়। কিন্তু খেল চাবলৈ নগৰলৈ গৈছেতো! সেইটোহে আচল কথা। ঘৰলৈ ঘূৰি

আহোঁতে বাটত বন্ধু বান্ধৱৰ পৰা খেলৰ বিষয়ে সকলো গম পাব আৰু তেনেকৈয়ে খেল নোচোৱাজনেও অন্তত যি কোনো খেল চোৱা মানুহৰ দৰে খেলৰ বিষয়ে তৰ্ক আৰম্ভ কৰি দিব। খেলখন নেচালে কিনো বৰ ক্ষতিটো হ'ল?

মই যথেষ্ট সৰু থাকোঁতেই প্ৰত্যেক শনিবাৰে এক পেনিকৈ পাবলৈ আৰম্ভ কৰিছিলোঁ আৰু সেই পইচাৰে মই মিছেছ বীচৰ দোকানৰ পৰা টফি কিনিছিলো। মিছেছ বীচে নিজে দোকানত টফি বনাইছিল। মোৰ পেনিটো হাতত লৈ বহুতো দিন ঘন্টাৰ পাছত ঘন্টা ভুৰি মই টফি কিনিবলৈ মিছেছ বীচৰ দোকানত বৈ থাকিছিলো। মিছেছ বীচে বনাই থকা টফিৰ কথা ভাবি মোৰ মুখখন লেলাউতেৰে ভৰি যায়, চেনী গাখীৰৰ সৰ আৰু কণীৰ গোন্ধ লৈ মই তাতে বৈ থাকোঁ। এতিয়াও মোৰ মনত পৰে—কেইবা ঘন্টা ধৰি চোবাই থাকিলেও সেই টফিৰ সোৱাদ শেষ নহৈছিল। আনকি খাই শেষ কৰাৰ পিচতো ঢোক গিলিলে সেই টফিৰ সোৱাদ পোৱা গৈছিল।

খৰচ কৰিবলৈ যথেষ্ট পইচা মই প্ৰথমতে পাইছিলো আইভৰৰ বিয়াৰ সময়ত। ব্ৰনৱেন আছিল পাহাৰৰ সিপাৰে থকা দোকানী এজনৰ জীয়েক। আইভৰে ব্ৰনৱেনক প্ৰথম লগ পাইছিল গান গোৱা প্ৰতিযোগিতা এখনত যোগ দিবলৈ তালৈ যাওঁতে। আইভৰ ব্ৰনৱেনহঁতৰ দোকানলৈ গৈছিল কণী কিনো বুলি। ইকথা সি কথাকৈ সিহঁত দুয়ো বহু কথা পাতিলে, কি কথা ঠিক নাজানো, কিন্তু যিয়েই নহওক কথা শেষ কাৰ আইভৰে কেইবা ঘন্টাও পলম কৰি প্ৰতিযোগিতাৰ ঠাইত ওলালহি। এইবাৰে সি লগৰ অইন মানুহবোৰৰ পৰা কম গালি শুনিব লগীয়া হোৱা নাছিল। আইভৰৰ আছিল দেউতাৰ দৰে সুমধুৰ কণ্ঠস্বৰ। তাক গান গাবলৈ ভালকৈ শিকোৱাও হৈছিল। গতিকে প্ৰতিযোগিতাত সি পলমকৈ আহি ওলালে নিশ্চয় দুখ লগা কথা। আমাৰ গাঁৱৰ গান গোৱা দলটোক ঘোঁৰা-গাড়ীৰে লৈ গৈছিল দাই এলিচ নামৰ চালকজনে। সিয়েই আহি দেউতাক আইভৰৰ বিষয়ে কৈছিল। দেউতাই মাথোন হাঁহিছিল।

মাক উদ্দেশ্য কৰি দেউতাই কৈছিল "বেথ্, তুমি চাবা আমি অলপতে আইভৰক হেৰুৱাম। সিয়েই প্ৰথমতে যাবগৈ।"

"হয় নেকি?" মায়ে সুধিছিল। মায়ে ঠিক ইহা নাছিল কিন্তু চিন্তা

এটিৰ মাজত যেন হাঁহিটো লুকাই আছিল। "তাৰ সময়ো হৈছে। মই বহুদিন এই কথা ভাবিছিলোঁ। ছোৱালীজনী কোন বাৰু।"

তেতিয়া কোনেও নেজানিছিল। আইভৰক সুধিবলৈকো কোনেও সাহ নকৰিছিল ? আনকি দেউতাইও দেউতাই কৈছিল যে সকলোৱে নিজৰ বিচাৰ বুদ্ধি আৰু পচন্দ আছে। গতিকে আনে এনেবুৰ কথাত তল খুচৰি ফুৰাৰ কোনো প্ৰয়োজন নাই। দেউতাই সঁচাকৈয়ে আইভৰক একোকে নুসুধিলে।

আনহাতে বেচেৰা আইভৰৰ অৱস্থা একেবাৰে শোচনীয়। কেইবা দিনো সি খোৱা বোৱা এৰিলে। খনিত কাম কৰি আহি গা-পা ধুই সি গুচি যায়গৈ পাহাৰখনলৈ আৰু তাতে ঘাঁহৰ ওপৰত দীঘল দি পৰি কিবা ভাবি থাকে। অন্ততঃ মই এদিন তাৰ ওচৰলৈ যোৱাত সি সেই বুলিয়েই কৈছিল।

মোক সি কৈছিল, "মই কিবা চিন্তা কৰি আছো। তই যাগৈ যা। কথা শুনিলে কিন্তু সো নৈখনত জুবুৰিয়াই দিমগৈ।"

ইয়াৰ পাছত বহুদিন ধৰি প্ৰত্যেক সন্ধিয়ে দুৱাৰৈক সি পাহাৰৰ সিপাৰে থকা ব্ৰনবেনহঁতৰ গাঁৱলৈ গৈছিল। দাও এলিচৰ গাড়ীখন নেপাই ৰাতি ঘিটঘিটীয়া এন্ধাৰত কেইবা মাইল খোজ কাটি কেইবা দিনা ঘৰলৈ উভতি আহিছিল। আইভৰৰ চিনা মানুহ এজনে ছোৱালী এজনীক তাইৰ দেউতাক-মাকৰ উপস্থিতিতো লগ পাবলৈ এনে কষ্ট কৰা দেখি বুজিব লাগিব যে আইভৰৰ প্ৰেম সঁচাকৈয়ে বৰ গভীৰ আছিল।

এদিনাখন শনিবাৰৰ গধূলিৰ আহাৰৰ পাছত আইভৰে বৰ অস্বস্তিৰে কোঠাটোৰ ভিতৰত এবাৰ ইফালে এবাৰ সিফালে খোজ কাটি, দীঘল হুমুনিয়াহ পেলাই, "ক্ৰিষ্টিয়ান হেৰাল্ড" কাগজখন এবাৰ তুলি লৈ পিচ মুহূৰ্ততে আকৌ দলিয়াই দি, ঘনাই বাহিৰলৈ গৈ পাহাৰৰ পিনে চাই দেউতাক তেওঁৰ বিৰক্তিৰ চৰমসীমাত পোৱাইছিলগৈ। ঠিক এনেতে আমাৰ সন্মুখৰ দুৱাৰত ঘোঁৰা গাড়ী এখন আহি ৰোৱাৰ শব্দ শুনা গ'ল।

দেউতাই মানুহ অহা দেখি বহাৰপৰা উঠিল, ককাইদেউহঁতো থিয় হ'ল। ইতিমধ্যে আইভৰে দুৱাৰৰ সন্মুখত ব্ৰনবেনৰ দেউতাকৰ লগত খুব নম্ৰভাৱে কথা কোৱা আৰম্ভ কৰি দিছে। ব্ৰনবেনৰ দেউতাক আহিছে আমাৰ ঘৰবাৰী আৰু পৰিয়ালটি চাবলৈ। তেওঁলোক সোমাই অহাৰ লগে লগে দেউতাই মোক কোঠাটোৰ পৰা যাবলৈ ক'লে।

লিলি ফুল পাহৰ দৰে শেঁতা পৰি যোৱা আইতৰে ক'লে—"দেউতা, এখেত ব্ৰনৱেনৰ দেউতাক।"

"অ হয় নেকি! কেনে, আপোনাৰ ভাল নে?"

ব্ৰনৱেনৰ দেউতাকে একে চাৱনিতে কোঠাটোৰ চাৰিওফালে চকু ফুৰাই চাই উত্তৰ দিলে, "হয় ভালেই।"

এই দৰে কথা-বতৰা আৰম্ভ হৈ অলপ সময়ৰ পিছতে, মায়ে চাহ কৰি আনে মানে দুয়ো পুৰণি বন্ধুৰ নিচিনা হৈ পৰিল। সেই ৰাতি ঘৰলৈ ঘূৰি যায় মানে ব্ৰনৱেনৰ দেউতাক এদৰ বাগীত ভাল দৰেই মতলীয়া হ'ল। দেউতাইও একেবাৰে নোখোৱাকৈ নাছিল। কিন্তু দেউতাই তেওঁৰ মাত্ৰা ভালদৰেই জানিছিল আৰু এবাৰ মাত্ৰা পোৱাৰ পিছত কোনেও তেওঁক এটুপিও জোৰ কৰিও খুৱাব নোৱাৰিছিল।

ইয়াৰ কেইদিন মান পিছত দেউতাই এদিন মাক লগত লৈ পাহাৰৰ সিপাৰে থকা ব্ৰনৱেনৰ মাকহঁতৰ লগত চিনাকি হবলৈ গ'ল।

কিন্তু ইয়াৰ আগতে এদিনাখন দেউতাহঁত কামৰপৰা ঘূৰি অহাৰ আগতে ব্ৰনৱেন অকলে আমাৰ ঘৰলৈ আহিছিল। কঁকালত এটা ডাঙৰ পাচি লৈ পাহাৰ বগাই ব্ৰনৱেন উঠি অহা দৃশ্যটো মই কেতিয়াও নেপাহৰোঁ। তেওঁৰ মূৰত আছিল খেৰৰ টুপী এটা, বহল সেউজীয়া ফিটাৰে টুপীটো থুঁতৰীৰ তলত বন্ধা। পাহাৰখন খিয় আৰু পাচিটো ডাঙৰ হোৱা সত্বেও তেওঁক বৰ ক্লান্ত যেন নেলাগিল। আমাৰ যালৰ শাৰীত থকা ঘৰবোৰ চাই চাই আহি থাকি আমাৰ ঘৰৰ সন্মুখ আহি পাই তেওঁ মোক দুৱাৰ মুখৰ পৰা তেওঁৰ পিনে জুমি থকা দেখিলে। ব্ৰনৱেনে হাঁহিলে। হাঁহিটোৰ লগে লগে ব্ৰনৱেনৰ চকুযুৰি খিৰিকীৰ আইনাত লাগি থকা বৰষুণৰ টোপালবোৰ সূৰ্যৰ পোহৰত জিলিকি উঠাৰ দৰে উজ্জ্বল হৈ উঠিল। হাঁহিলে ব্ৰনৱেনৰ অকস্মাত নাকটোও অলপ কোঁচ খাই যায়, টিব্‌টিকীয়া ৰঙা ওঁঠৰ মাজত সুন্দৰ বগা দাঁতবোৰ চিকমিকাই উঠে।

ব্ৰনৱেনে মাত লগালে, "কি খবৰ হিউ?"

মোৰ কিন্তু ইমান লাজ লাগিছিল যে উত্তৰ দিবলৈ এৰি মই মাৰ ওচৰলৈ পলাই গৈ বিচনাৰ আঁৰত লুকালোগৈ।

"কিনো হ'ল তোৰ?" মায়ে সুধিলে। একো নকৈ মই আৰু ভালকৈ লুকাবলৈ চেষ্টা কৰিলোঁ।

এনেতে ব্ৰনৱেনে আগফালৰ পৰা মাত দিলে।

মায়ে কিন্তু তেতিয়ালৈ ব্ৰনৱেনক কোনো দিনেই দেখা নাই, আনকি তাইৰ মাতো ক'তো কেতিয়াও শুনা নাই। কিন্তু মোৰ দৃঢ় বিশ্বাস ব্ৰনৱেনে মাত দিয়াৰ লগে লগে মাই গম পাইছিল কোন আহিছে। হাতত থকা চামুচখন থৈ, আচঁৰখনৰ ওচৰলৈ লৰি গৈ মাই মোৰ হাতত থকা এই নীলা কাপোৰখন মূৰৰ পৰা শুচাই চুলিবোৰ অলপ পৰিপাটি কৰি লৰ ধৰিলে।

চুলি আচুৰি থাকি মাই ক'লে, "ব্ৰনৱেন নেকি ?"

ব্ৰনৱেনে খুব লাহেকৈ ক'লে' "হয়।"

"আহ বাচা, আহ। ভিতৰলৈ আহ।" এই বুলি কৈ মাই ব্ৰনৱেনক লগ পাবলৈ গ'ল। দুয়ো একোকে নকৈ দুয়োটা পিনে অলপপৰ একেথৰে চাই থাকিল। ইয়াৰ পাছত মাই ব্ৰনৱেনক চুমা খালে।

অলপ সময়ৰ ভিতৰতে মায়ে ব্ৰনৱেনইতৰ বিষয়ে যি জানিব লাগে সকলো জানি ললে আৰু ব্ৰনৱেনকো ক'লে আইভৰে সৰুকালত কি দুষ্টামি কৰিছিল, সি কি খাই ভাল পায়। তপত চাহ যে সি খাব নোৱাৰে তাকো ক'লে। দুয়োৰে কথা-বতৰা চলি থাকিল আৰু মা অইনবোৰ শনিবাৰৰ দৰে সেই দিনা আগফালৰ দুৱাৰত বহিবলৈ পাহৰিয়েই গ'ল। দেউতা আৰু ককাইদেউইঁত আহি চিঞৰ বাখৰ লগাওতেহে মাৰ মনত পৰিল আৰু ততালিকে লৰি গৈ চুলখন পাৰি বহিলগৈ।

দেউতাই ক'লে, "ঘৰখনত আজি নিশ্চয় কিবা এটি গণ্ডগোল হৈছে। ইয়াৰ আগেয়ে তুমিতো কেতিয়াও শনিবাৰে বাহিৰত বহি আমালৈ ৰৈ থাকিবলৈ পাহৰা নাছিলা ?"

তেনেতে দেউতাই ব্ৰনৱেনক দেখিলে। দেউতাই হাঁহিলে।

"গণ্ডগোল ? নাই, গণ্ডগোল হোৱা নাই। সকলো ঠিকহে হৈছে বুলিব লাগিব।"

আইভৰ পাগঘৰলৈ সোমাই আহি ব্ৰনৱেনক চুমা খাবলৈ আগবাঢ়ি যাওঁতেই দেউতাই মোক ভিডিৰ পাছফালে ধৰি তাৰপৰা উলিয়াই লৈ গ'ল।

"এইবোৰ চাবৰ তোৰ এতিয়াও বয়স হোৱা নাই। তোৰো সময় এদিন আহিব।"

বাইদেউইঁতো ঠিক তেনেতে গৰু-ম'হৰ খুটিৰ পৰা আহি পালেহি।

ককাইদেউইঁতে ঘৰৰ পাছফালে গা ধোৱাত লাগিল। ঘৰত আনন্দময় চিঞৰৰ বাথৰৰ ঢৌ উথলিল। পাগঘৰৰ পৰা অহা ৰন্ধা বঢ়াৰ গোন্ধে ইমানকৈ ভোক লগালে যে পেটত কিবা হোৱা যেন লাগিল।

ইয়াৰ পিছতো অইন কেইবাদিনো শনিবাৰে ত্ৰন্ৰেন আমাৰ ঘৰলৈ আহিছিল। কিন্তু মোৰ হলে তেওঁৰ প্ৰতি লাজটো অলপো নকমিল। মোৰ বোধেৰে সেই বয়সতে মই ত্ৰন্ৰেনৰ প্ৰেমত পৰিছিলে। আৰু তেতিয়াৰে পৰা আজিলৈকে বোধহয় মই ত্ৰন্ৰেনক ভাল পাওঁ। অকণমান ল'ৰা এটা প্ৰেমত পৰা নিশ্চয় হাঁহি উঠা কথা। কিন্তু হাহলে কি হ'ব? ল'ৰাটো মই নিজে, গতিকে মই কি অনুভৱ কৰিছিলোঁ। সেইটো মোতকৈ ভালদৰে কোনে জানিব? মোৰ বিশ্বাস মই ত্ৰন্ৰেনৰ প্ৰেমত পৰিছিলো সেই শনিবাৰে যিদিনা তেওঁ প্ৰথম আমাৰ ঘৰলৈ পাহাৰ বগাই উঠি আহিছিল।

যিয়েই কি নহওক, সেই সকলোবোৰ এতিয়া অতীতৰ কথা।

২

আইভৰৰ বিয়াত আমি খুব ফূৰ্তি কৰিলো। বিয়া ক'ত হ'ব সেই কথা লৈ অলপ গোলমাল হৈছিল। ব্ৰন ব্ৰেনৰ দেউতাকে পাহাৰৰ সিপাৰে থকা গিৰ্জাত হোৱাটো বিচাৰিছিল, কিন্তু দেউতাই কৈছিল যে আমাৰ গাঁৱৰ গিৰ্জাটো ইতিমধ্যে সজা হৈ যাব আৰু বিয়াখন তাতেই হওক।

কেইবামাহো জুৰি সদায় গধূলি গাঁৱৰ প্ৰত্যেকজন মানুহে গিৰ্জা সজাত সহায় কৰিছে। মানুহবোৰে কাম কৰি থকা কালত মই আৰু ল'ৰাবোৰৰ সৈতে ইটা আৰু কাঠবোৰৰ মাজত খেলি ফুৰিছিলো। বৰ মজাৰ আছিল দিনবোৰ।

আমাৰ গিৰ্জাটো এতিয়াও সেই প্ৰথম দিনা নগৰৰ কোনোবা ধৰ্মযাজক এজন আহি মুকলি কৰাৰ দিনা যেনে আছিল ঠিক তেনেকুৱা চিক্‌মিকীয়া হৈ আছে। বহুত দিনলৈকে আমাৰ গিৰ্জাত কোনো ধৰ্মযাজক নাছিল, কাৰণ আমাৰ গাঁও ধৰ্মযাজক এজন ৰাখিব পৰাকৈ ধনী নাছিল। সেই বাবে গাঁৱৰ বয়সস্থ লোকসকলেই পাল পাতি ধৰ্ম-শিক্ষা দিয়া আৰু প্ৰাৰ্থনা কৰা কাম কৰাইছিল। ধৰ্ম-সঙ্গীত গোৱা দলটো কিন্তু শুৱিৰেপৰা আছিল।

দেউতাই বিচৰামতে আইভৰৰ বিয়াখন হ'ল আমাৰ নতুনকৈ সজা গিৰ্জাত। বিয়াৰ পিছৰ বং-ঢংবোৰ তুমি দেখিলাহেঁতেন যদি!

আচৰিত ভাবে সেইদিনাৰ বতৰটো বেচ ফৰকাল। দেউতাই পিন্ধিছিল এটা টপ্ হেট, মাই পিন্ধিছিল নতুন এযোৰা ধোৱাঁবৰণীয়া সাজ আৰু এটা নতুন টুপী, ককাইদেউহঁত আটাইবে নতুন ক'লা চুট আৰু টুপী আৰু মোৰ গাত আছিল মখমলৰ কলাৰ থকা এটি নতুন ক'লা অ'ভাৰকোট। মোক সিদিনা যদি দেখিলাহেঁতেন!

এইবোৰ যিয়েই নহওক, তুমি দেখিব লাগিছিল আইভৰ আৰু ব্ৰন ব্ৰেনক।

আইভৰেও পিন্ধিছিল নতুন ক'লা চুট এযোৰ, কিন্তু দেউতাই তাৰোপৰি তেওঁৰ ধুনীয়া বগা বেষ্ট্ কোটটো তাক পিন্ধিবলৈ দিছিল। আইভৰৰ কোটৰ কলাৰত লগোৱা আছিল কেইপাহমান গুলপীয়া ফুল।

আৰু ব্ৰনৰেন্? সকলোৰে এক মুখে ক'লে যে ব্ৰনৰেনক সঁচাকৈয়ে বৰ ধুনীয়া দেখিছে।

গিৰ্জাত একেবাৰে সন্মুখৰ শাৰীত আছিল মা আৰু ব্ৰনৰেনৰ মাক দুয়ো কাষ্দি আছিল। তাৰ পাছত দেউতা আৰু ব্ৰনৰেনৰ দেউতাক আৰু তাৰ পাছতে মোৰ ককাদেউহঁত—আয়াণ্টো, দেভি আৰু অৰেন্। মই আছিলো বাইদেউহঁত, আন এজন ককাইদেউ, মামা আৰু মামীদেউহঁতৰ সৈতে আৰু অলপ পাছত। গিৰ্জাত মানুহ ইমানকৈ ভৰি পৰিছিল যে হাত এখন তুলি ধৰিবলৈকে কাৰো সাধ্য নাছিল। ধৰ্ম-সঙ্গীতৰ কিতাপখন গেল'তো দূৰৰ কথা। কিন্তু গিৰ্জাৰ সকলোৰে ধৰ্ম-সঙ্গীতবোৰ ভাল'কয়ে মুখস্থ আছিল।

ধৰ্ম যাজকজনে বঢ়িয়া বক্তৃতা এটি দিলে। তেওঁ কেতবোৰ ডাঙৰ ইংৰাজী শব্দ ব্যৱহাৰ কৰিছিল। মই সেইবোৰ শব্দ আগতে কেতিয়াও শুনা নাছিলো, কাৰণ আমাৰ সভা আদিত বয়সস্থসকলে সদায় আমাৰ নিজ ভাষাতে বক্তৃতা দিছিল। কিন্তু শব্দবোৰৰ কেইটামান অস্পষ্ট ভাবে মোৰ মনত আছিল আৰু এই বিষয়ে মই দেউতাক পিছত সুধিছিলো। মোৰ বিশ্বাস মই শব্দবোৰ দেউতাক ভুলকৈ কৈছিলো আৰু সেইবাবেই হয়তো আমি সেইবোৰৰ একো অৰ্থ উলিয়াব নোৱাৰিলোঁ। মই আজিলৈ নেজানো সেই শব্দবোৰ কি আছিল।

গিৰ্জাত থকা প্ৰত্যেকজন মানুহে কিন্তু বক্তৃতাটো খুব মন দি শুনিলে—কোনোৱে কাণৰ পাছফালে হাত দি মূৰটো আগবঢ়াই দি একমনে শুনিলে, কোনোৱে আকৌ পাছফাললৈ মূৰটো হলাই দি চকু দুটা মুদি।

ধৰ্ম যাজকজনে বিশেষ গুৰুত্বপূৰ্ণ কথা এটি ক'লেই মানুহবোৰে একেলগে গুণগুনাই কিবা কৈছিল। মযো এবাৰ তেনে কৰি উঠিছিলোঁ, কিন্তু মই অকলে আৰু সিও ভুল ঠাইত। এইবাৰে মোৰ মোমাইদেউৱে মোক এনে এটা ঠেলা মাৰিলে যে মই 'গ গিৰ্জাৰ চকী দুভাগৰ মাজত থকা সৰু বাটটোত ছিটিকি পৰিলো গৈ। নতুন কোটটোত লগা ধূলিবোৰ জোকাৰি জোকাৰি মই উঠিলো, ধৰ্ম-যাজকজনে বক্তৃতা বন্ধ কৰি মোলৈ চাই পঠিয়ালে আৰু

গির্জাৰ অইন সকলো মানুহে মোৰ প্ৰতি বিৰক্তিৰে চালে। মোৰ ভাব হ'ল গির্জাৰ মজিয়াত এটা ফাঁট মেলক আৰু সেই ফাঁটেৰে মই মোৰ লাজ অপমান সকলো লৈ সোমাই যাওঁ। এতিয়াও মাজে সময়ে মই সপোনত সেই দৃশ্যটো দেখোঁ আৰু এতিয়াও মই সেইদিনৰ দৰেই লাজত মৰি যাওঁ। যেন মই তেতিয়াৰ সেই সৰু ল'ৰাটোৱেই হৈ আছোঁ আৰু গির্জাৰ সেই সকলোবোৰ মানুহ যেন এতিয়াও জীয়াই আছে।

অতীতৰ কথা ভাবি এনেদৰে পিছুৱাই যোৱাটো অলপ অসাধাৰণ নিশ্চয়, কিন্তু মান হাতে এইটো এনে অদ্ভুত কথাও নহয়। পাৰহে যোৱা সময়ৰ জানো কিবা বন্ধ' সীমা আছে? তুমি যিমান দূৰ ইচ্ছা' অতীতলৈ পিছুৱাই গৈ যিহকে ইচ্ছা ভাবিব পাৰা—অৱশ্যে কথাবোৰ যদিহে তোমাৰ ভালকৈ মনত থাকে।

বিয়াৰ পাছত হোৱা চাহ-মেলখনৰ কথা মই কেতিয়াও নেপাহৰো। গির্জাৰপৰা- আমাৰ ঘৰ এৰি গুচি যোবাৰ আগতে, ব্ৰনুৱেনক লৈ আইভৰ ঘৰলৈ গৈছিল। সিহঁত গৈছিল দাঙ্গ এলিচৰ আটাইতকৈ ভাল গাড়ীখনত আৰু গাড়ীখন টানিছিল ডাক অনা-নিয়া কৰা বগা ঘোঁৰাজনীয়ে।

ডাঙৰ তম্বুটোত খোৱা হৈছিল খোৱা' বস্তুবোৰ, আৰু সৰু তম্বুটোত মদ। বয়সস্থসকলৰ বাবে গির্জা'ৰ চোতালত গছবোৰৰ তলত চকী মেজ পৰা আছিল। সৰু ল'ৰা-ছোৱালীবোৰে কিন্তু হাততে খোৱা বস্তু লৈ ঘাঁহৰ ওপৰত বহি খাব লাগিছিল।

মেজবোৰত বিভিন্ন ধৰণৰ খোৱাবস্তু, স্যতলগাৰ্কৰ কাপোৰ পিন্ধা তিৰোতাবোৰ আৰু জগ আৰু বাল্টিত সজাই থোৱা ফুলৰ থোপাবোৰ লৈ ডাঙৰ তম্বুটো সঁচাকৈয়ে চাবলগীয়া হৈ পৰিছিল।

ব্ৰনৱেনৰ দেউতাকে নিজে বহুতো বস্তু বনাই আনিছে। তুমি সেইবোৰ অন্ততঃ দেখিব লাগিছিল। বিয়াৰ কেকটো থোৱা হৈছিল গছ এজোপাৰ তলত। কেক্‌টো বনাইছিল ব্ৰনুৱেনৰ দেউতাকে, তাত ব্ৰনুৱেন আৰু আইভৰৰ নাম আৰু বিয়াৰ তাৰিখটোও ধুনীয়াকৈ ৰূপালী আখৰেৰে লিখা আছিল।

তাৰোপৰি আমাৰ গাঁৱৰ প্ৰত্যেক পৰিয়ালে আৰু ব্ৰনৱেনইতৰ চিনা-জনা পৰিয়া-াবোৰৰ প্ৰত্যেকে কিবা এটা আনিছিল। সকলোৱে জানিছিল যে

বিয়ালৈ গলে অইন সকলোৱে তেওঁলোকে কিনো আনিছে চাবলৈ খুজিব। এই সকলোবোৰ লৈ মেজখন উপচি পৰিছিল।

মাই হাতেৰে চাপৰি বজাই সকলোকে খোৱা আৰম্ভ কৰিব কোৱাৰ অলপ পিছতেই মেজৰ খোৱা বস্তু নোহোৱা হ'ল। মই আৰু মোৰ লগৰীয়া চেদৰিক গ্ৰিফিথ্‌চে তদুৰ পাছফালে এটা ফুটা বিচাৰি নেপালে আমাৰ ভাগ্যত হয়তো একোকো নিমিলিলহেঁতেন। অৱশ্যে এইটো নেভাবিবা যে সকলোৱে খাবৰ বাবে উত্ৰাৱল হৈ হুলস্থুল এখন লগাইছিল। সকলোৱে কথা-বতৰা পাতি লাহে লাহে খাইছিল। ডাঙৰ ছোৱালীবোৰে সৰু ল'ৰা-ছোৱালীবোৰক খুৱাব লগীয়া হৈছিল। মই আৰু চেদ্ৰিকহে আছিলো অদ্ভুত এটা বয়সৰ— ছোৱালীয়ে খুৱাই দিবৰ উপযুক্ত ভাবে সৰুও নহয় আৰু অইন ডাঙৰ ল'ৰাবোৰৰ লগত বহি খাবৰ বাবে সেই অনুপাতে ডাঙৰো নহয়। সেইবাবে আমি নিজেই নিজৰ বন্দোবস্ত কৰি লবলগীয়া হৈছিলো। দীঘল মেজখনৰ তলত সোমাই আমি নিজৰ বাবে বেচ ভাল বন্দোবস্তই কৰি লৈছিলো।

তিৰোতা মানুহবোৰ আমাৰ একেবাৰে কাষেৰে পাৰ হৈ গৈ আছিল। কিন্তু আমি মাথোন তেওঁলোকৰ জোতাবোৰ আৰু কাপোৰৰ তলৰ অংশহিহে দেখিছিলো। মেজত পাৰি থোৱা দীঘল কাপোৰখনৰ বাবে ইয়াৰ বেছি একোকে নেদেখিছিলো। এটা বস্তু খাই আৰু কিবা লগা হলেই আমি বগুৱা বাই গৈ মেজৰ পৰা কিবা কিবি উঠাই লৈছিলো।

চেদৰিকৰ বিষয়ে মই পোৱা শেষ খবৰ মতে সি সাগৰৰ পাৰত ক'ৰবাত হোটেল এখন খুলিছে আৰু তাৰ ব্যৱসায় হেনো খুব ভালেই চলিছে।

বিয়েই নহওক, বাপ্তিস্ম দৰে খোৱাৰ প্ৰতিফল আমি দুয়ো অলপ পিছতেই হাতে হাতে পাইছিলো—দৌৰ প্ৰতিযোগিতাৰ পৰত। ককাইদেউহঁতে মোক বিচাৰি ফুৰিছিল আৰু মই চিঞৰ-বাখৰ কৰি আপত্তি কৰা স্বত্তেও মোক অইন ল'ৰাবোৰৰ সৈতে লৰিবলৈ বাধ্য কৰিছিল। মানুহৰ জুমক মই সদায় ভয় কৰিছিলো আৰু এতিয়া এজাক মানুহৰ আগত অইন ল'ৰাবোৰৰ হাতত দৌৰত পৰাস্ত হোৱাৰ অপমানৰ কথা ভাবি মই খঙত ভৰি হাত জোকাৰি চিঞৰিবলৈ আৰম্ভ কৰি দিলো। কিন্তু শেষত মই দৌৰিব লগীয়া হলেই কাৰণ, ইতিমধ্যে দেডি ককাইদেউৱে মোক কৈ থৈছিল যে মই দৌৰত যোগ নিদিলে সি ছোৱালীবোৰৰ আগতে মোৰ পেন্ট খুলি ভালকৈ মাৰ সোধাব।

সেই খিনিয়েই মোৰ বাবে যথেষ্ট আছিল, কাৰণ মই জানিছিলো যে কথা কৈ কাম নকৰা বিধৰ ল'ৰা দেখি অন্ততঃ নহয়। সেইবাবেই মই অইন ল'ৰাবোৰৰ সতে লৰিবলৈ আৰম্ভ কৰিলো। মই প্ৰথম হ'লো হয় কিন্তু লগে লগে মোৰ অসুখো হ'ল।

দেখিৰ ভয় হ'ল হয়তো মই মৰি যাম। সঁচাকৈয়ে মোৰ গাটো ইমান বেয়া লাগিছিল যে মই বাবে বাবে পৰি গৈছিলো। ডাক্তৰ ৰিচার্ডচন আহি এগিলাচ পানী খুৱাই দিয়াতহে মই অলপ সকাহ পাইছিলো। দৌৰৰ বাবে পোৱা পুৰস্কাৰৰ বাহিৰেও দেখি আৰু আয়াণ্টোৱে মোক পুৰা ছয় চিলিংকৈ দিলে। দেউতাইও এক চিলিং দিছিল। তেওঁতে মায়ে মোক তথুৰ তললৈ মাতি নি প্ৰায় আটাইখিনি পইচা বাকচটোত থবলৈ মোৰ পৰা লৈ ল'লে। মোক দিলে মাথোন তিনিটা পেনি। ইয়াৰ পিছত মায়ে মোক চকী এখনত বহুৱাই আকৌ জেলি আৰু কেক খাবলৈ দিলে।

গধুলি চাহ খাই আমি বনৰ এপৰত কপোৰ পাৰি বহি ধৰ্ম সঙ্গীত আৰু অইন অইন গান আৰম্ভ কৰি দিলো। আটাইতকৈ ভাল গোৱা কেইজনৰ বাবে পুৰস্কাৰো আছিল। লগতে এইটোও কোৱা নিশ্চয় অনুচিত নহব যে সক ল'ৰাবোৰৰ ভিতৰত আটাইতকৈ ভাল কণ্ঠস্বৰ বুলি মোকো এটি পুৰস্কাৰ দিয়া হৈছিল। এই বাবে দেউতাই খুব ভাল পাইছিল। মিঃ প্ৰচাৰে মোক পুৰস্কাৰ দিয়াৰ পৰত দেউতাৰ চকুত যি আনন্দৰ দৃষ্টি ফুটি উঠিছিল সেইটো মই আজীৱন নেপাহৰো।

দেউতাই সঙ্গীত খুব ভাল পাইছিল। পুৰস্কাৰ পোৱাৰ দিনৰে পৰা দেউতাই মোক পৰিয়ালৰ গায়ক বুলিছিল। সেইদিনা ৰাতি ঘৰলৈ ফিৰি আহোঁতে গোটেই বাটটো দেউতা আৰু মই হাতত ধৰা ধৰিকৈ আহিছিলো। আমাৰ কাষে কাষে আহি আছিল মা আৰু ঠিক পাছতে আছিল বাইদেউহঁত।

এবাৰ অতীতৰ কথা ভাবিবলৈ আৰম্ভ কৰিলে কেনেকৈ ইটোৰ পাছত সিটোকৈ ঘটনাবোৰ নিজে নিজে আহি গৈ থাকি মানুহক স্মৃতিৰ বান্ধোনেৰে বান্ধি পেলায় সেই কথা ভাবিলে আচৰিত লাগে। এটা কথা ভাবিলে আন এটা কথা আহি পৰে, কিয় আহি পৰে সেইটো কিন্তু বুজা টান।

আইভৰৰ পাছত আয়াণ্টোৰ বিয়া হ'ল—আমাৰ গাঁৱৰে এঘৰ মানুহৰ

আত্মীয় ছোৱালী এজনীৰ লগত ছোৱালীজনী সেই ঘৰ মানুহৰ ঘৰতে আছি আছিলহি। আয়াণ্টোৰ ঘৈণীয়েকক মই বৰ বেছি দেখা নাছিলো, কাৰণ বিয়া ঠিক হোৱাৰ লগে লগে ছোৱালীজনীৰ দেউতাকে আয়াণ্টোক মাতি পঠিয়ালে তেওঁলোকৰ গাঁৱত থাকিবলৈ আৰু তাতেই কাম কৰিবলৈ। আয়াণ্টো গলগৈ আৰু তাতেই তাৰ বিয়া হ'ল। সেই বিয়াখনৰ মই একোকে নেদেখিলো, মোৰ তেতিয়া মাম্পছ হৈছিল। মা আৰু দেউতাইত কিন্তু গৈছিল আৰু বিয়াৰপৰা উভতি আহি আয়াণ্টোৰ বাবে দুখ কৰিছিল। মায়ে কৈছিল যে আয়াণ্টোৰ শহুৰেকৰ পৰিয়াল বৰ ভাল নহয়। বিয়াৰ পাছত বহুবছৰ আমি আয়াণ্টোৰ একো খবৰ বাতৰি পোৱা নাছিলো। মাই সদায় এইবাবে চিন্তা কৰিছিল, কিন্তু চিন্তা কৰি লাভ একো নাছিল।

দেভি আছিল আমাৰ পৰিয়ালৰ ভিতৰত আটাইতকৈ চোকা ল'ৰা। তাৰ ডাক্তৰ হোৱাৰ খুব ইচ্ছা আছিল। কিন্তু ডাক্তৰ ৰিচাৰ্ডচনে কৈছিল যে ডাক্তৰি পঢ়াৰ বয়স দেভিৰ নাই। খনিত কিবা দুৰ্ঘটনা হ'লেই দেভি উপস্থিত হ'ব তাৰ বেগেন্দৰ বাকচটো লৈ। গাঁৱতো কাৰোবাৰ কিবা হ'লেই পোনেই দভিক মাতি পঠিয়াব দেভিয়ে বেণ্ডেজ আৰু ঔষধৰ খৰচৰ বাহিৰে কেতিয়াও মানুহৰ পৰা পইচা নলৈছিল। আমাৰ গোটেই অঞ্চলটোতে দেভিক সকলোৱে সন্মান কৰিছিল।

মই পঢ়াশালীলৈ যাবলৈ আৰম্ভ কৰাৰ অলপ দিন পিছতেই লক্ষ্য কৰিলো যে দেভি আজিকালি বৰ গহীন আৰু খঙাল হৈ পৰিছে। মই তাক অঙ্ক বুজাই দিবলৈ কোৱা এৰিলো, কাৰণ মই জানিছিলো যে মই কলেও দেভিয়ে একো উত্তৰ নিদিব। এদিনাখন ৰাতিৰ আহাৰ খাই উঠি দেউতাই তাক সুধিলে তাৰ কি হৈছে।

দেভিয়ে বহু সময় একো কোৱা নাছিল। সি ইমান বেছি পৰ মনে মনে আছিল যে মোৰ ভয় হ'ল চয়াতো দেউতাই দেভিৰ পিনে চাই থাকিবলৈ এৰি মোক লক্ষ্য কৰিলে পোনেই মোক শুবলৈ যাব ক'ব। দেউতাৰ চোকা নিৰ্দেশ আছিল যে মই সদায় আঠ বজাত বিচনাত পৰিব লাগিব।

দেভিয়ে খালি চাহৰ পিয়লাটোৰ ভিতৰলৈ একেথৰে চাই থাকি ক'লে, "মোৰ অকণো ভাল লগা নাই, দেউতা।"

"এই কথা শুনি মই বৰ দুখ পাইছো দেভি।"

"ইয়াত নো তই কি বেয়া পাইছ দেভি ?" মাই সুধিলে।

"সকলো, সকলো বেয়া। অথচ কোনেও লক্ষ্যও নকৰে। আৰু কোনোবাই কৰিলেও প্ৰতিকাৰৰ চেষ্টা নকৰে।"

দেউতাই ক'লে, "মোক ক'চোন বাৰু তই কি বেয়া দেখিছ। মানুহে কৰিবপৰা কাম হয় যদি মই তোক কথা দিছো মই কৰি দিম।"

"নহয় দেউতা, তুমি অকলে একো কৰিব নোৱাৰা। যি কৰো আমি সকলোৱে লগ হৈ কৰিব লাগিব। কথাটো এই—অহা সপ্তাহৰ পৰা আমাৰ দৰমহা কমাবলৈ ওলাইছে, নহয় জানো ? কিয় বাৰু ? কয়লাতো একেদৰে ওলাই আছে। আচলতে যোৱা বছৰতকৈ এইবাৰ বেছিহে ওলাইছে। তেনেহলে দৰমহা কাটিব কেলেই ? তোলাপতি লোণ কাৰখানা কেইটা বন্ধ হৈ যাব ধৰিছে। কিন্তু এই কাৰখানাত কামকৰা মানুহবোৰ ক'ল যাব ? আমাৰ খনিলৈ নাহিব নেকি ?

দেভিয়ে এ কথাৰে দেউতাৰ পিনে চাই আছিল। কপালৰ ওপৰেদি বাগৰিপৰা দীঘল চুলিখিনিৰে কৰিণাবা তাৰ চকু ঢাকি পেলাইছিল।

চিন্তিত হ'লে সদায় কৰাৰ নিচিনাকৈ দেউতাই মুখৰপৰা পাইপটো আঁতৰাই ক'লে—"মোৰ বোধেৰে সিহঁতে য'তে কাম পায় তালৈকে যাব।"

"সিহঁত আমাৰ খনিলৈকে আহিব, আন ক'লৈকো নাযায়। আমাৰ খনিত ইতিমধ্যেই প্ৰয়োজনতকৈ বেছি মানুহ আছে। আমাৰ গাঁৱৰে অৱাইনৰ পুতেকহঁতে দেখোন কাম বিচাৰি পাহাৰখনৰ সিপাৰে যাবলগীয়া হ'ল। পৈতৃক ঘৰবাৰী এৰি কাম বিচাৰি অইন পিনে যাব নালাগিব বুলি অইনবোৰেো জানো কিবা ভৰসা আছে ? দেউতা, মই কওঁ শুনা কি হব।" দেভি উঠি জুহালৰ ওচৰলৈকে গৈ পইচা থোৱা বাকচটো টুকুৰিয়াই ক'লে, "অতি সোনকালে এই বাকচটো উদং হৈ যাব।"

আচৰিত হৈ আৰু মাৰ পিনে চাই থাকি দেউতাই তেতিয়া কৈছিল, "কি বলিয়ালিখন কৰিছ দেভি ? ঈশ্বৰে কৰিলে, কয়লা আছে মানে তেনেকুৱা কেতিয়াও নহয়।'

দেভিয়ে কৈছিল, "দেখিম বাৰু। লোণ কাৰখানাৰ মানুহবোৰ আমাৰ খনিলৈ আহিব কাম বিচাৰি। তাৰে কেইবোৰে আমাতকৈ কম মজুৰীত কাম কৰিবলৈ ওলাব, মেনেজাৰো সম্মত হ'ব। তুমি নিজেই দেখিবা নহয় দেউতা,

বুঢ়া আৰু বেছি মজুৰী পোৱা আটাইবোৰকে তেতিয়া খনিৰ পৰা খেদি দিব। এতিয়াই সাৱধান নহলে তুমিও তেওঁলোকৰ এজন হ'ব লাগিব।"

"বলিয়ালিখন এৰ দেখি," দেউতাই হাঁহি হাঁহি কৈছিল। তাৰ পাছত মাক কৈছিল, "দিয়া বেথ্, আমাক সকলোকে খুব ভালকৈ চাহ একাপ দিয়াচোন।" তেনেতে মোক তেতিয়াও তাতে দেখি দেউতাই কৈছিল, "আৰু তই, তই যা। শুই থাক গৈ এতিয়াই।"

দেখিয়ে যি কৈছিল সেয়ে হ'লগৈ। লোৰ কাৰখানাৰ মানুহবোৰ কয়লাৰ খনিলৈ আহি সক ল'ৰাক দিয়া মজুৰীত কাম কৰিবলৈ আৰম্ভ কৰিলে। সিহঁতৰ কিছুমানে আনকি আগেয়ে ঘোঁৰাই টনা কয়লা কঢ়িওৱা ট্ৰামবোৰ টানিবলৈকো সন্মত হ'ল। বহু বছৰ ক'ম কৰা কেইবাজনো পুৰণি মানুহক বিশেষ কোনো কাৰণ নেদেখুৱাকৈ বৰ্খাস্ত কৰিলে। খনি-কতৃপক্ষই এই বিষয়ে ক'লে যে বৰ্খাস্ত কৰা কেইজন বুঢ়া হৈছে আৰু কাম কৰাৰ অনুপযোগী হৈ পৰিছে। এই যুক্তিৰ কোনো মূল্য নাছিল, কাৰণ বৰ্খাস্ত হোৱাবোৰৰ মাজত দাই গ্ৰিফিথচো আছিল। অথচ, দাই গ্ৰিফিথ্চ গোটেই উপত্যকা খনৰ ভিতৰতে এজন ভাল কৰ্মী বুলি জনাজাত।

দেউতাই অলপ দিন আগৰেপৰা খনিৰ ভিতৰলৈ নগৈ বাহিৰতে 'চেকাৰ' কাম কৰি আছিল। খনিৰপৰা ওপৰলৈ অনা কয়লাবোৰ তেওঁ পৰীক্ষা কৰি চাইছিল আৰু লিখি থৈছিল প্ৰত্যেক গাড়ীত কিমান কয়লা আছে আৰু সেই কয়লাখিনি কেনে খান্দি উলিয়াইছে। সেইমতেই মানুহবোৰক দৰ্মহা দিয়া হৈছিল। সেইবাবেই হয়তো দেউতা এজন মুখিয়াল মানুহ আছিল আৰু সঁচাকৈয়ে দেউতাই প্ৰায়েই অইন মানুহবোৰৰ কাজিয়া-পেচাল ভাঙি মিট-মাট কৰি দিব লাগিব।

এদিনাখন ৰাতি দেউতা থ্ৰিবেলচ নামৰ মদৰ দোকানত হোৱা সভা এখনৰ পৰা ঘৰলৈ অহাত তেওঁক বৰ চিন্তিত যেন দেখা গৈছিল। দেখিয়ে মেজৰ কাষত বহি কিতাপ এখন পঢ়ি আছিল আৰু মই বিচনাৰ এটা চুকত বহি ছবি আঁকি আছিলোঁ।

দেউতাই কৈছিল, "দেখি, আমি ধৰ্মঘট কৰিবলৈ ওলাইছো।"

"ভাল কথা দেউতা। পাছে, এইবাবে বৰ্খাস্ত কৰিলে কি কৰিবা ভাবি চাইছানে?

"মোক বৰ্খাস্ত কৰিব কিয় ?" দেউতাৰ খঙ উঠিছিল। বৰ্খাস্ত কৰাৰ বিৰুদ্ধেইতো আমাৰ এই ধৰ্মঘট। উপযুক্ত দৰমহা দিব লাগিব আৰু চাকৰিৰ অইন চৰ্তবোৰ আমাৰ সকলোৰে মনঃপুত হ'ব লাগিব।"

দেভিয়ে মাথোন পইচা খোৱা বাকচটোৰ পিনে চাই হাঁহিছিল। এইবাৰে দেউতাৰ খং আৰু বাঢ়িহে গৈছিল।

"সভালৈ যাবলৈ এৰি তই ঘৰত সোমাই আছিলি কিয় ?" দেউতাই দেভিক সুধিছিল।

"কাৰণ মই চাব খুজিছিলো তোমালোকে কি সিদ্ধান্ত কৰা। মই জানো এতিয়া মহ কামত লাগিব পাৰিম। মই কওঁ শুনা দেউতা, তুমি এইবোৰৰ বাহিৰত থাকা খনি-কৰ্তৃপক্ষক যি কব লাগে মৰেই কম।"

"ওহো, সেইটো মই নকৰো। মানুহবোৰে মোক কবলৈ কৈছে আৰু মৰেই কমগৈ।"

"তেতিয়া হলে অতি সোনকালেই শুইলাম, সুৰেন আৰু মযেই এই ঘৰখন চলাই থাকিব লাগিব। তুমি দাই গ্ৰিফিথ্‌চ আৰু অইন বৰ্খাস্ত হোৱা মানুহবিলাকৰ লগ ল'ব লাগিব।

"দেখা যাওক কি হয়।" দেউতাই উত্তৰ দিছিল।

দেভিয়ে কোৱা কথা আকৌ সঁচা প্ৰমাণিত হ'ল।

অইন দুজন মানুহৰ সৈতে দেউতাই খনিৰ মেনেজাৰক দেখা কৰিবলৈ গৈ বৰ চিন্তিত আৰু বেজাৰ মনেৰে ফিৰি আহিল। ধৰ্মঘট কৰাৰ বাহিৰে অইন একো উপায় নাই, দেউতাইতে ক'লে।

ধৰ্মঘট আৰম্ভ হ'ল।

প্ৰথমবাৰ ধৰ্মঘট পাঁচ সপ্তাহ জুৰি চলিল। ধৰ্মঘটৰ অন্তত মাত্ৰ দুদিন কাম কৰিয়ে মানুহবোৰে আকৌ কাম বন্ধ কৰিলে, কাৰণ কৰ্তৃপক্ষই মোৰ দেউতাকে আদি কৰি বাৰজন মানুহক বৰ্খাস্ত কৰিছিল।

দ্বিতীয়বাৰ ধৰ্মঘট চলিল বাইশ সপ্তাহ জুৰি। শীতকাল পালেহি। তেনেতে লণ্ডনৰ কোনোবা এজনক লৈ ওচৰৰ নগৰৰ পৰা কেইজনমান মানুহ খনিলৈ আহিল। দউতাই অকলে তেওঁলোকক দেখা কৰিবলৈ গ'ল।

ইতিমধ্যে আমাৰ উপত্যকাৰ মানুহবোৰে দাৰিদ্ৰ্যৰ জ্বালা অনুভৱ কৰিবলৈ আৰম্ভ কৰিছে। ঘৰত খোৱা বস্তু নাই, পইচাও নাই সুদিনত ঘৰৰ

ভিবোতাবোৰে অলপ অচৰপ সাঁচি নথলে কথা আৰু বেয়া হ'লহেঁতেন। তথাপিও সকলোৰে সাঁচি থোৱা ধন শেষ হৈ আহিল। মায়ে আমাৰ বাকচৰ পইচা লৈ বিপদত পৰা পৰিয়াল'বাৰক দিব ধৰিলে। কৈধাটি ল'ৰা ছোৱালীবে গির্জাৰ কাষত থকা মিছেছ মৰিচৰ অৱস্থা ইমান শোচনীয় হ'ল যে তেওঁ খোৱা বস্তু খুজি ফুৰিবলৈ আৰম্ভ কৰিলে। লাজত তেওঁৰ গিৰীয়েকে খনিৰ ভিতৰলৈ জাপ মাৰি আত্মহত্যা কৰিলে।

দেউতাই নগৰবৰপৰা অহা মানুহবোৰৰ সতে কথা হৈ চিন্তিতভাৱে কিন্তু ধীৰে সুস্থিৰে ঘৰলৈ আহিছিল। মাই তেওঁক কোনো প্ৰশ্ন কৰা নাছিল।

দেউতাই নিজেই কৈছিল, 'ধৰ্মঘট আমি শেষ কৰিলো বেথ। কিন্তু আমাৰ মজুৰী হ'লে আগতকৈ কম হ'ব। সিইতে বোলে কয়লাৰ বাবে আগৰ সমান মূল্য নাপায় আৰু সেইবাবেই আগৰ সমান মজুৰীও বোলে দিব নোৱাৰিব। কথাটো ঠিকেই নহয় জানা ?"

মায়ে মাথোন সুধিছিল, "শুইলাম, তোমাৰ নিজৰ কামটো তুমি পাবানে ?"

"পাম" দেউতাই লাহেকৈ কৈছিল। মোৰ এনেয়ে ভাব হ'ল হয়তো দেউতাই কিবা লুকুৱাইছে। কেইদিনমান পিছতেই গম পাইছিলো কথাটো কি।

দেউতাই খনি কৰ্তৃপক্ষৰ স' কথা-বতৰা হোৱাৰ পিছদিনা বাস্তিপুৰাই মানুহবোৰ আকৌ কামলৈ গ'ল। পাহাৰ নামি মানুহবোৰ কামলৈ যোৱাৰ দৃশ্য তুমি দেখিব লাগিছিল।

দুৱাৰ খুলি মানুহবোৰ ঘৰবৰপৰা ওলাই আহিছিল। ঘৰৰ গৈণী আৰু ল'ৰা-ছোৱালীহঁতে আলবাটলৈ আহি মানুহবোৰ কামলৈ যোৱা চাই আছিল। দেউতা আহিছিল দেভিৰ সতে আৰু মানুহবোৰে দেউতাক দেখা মাত্ৰকে হৰ্ষধ্বনি দিবলৈ আৰম্ভ কৰিছিল, কাৰণ, মানুহবোৰৰ মনত দেউতা তেতিয়া গোটেই গাওঁখনৰ ত্ৰানকৰ্তা। কিন্তু দেউতাই এইবোৰ ভাল নেপাইছিল আৰু সেইবাবেই দেউতাই হৰ্ষধ্বনি বন্ধ কৰিবলৈ কৈ নিজে গান আৰম্ভ কৰিলে। লগে লগে সকলোৱে গানত যোগ দিলে।

গান আৰম্ভ হোৱাত পাহাৰখনৰ আটাইবোৰ ঘৰৰে দুৱাৰ খুলি গ'ল আৰু মতা, তিৰোতা, ল'ৰা-ছোৱালী সকলোবোৰ ওলাই আহি বাটটো ওপচাই পেলালে।

গোটেই উপত্যকাখন গানেৰে ৰজনজনাই উঠিল। অলপ আঁতৰত থকা গৰুৰ খুটি কেইটাত পোহৰ দেখা গ'ল। খনিলৈ যোৱা মানুহবোৰে হাতৰ চাকিবোৰ জোকাৰিবলৈ ধৰিলে— গানৰ তালৰ সতে উঠা-নমা কৰি থকা শ শ পোহৰৰ কণা।

সকলোৰে গান পাইছিল।

আমাৰ মাজলৈ পুনৰ শান্তি নামি আহিছিল।

৩

মই গাঁৱৰ ওচৰৰ এটা সৰু ঘৰত থকা মিচেচ্ টম জেনকিন্সৰ স্কুলত পঢ়িছিলোঁ। লোৰ কাৰখানাত কাম কৰি থাকোঁতে টমৰ গোটেই গাটো গলিত লোৰে পুৰি পেলাইছিল। চকী এখনত পৰি থকাৰ বাহিৰে তেওঁ অইন একোকে কৰিব নোৱাৰে আৰু সেইবাবেই ঘৰখন চলাই থাকিবলৈ ঘৈণীয়েকে স্কুল খুলিবলগীয়া হৈছিল। তেওঁৰ নিজৰ দুজনী সৰু জীয়েক আছিল আৰু সিহঁতেও স্কুলত পঢ়িছিল, কিন্তু সিহঁত দুয়ো পইচা দি পঢ়া অইন ল'ৰা-ছোৱালীবোৰতকৈ আঁতৰ হৈ বেঞ্চখনৰ ওচৰত বহিছিল। টমৰ সদায় বিষ উঠিছিল আৰু প্ৰায়েই মিচেচ্ জেনকিন্সে পঢ়োৱা বন্ধ কৰি গিৰীয়েকক চাবলৈ অইন এটা কোঠালৈ যাবলগীয়া হৈছিল।

অঙ্ক, চিঠি-ৰচনা, বুৰঞ্জী আৰু ভূগোল এইবোৰ বিষয়ত আমি শিক্ষা লাভ কৰিছিলোঁ। মিচেচ টম জেনকিন্সৰ দেউতাকৰ আছিল কিতাপৰ দোকান আৰু সেইবাবেই আমি সকলোৱে বিশ্বাস কৰিছিলোঁ যে তেওঁ বহুতো কথা জানে।

মিচেচ জেনকিন্সৰ পঢ়োৱাৰ বিষয়ে যিখিনি তেওঁৰ প্ৰাপ্য সন্মান মই সেইখিনি দিবই লাগিব। সপ্তাহত চাৰি পেনিকৈ দি আমি প্ৰত্যেকে সেই অনুপাতে যথেষ্ট ভাল শিক্ষা পাইছিলোঁ। কিন্তু এই কথা মই পাছতহে অনুভৱ কৰিছিলোঁ, পঢ়ি থকা কালত নহয়। মিচেচ জেনকিন্সৰ স্কুলত আমাৰ সতে পঢ়া অইন আটাইবোৰ ল'ৰা ছোৱালীয়েই জীৱনত উন্নতি কৰিছে, কিন্তু মোৰ ভয় হয় সিহঁতে হয়তো তেওঁৰ বিষয়ে খুব ভাল কথা নকব।

সন্মুখৰ কোঠাটোৰ টুলত বহি শ্লেটবোৰ আঁঠুৰ ওপৰত লৈ আমি বহিছিলোঁ। মিচেচ জেনকিন্স থিয় হৈছিল গজালেৰে বেগত লগাই থোৱা ব'ৰ্ডখনৰ সন্মুখত।

আহি পায়েই আমি সদায় টুপী আৰু কোটবোৰ পাৰিপাটিকৈ থৈ স্কুল বহা কোঠাটোলৈ গৈ তেওঁক আৰু তেওঁৰ ছোৱালী দুজনীক সুপ্ৰভাত জনাওঁ। তাৰ পিছত ল'ৰাবোৰে ছোৱালীবোৰ বহিবলৈ টুলবোৰ ঠিক কৰি দিয়ে আৰু ছোৱালীবোৰে ল'ৰাবোৰৰ শ্লেট পেন্সিলবোৰ আনি দিয়ে।

এইবোৰৰ অন্তত আমি থিয় দি ৰাতিপুৱাৰ প্ৰাৰ্থনা সঙ্গীত আৰম্ভ কৰো। প্ৰাৰ্থনা-সঙ্গীত শেষ হ'লে মিছেছ্ জন্‌কিন্সে আমাৰ সকলোৰে বাবে ঈশ্বৰৰ কৰুণা, মনোবল আৰু মানৱ-জাতিৰ কল্যাণৰ বাবে কাম কৰা ইচ্ছা কামনা কৰি এটি প্ৰাৰ্থনা কৰে।

মানৱ জাতিনো কি সেই বিষয়ে মই ভাবি উলিয়াবলৈ কৰা চেষ্টাৰ কথা মোৰ এতিয়াও মনত পৰে। অৱশেষত ভাবি চিন্তি মই ইয়াকে ঠিক কৰিছিলো যে মানৱ-জাতি দীঘল দাড়ি একোচাৰে এজন বিৰাট ওখ দয়ালু মানুহ।

এদিন স্কুল ছুটিৰ পিছত আইন সকলো ঘৰাঘৰি যোৱাত, মই টমক বিচনাত শুৱাই থোৱাত মিছেছ্ জেন্‌কিন্সক সহায় কৰি থাকোঁতে এই বিষয়ে তেওঁক কৈছিলো।

"যীশুৰ বটিয়া ছবি এখন তুমি ভাবি উলিয়াইছা, হিউ।"

"যীশুৱেই তেন্তে মানৱ-জাতি নেকি?" মই বৰ আচৰিত হৈ সুধিছিলো।

টমৰ গাত কম্বলখন ভালকৈ দি থাকি তেওঁ কৈছিল, "ঠিক সেইটো নহয়। পাছে, যীশুৱে মানুহৰ বাবে যিমানখিনি ত্যাগ কৰিলে তেওঁক মানৱ-জাতি বুলিলে খুব ভুল কোৱা নহব।"

"তেন্তে মানৱ জাতিনো ঠিক কি বস্তু?" মই সুধিছিলো। মই কথাটোৰ বিষয়ে খুব বেছিকৈ ভাবি আছিলো আৰু সেই বাবেই সেইদিনা মই সঠিক উত্তৰ এটা পাবলৈ দৃঢ় সঙ্কল্প কৰিছিলো।

"মানৱ-জাতি আমি সকলোৱে—তুমি, মই, টম আৰু এই পৃথিবীৰ আইন যি কোনো মানুহ, সকলো মিলি মানৱ-জাতি।"

মই কৈছিলো, "তেতিয়া হলেনো আপুনি সদায় ৰাতিপুৱা আমাক অন্তৰত মানৱ জাতিক সহায় কৰিবলৈ ইচ্ছা দিয়াৰ বাবে ঈশ্বৰৰ ওচৰত প্ৰাৰ্থনা কৰে কিয়?"

উত্তৰত তেওঁ কৈছিল, "কাৰণ, মই ইয়াকে বিচাৰো যেন তোমালোকে অকল নিজৰ আৰু নিজৰ পৰিয়ালৰ কথাকে নেভাবি এই পৃথিৱীত জীয়াই থকা অইন সকলোৰে কথা ভাবিব পাৰা। আমি সকলোৱে সমান আৰু প্ৰত্যেকৰে অইনৰ সহায়ৰ প্ৰয়োজন। মানৱ জাতিক সহায় কৰোঁতা মানৱ জাতিৰ বাহিৰে অইন কোনো নাই।"

"যদি তেনেকুৱাই হয় তেন্তে আপুনি ঈশ্বৰক থাটে কিয়? মই প্ৰশ্ন কৰিছিলো। কাৰণ, দেউতাই সদায় কৈছিল যে মানুহে নিশ্চিত মনে সহায় বিচাৰিব পাৰে অকল ভগৱানৰ ওচৰতহে। এতিয়া মিছেছ্ জেনকিন্সে কোৱা কথাবোৰ সেইবাবেই মোৰ বৰ আচহুৱা যেন লাগিছিল।

টমৰ পিনে একেথৰে চাই থাকি মিছেছ্ জেনকিন্সে কৈছিল—"ভগৱানেহে জানে হিউ।" তেওঁ অকণো নেজানিলে যে তেওঁ হুমুনিয়াহ্ পেলাই নিজকে নিজে যি কৈছিল সেই কথা মই স্পষ্টভাবে শুনিছিলো। "যদি ঈশ্বৰ সঁচাকৈয়ে আছে," তেওঁ কৈছিল।

মিছেছ্ জেনকিন্সে টমৰ পিনে চাই আছিল। টমৰ গোটেই মুখটোত আৰু কান্ধ দুখনত গলিত লো পৰাৰ ফলত দুয়োটা চকু তেওঁৰ অন্ধ হৈছিল, নাকটোত বেয়াকৈ পুৰিছিল, মুখৰ চুলিবোৰ পুৰি নাইকিয়া হৈ গৈছিল আৰু মুখটো ভয়লগা একপ্ৰকাৰ গুলপীয়া ৰঙৰ হৈ পৰিছিল। টমৰ বয়স তেতিয়া ত্ৰিশ বছৰমান মাথোন। সকলোৱে তেওঁক ভাল পাইছিল। দুৰ্ঘটনাটোৰ আগেয়ে আমাৰ গোটেই উপত্যকাখনৰ ভিতৰতে তেওঁ ভাল গায়কবোৰৰ এজন আছিল। কিন্তু এতিয়া তেওঁ দুটা এটা বৰ অদ্ভুত শব্দ কৰাৰ বাহিৰে একোকে কৰ নোৱাৰে। মিছেছ্ জেন্কিন্স বা তেওঁৰ ছোৱালী দুজনীকো চিনি পোৱাৰ শক্তি বোধহয় তেওঁৰ নাছিল। এতিয়া সেইবোৰ কথা ভাবি, মিছেছ্ জেনকিন্সে নিজকে নিজে কোৱা কথাষাৰৰ বাবে তেওঁক মই ৰবকৈ দোষাৰোপ কৰিব নোৱাৰো।

নিজে চিন্তা কৰিব পৰা হোৱাতহে মই এইদৰে ভাবিব পাৰিছিলো। নিজে বৰ বেছি চিন্তা কৰাৰ বাবেই মোৰ আজি এই অৱস্থা হৈছে বুলি মোৰ ধাৰণা।

পাছে, ভাবিলে ভুল কৰা হ'ব যে মই এতিয়া যি হৈছোগৈ সেই বিষয়ে মই সন্তুষ্ট নহওঁ, আৰু মই প্ৰথমতে যি আছিলো এতিয়াও যে সেয়েই হৈ আছো সেইটোও নহয়। মই মাথোন ইয়াকে কব খুজিছো যে মই নিজেই

ভাবিবলৈ আৰম্ভ নকৰা হলে হয়তো মই আপাত দৃষ্টিত অধিক সুখী জীৱন যাপন কৰিব পাৰিলোহেঁতেন আৰু হয়তো এতিয়াতকৈ মানুহে মোক অধিক সন্মান কৰিলেহেঁতেন। যদিও সদ উপায়েৰে অৰ্জন নকৰিলে সুখ আৰু সন্মানৰ কোনো মূল্য নাই, তথাপিও এইবোৰে প্ৰলোভন সহজে জগাই তোলে।

এই সৰু কোঠাটোৰ চাৰিওপিনে চকু ফুৰাই চাই, সুখ-সন্মানক অৱজ্ঞা কৰাৰ চেষ্টা কৰি বৰ বেছি সান্ত্বনা কিন্তু নেপাওঁ। সৎচিন্তা আৰু সৎকাম কৰিও সুখেৰে জীৱন অতিবাহিত কৰাৰ নিশ্চয় কিবা উপায় আছে।

মোৰ দেউতা সদায় সৎ আছিল। কিন্তু সেই বাবেতো তেওঁৰ একোলাভ নহ'ল। মাইও নো বাৰু কিটো পালে? মই বিৰক্তিতে এইবোৰ কোৱা নাই আৰু কাৰোবাক বা কিহবাক ঘিণাবলৈকো মোৰ অনুভূতি এতিয়া সিমান প্ৰবল নহয়। মই মাথোন যি মনত পৰিছে তাকেহে কৈ গৈছো।

মই দেউতাক প্ৰথমবাৰ মানুহৰূপে দেখা পাওঁ ধৰ্মঘটৰ পিছত মানুহবোৰ খনিলৈ ঘোৱাৰ প্ৰথম দিনাখন স্কুলৰপৰা আহোঁতে।

বেজীৰ দৰে বিন্ধা শীতকালৰ বৰষুণজাকৰ মাজেৰে আমি লৰি লৰি আহি আছিলো। আলিবাটৰ দাতিত থকা গছৰ শাৰীৰ ওপৰেদি কয়লা খনিৰ মানুহ উঠা নমা কৰোৱা বাকচটো আৰু বিজুলী পোহৰ সৰবৰাহ কৰা ঘৰটো দেখা গৈছিল। এইবোৰতকৈ ওপৰত আছিল সেই ঠাইডোখৰ, য'ত কয়লা পৰীক্ষকসকলে কয়লা অনা-নিয়া কৰা গাড়ীবোৰ পৰীক্ষা কৰি হিচাপ লিখি থয়।

কয়লা পৰীক্ষকসকলৰ বাবে বেলেগে সৰু সৰু ঘৰ কৰি থোৱা আছিল। বৰষুণ দিলে বা বৰকৈ জাৰ পৰিলে তেওঁলোকে সেই ঘৰবোৰত সোমাই কয়লাৰ হিচাপ লৈছিল। মোৰ মনত পৰাৰপৰা তাত সদায় তিনিটা তেনে ঘৰ আছিল আৰু দেউতাই ব্যৱহাৰ কৰা ঘৰটো আছিল সেউজীয়া ৰং দিয়া মাজৰ ঘৰটো।

অইন দুটা ঘৰৰ মাজৰ ব্যৱধান খিনিৰ পিনে মই একেথৰে চাই থাকিলো। ল'ৰা-ছোৱালীবোৰ মোৰ কাষেদি লৰি লৰি পাৰ হৈ গ'ল। হিচাপৰ বহীখন টপ টপকৈ পানী পৰি থকা কোটটোৰে ঢাকি ৰাখিবৰ চেষ্টা কৰি দেউতাই বৰষুণত ভিজি ভিজি কয়লা পৰীক্ষা কৰি হিচাপ লিখি আছিল। কোটৰপৰা সৰি পৰা পানীৰ ডোঙাটোৰ মাজত তেওঁ থিয় দি আছিল আৰু বৰষুণত ভিজি চুলিবোৰ মুখত লিপিত খাই ধৰিছিল।

তেওঁৰ ঘৰটো ভাঙি পেলোৱা হৈছে।

মই আজিলৈকে কব নোৱাৰো মই একেথৰে চাই থকা বাবেই নে আইন-কিবা কাৰণত দেউতাই মূৰ তুলি চালে আৰু মোক দেখা পাই মুখৰপৰা পেন্সিলডাল আঁতৰাই আঙুলি জোকাৰিলে। তেওঁ যেন মোক ক'লে, এই বিষয়ে মাক যেন মই একোকে নকওঁ। ইয়াৰ পিছত তেওঁ মোক তেতিয়াই ঘৰলৈ যাবলৈ ইংগিত দিলে।

সেইদিনা ৰাতি এই কোঠাটোটেই মই হঠাতে টোপনিৰপৰা সাৰপাই দেউতাই দেভিৰ সতে কথা পতা আৰু মা'য় কন্দা শুনিবলৈ পাইছিলো।

"কাজিয়া নকাৰণে তুমি একোকে পাব নোৱাৰা।" দেভিয়ে চিঞৰি কৈছিল। "তুমি ভাবা নেকি মই মোৰ দেউতাক কুকুৰৰ দৰে বৰষুণত তিতি থকা দেখিও সেইটো বন্ধ কৰিবলৈ একোকে নকৰিম?"

দেউতাই কৈছিল, "মোৰ বিষয়ে ভাবিব নেলাগে। নিজৰ কথাকে ভাব। মোক লৈ তইতৰ ৰাজনীতি কৰিবৰ কোনো প্ৰয়োজন নাই। মোৰ কথা এৰ, মই নিজেই মোৰ কথা ভাবিব পাৰিম।"

"পাৰিবাতো। নোৱাৰিবা কিয়? মাথোন এন্দুৰৰ দৰে ডুবি মৰিব পাৰিবা।"

"বন্ধ কৰ এইবোৰ কথা। এই ঘৰত গালি-গালাজ ব্যৱহাৰ নকৰিবি।"

"কিন্তু দেউতা, তুমি কি কৰিব খুজিছা বাৰু?" দেভিয়ে সুধিছিল। "জাৰকালি বৰফ পৰিবলৈ আৰম্ভ কৰিলে তুমি জাৰত মৰি যাবা। আমি সকলোৱে এক হৈ যুঁজো আহা। তেনেহলেহে সিহঁতে শিক্ষা পাব। খনিৰ এটা মাথোন গাঁতত গণ্ডগোল কৰি লাভ নাই। আটাইবোৰ খনিৰ মানুহে একেলগে যুঁজিব লাগিব।"

"মই জাৰত মৰি গলেও কোনো কথা নাই। মোক লৈ তইঁতে আকৌ ধৰ্মঘট কৰিবলৈ বুধি দুলিয়াবি। মই জাৰত কঁপি কঁপি কাম কৰিবলগীয়া হ'ল বুলি আইন মানুহবোৰে কাম বন এৰি খনিৰপৰা ওলাই অহাটো মই কোনো-মতেই নিবিচাৰো।"

দেভিয়ে উত্তৰত কৈছিল, "কিন্তু দেউতা, সিহঁতে যদি তোমাৰ দৰে মূখিয়াল মানুহ এজনৰ লগত তেনে ব্যৱহাৰ কৰিব পাৰে, আইন সাধাৰণ মানুহবোৰৰ অৱস্থা কি হ'ব?"

"দেখা যাওঁক কি হয়। মুঠতে, এই বিষয়ে মই আৰু একোকে শুনিব নোখোজো। এতিয়া যা শুই থাকগৈ।"

শুইলাম মোৰ ওচৰবে বিচনাখনত শুই আছিল। আৰু মই ভালদৰেই গম পাইছিলো যে সিও সাৰে থাকি সকলো কথা শুনি আছিল।

মই ফুচ্ফুচাই সুধিলো, "শুইল, দেভিয়ে কি কৰিব বিচাৰে?"

"মনে মনে থাক। দেউতাই বেতডাল লৈ যেদি আহিলে ভাল পাব নেকি?"

"কিন্তু দেভিয়ে কি বিচাৰে বাৰু?" মই আকৌ সুধিলো।

"বদমাইছ ইংৰাজবোৰৰ লগত যুঁজিবলৈ।"

মোৰ পিঠিৰ হাড়বোৰৰ মাজেদি এটা সোঁত বৈ গ'ল আৰু ডিঙিৰ নোমবোৰ থিয় দি উঠিল।

তেতিয়া শুইলামৰ বয়স মাথোন চৈধ্য বছৰ। খনিৰ ঘোঁৰাবোৰ চলোৱা কাম এবছৰৰ আগৰপৰা কৰিলেও কয়লা কটা কাম কৰিবলৈ সি আৰম্ভ কৰিছেহে মাথোন। এতিয়া এই শুইলামে, আমাৰ ঘৰখনৰ, আটাইতকৈ শান্তপ্ৰাণী শুইলামে, গালি পাৰিবলৈ আৰম্ভ কৰিছে আৰু ইমান বিপদজনক কথা এটা কৈছে যে ভয়ত মোৰ গোটেই গাটো চেঁচা হৈ গৈছে।

তেনেতে দেখি শুৱলৈ আহি আমাৰ কথা পতাৰ ওৰ পেলালে। দেভি শুইছিল মোৰ লগত একেখন বিচনাত। হাতৰ মমডাল বিচনাৰ ওচৰত থৈ বহু সময় সি মমডালৰ পিনে একেথৰে চাই থাকিল। তাৰ মুখখন শেঁতা পৰি গৈছে আৰু ঘামেৰে ভৰি পৰিছে। মই ভয়তে চকু মুদি পাৰ থাকিলো। আৰু তেনেকৈয়ে বোধহয় মই টোপনি গলো।

আইভৰ আৰু ব্ৰন্‌ৱেনে আমাৰ ঘৰৰপৰা অলপ নামনিতে ঘৰ লৈছিল। ব্ৰন্‌ৱেন্ প্ৰায়েই আমাৰ ঘৰলৈ আহি মাৰ স'তে কাম-বন কৰিছিল। মা কিন্তু ব্ৰন্‌ৱেনহঁতৰ ঘৰলৈ খুব কম গৈছিল, তাকো সিহঁতে মাতিলেহে। শনিবাৰে সদায় সিহঁত দুয়ো ৰাতিৰ আহাৰৰ বাবে আমাৰ ঘৰলৈ আহিছিল আৰু প্ৰায় প্ৰত্যেক দেওবাৰে গৈছিল পাহাৰৰ সিপাৰে থকা ব্ৰন্‌ৱেনৰ মাক-দেউতাকৰ ঘৰলৈ।

দেউতাৰ অৱস্থা দেখি দেভিৰ দৰে আইভৰেও খুব কষ্ট পাইছিল। কিন্তু দেভিৰ নিচিনাকৈ চিঞৰ-বাখৰ নকৰি আইভৰ এই বিষয়ে একেবাৰে নিমাত

আছিল। সি দেউতাক কৈছিল যে ভালদৰে নচলিলে দেভি অচিৰেই বিদ্ৰোহী-বোৰৰ শাৰীত পৰিব আৰু এতিয়াই সাৱধান নহলে খনিৰ 'ব্লেক লিষ্টত' তাৰ নাম উঠিবগৈ। দেউতাই কৈছিল যে এই বিষয়ে কথা কৈ একো লাভ নাই। দেভিৰ গাত যুঁজিবৰ তেজ আছে আৰু সেয়ে সি যুঁজিছে।

আইভৰে বিৰক্ত হৈ প্ৰশ্ন কৰিছিল, "সি কি বিচাৰে বাৰু? সিতো মোৰ লগত কথা পাতিবকে নোখোজে।"

ইয়াৰ কাৰণটো মই আইভৰক ক'ব পাৰিলোহেঁতেন। দেভিয়ে আইভৰক অপদাৰ্থ বুলি কোৱা মই এদিন শুনিছিলো। দেভিয়ে ইয়াকো কৈছিল যে বিয়া কৰোৱা সকলো মানুহেই পোহ-পাল দিবলগীয়া পৰিয়ালৰ কথা ভাবি অপদাৰ্থ হৈ পৰে।

দেউতাই কৈছিল, "দেভিয়ে সাম্যবাদ বিচাৰে। সকলোকে লগত লৈ সি এখন ইউনিয়ন পাতিব খোজে। পৃথিৱীৰ সকলো মানুহকে লৈ হেনো।"

আইভৰে কৈছিল "কি পলিয়ালি। কয়লাৰ খনিৰ মানুহবোৰক মাথোন লৈ ইউনিয়ন কৰাৰ কথ ক'লেও চ'ল হয়। তেনে কৰিলে মই নিজেই তাত যোগ দিলোহঁতেন।

তেনেতে গুইলাম নামৰ মোৰ ঠিক ওপৰৰ ককাইদেউজনে মাত লগাইছিল, "তুমি যিয়েই কি নাভাবা আইভৰ মৰ্গান, মই তোমাক কওঁ শুনা—দেভিৰ মাথোন ভৰিৰ তলুৱাত যিখিনি জ্ঞান আছে তোমাৰ গোটেই শৰীৰটোত সেইখিনি নাই।"

দেউতা আচৰিত হৈ হতভম্ব গৈছিল আৰু আইভৰৰ যে খং উঠিছিল। ততালিকে দেউতাই বেতডাল আনিবলৈ চকীৰপৰা উঠিল, কিন্তু গুইলামক পায় ক'ত? দেউতা গৈ বেতডালৰ ওচৰ পায়গৈ মানে সি ঘৰৰপৰা ওলাই পাহাৰৰ নামনিৰ পিনে লৰিবলৈ আৰম্ভ কৰি দিছে।

দেউতাই কৈছিল, "দে'ভৰ লক্ষণবোৰ তাৰ গাত আৰু বেছিকৈহে আছে। আমাৰ পৰিয়ালৰ ওপৰত বিপদ নামি অহাৰ সঙ্কেত মই পাইছো। এই পাছফালৰ শোৱা কোঠাটোত মই এবাহ ববলহে বোধহয় পুহি ৰাখিছো।"

দেউতাই অন্যমনস্ক ভাবে মোৰ পিনে চাইছিল। দাদাইতৰ সতে ময়ো পাছফালৰ কোঠাটোত শুইছিলো আৰু সেইবাবেই, দেউতাৰ কথাত উত্তৰ দিলে অন্যায় হব বুলি জানিও, মই উত্তৰ দিবলৈ বাধ্য হৈছিলো।

মই কৈছিলো, "বৰষুণত কিতি কাম কৰাৰপৰা তোমাক বচাবলৈ প্ৰয়োজন হলে ময়ো সেই বৰলৰ বাহৰ এটা হবলৈ প্ৰস্তুত আছো দেউতা।"

"কোব খোৱাৰ আগতে যা ইয়াৰপৰা পলা।"

কিন্তু টানকৈ কলেও তেওঁৰ চকু কেইটাই হাঁহি আছিল আৰু সেইবাবেই মই লৰি নপলাই লাহে ধীৰে কোঠাটোৰ পৰা ওলাই ব্ৰনৱেনইতৰ ঘৰলৈ গলো।

ব্ৰনৱেনৰ ওচৰত আজিকালি মোৰ আৰু লাজ নেলাগে। ব্ৰনৱেনে মানুহৰ মুখলৈ চালে ইহা যেনো লাগে অথচ তেওঁ ঠিক ভালকৈ নেহাঁহেও। গতিকে উত্তৰ স্বৰূপে তুমিও হাঁহিবা নে নেহাঁহিবা সেইটো ঠিক কৰা সদায় অসুবিধা। বিয়াৰ কেইদিনমান পিছৰপৰাই ব্ৰনৱেনে মোক ককাদেউতা বুলি মাতিবলৈ আৰম্ভ কৰি দিছিল। তেওঁলোকৰ ঘৰলৈ গলে তেওঁ সকলো কাম বন্ধ কৰি মোক সেই হাঁহি হাঁহি নেহাঁহা চাৱনিৰে চাই থাকিছিল—যেতিয়ালৈকে মই আইতাৰ ভাড়াৰ চকীখনত নবহিছিলোঁগৈ।

"এতিয়া ককাদেউতাৰ বা কি খবৰ?" ব্ৰনৱেনে কয়। যি কবলগীয়া থাকে তাৰ পাছত মই কওঁ। কবলগীয়া নথাকিলে একো নকৈ মই মনে মনে থাকোঁ। সেইদিনা আবেলি তেওঁ মোলৈ চাই একাপ কৰি হঠাতৈকে মই একো কোৱা নাছিলো।

"দেখিয়ে ইংৰাজবোৰৰ লগত যুঁজিবলৈ ওলাইছে।"

"ধেৎ, কি কৈছ এইবোৰ।" ব্ৰনৱেনে হাঁহি কৈছিল।

"সঁচাকৈয়ে কৈছো। গুইলামে মোক কৈছে নহয়।"

"গুইলাম সৰু ল'ৰা। সি কি জানে?"

"গুইলামে বাৰু নেজানে, কিন্তু দেখিয়েতো জানে? আৰু দেখিয়েহে যুঁজিবলৈ ওলাইছে।"

"এতিয়া ককাদেউতাই পাছে কি কৰিব?" এইবুলি কৈ ব্ৰনৱেন্ মোৰ কাষতে মাটিত আঁঠুকাঢ়ি বহিছিল।

"ময়ো সিইতৰ লগত যুঁজ কৰিমগৈ। দেউতাক বৰষুণত তিতাই কাম কৰোৱাবোৰক ভালকৈ মজা দিম।"

ব্ৰনৱেনে হঠাতে মৰমতে মোক সাৱটি ধৰিলে। ব্ৰনৱেনৰ হাতখন লাগি চাহৰ পিয়লাটো বাগৰি পৰিল, কিন্তু তেওঁ ভগা পিয়লাটোৰ পিনে কেঁৰাহিকৈয়ো নাচালে।

ব্ৰনৱেনে ফুচফুচাই কৈছিল, "যা, যুঁজ গৈ। সেইবাবেইতো মতা আৰু তিৰোতাৰ সৃষ্টি—মতা মানুহবোৰ যুঁজ কৰিবৰ বাবে আৰু তিৰোতাবোৰ তেওঁলোকৰ সহায়ৰ বাবে।"

"তুমি বিদ্ৰোহী নেকি ব্ৰন? মই সুধিছিলো।

"অনেকে ক'লে বিদ্ৰোহী বলি ধৰা হয় যদি মই নিশ্চয় বিদ্ৰোহী।"

"ঠিক কথা, ময়ো এতিয়াৰপৰা পুৰাপুৰি বিদ্ৰোহী হলো। ব্ৰন্, দেশটোৱে বাৰু কি কৰিব খুজিছে? মোক এই বিষয়ে কোনোৱে একো কব নোখোজে।"

ভঙা পিয়লাটোৰ টুকুৰাবোৰ তুলি থাকি ব্ৰনৱেনে কৈৰাহিকৈ মোৰ পিনে চাইছিল।

"ছিউ, এইবোৰ কথা জানিবৰ তোৰ এতিয়াও বয়স হোৱা নাই। যা, এতিয়া আইভৰক মই মাতিছো বুলি কৈ আহচোন।

কিন্তু তথাপিও মই আকৌ সুধিছিলো। মোৰ এই কথা ভাবি খং উঠিছিল যে তিৰোতা হৈয়ো ব্ৰনৱেনে এইবোৰ কথা জানিব আৰু মই ল'ৰা হৈয়ো একোকে নেজানিম। সক ল'ৰাৰ ভাৱবোৰ সঁচাকৈয়ে আচৰিত!

"জানিবলৈ যদি তোৰ ইমান মন, তেন্তে শুন—দেশটোৱে নিজ পন্থাৰে অন্যায় অবিচাৰ আতৰাবলৈ বিচাৰিছে। মই মাত্ৰ সেইখিনিহে জানো। তই আৰু এই বিষয়ে একো নুসুধিবি। আইভৰক মই মাতিছো বুলি ক'গৈ যা, যাবিনে?"

৪

ডেভিৰ বিষয়ে মই দেউতাক সুধিছিলো।

"এইবোৰ জানি তই কি কৰিবি বাৰু।" দেউতাই মোক সুধিছিল।

"আইন সকলো ল'ৰাই জানে দেউতা। ময়ো জানিব লাগে, যাতে মই দেভিইতক সহায় কৰিব পাৰোঁ।"

সেইবোৰ এৰি তই নিজৰ কাম কৰ। অঙ্ক ভালকৈ শিক, পঢ়াশুনা কৰ। মই যি কৈছো ভালকৈ মনত ৰাখিবি কিন্তু।"

দেউতাৰ এই উপদেশ নমনাৰ বাবে মই ইয়াৰ পাছত বহুদিন বৰ উৎকণ্ঠাত থাকিবলগীয়া হৈছিলো। মই জানিছিলো যে ধৰা পৰিলে দেউতাই মোক সুদাই নেৰিব।

ডাঙৰবোৰে সক ল'ৰাবোৰৰ পৰা কিবা লুকুৱাবলৈ চেষ্টা কৰিলে, সৰু ল'ৰাই যি একমাত্ৰ উপায়েৰে সেই কথাৰ গম পায়, দেভিৰ কাৰ্য্যকলাপৰ বিষয়ে মই সেই উপায়েৰেই জানিব পাৰিছিলোঁ। সেইটো আইন একো নহয়, সৰু ল'ৰাই গোপনীয় কথাৰ গম পায় তাৰেই নিচিনা আইন সৰু ল'ৰাবোৰৰ পৰা।

বাগী-গাড়ী চালক দাই এলিচৰ পুতেক মাৰভিন এলিচ আছিল মোৰ আটাইতকৈ ডাঙৰ বন্ধু। আমাৰ দুয়োৰে বন্ধুত্ব এই সপ্তাহ আগলৈকে অটুত আছিল। পাচদিনা স্কুলৰপৰা আহি মই তাৰ ঘৰলৈ গৈ তাক কৈছিলো যে মোৰ দাদাৰ নেতৃত্বত কিবা এটা ষড়যন্ত্র হব ধৰিছে। কথাটো কওঁতে মই যে খুব ডাঙৰ আৰু বিপজ্জনক কিবা কৈছো সেইটো মই অনুভৱ কৰিছিলো আৰু ভয়ত মোৰ তলৰ ওঁঠটো লৰচৰ নকৰা হৈছিল। নিজৰ ওঁঠটোত ইচ্ছামতে লৰচৰ কৰাব নোৱাৰিলে সঁচাকৈয়ে নিজকে কিবা বেঙা বেঙা যেন লাগি যায়।

মাৰভিনে কৈছিল, "এঃ, মই জানো নহয়, আজি ৰাতি পাহাৰত এখন সভাও হব।"

"কাৰ সভা ?"

"কাৰ আৰু ? দেভি আৰু তাৰ লগৰ মানুহবোৰৰ। তই একেবাৰে অঁকৰা। নিজৰ ককায়েৰৰ কথা তই জানিব নেলাগেনে ?"

মাৰভিনে ইয়াৰ আগতে হোৱা অইন সভাবোৰৰ কথা মোক ক'লে। আমাৰ চাৰিও কাষৰ অইন উপত্যকাবোৰৰ পৰা অহা মানুহবোৰৰ কথাও ক'লে। মাৰভিনে ক'লে যে, দেউতাইঁতে হেনো এখন ইউনিয়ন পাতিব খুজিছে, অৱশ্যে ইউনিয়ন কি বস্তু মাৰভিনেও ভালকৈ নেজানিছিল। ইয়াৰ পাছত আমি নিজে পাহাৰখনলৈ গৈ সভাত কি হয় চাম গৈ।

সেইদিনাহে ইয় গম পালো কিয় গুইলামক বহু ৰাতিলৈকে তাৰ বিচনাত দেখা নগৈছিল সি ৰাতি সদায় দেভি অহাৰ ঠিক আগে আগে আহি শোৱা কোঠাত সোমাইছিলহি—তাকো দুৱাৰেদি নহয়, এই খিৰিকীখনেদি। সি অহা মই সদায় গম পাইছিলো, কাৰণ খিৰিকীখন খুলিলেই বাহিৰৰপৰা চেঁচা বতাহজাক আহি মোৰ টোপনি ভাঙি দিছিল। কিন্তু মই কোনোদিন একো মাত নাছিলো। গুইলামক মই কেতিয়াও বিপদত নেপেলাওঁ। এনেয়ে সদায় তাৰ এটা নহয় এটা আহুকাল হৈ থাকে। সি এইদৰে ৰাতি পলমকৈ ঘৰলৈ অহাৰ কথা দেউতাই গম পালে তাক সুদাই নেৰিলেহেঁতেন।

সেইদিনা ৰাতি শুবলৈ যোৱাৰ আগতে যথাৰীতি মা আৰু দেউতাক শুভৰাত্ৰি জনাই, মমডাল হাতত লৈ শোৱা কোঠালৈ গৈ কাপোৰ নোখোলাকৈয়ে মই কম্বলখন গাত লৈ বিচনাত পৰি থাকিলো।

"শুলি নেকি হিউ ?" ভালেখিনি পৰৰ পিছত মায়ে সুধিছিল।

"হয়, মা," মই উত্তৰ দিছিলো।

"বাৰু। মমডাল নুমাবলৈ নাপাহৰিবি।

মই ফু মাৰি মমডাল নুমাই এন্ধাৰতে খিৰিকীখনৰ পিনে চাই বিচনাত পৰি ৰলো। মোৰ ভয় লগা নাছিল, কিন্তু তথাপি, মোৰ বুকুখন ইমানকৈ ঢপ্ ঢপাইছিল যে তলৰ কোঠাত থকা মা-দেউতাইঁতে সেই শব্দ শুনিব বুলিহে মোৰ আশঙ্কা হৈছিল। অন্যায় কাম এটি কৰিবলৈ ওলাই এন্ধাৰত বৈ

থাকিলে সক সুৰা শব্দবোৰো কিয় বিশাট শব্দ যেন হৈ পৰে সেইকথা ভাবি আচৰিত লাগে।

বিচনাৰপৰা উঠিবলৈ ওলোৱাৰ লগে লগে পুৰণি বিচনাখন এনেকৈ কেৰমেৰাই উঠিল যে খণ্ডতে বিচনাখন গুৰিয়াবলৈ মোৰ মন গৈছিল। যিয়েই নহওক, অৱশেষত অতি লাহে লাহে বিচনাৰপৰা নামিলো।

এতিয়া কোঠাটোৰ মজিয়াখন পাৰ হব লাগিল।

মই ভৰি দিয়া আৰু উঠোৱাৰ লগে লগে মজিয়াৰ প্ৰত্যেকখন কাঠৰ চটাই যেন কেৰমেৰ শব্দ কৰি মোক গালি পাৰিছিল।

খিৰিকীখন ওপৰলৈ তুলি খোলা কামটোৱে যেন মোক কেইবা বছৰ জুৰি ভোগাব, এনে লাগিছিল। উশাহ বন্ধ কৰি খিৰিকীখন মই অলপ ওপৰলৈ তুলিছিলো, কিন্তু সেই একে সময়তে তলৰপৰা কিবা শব্দ অহা মাত্ৰকে বিচনাত জাপ দি পৰাৰ বাবেও সাজুহৈ আছিলো। অলপ অলপকৈ খিৰিকীখন ভালকৈ খুলিলো। খিঁৰিকীখন যিমানে বেছিকৈ খুলি ললো বাহিৰৰপৰা সেই অনুপাতে চেঁচা বতাহ আহি মোৰ গোটেই শৰীৰ কঁপাই তুলিলে। তলৰ কোঠাৰপৰা অহা শব্দৰ ওভালিকে গম ধৰিবলৈ, খিৰিকীখন কোনো শব্দ নকৰাকৈ খুলিবলৈ আৰু বাহিৰৰ ফালৰপৰা কোনোবা হঠাতে ওলায়হি নেকি মন কৰিবলৈ চেষ্টা কৰি থাকি মোৰ এনেকুৱা যন্ত্ৰণা হৈছিল যে অৱশেষত মোৰ মন গৈছিল যেন মই চিঞৰি গোটেই ঘৰখনক জগাই তুলিম আৰু কৈ দিম যে মই মনে মনে এই ৰাতিখন বাহিৰলৈ ওলাইছিলো। ইয়াৰ বাবে দেউতাৰ বেত খাবলগীয়া হলেও মোৰ তেতিয়া আপত্তি নাছিল।

যিয়েই নহওক, অৱশেষত খিৰিকীখন মই কোনোমতে সৰকি যাব পৰাকৈ খুলি পেলালো। আৰু তেতিয়াহে আচল বিপদ আৰম্ভ হ'ল। খিৰিকীৰ বাতামভালত বহি মই এখন ভৰি বাহিৰলৈ উলিয়াই দিলো। কুঁজা হৈ গোটেই গাটো বাহিৰলৈ উলিয়াবৰ চেষ্টা কৰোঁতে দেখিলো যে তেনে কৰিলে মোৰ আঠু আৰু থুঁতৰিৰ মাজত যুঁজ আৰম্ভ হৈ যায়। মাজতে এবাৰ মোৰ ভয় লাগিল যে হয়তো মই খিৰিকীখনৰ মাজত লাগি ৰম, নহলে হয়তো মোৰ মূৰটো খিৰিকীৰ বাতাম ভাঙি ওপৰৰ বেৰৰ মাজত সোমাই পৰিব। এই আটাইবোৰৰ লগতে আকৌ মোৰ বাহিৰলৈ উলিয়াই দিয়া ভৰিখনে পাগঘৰৰ টাইলেৰে আবৰা চালখনত বাৰে বাৰে ঘঁহনি খাই বেচ জোৰেৰে শব্দ কৰি আছিল।

তলৰ কোঠাত পকাৰ ওপৰত দেউতাৰ চকীখন টনাৰ দীঘলীয়া শব্দটোৱে মোক খিৰিকীৰ বাহিৰলৈ ওলোৱাত সহায় কৰিলে। বোধকৰোঁ শব্দটো শুনি মই ভয়তে কোঁচ খাই আৰু সৰু হৈ গৈছিলো। যেনেকৈয়ে হওঁক, খিৰিকীৰ বাহিৰ ওলাই মই ইতিমধ্যে টাইলৰ পিছল চালখনৰ ওপৰেদি পেট পেলাই তললৈ সৰি পৰিবলৈ আৰম্ভ কৰিছোঁ। চালখন মাটিৰ পৰা অন্ততঃ পাঁচফুট ওখ।

চিঞৰিবলৈ আৰম্ভ কৰি দিম ’ন মাটিত পৰালৈকে বাট চাম, এই কথা মই সহজে ঠিক কৰিব নোৱাৰিলো। মই এই দৰে ভবা মোৰ এতিয়াও মনত আছে—যদি মই মাটিত পৰি আঘাত পাই চিঞৰো তেন্তে দেউতাই মই সুস্থ হৈ উঠালৈকে অন্ততঃ একো নকৰে। কিন্তু মই মাটিত পৰি আঘাত পোৱাৰ আগতে যদি চিঞৰ দিওঁ, তেনেহলে, দেউতাই আহি চালখনৰ পৰা নমাই নি মোক ভাল এশিকনি দিব। হঠাতে শেষ মুহূর্তত, টাইলৰ চালখনৰ মূৰত থকা নাওৰাখনত মোৰ জোতাৰ আগতো লাগি মই বৈ গলো আৰু সকলো বিপদৰ পৰা ৰক্ষা পৰিলো।

নাৱৰাখনত ধৰি দুই এবাৰ শূণ্যতে দোলা খাই মাটিত জাপ মাৰি পৰাটো নিচেই সহজ কাম। তাকে কৰি ওঁতাই, অলপ আগতে তেনেকৈ ভয়তে মৰাৰ বাবে নিজৰে বৰ লাজ লাগিল। ঘোঁৰা-গাড়ী চলোৱা দাই এলিচৰ ঘৰৰ পিনে লৰি গৈ থাকোতে দেউতাই কোৱা কথা এবাৰ মোৰ মনত পৰিছিল। দেউতাই কৈছিল, বহুতো মানুহে হেনো সঁচাকৈয়ে দুখ পোৱাৰ আগতেই চিঞৰা আৰম্ভ কৰে। বাহিৰৰ বেৰখনৰ ফুটা এটাৰ মাজেৰে সৰকিবলৈ চেষ্টা কৰি থাকি, দেউতাৰ এই কথাৰ সত্যতা উপলব্ধি কৰি মই নিজকে ধিক্কাৰ দিছিলো। নিজৰ ওপৰত মোৰ এনেকুৱা খং উঠিছিল যে সেই মুহূর্তত মই নিজকে যিমান ভয়াতুৰ বুলি ভাবো সিমান ভয়াতুৰ যে মই আচলতে নহওঁ সেই কথা প্ৰমাণ কৰিবলৈ মই যি কোনো সাহসৰ কাম কৰিব পাৰিলোহেঁতেন।

তেনেতে দাই এলিচে তেওঁৰ ঘোঁৰাশালৰ দুৱাৰখন মেলিলে। বে’চ নামৰ ক’লা ঘোঁৰাজনীৰ বেমাৰ হোৱা বাবে সেইদিনা দাই এলিচ ঘোঁৰাশাললৈ আহিছিল। তেওঁক দেখি মোৰ ভৰি আৰু আগ নবঢ়া হ’ল।

অলপ পিছতে কিন্তু দাই এলিচ আকৌ ভিতৰলৈ সোমাল আৰু তেতিয়াহে মই ৰক্ষা পৰিলো। একপ্ৰকাৰ চুঁচৰিয়েই মই ঘৰটোৰ পাছ ফালে থকা গাহৰি

গঁডাক[illegible] পিনে আগ বাঢ়িছিলে। [illegible] গঁড়াকৰ ওচৰত মাৰ্ভিন্ মোৰ বাবে বৈ থকাৰ কথা আছিল। অৱশ্যে একেবাৰে শেষলৈকে সঁচাকৈয়ে সি মোলৈ বৈ আছিল। সি অৱশ্যে স্বীকাৰ কৰিলে যে এইবোৰ কৰিবলৈ এৰি ভাল হোৱাৰ দৰে বিচনাত শুই থাকিবলৈ পালেহে সি ভাল পাব। কিন্তু মগো যে ভুক্তভোগী, এই ভালকৈ জানো তাৰ কেনে লাগিছিল।

আমি দুয়ো [illegible] সিজনক দেখুৱাবৰ চেষ্টা কৰিলো যে এই দৰে ৰাতি [illegible] [illegible] [illegible] পাই ছা। আমি দুয়ো বোৱা বুই [illegible] [illegible] [illegible] [illegible] আগত এই বিষয়ে [illegible] [illegible] [illegible] [illegible] [illegible] [illegible] চোৱালীবোৰে আমাৰ পিনে [illegible] চাইছিল [illegible] এজনে প্ৰশ্ন [illegible] কিব বকিলে চোৱালী-[illegible] যি [illegible] [illegible], [illegible] চাবলৈ।

[illegible] পাইহে [illegible] পাহাৰলৈ উঠি যোৱা বাটটোৰ গছবোৰৰ মাজেৰে [illegible] [illegible]। আমি [illegible] ইমান [illegible] আছিলোঁ যে [illegible] আমাৰ [illegible] [illegible] বাহিৰ [illegible] আহি [illegible] [illegible] [illegible] [illegible] বা [illegible] কথা [illegible] আমাৰ মনত আহিছিল। [illegible] মোৰ [illegible] আৰু মগো তাক একোকে [illegible] [illegible] জানিছিলো [illegible] কথা ভাবি আছিলো [illegible] [illegible] ভয়ে ভয়ে ইফালে সিফালে চোৱা দেখিছিলো। [illegible] লক্ষ্য কৰি থকা [illegible] সি আৰু বেগাৰ লবিবলৈ আৰম্ভ কৰিলে।

[illegible] মাৰ [illegible] [illegible] পোৱাত আমি অলপ সকাহ পাইছিলো, [illegible] আহি আমি [illegible] পোহৰ পাইছিলো। [illegible] [illegible] যে ভয় দূৰ কৰাত সহায় কৰে ঠিক সেইটোও নহয়। আচলতে [illegible] পোহৰত পৃথিৱীখন বেছি [illegible] ৰহস্যময় আৰু ভয়ংকৰ হৈ উঠে। [illegible] [illegible] পোহৰত [illegible] বস্তু উজ্জ্বল আৰু অইন সকলোবোৰ পাতল নীলা বা [illegible] হৈ পৰে। আনকি [illegible] ঘাঁহবোৰো পাতল ক'লা হৈ উঠে [illegible] মথবোৰ হয় ঠিক মৰা মানুহৰ মুখৰ দৰে

আমি দুয়ো [illegible] থোৱাত ইমান ব্যস্ত হৈ আছিলো যে আমি পাহাৰলৈ এই [illegible] কি উদ্দেশ্য লৈ আহিছোঁ সেই কথা প্ৰায় পাহৰিযেই গৈছিলো। কিন্তু

তেনেতে আমি ওচৰৰ গছ এশাৰীৰ পাতবোৰ জোনৰ পোহৰ পৰি উজ্জ্বল হৈ উঠা দেখিবলৈ পালো।

প্ৰাণটোকি দৌৰ মাৰি আহোঁতেই ওপৰৰ মাৰ্টিনক মই ঠিক সময়ত হাতে এখনতে ধৰি টানি ৰাখিলো। বহুতো বাই আমি গছবোৰ, লতাবোৰ গছো আৰু মাটিত পৰি পেলাই অনেক পৰ [illegible] মানুহে একেলগে কিবা এটা কৈ উঠাৰ শব্দ শুনিবলৈ পালো। যেন বহুতো মানুহে কিবা এটি কথাত সন্মতি জনাইছে।

আমি ভয়ে ভয়ে দি উঠি ৰবাটোলৈ চালো। [illegible] গছ শাৰীৰ বাহিৰ ওলালো। দৃশ্যটো দেখি আমি আচৰিত হৈ গলো।

বহুতো মানুহ একেলগে গোট খাইছেহি। সকলোৱে গাত কলা কোট। মূৰত পিন্ধি থকা টুপীৰে মুখবোৰ প্ৰায় ঢাকি পৰিছে। সকলোৱে শাৰী পাতি থিয় দি দেভিৰ বক্তৃতা শুনি আছে।

দেভি আছিল এটা ডাঙৰ শিলৰ ওপৰত থিয় দি। তাৰ কথাবোৰ মই স্পষ্টকৈ শুনা নাছিলো যদিও, তাৰ হাতৰ অঙ্গী ভঙ্গীৰে [illegible] তাৰ বক্তৃতা কেনে ধৰণৰ সেই কথা মই ভালকৈ গম পাইছিলো। দেভিৰ মুখখন মই ভালকৈ নেদেখিলেও, বক্তৃতা দিওঁতে তাৰ মুখখন কেনে হৈ যায় সেই কথাও মই ভালকৈ জানিছিলো আৰু সেই কথা ভাবি মোৰ ভয় লাগি গৈছিল।

মাৰ্টিনক লাহেকৈ হাতেৰে ঠেলা এটা মাৰি মই পাহাৰৰ পৰা নামিবলৈ সাজু হলো।

ব'ল, যাওঁগে বল।'

"এতিয়াই যাবৰ হ'ল নে? সিহঁতে কি কৰিবলৈ ঠিক কৰে সেই কথা মই শুনি যাব খুজিছিলো।

"তই শুনি থাক তেন্তে। মই হ'লো যাওঁগে।"

মই যাবলৈ ধৰিলো আৰু অলপ পিছতে মাৰ্টিনো লৰি আহি মোৰ লগ লাগিল। খুব বেগাই লৰি আমি পাহাৰখনৰ পৰা নামিবলৈ ধৰিলো। খিৰিকী-বোৰৰ কথা এতিয়া আমাৰ মনলৈ ববকৈ নাহিল। নৈখন পাৰ হৈ মাৰ্টিনক সিহঁতৰ ঘৰৰ ওচৰত এৰি মই আমাৰ ঘৰৰ পাছ ফালে গৈ ওলোৱা সৰু গলিটোৰে অকল আগ বাঢ়িলো। আমাৰ শোৱা কোঠাৰ খিৰিকীখনৰ তল পাই দেখিলো যে খিৰিকীৰে কোঠাৰ ভিতৰ সোমোৱাৰ কোনো উপায় নাই।

নাৱৰাখন যে মাটিৰপৰা অন্ততঃ পাঁচফুট ওখত সেই কথা মই পাহৰি গৈছিলো। মোৰ কান্দিবৰ মন গ'ল।

এনেতে পানী পিপাটোৰ কথা মোৰ মনত পৰিল। পিপাটো মোতকৈ বহুতো ডাঙৰ আৰু সেইটো পাগঘৰৰ ওচৰৰ বৰষুণৰ পানী পৰা নাৱৰাখনৰ তলত পাতি থোৱা আছিল। একণ একণকৈ মই পিপাটো আমাৰ খিৰিকীখনৰ তলত থকা নাৱৰাখনৰ পিনে আগুৱাই আনিবলৈ ধৰিলো। পুৰণি এই পিপাটোৱে যি ভয়ঙ্কৰ শব্দ কৰিছিল তেনেকুৱা শব্দ মই জীৱনত শুনা নাই।

শিলগুটিবোৰত ইয়াৰ মামৰে ধৰা তল অংশ ঘঁহা খাই বিকট শব্দ কৰিছিল। আৰু ভিতৰত থকা পানীখিনিয়ে চপ্ চপ্ শব্দ কৰি আছিল। হঠাতে পিপাটো মোৰ হাতৰ মুঠিৰ পৰা পিছলি বিৰাট শব্দ এটা কৰি মাটিতে বাগৰি পৰিল আৰু পানীবোৰো হৰ্ হৰ্কৈ ওলাই আহিল। বিৰক্তিত মই পিপাটোৰ পিনে চাই থাকি মুখ নিকটাবলৈ ধৰিলো। যেন তেনে কৰিলেই সকলো গণ্ডগোল ঠিক হৈ যাব। উশাহ বন্ধ কৰি মই পিপাটোক মনে মনে থাকিবলৈ আদেশ কৰিলোঁ, বুজালো। গালি শপনি তেতিয়া জনা হলে হয়তো পিপাটোক গালি পাৰিবলৈকে আৰম্ভ কৰিলোহেঁতেন।

অৱশেষত পিপাটো কোনোমতে নাৱৰাখনৰ তললৈ নি তাৰ ওপৰত উঠা মাত্ৰকে পিপাটোৰ ওপৰৰ কাণত গজা শেলুৱৈত ভৰি পিছল খাই মই ভিতৰত থকা পানীত পৰি গলো। মই পৰোতে ইমান ডাঙৰ শব্দ এটা হৈছিল যে ওচৰৰ গড়ালত থকা কুকুৰাবোৰে সাৰ পাই উঠি কোৱাল কৰিবলৈ আৰম্ভ কৰি দিছিল।

হয়তো কেইবা মিনিট জুবি মই আঠুলৈকে ডুব গৈ আৰু তিতা কাপোৰেৰে জাৰত কঁপি কঁপি পিপাটোৰ ভিতৰত পৰি আছিলো। শেলুৱৈ আৰু কিবা তেকুৰা গোন্ধ এটাৰে ভৰি থকা পুৰণি পিপাটোৱে মোক সম্পূৰ্ণকৈ ঢাকি পেলাইছিল। ঘৰৰ কোনোৱে সাৰ পাই উঠাৰ লক্ষণ নেদেখি এতিয়া মই নিজেই পিপাটোৰ পৰা ওলাবৰ চেষ্টাত লাগিলো।

পিপাটোৰ দুয়ো কাষে ধৰি দুয়ো হাতৰ ওপৰত ভৰ দি মই অলপ ওপৰলৈ উঠিলো। তেনেকৈ অলপ সময় থাকি মই গাৰপৰা পানীবোৰ সৰি পৰিবলৈ দিলো। চেঁচা বতাহজাক আহি গাত লগাত মোৰ গাটো

কোনোবাই চোকা ক্ষুৰেৰে কটা যেন লাগিল। পিপাটোৰ ওপৰত আকৌ উঠি লৈ মই নাৰ্বাখনৰ সহায়ত পাগঘৰৰ চালৰ ওপৰত উঠি অলপ পিছতেই আমাৰ খিৰিকীৰ ওচৰ পালোগৈ। প্ৰথমে ভৰি ভুখন খিৰিকীৰে সুমুৱাই দি লাহে লাহে মই গোটেই মানুহটো আমাৰ শোৱা কোঠাৰ দলিচাখনৰ ওপৰত থিয় হলো।

ঠিক তেতিয়াই দেউতাই মমডাল জলালে।

"ক'লৈ গৈছিলি?" দেউতাই সুধিলে।

ভয়ত মোৰ হাত-ভৰি চেঁচা পৰিল। জিভাখন লো এডোখৰৰ দৰে গধুৰ যেন লাগিল। সেই সময়ত দেউতাৰ মুখখন দেখা হলে গম পালাহেঁতেন মোৰ কিয় তেনে অৱস্থা হৈছিল।

দেউতা যে বৰ শকত-আৱত, ওখ ডাঙৰ মানুহ আছিল তেনে নহয়; কিন্তু বেচ আটিল। তেওঁৰ চকুযুৰি আছিল খেঁৰুৱা বৰণীয়া, হাঁহিলে চকুযুৰি পাতল নীলা হৈ উঠিছিল। দেউতাৰ নাকটো আছিল সৰু আৰু নাকৰ সোঁ মাজতে আছিল কয়লাৰ ডাঙৰ টুকুৰা এটা পৰি আঘাত পোৱাৰ চিন। মোছ কোচা আছিল দীঘল আৰু চুলিৰ বঙৰ লৈতে প্ৰায় একে—মাজে মাজে পক ধৰা ক'লা ৰঙৰ। চেলাউৰি যোৰ আছিল কিন্তু একেবাৰে কিচকিচিয়া ক'লা। এই চেলাউৰি যোৰ তেওঁৰ অলপ শেঁতা পৰা মুখখনৰ ওপৰত জিলিকি থাকিছিল।

মমৰ পোহৰত দেউতাৰ চকু দুটা এতিয়া প্ৰায় বগা যেন দেখা গ'ল। দেউতাই এনেকৈ একেথৰে মোৰ পিনে চাই আছিল যে ভয়তে মোৰ জীৱ উৰি গ'ল।

"ক'লৈ গৈছিলি?" হাতখনেৰে চকুদুটা পোহৰৰপৰা অলপ ঢাকি ধৰি দেউতাই আকৌ সুধিছিল। দেউতাই কেতিয়াও গধুলি পিন্ধি থকা ভাল সাজ-পাৰযোৰ পিন্ধি মোৰ বিচনাত বহি আছিল।

"পাহাৰৰ ওপৰলৈ।" আজিলৈকে মই ক'ব নোৱাৰোঁ কেনেকৈ সেই ৰাতি মই দেউতাৰ কথাৰ উত্তৰ দিব পাৰিলো।

"মই তোক নিজৰ কাম কৰাৰ কথা কোৱা নাছিলো জানো?"

"কৈছিলা দেউতা।"

"তোৰ এই কাপোৰযোৰ এতিয়া মাৰে ধুই দিব বুলি তই আশা কৰিছ নেকি?"

"নাই কৰা দেউতা।"

"তললৈ গৈ কাপোৰ ধুই আনগৈ। সোনকাল কৰিবি।"

কাপোৰবপৰা সৰি সৰি পৰা বোকা পানীবোৰ মজিয়াৰ চাৰিওপিনে পেলাই মই ঘিণ লগা কিবা পোক এটাৰ দৰে তললৈ নামি গৈছিলোঁ। প্ৰতি মুহূৰ্ত্তে মই ভয় কৰিছিলো, হয়তো দেউতাৰ প্ৰচণ্ড চৰ এটা আহি মোক সংজ্ঞাহীন কৰি দিব। কিন্তু তেনেকুৱা একো নঘটিল।

আমাৰ পাগঘৰৰ জুইকুৰা সদায় গোটেই ৰাতি জুৰি জ্বলাই থোৱা হয়। গতিকে কাপোৰবোৰ শুকোৱাত মই সিমান একো অসুবিধা নেপালো। জোতাযোৰ পৰিষ্কাৰ কৰা আৰু ৰং দিয়াটো কিন্তু সিমান সহজ কাম নাছিল। বহু সময় মই জুই কুৰাৰ সন্মুখত একেবাৰে নাঙঠ হৈ থিয় হৈ থাকি জোতাযোৰ পৰিষ্কাৰ কৰিলো আৰু ৰং দিলো। এই কাম কৰি থাকি মই ভাবি আছিলো ওপৰৰ কোঠাত মোৰ বাবে বৈ থকা দেউতাই মোক কি শাস্তি দিব, পিছদিনা পুৱা কথাটো শুনি মাই কি ক'ব। লগতে ভাবিছিলো বিপদৰ কথা জনাই তাক সংকেত দিয়াৰ আগতেই যদি শুইলাম দেউতাৰ আগত ওলায়হি।

ওপৰৰ কোঠালৈ যাওঁতে শুকাই উঠা কাপোৰবোৰ আৰু ৰং দিয়া জোতাযোৰ দেউতাক দেখুৱাবলৈ মই লগতে লৈ গৈছিলো। দেউতাই দুয়োটা ভালদৰে পৰীক্ষা কৰি চাইছিল।

মজিয়াত ডোঙা বান্ধি থকা বোকা-পানীবোৰৰ পিনে আঙুলিয়াই দেউতাই কৈছিল, চা, "মজিয়াখনৰ কি অৱস্থা কৰিছ। কাইলৈ ৰাতিপুৱা মাৰে মজিয়াখন ধুব লাগিব নহয়? যা, কাপোৰ এখন লৈ আহগৈ।"

আকৌ মই তললৈ নামি গৈছিলোঁ আৰু কাপোৰ এখন লৈ আকৌ ওপৰৰ কোঠালৈ আহিছিলো। কাপোৰখনেৰে ঘঁহি ঘঁহি মজিয়াখন মই খুব সাৱধানে পৰিষ্কাৰ কৰিলো, কাৰণ মই ভালকৈ জানিছিলো যে দেউতাৰ ধোঁৱা ৰৰণীয়া চকুযুৰিয়ে অনবৰত মোৰ কাম লক্ষ্য কৰি আছে।

দোষ এটা কৰি তাৰ প্ৰায়চিত্তৰূপে কিবা এটা কাম কৰিলে মানুহে সেইটো ইমান সাৱধানে আৰু ভালকৈ কিয় কৰে বাৰু?

"ইয়ালৈ আহ হিউ," দেউতাই মাতিলে।

হাতৰ কাপোৰখন মজিয়াত থৈ মই মূৰটো তল কৰি দেউতাৰ আগত থিয় দিলোগৈ।

"মই মানা কৰা সত্বেও তই কিয় পাহাৰৰ ওপৰলৈ গৈছিলি বাৰু ?" তেওঁৰ মাতটোত কিন্তু খঙৰ ভাব অলপো নাছিল।

"মই দেভিক সহায় কৰিম বুলি ভাবিছিলো, দেউতা।"

"দেভিক সহায় কৰিবি ? দেভিৰ কথা ভাবিলি, তোৰ কিবা অনিষ্ট হ'লে মাৰৰ কি হ'ব ভাবিছনে ?"

"নাই ভবা দেউতা।"

"ভবিষ্যতে ভাবিবি যেন্তে," দেউতাই কৈছিল। "বাৰু, এতিয়া যা, শুই থাকগৈ। আৰু শুন, দেভিৰ বিষয়ে তই চিন্তা কৰিবৰ কোনো প্ৰয়োজন নাই, বুজিছ ?"

"হয় দেউতা।"

দেউতাই নিজে মোক দাঙি ধৰি বিচনাত শুৱাই আৰু কাপোৰবোৰ ঠিক কৰি মূৰত হাত ফুৰাই দিছিল।

"অলপ দিনৰ ভিতৰতে তই ডাঙৰ হৈ উঠিবি। তেতিয়া কত দুখ কষ্টই আছি তোক আগুৰি ধৰিব। হয়তো আমাতকৈ তই বেছিহে কষ্ট পাবি। গতিকে অন্ততঃ তেতিয়ালৈ, ডাঙৰ হৈ উঠালৈকে, ভালকৈ থাকিবি আৰু মাৰৰ কথা ভাবিবলৈ নেপাহৰিবি। মাৰকতো তইতেই চাব লাগিব ঈশ্বৰে তোৰ মঙ্গল কৰক।"

শুইলাম আহি ওলোৱাৰ আগতে দেউতা কোঠাটোৰপৰা যোৱা বাবে মোৰ খুব ভাল লাগিল। অলপ পিছতেই মই টোপনিত পৰিলো।

কিন্তু অতীতৰ দিনবোৰৰ কথা ভাবিলে এতিয়াও মই দেউতাৰ সেইদিনাৰ মাতটো স্পষ্টকৈ শুনিবলৈ পাওঁ। দেউতাৰ মাতটো সিদিনা ইমান কোমল আৰু ইমান দুখেৰে ভৰা আছিল; যেন দেউতাই মোৰ ভবিষ্যতে কি অৱস্থা হব সেই কথা তেতিয়াই ভালকৈ জানিছিল।

৫

মা সাধাৰণতে সহজে বিচলিত নহয়। কিন্তু সিদিনা আবেলি স্কুলৰপৰা আহি মাক বৰ গম্ভীৰ আৰু চিন্তিত যেন দেখিলোঁ। শুইলামে মোক ক'লে যে দেউতাই দেভিক হেনো ভালকৈ কথা শুনাই দিছো আৰু দেভিয়ে হেনো খঙতে আমাৰ ঘৰৰপৰা ওলাই গৈ অলপ নামনিত থকা মিছেছ বেনুয়নৰ ঘৰত ভাড়াতীয়া ৰূপে থাকিবলৈ লৈছে। মিছেছ বেনয়নৰ ঘৰত ইতিমধ্যে দেভিৰ চাৰিজন বন্ধু ভাড়াতীয়া হৈ আছেই।

মায়ে এই বিষয়ে একো নক'লে, কিন্তু মাৰ মনৰ ভাৱ ওলাই পৰিল পাছৰ শনিবাৰৰ দিনাই, যিদিনা দেভি ৰাতিৰ আহাৰ খাবলৈ আৰু বাকচটোত পইছা থবলৈ আমাৰ ঘৰলৈ আহিল। দেভিয়ে মাক চুমা খাওঁতে মায়ে ঠিক কন্দা নাছিল যদিও তেওঁৰ দুয়োগালেদি চকুপানী বৈ আহিছিল। দেভি আৰু দেউতা দুয়ো পৰস্পৰৰ লগত ঠিক আগৰ দৰেই ব্যৱহাৰ কৰিলে, যেন তেওঁলোকৰ মাজত একোৱেই হোৱা নাই। গোলমাল লগালে অৰেনেহে।

অৰেন তেতিয়া আছিল একেবাৰে শান্ত-শিষ্ট ল'ৰা। সি কাকো বিশেষ একো নকৈছিল আৰু অইনবোৰে তাক মূৰ্খ বুলিয়েই ধৰি লৈছিল। কিতাপ এখন পঢ়ি বা পাছফালে থকা চালি এখনৰ তলত লোৰ টুকুৰা কিছুমান লৈ কিবা কিবি কৰি থাকি অৰেনে ঘন্টাৰ পাছত ঘন্টা কাৰো লগত কথা-বতৰা নপতাকৈ কটাই দিছিল। মোক সি দেখিব নোৱাৰিছিল, কাৰণ মই প্ৰায়েই তাৰ হাতিয়াৰবোৰ চুৰ কৰি নি অ'ত ত'ত পেলাই থৈছিলোঁ। সেইবাবে মোক দেখিলেই সি মোৰ কাণখন এবাৰ ভালকৈ মূচৰি দিছিল।

অৰেনৰ আছিল ঠিক দেউতাৰ নিচিনা কণ্ঠস্বৰ—গভীৰ আৰু একেবাৰে বুকুৰ মাজৰপৰা ওলোৱা যেন। গিৰ্জাত সি বাইবেল পঢ়িলে শুনিবলগীয়া। দেউতাই তাক ধৰ্মযাজক কৰিবলৈ মনে মনে ভাবি থৈছিল। কিন্তু অৰেনৰ

তেতিয়া বয়স বৰ কম আৰু সি নিজে ধৰ্মযাজক হবলৈ শিক্ষা লাভ কৰাতকৈ তাৰ হাতিয়াৰবোৰ লৈ ইটো সিটো কৰিবলৈ বেছি ভাল পাইছিল। অৱশ্যে পঢ়া-শুনাত যে সি গাধা আছিল তেনেও নহয়—সেই বয়সতে গোটেই বাইবেলখন তাৰ মুখস্থ আছিল।

দেউতা আৰু দেন্তিয়ে কি বিষয়ে কথা পাতিছিল সেইটো মোৰ এতিয়া বৰ ভালকৈ মনত নাই, কিন্তু যিমানদূৰ মনত পৰে, তেওঁলোকে খনিৰপৰা কয়লা উলিয়াই মাটিৰ ওপৰত দ'ম কৰা আৰু সেই কয়লাৰ দ'মটো দিনৌ আমাৰ উপত্যকাৰ মাজেৰে বাঢ়ি আহি থকাৰ বিষয়ে কোৱা-কুই কৰি আছিল।

অৱেনে হঠাতে কৈ উঠিল, "সিইত চব্‌ বুৰ্বক।"

দেখি ইমান আচৰিত হ'ল যে সি নিজে নজনাকৈ হাতৰ ছুৰী কাটা মেজৰ ওপৰত থলে।

"মনে মনে থাক, অৱেন," মায়ে ক'লে আৰু ভয়ে ভয়ে দেউতাৰ পিনে চালে। দেউতাই নিজে আমাক কিবা নক'লে আমি দেউতাক আগতে কিবা কথা কোৱাটো আমাৰ পৰিয়ালত নিয়ম-বিৰুদ্ধ আছিল।

দেউতাই তেতিয়া কিবা চোবাই আছিল আৰু তেওঁ যেন একো শুনা নাই এনে ভাব দেখুৱাই চোবাই থাকিল। কিন্তু সেইটো খাই অঁটায়েই তেওঁ অৱেনৰ পিনে ঘূৰি বহি একেথৰে তাৰ ফালে চাই থাকিল, যেন তেওঁ তাক আগতে কেতিয়াও দেখাই নাই।

"তই এই বিষয়ে কি জান বাৰু?" দেউতাই সুধিছিল।

"মই অসভ্যৰ দৰে চিঞৰি উঠাৰ বাবে ক্ষমা খুজিছোঁ দেউতা," অৱেনে কৈছিল। কিন্তু তাৰ চকু বা মাতত ভয়-ভীতৰ লেশ মাথোন নাছিল। "সিহঁতে কয়লাবোৰ এতিয়া যেনেকৈ উলিয়াব ধৰিছে সেইটো অকল মূৰ্খামিয়েই নহয়, আইন মতে দণ্ডনীয়ও।"

"হওঁতে তই ঠিকেই কৈছ। কিন্তু....কিন্তু তোক কথা ক'বলৈ অনুমতি দিছিল কোনে? এই বিষয়ে তই ক'ত জানিব পাৰিলি?"

"মই আগ পিছ নভবাকৈ সেইদৰে কৈছিলো। দেউতা, মই হয়তো সপোন দেখি আছিলো। মোক এইবোৰ কথা কৈছিল দাই গ্ৰিফিথ্‌ছে।"

"হয় নেকি? অৱশ্যে দাইগ্ৰিফিথ্‌ছে এইবোৰ বিষয়ে সকলোতকৈ ভাল

জানো। সেইটো বাক হ'ল, কিন্তু ব্যৱহাৰ কৰিবও শিকিবি। তোক কিবা সুধিলেহে কথা কবি, তাৰ আগতে নহয়।"

"মই যিটো অন্যায় বা ভুল বুলি জানো তাৰ বিৰুদ্ধে কমেই," অৰেনে উত্তৰ দিছিল।

'কিন্তু এই ঘৰত নহয়। আৰু শুন, তোৰপৰা মই আৰু একোকে শুনিব নোখোজোঁ।"

"এই ঘৰতো ক'ম, বাহিৰতো ক'ম। অন্যায় অবিচাৰৰ বিৰুদ্ধে মই য'তে প্ৰয়োজন তাতে ক'ম।"

"মেজৰপৰা উঠি যাগৈ," দেউতাই খঙেৰে কৈছিল।

"অকল মেজৰপৰা নহয়, ঘৰৰ পৰাই যামগৈ।"

মায়ে দেউতাৰ হাত এখনত ধৰি চিঞৰিছিল, 'অৰেনে দেউতাৰ সতে অভদ্ৰ ব্যৱহাৰ কৰা বাবে তই নিজেই এতিয়া লাজ পাইছ বুলি কৈ দেউতাৰৰ ওচৰত ক্ষমা খোজ।"

"মই লাজ পাম কেলেই? মই সেইবোৰ ক'বলৈ নাযাওঁ। মই এই ঘৰৰপৰা ওলাই দেখিব লগত থাকিম গৈ।"

হাতৰ ছুৰী কাটা মেজত থৈ চকীখন পাছলৈ ঠেলি দি গুইমামে হঠাতে কৈছিল, "মযো যাম।"

তেতিয়া দেউতাই কৈছিল "তহঁত দুযো যদি আজি যাবগৈ, তেন্তে মনত ৰাখিবি, কোনো দিনেই আৰু তহঁত দুটা এই ঘৰত সোমাব নোৱাৰিবি।"

কল্পনামুৱা হৈ গুইনামে কৈছিল, "ঠিক আছে।"

তেনেতে মাযে দেখিক ক'লে, "দেখি, তই হঁইত দুটাক দেউতাৰৰ ওচৰত ক্ষমা খুজিবলৈ ক। ইহঁত দুযো তোৰ দৰেই হৈছেগৈ।"

দেখিয়ে চকীখনৰপৰা উঠি ক'লে, ইহঁত দুয়ো বুজন ল'ৰা, নিজেই নিজৰ বাবে উপাৰ্জন কৰিব পাৰে। মই ক'লেই জানো শুনিব?"

অৰেন আৰু গুইনামৰ পিনে চাই দেউতাই ক'লে, "মই তহঁত দুটাক আৰু এটা সুযোগ দিবলৈ সাজু আছোঁ। ভালকৈ ভদ্ৰভাবে থাকোঁ বুলি কথা দিয় যদি এতিয়াও এই ঘৰতে থাক।"

"আমি একো দোষ কৰা নাই। আৰু সঁচা কথা কোৱা বন্ধ কৰাটো যদি

ভদ্ৰতা হয়, তেন্তে তেনেকুৱা ভদ্ৰতাৰ মোৰ কোনো প্ৰয়োজন নাই," অৰেনে ক'লে।

"মোৰো সেই একে কথা," শুইলামে ক'লে।

"তহঁতে এইখন হুলস্থুল কৰাৰ দৰ্কাৰ আছে জানো?" দেভিয়ে সুধিছিল।

শুভেন্ত বঙা পৰি অৰেনে কৈছিল, "আছে দেভি। তোৰ লগত থাকিবলৈ দিয়ই বা নিদিয়ই, মই এই ঘৰৰপৰা যামেই।"

"মযো যাম" শুইলামে সমৰ্থন জনাইছিল।

"তহঁতৰ কাপোৰ-কানি ল আৰু ওলাই যা," এই বুলি কৈ দেউতাই নিঃশব্দে আকৌ খোৱা আৰম্ভ কৰি দিছিল।

যদিও দেউতাৰ গোটেই শৰীৰটো কঁপি উঠিছিল আৰু দুচকুত চকুলো বিৰিঙি উঠিছিল, তেওঁ আৰু একোকে নকৈ কিবা এটি চোবাই থাকিল।

বহু সময় কোনোৱে লৰচৰ নকৰিলে। তেনেতে দেভিয়ে দীঘলকৈ হুমুনিয়াহ কাঢ়ি অলপ কুঁজা হৈ, মাৰ মূৰত চুমা দিলে—এইখন, মই হাতত লৈ থকা, মাযে মূৰত বন্ধা এই নীলা কাপোৰখনৰ ওপৰত।

"যাওঁ মা।" দেভি কোঠাটোৰপৰা ওলাই গ'ল।"

"যাওঁ মা," শুইলামে ক'লে আৰু অৰেনৰ সতে ওলাই গ'ল।

সিহঁত ওলাই যোৱাৰ লগে লগে পাগঘৰটো নিজম হৈ পৰিল। পাহাৰ বগাই নামি যোৱা অৰেনহঁতৰ জোতাৰ শব্দ বহুপৰলৈ শুনা গ'ল। মায়ে দেউতাৰ মুখলৈ চাই বহি থাকিল। মা বোধকৰোঁ একেবাৰে নিশ্চিত হৈ আছিল যে দেউতাই সিহঁতক আকৌ মাতি আনিবগৈ।

কিন্তু দেউতাই খিৰিকীৰে বাহিৰলৈ চাই থাকি তেওঁৰ ৰাতিৰ আহাৰ খাই থাকিল। মই একো শব্দ নকৰাকৈ খাই উঠাবলৈ চেষ্টা কৰি আছিলো, কিন্তু তেনেতে মোৰ চামুচখন কাঁহীত লাগি শব্দ কৰাত দেউতাই মোৰ পিনে চকু ঘূৰালে।

"তই তাত বহি আছ বুলি মই জানো বাছা। মোৰ বোধেৰে আইভৰ আৰু তোৰ বাহিৰে অইন কেইজন চিৰদিনৰ বাবে আঁতৰি যাবগৈ।"

মায়ে দেউতাক অতি শান্ত ভাবে সুধিলে "শুইলাম, ল'ৰাইত বাৰু এইদৰে কিমান ঘৰৰপৰা আঁতৰি থাকিব পাৰিব।"

দেউতাই উত্তৰ দিলে, "বৰ্ত্তমান মোৰ মাথোন দুজন পুত্ৰ—তাৰে এজনৰ বয়স তেইশ আন জনৰ ছয়। সিহঁতৰ নাম আইভৰ আৰু হিউ—এই দুজনেই। অৱশ্যে আয়াক্টো নামৰ আন এজন পুত্ৰ আছে। পাছে, সি এতিয়া ঘৰত নাই। মই নিজেই নাই বুলিছোঁ যেতিয়া অইন কোনোবাই নিজে মোৰ সন্তান বুলি পৰিচয় দিয়াৰ অধিকাৰো নাই।"

মাই কান্দিবলৈ ধৰিলে। মই নিজে কন্দাৰ দৰে বা অইন কোনোবাই কন্দাৰ দৰে মাক কন্দা মই ইয়াৰ আগেয়ে কেতিয়াও দেখা নাছিলো।

এতিয়া ভাবোঁ, মাক সিদিনা তেনেকৈ কন্দা নেদেখিলেই ভাল আছিল।

দেউতাই কিন্তু মাৰ কান্দোনৰ প্ৰতি কাণসাৰ নকৰিলে। তেওঁ ঘটনাটো কি দৃষ্টিৰে চাইছিল মই এতিয়া উপলব্ধি কৰিব পাৰিছোঁ। তেওঁ আমাৰ দেউতা আৰু ঘৰখনৰ মুৰব্বী। তেওঁৰ আদেশ অমান্য কৰা হৈছে আৰু সেই বাবেই তেওঁ এই বিষয়ে যি কথাটো আটাইতকৈ ভাল বিবেচনা কৰিছে তাকেই কৰিছে। যি হৈ গ'ল সেই বিষয়ে দেউতাৰ মনত একো খুতুৰনি নাছিল। গতিকে কান্দি থকাৰ বাবে দেউতাই মাক একোকে নক'লে কাৰণ তেওঁ জানিছিল যে চকুপানী তিৰোতাৰ শেষ সান্ত্বনা। তাতকৈ বেছি তিৰোতাই একো নকৰে অৱশ্যে যদিহে ভাল তিৰোতা হয় আৰু মই অতি দৃঢ়মনে শপত খাই ক'ব পাৰোঁ যে মোৰ মা এগৰাকী অতি ভাল তিৰোতা আছিল।

বাইদেউহঁতেও মাৰ লগত কান্দি আছিল। কেৰিদ্ৱেনে এবাৰ মাৰ পিনে আৰু এবাৰ পানীখিনি উতলিবলৈ বাট চাই জুহালৰ ওচৰত বৈ থকা আংগাহ্লাদৰ পিনে চাই আছিল। আংগাহ্লাদৰ বয়স তেতিয়া দহ বছৰ আৰু কেৰিদৱেনৰ পোন্ধৰ। আংগাহ্লাদৰ চকুলৈ চাই মোৰ দৃঢ়বিশ্বাস হ'ল যে তাই নিশ্চয় কিবা এটা ক'ব। ডাঙৰ এটা শব্দ কৰি মেকুৰী এজনীক ভয় খুৱাই দিলে মেকুৰীজনীৰ চকুত যি দৃষ্টি ফুটি উঠে সেইটো যদি তুমি দেখা নাই তেন্তে আংগাহ্লাদৰ চকুত মই সেইদিনা কি দেখিছিলো তুমি বুজি নাপাবা।

তেতিয়াই তাই মাতকৈ বেঁছি ওখ হৈ উঠিছিল। তাইৰ গাৰ বৰণ আছিল অতিকৈ ধুনীয়া, চকুযুৰি ভীষণ উজ্জ্বল আৰু অদ্ভুত ডাঙৰ—ইমান ডাঙৰ যে তেনেকুৱা চকু সঁচাকৈ থকাটো তোমাৰ অসম্ভৱ যেন লাগি যাব। এই চকুযুৰি যেতিয়া কিবা কথাত আৰু কোমল হৈ উঠি তোমাৰ পিনে

একেখনে চাই থাকে, তেতিয়া তোমাৰ নিজৰ ওপৰত আস্থা হেৰাই যাবগৈ।

আংগাহ্রাদে তাইৰ ঠিক মাৰ দৰে মাতচোৱে ক'লে, "মই দাদাইতৰ লগতে শুচি যাওঁ গৈ মা।"

মাৰ কান্দোন হঠাতে বন্ধ হৈ গ'ল।

"আংগাহ্রাদ, এতিয়াই মুখ বন্ধ কৰ।" মায়ে ইমান গম্ভীৰ ভাবে কথাষাৰ ক'লে যে মোৰ ভয় লাগি গ'ল।

আংগাহ্রাদে আকৌ ক'লে "মা, মই দাদাইতৰ লগতে যাওঁগে।"

মাই চকীৰ পৰা উঠি ক'লে, ইয়াৰ পৰা ওলা। বাহিৰলৈ গৈ কাঠৌ বাটিবোৰ এতিয়াই ধুই পেলাগে যা। আকৌ মুখ খোল যদি ভাল এক পিটন খাবি কিন্তু। যা এতিয়াই যা।"

দেউতাই চকীখন পাছলৈ ঠেলি দি মোৰ পিনে চালে।

"আহ হিউ, আমি পাহাৰলৈ গৈ অলপ শান্তি বিচাৰোগৈ।" ইয়াৰ পাছত মাক সম্বোধন কৰি দেউতাই ক'লে, "বেথ, আংগাহ্রাদক তুমি যি কৰা কৰিবা, তথাপি, আশা কৰো তাই জানে যে তাই কিমানখিনি অত্যপালি কৰিব পাৰে। মোৰ চাবুকডাল এতিয়াও আছে। আহ, হিউ।"

খোৱা মেজৰপৰা উঠিব পাৰি মই সকাহ পালো আৰু মোৰ টুপীটো আৰু দেউতাৰ লাঠিডাল আনিবলৈ লৰি কোঠাটোৰ পৰা ওলাই গলো। দেউতাৰ লগত ফুৰিবলৈ যাবলৈ মোৰ খুব ভাল লাগিছিল। মই প্ৰায়েই ভাবো যে দেউতাই মোৰ লগত যোৱাৰ দৰে দাদাইতৰ লগতো ফুৰিবলৈ যোৱা হলে হয়তো আমাৰ পৰিয়ালত যি অঘটন ঘটিছিল সেইটো নঘটিল-হেঁতেন। মই দেউতাক অকল ঘৰখনৰ ভিতৰতে লগ পোৱা হ'লে দাদাইতৰ দৰে মমো হয়তো তেওঁক টান কথা কলোহেঁতেন। কিন্তু পাহাৰলৈ ফুৰিবলৈ যাওঁতে যি দেউতাজনক মই সঙ্গী হিচাবে পাইছিলো সেইজনৰ কথা মনত ৰাখি মই দেউতাৰ সতে শ্ৰদ্ধা আৰু ভালপোৱাৰ বাহিৰে আন কোনো মতেই কথা কব নোৱাৰিছিলো।

মোৰ মনত পৰে মানে দেউতাই কেতিয়াও মোক সৰু ল'ৰাৰ দৰে ব্যৱহাৰ নকৰিছিল। তেওঁৰ লগত অকলে থাকিলে মই সদাই এজন প্ৰাপ্তবয়স্কৰ সম্মান পাইছিলো। ব্ৰনৱেনে যে মোক ককাদেউতা বুলি মাতিছিল তাত

আচৰিত হবৰ একো নাই। সককালি মই যি শিকিছিলো সেই সকলো দেউতাৰ পৰা; আৰু দেউতাই শিকোৱা কোনোটোৱেই আজিলৈ ভুল বা নিৰৰ্থক যেন মোৰ মনত লগা নাই।

কিন্তু এই কথাও লগতে কব লাগিব যে দেউতাই যি কথা বা যি কাম ঠিক বা ভাল বলি বৰি লৈছিল সেইটো হয়তো সেই সময়ৰ বাবে ঠিক বা ভাল নাছিল। আৰু তেনে হলেও দেউতাই সেইবোৰ জোৰেৰে প্ৰৱৰ্তন কৰিব খোজাৰ বাবেই হয়তো মাজে সময়ে কোনো কোনোৱে তেওঁৰ বিৰুদ্ধে গৈছিল।

সেইদিনা আবেলি আমি নৈখনৰ পাৰে পাৰে কেইবা মাইলো খোজ কাটিলো আৰু তাৰ পাছত পাহাৰলৈ উঠি গ'লো।

তেতিয়া আমাৰ গাওঁখন আছিল অতি ধুনীয়া। ধুনীয়া, মই এইবাবেই কৈছো যে আমাৰ গাওঁখন তেতিয়া সেউজীয়া আৰু পৰিষ্কাৰ, পথাৰবোৰৰ পৰা আহিছিল চেঁচা বতাহজাক আৰু পাহাৰৰ পৰা আহিছিল নিয়ৰবোৰ। নৈখন যত বেছি বহল নাছিল—বিশ ফুট মাত্ৰ--কিন্তু তাৰ পানী ইমান ফট্‌ফটিয়া যে তলৰ শিলাবোৰৰ প্ৰত্যেকটো স্পষ্টকৈ দেখা গৈছিল। নৈখনত ইমানবোৰ মাছ আছিল যে বৰশীৰে মাছ ধৰাৰ কথা কোনেও নেভাবিছিল। হাতেৰে কেনেকৈ ট্ৰাউট মাছ ধৰিব পাৰি দেউতাই সেইদিনা মোক শিকাই দিছিল।

ঘণ্টাৰ পাছত ঘণ্টা আমি নৈৰ পাৰত বহি থাকোঁ। মাজে মাজে সৰু শিলগুটি পানীলৈ দলিয়াই সৰু সৰু মাছ'বাৰ খেদি পঠিয়াই ডাঙৰ মাছ এটা অহালৈ আমি বৈ থাকো।

ডাঙৰ মাছ ধৰিবলৈ হলে প্ৰথমে তুমি হাতৰ আস্তিন দুটা ঠিককৈ কোঁচাই লব লাগিব। তাৰ পাছত হাতৰ তলুৱা ভালকৈ মেলি ধৰি হাত দুখন পানীত ডুবাই থিৰকৈ ৰাখিব লাগিব। অলপ পিছতে হয়তো ডাঙৰ মাছ এটা লাহে লাহে আৰু নিঃশব্দে আগুৱাই আহিব। তুমি কিন্তু অকণো লৰচৰ কৰিব নোৱাৰিবা, কাৰণ তেনে কৰিলে মাছটো সাউট কৰে দুৰলৈ আতৰি গৈ তোমাক হাঁহি উকৱাই দিব। সঁচাকৈয়ে কৈছো, মই নিজে মাছবোৰক তেনে কৰা দেখিছো।

তুমি একেথৰে থাকিলে মাছটো হয়তো তোমাৰ হাত দুখনৰ কাষলৈ

আহিৰ আৰু আঙুলিৰ মূৰবোৰত খুন্দিয়াই চাবহি। তেতিয়া তোমাৰ পালা। লাহেকৈ আঙুলিকেইটা বেঁকা কৰি মাছটোৰ তলপেটটো দুই দুই আঙুলি-কেইটা আগুৱাই লৈ গৈ থাকিবা—যেতিয়ালৈকে তোমাৰ কেঞা আঙুলি এটা তাৰ কাণখনৰ ভিতৰত সুমুৱাব নোৱাৰা। সেইখিনি কৰিব পাৰিলে আৰু কি লাগিছে! জোৰেৰে এটা টান মাৰি হাত দুখন ওপৰলৈ তুলি তুলি আনা—দেখিবা, মাছটো নৈৰ পাৰৰ শিলটোৰ ওপৰত পৰি চটফটাব ধৰিছে।

ধীৰে ধীৰে বৈ যোৱা নৈখন, পাৰৰ পৰিষ্কাৰ শিলবোৰ, চাৰিও ফালৰ সেউজীয়া গছ আৰু চাৰিও কাষৰ পাহাৰ—এই সকলোবোৰ মিলি আমাৰ উপত্যকাখনৰ কি এটি অদ্ভুত পৰিবেশ। সঁচাকৈয়ে সুন্দৰ আছিল আমাৰ উপত্যকাখন।

চৰাই বাহত উমনি লোৱাৰ সময়ত আমি বাঁহবোৰ বিচাৰি গৈছিলো আৰু তাত থকা কণীবোৰ চাইছিলোগৈ। আমি কিন্তু কেতিয়াও কণীবোৰ চুব নকৰিছিলো। দেউতাই মোক কেতিয়াও চৰাইৰ কণী গোটাবলৈ নিদিছিল আৰু অইন ল'ৰাই অনা দেখিলেও তেতিয়াই বাধা দিছিল। এই বাবেই হয়তো আমাৰ উপত্যকাখন সদায় চৰাইৰ মাতেৰে মুখৰিত হৈ আছিল। এই কথা ভাবি মোৰ আচৰিত লাগে যে চৰাইবোৰ আঁতৰি যোৱাৰ পিছতহে আমি সিহঁতৰ অনুপস্থিতি অনুভৱ কৰিব পাৰো, আগতে নহয়।

আমি সেইদিনা আবেলি দুটা ট্ৰাউট্ মাছ ধৰিছিলো। মই যি সময়ৰ কথা কৈছো তেতিয়া বতাহজাকে কিবা এটা অদ্ভুত ভাল গোন্ধ কঢ়িয়াই লৈ ফুৰিছিল—এই গোন্ধ হয়তো পাহাৰৰ ওপৰত গজা বনৰীয়া ফুল আৰু ঘাঁহ পাতৰ গোন্ধ। সেইদিনাখন আবেলি এই গোন্ধটো বেছ ভালকৈ পোৱা গৈছিল। দেউতাই মাজে মাজে খোজ কঢ়া বন্ধ কৰি দীঘলকৈ উশাহ টানি লৈছিল। দেউতাই মোক প্ৰায়েই কৈছিল যে নিৰ্মল বায়ুৰে হাওঁফাওঁ ভৰি থাকিলে মানুহৰ কোনো অনিষ্ট হ'ব নোৱাৰে। দেউতাই আৰু কৈছিল যে ঈশ্বৰে আমাক পানী দিছে শৰীৰ নিকা ৰাখিবলৈ আৰু বতাহ দিছে আমাৰ মনবোৰ পৰিষ্কাৰ ৰাখিবলৈ।

পাহাৰখনৰ অলপ বগোৱাৰ পিছত এটা কথা ভাবি মোৰ ভয়ত চুৰ্তি হেৰাল—দুয়ো তেতিয়া দেখিছিলো পাহাৰৰ যি ঠাইত মই সভাপতা দেখিছিলো,

সেই ঠাইডোখবৰ পিনেই পাহাৰ বগাই গৈ আছিলো। সেইদিনা আছিল শনিবাৰ। মানুহবোৰৰ ছুটীৰ দিন। সেইবাবে মই ধৰি লৈছিলো দেস্তি আৰু তাৰ সগৰ মানুহবোৰ নিশ্চয় সেই ঠাইতে থাকিব।

মই কলো, "দেউতা, আমি সিফালৰ উপত্যকাখনলৈ যাওঁ বলা।"

"ওঁহো' নেযাওঁ। আমি পাহাৰৰ একেবাৰে ওপৰলৈ উঠিম। গির্জাৰ বাবে ধৰ্ম-বক্তৃতা এটা মই তাতে লিখিব লাগিব। সিখন উপত্যকালৈ গৈ তইনো কি কৰিব খুজিব বাৰু?"

"আইভৰ আৰু ব্ৰনক চাই আহিব পাৰিলোহেঁতেন। আমি গলে সিহঁতে খুব ভাল পায় দেউতা।"

"সেইবোৰ আজি আৰু নহব। আমি পাহাৰৰ টিঙলৈ যাম আৰু গধূলি পোনে পোনে ঘৰলৈ যামগৈ"

সেন্তিহঁতে সভাপতা ঠাইডোখৰৰ পিনে যোৱাৰপৰা দেউতাক কেনেকৈ বিৰত কৰিব পাৰি তাকে মই ভাবিবলৈ ধৰিলে'—আনকি এইবাবে পাহাৰখনৰ খিয় গাটোবে বাগৰি তললৈ নামি আহিবলৈকো মই প্ৰস্তুত আছিলো। মই তাকেই কৰিলোহেঁতেন, কিন্তু সিও যে সম্ভৱ নহয়। অলপদূৰ বাগৰি অহাৰ পিছতে পাহাৰখনৰ গাত গজা জোপাহাবোৰত লাগি ৰৈ যাম গৈ।

মই যি ভাবিছিলো ঠিক সেয়েই—দূৰৈৰপৰাই আমি পাহাৰৰ অলপ ওপৰত গোট খোৱা মানুহ দলৰ মূৰবোৰ দেখিবলৈ পালো। বতাহজাক আমাৰ ফালৰপৰা সিফাললৈ বৈ যোৱাৰ বাবে আমি মানুহবোৰৰ কথা-বতৰা শুনিবলৈ পোৱা নাছিলো।

দেউতা স্তব্ধ হৈ ৰৈ গ'ল।

"তই ইযালৈকে আহিছিলিনেকি?"

"হয় দেউতা।"

"অ' সেয়েহে তোৰ সিখন উপত্যকালৈ যাবলৈ ইমান কোব।" দেউতাই বিদ্রূপ কৰি কলে। "তোৰ বুদ্ধি আছে দেখিছো।"

মানুহবোৰৰ কোনোবাই দেউতাক দেখিলে বোধহয় আৰু সেয়ে এজন মানুহ লৰি আমাৰ ফালে আহিল।

মানুহজনে চিঞৰি ক'লে, "মিষ্টাৰ মৰ্গান, দেন্তিয়ে আপোনাক অনুগ্রহ কৰি এবাৰ আহিবলৈ কৈছে।"

"দেভিৰ জগত মোৰ কি সম্পৰ্ক ?" দেউতাই সুধিলে।

"অইন অইন উপত্যকাবোৰৰপৰা মানুহ আহিছে," মগ নামৰ মানুহজনে দেউতাক ক'লে। "আমাৰ সভাত খুব ডাঙৰ ডাঙৰ কথা আলোচনা হ'ব ধৰিছে"।

"ডাঙৰ অৱশ্যে, কিন্তু ফোঁপোলা—কোনো কামত নাহে। ...দেভি ক'ত আছে বাৰু ?"

"সৌ তাত মিষ্টাৰ মৰ্গান্" মগে আঙুলিয়াই দেখুৱালে। "এতিয়াই দেভিয়ে বক্তৃতা দিব।"

"কি সৌভাগ্যৰ কথা ! বাৰু মগ, মই যাম। তুমি পাছে এই হিউক ইয়াতে ৰাখিব লাগিব।"

মই ভালদৰেই জানিছিলো যে দেউতাক বাধা দি লাভ নাই যাক দেইবাবেই দেউতা দেভিইতে সভাপতা ঠাইডোখৰৰ পিনে আগুৱাই যাওঁতে মই একো নকৰি নিঃশব্দে মগৰ কাষত থিয় দি ৰলোঁ।

দেউতা যোৱাৰ পিছতে মই মগক কলো যে মই সভাখনৰ একেবাৰে পাছ ফাললৈ গৈ কথাবোৰ শুনিব খোজো। মগে মোক যাবলৈ ক'লে কিন্তু লগতে ইয়াকো কৈ থলে যে দেউতা ঘূৰি অহাৰ আগতে মই যেনে তেনে সেই ঠাইখিনি ঘূৰি পাবহি লাগিব, নহলে হয়'তো দেউতাই মোক নেলেখি খঙত মগক চপৰিয়াই কাণ ছিডি দিব।

মই মান্তি হৈ লব দিলো। সাৱধানে ভিৰ ঠেলি মই সভাৰ মানুহবোৰৰ মাজেৰে আগফাললৈ আগুৱাই গৈ থাকিলো। অলপ দূৰ গৈ যি ঠাইৰপৰা মানুহবোৰৰ মাজেৰে দেউতাক দেখিলো সেই ঠাইতে মই ৰলো।

মোৰ চাৰিওকাষৰ মানুহবোৰে ফুচফুচাই কথা পাতিছিল, যেন ইতিমধ্যে তেওঁলোকে কিবা এটা ডাঙৰ সিদ্ধান্ত লৈ পেলাইছে। মোৰ সন্মুখৰ পিনে ডাঙৰ এচলীয়া শিল এচতাৰ ওপৰত বহি আছিল দেভি, দাই গ্ৰিফিথ্চ আৰু অইন কেইবাজনো মানুহ যি সকলক মই আগতে কেতিয়াও দেখা নাই। তেওঁলোক সকলোৱে দেউতাৰ স'তে কথা পাতি আছিল। দেউতাই হাত দুখন একেলগ কৰি আৰু চকুদুটা মুদি তেওঁলোকৰ কথা শুনি আছিল। তেওঁলোক প্ৰত্যেকে দেউতাক বুজাবৰ চেষ্টা কৰিলে, কিন্তু প্ৰত্যেকেই হতাশ হৈ সেই চেষ্টা এৰিবলগীয়া হ'ল। শেষত দাই শিলছটাৰ আগলৈকে আহিল

আৰু হাত দুখন ওপৰলৈ তুলি ধৰিলে। সভাৰ মানুহ নিস্তব্ধ হৈ পৰিল— মাথোন পাহাৰৰ দাঁতিত গজা ঢেঁকীয়া গছবোৰ বতাহত সোঁ সোঁৱাই থাকিল।

"ল'ৰাহঁত", দাইয়ে চিঞৰি ক'লে, আমি যিটো ঠিক বুলি ভাবিছোঁ সেইটো তোমালোকে কৰিম বুলি ঠিক কৰাৰ আগতে তোমালোকে গুইলাম মৰ্গান ডাঙৰীয়াৰ পৰা দুআষাৰ কথা শুনা উচিত।"

মানুহবোৰৰ মাজত উচ পিচ লাগিল আৰু সভাখনত এটা অস্ফুট গুণগুণনি শুনা গ'ল। সেউতা শিলচটাৰ সন্মুখলৈ আগুৱাই অহাত সভাৰ সকলোৱে কিন্তু জয়ধ্বনি দি তেওঁক সম্বৰ্দ্ধনা জনালে। সেউতাই সভাৰ মানুহবোৰৰ পিনে চালে, চালে পাহাৰৰ তলত থকা আমাৰ গাঁওখনৰ পিনে, চালে ওপৰৰ আকাশৰ পিনে। মই বুজি পাইছিলো যে সেউতাই প্ৰাৰ্থনা কৰিব ধৰিছে আৰু সভাৰ-আইন মানুহবোৰেও এই কথা বুজি পাইছিল। কাৰণ অলপ পিছতেই মানুহবোৰে সেউতাৰ লগত গুণগুণাই প্ৰাৰ্থনা আৰম্ভ কৰিলে আৰু মূৰৰ টুপীবোৰ খুলি মূৰ দোঁৱাই ৰ'ল।

সেউতাই ক'লে, "ল'ৰাহঁত, তোমালোকে কি কৰিব খুজিছা সেই বিষয়ে তোমালোকৰ বিবেক পৰিষ্কাৰ হ'লে তোমালোকে এই দৰে পাহাৰৰ ওপৰত লুকাই চুৰকৈ সভা নাপাতি গাঁৱতে সকলোৱে শুনিব পৰাকৈ সভা পাতিলাহেঁতেন। মই যে এইখিনি আহি পালো সেইটো কিবা দুৰ্ঘটনাৰ ফলতহে। ইয়াক মই অৱশ্যে ঈশ্বৰৰ ইচ্ছা বুলিয়েই ক'ম। ইয়ালৈ আহিবলৈ মোৰ অলপো ইচ্ছা নাছিল, কিন্তু যেনেকৈয়ে হওঁক আহিছোঁ যেতিয়া যোৱা কেইমাহে মোৰ মনত খেলোৱা কথাবোৰ তোমালোকক আজি ক'ম। তোমালোকে যি'টা বিচাৰিছা সেইটো নিশ্চয় ন্যায়সঙ্গত; কিন্তু যি উপায়ে অৱলম্বন কৰি তোমালোকে এইটো কৰিব খুজিছা সেইটো নিশ্চয় ভুল। যুক্তিৰে কাম নহলেহে মানুহে জোৰ-জবৰদস্তিৰ পিনে মন মেলিব পাৰে। যুক্তিৰে কাৰ্য্যসিদ্ধি কৰিবলৈ কিন্তু সময় লাগে। অন্তৰত ঘৃণা থাকিলে তোমালোকে ঈশ্বৰৰ সহায় খুজিব নোৱাৰিবা আৰু ঈশ্বৰৰ সহায় নহলে তোমালোকৰ কোনো কামেই সিদ্ধি নহ'ব। ইউনিয়নে তোমালোকৰ বাবে কি কৰিব সেই বিষয়ে যদি তোমালোকৰ পৰিষ্কাৰ ধাৰণা নাথাকে তেন্তে 'আমি ইউনিয়ন পাতি দলবান্ধি খনিৰ মালিকৰ ওচৰলৈ যাম' বুলি কোৱা

কথাৰ মূল্য নাই। ভাল দৰমহা লাগে ? ইউনিয়ন নহলেও ভাল দৰমহা পাব পাৰি। খনিৰ মালিকবোৰ অসভ্য বৰ্বৰ নহয়। কিন্তু তোমালোক কেতবোৰ ইয়াত গোট খাই তেওঁলোকক ভয় দেখুৱালে তেওঁলোকে কিটো দিব বাক ? যুক্তি আৰু ভাল ব্যৱহাৰ—এয়ে তোমালোকৰ উত্তম অস্ত্ৰ। আৰু তোমালোকৰ উদ্দেশ্য যদি মহৎ, যদি এই বিষয়ে তোমালোকৰ বিবেক পৰিষ্কাৰ, তেন্তে ভগৱানে তোমালোকক সহায় কৰিব। ভগৱানৰ সহায় নোহোৱাকৈ কোনোৱে বেছি দূৰ আগ বাঢ়িব নোৱাৰে।”

ইতিমধ্যে মানুহবোৰ অশান্ত হৈ পৰিছিল আৰু সেই সভাথলৰ চাৰিওফালৰ পৰা মানুহে চিঞৰ-বাখৰ কৰা শুনিবলৈ পাইছিলো। দেউতাই শুধাপি তেওঁৰ বক্তব্য কৈ যাবলৈ চেষ্টা কৰা মই দেখিছিলো। তেনে-তে মোৰ পাছ ফালে থিয় দি থকা কোনোবা এজনে মোৰ কান্ধত ধৰি টানিলে।

“তই হিউ মৰ্গান, নহয় জানো ?” মানুহজনে মোক সুধিছিল।“তোৰ বুঢ়াই কি ক’বলৈ ধৰিছে শুনিছনে ?”

“মোৰ দেউতা বুঢ়া নহয়। দেউতাই তেওঁক বুঢ়া বুলি কোৱা শুনিবলৈ পালে ভাল মজা দিব।”

“ল’ৰা দেখিছোঁ কম নহয়। ঠিক দেউতাকৰ দৰেই।” আইন কোনোবা এজনে কৈছিল।

মই লৰি পলোৱাৰ আগতেই মোৰ লগত প্ৰথমে কথা পতা মানুহজনে মোক তুলি মূৰৰ ওপৰত দাঙি ধৰিছে।

মানুহজনে চিঞৰিলে, “মৰ্গান, যদি কোনো ব্যৱস্থা লোৱা নহয় তেন্তে মনত ৰাখিবা তোমাৰ এই ল’ৰাজনো খাবলৈ নাপাই মৰিব। মোৰ এনেকুৱা ল’ৰা পাঁচোটা আছে।”

মানুহবোৰৰ চিঞৰ-বাখৰত দেউতাৰ কথা বন্ধ হৈ গ’ল। মোক তেনেকৈ দাঙি ধৰা সময়খিনিত মই মাথোন গুলমূল লগোৱাহে শুনিলো। মোক নমাই দি মোৰ কথা মানুহবোৰে পাহৰাৰ লগে লগে মই ভিৰ ঠেলি সভাৰপৰা ওলাই লৰ মাৰিলো। বহুদূৰ গৈ মই পাছলৈ ঘূৰি চালো।

দেউতাই শিলছটাৰ ওপৰত থিয় দি দাই গ্ৰিফিথছ্‌ৰ সতে কথা পাতি আছিল আৰু দেখিয়ে মানুহবোৰক শান্ত কৰিবৰ চেষ্টা কৰিছিল। দেউতাই

অতি বেজাৰেৰে মুৰ জোকাৰি শিলছটাৰপৰা নামি অহা মই দেখিছিলো। গতিকে খৰাখৰিকৈ লৰধৰি মই মগৰ ওচৰ পালোগৈ।

"উস, কলৈনো গৈছিলি ইমান পৰে? সৌৱা দেউতাৰ আহি পালেহিয়েই নহয়।'

দেউতাৰ পিনে এবাৰ মাথোন চায়েই মই সকলো বুজিলো। মগে কিবা এটা কবলৈ খুজিছিল, কিন্তু একো নকৈ অতি অস্পষ্ট ভাবে স্তুতিয়াবলৈ আৰম্ভ কৰি দিছিল।

দেউতা ইমান শেঁতা পৰি গৈছিল যে তেওঁৰ চকু দুটাৰ তলত নীলা দুটা দাগ ফুটি উঠিছিল আৰু তেওঁৰ চকুৰ বগা অংশখিনি হৈ উঠিছিল ৰঙচুৱা। সেইদিনা দেউতাৰ চকুৰ পিনে চালে তুমি ভয় খালাহেঁতেন।

কিন্তু তথাপিও তেওঁ মিচিকিয়াই হাঁহি আছিল।

"বঢ়িয়া বাছা। ধন্যবাদ মগ।

"আপুনি অহা বাবে বৰ ভাল লাগিল,।" এই বুলি কৈ শ্ৰদ্ধাৰে মগে তাৰ টুপী খুলিলে।

পাহাৰৰ টিং নোপোৱাকৈ এই বিষয়ে একো কোৱা নহ'ল। আমি গৈ থকা সময়ত সভাৰ বক্তৃতাৰ প্ৰত্যেকটো শব্দ স্পষ্টকৈ আমাৰ কাণত পৰিছিলহি। ওৰে বাট মই দেউতাৰ পিনে চাই আছিলো, দেউতাক লক্ষ্য কৰিবৰ বাবে। কিন্তু এক মুহূৰ্তৰ বাবেও দেউতাৰ মুখত কোনো পৰিবৰ্তন দেখা নাছিলো।

পাহাৰৰ একেবাৰে ওপৰলৈ উঠি শিল এটাৰ ওপৰত বহি দেউতাই ইথন উপত্যকাৰ পিনে চাই থাকিল।

"ইয়াত আহি বহহি, হিউ", দেউতাই কৈছিল, কাৰণ মই দেউতাক অকলে থাকিবলৈ দিবলৈ বুলি অলপ দূৰলৈ আঁতৰি গৈছিলো।

"মোলৈ ভয় লাগিছে নেকি?"

"নাই লগা দেউতা। মই ভাবিছিলো তুমি হয়তো এতিয়া অকলে চিন্তা কৰিবলৈ ভাল পাবা। সেয়েহে, আইন একো নহয়।"

"মোৰ চিন্তা কৰাৰ দিন শেষ হৈছে হিউ, মোৰ চিন্তাৰ আজিৰ দিনত কোনো স্থান নাই।"

তলৰ উপত্যকাখনৰ পিনে চাই আমি অলপ সময় মনে মনে বহি

আছিলো। ওপৰৰ চেঁচা বতাহজাকে মোক কঁপাই তুলিলে। দেউতাই কিন্তু তলৰ উপত্যকাখনৰ পিনে একেথৰে চাই ৰহি থাকিল।

পাহাৰৰ নামনিৰ চাৰিওফালে সেউজীয়া। মাথোন আমাৰ উপত্যকা-খনতহে কয়লাখনি এটাই চাৰিওফালৰ ধুনীয়া, উজ্জ্বল সেউজৰ ৰাজ্যৰ মাজৰপৰা লেতেৰা ক'লা আঙুলি এটা টোৱাঁই আছিল। পাহাৰৰ ওপৰত চাৰিও ফালে আছিল সুখ, শান্তি আৰু নিস্তব্ধতা। বৈ থকা বতাহজাকতো এটা আনন্দৰ সুৰ শুনা গৈছিল।

"বৰ দুখৰ কথা হিউ, বৰ দুখৰ কথা।" বহুপৰৰ পিছত দেউতাই কৈছিল। "ইয়াত সকলো ধুনীয়া, সুখী, পৰিপাটি। কিন্তু আমাৰ তাত? লপোন, আবৰ্জনা, ঘৃণা, মূৰ্খামি।"

"সেইটো বাৰু কেনেকৈ হ'বলৈ পালে দেউতা?

"কুচিন্তা আৰু লোভ, হিউ। সকহো বিচাৰিবি, সকলো লবি আৰু একোকে নিদিবি—এয়ে আমাৰ ৰীতি। কিন্তু পৃথিৱীখনৰ সৃষ্টিতো এই বাবে হোৱা নাই। সৎপথত চলিলে পৃথিবীয়ে তোক যি লাগে সকলো দিব। কিন্তু সৎপথত নচলিলে একোকে নাপাবি। সেই সভাৰ দুৰ্ভগীয়া মানুহবোৰে কিবা এটা বিচাৰিছে যিটো সিহঁতে কোনো দিনেই নেপাব। সিহঁতে এই বাবেই নেপায় যে সিহঁতৰ পন্থা ভুল। সকলো বস্তু ঈশ্বৰৰপৰা আহে বাছা। আইন যি নহওঁক বিপদত পৰিলে ঈশ্বৰক খাটিবি। মই এই ভাবি ভয় খাইছো যে সেই সভাত যি আৰম্ভ কৰা হৈছে সি হয়তো ভৱিষ্যতলৈ তহঁতৰ বাবে বহুতো বিপদ মাতি আনিব।"

আকাশখনৰ পিনে চাই থাকি দেউতাই এই কথাবোৰ কৈছিল। দেউতাক আগতকৈ অলপ ভাল দেখি মোৰ মনটোও ভাল লাগিছিল। দেউতাৰ সঁচাকৈয়ে অদ্ভুত ধৰণৰ খং এটা আছিল। কিন্তু মোৰ বাহিৰে দেউতাৰ সেই খং কোনেও দেখা নাই। আৰু ময়ো এবাৰহে মাথোন দেখিছিলো—তাকো আমাৰ ঘৰখনত নহয়, বাহিৰতহে।

"বল ঘৰলৈ যাওঁগৈ। মাৰে সুধিলে এই বিষয়ে একোকে নকবি কিন্তু। আজি দিনটোৰ বাবে মাৰে যথেষ্ট দুখ পাই থৈছে। এইবোৰ কৈ আৰু দুখ দিব নালাগে।"

আমি পাহাৰৰপৰা নামিবলৈ আৰম্ভ কৰিলো। অলপ নমাৰ পিছত

আমাৰ উপত্যকাখন মোৰ চকুত পৰাত মই উচ্প খাই উঠিলো। পাহাৰৰ টিঙৰপৰা বহু সময় অইন এখন উপত্যকা চাই থকাৰ বাবেই বোধহয় আমাৰ উপত্যকাখনৰ কদৰ্য্যতা বেছি স্পষ্টকৈ মোৰ চকুত ধৰা পৰিছিল।

গোটেই নৈখনৰ পাৰে পাৰে কয়লা খনিৰপৰা আহি পৰা আবৰ্জনাবোৰ দেখা গৈছিল। আগগুৰি নোহোৱা ক'লা ঘৰবোৰ দেখিলে দুখ লাগি যায়। ঘৰবোৰ একেবাৰে নিৰ্জীৱ আৰু সুখ-শান্তিহীন যেন দেখা গৈছিল। তেনেকুৱা ঘৰবোৰত যে আনন্দময় সংসাৰ এখন থাকিব পাৰে সেই চিন্তা মনলৈ নাহেই।

আমাৰ উপত্যকাখন ক'লা হৈ আহিব ধৰিছে। খনিৰ আবৰ্জনাৰ দ'মটো ইমান ডাঙৰ হৈ উঠিছে যে ইতিমধ্যে খনিৰপৰা ই আমাৰ ঘৰৰ পিনে আধা-আধি বাট গৈ পাইছগৈয়ে। মই তেতিয়া সৰু আৰু বুদ্ধিহীন আছিলো সঁচা, কিন্তু যিয়েই নহওঁক লাগে, মই তেতিয়াই উপলব্ধি কৰিছিলো যে এইটো অন্যায়। এই বিষয়ে মই দেউতাকো ক'লো।

"ঠিকেই কৈছ হিউ" এই বুলি কৈ দেউতাই আবৰ্জনাৰ দ'মটো চাবলৈ এবাৰ ৰ'ল। "মই আজি কেইবাবছৰ আগতেই তেওঁলোকৰ আবৰ্জনাবোৰ মাটিৰ তলত পেলাবলৈ কৈছিলো, কিন্তু কোনেও মোৰ কথাত কাণ নিদিলে। এতিয়া এই কথাটোতকৈ অইন বহুতো ডাঙৰ কথা চিন্তা কৰিবলৈ আছে হেনো। পাছে তই ডাঙৰ হৈ উঠি এই বিষয়ে কিবা এটা কৰিবই লাগিব। তই আৰু বহুতো কাম কৰিব লাগিব কিন্তু, বুজিছ?"

আমাৰ গাঁওখনৰ মাজেৰে যাওঁতে দেখিলো যে গাঁৱৰ বেছিভাগ তিৰোতাই ঘৰৰ দুৱাৰমুখত ৰৈ আছে—মুনিহবোৰে পাহাৰৰ ওপৰত কিনো কৰিছে তাকে জানিবলৈ তেওঁলোক তেনেকৈ ৰৈ আছিল। দেউতাই মূৰৰ টুপী সোলোকাই সকলোকে গোটেই বাটটো শুভেচ্ছা আৰু সম্ভাষণ জনাইছিল আৰু অইন সকলোৱে সেইদৰে দেউতাক সম্ভাষণ জনাইছিল।

আমি ঘৰ সোমাওঁতে মা অকলে বহি আছিল। মাৰ দুখ আগতকৈ পাতলা যেন লাগিল। কিন্তু ঘৰখন হ'লে তেতিয়াও নিস্তব্ধ হৈ আছিল।

দেউতাই মাৰ পিনে চালে কিন্তু একো নক'লে, কাৰণ দেউতাই মাক ভালকৈয়ে জানিছিল। দেউতাই জোতাযোৰ খুলিবলৈ ওলাই যোৱাৰ আগতে মোক ইঙ্গিতেৰে বুজালে যাতে মই একো কথা-বতৰা নকওঁ। মেজৰপৰা মই

মোৰ শ্লেটখন আনিলোগৈ আৰু শ্লেটখন মচি থাকোতে দেউতা আকৌ কোঠাটোলৈ আহিল।

তেনেতে মাই লৰচৰ কৰি ইফালে সিফালে চাই দেউতাক দেখিলে।

মাই ক'লে, "আংগাহ্লাদ শুচি গ'লগৈ।"

"ক'লৈ গ'ল ?"

"বেইননষ্টতৰ ঘৰত আছেগৈ হব পায়।"

"ৰবা, মই তাইক এতিয়াই লগ পাই আহিছো।"

দেউতা ওলাই যোৱাত মায়ে মোক কেট্‌লিটোত পানী অলপ ঢালি দিবলৈ আৰু জুইকুৰাত ডুটুকুৰামান কয়লা পেলাই দিবলৈ ক'লে। এইখিনি কৰি অঁতোৱাৰ পিছত মায়ে মোক কাষলৈ মাতি নিলে।

"হিউ, তই ডাঙৰ হৈ কেনে হবি মই তাকেই ভাবিছো।"

"মিয়েই নহওঁ ম, মই কিন্তু এই ঘৰ এৰি ক'লৈকো শুচি নাযাওঁ, যদিহে তুমি খেদি নপঠিওৱা।"

সেইটোৱেই "সঁচা হওক হিউ," মোৰ প্ৰতি অন্তৰ্ভেদী দৃষ্টিৰে চাই থাকি মাই কৈছিল। "এই পৰিয়ালৰ আৰু এজনেও যদি এই ঘৰ এৰি শুচি যায় তেন্তে মই ল'ৰা-ছোৱালী জন্ম দিয়াৰ বাবে গোটেই জীৱন অনুতাপ কৰিম।"

"পাছে ল'ৰা-ছোৱালী বাৰু তুমি জন্ম দিলা কিয় ?" মই তেতিয়া সুধিছিলো।

"উস্ ভগৱান! এই ল'ৰাটোৱে যে কি কথাবোৰ সোধে" মাই হাঁহি কৈছিল। "যা, এতিয়া ইয়াৰপৰা যাচোন।"

কিন্তু সেই দিনাখনৰ সেই প্ৰশ্নটোৱে সন্তান জন্মৰ বিষয়ে মোক উৎসুক কৰি তুলিলে। কোনোৱে এই বিষয়ে একো জনা যেন নেদেখুৱালে আৰু কোনোবাই কিবা জানিলেও মোক ক'লে একো নজনালে। মানুহে কিয় এনে ব্যৱহাৰ কৰে ভাবি আচৰিত লাগে—সঁচা কথাটো ক'লে সিহঁতৰ যেন কিবা জেপৰ ধন খৰছ হ'ব। কিন্তু কথাটো মই পাছত ঠিকেই জানিব পাৰিছিলো।

আংগাহ্লাদক লগত লৈ দেউতা ঘৰলৈ উভতি আহি পোৱাত তুমি মোৰ মাক দেখিব লাগিছিল। মাই খুব আনন্দ পাইছিল আৰু আথে বেথে আংগাহ্লাদক চকী এখনত বহুৱাই গাৰ কোটটো খুলি দিছিল। আংগাহ্লাদে নিঃশব্দে বহি থাকি কিবা ভাবি আছিল। দেউতাই যে তাইক জোৰকৈ ঘৰলৈ

গুণ্ডোটাই অনা নাই এই কথা কিন্তু স্পষ্টকৈ বুজা গৈছিল। দেউতা হাত-মুখ ধুবলৈ পাচ ফাললৈ গ'ল আৰু হাত-মুখ ধুই আহি লিখা-পঢ়া কৰিবলৈ সিটো কোঠাত সোমাল। মই কটীৰ টুপুৰাবোৰ জুইত সেকি মাক দি আছিলোঁ।

"আংগাহ্লাদ, দেউতাৰে তোক কি ক'লে?" মাই হঠাতে সুধিলে।

"দেউতাই ক'লে যে তেওঁ যদি কিবা দোষ কৰিছে সেই বাবে তেওঁ দুঃখিত। দেউতাই মোক ইযাকো সুধিলে যে মই কিয় ঘৰ এৰি গুচি আহিছোঁ।"

"হয়নে?" মাই বৰ আচৰিত হৈ ক'লে।

"মই দেউতাক ক'লো যে মই দাদাইতৰ আলপৈচান ধৰিবলৈ আহিছোঁ। মই ইয়াকো ক'লো যে মিছেছ বেইনন মদ খাই পৰি থাকে, গতিকে দাদাইতৰ যত্ন লবলৈ কোনো নাই। মই সঁচা কথাই কৈছিলো মা। আজি দেখিয়ে পিন্ধি অহা মোজাযোৰ দেখিছিলানে? কিমান ডাঙৰ ফুটা এটা।" আংগাহ্লাদৰ চকুলো দুধাৰি জুইকুৰাৰ পোহৰত জিকমিকাই উঠিছিল। জোতা মচিবলৈ ফুটা কাপোৰ লাগে যদি দেখিৰ বিচনা চাদৰখন লৈ আনাগৈ—সেইখন এই কামতহে লাগিব।"

মায়ে একো নকৈ জুইকুৰাৰ পিনে একেথৰে চাই চুপ্‌চাপ্‌ বহি থাকিল।

"উস্‌ ভগৱান। মই আজি ৰাতিয়েই ল'ৰাইতক এই ঘৰলৈ ফিৰাই আনিম। এইবাবে মই নিজে এই ঘৰৰপৰা গুলাব লাগে যদি তাকে কৰিম।" মাই হঠাতে ক'লে।

হাতৰ কাঁহীখন জুহালৰ ওচৰত থৈ মা সিটো কোঠালৈ যাবলৈ ওলাল।

"আংগাহ্লাদ, হিউক চাহ অলপ কৰি দিবি" মাই কৈ গ'ল। ইয়াৰ পাছত তেওঁ দেউতা থকা কোঠাটোৰ দুৱাৰখন খুলি ভিতৰ সোমাল।

পাগঘৰটো নিঃশব্দ হৈ আছিল আৰু সেইবাবে দেউতা মাই কথা পতা আমি শুনিবলৈ পাইছিলো। কিন্তু দুৱাৰখন ইমান ডাঠ আছিল যে তেওঁ-লোকৰ কথাৰ অকণো আমি ভালকৈ বুজি নাপালো।

"তই আজি পাহাৰৰ ওপৰলৈ গৈছিলি নেকি? আংগাহ্লাদে মোক সুধিলে।

"ওঁ, দেউতাই মানুহবোৰক বুজাইছিল, কিন্তু সিহঁতে দেউতাৰ কথাত চিঞৰ-বাখৰ হে লগালে।"

"দাদাইতো আছিল নেকি?"

"আটাইকেইজন আছিল। কিন্তু এজনো দেউতাৰ ফলীয়া নহ'ল।"

"ঠিকেই কৰিছে।"

"তই দেউতাৰ বিপক্ষে নেকি ?" মই আংগাহ্লাদক সুধিলো।

"ওঁতো। ঠিক দেউতাৰ বিপক্ষে নহ'লেও, তেওঁ মানুহবোৰক কি কৰাৰ খুজিছে তাৰ নিশ্চয় বিৰুদ্ধে।"

"দেউতাই কি কৰাব খুজিছেনো ?"

উত্তৰত আংগাহ্লাদে বিৰক্তিৰে কৈছিল, "বাক বুজি পাব যদি শুন। মানুহবোৰে কি বিচাৰে সেইটো দেউতাৰ মতে খুজি মাগি লব লাগে, একগোট হৈ খনিৰ মালিকৰ ওচৰলৈ গৈ দাবী জনাই নহয়।"

"দেউতাইনো তেন্তে কি ভুল কৰিলে ?" কথাটো ভাবি চিন্তি চাই মই আংগাহ্লাদক সুধিলো।

"কেপ্‌কেপাই নেথাকিবি। মনে মনে চাহটোপা খাই উঠি যাগে ?"

"কিন্তু দেউতাই জানো ভুল কৈছে ?" মই আকৌ তাইক সুধিছিলো।

"প্ৰাৰ্থনা কৰি কোনো দিনেই কোনেও একো নেপায়, বুজিছ। মই এতিয়ালৈ একো পোৱা নাই, আন কোনোবাইও পোৱা দেখা নাই। মিছেছ মচ্‌টাইনলৈকে চাচোন। সকলোৱে দেখোন তেওঁৰ বাবে প্ৰাৰ্থনা কৰিছিল, কিন্তু কি হ'ল ? মাক আৰু কেঁচুৱা দুয়োটা মৰি থাকিল দেখোন ?"

ঠিক তেনেতে মা ইটো কোঠাৰপৰা ওলাই আহিল। মাই দেউতাৰ বাবে পিয়লাত চাহ বাকিবলৈ ধৰিলে।

"আংগাহ্লাদ," চাহৰ পিয়লাটো সিটো কোঠালৈ নিবলৈ ধৰি মাই কৈছিল, "মিছেছ বেইননৰ ঘৰলৈ গৈ ল'ৰাইতৰ বস্তু-বাহানিবোৰ লৈ আহগৈ। আৰু শুন, মিছেছ বেইননক কবি যে ল'ৰাইতৰ যি পইচা-পাতি দিবলগীয়া আছে সেইবোৰ মই নিজেই সোমবাৰে ৰাতিপুৱা দি আহিমগৈ।"

"বাৰু মা।" এইবুলি কৈয়েই আনন্দত চাপৰি বজাই গান গাই গাই আংগাহ্লাদ পাছফালৰ দুৱাৰেদি বাহিৰলৈ লৰ ধৰিছিল।

মা সিটো কোঠাৰপৰা অলপ পাছত-লৰি আহি বেৰৰ গাত লাগি থকা বিচনাখনলৈ আঙুলিয়াই দেখুৱাই কৈছিল—"তই আজিৰপৰা এই বিচনাখনত শুবি, হিউ। দাদাহঁত পাছফালৰ কোঠাটোত থাকিব। সিহঁত আটাইকেইটা ডাঙৰ হৈছে ; তই সৰু ল'ৰাটো সিহঁতৰ মাজত সোমাবলৈ নেলাগে।"

আৰু সেইদিনাৰেপৰা মোৰা ৰাতিলৈ মই এই বিচনাখনৰ বাহিৰে ক'তো শোৱা নাই—অৱশ্যে ব্ৰনৰ ঘৰত থকা কেইদিনৰ কথা এৰি।

দাদাইত সেই ৰাতি ঘৰলৈ ঘূৰি অহা পৰ্যন্ত মই বিচনাত আছিলো। বিচনাৰ কেউফালে পৰ্দাৰে ঢকা আছিল। গতিকে মই কাকো নেদেখিলেও কোঠাটোত হোৱা সকলো কথা-বতৰা শুনি আছিলো। মোৰ কিন্তু ইমান টোপনি ধৰিছিল যে মাজে মাজে মই ভালকৈয়ে টোপনিত পৰিছিলো আৰু হঠাতে সাৰ পাই জাপ মাৰি উঠি বিচনাত বহিছিলো।

সিহঁত আটাইকেইজন একেলগে আহিছিল—যেন এজন এজনকৈ আহিবলৈ সিহঁতৰ ভয় লাগে। এক্ষাৰত বিচনা এখনত পৰি থাকি তুমি ভালকৈ চিনি পোৱা মানুহবোৰে কথা কোৱা, কোঠাটোত ঘৰি ফুৰা আৰু তোমাৰ অতি পৰিচিত সৰু-সুৰা শব্দবোৰ কৰি থকা শুনি থাকিবলৈ পালে তোমাৰ হাঁহি উঠি যাব। তেনে অৱস্থাত আৰু এটা প্ৰশ্ন তোমাৰ মনলৈ আহিব—যদি মানুহৰ কণ্ঠস্বৰ আৰু তেওঁলোকে মাজে সময়ে কৰা সৰু-সুৰা শব্দবোৰেই তেওঁলোকক চিনিবৰ বাবে যথেষ্ট তেন্তে শৰীৰটোৰে সৈতে মানুহজন সৃষ্টি কৰাৰ কিটো প্ৰয়োজন ?

কথা আৰম্ভ কৰাৰ আগতে দেখিয়ে তাৰ চুলিকোছা পাচলৈ ঠেলি দিয়া মই গম পাইছিলো, কাৰণ তাৰ চুলিকোছাই এটি কোমল ছুচ্ ছুচ্ শব্দ কৰিছিল আৰু তাৰ চকীখন কেৰমেৰাই উঠিছিল। গুইলামৰ উপস্থিতিও মই গম পাইছিলো। কাৰণ ঢোক গিলিলে সি সদায় এটা অদ্ভুত শব্দ কৰে। অৰেনে আকৌ সদায় তাৰ কপালখন মচে আৰু কাণখন টানি থাকে। মই জানো যে এই দুটাৰ অন্ততঃ কোনো শব্দ নাই, কিন্তু তথাপি আনকি এইবোৰো মই শুনিবলৈ পাইছিলো আৰু তেনেকৈয়ে গম পাইছিলো অৰেনে কি কৰিব ধৰিছে।

কিন্তু দেউতাও তাত আছে বুলি মই জানিলেও, তেওঁৰপৰা কোনো শব্দ শুনা নাছিলো—যদিও দেউতাই সাধাৰণতে কৰা শব্দবোৰ মোৰ মুখস্থ আছিল। তথাপি নিশ্চিতভাবে জানিছিলো যে দেউতা তাতে বহি আছিল। আনকি দেখি আৰু মোৰ অহন দাদাইতেও একো শব্দ নকৰিলেও মই গম পালোহেঁতেন যে সিহঁতো তাত আছে। অদ্ভুত ধৰণৰ এটা অনুভূতিয়ে মোক দেউতাৰ উপস্থিতি জনাই দিয়ে আৰু সেই অনুভূতিৰে মই দাদাইতৰ উপস্থিতিও গম পাওঁ।

দেউতায়ে মোক ভালকৈ জগাই তুলিলে। বোধকৰো মায়ে মই পৰ্দাৰ সিফালে বিচনাত শুই থকাৰ কথা দেউতাক মনত পেলাই দিছিল। কথা কোৱাৰ আগতে ডিঙি পৰিষ্কাৰ কৰি লোৱাৰ বাবে দেউতাৰ কেইবাটাও ধৰণ আছিল আৰু সেই আটাইকেইটা মই ভালদৰে জানিছিলো। গান গোৱাৰ আগতে এক ধৰণৰ, গিৰ্জাত ধৰ্মকথা কোৱাৰ আগতে আইন এক প্ৰকাৰৰ, বাইবেল পঢ়িবৰ সময়ত আকৌ আৰু এক ধৰণৰ। কিন্তু গুৰুত্বপূৰ্ণ কিবা বিষয় ক'বলৈ হ'লে তেওঁৰ ডিঙি পৰিষ্কাৰ কৰি লোৱাৰ ধৰণটো একেবাৰে বেলেগ আছিল। সেই বিশেষ ধৰণৰ শব্দটো কৰি দেউতাই মোক জগাই তুলিলে।

দেউতাই কৈছিল, "দেভি, তয়েই ঘৰখনৰ ডাঙৰ ল'ৰা। গতিকে তোৰ লগতে মই কথা হ'ম।"

"কওক দেউতা" মই ভালকৈ জানিছিলো যে চুলিকোচাৰ আঁৰৰপৰা দেভিৰ চকুদুটাই দেউতাৰ পিনে একেথৰে চাই আছে।

দেউতাই কৈছিল, "মই তোক এই ঘৰ এৰি যাবলৈ কোৱাত মোৰ বোধেৰে মই ঠিক কামেই কৰিছিলো। মই ভাবিছিলো যে তই আইন কেইজনৰ আদৰ্শৰ বাবে অনিষ্টকৰ। কিন্তু পিছতহে মই গম পালো যে আইন কেইজনো তোৰ দৰেই বেয়া। আনকি হিউৱে দৰে কেঁচুৱা এটায়ো বাতিখন ঘৰৰ বাহিৰলৈ ওলাই যোৱা অভ্যাস কৰিছিল। পৰিয়াল এটা তেনেকুৱা হ'ব লাগেনে, আৰু সেইবাবেই মই তইতক টান কথা কৈছিলো। মই তইতৰ দেউতাৰ যেতিয়া সেইখিনি অধিকাৰ মোৰ নিশ্চয় আছে।"

"সেই অধিকাৰ মই কোনো দিনেই ছুই নকৰোঁ, দেউতা," দেভিয়ে কৈছিল।

"ভাল কথা। তইতৰ লগতে মই তেনেকুৱাখন কৰি খুব দুখ পাইছিলোঁ। মোৰ পৰিয়ালৰ বাবে মই সঁচাকৈয়ে গৰ্বিত, আৰু বিশেষকৈ এই কথা ভাবি মই বেছি আনন্দিত যে তইতে যি ভাল বুলি ঠিক কৰিছ তাৰ বাবে লাগিলে প্ৰাণ দিবলৈও তইত প্ৰস্তুত। মানুহৰ ভালৰ বাবে আন্দোলন কৰি নিজে দুখ-যাতনা ভোগাটো খুব ডাঙৰ কথা। কিন্তু এইটো সদায় চাবি যে তইতে যিটো বিচাৰিছ সেইটো যেন অন্যায় দাবী নহয়। মোৰ মত কিন্তু তইতৰ কাৰ্য্যৰ বিৰুদ্ধে। তইতৰ দাবী ন্যায়সঙ্গত হ'লে সো পাহাৰৰ ওপৰত লুকাই চুৰকৈ তইতে আজি সভাখন নেপাতিলিহেঁতেন। কিন্তু মই তইতক যি ক'ব

খুজিছোঁ সেইটো এইবোৰৰ বিষয়ে নহয়। মাৰে ৰবকৈ নধৰা হ'লে মই আজি এইদৰে তইঁতক পুনৰ ধৰলৈ মাতি নানিলোহেঁতেন। আৰু তাৰোপৰি মাৰে ক'লে তহঁতে অতি দুখ লগাকৈ জীৱন কটাব ধৰিছ বোলে। মাৰে তেনেকৈ কোৱাত মই মান্তি হ'লো, কিন্তু এটা চৰ্তত।"

অলপ সময়ৰ বাবে কোঠাটো নিস্তব্ধ হৈ ৰ'ল। এই নিস্তব্ধতা মোৰ অসহ্য লাগিল।

"কি চৰ্ত বাৰু দেউতা?" দেভিয়ে সুধিলে।

"আমি সকলোৱে এই ঘৰত হোটেলত থকাৰ দৰে থাকিব লাগিব। সকলোৱে খোৱা-থকাৰ বাবে খৰচ দিব লাগিব।"

সিফালৰপৰা অহা শব্দবোৰৰ পৰা মই বুজিব পাৰিলো যে মোৰ আটাইকেইজন দাদাই চকীত পোনহৈ বহি দেউতাৰ পিনে একেথৰে চাই আছে।

"কিন্তু দেউতা তোমাৰ ঘৰখনত তুমি নিজে কেনেকৈ খৰচ-পাতি দি থাকিবা?" দেভিয়ে সুধিলে।

"মই ইয়াত থাওঁ আৰু থাকোঁ যেতিয়া দিয়াত বাধা কি? আৰু এটা কথা মই কৈ থওঁ—মই তহঁতৰ দেউতাৰ নহওঁ। এইবাবেই নহওঁ যে এই ঘৰত মোৰ প্ৰভুত্ব নচলে। যাৰ কথা ঘৰখনত কোনোৱে নামানে সেইজন মানুহ কোনো ঘৰৰ দেউতাক হৈ থাকিব নোৱাৰে। মোৰ কথা তহঁতে নেমান, আৰু সেইবাবেই মই তহঁতৰ দেউতাৰ নহয়, তইঁতৰ লগতে খৰচ-পাতি দি খোৱা এজন মানুহ মাথোন। তইঁতো সেয়ে, অইন একো নহয়। মাৰে তইঁতৰ আৰু মোৰ আলপৈচান ধৰিব। এইখিনিয়েই মাথোন ক'লো।"

"এইবোৰৰ বাবে মই সঁচাকৈয়ে দুঃখিত দেউতা," দেভিয়ে কৈছিল।

"মোৰ অন্তৰৰ কথা তোমাক যদি জনাব পাৰিলোহেঁতেন দেউতা।"

"আজি ৰাতি সেইবোৰ জানিবৰ বাবে ইতিমধ্যে যথেষ্ট পলম হৈ গৈছে দেভি। কাইলৈ দেওবাৰ, সোনকালে গিৰ্জালৈ যাব লাগিব। গতিকে শুবলৈ লাগিল। গুড্ নাইট্।"

দেউতা ওপৰ কোঠালৈ যোৱাৰ পিছত মায়ে দেভিৰ পিনে চাই কৈছিল, "পাছে দেভি ."

"ঠিক আছে মা। সকলো ঠিক হৈ যাব।"

"ভাল কথা। শোৱাৰ আগতে তোৰ এই লেতেৰা কামিজটো খুলি পেলাবি। আৰু গুইলাম, অৱেন তহঁতেও তাকে কৰিবি।"

আটাই কেইজনে কৈছিল, "বাৰু মা।"

"আৰু শুন, খোৱা মেজত বহি কথা পাতিব নোৱাৰ। মই তহঁতৰ হোটেলবৰ্থীয়া যেতিয়া মোৰ আদেশ তহঁতে মানিব লাগিব।

"পাছে মা, এইবোৰ কথা এতিয়া এৰা", এই বুলি, মোৰ বিশ্বাস, দেভিয়ে মাক চুমা দিছিল। "ময়ো বাতিপুৱাতে গির্জালৈ যাব লাগিব। গুড্ নাইট।"

"গুড্ নাইট। পাছে দেভি, তোৰ মোজাবোৰৰ যেখোন অৱস্থা নোহোৱা হৈছে।"

গুইলামে তেতিয়া কৈছিল, "অৱেনৰ জোতাৰ অৱস্থা আগতে চোৱাচোন মা।"

"এই চুপ থাক বুলিছোঁ," অৱেনে গুইলামক ধমক দিছিল।

সেইদিনা শুবলৈ যাবৰ পৰত মাৰ আনন্দ দেখি মোৰো খুব ভাল লাগিছিল।

৬

এইবোৰ ঘটনাৰ পিছত কিছুদিনৰ বাবে আমাৰ ঘৰখন শান্তিত আছিল। সেই সময়ত অৱশ্যে মই নিচেই সৰু আছিলো, গতিকে গোটেইবোৰ কথা মই নেজানিছিলো। যিখিনি মই নিজে দেখিছিলো আৰু শুনিছিলো সেইবোৰ মোৰ মনত আছে, আৰু সেইবাবেই, এতিয়া ভাব হয় সেই সময়ত চকু-কাণ আৰু সজাগ ৰাখিলোহেঁতেন যদি। কিন্তু এইটো কথাও ঠিক যে অইনৰ কথা শুনি ফুৰা আৰু আৰ-তাক ই কথা সি কথা লগাই ফুৰা সৰু ল'ৰাৰ দৰে বেয়া বস্তু সংসাৰত নাই। ঈশ্বৰক ধন্যবাদ যে মই সৰু কালত তেনেকুৱা নাছিলো।

আগৰ দৰেই আমাৰ পৰিয়ালৰ আটাইবোৰ থাবলৈ বহিছিল হয়, কিন্তু গোটেই কোঠাটোতে কিবা এটা বেলেগ ভাব বিৰাজ কৰিছিল। আনকি, কোনোবা দিনা, ব্ৰনৱেন আহিলেও আগৰ সেই আনন্দময় দিনবোৰ কোনোমতেই ফিৰি নাহিছিল। আমাৰ মনৰ কথা খুলি ক'বলৈ আমি প্ৰত্যেকেই যেন কিবা ভয় কৰিছিলো। বোধহয়, আমি কোৱা কথাই কিবা অশান্তি মাতি আনে বুলি ভয় কৰিয়েই সকলোৱে তেনে কৰিছিল। আগৰ হাহি ধেমালিৰ ঠাইত আমাৰ খোৱা-মেজত ধৰ্ম বক্তৃতা শুনা পৰৰ নীৰৱতা বিৰাজ কৰিছিল।

দেভি আৰু তাৰ লগে লগে অইনকিজন দাদা তেতিয়াও পাহাৰলৈ অহা-যোৱা কৰিছিল। সিহঁতে তেতিয়া এইটো কৰিছিল খোলাখুলি ভাৱে আগফালৰ দুৱাৰেদি, মনে মনে পাছফালৰ খিৰকীৰে নহয়। সেই সময়ত দেভিয়ে অইন অইন উপত্যকাৰ মানুহৰ লগত একমত হৈ সকলোৱে মিলি এখন ইউনিয়ন পতাৰ চেষ্টা চলাইছিল, যাতে এটা খনিত ধৰ্মঘট আৰম্ভ হ'লে অইন অইন খনিৰ মানুহবোৰেও ধৰ্মঘট কৰি খনিৰ মালিকক জুকলা কৰিব পাৰে।

কেইবা সপ্তাহ জুৰি চেষ্টা কৰাৰ পিছত দেভি ভাৰ কামত সফল হ'ল। লগে লগে দুই একুৰাৰ নিচিনাকৈ গোটেই অঞ্চল জুৰি দেভিইতৰ 'ইউনিয়ন' স্থাপন হ'ল। ডেকা ল'ৰাবোৰ আটায়ে ইউনিয়নৰ অন্তৰ্ভুক্ত হ'ল। বয়সস্থ-সকল কিন্তু তেতিয়াও আঁতৰি থাকিল।

দেভিয়ে কেইবা ঘণ্টা ধৰি দেউতাৰ লগত তৰ্ক কৰিলে, কিন্তু অৱশেষত হতাশ হৈ সি এৰিবলগীয়া হ'ল। দেভিয়ে ভালকৈ জানিছিল যে দেউতাকক এবাৰ মান্তি কৰাব পাৰিলেই বয়সস্থসকলৰ বেছভাগেই ইউনিয়নত যোগ দিবহি, আৰু সেয়েহে সি দেউতাকৰ পাছত ইমানকৈ লাগিছিল।

"সেইটো নহ'ব, দেভি", দেউতাই এদিনাখন বাতি কৈছিল। "মই কোনোমতেই তহঁতৰ লগ নালাগোঁ। মই এজন মানুহ; মোৰ নিজৰ সমস্যাবোৰৰ বাবে মই নিজ পন্থাৰে যুঁজিম। অইনৰ সহায় মোক নেলাগে।"

"কিন্তু দেউতা, যোৱাবাৰৰ ধৰ্মঘটৰ সময়ত তুমিয়েতো আমাৰ প্ৰতিনিধি আছিলা। তেতিয়া আৰু এতিয়াৰ মাজত পাৰ্থক্যনো কিটো?"

"বহুতো পাৰ্থক্য দেভি। তেতিয়া আমি কি বিচাৰিছিলোঁ তাক নিজে ভালকৈ জানিছিলো আৰু অইনকো ভালকৈ দেখুৱাই দিব পাৰিছিলোঁ। সেই সময়ৰ অভাৱ-অভিযোগবোৰ আমাৰ সকলোৰে আছিল আৰু প্ৰতিনিধিত্ব কৰিবলৈ মোক অইনবোৰেইতো পঠিয়াইছিল।"

"এতিয়াওতো আমি তাকেই কৰিব খোজোঁ। সৰ্বসম্মতিক্ৰমে আমি আমাৰ দাবী জনাব বিচাৰোঁ।"

দেউতাই উত্তৰ দিছিল, "মস্কিলতো সেইখিনিতেই। মাথোন কেতবোৰ ডেকা ল'ৰা একগোট হৈ অমুক লাগে তমুক লাগে বুলি চিঞৰ-বাখৰখন কৰা। তহঁতে অৱশ্যে তাকে দাবী বুলি কৱ। মই পাছে যি কোনো ধৰণৰ দাবীৰ বিৰুদ্ধে। দাবীৰ সতে যুক্তি নচলে, আৰু যুক্তি য'ত নাই তাতে জ্ঞান-বুদ্ধিও নাই। সকলোৰে মত থকাৰ বিষয়ে কিবা এটা মস্ত ডাঙৰ শব্দ এতিয়াই কৈছিলি নহয়? কি আছিল শব্দটো?"

"সৰ্বসম্মতিক্ৰমে।"

"সৰ্বসম্মতিক্ৰমে।" শব্দটো সাৱধানে উচ্চাৰণ কৰি দেউতাই কৈছিল, "ভাল শব্দ বাছি লৈছ তহঁতে। ই ইয়াকে বুজায় যে তহঁত মূৰ্খ বান্দৰ কিছুমানৰ দল এটা, নিজা চিন্তাশক্তি বুলি তহঁতৰ একো নাই।

এনেকুৱাবোৰৰ লগত বিয়ে কথা কয় তাৰ মগজত একো নাই, মাথোন আছে এগজ দীঘল জিভা এখন। এনেকুৱা মানুহ মই বহুত দেখি থৈছোঁ।"

"মই লাগিলে তেনেকুৱাবোৰে এজন হ'ম", দেভিয়ে কৈছিল।

"আচৰিত কথা! যিয়েই নহওক, মই কিন্তু তেনেবোৰৰ এজন মৰিলেও নহওঁ।"

"এনে এটা দিন আহিবই যিদিনা তুমি আমাৰ লগ লাগিবই লাগিব, দেউতা।"

"দেভি, তেনে দিন আহেই যদি মই বাৰু তেতিয়া আকৌ ভাবি চাম", দেউতাই কৈছিল।

ভবিষ্যতৰ আইভৰ কিন্তু দেউতাৰ ফলীয়া আছিল। দেভিয়ে কোনো মতেই আইভৰক প্ৰভাৱ নোৱাৰিলে আৰু ইয়াৰ ফলতেই সিহঁত দুটাৰ মাজত মনোমালিন্য আৰম্ভ হ'ল। দেভিয়ে আনকি ভ্ৰনৱেনৰ সত্বেও কথা-বতৰা বন্ধ কৰিলে।

যিয়েই নহওক, অন্ততঃ কিছু দিনৰ বাবে হ'লেও আমি আকৌ সুখী পৰিয়াল এটি হৈ পৰিছিলো। দেউতাই নিজকে খৰচ-পাতি দি ঘৰখনত থকা থাকিবা মানুহ এজন বুলি ভাবি লৈছিল। আনহাতে আকৌ দাদাইঁতে দেউতাক পুনৰ দেউতা বুলি ভবাবলৈ সকলো প্ৰকাৰে চেষ্টা চলাইছিল আৰু মায়ে মাথোন বিচাৰিছিল সকলোৱে মিলি-জুলি একগোট হৈ যেন শান্তিত থাকে।

খনিৰ মালিকসকলে নিশ্চয় জানিছিল যে দেউতা ইউনিয়ন গঢ়া আন্দোলনৰ বিৰোধী। আৰু সেইবাবেই বোধহয় আগৰ চুপাৰিণ্টেণ্ডেণ্ট মিষ্টাৰ বীজৰ মৃত্যুৰ পিছত তেওঁলোকে দেউতাক সেই কামটো দিবলৈ ওলাল আৰু দেউতায়ো কামটো ললে। চুপাৰিণ্টেণ্ডেণ্ট হোৱাত দেউতা হ'ল খনিৰ মেনেজাৰৰ ঠিক তলতে। তেওঁৰ দৰমহাও যথেষ্ট বাঢ়ি গ'ল আৰু গাঁওখনৰ ভিতৰত তেওঁ আটাইতকৈ লেখত লবলগীয়া মানুহবোৰৰ এজন হৈ পৰিল।

কিন্তু লগে লগে অইন মানুহবোৰে ভাবিবলৈ ধৰিলে যে দেউতাই হয়তো খনিৰ মালিকসকলৰ লগত হাত মিলাই তেওঁলোকৰ ফলীয়া হৈছে। দেভিৰ লগত হোৱা মনোমালিন্যতকৈ এইবোৰ কথাই দেউতাক বেছি দুখ দিছিল।

কোনোবাই তেওঁক বিশ্বাসঘাতক বুলি ভাবে—এই কথা চিন্তা কৰিয়েইকো তেওঁ ঘৃণাবোধ কৰিছিল। এই বিষয়ে তেওঁ কৰিবলগীয়াও একো নাছিল, কাৰণ কথাবোৰ খোলা-খুলিকৈ কোনেও কোৱা নাছিল।

দেউতাই এই বিষয়ে প্ৰায়েই ৰাতি মাক কৈছিল আৰু মই সেই কথা-বতৰাৰ সকলো শুনিবলৈ পাইছিলো। দেউতাক পুনৰ সুখী কৰি তুলিবলৈ মা সদায় প্ৰস্তুত আছিল। কিন্তু সেই সময়ত দেউতাই মাৰপৰা সান্ত্বনা বিচৰা নাছিল। দেউতাই সান্ত্বনা বিচাৰিছিল মানুহবোৰৰপৰা। কিন্তু সেইলোকক চুকি পোৱাটো তেতিয়া দেউতাৰ পক্ষে সহজ নাছিল, কাৰণ আগৰ দৰে মানুহবোৰ আজিকালি দেউতাৰ ওচৰলৈ নাহিছিল। খনিৰ উচ্চ পদস্থ বিষয়াসকলৰ নাম থকা বোৰ্ডখনত তেওঁৰ নামটোও লগোৱা দিনৰেপৰা তেওঁৰ প্ৰতি মানুহবোৰৰ ব্যৱহাৰৰ পৰিৱৰ্তন তেওঁ ভালকৈয়ে লক্ষ্য কৰিছিল।

প্ৰথম কেইদিনমান মানুহবোৰে তেওঁৰ কাষেদি যাওঁতে কোনো সম্ভাষণ বা শুভেচ্ছা জনোৱা নাছিল, মাথোন অনিচ্ছা সত্ত্বেও, যেন এক প্ৰকাৰ জোৰকৈ, টুপীবোৰ হাতেৰে চুইছিল। এদিন দুদিনকৈ যেতিয়া একসপ্তাহ পাৰ হৈ গ'ল আৰু তথাপিও মানুহবোৰে মাথোন কামৰ বাহিৰে তেওঁৰ স'তে আৰু একো কথা নেপাতিলে, তেতিয়া তেওঁ ভালকৈয়ে বুজিলে যে তেওঁক মানুহবোৰে অবিশ্বাসৰ চকুৰে চাবলৈ ধৰিছে। চুপাৰিণ্টেণ্ডেণ্ট হোৱাটো যেন তেওঁৰ দোষ।

আইভৰৰ কথালৈ কোনেও কাণ নকৰা দেখি এদিন মায়ে নিজে দেউতাক এই বিষয়ে সুধিলে—

"দেখি, দেউতাৰক লৈ এইবোৰ কি হ'ব ধৰিছে?"

"চোৱা মা", মায়ে কিহৰ বিষয় কৈছে সেইটো তৎক্ষণাত বুজি লৈ দেউতায়ে কৈছিল, "কথাটো এই। দেউতাক মোৰ দেউতা বুলি জনা সত্ত্বেও খনিৰ মালিকসকলে তেওঁক চুপাৰিণ্টেণ্ডেণ্ট পতাটো সঁচাকৈয়ে বৰ আচৰিত।"

"কিহৰ আচৰিতনো?" মায়ে সুধিছিল।

"মই তেওঁৰ ল'ৰা আৰু একেটা ঘৰতে আমি থাকোঁ। খনিৰ মালিকসকলৰ মনত মই আন্দোলনৰ নেতা আৰু সকলোৱে জানে যে দেউতা মোৰ বিৰুদ্ধে। টম্‌দেভিচ্ বা বিচ হাৱেলচক নাপাতি দেউতাক চুপাৰিণ্টেণ্ডেণ্ট পতাৰ কি মানে হ'ব পাৰে? তেওঁলোক দুয়ো খনিৰ চাকৰিয়াল হিচাপে দেউতাতকৈ

মেছি দিনব। অৱশ্যে দেউতাতকৈ তেওঁলোকে কামটো যে ভালকৈ চলাব নোৱাৰিলেহেঁতেন সেইটোও সঁচা। দেউতাক পদোন্নতি দিয়া হৈছে মাথোন মোক আৰু মোৰ সগৰীয়াবোৰক উপলুড়া কৰিবলৈ।"

"কিনো আগ-গুৰি নোহোৱা কথাবোৰ কৈছ", হাতৰ কাঁহীখন মেজৰ ওপৰত থেকেচা মাৰি থৈ মায়ে কৈছিল। "তইত কেঁচুৱা ন'হাৰ হবে। দেউতাৰে সদায় ভাল কামটোকে কৰি আহিছে। তইত যদি দেউতাৰৰ নিচিনা হৈ উঠ, তেন্তে ঈশ্বৰে তইতক হাঁহিব। তোৰ সগৰ মূৰ্খবোৰক তই কৈ দিবি— দেউতাৰ আগতে তইতৰ ফলীয়া বিমানখিনি আছিল এতিয়াও সিমানেই আছে। এবাৰ সুযোগ পালে দেউতাৰে নিজেই সেইটো প্ৰমাণ কৰি দিব নহয়।"

"মানুহবোৰে হয়তো তেতিয়া'ল বৈ নাথাকিব মা। সিহঁতক এতিয়া বুজাবলৈ যোৱাটো নিষ্ফল। আৰু মা, তুমি আইভৰক কৈ দিবা সি যদি যি পায় তাকে কৈ ফুৰে তাৰ জীৱনলৈ টনাটনি হ'ব। সি মুখ বন্ধ কৰাই ভাল, নহ'লে হয়তো তাৰ মুখ চিৰদিনৰ বাবে বন্ধ কৰি দিয়া হ'ব।"

"দেভিদ্ মৰ্গান", মা'ৰ চিঞৰি উঠিছিল। "তই তোৰ দাদাৰক লৈ এনেবোৰ কথা ক'ব পাৰিলি। মই তোৰপৰা এনে কথা শুনিব লাগিব বুলি ভবা নাছিলো। শুন, আইভৰৰ যদি কিবা অনিষ্ট হয়, তেন্তে মৰাৰ আগলৈকে তোক মই শাও দিম।"

"মা, মা", এইবুলি দেভিয়ে মাক সাৱটি ধৰিবলৈ ওলাইছিল কিন্তু মায়ে তাক হাতেৰে ঠেলি আঁতৰাই পঠিয়াইছিল। "মইতো আইভৰৰ বিৰুদ্ধে একো কোৱা নাছিলো। মই মাথোন সাৱধান হে কৰি দিছিলো। মানুহবোৰ এতিয়া যি কোনো বিপজ্জনক কাম কৰিব পৰা অৱস্থাত আছে।"

অৱেনে তেনেতে মাত দিছিল, "দেভিয়ে মানুহবোৰক সতৰ্ক কৰি নিদিলে ইমান দিনে দেউতা আৰু আইভৰ দুয়োকে সিহঁতে সাঁকোৰ ওপৰৰপৰা তললৈ পেলাই দিলেহেঁতেন।"

কথাবাৰ শুনি মা থৰহৈ গৈছিল।

"ইমান দূৰ পাইছেগৈ নেকি? ভঙা ভঙা মাতেৰে মায়ে সুধিছিল। "মইতো ইমানপৰে তইতে এনেয়ে বৈ থকা বুলি ভাবি আছিলো।"

মাক চুমা খাই দেউতায়ে কৈছিল, "নহয় মা, অৱশ্যে সঁচাকৈয়ে যোৱা। মানুহবোৰে যি বিচাৰিছে সেইটো এইবাৰ সিহঁতে আদায় কৰি লবই। আৰু তাত যদি কোনোবাই বাধা দিয়ে তেন্তে সিহঁতে এই বাধা আঁতৰাই পেলাব—লাগে বাধা দিওঁতাজন মোৰ দেউতাই হওঁক। দেউতাৰ ঠাইত অইন এজন চুপাৰিন্টেণ্ডেন্ট লব লাগে বুলি ধৰ্মঘট কৰাৰ কথা ইতিমধ্যে চলিব ধৰিছে।

"তই জানো এইটো হ'বলৈ দিবি ?"

"কুৰি হাজাৰ মানুহৰ বিৰুদ্ধে মই এজন কোন কুটা ?

"কুৰি হাজাৰ ?" মা অৱাক হৈ গৈছিল। কুৰি হাজাৰনো কিমান হ'ব পাৰে সেই কথা ভাবি মাৰ জলক-তবক লাগিছিল।

"কুৰি হাজাৰ মা। হয়তো এই মাহৰ শেষৰ ফালে একলাখো হ'ব পাৰে।"

জুইকুৰাৰ কাষৰ চকীখনত বহি পৰি মায়ে কৈছিল, 'দেউতা এইবোৰৰ শেষ ক'ত বাৰু ?"

"ইয়াৰ শেষ নাই মা", একেথৰে মাৰ পিনে চাই থাকি দেউতায়ে কৈছিল। "মাথোন আৰম্ভণি।" তাৰ পিছত বেৰৰ ঘড়ীটোৰ পিনে চাই সি কৈছিল, "আমাৰ পলম হ'ব। মা, দেউতা আৰু আইতাৰ যাতে একো অনিষ্ট নহয় তাৰবাবে মোৰ ফালৰপৰা মই সকলো চেষ্টাই কৰিম। অকল এইখিনি প্ৰতিশ্ৰুতি মই তোমাক দিব পাৰোঁ।"

দেউতায়ে মাৰ কপালত চুমা খালে আৰু অইন দাদাইতক যাবলৈ সাজু হোৱাৰ ইঙ্গিত দিলে। সিহঁত ওলাই যোৱাৰ পিছত মায়ে মোৰ পিনে চাই থাকি ক'লে,—

"হিউ, দেউতাৰক এই বিষয়ে একো নক'বি কিন্তু।"

"নকওঁ মা।"

"চাওঁ ইয়ালৈ আহ।" মায়ে মোক মাতিছিল আৰু মই উঠি গৈছিলো। "আজি ৰাতি মানুহবোৰ ক'ত গোট খাব তই জাননে ?"

"জানো মা, পাহাৰৰ ওপৰৰ পথাৰখনত।"

"অ' তাতহে নেকি ? চা হিউ, দেউতাৰ আজি ৰাতিটুপৰলৈ ঘৰত থাকিব। তই মোক তালৈ লৈ যাবি। কাকো নক'বি, বুজিছ।"

"বাৰু মা।" মাৰ মুখখন দেখি মোৰ খুব বেয়া লাগিছিল।

“বাৰু, আংগাৰাদ আৰু কেবিদৰেন এতিয়াই আহি পাবহি। সিহঁতকো একো নক'বি কিন্তু।”

মই বিচনাত পৰাৰ এঘণ্টামান পিছত বাইৰেউইত শুবলৈ গ'ল। সিহঁত যোৱাৰ লগে লগে মায়ে আলমাৰীটো খুলি তেওঁৰ গাত লোৱা কাপোৰখন আৰু টুপীটো উলিওৱা মই গম পাইছিলো। কাগজৰ টোপোলাবপৰা সেইবোৰ উলিয়াওতে খৰমৰাই উঠিছিল।

ইয়াৰ পিছত মা মোৰ বিচনাৰ কাষলৈ আহি ফুচ্ফুচাই কৈছিল—

“হিউ, টোপনি গ'লি নেকি ?”

“নাই মা।”

“এই ঠাণ্ডাত তোক বিচনাৰপৰা উলিয়াই নিয়াটো বেয়া হব”, কান্দো কান্দোকৈ মায়ে কৈছিল। “তই শুই থাক। মই নিজেই ওলাবগৈ পাৰিম।”

“উহো মা, তুমি নোৱাৰিবা। ক'ৰবাত নৈত পৰিবাগৈ।”

“ও, ময়ো এই কথাকেই ভাবিছিলো। ঘৰখনত মই ইমান দিন সোমাই আছো যে গিৰ্জালৈকো হয়তো মই অকলে যাব নোৱাৰিম।”

“মই কাপোৰযোৰ পিন্ধি লওঁ ৰবা। মই এতিয়াই তোমাক তালৈ লৈ যাম নহয়।”

“ব'ল তেন্তে।”

পাছফালৰ দুৱাৰেদি ওলাই আমি পাছফালৰ গলিটোৰে গৈ দাই এলিছৰ ঘোঁৰাশালৰ ওচৰ ওলালোগৈ আৰু কাঠৰ সাঁকোখনেৰে নৈখন পাৰ হ'লো।

নৈখন ৰবফেৰে প্ৰায় ঢাক খাই আছিল। শীতকালৰ শেষভাগ তেতিয়া, —কিন্তু জাৰ হ'লে তেতিয়াও কমা নাছিল আৰু তুষাৰপাতো সঘনে হৈ আছিল।

কাঠৰ সাঁকোখন পাৰ হ'ব ধৰোঁতে মায়ে কৈছিল, “চাবি হিউ, সাৱধানে আহিবি। তই ইমান সৰু, কাঠবোৰৰ মাজেদিয়েই সৰকি তললৈ পৰিবিগৈ।”

মায়ে তেওঁৰ আলোৱানখনৰ তলতে মোক সুমুৱাই লৈছিল—মোৰ গোটেই গাটো ঢাকি। মাথোন বাটটো চাবলৈ মোৰ মুখখন খোলা আছিল।

মা কিয় তালৈ যাব ওলাইছিল সেই বিষয়ে মই একো ভবা নাছিলো। এই বিষয়ে চিন্তা কৰাৰ কথা মোৰ মনত নপৰে। মাৰ গাৰ উম মই অনুভৱ কৰিছিলো আৰু মাজে মাজে খুব লাহে লাহে মায়ে মোৰ স'তে কথা পাতিছিল।

ওপৰলৈ উঠোঁতে আমি ভীষণ আন্ধাৰৰ সন্মুখীন হ'লো, কাৰণ এইফালে গছ-গছনি বেছি আছিল। বাটটো মই এই বাবেই চিনি পাইছিলো যে কাষত গজা ঘাঁহবোৰতকৈ বাটটো বেছি ক'লা দেখা গৈছিল।

মা ভাগৰি পৰি ঘনাই বাটত থিয় দি ৰৈছিল, কিন্তু অলপ বৈয়েই আকৌ পাহাৰ বগাবলৈ আৰম্ভ কৰিছিল। এবাৰ ঘাম বুলি ওলাইছে বেছিয়া; যাক এতিয়া বাধা দিওঁতা কোনো নাই। গছবোৰৰ মাজৰপৰা ওলাই মুকলি ঠাই পাওঁতে বৰষুণৰ দৰে সৰিপৰা গুড়ি গুড়ি বৰফৰ টুকুৰাই আমাক তিয়াই পেলালে। মায়ে কিন্তু তথাপি একো নক'লে, মাথোন মোক আক জোৰেৰে সাৱটি থাকিল। অলপ পিছতে বৰফৰ গুড়িবোৰ অতি ঘন হৈ পৰিবলৈ ধৰিলে আৰু বাট-পথ একোকে মনিব নোৱাৰা হ'লো। কিন্তু বাটটো মোৰ একপ্ৰকাৰ মুখস্থ আছিল আৰু সেই বাবেই আমি অকণো নৰৈ আগবাঢ়ি গৈ থাকিলো।

পাহাৰ বগাই বগাই আমি উঠি গৈছিলো। মা কিন্তু ইতিমধ্যে ভাগৰি পৰিছিল। তেওঁ মোৰ গাত ধৰি আউজি ভাগৰ পাতলাবৰ চেষ্টা কৰিছিল। মাক তেনেদৰে সহায় কৰি বাট দেখুৱাই নিবলৈ পাই মোৰ কিন্তু খুব গৰ্ব হৈছিল।

সন্তালৈ অহা ম'হুহবোৰে জলোৱা ডাঙৰ বঙা যুলৰ দৰে জুইবোৰ হঠাতে দেখি মোৰ সেই ৰাতি কেনে লাগিছিল তুমি নিশ্চয় সহজে বুজিব পাৰিবা।

"চোৱা মা, সোৱা। আমি ঠিকেই আহি পাইছোঁ।"

"ওঁ, একেবাৰে ঠিক আহিছ তই। এতিয়া খুব লাহে লাহে ব'ল।"

আমি জুইবোৰৰ আটাইতকৈ ডাঙৰ জুই দুকুৰাৰ পিনে আগুৱাবলৈ ধৰিলো আৰু ওচৰ গৈ পাই দেখিলো জুই দুকুৰা ডাঙৰ শিলটোৰ ওপৰত ধৰা হৈছে। ওচৰে-পাজৰে মাটিৰ ওপৰতো জুই ধৰা হৈছিল আৰু মাহুহবোৰে জুইৰ কেউকাষে জুমবান্ধি থিয় দি আছিল।

শিলটোৰ এমূৰত থিয় দি কোনোবা এজনে বক্তৃতা দি আছিল, দেখি নহয় কিন্তু। আমি সেইখিনি গৈ পোৱাৰ লগে লগে মাহুহজনে বক্তৃতা শেষ কৰিলে।

মায়ে হঠাতে মোক ক'লে, "চাওঁ, মোক শিলটোৰ ওপৰলৈকে তুমি যেনেকৈ সোনকালে কৰ।"

ইয়াতকৈ বেছি আচৰিত মই আজিলৈ হোৱা নাই। মাই ইতিমধ্যে চুঁচৰি শিলটো বগাই উঠিবলৈ চেষ্টা কৰিছিল, গাৰ আলোৱানখন বৰফেৰে

ভিৰি থকা শিলটোত লুতুৰি-পুতুৰি হৈছিল। অলপ অলপকৈ মায়ে শিলটোৰ ওপৰ পালেগৈ আৰু সেইখিনিতে এবাৰ মোলৈ ঘূৰি চালে।

হাত দুখন মুখৰ ওচৰলৈ নি মায়ে ওপৰৰপৰা চিঞৰি মোক কৈছিল, "হিউ, তই তাতে বৈ থাক"।

"থাক মা", মই চিঞৰি উত্তৰ দিছিলো। ইয়াৰ পিছত মা শিলটোৰ বক্তৃতা দিয়া ঠাইডোখৰলৈ সাৱধানে আগুৱাই গৈছিল।

শিলটোৰ ওপৰত মাক থিয় দি থকা দেখা মাত্ৰকে সভাৰ মানুহবোৰ স্তব্ধ হৈ গৈছিল। অৱশ্যে মানুহবোৰে বুজিব নোৱাৰিলে থিয় হৈ থকা গৰাকী কোন। শিলটোৰ একেবাৰে ওচৰত থকাবোৰে গম পালে যে তেওঁলোকৰ সম্মুখত থিয় দিয়া গৰাকী কোনোবা তিৰোতা। এই কথাটো চিঞৰি সভাৰ অইন মানুহক জনালে। বৰফৰপৰা নিজকে বচাবলৈ মায়ে প্ৰায় গোটেই মুখখন আলোৱানখনেৰে ঢাকি থৈছিল।

মায়ে কিনো কৰে চাবলৈ বুলি মই সিফালেদি ঘূৰি শিলটোৰ সম্মুখলৈ আহোঁ মানে তেওঁ আলোৱান খুলি কথা ক'বলৈ আৰম্ভ কৰি দিছিল। শিলৰ ওপৰত থিয় দি থকা গৰাকীনো কোন চাবলৈ বুলি কেতবোৰ মানুহ আগুৱাই আহিবলৈ ধৰিছিল, কিন্তু মায়ে কথা ক'বলৈ আৰম্ভ কৰা মাত্ৰকে যিয়ে যি ঠাইতে আছিল তাতে বৈ গৈছিল।

"মই বেথ মৰ্গান্", মায়ে যি কোনো মতা মানুহৰ দৰে গভীৰ উদাত্ত মাতেৰে কৈছিল। "মই তোমালোকৰ বিষয়ে কি ভাবোঁ তাকে ক'বলৈ আজি "ইয়ালৈ আহিছোঁ, কাৰণ, মই শুনিবলৈ পাইছোঁ যে তোমালোকে মোৰ গিৰিহঁতৰ বিৰুদ্ধে বহুতো বেয়া কথা কৈছা। দুটা বস্তু মই আটাইতকৈ ঘিণ কৰোঁ—এটা হ'ল লুকাই অইনৰ বদনাম কৰা মানুহ আৰু আনটো হ'ল ওকণি। গতিকে, তোমালোকে সহজে বুজিব পাৰিবা মই তোমালোকৰ বিষয়ে কি ভাবোঁ।"

মা অলপ সময়ৰ বাবে ৰ'ল। সেই সময়খিনিত কিন্তু জুইঁত জলিব ধৰা খৰি-বোৰৰ ফট্‌ফটনি আৰু বৰফৰপৰা মৃদু শব্দৰ বাহিৰে অইন কোনো শব্দ শুনা নগ'ল।

মায়ে পুনৰ আৰম্ভ কৰিছিল, "মোৰ গিৰিহঁতৰ বদনাম কৰি তোমালোকে মাথোন নিজকে কাপুৰুষ প্ৰমাণ কৰিছা। তেওঁ তোমালোকৰ বিৰুদ্ধে একো কৰা নাই আৰু কেতিয়াও নকৰেও। এই কথা তোমালোকে নিজে

ভালকৈ জানা । যেওঁ এতিয়া খনিৰ চুপাৰিণ্টেণ্ডেণ্ট্ এই বাবেই যে ভালকৈ কাম কৰিলে মানুহে তাৰ বাবে পুৰস্কাৰ পাবই। তেওঁ সেইবাবেই পাইছে। এইবাবে তোমালোকে তেওঁক খনিৰ মালিকসকলৰ ফলীয়া হোৱা বুলি ভবাটো অকল মিছাই নহয়, নীচতাও। এইবোৰ সত্ত্বেও তোমালোকৰ কেতবোৰে কেনেকৈ তেওঁৰ স'তে একে গীৰ্জাত বহিবলৈ সাহ কৰে মই ভাবি নেপাওঁ। মই আৰু এটা কথা তোমালোকক কম। গুইলামৰ যদি কিবা অপকাৰ কৰা হয় তেন্তে সেই মানুহকেইজন মই বাছি উলিয়াম আৰু নিজ হাতেৰে সিহঁতক হত্যা কৰিম। মহান ঈশ্বৰক শপত কৰি এই কথা কৈ থলো। ইয়াৰ বাবে মই নৰকলৈকো যাব নালাগিব কাৰণ ওকণি কিছুমানক মাৰিলে কোনেও নৰকলৈ নাযায়।”

“মা”, দেভিয়ে তেনেতে পাছফালৰপৰা মাত দিছিল।

মায়ে পাছলৈ ঘূৰি চাইছিল।

“এইবোৰৰ লগত আছ যেতিয়া মই তোৰ মাৰ নহওঁ। তয়ো সিহঁতৰ দৰে ওকণি হৈ পৰিছ। আৰু শুন, দেউতাৰৰ যদি কিবা অনিষ্ট হয়, তেন্তে তোৰ ওপৰতে মই প্ৰথমে প্ৰতিশোধ লম।”

আন্ধাৰৰ মাজৰপৰা দেভিয়ে মাকক সহায় কৰিবলৈ আগুৱাই আহিছিল, কিন্তু ইতিমধ্যে মায়ে শিলটোৰপৰা নামিবলৈ আৰম্ভ কৰি দিছিল; মাক নমাত সহায় কৰিবলৈ মই লৰি গৈছিলো। দেভিয়ে কিন্তু নীৰৱে শিলটোৰ ওপৰৰপৰা চাই আছিল। সভাৰ মানুহবোৰৰ পৰা গুনগুনাই কথা পতাৰ বাহিৰে অইন একো শুনা যোৱা নাছিল। শিলটোৰপৰা নামি আহোঁতে মায়ে কান্দিছিল।

কিন্তু মায়ে কন্দা বুলি মই গম পাইছিলো সভা এৰি আমি অলপ দূৰ অহাৰ পিছতহে।

“মা, তুমি জানো সঁচাকৈয়ে মানুহ মাৰিবা?” মই সুধিছিলো।

“মাৰিম, হিউ।”

“কিন্তু দেউতাই দেখোন কৈছিল বাইবেলত হেনো কৈছে মানুহে মানুহক হত্যা কৰিব নাপায়?”

“বাইবেলত কি লিখা আছে আৰু তাৰ বাহিৰত কি ঘটে তাৰ মাজত পাৰ্থক্য আছে। সিহঁতে দেউতাৰাৰ কিবা অনিষ্ট কৰিলে মই সিহঁতক নেৰোঁ। পাছে এতিয়া মনে মনে থাক। জাৰ লাগিছে নেকি?”

"নাই লগা। ভৰি দুখনহে আৰত ঠেঁৰেঙা লাগিছে।"

হঠাতে থমকি বৈ মায়ে কৈছিল, "আহ তেন্তে, মযে তোক দাঙি নিও।"

"নাই মা, নেলাগে।" মোৰ চিঞৰি দিবৰ মন গৈছিল। "মই নিজেই যাব পাৰিম নহয়।"

"তই নেলাগে বুলিছ যেতিয়া তোক আৰু কোনোবাই বুজাব পাৰিবনে? বল তেন্তে। ভালকৈ যাবি কিন্তু। মই যে একোকে দেখা নাই।"

হঠাতে সাঁকোখন পাবৰ ঠিক আগতে মই পানীৰ ডোঙা এটাত পৰি গ'লো। মোক তুলিবলৈ চেষ্টা কৰিবলৈ আহি মাও মোৰ ওপৰত পৰিলহি। মই তললৈ মুখ কৰি পৰি আছিলো। মায়ে যিমানে মোক তুলিবলৈ চেষ্টা কৰিলে মই সিমানে তললৈহে যাব ধৰিলো। মোৰ উশাহ বন্ধ হৈ আহিল। সেইখিনিতে বোধহয় মই সংজ্ঞা হেৰুৱালো? কাৰণ সাৰ পোৱাৰ পাছত গম পাইছিলো যে মই মাৰ কোলাত শুই আছোঁ আৰু মা ডোঙাটোৰ পাৰতে লুতুৰি-পুতুৰি হৈ বহি মোৰ মুখলৈ চাই আছে।

"হিউ",

"কি মা?" মোৰ কান্দোন আহিছিল, কিন্তু কোনোমতে নকন্দাকৈ ক'লো।

"দুখ পালি নেকি?"

"নাই পোৱা, বৰ জাৰ লাগিছে কিন্তু।"

"বল তেন্তে।" এই বুলি মোক তুলিবলৈ চেষ্টা কৰোঁতে মা নিজেই পৰি গৈছিল।

মই নিজে থিয় দি উঠিলো, কিন্তু মোৰ মূৰটো ঘূৰাইছিল আৰু এই যেন বাগৰি পৰিম এনে লাগিছিল—আইভৰৰ বিয়াৰ দিনৰ সেই দৌৰ প্ৰতি-যোগিতাত যোগ দিয়াৰ পাছত যি অৱস্থা হৈছিল ঠিক তেনেকুৱা। মনৰ জোৰৰ সহায়তে মই উঠিব পাৰিলো, কাৰণ মই বুজিছিলো যেনেকৈ হওক মাক মই সহায় কৰিবই লাগিব। মাৰ ওচৰলৈ গৈ মই তেওঁৰ হাত এখনত ধৰিলোগৈ।

"উঠা মা।"

মায়ে থিয় দিব পাৰিলে। মাই আলোৱানখন গাত ঠিককৈ লয় মানে মই তেওঁৰ মাটিত পৰি থকা টুপীটো বিচাৰি আনিলো। এতিয়া সাঁকোখনৰ পিনে আমি খুব সাৱধানে আগুৱাব ধৰিলো, কিন্তু সাঁকোখন আহি পাওঁ মানে আমাক ৰবফৰ গুড়িবোৰ কচিয়াই অনা বতাহ এজাকে পালে। ৰবফৰ

গুড়িবোৰে আমাক এনেকৈ আগুৰিলে যে এ'কাকে নেদেখা হ'লো। শাঁকোখনৰ কাষৰ ৰেলিংখন এখন হাতেৰে ছুই ছুই মই আগুৱাই গ'লো। আনখন হাতেৰে মাক ধৰি থাকিলো।

কোনোমতে শাঁকোখন পাৰ হ'লো হয় কিন্তু এতিয়া ঘৰলৈ যোৱা বাটটো একেবাৰে নেদেখা হ'লো। হঠাতে মা মাটিত বাগৰি পৰিল। মোৰ ভয় লাগি গ'ল। মাৰ পিনে চালো—ৰৰফৰ গুড়িবোৰ মাৰ ওপৰত পৰিব ধৰিছে। মোৰ ভয় বাঢ়ি গ'ল। কি কৰোঁ। ভাবি নোপোৱা হ'লো। এতিয়া যদি দেউতাক মাতিবলৈ যাওঁ, আহি হয়তো মাক আৰু দেখা নাপাম। ইয়াতে যদি দুয়ো থিয় দি থাকোঁ তেন্তে হয়তো দুয়ো জাৰত ঠেৰেঙা লাগি মৰি থকিম। মাক ইয়াত থৈ দেউতাক যে মই এই আন্ধাৰত বিচাৰি উলিয়াবগৈ পাৰিম তাৰো কোনো আশা নাই।

এইবোৰ ভাবি থাকি মই মাৰ ওচৰত আঁঠুকাঢ়ি বহি ৰৰফৰ গুড়ি হাতেৰে জোকাৰি পেলাবলৈ আৰম্ভ কৰিলো। হঠাতে সভাত থকা দাদাইতৰ কথা মোৰ মনত পৰিল। সিইতো এতিয়াই আহিব। কিন্তু ইতিমধ্যে আমি বাট বিচাৰি শাঁকোখনৰপৰা আঁতৰি আহিছিলো। এতিয়া মাক শাঁকোখনৰ ওচৰলৈ দাঙি নিব লাগিব, তেতিয়াহে কাৰোবাক লগ পাম। এই কথাটো মনলৈ অহা মাত্রকে মই কাম আৰম্ভ কৰিলো।

কিন্তু মা মোৰ কাৰণে যথেষ্ট গধুৰ আছিল। মই চেষ্টা কৰি থাকিলো কিন্তু বাৰে বাৰে মাৰ হাত দুখন মোৰ কান্ধৰপৰা পিছলি গ'ল। মাকতো ভৰিত ধৰি চোচোঁৰাই নিব নোৱাৰি—কোনোবা ল'ৰা হোৱা হ'লে তাকে নিশ্চয় কৰিলোহেঁতেন, কিন্তু মাৰ ক্ষেত্রতটো নোৱাৰি। ইমান নিশকতীয়া হোৱা বাবে খণ্ডত মোৰ কান্দোন আহিল। মাৰ ওপৰত সৰি পৰিব ধৰা ৰৰফৰ গুড়িবোৰৰ ওপৰত মোৰ ঘৃণাৰ সীমা নোহোৱা হ'ল।

শেষত কোনোমতে মাৰ কঁকালত সাৱটি ধৰি ৰৰফৰ ওপৰেদি আঁঠুকাঢ়ি মাক মই শাঁকোখনৰ পিনে নিবলৈ ধৰিলো। শাঁকোখন গৈ নেপাওঁহে নেপাওঁ। মই এই গোটেইখিনি সময় ঈশ্বৰক খাটিছিলো যাতে ঈশ্বৰে মাৰ জীৱন ৰক্ষা কৰিবলৈ মোক শক্তি দিয়ে। ঈশ্বৰে মোক সহায় নিশ্চয় কৰিছিল, ন'হলেনো ইমান শক্তি মই সিদিনা ক'ত পালো।

... ...

মোৰ গাটো বেলিংখনত লগাতহে মই গম পাইছিলো যে আমি সাঁকোখন আহি পাইছোঁ। মাক এতিয়া মই বেলিঙৰ খুটা এটাত আউজাই বহুৱাই দিবলৈ চেষ্টা কৰিলো। কিন্তু মা একেবাৰে সংজ্ঞাহীন হৈ আছিল বাৰে বাৰে বাৰে বাগৰি পৰিল। ইতিমধ্যে মাৰ শৰীৰটো সাঁকোৰ একেবাৰে একাষৰত আহি পৰিছে, এই হয়তো মা তলৰ নৈখনত লুটি খাই পৰিব। মই মাক টানি সাঁকোৰ মাজলৈ আনিবলৈ চেষ্টা কৰিলো, কিন্তু মা ইমান গধুৰ আৰু মোৰ হাত দুখন ইমান দুৰ্বল যে মই তেওঁক সমূলি লবাব নোৱাৰিলো।

মই ভালকৈ বুজিলো যে মা এতিয়া নৈত পৰিবগৈ। এতিয়া তেওঁক বচাবলৈ এটা মাথোন উপায় আছে।

মই মাৰ ওপৰেদি বাগৰি গৈ নৈখনত পৰি মাৰ গাত হেঁচা মাৰি ধৰিলো। মই বুজিছিলো নৈখন সেই ঠাইত কঁকাললৈকে ডুব যোৱাতকৈ বেছি দ' ন'হব, সেইখিনি ঠাইতে মই সাঁতোৰ শিকিছিলো।

কিন্তু নৈখনত নমাত মই বুকুলৈকে ডুব গ'লো। নৈৰ পানী তেতিয়া ইমান চেঁচা যে অলপ সময়ৰ বাবে মোৰ উশাহ-নিশাহ বন্ধ হৈ গ'ল। মায়ে লৰচৰ বা কোনো শব্দ কৰা নাছিল।

কিমানপৰ আমি তেনেকৈ আছিলো ক'ব নোৱাৰোঁ। যেন বহুত যুগধৰি অপেক্ষা কৰাৰ পিছত চাৰিওফালৰ মোৰ আন্ধাৰৰ মাজত লেমৰ হালধীয়া পোহৰ একণ মোৰ ওচৰতে শূন্যত নাচি থকা মই দেখিছিলো। মই বলিয়াৰ দৰে হৈ পৰিলো—চিঞৰিবই লাগিব....লেম লৈ অহা মানুহজনক পাবই লাগিব ...মাক ধৰবলৈ দিবই লাগিব।

হঠাতে মোৰ মাত ওলাল। কিন্তু সেইটো মোৰ মাত নাছিল, কাৰণ সেইদিনা মোৰপৰা ওলোৱা মাতটোৰ দৰে ভয়ঙ্কৰ মাত কোনো কণ্ঠৰপৰা নোলায়। চিঞৰ শুনি লেমটো আমাৰ পিনে আগুৱাই আহিল।

মানুহজন আন কোনো নহয়, দেউতা। মই মাথোন তাৰ জাৰত শেঁতা পৰি যোৱা মুখখন আৰু আমাক দেখি বিস্ময়ত ডাঙৰ হৈ যোৱা চকু দুটা দেখিছিলো। মোৰ মনত পৰে, সি মাক মোৰপৰা তুলি লোৱাৰ পিছত মই নৈৰ মাজত ডুব গৈছিলো।

"হিউ, হিউ", দেউতায়ে চিঞৰিবলৈ ধৰা মই শুনিছিলো।

৭

পাকঘৰৰ বিচনাখনত মই সাৰ পাই উঠিছিলো। লেমৰ পোহৰ পৰি বেৰখন বগা হৈ উঠিছিল। সাৰ পাই উঠি নিজকে তুমি 'তুমি' বুলি চিনি নোপোৱাটো সঁচাকৈয়ে হাঁহি উঠা কথা।

মই চিঞৰিবলৈ আৰম্ভ কৰি দিলো। কিন্তু মাতটো হ'লে মোৰ অকণো নোলাল। যিমানে চেষ্টা নকৰেঁ মোৰ মাত নোলাল। মই কম তুমি যদি কেতিয়াও নিজকে বা নিজৰ মাতটো হেৰুৱাই পেলোৱা নাই, তেন্তে তুমি জীৱনত কেতিয়াও ভয়ো খোৱা নাই। তেনেকৈ ভয় খোৱাহে আচল ভয় খোৱা।

হঠাতে মোৰ একেবাৰে ওচৰতে ব্ৰনৱেনে গুণ্ গুণকৈ গান গোৱা মই শুনিবলৈ পালো। সেই মুহূৰ্ততে মই সম্পূৰ্ণ সচেতন হলো আৰু লগে লগে বিষত মোৰ গোটেই শৰীৰটো কোঁচ খাই উঠিল। মোৰ গোটেই গাতে বেণ্ডেজ বান্ধি থোৱা হৈছিল। মোৰ মুখ, হাত, ভৰি আটাইবোৰতে বেণ্ডেজ মেৰিওৱা আছিল। চৰ্বী জাতীয় মলম এটা লেপি গোটেই শৰীৰটো মোৰ বেণ্ডেজ কৰা আছিল।

মাক দাড়ি ধৰি থকা কথাটোলৈ মোৰ মনত পৰিল, আৰু এতিয়াহে মোৰ ভয় লাগিল। মই ব্ৰনৱেনক চাবলৈ চেষ্টা কৰিলো, কিন্তু মূৰটো অকণো লৰাব নোৱাৰিলো। ব্ৰনৱেনে বোধহয় মোক তেনেকৈ লৰচৰ কৰিবলৈ আৰু কথা ক'বলৈ চেষ্টা কৰা দেখিলে আৰু সেয়ে তেওঁ জাপ মাৰি চকীৰপৰা থিয় দি উঠিল।

ব্ৰনৱেনৰ গাৰপৰা সদায় টাইম আৰু লেভেণ্ডাৰৰ বঢ়িয়া গোন্ধ পোৱা গৈছিল। ব্ৰনৱেনে নিজে এইবোৰ সুগন্ধি তৈয়াৰ কৰি লৈছিল। সদায় এই গোন্ধটো ব্ৰনৱেনৰ ওচৰে পাজৰে পোৱা গৈছিল। মই তোমাক কওঁ শুনা—ইয়াতকৈ ভাল গোন্ধ তুমি ক'তো নাপাবা।

ফুচ্ ফুচাই কিবা কৈ তেওঁ মোৰ কাষত ৰাঁঠুকাঢ়ি বহিছিল। কিন্তু মোৰ কাণ তুখন বেগেুজেৰে ঢাক খাই থকা বাবে মই একোকে শুনা নাছিলো। মোৰ চকুপানী হাতেৰে মচি দি থিয় দি উঠি তেওঁ মোৰ পিনে চাইছিল।

ধুনীয়া, সঁচাকৈয়ে বৰ ধুনীয়া আছিল ব্ৰনৱেন।

"হিউ, বিষাইছে নেকি ?"

মই মূৰ জুপিয়ালো। কান্দোন বন্ধ কৰিবলৈ ব্ৰনৱেনে তলৰ ওঁঠটো দাঁতেৰে কামুৰি ধৰিলে।

ইহা কন্দাৰ মাজতে থাকি ব্ৰনৱেনে কৈছিল, "হিউ, তোৰ বাবে মই গৰ্ব অনুভৱ কৰিছোঁ। সঁচাকৈয়ে কৰিছোঁ।"

ইয়াৰ পিছত কুঁজা হৈ তেওঁ মোক চুমা দিছিল—খুব লাহেকৈ, যেন পখিলা এটাহে মোৰ গালত পৰিছিল আহি।

ডাক্তৰ বিচাৰ্ডচ আহি মোক পৰীক্ষা কৰি চাই হুলস্থুল লগালে। ইতিমধ্যে দেউতা কোঠাটোলৈ আহি ডাক্তৰৰ ওচৰত থিয় দি মোৰ পিনে চাই আছিল।

ডাক্তৰ বিচাৰ্ডচে কৈছিল—"ই বাচিল। অৱশ্যে কেনেকৈ বাচিল মই ক'ব নোৱাৰোঁ। আইন কোনোবা ল'ৰা হ'লে ইমানপৰে সি-কবৰত থাকিলহেঁতেন। মিষ্টাৰ মৰ্গান, তোমাৰ পৰিয়ালৰ আটাইবোৰ কিন্তু ঘোঁৰাৰ দৰে সবল।"

"ঈশ্বৰক ধন্যবাদ।" দেউতাই মোৰ পিনে চাই হাঁহিছিল। "মাৰ ভালে আছে আৰু তোৰ নতুনকৈ ওপজা ভনীজনীও ভালে আছে। হিউ তোৰ বাবে তোৰ এই দেউতাৰ আজি সঁচাকৈয়ে গৰ্বিত।"

দেউতাই মোক তেতিয়া চুমা দিছিল। মই মাত-বোল নকৰা দেখি দেউতাই নিশ্চয় ভয় খাইছিল। ডাক্তৰ বিচাৰ্ডচনে তেনেতে দেউতাক কোঠাটোৰপৰা ওলাবলৈ কৈছিল।

দেউতা যোৱাৰ পিচত ডাক্তৰে ব্ৰনৱেনক ক'লে, "মিছেছ মৰ্গান, ল'ৰাটোৰ বেগেুজবোৰ খোলাত মোক অলপ সহায় কৰি দিয়কচোন। মোৰ বোধেৰে ক'ৰবাত তাৰ হাড় ভাঙিছে।"

সেইখিনিলৈকে মোৰ মনত পৰে। কাৰণ ডাক্তৰে যেতিয়া খুলি মোৰ ভৰিখনত হাত দিয়া মাত্ৰকে এনেকুৱা বিষ আৰম্ভ হ'ল যে মই আকৌ অজ্ঞান হৈ পৰিলো।

এইদৰে অতীতৰ কথা সুঁৱৰি সক ল'ৰা এটা হৈ বহুদিন আগতে মৃত্যু হোৱা মানুহবোৰৰ স'তে কথা পতাটো সঁচাকৈয়ে বৰ আচৰিত।

পাঁচ বছৰ ধৰি মোৰ ভৰি শক্তিহীন হৈ আছিল। পাঁচ বছৰ মই যেৰৰ কাবৰ বিচনাখনত পৰি আছিলো—উঠিব নোৱাৰিছিলো, ক'লৈকো ওলাব নোৱাৰিছিলো, আনকি লৰচৰো কৰিব পৰা নাছিলো।

বিচনাত পৰি থাকি ভাবিবলৈ মই অফুৰন্ত সময় পাইছিলো।

প্ৰথমে কেইমাহমান বিষৰ যন্ত্ৰণাত মোৰ থৰকাচুটি নাছিল। লাহে লাহে বিষ কমিল, আৰু ক্ৰমে নাইকিয়া হ'ল। কিন্তু তেতিয়াও হাড় ভগা থকাৰ বাবে মোক উঠিবলৈ দিয়া নহ'ল। ভগা হাড়ডাল কেইবাবাৰো জোৰা দি আকৌ খুলি পেলাবলগীয়া হৈছিল।

মোৰ আটাইতকৈ বেয়া অৱস্থাৰ সময়ত মই কি কৰিছিলো সেই বিষয়ে মোৰ বিশেষ একো মনত নাই। মই মাথো এইখিনি জানো যে ব্ৰনৱেনৰ ল'ৰা এটা ওপজালৈকে তেওঁ দিনেৰাতি মোৰ শুশ্ৰূষা কৰিছিল। ল'ৰাটোৰ নাম ৰখা হৈছিল গাৰেথ্।

দাদাইত সদায় মোক চাবলৈ আহিছিল। মুখৰ হাড় এডাল ভগাৰ বাবে মই কিন্তু কাৰো স'তে কথা পাতিব নোৱাৰিছিলো। পাছলৈ দেখি আৰু অৱেন দুয়ো পাল পাতি মোক কিতাপ পঢ়ি শুনাইছিল। সিহঁতে বচ্‌ৱেলৰ 'লাইফ অব জনচন' আধাতে বন্ধ কৰিবলগীয়া হৈছিল, কাৰণ এইখন কিতাপে মোক ৰবকৈ হুহুৱাইছিল আৰু হাঁহি উঠাটো তেতিয়া মোৰ বাবে অত্যন্ত ক্ষতিকৰ আছিল।

বিচনাত পৰি থকা কালত কিতাপৰ বিষয়ে মই অলপ জনা হ'লো। আমাৰ ঘৰত খুব বেছি কিতাপ নাছিল, কিন্তু যি কেইখন আছিল ভাল কিতাপেই আছিল। কিতাপৰ টান শব্দবোৰ দেউতা, দেখি বা সময় থাকিলে আইতাৱে মোক বুজাই দিবলৈ চেষ্টা কৰিছিল। ৰাতি শোৱাৰ আগতে দেউতা আৰু অৱেনে বাইবেল পঢ়ি শুনাইছিল। তেনেকৈয়ে শেষত মই অৱেনৰ দৰেই খুব ভালকৈ বাইবেলখন জনা হ'লো।

সেই সময়তে মই যীশুখ্রীষ্টৰ বিষয়ে এটি ধাৰণা কৰি লৈছিলো। সেই ধাৰণা আজিলৈ মই সলনি কৰা নাই। যীশুক মই ভাবি লৈছিলো এজন মানুহ বুলি আৰু আজিও মই তেওঁক সেই বুলিয়েই ভাবোঁ। তেনেকৈ ভাবিলে মই সান্ত্বনা পাওঁ। মানুহ হৈ যীশুৱে যদি জীৱনৰ একেবাৰে ভিতৰত কি আছে সেইটো বিচাৰি উলিয়াব পাৰে, তেন্তে আজিও সেইটো বিচাৰি উলিওৱাৰ সম্ভাৱনা আছে। ঈশ্বৰৰ সহায়ত আমি বিচাৰি উলিয়ামেই।

মোৰ আৰু মোৰ চিনাকি মানুহবোৰৰ কিনো হৈছে তাকে জানিবলৈ মই আজি এই ঘৰখন এৰি যাবলৈ ওলাইছো। মোৰ দৃঢ় বিশ্বাস আমাৰ সকলোৰে ক'ৰবাত কিবা কেৰোণ সোমাইছে।

দেভিয়েও তাকে কৈছিল। অলপ ভাল পোৱাৰ পিছত মই প্ৰায়ে দেভিৰ হৈ চিঠি-পত্ৰ লিখি দিছিলো, দেভিয়ে নিজে লিখিব নাজানে বুলি নহয় কিন্তু। মোৰ তেতিয়া কৰিবলৈ আইন একো কাম নাছিল, সেই বাবেহে। তেনেকৈয়ে তেতিয়া মই সিইতৰ ইউনিয়ন অ'দিৰ কথাবোৰ ভালকৈ গম পাইছিলো, আৰু প্ৰথম দিনাৰেপৰা মোৰ বিশ্বাস জন্মিছিল যে ক'ৰবাত ঘুণে ধৰিছে।

মিছেছ টম জেন্‌কিন্সে স্কুল ছুটীৰ পিছত সৰু ছোৱালী এজনী লগত লৈ সদায় আমাৰ ঘৰলৈ আহিছিল। পাছদিনা কৰি থবৰ বাবে পঢ়া দি সেইদিনাৰ পাঠ লৈ তেওঁ ঘৰলৈ উভতি গৈছিল। দিনৰ পিছত দিন ধৰি, সপ্তাহত মাত্ৰ চাৰি পেনি মৰমহা লৈ বিচনাত পৰি থকা ল'ৰা এটিক পঢ়াবলৈ ইমান দূৰ বাটকুৰি বাই অহাৰ বাবে মিছেছ জেনকিন্সৰ ওচৰত মই কৃতজ্ঞ। এইটোও মই লগতে কৈ থওঁ, মিছেছ জেনকিন্স পঢ়াইছিলো খুব বঢ়িয়াকৈ। দেউতাৰপৰা পইচা লৈ তেওঁ মোৰ বাবে হাতৰ আখৰ লিখা বহী কিনি মোক ধুনীয়াকৈ লিখিবলৈ শিকাইছিল। মই খুব ভালকৈ লিখিবলৈ শিকিছিলো কিন্তু। নগৰৰ বাতৰি কাকত এখনে পতা হাতৰ আখৰৰ প্ৰতিযোগিতাত মই প্ৰথম পুৰস্কাৰ পোৱাৰ দিনা মোৰ কেনে লাগিছিল কেনেকৈ বুজাম।

বাতৰি-কাকতখন ঘৰলৈ আনি দেউতাৰ চকুত যি দৃষ্টি ফুটিছিল সেইটো তুমি দেখিব লাগিছিল। পাকঘৰটোত আমি সকলোৱে মিলি দেউতাৰ বাবে বাট চাই আছিলো। দেউতাৰ সিদিনা ঘৰলৈ আহোঁতে পলম হৈছিল, যিটো সাধাৰণতে নঘটে।

কিন্তু দেউতাই বাইবেলখনৰ নিচিনাকৈ কাগজখন কাৰ্ডবিলৰ ভিতৰত লৈ কোঠাটোত সোমাই চকীখনত বহাৰ লগে লগে আমি গম পালোঁ যে আজি দেউতাৰ বিশেষ কিবা ক'বলগীয়া আছে। আমি আটায়ে জুম বান্ধি বহি থাকিলোঁ। ওপৰৰ কোঠাত মায়ে মোৰ নতুন ভনীজনীৰ কাষত নিচুকণি গীত গোৱা আমি শুনিবলৈ পালোঁ।

দেউতাই চশমাজোৰ পিন্ধি, কাগজখন হাতত লৈ আমাৰ প্ৰত্যেকজনৰ পিনে চালে। মোৰ পিনে কিন্তু কেঁৰাহিকৈও নেচালে। মোৰ ভয় লাগিল, মই কিজানি কিবা বেয়া কাম কৰিলোঁ, কিন্তু বহুত ভাবিও একো উলিয়াব নোৱাৰিলোঁ। তেনেতে দেউতাই কথা কোৱাৰ আগতে অভ্যাসমতে খেঁকাৰি ডিঙি পৰিষ্কাৰ কৰি ল'লে। আৰু সেই মুহূৰ্তত মই গম পালোঁ যে খবৰ বেয়া নহয়, ভালহে

দেউতাই পঢ়িলে, "হাতৰ আখৰৰ প্ৰতিযোগিতা"। শুনি মোৰ বুকুখন চিৰিংকৈ গ'ল। "বাৰ বছৰতকৈ কম বয়সীয়া ল'ৰাৰ শাখাত বৰ ওখ খাপৰ আখৰ পঠিওৱাৰ বাবে দুই গিনিৰ প্ৰথম পুৰস্কাৰ দিয়া হৈছে মিষ্টাৰ গুইলাম মাৰ্গানৰ পুত্ৰ, মিষ্টাৰ হিউ মাৰ্গানক।"

খবৰটো পাই সকলোৱে অবাক হৈ চাই থাকিল। কাগজখন থৈ চশমাজোৰ খুলি লৈ দেউতাই কৈছিল, "এই পুৰস্কাৰ পোৱা ল'ৰাটো কিন্তু আজি তিনি বছৰ ধৰি বিচনাত পৰি আছে। তথাপি হাঁহি-খেমালি আৰু স্ফূৰ্তি-ভাৱচাৰে আছে সি।" তাৰ পিছত মোৰ পিনে চাই তেওঁ কৈছিল, "তোক এইখিনিকে মাথোন কওঁ যে তই সঁচাকৈয়ে বৰ ভাল ল'ৰা। ঈশ্বৰে তোৰ মঙ্গল কৰক বাছা।"

ইয়াৰ পিছত সকলোৱে কাগজখন পঢ়িবলৈ আৰম্ভ কৰি দিলে যেন বাৰে বাৰে পঢ়িলে পিছত আৰু কিবা বেছিকৈ জানিব পাৰিব। গুইন্নাৰে লৰ ধৰিলে ব্ৰনৱেন আৰু আইভৰক মাতি আনিবলৈ।

"তই সঁচাকৈয়ে বৰ বুধিয়ক হিউ", ব্ৰনৱেনে আহি পায়েই হাঁহি কৈছিল।

ব্ৰনৱেন মোৰ কাষৰপৰা যোৱাৰ পিছত আহিছিল বেতি। সি অলপ পৰ একো নোকোৱাকৈ মোৰ পিনে চাই আছিল।

"তই বৰ বুধিয়ক ল'ৰা হিউ। কাগজত নাম ওলোৱা আমাৰ পৰিয়ালত তয়েই প্ৰথম। ভালেই হ'ল, তোৰ এই গুণটো কামত লগা এতিয়া। মোৰ হৈ চিঠি লিখিলে তই প্ৰত্যেকখন চিঠিৰ বাবে দুই পেনিকৈ পাবি। হ'বনে?"

"একো নোলোৱাকৈ মই তোৰ হৈ লিখি দিম, দেস্তি", মই উত্তৰ দিছিলো।

"নহয় নহয়। তোক মই ইউনিয়নৰ চিঠি-পত্ৰ লিখাৰ কথাহে কৈছো। এই পইচাৰে তই স্কুলৰ মাচুল দিব পাৰিবি আৰু গা একেবাৰে ভাল পালে ক'ৰবালৈ ফুৰিবলৈকো যাব পাৰিবি।"

"হ'ব দেস্তে।" নিজৰ খৰচৰ বাবে নিজে অৰ্জন কৰিব পৰাৰ কথা ভাবি মোৰ খুব ভাল লাগিছিল।

দদায় দিয়াৰ নিচিনাকৈ ব্ৰনৱেনে সেই দিনা ৰাতিও মোক খাবলৈ দিলে। কিন্তু সেই ৰাতিৰ আহাৰত কটা আৰু গাখীৰৰ সলনি মই বহু দিনৰ মূৰত মাংসৰ জোল খাবলৈ পালো। মাংস খাই সিদিনা কি যে ভাল লাগিছিল।

ব্ৰনৱেনে মোক কৈছিল, "মাংস খাই টান পালে মোক ক'বি। তেতিয়া হ'লে কফালেণ্ডতাক আমি কেঁচুৱাৰ আহাৰ দিম।"

ব্ৰনৱেনৰ গাত আঁউজি মই সহজে মাংস চোবাই গৈছিলে—মোৰ চাৰিও কাষে আছিল ব্ৰনৱেনৰ গাৰ টাইম আৰু লেভেণ্ডাৰৰ গোন্ধ আৰু গাৰ উম। লেম্পৰ পোহৰত সোণবৰণীয়া হৈ উঠা তেওঁৰ মুখখন আৰু হাঁহি থকা চকুযুৰিৰ পিনে মই চাই আছিলো। হয়তো বয়সত দহ বছৰ ডাঙৰ তিৰোতা এগৰাকীৰ প্ৰেমত পৰা মোৰ দৰে ল'ৰা এটাৰ ক্ষেত্ৰত অন্যায় আছিল। কিন্তু কথাটো আজিলৈ কোনেও নেজানে, আনকি ব্ৰনৱেনেও। গতিকে কাৰো একো অনিষ্ট হোৱা নাই। ব্ৰনৱেন কিন্তু গোটেই জীৱন জুৰি মোৰ শেষ আশ্ৰয় স্বৰূপ হৈ আছে। অহা মাহত ব্ৰনৱেনৰ বয়স হ'বলৈছেন বাসত্তৰ বছৰ।

বছৰবোৰ এনেকৈয়ে পাৰ হৈ যায়।

কিন্তু বহুদিনলৈকে মই যে প্ৰেমত পৰিছো এই কথা মই নিজে জনা নাছিলো। প্ৰেম সম্পৰ্কে বহুতো বাজে কথা কোৱা হৈছে, বিশেষকৈ সেইবোৰ মানুহৰদ্বাৰা যি কোনো দিনেই প্ৰেমত পৰা নাই বা অইনৰ অন্তৰত প্ৰেম জগাই তুলিবলৈ যাৰ আৱশ্যকীয় অনুভূতি নাই। এনেবোৰ মানুহৰ মুখত প্ৰেমৰ কথা অসত্যালি মাথোন।

প্ৰেমৰ পৰিচয় মই প্ৰথম পাইছিলো অৱেন আৰু মাৰ্জেৰ ইভালৰ ক্ষেত্ৰত।—

মাৰ্জৰ আছিল দেউতাৰ অতি পুৰণি বন্ধু এজনৰ জীয়েক। যাতে তাইক আমাৰ ঘৰলৈ পঠিয়াইছিল ঘৰ এখন কেনেকৈ চলাব লাগে তাকে শিকিবলৈ। মোৰ মা তেতিয়াও যথেষ্ট দুৰ্বল আৰু সেইবাবে তেওঁক বিচনাৰপৰা উঠিবলৈ দিয়া নহৈছিল।

মোৰ নীলা চকুযুৰিৰে মাৰ্জে মেচ্ ঘূৰাই আছিল। হাঁহিলে তাইৰ চকু দুটাৰ ৰং পাতল হৈ আহে। তাইৰ হাঁহি তোমাৰ ইমান ভাল লাগিব যে তোমাৰো তাইৰ লগতে হাঁহিবলৈ মন যাব। প্ৰথম কেইদিনমান তাই খুব লাজুকী আছিল আৰু দুটা এটা শব্দৰ বাহিৰে আন একো কোৱা নাছিল। তাইক কথা কোৱাবলৈ ব্ৰনৱেনে সকলো প্ৰকাৰে চেষ্টা চলাইছিল, লগতে মই আৰু দেউতায়ো। কিন্তু কোনো ফল নধৰিলে। মাৰ্জেৰে মাখোন মূৰটো তল কৰি থাকে আৰু কোনোবাই জোকালেই পোনেই তাইৰ চকুত চল নামে।

আমাৰ ঘৰলৈ আহিবলৈ তাইৰ চাৰি পাঁচ দিন মানহে হৈছে, ইয়াৰ ভিতৰতে অৱেন তাইৰ ৰক্ষাকাৰী হৈ উঠিল।

মই অসুস্থে বিচনাত পৰি থাকিও ভালকৈ গম পাইছিলো যে অৱেন তাইৰ প্ৰেমত পৰিছে, কাৰণ ব্ৰনৱেনৰ বাবে আইভৰৰ কেনেকুৱা অৱস্থা হৈছিল মোৰ ভালকৈ মনত আছে। একেটা পৰিয়ালৰ ল'ৰাৰ প্ৰেমত পৰাৰ চিনবোৰো একে।

ৰোষ্ট কৰা কুকুৰাটো কাটি থাকি দেউতাই মাৰ্জেক সুধিছিল তাই কি খাব—ঠেং নে অইন কিবা।

“যি কোনো এডোখৰ হ'লেই হ'ব মিষ্টাৰ মৰ্গান”, আঠ যুৰি চকুৰ দৃষ্টিত ৰঙা পৰি লাজকুৰীয়া মাৰ্জেৰে কৈছিল।

ব্ৰনৱেনে কৈছিল, “খুব বঢ়িয়া কথা, পাখি এখনকে খোৱা।”

“নাকটো খালে বেয়া হ'ব নেকি ?” দেভিয়ে মাৰ্জেক সুধিছিল।

“মাৰ্জে আমাৰ আলহী”, খুব খঙেৰে দেভিৰ পিনে চাই থাকি অৱেনে তেতিয়া কৈছিল। “ঠাট্টা-তামচা যদি কৰিবই লাগে মোৰ সৈতেওতো কৰিব পাৰ।”

“এওঁৰ আকৌ কোবটো চোৱা”, দেভিয়ে সকলো গম পোৱা কৈছিল। “চাইছে চাচোন। মেজৰ ওপৰৰ কাপোৰখন পুৰি যাব চাবি।”

“মেজৰ কাপোৰৰ কথা এৰ এতিয়া। মাৰ্জেক লোতজাকাৰি কিন্তু।”

সেউভাই তেনেতে মাত দিছিল, "অৰেন্ এই ঘৰত কাৰোবাক যদি পালি পাবিব লাগে তেন্তে সেইটো মইহে কৰিম। সেভিয়ে হয়তো অলপ খোকাইছিলেই কিন্তু সেইবুলি মাৰ্জেদে জানো বেয়া পাইছে ?"

"নাই পোৱা মিষ্টাৰ মৰ্গান।"

এই বুলি কৈয়েই তাই কিন্তু যিটো চাৱনিৰে অৰেনৰ পিনে চাইছিল সেইটো মই দেখিছিলো। অৰেনৰ বাহিৰে অকল মইহে সেইটো দেখিছিলো।

তুমিও দেখিব লাগিছিল! মই বেচেৰা অৰেনটোক তাইৰ প্ৰেমত পৰা বাবে কোনোমতেই দোষ দিব নোৱাৰোঁ। সেই চাৱনিত আছিল জুই একুৰা।

ইয়াৰ দুদিন পিছত এদিনাখন ৰাতি মই প্ৰমাণ পাইছিলো যে মোৰ ধাৰণা ঠিকেই। দেউতা, দাদাইত আৰু ব্ৰনৱেন ধৰ্ম সঙ্গীত গাবলৈ গীৰ্জালৈ গৈছিল। মাৰ্জেদক ঘৰত থৈ গৈছিল যাতে মাক কিবা লাগিলে চাব পাৰে। অৰেন তেতিয়া পাছফালৰ চোতালত তাৰ যন্ত্ৰপাতি লৈ ব্যস্ত আছিল।

অৰেনৰ দৃঢ় বিশ্বাস আছিল যে সি কয়লা কটা মেচিন এটা আবিষ্কাৰ কৰিব পাৰিব। সেয়ে হ'লে, তাৰ মতে কয়লা খনিত কামকৰা মানুহবোৰে কম সময় খাটি বেছি পইচা উপাৰ্জন কৰিব পাৰিব, কাৰণ মেচিনটোৱে অলপ সময়তে বেছি কয়লা খান্দি উলিয়াব। প্ৰত্যেক দিনা ৰাতি সি পাছফালৰ চোতালত কামত ব্যস্ত হৈ থাকে—হাতুৰি মাৰে, বেঁতেৰে ঘঁহে, কেতিয়াবা আকৌ কমাৰৰ তালৈ লৰি যায় তাক লগা মতে লোহোৰ বেঁকা কৰি আনিবলৈ। মাজে সময়ে আকৌ তাক সহায় কৰিবলৈ ঘৰৰ অইন মানুহবোৰকো মাতি আনে। মুঠতে সি এখন হুলস্থুল লগাই থাকে।

সেইদিনা ৰাতি মাৰ্জেদে ভুহালৰ কাষত বহি চিলাই কৰি আছিল আৰু মই আন দিনবোৰৰ নিচিনাকৈ বেবৰ কাষৰ বিচনাখনত পৰি আছিলো। তেনেতে দুৱাৰখন লাহেকৈ মেলি হাতত এসোপা লোহা লৈ অৰেন সোমাই আহিল।

"অ" বুলি কৈ সি থিয় হৈ ৰ'ল।

মার্জেৰে চিলাই কৰি থাকি মিচিকিয়াই হাঁহিলে। অৰেনক কিন্তু তাই একো কোৱা নাছিল। অৰেনৰ পিনে তাই পিঠি দিয়ে ব'ল।

"তুমি ইয়াত থাকিবা বুলি মই ভবা নাছিলো।" একেবাৰে মিছা মাতিছিল সি।

মার্জেৰে একো উত্তৰ নিদি খুব খৰকৈ চিলাই কৰি থা কল।

"গৰম পানী আছে নেকি?" একে ঠাইতে বৈ থাকি অৰেনে সুধিছিল। সদায় থকাৰ নিচিনাকৈ গৰম পানীৰ কেট্‌লিটো যে চুহালৰ ওপৰত টগ-বগ্‌কৈ উতলি আছিল সেইকথা অৰেনে খুব ভালদৰেই জানিছিল। পানীখিনি উতলি থকাৰ শব্দ খুব স্পষ্টকৈ শুনা গৈছিল।

মার্জেদে অলপ পৰ একো নক'লে। অলপ পিছতহে হাতৰ চিলাই কাতৰাই থৈ তাই মুৰ তুলিলে—অৰেনৰ পিনে হ'লে নেচালে।

"কিমান পানী লাগে বাৰু?"

"এই অলপমান। হাত-মুখ ধুবলৈ", তাই তাৰ স'তে কথা কোৱাত অবাক হৈ অৰেনে কৈছিল।

"মই বালটিটো ভৰাই দিছোঁ বাৰু।"

"নাই, নাই, নালাগে", মার্জেদে বালটি এটা দঙাটো যেন এটা ভয়ানক অপৰাধ এনে ভাব লৈ অৰেনে কৈ উঠিছিল।

"তেন্তে হাত-মুখ ধুবা কেনেকৈ? পিয়লাত পানী লৈ নেকি?"

কথাষাৰ শুনি মোৰ ইমান হাঁহি উঠিছিল যে হাঁহি দমাই ৰাখিবলৈ মই কম্বল-খনৰ এটা কোণ মোৰ মুখত সুমুৱাই ৰাখিব লগা হৈছিল।

"নহয়, নহয়, মই সেইটো কোৱা নাই। বালটিটো মই নিজে আনি লম। মোৰ বাবে তুমি এনেকুৱা কামবোৰ কৰিব নালাগে"।

"বালটিটোনো আছে ক'ত?" মার্জেদে তেতিয়ালৈকে অৰেনৰ মুখলৈ চোৱা নাছিল।

"গা-ধোৱা ঘৰত।"

"আনাগৈ তেন্তে", এই বুলি কৈ মার্জেৰে পুনৰ চিলাই কৰিবলৈ আৰম্ভ কৰি দিছিল।

অৰেনে কিন্তু গা-ধোৱা ঘৰটোৰ পিনে লৰচৰ নকৰিলে। সি মার্জেৰ পিনে চাই আছিল।

প্ৰেমত পৰা মানুহৰ চকুৰ চাৱনি দেখিলে ইহঁত তোমাৰ পেটৰ নাড়ী ছিগিবৰ উপক্ৰম হ'ব। অৱশ্যে তুমি নিজে কাৰোবাক প্ৰেমত পৰিছা যদি বেলেগ কথা।

প্ৰেমিকৰ চাৱনি ফুটি উঠিছিল অৰেনৰ চকুত। এনেকুৱা চাৱনিৰ অপমান তুমি দেখা পাবা কচাইখানাত কাটিবলৈ বান্ধি থৈ দিয়া ভেৰাচোৰৰ চকুত। চাৱনিটোৰ বাকীখিনি তুমি দেখিবা মাথোন ভাল মানুহ এজনৰ চকুত যিঁয়ে নিজৰ অন্তৰ কোনোবা ছোৱালী এজনীৰ ওচৰত সমৰ্পণ কৰিছে। এনেকুৱা চাৱনিত যি জ্যোতি ফুটি উঠে সি পাৰ্থিৱ নহয়; এই জ্যোতি স্বৰ্গীয়। অন্তৰৰ অন্তৰতম প্ৰদেশৰপৰা ওলোৱা এই জ্যোতিয়ে যিহকে চুই যায় তাকে স্বৰ্গীয় ৰূপ দি তোলে।

মাৰ্জেদে এই চাৱনি উপলব্ধি নকৰাকৈ নোৱাৰিলে। তাইৰ গাটো কঁপি উঠিল।

"বালটি আনিবলৈ নোযোৱা নেকি?" খুব ডাঙৰকৈ ঢোক এটা গিলি তাই সুধিছিল।

যেন খিৰিকীৰ আইনা এখন ভাঙি পেলোৱাৰ দৰে কাম এটা সি কৰিছে এনে ভাব লৈ অৰেনে কৈছিল, "এই এতিয়াই গৈছোঁ।"

হাতত থকা লোথিনি ক'ত থ'ব ভাবি নেপাই সি সেইবোৰ দুৱাৰৰ বাহিৰত পেলাই থৈ বালটি আনিবলৈ গ'ল। দুৱাৰৰ বাহিৰত থ'ব নালাগে, আমি মাথোন সেই লোবোৰ অলপ চুলেই সি চিঞৰ-বাখৰ কৰি হুলস্থূল লগালেহেঁতেন। প্ৰেমে মানুহক ক'ত কি কৰাব পাৰে।

অৰেনে বালটিটো লৈ আহি এখোজ দুখোজকৈ মাৰ্জেদৰ পিনে আগ বাঢ়িল। মাৰ্জেদে কিন্তু তেতিয়াও চিলাই কৰি থাকিল।

"এয়া চোৱা ··· পানী অকণ দিবানে?"

"চাওঁ বালটিটো দিয়া।" এই বুলি চিলাই থৈ মাৰ্জেদে আকৌ থিয় দিছিল।

মাৰ্জেদে অৰেনৰ পিনে নেচাবলৈ চেষ্টা কৰিছিল। কিন্তু কৰিলে কি হ'ব, অলপ থকা আঙঠাও অৰেনৰ নিচিনা মানুহৰ চাৱনিতকৈ বেছি তপত নহয়। গতিকে, ইচ্ছাতে হওঁক অনিচ্ছাতে হওঁক মাৰ্জেদে বালটিটোপৰা মুৰ দাঙি চাবলৈ বাধ্য হৈছিল। মাৰ্জেদৰ চাৱনি লাহে লাহে ওপৰলৈ

উঠি অৰেনৰ কাষ পাইছিলগৈ, আৰু লাহে লাহে আৰু অলপ ওপৰলৈ উঠি মুখ আৰু শেষত একেবাৰে চকুত পৰিছিলগৈ।

প্ৰথমে মাৰ্জেদৰ মুখখন মই দেখা নাছিলো। ছুইকুৰা আৰু লেমটোৰ পিনে তাই পিঠি দি আছিল। কিন্তু চাবৰ প্ৰয়োজন মোৰ নাছিল, কাৰণ, কথাটো ভালকৈয়ে উপলব্ধি কৰিছিলো মই।

"মাৰ্জেদ", অৰেনে প্ৰথমবাৰৰ বাবে তাইক নাম কাঢ়ি মাতিছিল।

"হু"। তাইৰ মাতটোত শীতলতা অনুভৱ কৰি মোৰ আচৰিত লাগিছিল।

"বালটিটো আনিছোঁ।" এনেকুৱা অধা মূৰ্খ এটাৰ দৰে কথা ক'বলৈ আৰম্ভ কৰাৰ বাবে অৰেনলৈ মোৰ পুতৌ জন্মিছিল।

"এইয়া পানী", এইবুলি বাল্টিটোত তাই গৰম পানীখিনি ঢালি দিছিল।

'অঁ বাৰু"। অৰেনৰ কিন্তু যোৱাৰ লক্ষণ দেখা নগ'ল।

"তেওঁলোক এতিয়াই গীৰ্জাৰপৰা আহি পাবহি।" এই বুলি মাৰ্জেদে আকৌ ঢোক গিলিছিল।

"চিৰদিনৰ বাবে তেওঁলোক ঘূৰি নাহিলেই ভাল পাম।"

"কিনো অমঙ্গলীয়া কথাবোৰ কৈছা।" সেইদৰে কৈছিল যদিও মাৰ্জেদৰ মাতটোত কঠোৰতা অলপো নাছিল।

"মই ঠিকেই কৈছোঁ মাৰ্জেদ। . তুমি সঁচাকৈয়ে বৰ ধুনীয়া।"

কন্দা আৰু হুমুনিয়াহ এটা কঢাৰ মাজতে মাৰ্জেদে কৈছিল, "ওঁহো, নহয়।"

"হয়।"

"নহয়।" এইবাৰ কিন্তু মাতটোত আগৰ দৃঢ়তা নাছিল।

অৰেনে তেতিয়া বাইবেলৰপৰা মাতিছিল— "চোৱা, তুমি নিশ্চয় ধুনীয়া। কপৌৰ দৰে চকুযুৰি তোমাৰ।"

"কপৌৰ চকু দেখোন সৰু সৰু"।

"তোমাৰ চকুযুৰি ইমান ডাঙৰ যে মোৰ মনত সেয়েই গোটেই পৃথিৱীখন।

"মিছা কৈছা।"

"ওঁহো, সঁচাকৈয়ে কৈছো", হাতৰ বালটিটো নমাই থৈ অৰেনে কৈছিল: "মই তোমাক ভাল পাওঁ মাৰ্জেদ ইভান্স।"

"মিছাকৈ নক'বা। মোক তুমি লগ পোৱা আজি পাঁচ দিনহে মাথোন হৈছে।"

"তোমাৰ স'তে মোৰ সাক্ষাত বহুদিন আগতে", অৰেনে কৈছিল আৰু তাৰ কথাত মই সম্পূৰ্ণ বিশ্বাস কৰিছিলোঁ। "তোমাক মই আজি পাঁচহাজাৰ বছৰ আগৰেপৰা চিনি পাওঁ।... সোণ-বস্ত্ৰ ভূষিত তোমাৰ সাজ-পাৰ...।"

"সোণ-বস্ত্ৰ! ক'ত দেখিছিলা বাৰু মোক?"

"হেত্ৰনৰ ভূবিচিৰ পাৰত।"

অলপ ৰৈ অৰেনে সুধিছিল— "তুমি মোক কেতিয়াকৈ বিয়া কৰাবা কোৱা।"

"মই দেউতাক সুধিব লাগিব।"

"নিজৰ অন্তৰক আগতে সুধি লোৱাচোন। কোৱা, কেতিয়াকৈ?"

"হিউবে লাজ পাব", ভয়তে কঁপি উঠি মাৰ্জেদে কৈছিল।

"কেতিয়াকৈ, কোৱা।"

"তুমি মোক কন্দুৱাইহে এৰিবা দেখিছোঁ। এইবোৰ এৰা এতিয়া।"

অৰেনে মাৰ্জেদৰ পিনে চালে। বহু সময় দুয়ো দুয়োৰে চকুলৈ চাই থিয় দি থাকিল। সিহঁতে লৰচৰ কৰা নাছিল, উশাহ-নিশাহো যেন লোৱা নাছিল, মাথোন দুয়ো দুয়োৰে চকুলৈ চাই আছিল।

হঠাতে, অৰেনে মাৰ্জেদৰ কান্ধ দুখনত ধৰিলে আৰু চুমা খালে।

"মাৰ্জেদ," খোকাথুকি মাতেৰে সি কৈছিল, "মই তোমাক ভাল পাওঁ।"

"ময়ো পাওঁ", তাই উত্তৰ দিছিল।

"ওহো, মিছা", কথাটো বিশ্বাস কৰিব নোৱাৰি আচৰিত হৈ সি কৈছিল।

"সঁচাকৈয়ে কৈছোঁ।" ইয়াতকৈ সঁচা কথা তুমি আচলতে ক'তো শুনিব নোপাবা। "তোমাক প্ৰথম দেখাৰ দিনৰপৰা।"

তাইক আকৌ সাৱটি ধৰি অৰেনে কৈছিল, "তুমি সঁচাকৈয়ে বৰ ধুনীয়া মাৰ্জেদ।"

"ধুনীয়া হ'লেতো ভালেই আছিল।"

"সঁচাকৈয়ে ধুনীয়া তুমি। মই তোমাক আজীৱন পূজা কৰিম। তোমাৰ প্ৰতিটো মুহূৰ্ত মই সুখময় কৰি তুলিম।"

"অৰেন, তুমি সঁচাকৈ খুব ভালকৈ কথা ক'ব পাৰা।"

মোৰ বোধেৰে সি আৰু বহুতো কিবাকিবি ক'লেহেঁতেন, কিন্তু তেনেতে মা ওপৰৰ কোঠাৰপৰা কাঠৰ মজিয়াত জোতাৰে খক্‌খকাই দিলে। এইটোৱে বুজাইছিল যে মায়ে মোৰ লগত কথা পাতিব খোজে। প্ৰত্যেক দিনা এইখিনি সময়ত আমি কথা পাতিছিলো। কোনোবা দিনা মই টোপনি গ'লে অৱশ্যে কথা পতা নহৈছিল।

"কি হ'ল মাহীদেউ ?" অৰেনলৈ চাই এটা ইঙ্গিত দি মাৰ্জেৰে সুধিছিল।

"হিউ শুলে নেকি ?" মায়ে ওপৰৰ কোঠাৰপৰা সুধিছিল।

অৰেনে বেৰৰ কাষৰ বিচনাখনৰ পিনে চাইছিল।

"এই শুলি নেকি ?" সি ইমান লাহেকৈ সুধিছিল যে মই আচলতে শুই থাকিলে কেতিয়াও সাৰ নেপালোহেঁতেন। মোৰ যে তেতিয়া অৱস্থা। কি কওঁ বাৰু। অৰেন বা মাৰ্জেৰ কাৰোপৰা অসন্তুষ্টিৰ চাৱনি পোৱাৰ ইচ্ছা মোৰ অকণো নাছিল।

"টোপনি গৈছিলো", এই মাত্ৰ যেন টোপনিৰপৰা সাৰ পাই উঠিছোঁ, মাতটো তেনেকুৱা গধুৰ কৰি মই কৈছিলো। মিছলীয়াবোৰৰ জন্ম এনেকৈয়ে হয়।

অৰেনে ক'লে, "মাই তোৰ লগত কথা পাতিব খুজিছে।"

"কোৱা মা", মই ডাঙৰকৈ ক'লো। দুয়ো দুয়োৰে হাতত ধৰি থিয় দি থাকি মোলৈ চাই আছিল।

মায়ে ওপৰৰ কোঠাৰপৰা সুধিলে, "আজি কেনে আছ ?"

"খুব ভালে আছোঁ মা। তুমি কেনে আছা ?"

"ভালে আছোঁ। ভৰিখন বিষাইছে নেকি ?"

"নাই বিষোৱা মা। ডাক্তৰ বিচাৰ্ডে অলপ দিনৰ ভিতৰতে মোক বিচনাৰ-পৰা উঠিবলৈ দিব।"

"মোক বোলে শনিবাৰলৈ উঠিবলৈ দিব। তেতিয়া হ'লে মই তোক চাই আহিমগৈ। ব্ৰনৱেনে তোক ভালকৈ খাবলৈ দিছেনে ?"

"দিছে মা।"

"কিন্তু ব্ৰনৱেনে মাৰৰ সমান ভাল ৰান্ধনী নহয়, হয় জানো ?" মায়ে ইমান আগ্ৰহেৰে কথাষাৰ সুধিছিল যে মই কি উত্তৰ দিম ভাবি নেপাই মিছাকৈ দুবাৰমান কাহ মাৰি ভাবিবলৈ সময় ললো।

মনৰ চকুৰে মই দেখিলো— মা বিচনাত পৰি আছে আৰু তেওঁনেকৈ পৰি থাকি সকলো সময়তে ভাবি আছে যে অইন এজনী তিৰোতাই ঘৰখন চলোৱাৰ ফলত তেওঁৰ ঘৰখন আৰু ল'ৰা-ছোৱালীইঁতৰ থানথিতি নোহোৱা হৈছে। ব্ৰনৱেন বহুতো ভাল ৰান্ধনীতকৈ ভাল ৰান্ধনী আছিল আৰু সেইবাবে মাক ব্ৰনৱেনতকৈ ভাল ৰান্ধনী বুলি ঘপহ্‌কৈ কৈ দিবলৈ মই টান পালো। কিন্তু হাজাৰ হওক, মোৰ মা সদায় মোৰ মা, আৰু সেই মায়ে আজি অদ্ভুত আগ্ৰহেৰে সুধিছে— আমি তেওঁৰ অনুপস্থিতি অনুভৱ কৰিছোঁ নে নাই? আমি তেওঁক পাহৰি গ'লো নেকি, আমি তেওঁক এতিয়াও বিচাৰোঁ নোক? মিছাই মাতিলো লাগে।

"সিমান ভাল নহয় মা", মই উত্তৰ দিছিলো।

"মই একেবাৰে ভাল হৈ লওঁ বাৰু? খুব ভালকৈ ৰান্ধি খুৱাম তইঁতক। মোৰ ইয়াত পৰি থাকি বিৰক্তি লাগিছে। বিচনাত পৰি এই ছোৱালীজনীক ৰখি নাথাকি মই আৰু কত কি কৰিব লাগিছিল।"

মোৰ সৰু ভনীজনী বৰ ধুনীয়া হৈছে। তাইৰ নাম থৈছে অল্‌ৱেন। ব্ৰনৱেন আৰু আংগাহ্লাদ লগ লাগি যেতিয়া মাৰ বিচনা-পাতি ঠিক কৰে, তেতিয়া অল্‌ৱেনক মোৰ বিচনাত থৈ যায়। গতিকে তাই ওপজাৰেপৰা আমি দুয়ো বেচ্‌ ভাল বন্ধু হৈ পৰিছিলো।

"মা, অল্‌ৱেনক ঘুৰঘুৰণি তুলিবলৈ কোৱাচোন।"

"কি কৰ তই? তাই কেতিয়াবাই শুলে। তই শো এতিয়া।

"শোঁও তেন্তে।"

"ও, তুইত আৰু খৰি দিবলৈ মাৰ্জেদক মানা কৰিবি।"

প্ৰায় প্ৰত্যেক ৰাতি আমি এনেদৰে কথা-বতৰা পাতিছিলো। কিন্তু সেই দিনাখনৰ কথা মোৰ ভালকৈ মনত আছে, কাৰণ, আমি কথা পাতি থাকোঁতে অৱেন আৰু মাৰ্জেদ দুয়ো হাতত ধৰা ধৰিকৈ মনে মনে পাছফাললৈ ওলাই গৈছিল। আইভৰ আৰু ব্ৰনৱেনৰ স'তে দেউতা গীৰ্জাৰপৰা অহাৰ পিছতো সিহঁত পাছফালেই ক'ৰবাত আছিল।

ব্ৰনৱেনে মোক সুধিছিল, "মাৰ্জেদ ক'ত?"

"পাছফালে।"

তেনেতে মাৰ্জেদ ৰঙা-চিঙা পৰি কোঠাটোলৈ লৰি সোমাই আহিছিল—

সেউজীয়াকৈ আহাৰ গন্ধ পাই তাই উধাতু খাই লৰি আহিছে। ব্ৰনবেনে ডেওঁৰ সেই হাঁহো নেহাঁহো চাৱনিটোৰে মাৰ্জেদৰ পিনে চাই কাঁহীবোৰ থাকৰণবা আনিবলৈ গৈছিল।

"পাছফালৰ চোতালত অৱেনে জুই একুৰা ধৰিলে ভাল হয়, নহয় জানো ?" কাঁহীবোৰ যেনত সজাই থাকি ব্ৰনবেনে সুধিছিল।

"হয়, খুব ভাল হয়", মাৰ্জেদে কৈছিল। "বৰ জাৰ।"

ব্ৰনবেনে আকৌ জোকাইছিল, "হয়নে বাৰু ?"

"এ "নাই অৱেনে মোক কৈছিলহে।"

ব্ৰনবেনে এইবাৰ খুব মৰমেৰে কৈছিল। "পাছফালে থকা অৱেনৰ কাৰখানাটোত এবাৰ সোমাই চালে কিনো জগৰটো লাগিব বুলি ভাবিছ ?"

মাৰ্জেদে কৈছিল, "মই পাছে তালৈ কেতিয়াও যোৱা নাই।"

"গ'লিয়েই বা", ব্ৰনবেনে এইবাৰ ধুনীয়াকৈ হাঁহি কৈছিল, "কোনো কথা নাই, বুজিছ। পাছে, এতিয়া মই কেক্ বনাব লাগিব। তই ঠিকথাক কৰচোন ?"

ৰাতিৰ আহাৰ খাবৰ পৰত অৱেন যেতিয়া আহিল তেতিয়া কিন্তু অৱেন আৰু মাৰ্জেদক দেখিলে তোমাৰ কোনো মতেই সন্দেহ নহ'লহেঁতেন যে সিহঁতৰ মাজত প্ৰেম-পিৰিতি কিবা আছে। সি তাইৰ পিনে যেন চোৱাই নাই আৰু তাইৰো যেন অৱেনৰ প্ৰতি ভ্ৰূক্ষেপ নাই।

কিন্তু অইনবোৰে খাই থাকোঁতে সিহঁত দুয়ো খোৱা মেজৰ ওপৰেদি দুয়োৰে পঠিওৱা চাৱনিবোৰ মই পাছে লক্ষ্য নকৰাকৈ থকা নাছিলো। মুহূৰ্তৰ বাবে ক্ষিপ্ৰ চাৱনি, কিন্তু সেইকণতে সিহঁতৰ অন্তৰৰ সকলো আবেগ সোমাই আছিল। সেই চাৱনিত জুই লগাই দিব পৰা উত্তাপ আছিল।

এইবোৰেই পাছৰ শনিবাৰৰ দিনা, অসুখত পৰাৰ পিছত প্ৰথমবাৰৰ বাবে মায়ে বিচনা এৰি উঠাৰ আনন্দময় দিনটো মাটি কৰি দিবৰ উপক্ৰম কৰিছিল।

মাক অবাক কৰি দি মনটো ভাল লগাবলৈ বহুতো আয়োজন কৰিছিল। গাৱঁৰ গান গোৱা দলটোক মাতিছে। গাঁৱৰ নতুন ধৰ্ম যাজকজন, কয়লাখনিৰ মেনেজাৰজন আৰু ডাক্তৰ বিচাৰ্ডক চাহ খাবলৈ মাতিছে। ইয়াৰ উপৰি মাতিছে আমাৰ আৰু ব্ৰনবেনৰ বংশ পৰিয়ালৰ সকলোকে। আৰু কাক

মাণ্ডিছিল মই ক'ব নোৱাৰো, হয়তো গোটেই গাঁওখনৰ মানুহকে মাতি আনিছিল। নগৰবৰপৰা অনোৱা হৈছিল এটা পিয়ানো। কিন্তু মই জানিছিলো যে পিছদিনা এইটো মা-দেউতাই উপহাৰ স্বৰূপে ব্ৰনবেনকে দি দিব। ইন্ত্রিচ্ ভনে আমাৰ ঘৰটোৰ ভিতৰে বাহিৰে বং লগাই জকমকাই তুলিলে। নগৰৰ-পৰা অনোৱা পিয়ানোটোৰ লগতে আহিল ধুনীয়া নতুন চকী-মেজ কিছুমান।

ঘৰটোত প্ৰথম সোমাই মায়ে মুখখন কেনে কৰিছিল সেইটো দেখিলে প্ৰথমতে তোমাৰ হাঁহি উঠিলহেঁতেন। ওপৰৰ শোৱা-কোঠাটোত বং লগোৱা সুবিধা হ'ব বুলি মাক দুদিনমান আগতে তুলিখনেৰে সৈতে ব্ৰনবেনৰ ঘৰলৈ দাঙি নিয়া হৈছিল। মাক কিন্তু কোৱা হৈছিল যে পুৰণি বিচনাখন মেৰামত কৰিব লাগে বাবে তেওঁক লৈ যোৱা হৈছে। ফেৰকেৰাই শব্দ কৰি এই পুৰণি বিচনাখনে মাক সঁচাকৈয়ে বৰ আমনি কৰিছিল। কেতিয়াবা মায়ে খঙতে কৈছিল যে কুঠাৰ এখনেৰে বিচনাখন টুকুৰা-টুকুৰ কৰি তেওঁ হেনো জুইশালত পেলাই দিব। পুৰণি বিচনাই আমনি কৰো বুলিলে ভীষণ আমনি কৰিব পাৰে কিন্তু।

যেৰৰ কাষৰ বিচনাখনত পৰি থাকি ঘৰৰ সকলো পৰিবৰ্তন মই দেখি আছিলো। এদিনাখন মোৰো উঠিবৰ হ'ল। আইভৰ আহি মোক দাঙি সন্মুখৰ কোঠাটোলৈ দিলে। নতুন বং আৰু নতুনকৈ বেৰত লগোৱা ফুলাম কাগজবোৰে সন্মুখৰ কোঠাটো জিলিকাই তুলিছে।

পাছদিনা মোক পুনৰ পাকঘৰলৈ লৈ যোৱাত মই আমাৰ পুৰণি পাকঘৰটো কথমপিহে চিনি পাইছিলো। ইন্ত্রিচ আৰু তাৰ বুকজপাতে খুব ভালকৈ কামটো কৰিছে।

গোটেই ৰাতিপুৱাটো বাইদেউহঁত, ব্ৰনবেন, মোৰ খুড়ীদেউ, পেহীদেউ আৰু আমাৰ উপত্যকাৰে অইন তিৰোতা কিছুমানে মিলি ঘৰটো ধোৱা-পখলা কৰিলে, যাতে মা আহি ঘৰটো চাফ-চিকুণ দেখে।

দেউতা এবাৰ পাকঘৰৰ বাহিৰলৈ যায়, এবাৰ ভিতৰলৈ আহে— আধা চিলোৱা হৈ থকা পৰ্দাবোৰ আৰু পাকঘৰৰ মজিয়াত পৰি থকা কাঁহী-বাটিবোৰৰ পিনে বিৰক্তিৰে চায়। কালৈকো বাট নেচাই নিজেই যেন সকলো কৰি পেলাব, দেউতাৰ এনে ভাব। এবাৰ হঠাতে ঘূৰি চাই মই তেওঁক লক্ষ্য

কৰি থকা দেখি তেওঁ যেন লাজ পালে । চকুটো টিপিয়াই তেওঁ ক'লে—"মই চাইছো কামবোৰ ঠিকমতে হৈছেনে নাই বুজিছ?"

অৱশেষত সকলো আয়োজন সম্পূর্ণ হ'ল।

শ শ মানুহ আমাৰ দুৱাৰৰ সন্মুখত ৰৈ আছিল। গান গোৱা দলটো আৰু পাতি আহিছিল। ধৰ্ম-সঙ্গীত গাই গাই দলটো পাহাৰ বগাই উঠি অহা মই শুনিবলৈ পাইছিলো। আমাৰ ঘৰত থকা সকলোৱে গানত যোগ দিলে— পিছফালৰ চোতালত বন্ধা-বঢ়া কৰি থকা ছোৱালীজাকে, পাকঘৰত থকা আংগাহ্বাদ, ব্ৰনৱেন আৰু অইন মানুহবোৰে, সন্মুখৰ কোঠাটোত থকা আমাৰ পৰিয়ালৰ অঙহী-বঙহীবোৰে আৰু ওপৰৰ কোঠাত পৰ্দা লগাই থকা অইন তিৰোতা'বোৰে।

চাৰিওপিনে আছিল গান— গোটেই ঘৰটো গমগমাই আছিল গানে, ঘৰৰ বাহিৰতো ভাহি ফুৰিছিল গান। মুঠতে আকাশে-বতাহে মাথোন গান আৰু গান।

মা ব্ৰনৱেনৰ ঘৰৰপৰা আহি পোৱাৰ আগতে দেউতাই আমাৰ গীৰ্জাৰ নতুন ধৰ্মযাজকজনক মোক চাবলৈ লৈ আহিছিল। কয়লা খনিৰ মেনেজাৰ মিষ্টাৰ নি'কালাচ আৰু ডাক্তৰ বিচাৰ্ডচ দুৱাৰ মুখতে ৰৈ আছিল, কাৰণ পাকঘৰটো বন্ধা-বঢ়া কৰা ছোৱালী আৰু তিৰোতাবোৰেৰে ঠাহ খাই আছিল।

দেউতাই কৈছিল, "এইজন হিউ, মিষ্টাৰ গ্ৰুফিদ আৰু হিউ, এখেত হ'ল মিষ্টাৰ মেৰডিন গ্ৰুফিদ আৰু গীৰ্জাৰ নতুন ধৰ্মযাজক। মূৰ দোঁৱাই নমস্কাৰ কৰ।"

"নেলাগে নেলাগে, তুমি শুই থাকা", মোৰ পিনে চাই মিষ্টাৰ গ্ৰুফিদে কৈছিল। "হিউ মৰ্গান, তোমাৰ চকুত যি জ্যোতি দেখিছো, সি যেন কেতিয়াও নাইকিয়া হৈ নাযায়, যিমান দিনেই লাগে তুমি বিচনাত পৰি নাথাকা। অইন ল'ৰাবোৰৰ স'তে তোমাৰ বাহিৰলৈ যাবৰ মন যায়নে?"

"খুব মন যায় মিষ্টাৰ গ্ৰুফিদ।"

"ইয়াৰপৰা এদিন বাহিৰলৈ ওলাব পাৰিবা বুলি তোমাৰ দৃঢ় বিশ্বাস আছেনে?" মিচিকিয়াই হাঁহি তেওঁ সুধিছিল।

"আছে, মোৰ দৃঢ় বিশ্বাস আছে।"

"খুব ভাল কৈছা। পিছে এটা কথা— ডাক্তৰবোৰ নিজেই নকওঁক এই বিষয়ে কোনো দিন যেন মনলৈ কোনো সন্দেহ নাহে।"

ডাক্তৰ বিচাৰ্ডক উদ্দেশ্য কৰি এই কথা ধেমালিতে কোৱা হৈছিল আৰু সেইবাবে ডাক্তৰ বিচাৰ্ডৰ বাহিৰে অইন সকলোৱে হাঁহিবলৈ আৰম্ভ কৰিছিল।

"ল'ৰাটোৰ মগজুত এইবোৰ সোমাই দিলেইতো তাৰ অসুখ ভাল হৈ নাযায়। ভাল কৰিবলৈ যিখিনি সময় প্ৰকৃতিক লাগে সেই খিনি লবই", ডাক্তৰ বিচাৰ্ডে কৈছিল।

মিষ্টাৰ গ্ৰুফিদে উত্তৰ দিছিল, "প্ৰকৃতি হৈছে ঈশ্বৰৰ বশ। থৰথৰকৈ অসুখ ভাল কৰিবলৈ প্ৰকৃতিয়ে আদেশ পোৱাৰ উদাহৰণ মই দুই এটা আগতে পাইছোঁ। আগেয়ে যি ঘটিছে সেইটো পুনৰ ঘটাটো একো আচৰিত কথা নহয়। হিউ, তোমাৰ বিশ্বাস আছেনে?"

"আছে ছাৰ।"

"ভাল কথা। তুমি এই বছৰৰ প্ৰথম ডেফ'ডিল ফুলবোৰ পাহাৰত ফুলা দেখিবলৈ পাবা। যাবানে তুমি?"

"নিশ্চয় যাম চাৰ।"

তেওঁ যোৱাত পাকঘৰটো নিজম হৈ পৰিছিল। দুয়োখন হাততে ময়দা লাগি থকা ব্ৰনৱেনে তেওঁ যোৱাৰ পিনে বহুপৰ চাই আছিল। কোঠাটোত থকা অইন ছোৱালীবোৰেও ইজনীয়ে সিজনীলৈ চোৱা-চুই কৰি আছিল, যেন ডাঙৰ কিবা ঘটনা এটা ঘটিছে।

মই সুধিছিলো, "কিনো হ'ল ব্ৰন?"

"একো হোৱা নাই", ব্ৰনৱেনে উত্তৰ দিছিল আৰু মই লগে লগে বুজিছিলো কিবা এটা নিশ্চয় ঘটিছে। "বঢ়িয়া মানুহজন। এতিয়াৰপৰ গীৰ্জাতো খুব মানুহ হ'ব।"

"হঁ, খুব মানুহ হ'ব। তেওঁ যি গীৰ্জালৈ যায় তাতে খুব মানুহ হয় বোলে", আলু কাটি থকা মিছেছ ইভ্রিছে কৈছিল।

ব্ৰনৱেনে তেনেতে জুহালৰ ওপৰত হ'ব ধৰা কেকটো চাবলৈ গৈছিল।

ইমান পৰে বাহিৰ * গান চলি আছিল। অৱশ্যে কোৰাচ গানৰ বাহিৰে আন সময়ত সকলোৱে একেলগে গোৱা নাছিল। এতিয়া হঠাতে যা এই ঘৰৰ পিনে আহিবলৈ ধৰাত হুলস্থুল চিঞৰ-বাখৰ এখনলাগি পৰিল। মুহূৰ্তৰ

ভিতৰতে হাতৰ কাম-বন শেষ কৰি ক্লেৰেন আৰু অইনবোৰে যা অহা চাবলৈ পাকঘৰৰ বাহিৰলৈ লৰ মাৰিলে।

পাকঘৰটোত থাকিল ৰুকুৰা কেইজনীমান, নতুন চকী-মেজবোৰ, বাহিৰৰ চিঞৰ-বাখৰ আৰু মই।

* * *

অলপ পিছতে মই সন্মুখৰ দুৱাৰখন খোলাৰ শব্দ শুনিবলৈ পালো। ঠিক তেনেতে গানৰ দল'টাৱে গান আৰম্ভ কৰিলে— বোধহয় তেওঁলোকক আগতে এই বিষয়ে শিকাই থোৱা হৈছিল।

মই তৎক্ষণাৎ দুৱাৰৰ পিনে ঘূৰি চালো আৰু মাক দেখিলো। চকু দুটা ভীষণ উজ্জ্বল কৰি আৰু হাত এখন মুখৰ ওপৰত থৈ মায়ে মোৰ পিনে একেথৰে চাই আছিল। মই এতিয়া হাঁহো নে কান্দো বাৰু?

"হিউ, হিউ।"

মোৰ মুখৰ মাত নোলাল। মই অইন পিনে মুখ ঘূৰালো। মা মোৰ বিচনাৰ কালে আগবাঢি আহিল। মোক কন্দনামুৱা হৈ থকা দেখি মাৰো কান্দো কান্দো অৱস্থা হ'ল। তেনেতে আমাৰ দুয়োৰে চকুৱে চকুৱে পৰিল আৰু আমি হাঁহিবলৈ আৰম্ভ কৰিলো। কান্দিবৰ নো কি আছে? কান্দি কি হ'ব?

"অসুখ ভাল পাইছানে মা?" মই সুধিছিলো।

"ভাল পাইছোনে? ওঁ, ভাল পাইছোঁতো। মোক তই ভাল দেখা নাই জানো?"

"তোমাৰ চুলিবোৰ বগা পৰি গ'ল মা।"

"ওঁ, সেই ৰাতি বৰফবোৰ চুলিৰ মাজতে সোমাইছিল নহয়। তোৰ আকৌ মুৰত টুপী:টা আছিল বুলিহে"

মায়ে কিন্তু ধেমালি কৰিহে এনেকৈ কৈছিল। তি'ৰাতা মানুহবোৰ সঁচাকৈয়ে ইমান সাহসী।

দেউতাই তেনেতে মাক সুধিছিল, "বেছ্ এতিয়া ঘৰটো চাবলৈ সাজুনে?" দুৱাৰ মুখত থিয় দি দেউতাই আমাৰ পিনে চাই আছিল।

"সাজুতো।"

পাকঘৰটো ঘূৰি-পকি চাই উঠি মায়ে মোৰ পিনে চাইছিল। আৰু তাৰ

পিছত হঠাতে ওপৰৰ কোঠালৈ লৰি গৈছিল। ঠিকেই কৈছো মাই লৰি উঠি গৈছিল।

মা-দেউতা ওপৰৰ কোঠাটোত বহু সময় থাকিল। ইতিমধ্যে গান গোৱা দলটোৱে কেইবাটাও ধৰ্ম-সঙ্গীত গালে। মা-দেউতা ওপৰৰপৰা নামি আহিল। দুয়ো আকৌ পাকঘৰলৈকে আহিল আৰু মেজখনৰ ওচৰত থিয় দিলে।

মাই দেউতাক সুধিলে, "বাকচটোত এতিয়া কিমান পইচা আছে?"

"বহুত আছে।"

"ডাক্তৰক দেখুৱা আৰু ঘৰ ভাল কৰাৰ পিছতো ইমান আছেনে?"

"খৰচ কৰিবলৈ এতিয়াও যথেষ্ট পয়চা আছে", মিচিকিয়াই হাঁহি এই বুলি কৈ দেউতাই মোৰ পিনে চাই চকু টিপিয়াইছিল। "ব'লা, আমি এতিয়া মিষ্টাৰ গ্ৰিফিদক মাত এষাৰ দি আহোঁগৈ।"

"ব'লা, তুমিয়ে কিবা ক'বই লাগিব। ন'কলে জানো তেখেতসকলে এৰিব?"

"কিনো ক'ম মই?"

"কিয়? আগতে এবাৰ দেখোন সভাত বক্তৃতা দি আহিলা? তাতকৈ অন্ততঃ ইয়াত কথা কোৱা বহুতো সহজ কাম।"

"বাৰু, বাৰু," এইবুলি মায়ে মূৰ দুপিয়াইছিল। উপায়হীন হ'লে সদায় মায়ে এইটো কৰিছিল।

"তেখেতসকলক মাথোন ধন্যবাদ জনালেই হ'ব।"

"ধন্যবাদ মই তেখেতসকলক চাহ খুৱাইহে জনাম। ছোৱালীবোৰে চাহ কৰিছেনে?" মায়ে সুধিছিল।

মই কৈছিলো, "কৰিছে মা। চাহ কৰি সিইত পিছফালে বৈ আছে।"

মা-দেউতা ওলাই গ'ল আৰু অলপ পিছতে সন্মুখৰ কোঠাটোত হুলস্থুল লাগি পৰিল। বৰ ভাগৰ মাতৰ কোনোবা এজনে সকলোকে মনে মনে থাকিবলৈ ক'লে। মই গম পাইছিলো সেইজন মিষ্টাৰ গ্ৰিফিদ, কাৰণ চেষ্টা কৰিলে মিষ্টাৰ গ্ৰিফিদে হয়তো গিথন উপত্যকালৈকো চিঞৰি মাতিব পাৰে।

মিষ্টাৰ গ্ৰিফিদে সন্মুখৰ কোঠাটোৰ খিৰিকী এখনৰ আগত থিয় দি কৈছিল, —"ক্ৰুছবিদ্ধ হোৱা জনৰ নামত তোমালোকক অভিনন্দন জনাইছো।"

সকলোৰে একেলগে কৈছিল, "আমেন।" অন্তৰৰপৰা ওলোৱা এই শব্দটো পাহাৰখনৰ তললৈ বাগৰি গৈছিল।

"মই এই গির্জাত কাম আৰম্ভ কৰাৰ প্ৰথম দিনাখনেই এই গৰাকী মাতৃ আৰু ঘৈণীক— যৰ নাম পঁচোখন উপত্যকা আৰু তাৰ বাহিৰতো সোণৰ আখৰেৰে লিখা থাকিব— তেওঁৰ নিজ ঘৰলৈ পুনৰাগমনৰ অভিনন্দন জনোৱাৰ সুযোগ পাই খুব আনন্দ পাইছোঁ। বেথ মৰ্গান", মিষ্টাৰ গ্ৰুফিদৰ মাতটোৱে উপত্যকাখন ৰজনজনাই গৈছিল, "তুমি নিজ ঘৰলৈ ঘূৰি আহা। হে নাৰী, হে মহান মাতৃ, সন্মানেৰে তুমি গৃহ প্ৰৱেশ কৰা আৰু আমি ঈশ্বৰক ধন্যবাদ দিওঁ তেওঁৰ অশেষ দয়াৰ বাবে, তোমাৰ জীৱন দানৰ বাবে আৰু তোমাৰ বীৰ পুত্ৰৰ জীৱন ৰক্ষাৰ বাবে।"

পাগঘৰটো ইমান নিজম হৈ পৰিছিল যে জুহালৰ ওপৰত ওলোমাই ৰোষ্ট কৰিব ধৰা কুকুৰাকেইটাৰ চৰ্বীবোৰ টোপ টোপকৈ গলি পৰাৰ শব্দ মই স্পষ্ট শুনিবলৈ পাইছিলোঁ। নতুনকৈ দিয়া ৰংবোৰ কাঠৰ ফাঁটবোৰৰ মাজত কুটকুটকৈ সোমাই পৰা, চকীবোৰে মেৰ মেৰ কৰি থকা শব্দৰ বাহিৰে পাগঘৰত অইন কোনো শব্দ নাছিল।

এইবাৰ মাৰ মাত শুনা গ'ল— "বন্ধুসকল, মিষ্টাৰ গ্ৰুফিদক ধন্যবাদ জনোৱাৰ বাহিৰে মোৰ ক'বলৈ অইন একো নাই। মই যে এই ঘৰলৈ সুস্থ হৈ এইদৰে আহিব পাৰিছোঁ তাৰ বাবে ঈশ্বৰক হাজাৰবাৰ ধন্যবাদ দিছোঁ। মোৰ একো ক'বলগীয়া নাই। এতিয়া খাব লাগে। খাবলৈ আছেও যথেষ্ট।"

মুহূৰ্তৰ ভিতৰতে পাগঘৰটো ভৰি পৰিল। ছোৱালীবোৰে পাছফালৰ দুৱাৰেদি ল'ৰ ধৰিলে। মানুহৰ এটা এটা জাক পাগঘৰলৈ সোমাই আহে আৰু সকলোৱে মেজৰপৰা কটী, মাখন, কেক আদিৰ কাঁহীবোৰ আৰু চাহ কৰিবলৈ গৰম পানীৰ কেট্‌লিবোৰ লৈ বাহিৰলৈ ওলাই যায়।

মানুহৰ ভিৰ ঠেলি এহাতে ব্ৰেকবেৰিৰ জেম এগাল আৰু আন হাতে চাহ এপিয়লা লৈ মা মোৰ বিচনাখনৰ কাষলৈ আহিছিল।

"অলপ ৰ, মই কাপোৰ এখন লৈ আহোঁ," মাই কৈছিল।

"কাপোৰ নহলেও হব মা।"

"কাপোৰ এখন নেলোৱাকৈ তোক খোৱা দেখিলে দেউতাৰে মোক কি

বুলিব বাক? ক'ব যে মই তইতক গাহৰি-গড়ালব উপযোগী কৰিহে ভাৱৰ-দীঘল কৰিছো। তই অলপ ৰ।"

কিন্তু মাই কাপোৰ আনিবলৈ যোৱাৰ লগে লগে মই খোৱা আৰম্ভ কৰি দিছিলো।

ব্লেকবেৰি জেম। বেৰিবোৰ তোমাৰ বুঢ়া আঙুলিৰ সমান ডাঙৰ হ'ব—বঙচুৱা আৰু ক'লা। মুখত পেলাই দিলেই বেৰিবোৰ মাখনৰ দৰে এনেকৈ গলিব ধৰিব যে সোৱাদত তুমি চকু দুটা মুদি দিবা আৰু মনে মনে হয়তো ঈশ্বৰক খাটিবা সেই অপূৰ্ব সোৱাদৰ মুহূৰ্ততে যেন তোমাৰ গোটেই জীৱন কাটি যায়।

আংগাহ্লাদে কাপোৰ এখন লৈ আহিল। আৰু মায়ে আংগাহ্লাদৰ ঠাইত নিজে মানুহক চাহ বাকি দিবলৈ ধৰিলে। ব্ৰনৱেন আহিল চামুচ এখনেৰে মোক চাহ খুৱাই দিবলৈ। ইতিমধ্যে নতুন চকী-মেজবোৰ চাবলৈ অহা মানুহেৰে পাগঘৰটো ভৰি পৰিল। সেই সকলৰ কিছুমানে মোৰ ফালে চাই সহানুভূতিৰে লৈতে মিচিকিয়াই হাঁহিলে।

ব্ৰনৱেন মোৰ কাষত বহি থকাৰ বাবে মই ভাল পাইছিলো, কাৰণ ব্ৰনৱেনে মানুহবোৰক মই নেদেখা কৰি থৈছিল। তথাপি মানুহবোৰৰ কিছুমানে মোক চাইহে যাব বুলি মন ঠিক কৰি লৈছিল যেন পাওঁ। তেওঁলোক আহি মোৰ মুৰত আৰু ভৰিত লাহে লাহে থপৰিয়াই দিছিল। তেওঁলোকৰ চকুত চকুলো আৰু সহানুভূতি দেখি আৰু ইয়াৰ বাবে তেওঁলোকক ধন্যবাদ জনাব নোৱাৰি মই আচৰিত হৈছিলো।

এনেতে পাছফালৰ চোতালৰপৰা অৱেনে চিঞৰি উঠা মই শুনিবলৈ পাইছিলো।

"মই আপোনাৰ হুকুম মানিবলৈ নেযাওঁ।" অৱেনে চিঞৰিছিল।

মাৰ্জৰিৰ দেউতাকে কৈছিল, "মোৰ ছোৱালীৰ ওচৰে-পাজৰে তোক আৰু এদিন দেখিব লাগিলে তোৰ হাড় গুৰি কৰিম। চয়তান।"

"মোক এৰি দে। তাৰ মুৰটো মই ভাঙি থৈ আহোঁ", গুইলামে চিঞৰি কৈছিল—কোনোবাই যেন তাক দুহাতেৰে জোৰকৈ ধৰি আছিল।

দেভিয়ে কোৱা শুনিছিলো, "মুৰ ঠাণ্ডা কৰচোন গুইল। মিষ্টাৰ ইভান্স, আপুনি এনেকুৱা ভাবাবে ইয়াত কথা কোৱাৰ কোনো প্ৰয়োজন নাই।"

"মই কি কওঁ নকওঁ সেইটো মই ভালকৈ জানো। অনুগ্ৰহ কৰি তুমি একো নেমাতিলেই ভাল পাম।"

"বুঢ়াক এক লাঠি মাৰনা। তাৰ দাঁত সৰাই দে," গুইলামে আকৌ চিঞৰিছিল।

অৰেনে তাক ধমক দিছিল, "এই গুইলাম, চুপ থাক।"

"মনে মনে থাকচোন গুইলাম," দেভিয়ে কৈছিল। "গণ্ডগোল কৰি কথাটো তই আৰু বেগাহে কৰি পেলাইছ। মিষ্টাৰ ইভান্স, আপুনি আমাক আৰু কিবা কোৱাৰ আগতে দেউতাৰ স'তে দেখা কৰক।"

"মই মোৰ ছোৱালীক এতিয়াই ইয়াৰ পৰা লৈ যাম।"

"মই আকৌ পলাই আহিম," কান্দি কান্দি মাৰ্জেদে কৈছিল।

"কেনে বুঢ়া এতিয়া গম পালি?" গুইলামে ঠাট্টা কৰি উঠিছিল।

মানুহৰ ভিৰৰ মাজেৰে খাগুৱাই আহি থাকি মায়ে কৈছিল, "এই গুইলাম যা এতিয়াই, ইয়াৰ পৰা আঁতৰ হ।"

পাগঘৰত জুম থাই থকা মানুহবোৰে মা আৰু মিষ্টাৰ গ্ৰিফিদক যাবলৈ বাট এৰি দিছিল।

"বেথ্, কি হৈছেনো?" দেউতাই চিঞৰি মাক সুধিছিল।

"গুইলাম, তুমিও আহা" দেউতাক দেখি সকাহ পাই মাই কৈ উঠিছিল। "বৰ বেয়া কথা হৈছে। অৰেন, তোক লৈ মই খুব লাজ পাইছোঁ। আৰু গুইলাম, তোৰ নাম দেউতাৰৰ নামৰ সৈতে মিলাই কিয় ৰখা হৈছিল মই ভাবি নেপাওঁ। মিষ্টাৰ ইভান্সৰ ওচৰত ক্ষমা খোজ।"

"ওহো মা মই সেইটো নকৰোঁ," অঁকৰাৰ দৰে ৰৈ থাকি গুইলামে কৈছিল।

তেনেতে দেউতা আহি কৈছিল, "তুমি ৰবাচোন। ইভান্স, কি হৈছে বাৰু মোক কোৱাচোন।"

"তোমাৰ ল'ৰা মোৰ ছোৱালীৰ স'তে এই চালিখনৰ তলত সোমাই আছিল।"

মানুহবোৰে 'ইচ্ আচ' কৰি উঠিল।

"সিহঁতে কি কৰিছিল বাৰু? দেউতাই প্ৰশ্ন কৰিছিল।

উত্তৰ দিওঁ নিদিওঁ কৈ মিষ্টাৰ ইভান্সে কৈছিল, "সি মোৰ ছোৱালীৰ কঁকালত ধৰি আছিল।"

"মই তাইক চুমা খাই আছিলো," অৰেনে তেনেতে মাত দিছিল।

"অ' হয় নেকি?" দেউতাই কথাটো এনেকৈ ক'লে যেন এই বিষয়ে আৰু তৰ্ক-বিতৰ্ক নিষ্প্ৰয়োজন। আৰু মোৰ বোধেৰে তেতিয়া দেউতাই হাঁহিবলৈ আৰম্ভ কৰিছিল আৰু তাত থকা মানুহবোৰেও নিশ্চয় তাকেই কৰিছিল।

"কথাটো যে তেনেকৈ শেষ হ'ল ভাববাবে মই আনন্দ পাইছো।" দেউতাই কৈছিল। "মাৰ্জেদক মোৰ বোৱাৰী হিচাপে পালে মই খুব ভাল পাম।"

মাৰ্জেদৰ দেউতাকে তেতিয়া কৈছিল, "তাইতকৈ ভাল বোৱাৰী তুমি অইন ক'তো নাপাবাওঁ। গণ্ডগোলখন লগোৱাৰ বাবে মই দুঃখিত গুইলাম। অৱশ্যে এইবোৰ বিষয়ত মই অলপ কঠোৰ।"

"ভালেই কৰিছা। গুইলাম, তুই এওঁৰ ওচৰত ক্ষমা খোজ।"

গুইলামে উত্তৰ দিছিল, "এখেতে তেতিয়া যি ব্যৱহাৰ কৰিছিল আৰু সেই সময়ত মই যি কৈছিলো তাৰ বাবে মই ক্ষমা নোখোজোঁ। অৱশ্যে এতিয়া তেওঁ যেনে ব্যৱহাৰ কৰিছে তেনেকুৱা ব্যৱহাৰ আগতে কৰিলেও মই যদি তেখেতক যেনা ব্যৱহাৰ কৰিলোহেঁতেন, তেন্তে মই নিজে লগে লগে ক্ষমা খুজিলোহেঁতেন।"

কেই মুহূৰ্ত মানৰ বাবে সকলো নিজম পৰি গৈছিল।

"সেই কালৰ পৰা ইয়াতকৈ আৰু বেছি নম্ৰতা আশা কৰিব নোৱাৰি।" দেউতাই এই যুক্তি কোৱাত সকলোৱে আকৌ এবাৰ হাঁহি দিছিল।

ব্ৰনৱেনে তেনেতে মাত দিছিলহি, "চাহ চেঁচা হৈ যাব ধৰিছে।"

ব্ৰনৱেনে মোৰ চাহৰ খালি পিয়লাটো লৈ গ'লহি আৰু লগতে মোৰ খুঁতৰিৰ তলত লাগি থকা জেমৰ টুকুৰাবোৰ গুচাই দিলে।

"বুঢ়া ইভাজটো এটা অধামূৰ্খ।" ব্ৰনৱেনে মোৰ কাণত ফুচফুচাই কৈছিল। "মাৰ্জেদৰ মাকে দেখোন কথাটো কেতিয়াবাৰ পৰা জানে। বুঢ়াৰ চৰ চং এইবোৰ।"

ঠিক তেনেতে পাছ কালৰ চোতালত মিছেছ ইভাঞ্জৰ মাত শুনা গ'ল—

"তোমাৰ লাজ নালাগিল নে?" গিৰিয়েকক উদ্দেশ্য কৰি তেওঁ কৈছিল। মোৰ ছোৱালীয়ে নিশ্চয় অৰেন মৰ্গানক বিয়া কৰাব আৰু সেইটো হলে

মই নিজকে কৃতাৰ্থ মানিম। মিছেছ মৰ্গান, এই মানুহজনে বিশেষকৈ আজিৰ এই শুখৰ দিনটোত এনেকৈ গোলমালখন লগোৱাৰ বাবে মই বৰ লাজ পাইছোঁ।

কেউতাই কৈছিল, "বলা, আমি এতিয়া ভিতৰলৈ যাওঁ। সকলোৰে আহা।"

"গোটেই জীৱন অবেনে আজিৰ কথা নেপাহৰে", আৰু এপিয়লা চাহ আনি দি আংগাছাদে যোক কৈছিল, "তই তাৰ মুখখন দেখিলিহেঁতেন যদি।"

ব্ৰনৱেনে তেতিয়া কৈছিল, "মই এই বিষয়ে কাৰ লগত কথা হৈ চাম, অৱশ্যে সি মোৰ কথা শুনে যদিহে।"

ইতিমধ্যে মানুহবোৰে গান গাবলৈ আৰম্ভ কৰি দিছে। এন্ধাৰ হৈ আহিল আৰু লেম্পবোৰ হালধীয়া ফুলৰ দৰে জলি উঠিল। তিৰোতাবোৰৰ বহুতো কাম পৰি আছিল। মুনিহবোৰে এতিয়া পাহাৰ বগাই তললৈ নামি পানশালাৰ পিনে আগবাঢ়িল।

অবেনক কিন্তু সেই ৰাতি বিচাৰি পোৱা নগ'ল।

৮

স্তালেমান দিনৰ পিছতহে এদিন ব্ৰনৱেনে অৱেনৰ স'তে কথা হ'বলৈ সুযোগ পালে, কাৰণ মা একেবাৰে সুস্থ হৈ যোৱাৰ পিছৰপৰা ব্ৰনৱেনে আগৰ দৰে প্ৰায় সকলো সময়তে আমাৰ ঘৰখনত থাকিবলগীয়া নহৈছিল। মায়ে ঘৰৰ সকলো কাম-বন চলাইছিল।

ব্ৰনৱেনে কিন্তু সদায় ৰাতি আইভৰে খাই উঠোৱাৰ পিছত, আমাৰ ঘৰলৈ আহি পাছদিনা ৰাতিপুৱা মই মিছেছ জেনকিন্সৰ ওচৰত দিবলৈ বুলি তৈয়াৰ কৰা পাঠ মোৰ পৰা মুখস্থ লৈছিল। তাৰোপৰি তেওঁ দেউতা আৰু দাদাইঁতে খনিলৈ নিয়া খোৱাবস্তুৰ বাকচবোৰ ঠিক কৰাত আংগাহ্লাদক সহায় কৰি দিছিল।

এদিনাখন ৰাতি মা দেউতাৰ স'তে ধৰ্মসভা এখনলৈ গৈছিল। অসুখত পৰাৰপৰা ধৰ্মসভালৈ মা সেইদিনাহৈ প্ৰথমবাৰৰ বাবে গৈছিল। এইবাৰে সৰুকলোৱে সেইদিনাৰ ধৰ্ম সভালৈ গৈছিল। অৱেন কিন্তু তাৰ মেচিন আদি লৈ ব্যস্ত থকাৰ বাবে যোৱা নাছিল।

আজি কেইদিনমান ধৰি সি বৰ চুপ চাপ আছে। কেইবাসাজো আহাৰ সি খাবলৈ পাহৰিছে। এই বিষয়ে একো চিন্তা কৰিব নেলাগে বুলি দেউতাই আশ্বাস দিলেও মাই কিন্তু তাক লৈ বৰ চিন্তিত হৈছিল। মাই সদায় আমি কোনোবাই এসাজ নেখালেই চিন্তা কৰিছিল, কাৰণ মাৰ মতে খোৱা-বোৱাত অনিচ্ছা অসুখৰ চিন মাথোন।

অকল মায়ে নহয় মাৰ্জেদেও যথেষ্ট কষ্ট পাইছিল। তাই সেইটো লুকুৱাবলৈ চেষ্টা কৰিলেও মই হলে খুব ভালকৈ ধৰিব পাৰিছিলো। প্ৰায়েই তাই খিৰিকীৰে অৱেনে কাম কৰি থকা চালিখনৰ পিনে চাই থাকে আৰু দুগালেদি তাইৰ চকুলো বাগৰি পৰে। গোটেই শৰীৰটো কঁপাই তুলি

আহিব ধৰা কাম্পোনৰ বেগ সামৰিব নোৱাৰি তাই কোঠাটোৰ পৰা লৰি ওলাই যায়গৈ।

দেউতা মাইত ধৰ্ম-সভালৈ যোৱাৰ পিছত পাছ কালৰ দুৱাৰেদি ব্ৰনবেন আমাৰ ঘৰলৈ আহিছিল। গাৰ চাদৰখন থৈ কাম কৰিবলৈ সাজু হৈ তেওঁ মোক সুধিছিল—

"মাৰ্জেদ ঘৰত আছেনে?"

"নাই, মাইতৰ লগত ধৰ্মসভালৈ গৈছে।"

ব্ৰনবেনে দুৱাৰখন খুলি ক'লে, "তই অলপ ৰবি। মই অৰেনৰ স'তে অলপ কথা বতৰা হওঁ।"

"বাক" পাঠ পঢ়িবলৈ পুনৰ আৰম্ভ কৰি মই ক'লো।

মই সেই সময়ত ইউক্লিডৰ জ্যামিতি পঢ়িছিলো। আজি কিছুদিন আগলৈকে মই তেওঁৰ উপপাদ্যবোৰ কৰি খুব ভাল পাইছিলো। সেইদিনা বৃত্ত এটাৰ ভিতৰত ত্ৰিভুজ এটা অঁকাৰ কথা এতিয়াও ভালকৈ মনত আছে। কাৰণ সেইটো কৰিবলৈ কম্পাচ পাতত কাঠপেঞ্চিলডাল সুমুৱাই থাকোঁতেই খপহকৈ দুৱাৰখন খুলি মাৰ্জেদ কোঠাটোলৈ সোমাই আহিছিল। তাইৰ গাৰ চাদৰখন উৰি আছিল আৰু তাই মোৰ পিনে এনেভাবে চাইছিল যেন প্ৰয়োজন হ'লে তাই যাকে তাকে হত্যা কৰিব।

মাৰ্জেদে মোক সুধিছিল, "অৰেনৰ লগত কোন আছে?"

"ব্ৰনবেন।"

"মই তাইক কাটিম।" এই বুলি গাৰ চাদৰখন তাই দূৰলৈ দলিয়াই দিছিল।

"সিহঁতে কথাহে পাতিছে" মই তেনেতে কৈছিলো।

"কথা পাতিছে? আজিকালি সি মোক দেখিলে ভূত দেখা যেন দিয়ে। এতিয়া গম পালো নহয়।"

"কি গম পালা?" আউল-বাউল চুলিবে সৈতে মাৰ্জেদক তেনে অৱস্থাত দেখি মই আচৰিত হৈ সুধিছিলো।

"চুপ্ থাক্। এতিয়াই বুজিবি নহয়।"

এইবাৰ চালিখনৰ পিনে মুখ কৰি তাই দীঘলকৈ উশাহ এটা ল'লে।

"অৰেন, ব্ৰনবেন মৰ্গান, তাৰপৰা এতিয়াই ওলাই আহা," মাৰ্জেদে চিঞৰিলে।

ডুবাৰ চিঞৰিবৰ তাইৰ প্ৰয়োজন নহ'ল। পিছ মুহূৰ্ত্তে চালিথনৰ তলৰপৰা ব্ৰনৱেন লৰি আহি তাইৰ কান্ধত ধৰিলে আৰু তাইক ঠেলি নি পাগঘৰটোত সুমুৱালে।

প্ৰায় একে সময়তে অৱেনো লৰি আহিল আৰু ডুবাৰখন বন্ধ কৰি দি ডুবাৰত ভেঁজা দি থিয় হৈ খঙেৰে মাৰ্জেৰিৰ পিনে চাই থাকিল।

মাৰ্জেৰিৰ মুখৰপৰা অৱেন আৰু মোলৈ চাই ব্ৰনৱেনে ক'লে, "কি বলিয়ালি-খন কৰিছ ?"

"বলিয়ালি মই কৰা নাই। তেওঁৰ পিনে চাই থকা মই আজি কেইবা-দিনো ধৰি তোমাক দেখি আছোঁ।"

ব্ৰনৱেনে ধমক দিছিল, "মনে মনে থাক মাৰ্জেৰি। মই অৱেনৰ পিনে চাই থকাৰ কাৰণ তই যি ভাবিছ সেইটো মুঠেই নহয়।"

"কথাটো তাইক কৈ নিদিয়া কিয় ?" অৱেনে কৈছিল। মাৰ্জেৰিৰ প্ৰতি তাৰ খং আৰু বিৰক্তি প্ৰতিটো কথাতে ফুটি ওলাইছিল।

"অলপ ধৈৰ্য্য ধৰচোন অৱেন। কোঠাটোত যে সৰু ল'ৰা এটি আছে সেই কথা পাহৰিছ নেকি ?"

অৱেনে উত্তৰ দিলে, "সেই ল'ৰাটোৰ চকু-কাণৰপৰা বৰ বেচি কথা সাৰি নাযায়। তুমি মোৰ চালিখনলৈ কিয় আহিছিলা তাইক কৈ দিয়াই ভাল হ'ব।"

তেতিয়া ব্ৰনৱেনে মাৰ্জেৰিক ক'লে, "অৱেনে কিয় তোৰ স'তে বেয়া ব্যৱহাৰ কৰিবলৈ আৰম্ভ কৰিছে তাকে সুধিবলৈ মই তালৈ গৈছিলো।"

"আৰু মই তোমাক কি কৈছিলো তাকো কৈ দিয়া।" অৱেনে তাৰ গহীন মাতটোৰে ক'লে।

"তাইক বাহিৰলৈ মাতি নি কথাটো তয়ে কৈ দে অৱেন।"

"মোক তোমালোকে এনেকৈ কুকুৰ-মেকুৰীৰ দৰে ব্যৱহাৰ কৰিছা কিয় ?" মাৰ্জেৰে তেনেতে সুধিছিল, "কি কৰিবলগীয়া আছে কৈ দিয়া। যি হয় কিবা এটা হৈ যাওক।"

"তাইক কৈ দিয়া ব্ৰন" অৱেনে কৈ উঠিছিল।

"সি ক'লে যে যিদিনা তইতৰ প্ৰেম বাইজৰ আগত ধৰা পৰিছে সিদিনাৰ-পৰা হেনো সি তোক ভাল পাবলৈ এৰিছে।"

মাৰ্জেদে বিদ্ৰূপ কৰিলে, "পাছে, তেওঁৰ নিজৰ কথা কি ক'লে? তেওঁৰ তোমাৰ স'তে পিৰিতি শেষ হ'ল জানো?"

অৱেনে চিঞৰিলে, "চুপ থাক। যি পাৰ তাকে নক'বি।"

মাৰ্জেদে তেতিয়া খুব শান্তভাৱে সুধিছিল, "অৱেন, সেউভাই আমাক তেনেকৈ ধৰা পেলোৱাত মোৰ জানো কিবা দোষ আছিল? চুমা খাবলৈ জোৰ কৰিছিলা।"

"তাইক বাহিৰলৈ লৈ গৈ কথা হ', অৱেন।" মোৰ পিনে চাই ব্ৰনৱেনে ক'লে।

"একো লাভ নাই। তাইৰ প্ৰতি মোৰ মনটো কঠিন হৈ পৈছে।"

"অন্তৰ অন্ততঃ কঠিন নকৰিবি," এই বুলি হঠাতে কৈয়েই মই বিচনাচাদৰৰ তলত লুকাবৰ মন কৰিছিলো। পাছে কোনো এজনে লৰচৰ নকৰা দেখি মই আগৰ দৰেই বিচনাত পৰি থাকিলো।

ব্ৰনৱেনে কাতৰস্বৰে মাতিলে, "অৱেন।"

অৱেনে কিন্তু লৰচৰকে নকৰিলে। ঘড়ীটোৱে টক্ টক্ কৰি থাকিল আৰু প্ৰত্যেক মুহূৰ্ত্তত ইয়াৰ শব্দ বাঢ়ি অহা যেন লাগিল। অইন সময়ত ইয়াৰ শব্দ কিয় শুনা নাযায় সেইটো ভাবি মই আচৰিত হৈছিলো।

মাৰ্জেদে তেনেতে মুখটো তললৈ কৰি কান্দিবলৈ আৰম্ভ কৰিলে। ব্ৰনৱেনে আকৌ অৱেনৰ পিনে চালে। অৱেনে কিন্তু মেজখনৰ ফালেহে চাই থাকিল।

যেন সেই ৰাতিটোৰ বাবেহে কথাটো বাদ দি থোৱা হ'ল এনেভাৱে ব্ৰনৱেনে ক'লে, "ব'ল মাৰ্জেদ, মোৰ ঘৰলৈ গৈ একাপ চাহ খাওঁগৈ ব'ল।"

এটা শব্দও নকৰাকৈ মাৰ্জেদ ব্ৰনৱেনৰ স'তে ওলাই গ'ল। তেওঁলোক দুৱাৰ খুলি ওলাই যাবৰ পৰত অৱেন দুৱাৰৰ কাষৰপৰা আঁতৰি আহিল।

মোৰপিনে নোচোৱাকৈয়ে সি ক'লে, "ছিঃ, এইবোৰ কথা কাকো নক'বলৈ বোধকৰোঁ তোক ক'ব নেলাগে।"

"নেলাগে বাৰু। পাছে, তাই তেনেকৈ কান্দোতে মোৰ কিন্তু বৰ বেয়া লাগিছিল।"

"মনে মনে থাক।" এইবুলি কৈ সি জুইকুৰাৰ কাষলৈ গৈছিল।

পাছফালে ব্ৰনৱেনে মাৰ্জেদক কিবা বুজাই থকা মই শুনিবলৈ পাইছিলো।

মই অৱেনক সুধিলো, "হেব্ৰনৰপৰা তই কেনেকৈ আহিলি, অৱেন?"

"ক'বপৰা" ?

"হেত্ৰনৰপৰা— য'ত তই মাৰ্জেদক প্ৰথমবাৰ লগ পাইছিলি", মোৰ কিতাপৰ পিনে চাই থাকি মই ক'লো। "সোণ-ৰূপৰ কাপোৰ পিন্ধা মাৰ্জেদক বৰ ভাল দেখা গৈ'ছিল চাগ।"

"এই, মনে মনে থাক দেই।"

"তই অপেক্ষাও কৰিছিলি বহুসময়। পাঁচ হেজাৰ বছৰ। মই কেবল পাঁচ হেজাৰ ইটা লেখি চাইছিলো। বাঃ, ইমান ইটা। লেখি লেখি মোৰ চকু বিষাই গৈছিল।"

অৰেনে কোঠাটোৰ ওপৰৰ পিনে চাই থাকি ক'লে, "সেইবোৰ নকাৰ তাতকৈ ভাল কামত দেখোন এই সময়বোৰ খৰছ কৰিব পাৰ। বাক মই এতিয়া শোওঁগে।"

"বাক, ব্ৰনকী ক'বি মই পঢ়া দিবলৈ বৈ আছো", দুৱাৰৰ পিনে আগবাঢি যোৱা অৰেনলৈ চাই থাকি মই কৈছিলো।

অৰেন ওলাই যাওঁতে কোঠাটোৰ দুৱাৰখন ইমান জোৰেৰে বন্ধ কৰিলে যে গোটেই ঘৰটো কঁপি উঠিল।

কিন্তু ব্ৰনৰেন হ'লে সেই ৰাতি আৰু নাহিল।

ধৰ্মসভাৰপৰা আহি মা আংগান্ত্ৰাদক পঠিয়াইছিল মাৰ্জেদক মাতি আনিবলৈ। কিন্তু মাৰ্জেদ কেইবা ঘণ্টাও আগতে ব্ৰনৰেনৰ ঘৰৰপৰা গুচি আহিছে। মৰিচ নামৰ কচাইজনে ব্ৰনৰেনক তেওঁৰ আসন্ন প্ৰসবা ঘৈণীয়েকৰ ওচৰলৈ যাবলৈ অনুৰোধ কৰিবলৈ অহাৰ পিছতে মাৰ্জেদ তাৰপৰা আহিছিল।

গোটেই ৰাতি মানুহবোৰে মাৰ্জেদক বিচাৰিলে। বাল্ডিপুৰাহে ডাকগাড়ী চলোৱা এলিচৰপৰা গম পালে যে যোৱাৰাতি মাৰ্জেদে সভাৰপৰা সিখন উপত্যকালৈ বাট ধৰা মানুহ কিছুমানক লগ পাই তেওঁলোকৰ লগতে গৈছেগৈ।

দেউতা আৰু মাৰ ভীষণ খং উঠিছিল। সেইদিনাই ৰাতি মিটাৰ ইতাল আহি ওলোৱাত তেওঁলোকৰ খং আৰু চৰিছিল।

তেওঁলোকৰ কথা-বতৰা মই একোকে শুনিলো, কাৰণ তেওঁলোকে ব্ৰনৰেনৰ ঘৰতহে কথা-বতৰা হৈছিল। ঘৰলৈ ঘূৰি আহি দেউতাৰ ইমান খং উঠিছিল যে সেইৰাতি তেওঁ খোৱা-বোৱা একোকে নকৰিলে। দেউতাই

নোখোৱা দেখি অইনবোৰেও নেখালে। অকল মইহে দেউতাহঁত তৃপ্তিৰে যোৱাৰ পিছত ৰাতিৰ আহাৰ খাইছিলোঁ।

...শেষত মাৰ্জেদক বিয়া কৰালে শুইলামে।

সিহঁত দুয়োৰে বয়স প্ৰায় একে সমানেই। শুইলামে আগৰেপৰা মাৰ্জেদক ভাল পাইছিল। বিয়াৰ দিনা অৱেন ঘৰত নাছিল। অকল মা আৰু আংগা-ৰাদহে বিয়ালৈ গৈছিল। ব্ৰনৱেনো যাব পৰা নাছিল, কাৰণ গাৰেথক লৈ সেইসময়ত ব্ৰনৱেন ব্যস্ত থাকিবলগীয়াত পৰিছিল। দেউতাও যোৱা নাছিল— তেওঁ কোনোমতেই মিষ্টাৰ ইভান্সক দেখা কৰিবলৈ মান্তি নহ'ল।

শুইলাম আৰু মাৰ্জেদ সিথন উপত্যকাত নতুনকৈ সজা ঘৰবোৰৰ এটাত থাকিবলৈ ল'লে। সিহঁতৰ ঘৰখনৰ নতুন চকী, মেজ, বিচনা আদি আমাৰ বাকচৰ পইচাৰেই কিনি দিয়া হৈছিল।

ইভান্স বুঢ়াই সিহঁতক একোকে নিদিলে— আনকি পিৰিচ-পিয়লা এযোৰো নাই। কিন্তু তাৰ দুবছৰমান পিছত তেওঁৰ মৃত্যুৰ সময়ত দেখা গ'ল যে তেওঁ তিনিশ পাউণ্ডৰো বেছি গীৰ্জালৈ দান দি গৈছে। বিয়াৰ পিছত দেউতাই কোনোদিনেই তেওঁৰ নাম লোৱা নুশুনিলোঁ।

অৱেন কিন্তু ঘৰৰপৰা বহুদিন আঁতৰি থাকিল। লোৰ কাৰখানাত সি তাৰ মেচিন আৱিষ্কাৰৰ কামত লাগি আছিল। ইয়াৰ বাবে প্ৰয়োজনীয় সকলো যন্ত্ৰ-পাতি লোৰ কাৰখানাৰপৰাই তাক দিয়া হৈছিল। আমাৰ ঘৰখনত ল'ৰা নোহোৱাই হ'ল— মই আৰু দেভিৰ বাহিৰে। তাতে দেভি আকৌ ইমান বেছি সময় বাহিৰে বাহিৰে ফুৰে যে সি ঘৰলৈ আহিলে অইন কোনোবা মানুহ অহা যেনহে লাগে।

তাৰ ইউনিয়নৰ উন্নতি হ'বলৈ ধৰিছে। এই কথা মই ভালকৈ জানিছিলোঁ, কাৰণ সি ঘৰত থাকিলে প্ৰায়েই মই তাৰ চিঠি-পত্ৰ লিখি দিছিলোঁ।

ময়ো ইতিমধ্যে মিষ্টাৰ গ্ৰুফিদৰ সহায়ত যথেষ্ট উন্নতি কৰিছিলোঁ. প্ৰত্যেক দিনাই তেওঁ মোক চাবলৈ আহিছিল, প্ৰায়েই খুব ৰাতিপুৱাতে বা ৰাতি অলপ সময়ৰ বাবে আৰু কেতিয়াবা আবেলি বহুসময়ৰ বাবে। তেওঁ বৰ পৰিশ্ৰমী লোক আছিল আৰু কেতিয়াও অবাবত সময় নকটাইছিল। দিনৰ পিছত দিন ধৰি তেওঁ গোটেইখন পাহাৰতে ঘূৰি ফুৰিছিল—কেতিয়াবা মানুহৰ ঘৰলৈ গৈ সোধে, তেওঁলোক কিয় গীৰ্জালৈ অহা নাই, কেতিয়াবা নৰিয়াত পৰ

দিয়ে, কেতিয়াবা আকৌ খোজ কাঢ়ি গীর্জালৈ আহিব নোৱাৰা অলপ-অথৰ বুঢ়াৰ লগত বহি ধৰ্মকথা পাতে।

তেওঁৰ পৰাই মই আমাৰ দেশৰ বুৰঞ্জীৰ জ্ঞান পাইছিলো। কাৰাডগ, কেডৱালাৰ, লুড, কয়েল এই সকলোবোৰ ৰজা-মহাৰজাৰ নাম মোৰ মুখস্থ হৈ গৈছিল। এইবোৰকে আকৌ মই আমাৰ গাৱেথক কৈছিলো। গাৱেথ ইতিমধ্যে ভালেখিনি ডাঙৰ হৈ উঠিছে—কথা ভালকৈ বুজিব পাৰে।

এদিনাখন মিষ্টাৰ গ্ৰুফিদে মোক সুধিছিল, "পাহাৰত প্ৰথম ডেফডিল ফুল ফুলা তুমি এতিয়াও চাবলৈ খোজা নে, হিউ?"

"হয়, মিষ্টাৰ গ্ৰুফিদ।"

"বাৰু তেন্তে প্ৰাৰ্থনা কৰিবা।" এই বুলি কৈ তেওঁ গুচি গৈছিল।

সেই বছৰৰ বৰদিন আমাৰ ঘৰত বৰ সেৰেঙা হ'ল। দেভি আৰু অৱেন বাহিৰত আছিল আৰু গুইলামে মাৰ্জেদক লৈ বহুদিনৰ বাবে মাৰ্জেদৰ দেউতাকৰ ঘৰলৈ গৈছিল। আংগাহ্লাদ গৈছিল আমাৰ বৰদিনৰ উপহাৰবোৰ লৈ কেৰিদৱেনে কাম কৰি থকা পামখনলৈ। আইভৰে ব্ৰনৱেন আৰু গাৱেথক লৈ ব্ৰনৱেনৰ দেউতাকৰ ঘৰলৈ গৈছিল।

গতিকে ঘৰখন একপ্ৰকাৰ শূন্য হৈ পৰিছিল। শেষত জানিবা মিষ্টাৰ গ্ৰুফিদে কেইবাজনো মানুহ লগত লৈ গান গাবলৈ অহাত ঘৰটো আকৌ আনন্দময় হৈ পৰিছিল।

গাঁৱৰ মানুহে গান শুনি লগে লগে আমাৰ ঘৰলৈ আহিল আৰু অলপ সময়ৰ ভিতৰতে ঘৰৰ সন্মুখ আৰু পাছফালে মানুহ নধৰা হ'ল। ঘৰৰ ভিতৰত মানুহবোৰ এনেকৈ সোমাল যে বেৰৰ কাষৰ বিচনাখনত পৰি থাকি মই গৰমত সিজি যোৱা যেন হ'লো।

প্ৰত্যেকটো গানৰ শেষত ঘৰত বনোৱা মদ আৰু চাহ প্ৰচুৰ পৰিমাণে বিলোৱা হ'ল। গান গাই বা শুনি ভোক লাগিলে খাবলৈকো খোৱা বস্তুৰ অভাৱ মুঠেই নাছিল।

মই গান এটা গাই উঠিছো মাথোন, এনেতে এলিয়াছ নামৰ দোকানীজনে পাছফালৰ দুৱাৰেদি মানুহৰ ভিৰ ঠেলি ভিতৰলৈ সোমাই আহি সকলোলৈকে অৱজ্ঞাৰ চকুৰে চাই থিয় দি থাকিল— যেন, আমি এগাল আৱৰ্জনা আৰু সেই আৱৰ্জনা দাবি দলিয়াই পেলাবলৈ তেওঁ যেন বাঢনী এপাত লৈ বৈ আছে।

মোৰ গানৰ অন্তত পৰা হাতচাপৰি আউৰিৰ শব্দ ভল কৰি এলিয়াছে চিঞৰি উঠিছিল, "শুইলাম মৰ্গান, এনেকুৱা পৱিত্ৰ ৰাতি এটিত এইদৰে গান-বাজনা কৰি হুলস্থুল লগাবলৈ তোমাৰ লাজ লগা উচিত আছিল। আৰু মিষ্টাৰ গ্ৰ ফিদ, আপোনাৰ এই আচৰণৰ কথা গাঁৱৰ মুখীয়ালসকলৰ মেলত উঠোৱা হ'ব। মই এইকথা ভাবি বৰ চিন্তিত হৈছোঁ যে এনে এজন মানুহে দেওবৰীয়া স্কুলত মোৰ ল'ৰা-ছোৱালীক ধৰ্ম শিক্ষা দি আহিছে। আপোনালোকৰ লাজ লগা উচিত।"

"মিষ্টাৰ এলিয়াছক মদ এগিলাচ দিয়া, বেথ।" এইবুলি কৈ দেউতাই আকৌ পাইপ টানিবলৈ আৰম্ভ কৰিছিল।

মিষ্টাৰ গ্ৰ ফিদে এলিয়াছৰ পিনে একেথৰে চাই থাকি সুধিছিল, "আপোনাৰ এই বলিয়ালিৰ মানে কি?"

"এই বিষয়ে আপোনাৰ লগত মই কোনো কথাই হ'ব নোখোজোঁ, যেতিয়ালৈকে আপুনি মুখীয়ালসকলৰ মেলৰ সন্মুখীন নহয়।"

দেউতাই মাত দিলে, "মুখীয়ালসকলৰ আঠজনতো ইয়াতে আছে। মেলখন এতিয়াই পাতিলেই হয় দেখোন।"

"তেনেকথা ক'বলৈ তোমাৰ লাজ নালাগিলনে?" এলিয়াছে চিঞৰি উঠিল।

আমি সকলোৱে হাঁহিলো মাথোন। মিষ্টাৰ গ্ৰ ফিদে তেনেতে থিয় দি মানুহৰ ভিৰৰ মাজেদি এলিয়াছৰ বিমান ওচৰলৈ পাৰে কাষ চাপি গ'ল, আৰু এলিয়াছৰ পিনে অন্তৰ্ভেদী দৃষ্টিৰে চাই থাকি ক'লে,

"মিষ্টাৰ এলিয়াচ, যদি মোৰ ব্যৱহাৰ সময়োপযোগী হোৱা নাই বুলি আপুনি কিবা কথাত দুঃখ পাইছে তেন্তে মই নিজে তাৰ বাবে দুঃখিত। কিন্তু এইকথা আপুনি পাহৰা উচিত নহ'ব যে যীশু নিজে কেনাত উপস্থিত আছিল আৰু নিজে মদ বিলাইছিল। গতিকে আপুনি আজিৰ এই স্ফূৰ্তিত কি অন্যায় দেখিলে?"

মিষ্টাৰ গ্ৰ ফিদৰ গুৰু-গম্ভীৰ মাত শুনি সকলোৱে নিমাত মাৰিলে আৰু কোঠাটো এনেকুৱা নিজম হৈ পৰিল যে আমাৰ ফুলনিৰ সিফালে থকা জুৰিটোৰ পানী বৈ অহা শব্দ মই স্পষ্টকৈ শুনিবলৈ পালো।

এলিয়াছে উত্তৰ দিলে, "মই সেইবোৰ এতিয়া আপোনাক জনাব

নোৱাৰোঁ।" তেওঁৰ কথাৰপৰা এইটো কিন্তু স্পষ্ট বুজা গৈছিল যে তেওঁ নিজে আচলতে একো নেজানে। "মই ইয়াকে মাথোন ক'ম যে আজি পবিত্র দিন আৰু সেইবাবেই হাঁহি-ধেমালি কৰা নিষিদ্ধ।"

"সেইটো ক'লেই নহ'ব, এই ঘৰটো আপুনি জোৰ কৰি সোমাই আহিছে আৰু গালাগালি আৰম্ভ কৰি দিছে। তাকে কৰিবলৈ আপুনি বাইবেলৰ সহায়ো লৈছে। আপোনাৰ নিচিনা মানুহৰ সংখ্যা পৃথিবীত বৰ বেছি হৈ পৰিছে। এতিয়া ভিতিত ধৰি উলিয়াই দিয়াৰ আগতে আপুনি ইয়াৰপৰা বাহিৰ হওক। এই বিষয়ে আৰু যি ক'বলগীয়া আছে মই গীৰ্জাতে ক'ম।"

সেই ৰাতিৰ ক্ষুদ্র ঘটনাই যে এদিন আমাৰ সকলোৰে দুখৰ কাৰণ হৈ উঠিব এই কথাটো সেইদিনা আমি কেনেকৈ জানো বাৰু? এলিয়াছে সেই ৰাতিৰ কথা নেপাহৰিলে। ভালদৰেই প্ৰতিশোধ লৈছিল সি আৰু এই প্ৰতিশোধৰ প্ৰতিটো কথা সি ৰাককৈ উপভোগ কৰিছিল।

কিন্তু এই এলিয়াছৰ কথাও আজি এই মুহূৰ্তত মই মাথোন দুঃখ আৰু বেদনাৰে ভাবিব পাৰোঁ, অইন কোনো ভাবেৰে নহয়।

সেইবোৰ দিন, সেইবোৰ মানুহ এতিয়া আৰু নাই, লগতে এলিয়াছ, তেওঁৰ ঘৈণীয়েক, ল'ৰা-ছোৱালী, আৰু দোকানখনো নাই। ধূলিত মিহলি হৈ যোৱা বস্তু বা মানুহৰ ওপৰত জানো কাৰোবাৰ খং থাকিব পাৰে?

৯

এই নীৰৱ ঘৰখনত বহি মই মোৰ অতীতৰ কথা ভাবি থাকোঁ। স্মৃতিপটৰ য'ত ফাঁক হৈ গৈছে সেইবোৰ পূৰাবৰ চেষ্টা কৰোঁ। মোৰ মনেৰে মানুহৰ জীৱনটো সময়ৰ বুকুত অঁকা কিছুমান হিজি-বিজি আঁকৰ সমষ্টি মাথোন—এই আঁকবোৰ দিওঁতে অলপো চিন্তা কৰা হোৱা নাই, সাৱধানতাৰ আশ্ৰয় লোৱা হোৱা নাই বা এইবোৰক কিবা ৰূপ এটি দিবলৈকো চেষ্টা কৰা হোৱা নাই। নহলেনো, মানুহে বাৰু কিয় ইমান কষ্ট ভোগে ? ইমান কষ্ট ভোগাৰতো কোনো প্ৰয়োজন নাই ইচ্ছা কৰিলেই আৰু অলপ যত্ন কৰিলেইতো কষ্টৰ হাত সাৰি শান্তি আৰু সন্তুষ্টি লাভ কৰিব পাৰি।

খনিৰ আৱৰ্জনাৰ দ'মটো আকৌ আগবাঢ়ি আহিব ধৰিছে।

ই নিজকে ফুচ ফুচাই কথা কোৱা যেন মই শুনিবলৈ পাওঁ আৰু তাকে শুনি আমাৰ এই অকমাণ ঘৰটোৰ বেৰ কেইখনে যেন তাৰ বিৰুদ্ধে যুঁজিবলৈ কঁকালত টঙালি বান্ধি লয়। কেইবা মাহো ধৰি- আমাৰ ঘৰটোৱে যিমান দিন সহিব পাৰিব বুলি মই ভাবিছিলো তাতকৈ বহু বেছিদিন জুৰি— আৱৰ্জনাৰ দ'মটোৱে ঘৰৰ বেৰকিখন আৰু চালখনৰ ওপৰত হেঁচি ধৰি আছে। এই গোটেই কেইমাহ ধৰি নিৰ্মম দ'মটোক ঘৰটোৱে বাধা দি ৰাখিব পাৰিছে, কাৰণ দেউতাইতৰ দিনত মানুহে বেছ ভালকৈ ঘৰ-বাৰী সাজিছিল।

কিন্তু দ'মটো আগুৱাই আহি আছে—চাৰিওফালে আৱৰি তললৈ হেঁচি ধৰিছে এই ঘৰটোক, যিটো এদিন আছিল মোৰ মা-দেউতাৰ আৰু এতিয়া মোৰ। অতি সোনকালে, হয়তো এঘণ্টাৰ ভিতৰতে, ঘৰটো আৱৰ্জনাৰ দ'মটোৰ তলত পোত খাই যাবগৈ আৰু দ'মটো বাঢ়ি বাঢ়ি পাহাৰৰ ওপৰৰপৰা তলৰ উপত্যকাৰ নৈখন পাবগৈ। নৈখন কিমান ধুনীয়া আছিল—কি সুমধুৰ গান, ফটফটীয়া পানী আৰু শিলবোৰৰ মাজেৰে নাচি নাচি কি খেলা!

বহুদিন বিচনাত পৰি থকাৰ পিচত প্ৰথম দিনা নৈখন দেখাৰ কথা মোৰ সদায় মনত থাকিব।

সেইদিনাখন বাত্তিপুৱাতে মিষ্টাৰ গ্ৰুফিদ আমাৰ ঘৰলৈ আহি মাক কৈছিল, "মই হিউক নিবলৈ আহিছোঁ।"

"হিউ ?" মা ইমান আচৰিত হৈছিল যে মাৰ চেলাউৰিযোৰ কপালৰ ওপৰলৈ উঠি মূৰত পিন্ধি থকা এই নীলা কাপোৰখন চুবৰ উপক্ৰম কৰিছিল।

"এৰা, হিউ। এই দিনটোলৈকে সি ইমান দিনে বাট চাই আছে।"

মই মিষ্টাৰ গ্ৰুফিদৰ পিনে চায়েই কথাটো বুজিলো। মাই কিন্তু তেতিয়াও একো বুজা নাছিল।

"তেক'ভিল ফুল ফুলিছে মা।"

"তোমাৰ সাজ-পাৰ ক'ত ?" মিষ্টাৰ গ্ৰুফিদে মোক সুধিলে।

"মোৰ গাকৰ তলত।"

"গাকৰ তলত ?

"ইমানদিনে মই এই দিনটোলৈকে বাট চাই আছিলোঁ।"

কাপোৰ-কানি উলিয়াই আনি মই পিন্ধিবলৈ আৰম্ভ কৰিলো। বিষ অলপ আছিল আৰু হাড়বোৰ কিবা শক্তিহীন যেন লাগিছিল। কিন্তু কাপোৰ পিন্ধিহে এৰিম বুলি মই প্ৰতিজ্ঞা কৰি লৈছিলো।

বিচনাৰপৰা ভৰি কেইখন নমাই মই থিয় দিয়া নিশ্চয় এটা হাঁহি উঠা দৃশ্য হৈছিল। কিন্তু মিষ্টাৰ গ্ৰুফিদ বা মা কোনেও মোৰ পিনে চোৱা নাছিল আৰু তেনেকৈয়ে মই লাজ পোৱাৰপৰা ৰক্ষা পৰিছিলো।

"মোৰ পিঠিত উঠা হিউ।" এই বুলি মিষ্টাৰ গ্ৰুফিদে অলপ কুঁজা হ'ল। ধৰ্মযাজক এজনৰ পিঠিত উঠি মোৰ যি ভয় লাগিছিল সেইকথা মোৰ চিৰদিন মনত থাকিব।

ঘৰৰ বাহিৰ ওলায়েই পালো নিৰ্মল বতাহৰ পৰ্দাখন—সেই পৰ্দাখনত আকৌ কুঁৱলী আৰু সূৰ্য্যৰ পোহৰৰ ফুলবচা।

অলপ সময় মই সূৰ্য্যৰ পোহৰত অভ্যস্ত হ'বলৈ চকু মুদি থাকিলো। অলপ পিছতে মই সহ্য কৰিব পৰা হলো আৰু চকু দুটাইও জলক-তবক নকৰা হ'ল।

প্ৰথম যি দৃশ্য মই দেখিলো সেইটো হৈছে খনিৰ আবৰ্জনাৰ দ'মটো।

ইতিমধ্যে ই যথেষ্ট ডাঙৰ হৈ উঠিছে। দীঘল, ক'লা, প্ৰাণহীন এই দ'মটো নৈখনৰ দুয়োপাৰে উপত্যকাত পৰি আছিল। সেউজীয়া ঘাঁহ, নল-খাগৰি আৰু ফুলবোৰ ইয়াৰ তলত মৰি নাইকিয়া হৈ গৈছে। প্ৰত্যেক মুহূৰ্ত্ততে ইয়াৰ আকাৰ বাঢ়ি আহিব ধৰিছে। ওপৰত ওলমি থকা তাঁৰেদি আৱৰ্জনাবোৰ পাৰ্চিৰে কঢ়িয়াই আনি দ'মটোৰ ঘিণলগা ক'লা পিঠিখনৰ ওপৰত ঢালি দিব ধৰিছে।

নৈখনৰ ইটোপাৰে দ'মটো আহি পাহাৰৰ একেবাৰে তলৰ শাৰী ঘৰৰ সন্মুখৰ বেৰবোৰ পাইছে। সেই ঘৰবোৰৰ কণকণ ল'ৰা-ছোৱালীয়ে দ'মটোৰ ওপৰলৈ উঠা নমা কৰি খেমালি কৰি আছে। নৈখনৰ সিটো পাৰে থকা ঘৰবোৰৰ প্ৰথম শাৰীটোৰ ঘৰৰ চালবোৰলৈকে দ'মটোৱে প্ৰায় ঢাকি ধৰিছে। আৱৰ্জনাবোৰ ওপৰৰ তাঁৰেৰে কঢ়িয়াই আনি ঢালি দিয়া কাম মই দেখা সময়খিনিত অনবৰত চলি থাকিল।

মই সুধিলো, "খনিৰ মালিকসকলে এইটো কৰিব পাৰে জানো, মিষ্টাৰ গ্ৰিফিদ?"

"কি কৰাৰ কথা কৈছা?"

"এই ইয়াত খনিৰ ময়লাবোৰ পেলোৱা?"

"পেলাবৰ যে আইন ঠাই নাই। সৌ পাহাৰৰ ওপৰলৈ চোৱাচোন—তাতে ডেফ'ডিল ফুল ফুলিছে।"

সঁচাকৈয়ে ফুলবোৰ তাত দেখা গৈছিল—বতাহত নাচি থকা হালধীয়া ফুলবোৰ। গোটেই উপত্যকাখনৰ ওপৰৰ অংশ জুৰি—যিমান দূৰলৈকে চকু যায়।

সোণ হয়তো আৰু ক'ৰবাত পোৱা যাব, আৰু মানুহ হয়তো তাৰবাবে আকৌ বলিয়া হব। কিন্তু সেইদিনা বাতিপুৱা ডে'ফডিলবোৰৰ সোণালী বৰণ দেখি মোৰ কেনেকুৱা লাগিছিল সেইটো কোনেও নুবুজিব। ইয়াৰ বহুদিন পিছত মই ডে'ফডিল ফুলৰ আলু তুলি নি আমাৰ ফুলনিত কইছিলো, কিন্তু আৱৰ্জনাৰ দ'মটোৰপৰা অহা ধুলিৰ কোবত গছবোৰ মৰি গৈছিল।

আমাৰ পোনে পোনে পাহাৰৰ নামনিত নৈখনে আনন্দৰ সুৰ তুলি বৈ গৈছিল। অলপ দূৰ গৈয়েই দুয়োপাৰৰ আৱৰ্জনাৰ দ'মৰ মাজত পৰি কিন্তু ই যেন ভয় খাই প্ৰাণহীন হৈ পৰিছিল। সেইখিনি ঠাইত-

নৈথনৰ পানী ক'লা আৰু প্ৰায় গতিহীন। আৱৰ্জনাৰ হ'ব পাৰ হৈ ইয়াৰ গতি আকৌ থৰ—যেন ভয়তে ক'লা দ'মটোৱপৰা বিমান সোনকালে পাৰে খাতবি পলাব খুজিছে। নৈথনৰ দুয়োপাৰ ক'লা পৰি উঠিছে। দুয়োপাৰে থকা ঘাঁহ আৰু নল-খাগৰিবোৰ হালি পৰিছে। সেইবোৰ যেন নিজৰ ক'লা পৰি যোৱা চেহেৰা আৰু নৈথনৰ বাবে লাজত আৰু শোকত মৰিবলৈ ওলাইছে।

"চামন মাছবোৰ এইবছৰ আহিবনে মিষ্টাৰ গ্ৰুফিদ?"—মই সুধিছিলো।

সেপত পাইপটো বিচাৰি থাকি তেওঁ অলপ সময় একো মতা নাছিল।

"মই জনাত যোৱা দুবছৰে এই নৈত চামন মাছ দেখা যোৱা নাই।"

"আৰু ট্ৰাউট মাছবোৰ?"

"মোৰ বোধেৰে সেইবোৰো নাই। সিহঁত সো তেনেকুৱা লেতেৰা পানীত নাথাকে নহয়।"

ভালেই কৰিছে। মাছৰ বুদ্ধি নাই বুলি কোনোবাই ক'লে মই আজিৰ পৰা আৰু বিশ্বাস নকৰোঁ। মাছবোৰৰ দৰে আমাৰ কিছুমানেও যদি চিন্তা কৰিব পাৰিলেহেঁতেন।

"ফুল ছিঙি লোৱা, হিউ। তোমাৰ মাৰাক মই কৈ আহিছিলো দুঘণ্টাত ফিৰি আহিম বুলি। তেওঁ বাট চাই থাকিব।"

ফুলবোৰ ছিঙিবলৈ মোৰ দুখ লাগিছিল। কিন্তু তথাপি এসোপা ফুল ছিঙি লৈ মই মিষ্টাৰ গ্ৰুফিদৰ পিঠিত উঠি ঘৰমুৱা হ'লো।

বাটত মানুহবোৰে মোক দেখি থুৰ বং পালে। প্ৰত্যেক ঘৰৰ দুৱাৰ খুলি তিৰোতাবোৰ ওলাই আহি মোক অভিনন্দন আৰু শুভেচ্ছা জনালে।

আমাৰ ঘৰৰ দুৱাৰদলিত মা ব্ৰনৱেন আৰু আংগাহ্লাদৰ স'তে বৈ আছিল।

"মই, তাক নমাই দিছোঁ ৰব, মিষ্টাৰ গ্ৰুফিদ", এইবুলি আংগাহ্লাদে মোক কঁকালত সাবটি ধৰি নমাই দিবলৈ আহিল। মই কিন্তু তাইক ঠেলি আতৰাই পঠিয়ালোঁ। "যা, যা নেলাগে। মই নিজে খোজ কাঢ়িব পৰা হৈছোঁ", মই ক'লো।

মই খোজ কাঢ়িলো সঁচা, কিন্তু মকৰা এটাৰহে দৰে অদ্ভুত ধৰণে। বেৰ-খনত ধৰি ধৰি অলপদূৰ গৈ মই দেউতাৰ চকীখনত বহি পৰিলো।

মাক ক'লো, "মোৰ ভোক লাগিছে মা।"

"ৰ' ভোক এতিয়াই থাবলৈ দিওঁ। আংগাহ্রাদ, মিষ্টাৰ গ্রুফিদক চাহ এপিয়লা দে। তই লেখোন এনেয়ে থিয় দি আছ।"

তেনেতে মই অনা ভেফ'ডিল ফুলবোৰ ফুলদানী এটাত লৈ ব্রনব্রেন কোঠাটোত সোমালহি। ফুলবোৰৰ সোণালী আভা ব্রনব্রেনৰ মুখত আহি পৰি তেওঁক আৰু ধুনীয়া কৰি তুলিছিল।

"'কেইদিনমান পিছতে তই গাৰেথক ফুৰাবলৈ নিব পাৰিবি, নহয় জানো হিউ?" ফুলদানীৰ ফুলবোৰ ঠিক কৰি থাকি ব্রনব্রেনে সুধিলে।

"ওঁহো, মই স্কুলৈ গৈ পঢ়া-শুনা শেষ কৰিম আৰু তাৰ পিছতে দেউতাৰ লগত খনিত কাম কৰিমগৈ।"

"কিয়, খনিলৈ কিয়, হিউ?" মিষ্টাৰ গ্রুফিদে সুধিছিল। "স্কুলৰপৰা কলেজ আৰু তাৰ পৰা বিশ্ববিদ্যালয়লৈ গৈ ডাক্তৰ বা উকীল নোহোৱা কিয়?"

"ও, সেইটো হ'লে কিন্তু বৰ বঢ়িয়া হ'ব," মাই কৈছিল। "ডাক্তৰ হিউ মর্গান! তই বেলেগে ঘৰ সাজিবি, বাগী-গাড়ী কিনিবি। খুব ভাল হ'ব।"

"মই ডাক্তৰ নহওঁ মা। মাত্র ছমাহ আগতে ডাক্তৰ বিচার্ডচে কৈছিল যে মই হেনো কেতিয়াও খোজ কাঢ়িব নোৱাৰিম। কিন্তু ক'তা? মই দেখোন আজি পাহাৰখন বগাই আহিলোগৈ? .. মই ডাক্তৰ নহওঁ।"

মাই মিষ্টাৰ গ্রুফিদক চাহ এপিয়লা দি জুহালৰ খৰিবোৰ লাৰি-চাৰি থাকিল। মই বুজিলো যে মা মোৰ কথাৰ উত্তৰ স্বৰূপে বহুতো কিবা ক'ব খোজে, কিন্তু মিষ্টাৰ গ্রুফিদ থকাৰ বাবেহে একো ক'ব পৰা নাই।

"আপুনি কিবা ক'ব খুজিছে যদি কৈ দিয়ক, মিছেচ্ মর্গান," মিষ্টাৰ গ্রুফিদে মাক কৈছিল।

"মোৰ ল'ৰা আটাইকেইটা হ'ল অত্যন্ত গোঁৱাৰ।" মোৰ পিনে চাই থাকি মাই খঙেৰে কৈছিল। "আপুনি যদি কয় অমুকটো ভাল, সিহঁতে ক'ব নহয়। আপুনি যদি কয় অমুকটো বেয়া, সিহঁতে ক'ব ওঁহো নহয়। `সিহঁতেহে সকলো জানে। ডাক্তৰ বিচার্ডচে বাৰু একো নেজানে, সেইবুলি তয়ো স্কুললৈ গৈ একো নিশিকিবি নেকি? ডাঙৰৰ কথাবোৰত তহঁতে অলপ মূল্য দিবিছোন।"

মাংস অলপ খাই থাকি মই কৈছিলো, "বাৰু মা।"

মিষ্টাৰ গ্ৰুফিদে যাবলৈ ওলাই কৈছিল—"দেওবাৰে হিউ গীৰ্জালৈ আহিব আৰু ধৰ্ম-সঙ্গীত গোৱা দলৰ লগত বহিব। তেওঁ অকলেও গান এটা গাব।"

মাই কৈছিল, "দেউতাকে এইকথা শুনিলে বৰ ভাল পাব। এই বাবে ধন্যবাদ মিষ্টাৰ গ্ৰুফিদ।"

"ঈশ্বৰে তোমাৰ মঙ্গল কৰক"—এইবুলি মাৰ পিনে চাই হাহি মিষ্টাৰ গ্ৰুফিদ ওলাই গৈছিল।

১০

সেইদিনা দেওবাৰে গীৰ্জাত গান গোৱাৰ দিনা মই গৰ্হিত কাম কৰি পেলাইছিলো। কিন্তু সেইবাবে হ'লে মই আজিলৈকে অনুতাপ কৰা নাই।

সেই দেওবাৰে আমাৰ ঘৰৰ সকলোৰে খুব ৰাতিপুৱাতে শুই উঠিছিল। খিৰিকীৰ বাহিৰলৈ চাই মই দেখিলো যে অটন ঘৰবোৰতো ধোঁৱা ওলোৱা চুঙাবোৰৰপৰা ইতিমধ্যে জুহালৰ ধোঁৱা ওলাব ধৰিছে। সোনকালে গীৰ্জালৈ গৈ ভাল ঠাই ল'বলৈ সেই দিনা যেন সকলোৰে সোনকালে শুই উঠিছে।

চাহ খাই আমি গীৰ্জালৈ খোজ ল'লো। প্ৰথম শাৰীত আছিলো মই আৰু আংগাহ্লাদ। আমাৰ পিছতে শুইলাম আৰু পামৰ কামৰ পৰা ছুটী লৈ অহা কেৰিদ্ৱেন বাইদেউ। তাৰ পাছত ব্ৰনৱেন, আইভৰ, মা আৰু দেউতা।

বাটত আমাৰ দৰে অইন বহুতো পৰিয়াল আমি লগ পালো। সেইবোৰৰ তুলনাত আমাৰ পৰিয়ালটোৰেই আছিল আটাইতকৈ সৰু। দাদাইত আটাই কেইজন থাকিলে অৱশ্যে কথা নাছিল।

গীৰ্জাটো মই ভৰাতকৈ বহুতো ডাঙৰ যেন লাগিল। আমাৰ একমান পাগঘৰটোত ইমানদিন পৰি থকাবাবেই হয়তো মোৰ তেনে লাগিছিল।

ওথ চাপলীবাথনৰ ওপৰত ডাক্তৰ ৰিচাৰ্ডচৰ কাষতে মোক বহিৰলৈ দিলে। গীৰ্জাৰ মানুহবোৰে মোৰ পিনে চাই মিচিকিয়াই হাঁহি ফুচ্ফুচাই কথা পাতি থকাৰ বাবে মোৰ অলপ অস্বস্তি লাগিছিল। মোৰ ভয় হ'ল যে মানুহবোৰে হয়তো মোৰ ক্ষীণ ভৰি দুখনৰ বিষয়ে কোৱাকুই কৰিছে আৰু সেইবাবে মই ভৰি দুখন চকীখনৰ আঁৰত লুকুৱাবলৈ চেষ্টা কৰিলোঁ। কিন্তু তাকে কৰোঁতে মই মাটিত বাগৰি পৰাৰপৰা কোনোমতেহে ৰক্ষা পৰিলোঁ।

“ভৰি দুখন ভালকৈ থৈ পোনাই বহ।” —ডাক্তৰ ৰিচাৰ্ডে ফুচ্ফুচাই কৈ উঠিল। “নহ'লে বাগৰি পৰি তোৰ মূৰ ফাটিব।”

ধৰ্মসঙ্গীত আৰম্ভ হ'ল আৰু তাৰ পাছত মিষ্টাৰ গ্ৰুফিদে প্ৰাৰ্থনা কৰিলে। পুনৰ ধৰ্মসঙ্গীত আৰম্ভ হ'ল আৰু সকলোৱে একমনে তাত যোগ দিলে।

মিষ্টাৰ গ্ৰুফিদে অলপ হাঁহি মোৰ পিনে চালে। মই থিয় দিলো। ইতিমধ্যে মিচেছ টম হেৰিচে অৰ্গেনটো বজাবলৈ আৰম্ভ কৰি দিছে।

শাৰী শাৰী মানুহৰ আগত থিয় দিবলৈ তোমাৰো নিশ্চয় ভয় লাগিব। তোমাৰ মুখখন শুকাই যাব, জিভাখনত আৰু ডিঙিৰ ভিতৰত এসোপা যেন বালি লাগি আছে এনে লাগিব। গান আৰম্ভ কৰিবৰ সময় হ'ব আৰু তুমি দেখিবা যে গানটোৰ অকণো তোমাৰ মনত নাই। পাছে এবাৰ প্ৰথম শব্দটো মনলৈ আহিলেই বাকী কথাবোৰ সহজেই আহি থাকিব আৰু লগে লগে তুমি সুৰ অনুযায়ী গাই যাবও পাৰিবা

মোৰ গানৰ অন্তত মিষ্টাৰ গ্ৰুফিদে ধৰ্ম-বক্তৃতা দিলে। তাৰ পাছত গীৰ্জাৰ বাবে চান্দা তোলা হ'ল, আকৌ এটা ধৰ্ম সঙ্গীত গোৱা হ'ল আৰু একেবাৰে শেষত ধৰ্ম-যাজকে সকলোকে আশীৰ্বাদ কৰিলে। এইবোৰ হৈ যোৱাৰ লগে লগে গীৰ্জাৰ মানুহ সদায় বাহিৰ ওলায়। কিন্তু সেইদিনা গাভৰু ছোৱালীবোৰ আৰু কেইগৰাকীমান অবিবাহিত বয়সীয়াল তিৰোতাৰ বাহিৰে প্ৰায় আটাই সকলোৱে নিজ নিজ ঠাইত বহি থাকিল। বাইদেউইঁত, ব্ৰনৱেন আৰু মা অৱশ্যে গুচি গৈছিল। ডাক্তৰ বিচাৰ্ডে মোক দাঙি ধৰি চালপীৰাখনৰপৰা নমাই দিলে যাতে দেউতাই মোক গীৰ্জাৰ বাহিৰলৈ লৈ যাব পাৰে। কিন্তু দেউতা মোৰ কাষ আহি নোপাওঁতেই কয়লা বেচোঁতা মিষ্টাৰ পেৰীয়ে থিয় দি উঠি কিবা "ক'বলৈ আৰম্ভ কৰি দিলে। গতিকে মই য'ত আছিলো তাতে বহি পৰিলো আৰু দেউতাও যি ঠাইত আছিল তাতে বহি থাকিল।

মই প্ৰথমতে ভাবিছিলো যে মিষ্টাৰ পেৰীয়ে গীৰ্জা সম্বন্ধীয় কিবা বিষয়ে আলোচনা কৰিছে আৰু সেইবাবে মই তেওঁৰ কথাত বিশেষ কাণ দিয়া নাছিলো। কিন্তু হঠাতে তেওঁ মূৰটো আটাই এফালে ইমান খৰকৈ ঘূৰালে আৰু তেওঁৰ মাতটো ইমান কোবাল হৈ উঠিল যে মোৰ ভয় লাগি গ'ল। ঠিক তেনেতে মই কোনোবা ছোৱালী এজনীয়ে মোৰ পাছফালে কন্দা শুনিলো। ছোৱালীজনী আমাৰ কাষেৰে পাৰ হৈ কাঠৰ চালপীৰাখনৰ ওপৰত উঠিল।

ছোৱালীজনীয়ে কয়লাখনিত কাম কৰিছিল। পৰিপাটি সাজ-পাৰ। খুব ধাৰী হয়তো নহয়, কিন্তু পৰিপাটি নিশ্চয়। কান্দি কান্দি তাইৰ মুখখন

উথহি এনেকুৱা বঙা পৰি উঠিছে যে সেইটো দেখিয়েই লৰি গৈ তাইক সান্ত্বনা দিবলৈ মোৰ মন গ'ল।

"ব্যভিচাৰিণী", মিষ্টাৰ পেৰীয়ে চিঞৰিলে। গীৰ্জাত থকা ডেকা-বুঢ়া সকলোৱে 'হু' 'হা' শব্দ কৰি আৰু মূৰ দুপিয়াই তেওঁক সমৰ্থন কৰিলে।

"কামনাৰ ফলতে তুমি বিপদত পৰিলা আৰু তোমাৰ নিচিনা অইন তিৰোতাৰ সদায় যি অৱস্থা হয় তোমাৰো সেয়ে হ'ল।" মিষ্টাৰ পেৰীয়ে হাতখন ওচৰৰ বেলিঙত জোৰেৰে মাৰি থাকি কৈ গ'ল। "তোমাৰ দেহটো হ'ল চয়তানৰ ফান্দ। ঈশ্বৰৰ আদেশৰ বিৰুদ্ধাচৰণ কৰি তুমি জাৰজ সন্তান এটিক এই পৃথিৱীলৈ আনিবলৈ ওলাইছা। "ব্যভিচাৰ নকৰিবা'— ই বাইবেলৰ আদেশ। তোমাৰ নিচিনাবোৰৰ বাবে প্ৰাৰ্থনা কৰাও নিষ্প্ৰয়োজন আৰু গীৰ্জাতো তোমাৰ দৰে তিৰোতাৰ প্ৰবেশাধিকাৰ নাই। প্ৰায়শ্চিত্ত নোহোৱাকৈ তুমি নৰকৰ এন্ধাৰত দিন কটাব লাগিব।...মেটলিন লিৱিচ, তোমাৰ পাপৰ কথা তুমি স্বীকাৰ কৰিছানে?"

মেট্লিন লিৱিছে ভয়ে ভয়ে উত্তৰ দিলে যে স্বীকাৰ কৰিছে।

"তুমি এতিয়া সৰ্বশক্তিমান ঈশ্বৰৰ স'তে শান্তি স্থাপন কৰিব খোজানে?" মিষ্টাৰ পেৰীয়ে আকৌ সুধিলে।

"ওঁ"। মেট্লিন লিৱিছে যিকোনো মানুহৰ স'তে যি কোনো চৰ্ত্ততে চুক্তি কৰিবলৈ সেই অৱস্থাত সাজু আছিল— লাগিলে চয়তানৰ লগতো তাই চুক্তি কৰিব। মাথোন চকীত বহি তাইৰ পিনে চাই 'হু' 'হা' কৰি থকা গীৰ্জাৰ মানুহবোৰ আৰু মিষ্টাৰ পেৰীৰ থঙাল চকু আৰু কোবাল মাতৰ পৰা আঁতৰ হব পাৰিলেই তাই তেতিয়া ৰক্ষা পৰিছিল।

"কিন্তু ঈশ্বৰৰ ক্ষমা লাভ কৰাৰ আগতে তুমি শাস্তি ভুগিব লাগিব"—খুব লাহেকৈ মিষ্টাৰ পেৰীয়ে ক'লে।

"মই যি কৰিছোঁ তাৰ বাবে মই নিজে খুব লাজ আৰু দুখ পাইছোঁ। মোক দয়া কৰক। মই আৰু কেতিয়াও এনে কাম নকৰোঁ।—ঈশ্বৰক সাক্ষী কৰি কৈছোঁ।"

এইবাৰ মাতটো আকৌ ডাঙৰ কৰি মিষ্টাৰ পেৰীয়ে ক'লে, "মনে মনে থাকি তাঙৰে কি কয় শুনা। ঈশ্বৰৰ পৰা তুমি কোনো অনুগ্ৰহ নোপোৱা; আৰু সেইটো যাতে নোপোৱা তাৰে ব্যৱস্থা ল'বলৈ আমি ইয়াত আছোঁ।"

ঠিক এইখিনিতে মই নিজকে লাজত পেলাইছিলো।

কিয় মই জাপ মাৰি থিয় দি উঠি মিষ্টাৰ পেৰীক উদ্দেশ্য কৰি চিঞৰি উঠিছিলো মই নিজেই নেজানো। মই ইমান দিনে যি শিক্ষা পাইছিলো, সেইদিনা মই কৰা আচৰণ সেই শিক্ষাৰ সম্পূৰ্ণ বিৰোধী আছিল। বিশেষকৈ গীৰ্জা এটাৰ ভিতৰত মই তেনে ব্যৱহাৰ কৰা বুলি শুনিলে মা হয়তো লাজতে মৰি যাব। কিন্তু সকলোবোৰ জনা স্ব-স্বও শুভৰ প্ৰকোপত মই ধৈৰ্য্য হেৰুৱাই বাইবেলৰ কথা মুখস্থ মাতি চিঞৰি উঠিলো, "ভণ্ডইত, আগতে নিজৰ চকুৰ জালখন পৰিষ্কাৰ কৰি ল। তেতিয়াহে অইনৰ চকুৰ জাল আঁতৰ কৰিবলৈ নিজে দৃষ্টিশক্তি পাবি। ধিক তইঁতক, ভণ্ডইঁত, কাৰণ অইনৰ বাবে তইঁতে স্বৰ্গৰ দুৱাৰ বন্ধ কৰি দিয়। তইঁতে নিজেও যাব নোৱাৰ আৰু তাত সোমাব খোজা অইনবোৰকো যাবলৈ দিব নোখোজ। .. তইঁত সাপ, স পৰ বংশ তইঁত। নৰকৰ অগ্নিৰ হাত তইঁতে কেনেকৈ সাৰিবি? সেইয়া চা, তইঁতৰ ঘৰ ভাঙি-ছিঙি চুৰমাৰ হৈ গৈছে।"

মিষ্টাৰ পেৰীৰ মুখখন তেতিয়া যদি তুমি দেখিলাহেঁতেন।

মোৰ দুখ লাগি গ'ল, কাৰণ মিষ্টাৰ পেৰী আচলতে ভাল মানুহ আছিল। কৰ্মচাৰীবোৰক তেওঁ অইনতকৈ ভাল দৰ্মহা দিছিল আৰু বিপদত পৰিলে মানুহক তেওঁ পইচা-পাতি দি সহায়ো কৰিছিল। তাৰোপৰি আমাৰ উপত্যকাখনৰ বহুতো ল'ৰা-ছোৱালীৰ স্কুলৰ মাচুল তেৱেঁই দিছিল। মোৰ সঁচাকৈয়ে তেওঁৰ বাবে দুখ লাগিল।

মিষ্টাৰ পেৰীয়ে তেওঁৰ মেলখাই থকা মুখখন বন্ধ কৰিলে আৰু মিষ্টাৰ গ্ৰিফিন চালপীৰাখনৰ পৰা লাহে লাহে নামি আহিল। মুখীয়ালসকলে ইটোৱে সিটোৰ আৰু মিষ্টাৰ পেৰীৰ মুখৰ ফালে চাবলৈ ধৰিলে। মিষ্টাৰ পেৰীয়ে একেথৰে মোৰ পিনে চাই থাকিল আৰু দেউতাই লৰি আহি মোৰ কাণত ধৰিলে।

দেউতাই গৰ্জিলে, "এই মূৰ্খ, এইবোৰ ক'বলৈ তই কেনেকৈ সাহস কৰিলি?"

"সেইবোৰ এৰক, মিষ্টাৰ মৰ্গান্", খুব লাহে লাহে মিষ্টাৰ গ্ৰিফিনে ক'লে। "ল'ৰাটোক ঘৰলৈ লৈ যাওক; ইয়াত আৰু একো নক'ব। আজি আবেলি আৰু ৰাতি তাক গীৰ্জালৈ আনিব নেলাগে পাহাৰলৈকে ফুৰাবলৈ

নিব।” ইয়াৰ পিছত তেওঁ মোৰ পিনে চাই ক'লে, “হিউ, মই তোমাৰ স'তে কাইলৈ কথা হ'ম।”

বাটত মই দেউতাক সুধিলো— “মই অন্যায় কৰিলো নেকি দেউতা?”

“অন্যায়?” এইবুলি দেউতা অলপ বৈ মোৰ পিনে আচৰিত হৈ চালে। “তোৰ নিচিনা অকণমান ল'ৰা এটাই মিষ্টাৰ পেৰীক তেনেকৈ কোৱাটো অন্যায় নহয় যদি কি? মোৰ ইমান লাজ লাগিছে যে পাৰিলে গাঁত এটা খান্দি নিজকে আৰু লগতে তোকো পুতি পেলাবলৈ মন গেছে।”

“কিন্তু তেওঁলোকেতো মেট্লিন লিবিচৰ প্ৰতি নিষ্ঠুৰ ব্যৱহাৰ কৰিছিল?”

“সেইটো বেলেগ কথা। সেইটো মিষ্টাৰ পেৰী আৰু মুখীয়ালহঁতে ভাবি চাব। তাৰ লগত মোৰ একো সম্পৰ্ক নাই।”

“তুমিওতো মিষ্টাৰ পেৰীৰ দৰেই এজন মুখীয়াল। তুমি তেন্তে কিয় মুখীয়াল সকলৰ স'তে একেলগে নবহিলা?”

দেউতাই বিৰক্ত হৈ ক'লে, “মনে মনে থাক্। উস্, পাছফালৰ কোঠাটোত ক'ৰ বৰল এবাঁহ মই পুহিলো। তইতৰ এটাইয়ো অইনৰ কথা চিন্তা কৰিব নাজানিলি। সদায় মাথোঁ নিজৰ জিভাখন লৈ প্ৰস্তুত। তইতৰ কি হ'ব ঈশ্বৰেহে জানে।”

আৰু একো নোকোৱাকৈ আমি পাহাৰ বগাই উঠিবলৈ ধৰিলো। ঘৰবোৰৰ পৰ্দাবোৰ আমি ওচৰ গৈ পোৱাত লৰচৰ কৰিছিল। দুৱাৰ মুখৰ এন্ধাৰত থাকি মানুহে আমাক চাই আছিল বুলি মই ভালকৈ গম পাইছিলোঁ। কিন্তু কোনোৱেই বাহিৰলৈ ওলাই নাহিল। বাটতো মানুহ-দুনুহ নাছিল। মোৰ এনে লাগিল যেন চৰাইবোৰো মোক দেখি আঁতৰি পলাইছে।

আমি ঘৰ সোমালো। মাৰ স'তে কথা হ'বলৈ দেউতা পাগঘৰত সোমাল। তলৰ ওঁঠটো দাঁতেৰে কামুৰি ধৰি আৰু মুখটো জোকাৰি জোকাৰি আংগা-হাদে মোক ক'লে, “ৰ' মায়ে কথাটো শুনক। গম পাবি।”

“তোক কোনে ক'লে?”

“মিচেছ প্ৰচৰে ব্ৰনক কৈছিল। তেতিয়া মই তাত আছিলোঁ।”

“ব্ৰনে কি ক'লে বাৰু?”

“ব্ৰনে মোক কোঠাটোৰ পৰা ওলাই যাবলৈ ক'লে। কিন্তু ক'লে কি হ'ব? বিথিনি শুনিব লাগে মই আগতেই শুনিলোঁ।”

মোৰ খুব ভয় লাগিল। মোৰ কি শাস্তি হ'ব পাৰে তাকে ভাবিবলৈ ধৰিলো পাহাৰৰ সিপাৰৰপৰা পুলিচ আহি মোক জেললৈ ধৰি নিয়াৰ কথা মনলৈ আহিল। পাগঘৰত দেউতাৰ গুৰুগম্ভীৰ মাত শুনা গৈছিল। অলপ পিছত দেউতাৰ মাত আৰু শুনা নগ'ল।

আলমাৰীটোৰ পৰা কাঁহীবোৰ উলিয়াবলৈ মা কোঠাটোলৈ আহিল। মাক অইন দিনাতকৈ বেছি বঙা পৰি থকা যেন লাগিল আৰু মোৰ ভাব হ'ল যে মা হয়তো খঙতে বঙা পৰি আছে। কিন্তু ওপৰৰ থাকৰ পৰা কাঁহী এখন নমাবলৈ ধৰি তেওঁ মোৰ পিনে চালে। মাৰ মুখত আছিল মিচিকিয়া হাঁহি এটি আৰু চকুলো। ইয়াৰ পিছতে মা লৰি আহি মোক সাবটি ধৰিছিল।

"ভাল কৰিছ, খুব ভাল কাম কৰিছ। তোৰ মাৰে কিন্তু খুব আনন্দ পাইছে," মায়ে ক'বলৈ ধৰিলে।

তেনেতে দেউতা কোঠাটোলৈ সোমাই আহিল আৰু কাণ্ড দেখি অসহায় ভাবে দুয়োটা জেপত হাত ভৰাই থিয় দি থাকি ক'লে,

"বুজিলো বেথ্, তুমি তাৰ দবেই বেয়া।"

মাই উত্তৰ দিলে, "হয়, গুইলাম মৰ্গান, ঠিকেই কৈছা। পাছে, তুমিও গীৰ্জাৰ দলটোৰ দবেই বেয়া।"

"অ' এতিয়াহে বুজিলো।"

"কি বুজিলা?" দেউতাৰ ওচৰলৈ গৈ মাই সুধিলে। দুয়োজনৰ কাৰো কিন্তু অকণো খং উঠা নাছিল।

"এতিয়াহে বুজিলো কিয় মোৰ ল'ৰাইত এনেকুৱা হৈছে। তুমিয়ে তাৰ কাৰণ।"

মাই দেউতাৰ পিনে চালে আৰু দেউতায়ো মাৰ পিনে চালে। মাই হাঁহিলে।

"ওঃ ক'লেই হ'ব নেকি?" এইবুলি কৈ মা বেগাই পাগঘৰলৈ গুচি গ'ল।

দেউতাই মোৰ পিনে চালে। তেওঁৰ চকুত থকা হাঁহিটো লাহে লাহে গোটেই মুখখনতে বিয়পি পৰিল।

"আমি সঁচাকৈয়ে এটি অদ্ভুত পৰিয়াল। ...ব'ল বাছা, হাত ভৰি ধুই খাবলৈ বহোঁগৈ।"

১১

সেই দেওবাৰে আবেলি আমি পাহাৰৰ টিং পোৱাৰ অলপ আগতে দেউতাই তেওঁৰ পাইপত ধঁপাত হুমুৰাবলৈ আৰু ভাগৰ জিৰাবলৈ বৈছিল। দেউতাই মোক কৈছিল—

"চা হিউ, তই যি ইচ্ছা তাকে কৰিব নোৱাৰ। কিছুমান কাম কৰিব লাগে, কিছুমান নেলাগে। ভাল কাম, বেয়া কাম—এই দুবিধ সদায় আছে। আৰু কোনটো ভাল কোনটো বেয়া সেইকথা বয়সস্থ আৰু চিন্তাশীল মানুহবোৰেহে আটাইতকৈ ভালকৈ জানে?"

"হয় দেউতা।"

"হয়নে?" মই কিন্তু তোৰ কথা পোনপটীয়া হৈছে বুলি নাভাবোঁ দেই। তই 'নহয় দেউতা' বুলিয়েই ক'ব খুজিছ, নহয় জানো?"

"হয় দেউতা।"

"মন খুলি নক'ব কিয়?" দেউতাৰ খং উঠিছিল। "মোৰ স'তে সদায় মনৰ কথা খুলি কৈ দিবি। তাকে নকৰি মিছা এসোপা মাতি থাকিলে মই তোৰ কি উপকাৰ কৰিব পাৰিম বাৰু?"

"কিন্তু দেউতা, আজি পুৱা গীৰ্জাত মনৰ কথা কৈ দিওঁতে দেখোন মোক মূৰ্খ বুলিছিলা?"

"কৈছিলো সঁচা। পাছে সেইটো বেলেগ কথা। তেতিয়া যি কথাৰ লগত তোৰ কোনো সম্বন্ধ নাই তেনে কথাত তই মাত মাতিছিলি। তোৰ ভবি ভালে থাকিলেতো তই ভাত বহি থাকিবই নেপাব— মাৰ আৰু আংগাহ্লাদৰ স'তে আগতেই ঘৰলৈ গুচি গ'লহেঁতেন।"

"তেতিয়া হ'লে মেট্‌লিন লিব্ৰিচৰ হৈ মাতোঁতা আন কোনো গীৰ্জাত নোলালেহেঁতেন।"

"মেট্‌লিন লিৱিচ বেয়া ছোৱালী" দেউতাই পাইপটো টানি থাকি ক'লে।

মই সুধিলো, "কিয় ? কেঁচুৱা জন্ম দিয়া বাবে নেকি ?"

"চুপ কৰ এতিয়া। তই যি বিষয়ে একো নেজান সেইবোৰ লৈ পেক্‌পেক্‌ নকৰিবি।"

"মই সকলো জানো দেউতা। মেট্‌লিন লিৱিচ ক্ৰিচ্‌ ফিলিপচ্‌ৰ লৈতে পাহাৰলৈ গৈছিল। এতিয়া সি তাইক গীৰ্জাত অপমানিত হ'বলৈ এৰি দিছে।"

দেউতাই সুধিলে, "তই কেনেকৈ জানিলি ?"

"কিমানবাৰ তিৰোতাবোৰে কোৱা মই শুনিছোঁ যে সি সোনকালে বিয়াখন পাতি নেপেলালে বিপদত পৰিব।"

দেউতাই তেতিয়া কৈছিল, "উস্‌ ই দেখোন তিৰোতাবোৰতকৈও চাৰ। তোক মই পাগঘৰটোৰপৰা উলিয়াই দিম ৰ। তোৰ নিচিনা শহাকণীয়া আৰু দেখা নাই।"

"আজিয়েই কিন্তু প্ৰথমবাৰ মই মোৰ মুখ খুলিছিলো।"

"আৰু মই আশাকৰোঁ সেইটোৱে শেষবাৰ হ'ব। তুনাই এনেকুৱা কৰিলে মানুহে আমাক উপত্যকাৰ পৰাই খেদি পঠিয়াব।"

"কিয় বাৰু ?"

"কাৰণ তোৰ নিচিনা সৰু ল'ৰা এটাই কিবা মতামত প্ৰকাশ কৰা ভাল কথা নহয়," দেউতাই খুব গহীনভাবে কৈছিল। "আমাৰ উপত্যকাত এনেবোৰ অপকাৰ্য্য নহয়, কাৰণ আমি এই বিষয়ে সদায় কঠোৰ হৈ আছোঁ। গতিকে বেয়া কাম এটা কৰাৰ আগতে আমাৰ মানুহে বহুতবাৰ ভাবি চায়। তিৰোতাবোৰৰ ক্ষেত্ৰতো সেই একেই কথা। মেটলিন লিৱিচৰ দৰে আইন তিৰোতাবোৰো যদি আওবাটে যায়, তেতিয়াহ'লে আমাৰ কি অৱস্থা হ'ব ?"

"কি হ'ব ?" মই সুধিছিলো।

"প্ৰথমতে, আমাৰ উপত্যকাত এটা পুলিচ থানা পাতিব। সেইটো হ'লে ভাল হ'ব জানো ? আমি যেন জেললৈ যাবলৈ বৈ থকা এজাক দাগী-বদ্‌মাছ! আৰু আমাৰ ঘৰৰ অৱস্থা কি হ'ব ? মা-ভনীহঁতৰ অৱস্থা কি হ'ব ? মেট্‌লিন লিৱিচৰ দৰে আংগাহ্রাদৰ অৱস্থা হোৱাটো তই ভাল পাবিনে ?"

"ওহো দেউতা, আংগাহ্রাদৰ কেতিয়াও তেনে নহয়। তাইতো কেতিয়াও পাহাৰলৈ নাযায় ?"

"উস্ ভগবান, তেওঁ যে কি ল'ৰা। মইতো আংগাম্ভাদৰ তেনে অৱস্থা হ'ব বুলি কোৱা নাছিলো। মই মাথোন কৈছিলো—যদি তেনেকুৱা হয়। আৰু তেনেকুৱা কিবা সচাঁকৈয়ে হ'লে তাইক গলত টিপি হত্যা কৰিম।"

"সচাঁকৈয়ে দেউতা?"

"সচাঁকৈয়ে কৈছো" দেউতাই জোৰ দি কৈছিল। "মই ন দি ক'ব পাৰোঁ, আজি ৰাতিপুৱা যি হ'ল তাৰ পৰা বহুতো ছোৱালীয়ে পাপীষ্ঠাত পৰিণত হোৱাৰ আগতে দকৈ ভাবি চাব।"

"তাই পাপীষ্ঠা এইবাবেই যে তাই কোনোবা এজনক বিয়া কৰাই বিচনাত শোৱাৰ সলনি বেলেগ মানুহ এজনেৰে সৈতে পাহাৰলৈ গৈছিল। সেইবাবেই, নহয় জানো দেউতা?"

মোৰ ফালে পিঠি দি বহি তলৰ উপত্যকালৈ চাই থাকি দেউতা অলপ পৰ মনে মনে থাকিল।

সূৰ্যটো সিদিনা উজ্জল, কিন্তু তাতোকৈ উজ্জ্বল আছিল উপত্যকাৰ সেউজবোৰ। তাৰ মাজে মাজে সোণবৰণীয়া, হালধীয়া, গুলপীয়া আৰু নীলা ফুলবোৰ। বাদাম গছবোৰত ফুল ফুলিছে। সিফালে জ'ন্সৰ বাগিছাৰ আপেল গছত ভালকৈয় আপেল লাগিছে। তেওঁৰ ক'লা গৰুৰ জাকটো নৈখনত নামিছে। আমাৰ ওচৰতে ভেৰা এজাকে নাকবোৰ মাটিত লগাই ঘাঁহ খাব ধৰিছে। বতাহৰ সোঁ-সোঁৱনি বন্ধ হ'লে সিহঁতৰ ঘাঁহ চোবোৱা শব্দ স্পষ্ট শুনা যায়।

সেইদিনা আবেলি উপত্যকাখন সঁচাকৈয়ে ধুনীয়া দেখা গৈছিল অৱশ্যে সেতিয়া'লকে সোঁফালদৈ মুৰ ঘুৰোৱা নহয় তেতিয়া'লৈকেহে। সেইটো কৰিলে পোনেই চকুত পৰেহি খনিৰ আৱৰ্জনাৰ দ'ম দুটা।

"ওঁ, সেইবাবেই তাই পাপীষ্ঠা," বহু পৰৰ মুৰত দেউতাই কৈছিল।

"তেতিয়াহ'লে ক্ৰিচ ফিলিপচ্ কি?"

"সে বেয়া কাম কৰিছে। মিষ্টাৰ গ্ৰুফিদে তাক ভালকৈ জেৰা কৰিব।"

"কিন্তু গীৰ্জাৰ গোটেই মানুহৰ আগততো নকৰে। যদি মেট্লিন লিৱিচ পাপীষ্ঠা, তেন্তে ক্ৰিচ্ ফিলিপচ্ কাপুৰুষ, আৰু সিহঁত দুটাৰ ভিতৰত কোন বেছি বেয়া মই ভালকৈ জানো।"

"আকৌ কথা কৈছ, নহয়? এইবোৰ ভাবিবলৈ এৰ বুজিছ? অঙ্ক বেছিকৈ কৰ, কিতাপ বেছিকৈ পঢ় আৰু কথা কম ক। .. ৰ'ল আমি এতিয়া ঘৰলৈ গৈ চাহ একাপ খাওঁগৈ।"

ওচৰচুবুৰীয়া তিৰোতাবোৰৰ বহুতেই ইতিমধ্যে আমাৰ ঘৰলৈ আহি গৈছে বুলি ঘৰ পোৱাত মাই আমাক ক'লে। তেওঁলোক হেনো আহিছিল গীৰ্জাৰ ঘটনাটোৰ বাবে মাক সমবেদনা জনাবলৈ।

"মই তেওঁলোকক ক'লো যে দুখ কৰিবলৈ একো নাই," কটাৰীখনেৰে কটা কাটি থাকি মায়ে আমাক কৈছিল। জুহালৰ জুইৰ পোহৰ পৰি কটাৰীখন বগা হৈ জিলিকি উঠিছিল।

"অকল ইয়াকে ক'লানে?" দেউতাই মাক সুধিছিল।

"এয়াও ক'লো আৰু অইন কথাও ক'লো।"

"বাৰু, ভাল কৰিলা। পাছে, অইন কথাবোৰৰ বিষয়ে মই পিছতহে শুনিম। গোটেই ঘটনাটো ইয়াতে শেষ কৰা যাওক। ই আজি ৰাতি ব্ৰনৰ ওচৰলৈ গৈ আমি গীৰ্জাত থকা সময়খিনি লিখা-পঢ়া কৰি কটাওক।"

মাই তেতিয়া ঘপহকৈ কৈছিল, "মই আজি ৰাতি গীৰ্জালৈ নেযাওঁ।"

"বেশ্ আমি দুয়ো আজি গীৰ্জালৈ যাম। এই বিষয়ে আৰু কোনো কথা নচলিব। মানুহে যি কয় সেইবোৰ নেভাবিলেই হ'ল। গীৰ্জা হৈছে ঈশ্বৰৰ ঘৰ। দুয়ো ৰাতি গীৰ্জালৈ যাম, বুজিছা?"

"বাৰু শুইলাম্।"

...

পিছদিনা ৰাতিপুৱা মই মিষ্টাৰ গ্ৰুফিদৰ বাবে বাট চাই আছিলোঁ। তেওঁ কি কয় মোৰ জানিবৰ বৰ ইচ্ছা গৈছিল। চিন্তাত আৰু ভয়ত ৰাতি মোৰ অকণো টোপনি নাহিল।

মিষ্টাৰ গ্ৰুফিদ কিন্তু সাধাৰণতে আমাৰ ঘৰলৈ যিদৰে আহে ঠিক তেনেকৈয়ে আহিল— যেন একেবাৰেই হোৱা নাই। ক'ৰবাত .য কিবা গোলমাল আছে তাৰ ইঙ্গিত পোৱা গৈছিল মাথোন মাৰ পৰা। মাৰ হাত-ভৰি ইমান কঁপিছিল যে চাহৰ কেট্‌লিটো তেওঁ মেজত থৈ দিবলৈ বাধ্য হ'ল আৰু আংগাঙ্কাৰে মিষ্টাৰ গ্ৰুফিদক চাহ বাকি দিবলগীয়া হ'ল।

আমি পাহাৰ বগাবলৈ আৰম্ভ কৰিলো আৰু সাধাৰণতে আমি যিমান দুৰ

বাও ভাতকৈ বেছি ওপৰলৈ গলোঁ। ইতিমধ্যে মই যথেষ্ট সবল হৈ উঠিছিলো আৰু এডাল লাঠী লৈ ভালকৈ খোজ কাঢ়িব পৰা হৈছিলো। আমি পাহাৰৰ একেবাৰে ওপৰলৈ গৈ পোৱাত মিষ্টাৰ গ্ৰুফিদে ক'লে, "হিউ, আমি সৌ তাত বহোঁগৈ ব'লা।"

পাহাৰৰ একেবাৰে ওপৰত থকা শিল এটাৰ ওপৰলৈ গৈ আমি সেউজীয়া ঘাঁহৰ ওপৰত ব'হ লৈ বহিলো। ঘাঁহবোৰ আছিল আমাৰ ঘৰৰ মেজত পৰা কাপোৰখনতকৈও সেউজীয়া।

মিষ্টাৰ গ্ৰুফিদে ক'লে, "হিউ, কালি গীৰ্জা ঘৰত কিবা ঘটনা এটা ঘটিছিল। সেইটো অৱশ্যে মোৰ এতিয়াও সপোন যেন লাগি আছে। সৰু ল'ৰা এজনে একো নজনা কথা এটাত মাত মাতিছিল। সি অনুমতি নোহোৱাকৈ কথা কৈছিল। সি আইন মানুহৰ কথাত বাধা দিছিল। মুঠতে সি অভদ্ৰ আচৰণ কৰিছিল।"

"হয়, মিষ্টাৰ গ্ৰুফিদ।"

"কিয়" তলৰ উপত্যকাখনলৈ চাই থাকি তেওঁ মোক সুধিছিল।

"মেট্‌লিন লিৱিচৰ বাবে মোৰ দুখ লাগিছিল আৰু সেয়েহে তেনেকৈ কৈ উঠিছিলো। এইবাবে এতিয়া মই নিজে লাজ পাইছোঁ।"

"তুমি অন্যায় কৰিছিলা হিউ", মোৰ পিনে চাই মিষ্টাৰ গ্ৰুফিদে কৈছিল। "এনে কাম তুমি আগলৈ কেতিয়াও নকৰা বুলি প্ৰতিজ্ঞা কৰা উচিত। এবাৰেই যথেষ্ট হৈছে।"

"হয় চাৰ।" কিন্তু সেই বুলি ক'লেও অন্তৰেৰে মই 'নহয় চাৰ' বুলিহে ক'লো।

"সকলো কামতে সৎ পথ আৰু অসৎ পথ আছে। তোমাৰ দেউতাৰে তোমাক লৈ চিন্তাত পৰিছে। গীৰ্জাতে যদি তুমি তেনে ব্যৱহাৰ কৰা বাহিৰত কি কৰিবা বাৰু? ভৱিষ্যতে তোমাৰ কি হ'ব?"

"তেওঁলোকে তাইৰ প্ৰতি নিষ্ঠুৰ ব্যৱহাৰ কৰিছিল।" গীৰ্জাঘৰৰ ঘটনাটোৰ কথা ভাবি মোৰ আকৌ খংটো উঠি আহিছিল। ঈশ্বৰেতো তেনে কৰিবলৈ কোৱা নাই। 'যোৱা, দুনাই কিন্তু পাপ নকৰিবা' যীশুৱে কৈছিল।"

মিষ্টাৰ গ্ৰুফিদে উত্তৰ দিছিল, "তুমি বাইবেলৰ কথা ভালকৈয়ে জানা, কিন্তু জীৱনৰ কথা একোকে নেজানা।"

"আপুনি বাক ঘটনাটো আগবাঢ়িবলৈ দিছিল কিয় ?" মই সুধিছিলো।

"মই ধর্মযাজকহে মাথোন," মাতটোত বেজাৰ লৈ তেখেতে উত্তৰ দিছিল। "কিন্তু সিহঁতৰ মূৰ্খামি মই সময় হ'লে নোহোৱা কৰিব পাৰিম; আৰু সেইটো হিউ মৰ্গানৰ সহায় নোহোৱাকৈ পাৰিম "

মিষ্টাৰ গ্ৰূফিদে উপত্যকাখনৰ সিপাৰে থকা পাহাৰবোৰৰ পিনে চাই থাকি কৈছিল, "হিউ, তুমি এইটো বুজা উচিত যে, এই উপত্যকাৰ মানুহে নিজে ইয়াত ঘৰ বাৰী সাজি পৰিয়ালৰ সৈতে বাস কৰিছে। এইবাবে তেওঁলোকে চৰকাৰৰ সহায় লোৱা নাই। জন্মৰেপৰা ইয়াৰ মানুহ চলি আহিছে বাইবেলৰ নিৰ্দেশ অনুযায়ী। তেওঁলোকৰ অইন কোনো নিৰ্দেশক নাই, অইন কোনো আইন নাই। ইয়াৰ ফলত যদি দুই এজন ভণ্ডৰ জন্ম হৈছে, তেন্তে সেইটো মানৱ জাতিৰে দোষ। মেট্‌লিন লিৱিচৰ বাবে মোৰো বেয়া লাগিছিল। কিন্তু মুখীয়ালসকলৰ মেলখনৰ মূল্য আছে — ই পাপ কামৰ পৰা মানুহক দূৰত ৰাখে। নিষ্ঠুৰ আচৰণ কৰা হৈছিল সঁচা, কিন্তু পাপ কৰাত মানুহক বাধা দিবলৈ চেষ্টা নকৰা তাতকৈ বহুত বেয়া।"

মই কৈছিলো, "কিন্তু ইমানবোৰ মানুহৰ আগত তেনে আচৰণ কৰাটো মুঠেই ভাল নহয়।"

"নিশ্চয় নহয়। কিন্তু তথাপি আমি সময় অনুযায়ী কাম কৰিব লাগিব। মই ঈশ্বৰৰ দাস, লগতে গীৰ্জা ঘৰৰো। মুখীয়ালসকল হ'ল মোৰ মালিক। গতিকে মই ভাবি-চিন্তি কথা ক'ব লাগিব, হিউ মৰ্গানৰ নিচিনাকৈ নহয়। আৰু তাকে কৰিলে গীৰ্জাৰ চাকৰি হেৰুৱাই মই বাটে-পথে ঘূৰি ফুৰিব লাগিব। তেতিয়া হলে মানুহৰ ভাল কৰাও মোৰ পক্ষে সম্ভৱ নহ'ব। বুজিলানে এতিয়া ?"

"হয়, মিষ্টাৰ গ্ৰূফিদ। কথাবোৰ বুজি এতিয়া মোৰ আৰু বেয়া লাগিছে।"

"ঠিক আছে হিউ। তোমাৰ অন্তৰৰ অনুভূতি লাগে বিয়েই নহওঁক, সদায় ভাবিবা, চিন্তিবা আৰু পিছতহে কামত লাগিবা।"

"বাৰু মিষ্টাৰ গ্ৰূফিদ।"

"ব'লা ঘৰলৈ যাওঁ। তোমাৰ মায়ে ৰান্ধি থকা মাংসৰ গোন্ধ মই ইয়াৰ-পৰাই পাব ধৰিছো।" থিয় দি উঠি মিষ্টাৰ গ্ৰূফিদে কৈছিল।

১২

এদিন আয়াঙ্কো আহি ঘৰ ওলালহি।

ডাক কটিওৱা এলিচে এদিন ৰাতিপুৱা আমি চাহ খাই থাকোঁতে তাৰ বগা ঘোঁৰাজনীৰ সৈতে আমাৰ ঘৰৰ সমুখলৈ আহি মাক মাতিছিল। খবৰ প্ৰায় আঠাইকেইটা ল'ৰা বাহিৰত থকা বাবে মা তেতিয়া এলিচক নেৰদুত বেন দেখিছিল। কেতিয়াবা আকৌ এলিচ আহিলে মাই ভয়ো খাইছিল, কিবা বেয়া খবৰ লৈ আহিছে বুলি।

চিঠি এখন মাক দি এলিচে কৈছিল, "এইবা লণ্ডন মিচেছ মৰ্গান, মস্ত ডাঙৰ চিঠি এখন আহিছে আপোনাৰ নামত। পিছে চিঠিখনত টিকেট লগোৱা নাই। গতিকে চাৰি পেন্স আপুনিয়ে ভৰিব লাগিব।"

"তিতৰলৈ আহা এলিচ", পইচাখিনি আনি দিবৰ বাবে খৰধৰ লগাই মায়ে কৈছিল। "আংগাহ্লাদ, কেৰাহীটোত মাংসখিনি গৰম কৰচোন। চাহ একাপ খোৱা এলিচ।"

"সঁচা কথা ক'ব লাগিলে ইয়াত চাহ খালে আজি এতিয়ালৈ মোৰ তিনিবাৰ খোৱা হ'ব। পাছে, পেটটোত ধৰে যদি খোৱাতনো আপত্তি কি?"

পইচাখিনি দি মায়ে চিঠিখন লৈ খুলিবলৈ ধৰিলে।

"আয়াঙ্কোৰ চিঠি" চিঠিখন খুলি খিৰিকিৰ কাষলৈ গৈ মায়ে ক'লে। "কি লিখিছে বা।"

"মৰমৰ মা আৰু দেউতা, তোমালোকে নিশ্চয় মই মৰি থোৱা বুলি ধৰি লৈছা। কিন্তু নহয়, মই ইমানদিনে লণ্ডনত আছোঁ।"

মায়ে আচৰিত হৈ আমাৰ পিনে চালে। তাৰপিছত আকৌ চিঠিখনৰ পিনে চাই ক'লে, "সি ঘৰলৈ আহিব। আয়াঙ্কো। মোৰ আয়াঙ্কো ঘৰলৈ আহিব।"

এলিচে হাতৰ ছুৰীকাটাৰে মেজত টুকুৰিয়াই চিঞৰ-বাখৰ হুলস্থুল লগালে। মাই আংগাহ্লাদক সাৱটি ধৰি মেজখনৰ চৌপাশে ঘূৰি নাচিবলৈ ধৰিলে। মাৰ চকুত কিন্তু চকুলো ওপচি পৰিছিল। হাতেৰে চকুলো মচি মায়ে ক'লে, "আংগাহ্লাদ, খনিলৈ নৰি গৈ দেউতাৰক খবৰটো দেগে আৰু যাওঁতে বাটতে ব্ৰনৱেনকো কৈ যাবি। খনিৰপৰা পোনে পানে ঘৰলৈ আহিবি। ঘৰটো আমি ঠিক্‌ঠাক কৰিব লাগিব নহয়।"

আংগাহ্লাদ ঘৰ আহি পোৱাৰ পিছত আমাৰ অৱস্থা যি হৈছিল সেইটোক অন্ততঃ ঠিক্‌ঠাক কৰা বুলি নিশ্চয় নকয়। চাবোন আৰু পানীৰে ঘৰখন ধুই-পখালি জিলিকাই তুলিবৰ চেষ্টা কৰি হুলস্থুল কাণ্ড এখনৰ সৃষ্টি কৰা হ'ল। পিছদিনা আকৌ মই আৰু আংগাহ্লাদে আমাৰ ঘৰৰ সন্মুখৰ আৰু পাছফালৰ বেৰত চুণ দিলো।

আয়াণ্টো অহাৰ আগদিনা ৰাতি তাক চিনি-জানি পোৱা গাৱঁৰ সকলো মানুহ আমাৰ ঘৰলৈ আহিল। তাক কিদৰে আদৰণি জনোৱা হ'ব সেই বিষয়ে ঠিক কৰিবলৈ সকলোৱে দেউতাক লগত লৈ গীৰ্জা ঘৰলৈ গ'ল।

এলিচে ইতিমধ্যে দেখি আৰু অৱেনলৈ টেলিগ্ৰাম কৰি খবৰ দিছে আৰু তাক আনিবলৈ যাওঁতে পাহাৰৰ সিপাৰে থকা গুইনামকো আয়াণ্টো অহাৰ বতৰা দি আহিছে। পামৰপৰা দুদিনমানৰ বাবে ছুটী লৈ জেৰিদৱেনো আহিছে। আইভৰ, আংগাহ্লাদ আৰু মইতো ঘৰত আছোঁৱেই। গতিকে আকৌ এবাৰ আমি গোটেই পৰিয়ালটো একগোট হ'লো।

দেউতা এইবাৰে খুব আনন্দিত হৈছিল।

গীৰ্জাঘৰৰপৰা মিষ্টাৰ গ্ৰুফিদৰ লৈতে উভতি আহি ঘৰ সোমায়েই দেউতাই মজিয়াত আঠুকাঢ়ি বহি প্ৰাৰ্থনা কৰিছিল।

"হে প্ৰভু, তোমাৰ সন্তান তোমাৰ ওচৰলৈ ফিৰি গ'লে তোমাৰ যি আনন্দ লাগে মোৰ আজি তেনে লাগিছে। আজি এই সুখৰ দিনটোত জীয়াই থকাৰ বাবে মই তোমাক ধন্যবাদ জনাইছোঁ। ধন্যবাদ জনাইছোঁ মোৰ ল'ৰা-ছোৱালী হঁতক কুশলে ৰখা বাবে। হে প্ৰভু, মই আজিৰ বাবে আৰু কাইলৈৰ বাবে তোমাক পুনৰ ধন্যবাদ জনাইছোঁ। আমেন।"

পিছদিনা আমি খুব ৰাতিপুৱাতে উঠিলো আৰু দেউতা ৰাতিৰ ভাগৰ কামৰপৰা এঘন্টা আগেয়ে ছুটী লৈ ঘৰলৈ আহিল বাস্তে তেওঁ টমাছৰ বাগী

গাড়ীখনত উঠি আমাটো আৰু একেখন ৰেলতে অহা দাদাইতক লগ ধৰিবলৈ ৰেল ষ্টেচনলৈ যাব পাৰে।

সেইদিনা ৰাতিপুৱা মোৰ পাহাৰ বগাই ফুৰিবলৈ যোৱা নহ'ল। মই পাছফালৰ চোতালত কাঁহী-বাটি-বোৰ ধুবলগীয়াত পৰিলো। আমাৰ গাৱঁৰ সকলো তিৰোতাই লগত দুই এখন কাঁহী-বাটি আনে, কিন্তু পাহাৰখনৰ শিখৰৰ গাওঁবোৰৰপৰা অহা তিৰোতাসকলে এনে কৰাটো টান। কাঁহী-বাটি যাতে কম নপৰে সেইবাবে আমি ওচৰ-চুবুৰীয়াৰপৰা ঘৰত এনেকুৱা কাম-কাজ হ'লে সেইবোৰ ধাৰ কৰি আনো। সেইবোৰ আকৌ আগতে ভালকৈ ধুই-পখালি নললে মায়ে ব্যৱহাৰ কৰিব নিদিয়ে। তেনেবোৰ কাঁহী-বাটিকে মই ধুলোঁ। কামটো মোৰ অকণো ভাল লগা নাছিল, তথাপি আমাটোৰ আৰু অইন দাদাইতৰ খাতিৰত কৰিবলগীয়া হ'ল।

খনিত চুপৰীয়াৰ পিতা বাজিছেহে মাথোন, তেনেতে পাহাৰৰ নামনিত বেণ্ড বাজি উঠা আমি শুনিবলৈ পালো। তাতেই আদৰণি জনাবলৈ বৈ থকা গাৱঁৰ মানুহসকলে ৰেলষ্টেচনৰপৰা ঘৰলৈ আহিব ধৰা দেউতাইতক লগ পাইছিল।

আমাৰ ঘৰখনত উথল-মাথল লাগিল।

মায়ে কটীত মাখন লগোৱা বন্ধ কৰি কটাৰীখন মেজৰ ওপৰত থৈ বুকুখন হেঁচি ধৰি থাকিল।

"সোৱা আহি পালেহিয়েই। কেৰিদৱেন, মোক কাপোৰবোৰ পিন্ধাত অলপ সহায় কৰি দিবি আহচোন। আংগাহ্লাদ, এই কটীত মাখনখিনি লগা। ব্ৰনৱেন, কেৰাহীখন জুইত বহোৱা আছে চাবি দেই"

সকলোৱে হাতৰ কাম শেষ কৰিবলৈ খৰধৰ লগালে, যাতে বেণ্ড পাৰ্টিৰে শোভাযাত্ৰা কৰি আমাণ্টো আহি ঘৰ সোমোৱা সকলোৱে দুৱাৰ মুখৰ পৰা চাব পাৰে।

খুব জোৰেৰে বাজনাবোৰ বজাই বজাই প্ৰথমে আহিল বেণ্ড পাৰ্টিটো। তাৰ পাছত ওচৰে-পাঁজৰে থকা গাওঁ, পাম আৰু খনিৰপৰা অহা আমাৰ শুভাকাংখী মানুহবোৰ। তাৰ পাছত গান গোৱা দল চাৰিটা। জাৰ্চি পিন্ধি আমাৰ গাওঁৰ ফুটবল ক্লাবকেইটাৰ খেলুৱৈসকল, তিৰোতাসকল,

আমাৰ আৰু ওচৰৰ গীৰ্জাবোৰৰ ধৰ্মযাজকসকল আৰু তাৰ পাছত সৰু ল'ৰা-ছোৱালীৰ গান গোৱা দলটো।

শোভাযাত্ৰাৰ একেবাৰে শেষত ফুল, বাঁহ-পাত আৰু ৰঙীন কাপোৰেৰে সজোৱা টমাছৰ বাগী-গাড়ীখনত থিয়দি উঠি আহিছিল দেউতা আৰু তেওঁৰ পাঁচজন পুতেক।

আয়ান্টো আইভৰতকৈ ডাঙৰ-দীঘল হৈ উঠিছে। লণ্ডনত তৈয়াৰী উলৰ কাপোৰ পিন্ধিছে সি। সাজ-পাৰতে মানুহজন লণ্ডনৰপৰা আহিছে বুলি ধৰিব পাৰি। লণ্ডন বাৰু ইমান অদ্ভুত ঠাই নে যে সামান্য কাপোৰ এডুখৰিতো ই নিজৰ চিনাকি নিদিয়াকৈ নেৰে?

“বাঃ’ ই সেখোন মস্ত ডাঙৰ হৈছে। কিমান বয়স হ’ল তোৰ?” আয়ান্টোৱে মোক দেখি সুধিছিল।

মই কৈছিলোঁ, “বাৰ বছৰ। অহা সপ্তাহত আৰু এটা জন্মদিন পৰিছে। এইবাৰ তেৰ বছৰত সোমাম।”

“অ’ হয় নেকি? অহা সপ্তাহত তোৰ জন্মদিন? তাৰ মানে তোক কিবা এটা উপহাৰ দিব লাগিব নহয়?”

“ওঁহো, সেই ভাবি মই কোৱা নাই। উপহাৰ তই দিলে দিবি, নিদিলে নাই। মই অকণো বেয়া নেপাওঁ।”

“মই লণ্ডনৰপৰা তোৰ বাবে এটা উপহাৰ আনিছোঁৱেই। মোৰ বাকচতে আছে। খুলি চালেই পাবি।”

“মোৰ বাকচতো কিবা এটা আছে, হিউ,” দেভিয়ে ক’লে।

“মোৰ বাকচতো আছে,” অৱেনে ক’লে।

“মোৰ উপহাৰটো তোৰ জন্মদিনৰ দিনাখনেই দিম বাৰু,” আইভৰে ক’লে।

গুইলামে ক’লে, “মই তোক এতিয়া ছয় পেনি দিওঁ ল’। জন্মদিনৰ দিনাখন বাৰু আকৌ কিবা অলপ দিয়া হ’ব।”

“বিয়া কৰাই কেনে লাগিছে গুইল?” আয়ান্টোৱে তেনেতে গুইলামক সুধিছিল।

গুইলামে এবাৰ অৱেনৰ পিনে চাই তলমূৰ কৰিলে।

“ভালেই লাগিছে, পাছে তোৰ ঘৈণীয়েৰ কেনে আছে?”

“মোৰ ঘৈণী ঢুকাইছে,” আয়ান্টোৱে উত্তৰ দিলে।

আইভনে ক'লে, "ঢুকাইছে? ক'তা, আমি যেখোন আজিলৈকে ঘূৰি নাজানো।"

"মই ইচ্ছা কৰিয়ে জনোৱা নাই।"

"বহুদিন আগতে ঢুকাল নেকি?"

"ছমাহমান হ'ল। মাক আৰু কেঁচুৱা দুয়ো। পাছে, মাক এতিয়া একো নক'বি। মই কাইলৈ জনাম। তইও আকৌ মোৰ ওচৰত থাকিবি, নহলে মাই ইটো সুধি সিটো সুধি হাৰাশাস্তি কৰিব।"

বাহিৰৰ চিঞৰ-বাখৰ আৰু গানে গোটেইখন উখল-মাখল লগালে। মানুহবোৰে আয়াটোৰ নাম ধৰি বাহিৰৰ পৰা চিঞৰিবলৈ ধৰিলে। তিৰোতা-বোৰে চাহ আৰু জলপান ঠিক কৰিবলৈ ভিতৰলৈ আহিল।

লগৰ বন্ধু-বান্ধৱ আহি দাদাইতক বাহিৰলৈ লৈ গ'ল। মই অকলে একোণত থিয় দি চাই থাকিলো। কিন্তু ইতিমধ্যে কোঠাটোত ইমান মানুহ সোমাই পৰিছে যে, গৰমত তিষ্ঠিব নোৱাৰি মই খিৰিকীৰে কোঠাটোৰ বাহিৰ ওলাই পাছফালৰ চোতালত থকা অৰেনৰ কাৰখানাটোত সোমালো।

ঘৰটো আচলতে গুদাম ঘৰহে। এটা কোণত ভাঙৰ খাট এখন পৰি আছিল। সেইখনৰ ওপৰত কয়লা, খৰি, আলু, পিয়াজ, আপেল, চাবোন, তেল, ফটাছিটা কম্বল আৰু অইন কাপোৰকে আদি কৰি সংসাৰৰ যাৱতীয় খুটিনাটি বস্তু ভৰি থাকে। খাটখনৰ ওপৰত মায়ে পেলাই থোৱা পুৰণি কম্বলবোৰৰ ওপৰত উঠি ওচৰৰ খিৰিকীখনেৰে চালে পাহাৰৰ টিং দেখা যায়। ঘৰত সৰহ আলহী আহিলে বা মা আৰু বাইদেউহঁতক গা ধুৱৰ বাবে মই থকা পাগঘৰটো লগা হ'লে মই ইয়ালৈকে আহি লিখা-পঢ়া কৰিছিলো।

সেইদিনাখনো খাটখনৰ ওপৰত দীঘল দি পৰি মই আমাৰ ঘৰৰপৰা অহা কোলাহল শুনি আছিলো। তেনেতে খুব লাহে লাহে দুৱাৰখন মেলি ঘৰটোৰ ভিতৰলৈ সোমাই আহিল মাৰ্জেদ।

মই একো নামাতিলো আৰু অৰেনে আগতে যিখন বেঞ্চত তাৰ যন্ত্ৰ-পাতিৰে কাম কৰিছিল সেই বেঞ্চখনৰ পিনে মাৰ্জেদ আগবাঢ়ি যোৱা চাই থাকিলো। তাৰ যন্ত্ৰ-পাতিবোৰ তেতিয়াও তাতে আছিল আৰু সেইবোৰৰ প্ৰত্যেকটো চিকমিকাই আছিল, যেন সেইবোৰ অৰেনে অলপ সময় আগতেকৈ ব্যৱহাৰ

কৰি ওলাই গৈছে। আচলতে যন্ত্ৰ-পাতিবোৰ চিকমিকাই থকাৰ কাৰণ—মই সদায় চিৰিচ কাগজেৰে সেইবোৰ ঘঁহি-মাজি থৈছিলোঁ।

অৰেনে কাম কৰোঁতে বহা টুলখনত বহি মাৰ্জেদে যন্ত্ৰ এটা লিৰিকি-বিদাৰি আছিল। দেখিলেই বুজা যায় যে তাই কিবা চিন্তা কৰিছে। আৰু এই কথাও মই ভালকৈ বুজিছিলোঁ যে তাই কান্দি আছিল।

মই কি কৰোঁ কি নকৰোঁ ভাবি থাকোঁতেই দুৱাৰখন আকৌ মেল খালে আৰু অৰেন ভিতৰলৈ সোমাই আহি অলপ দূৰৰপৰা মাৰ্জেদৰ পিনে চাই থাকিল। সি দুৱাৰখন বন্ধ কৰিবলৈ পাহৰিছিল। হঠাতে কথাটো মনত পৰাত সি দুৱাৰখন বন্ধ কৰি দুৱাৰৰ পিনে পিঠি দি থিয় দি থাকিল। ক'লা চুটযোৰ পিন্ধি থকা অৰেনক তেতিয়া এন্ধাৰত প্ৰায় নেদেখাই হলোঁ।

অৰেনে ফুচফুচাই ক'লে, "মাৰ্জেদ, তুমি ইয়ালৈ অহা মই দেখিছিলোঁ। সেই বাবেই মইও আহিলোঁ।"

"অৰেন, তোমাৰ বাবে যে মই কি শাস্তি পাইছোঁ।" কান্দোনৰ মাজেৰে মাৰ্জেদে ক'লে।

"মাৰ্জেদ, নিজক কাপুৰুষ বুলি মই কিমানবাৰ গালি পাৰিছোঁ তুমি কি বুজিবা। জীৱনটো মোৰ এতিয়া এটা দুৰ্বহ বোজা যেন লাগিছে। মাৰ্জেদ, তোমাক মই খুব ভাল পাইছিলোঁ আৰু এতিয়াও পাওঁ।" অৰেন তাইৰ কাষ চাপি গৈছিল।

"কিন্তু এতিয়াতো আৰু কোনো উপায় নাই। মই এতিয়া বিবাহিতা। তাতেই সকলো শেষ হৈ গৈছে।"

অৰেন মাৰ্জেদৰ ওচৰত আঁঠুকাঢ়ি বহিল।

"প্ৰথমবাৰ তুমি মোক ইয়াত চুমা খোৱাৰ কথা মনত আছেনে?" মাৰ্জেদে সুধিছিল। তাইৰ মাতটোত মই এটি হাঁহিৰ আভাস পাইছিলোঁ।

একো উত্তৰ নিদি অৰেনে সুধিছিল, "গুইলে তোমাক মৰম কৰেনে?"

"খুব মৰম কৰে। তেওঁ মানুহ হিচাপেও কোনোগুণে কম নহয়। আৰু দেখাই-শুনাই তোমাৰ স'তে তেওঁৰ ইমান মিল যে, মাজে মাজে এনে লাগে যেন মোৰ তোমাৰ স'তেই বিয়া হৈছে।"

"তুমি বাৰু এতিয়া কান্দিছিলা কিয়?"

"পুৰণি বিষটো আকৌ উঠিছিল। দিনৰ পিছত দিন, সপ্তাহৰ পিছত সপ্তাহ, মাহৰ পিছত মাহ ধৰি মাথোন বিষ, বিষ, আৰু বিষ। আৰু এই সকলোবোৰৰ ওৰ পেলাব পাৰি [illegible] এবাৰ মাত্ৰ মাতে, এটা মাথোন চুমাই। কিন্তু সেইটো নহ'ল। বিষ চলি থাকিল। হঠাতে এদিন কিন্তু বিষ নোহোৱা হৈ গ'ল।

"নোহোৱা হৈ গ'ল?"

"ঔ নোহোৱা হৈ গ'ল। এদিনাখন ৰাতি মই অস্থিৰ হৈ উঠিছিলো। বলিয়াৰ দৰে চিঞৰি-বাখৰি হুলস্থুল লগাইছিলো আৰু যেচেৰা শুইলো মোক শান্ত কৰিবলৈ গৈ বলিয়া হ'বৰ উপক্ৰম কৰিছিল। তেনেতে মই ঈশ্বৰক প্ৰাৰ্থনা কৰিলো যেন মোক তেওঁ তোমাক পাহৰিবলৈ শক্তি দিয়ে।"

"আৰু তুমি লগে লগে মোক পাহৰি গ'লা, নহয়?" বেদনাসিক্ত মাতেৰে অৰেনে সুধিলে।

"মই অৰেন মৰ্গানক কেতিয়াও নেপাহৰোঁ।" এইবুলি বহাৰপৰা উঠি মাৰ্জেৰে আলোৱানখন গাত ঠিক কৰি ল'লে। তাইৰ সুন্দৰ লাহি কঁকালটো মই তেতিয়া ভালকৈ দেখিছিলোঁ। "যি অৰেনে মোক চুমা খাইছিল আৰু কৈছিল যে পিৰামিডৰ জন্মৰ আগৰ পৰাই হেনো আমাৰ পৰিচয়, সেই অৰেনক কেতিয়াও নেপাহৰোঁ। মৰাৰ দিনলৈকে মই তেওঁক অন্তৰেৰে ভাল পাই থাকিম।"

"আৰু এতিয়া?

"এতিয়া মই মিচেছ শুইলাম মৰ্গান। অৰেন মৰ্গান ক'ৰবালৈ গুচি গৈছে—আৰু কেতিয়াও উভতি নাহে।"

"কিন্তু মাৰ্জেৰ, মই দেখোন ইয়াতে আছোঁ। এইয়া চোৱাচোন।"

"তুমি?" অৰেনৰ মুখৰ পিনে চাই থাকি মূৰটো লাহে লাহে জোকাৰি মাৰ্জেৰে কৈছিল, "ঔহো তুমি অৰেন মৰ্গান নোহোৱা। অৰেন মৰ্গান নামৰ পৃথিৱীত কোনো মানুহেই এতিয়া নাই। তেওঁ গুচি গৈছে। তেওঁ কেতিয়াও উভতি নাহে। তেওঁ মোক ভাৱেকৰ হাতত গতাই দি গুচি গৈছে। সকলো ঘৰ এটাত মই সেই ভাৱেকজনৰ লগতে আছোঁ।"

"তাৰপৰা গুচি আহিলে যদি তুমি বেছি সুখী হ'বা বুলি ভাবা তেন্তে তুমি মোৰ লগত অইন ক'ৰবালৈ গুচি যাবানে?" অৰেনে সুধিছিল।

"মোক এতিয়া কোনেও সুখী কৰিব নোৱাৰে। মাথোন অৱেন মৰ্গানেহে পাৰিব। আৰু সেই অৱেন মৰ্গান কোনোদিনেই ঘূৰি নাহিব।"

"কি বলিয়ালি কৰিছা মাৰ্জেদ।" এই বুলি অৱেনে তাইৰ কান্ধত ধৰি তাইৰ মুখৰ পিনে একেথৰে চাই আছিল।

কথাবাৰ কিন্তু সিহে নিজে শুনিলে। মাৰ্জেদে মনকে নকৰিলে। তাৰ হাত দুখন লাহেকৈ মাৰ্জেদৰ কান্ধৰপৰা খহি পৰিল। চিত্ৰৰ এটা মাৰি দুৱাৰৰ ওচৰলৈ গৈ সি কান্দি কান্দি ক'লে,—"মাৰ্জেদ, মই তোমাৰ কিমান অনিষ্ট কৰিলো। মই এক নম্বৰ চয়তান মাৰ্জেদ।"

সি বাহিৰলৈ ওলাই গ'ল। মাৰ্জেদ কিন্তু একে ঠাইতে থিয় দি ৰ'ল।

বাহিৰত কাবোবাৰ জোতাৰ শব্দ শুনা গ'ল। অলপ পিছতে দুৱাৰখন ধপহ্‌কৈ খুলি গুইলাম দুৱাৰদলিত থিয় দিলেহি। নিঃশব্দে মাৰ্জেদৰ পিনে গৈ সি তাইৰ কান্ধত ধৰিলেগৈ।

"ব'লা ?" গুইলামে ইমান কোমলকৈ ক'লে যে তাক তেনেকৈ কথা কোৱা মই সেই দিনাই প্ৰথম শুনিলোঁ। "ব'লা, আমি ঘৰলৈকে যাওঁগৈ। তালৈ গৈ তুমি জিৰণি লবা ব'লা।"

গুইলামে মাৰ্জেদক বাহিৰলৈ উলিয়াই নি দুৱাৰখন আকৌ জপাই থলে।

ইতিমধ্যে মই গৰমত সিজি গৈছোঁ। চাহ এপিয়লা খাবলৈ নেপাই মোৰ অষ্ঠ-কণ্ঠ শুকাই গৈছিল। খাটখনৰপৰা নামি মই ঘৰৰ ভিতৰলৈ গ'লো। আলহীবোৰ আগতেই ঘৰৰ বাহিৰলৈ গৈ মুকলি ঠাইত বহি হাঁহি-ধেমালি কৰি চাহ-জলপান খাব ধৰিছিল।

পাগঘৰলৈ গৈ মই দেখিলোঁ, মাই কিবা কথাত বিচলিত হৈ পৰিছে, আংগাহ্লাদে চুক এটাত থিয় দি কান্দি আছে আৰু ব্ৰনৱেনে লাহে লাহে তাইৰ গাত চপৰিয়াই তাইক সান্ত্বনা দিছে। দেউতা আৰু দাদাইত, মিটাৰ গ্ৰুফিদ আৰু অইন ধৰ্মযাজক কেইজনমানৰ স'তে সন্মুখৰ কোঠাটোত বহি আছিল।

সেই কোঠাটোলৈ যোৱাৰপৰা মোক বাধা দি মাই ক'লে, "হিউ, যি খাবৰ মন যায় তাকে লৈ তই বাহিৰলৈ যাগৈ।"

"বাৰু মা"। খোৱা বস্তুখিনি বাছি লোৱাত সহায় কৰি দিবলৈ খিকিকিয়াই হাঁহি ব্ৰনৱেন আগবাই আহিছিল।

হঠাতে সকলো কোলাহল ভঙ্গ পেলাই দেউতাৰ মাতটো শুনা গ'ল, "কোনো লাভ নাই। ডাক্তৰে তাইৰ একো উপকাৰ কৰিব নোৱাৰে, মিষ্টাৰ গ্ৰুফিদ। ডাক্তৰ আমি বহুতো লগাই চালো হোৱাণীজনী বলিয়া, আইন একো নহয়। মোৰ ল'ৰাটোৰ কি হ'ব তাকে ভাবি মই শান্তি নোপোৱা হৈছো।"

"যা, তই এতিয়া ইয়াৰপৰা যা," ব্ৰনৱেনে ফুচফুচাই মোক কৈছিল। "ভালকৈ থাকিবি দেই।"

মই বাহিৰলৈ ওলালো আৰু ট্ৰাউট্ মাছ ধৰো বুলি নৈখনৰ ফালে খোজ ললো। নৈৰ পাৰতে শিলৰ ওপৰত ৰ'দত বহি লগত নিয়া জলপানখিনি খামগৈ।

... .

সেই ৰাতি আমাৰ ঘৰটোৰ আটাইকেইটা কোঠাতে মানুহে ৰাতিৰ আহাৰ খাবলৈ বহিল। সকলোৱে একেলগে খাবলৈ বহিব পৰা ডাঙৰ মেজ আমাৰ নাছিল।

মই খাইছিলো পাকঘৰত—দেউতা, মা, মিষ্টাৰ গ্ৰুফিদ আৰু ধৰ্মযাজক কেইজন, কয়লাৰ খনিৰ মিষ্টাৰ ইভান্স, ডাক্তৰ ৰিচাৰ্ডচ, মিষ্টাৰ পেৰী, মিষ্টাৰ অৱেন মেভগ আৰু অইন কেইজনমান মুখীয়ালৰ ল'তে একেখন মেজতে।

আমি ঠাইৰ অভাৱত খুব ঘনকৈ বহিছিলোঁ।—ইজনৰ কিলাকুটি আহি সিজনৰ বুকুত খোচ খাইছিলহি। কিন্তু খোৱাবস্তু আৰু মদৰ ইমান প্ৰাচুৰ্য আছিল যে, এইবাবে কোনেও অসুবিধা নেপালে। আয়াক্টোৱে লণ্ডনৰ কথা কৈ আছিল। সি তাত হেনো প্ৰথমতে কাপোৰৰ দোকান এখনত কাম কৰিছিল; তাৰ পিছত কাৰখানা এটাত, তাৰ পিছত কোনোবা আলিবাট সজা ঠিকাদাৰৰ মহৰী আৰু কত' কি।

ধৰ্মযাজক এজনে ক'লে, তুমি দেখিছোঁ সকলো কামৰে সোৱাদ লৈ থৈছা। এটা কামতে লাগি নেথাকিলা কিয়?"

কাৰণ মই মোৰ উপযুক্ত চাকৰি পোৱা নাছিলো। সেইবাবেই ইটোৰ পিছত সিটো চাকৰি এৰি মনখোৱা চাকৰি এটা বিচাৰি ফুৰিবলগীয়া হৈছিলো।"

"পালানে পাছে?" ধৰ্মযাজকজনে আকৌ সুধিলে।

"মঁয়ো নেপালো। আমাক সিইঁতে কুকুৰৰ দৰে ব্যৱহাৰ কৰে। কোম্পানী কাম যি সিইঁতে আমাক কৰ আমি তেনে৷ ৰাজপুত্ৰৰ নিচিনা ৰাজ-পাৰ পিন্ধি ফিট্‌ফাট্ থাকিব লাগে। কাৰখানা আদিৰ কামত দৰ্মহা অলপ বেছি পোৱা যায় সঁচা, কিন্তু তাত থকা-মেলাৰ ব্যৱস্থা আমাৰ পাছফালৰ চোতালত থকা হাঁহ-কুকুৰাবোৰতকৈও বেয়া। সেইবাবেই মই ইটোৰ পিছত সিটোকৈ চাকৰি কৰি ফুৰিছিলো।"

"কিন্তু পচন্দমতে কাম তুমি নেপালা, নহয় জানো?" সেই একেজন ধৰ্মযাজকে আকৌ সুধিলে। ধৰ্মযাজকজন আছিল অলেক বেয়া ধৰণে ঠাট্টা কৰি ফূৰ্তি পোৱা বিধৰ মানুহ।

আয়াক্টোৱে উত্তৰ দিলে, "হয় নেপালো। আৰু, হয়তো কেতিয়াও নেপামো।"

"অ' তুমি দেখিছো৷ জনাৰ বশৱৰ্তী হ'ব ওলাইছা। মই হ'লে তেনেবোৰক বৰ বেছি মূল্য নিদিওঁ দেই," ধৰ্মযাজকনে ক'লে।

"সেইটো বিশেষ নহওঁক বাৰু, আপোনাৰ দৰে মাটিত আঁঠুকাঢ়ি বহি প্ৰত্যেক দেওবাৰে তিনিবাৰকৈ আৰু গোটেই সপ্তাহটো জুৰি অনবৰত এগাল মূল্যহীন কথা কোৱাত মই অকণো কৃতিত্ব নেদেখোঁ। ঈশ্বৰক ধন্যবাদ যে, মই আপোনাৰ দৰে সমাজৰ আপদ এটা নহলো।"

হাতৰ ছুৰী-কাঁটা সকলোৱে থিৰ হৈ গ'ল, মাখোন দেখি, অৱেন, আয়াক্টো আৰু মোৰ বাহিৰে। কাক জোকাই ল'লে কি হয়, মই ভালকে জানিছিলো আৰু সেয়ে মই অকণো আচৰিত হোৱা নাছিলোঁ।

"মোৰ সহকৰ্মী এজন য'ত অপমানিত হয়, মই তাত বহি থাকিব নোৱাৰোঁ।" মিষ্টাৰ গ্ৰুফিদে কৈ উঠিল। "অৱশ্যে মোৰ সহকৰ্মীয়ে যি ধৰণে কথা-বতৰা কৈছিল, তাতকৈ ভালকৈ কথাবোৰ ক'ব লাগিছিল।"

আয়াক্টোৱে ক'লে, "আচলতে তেওঁ সেইবোৰ কথা মুঠেই ক'ব নালাগিছিল অইন মানুহ হোৱা হ'লে মই তাৰ নাক ভাঙি দিলোহেঁতেন।"

তেনেতে সেই ধৰ্মযাজকজনে খুব দুখেৰে ক'লে, "মই এই অঘটন ঘটোৱাৰ বাবে সঁচাকৈয়ে লজ্জিত। মই যদি কিবা বেয়া কথা কৈছিলোঁ, তেন্তে তাৰ বাবে মই ক্ষমা খুজিছোঁ।"

আয়াণ্টোৱে লগে লগে ক'লে, "ঠিক আছে। তেনেকৈ গণ্ডগোল কৰা বাবে মোৰো এতিয়া বেয়া লাগিছে। লওক, এইয়া ব্লেকবেৰি কেইটামান খাওক।"

এই ঘটনাটোৰ পিছত কথা-বতৰা কিন্তু মুঠেই নজমিল। কোনোৱে অইন এজনৰ পিনে চকুৰে চকুৰে চাবলৈ ইচ্ছা নকৰিলে। কোনোবাই হাঁহিলেও লগে লগে বুজা গৈছিল যে তেওঁ যথেষ্ট চেষ্টা কৰিহে হাঁহিব পাৰিছে।

মিষ্টাৰ গ্ৰুফিদে কিবা ভাবি থাকি মাখনৰ বাটিটোৰ পিনে অন্যমনস্কভাবে চাই আছিল। হঠাতে তেওঁ টোপনিৰপৰা সাৰ পোৱা মানুহৰ দৰে সজাগ হৈ উঠি কিবা ক'বলৈ ওলাল। লগে লগে গোটেই কোঠাটো স্তব্ধ হৈ পৰিল। হাতত এসোপা কাহী লৈ ভিতৰলৈ আহিব ধৰা আংগাহ্লাদ ডুৱাৰদলিত থিয় দি ৰ'ল আৰু অলপ পিছতে মাৰপৰা ইঙ্গিতেৰে আদেশ পাই পুনৰ পাছফালৰ চোতাললৈ ওলাই গ'ল।

মিষ্টাৰ গ্ৰুফিদে ক'লে, "আয়াণ্টো, অইন সময়ত বা অইন কাৰোবাৰ ঘৰত হোৱা হ'লে মই এই কথাটো পুনৰালোচনা নকৰিলোহেঁতেন। কিন্তু আজি এনেকুৱা পৰিবেশত কথাটো আলোচনা কৰাৰ প্ৰয়োজন আছে। .... মই বাৰু সমাজৰ বোজা কিয় ?"

"কাৰণ আপুনি অলাগতীয়াল কামবোৰ কৰে," লগে লগে আয়াণ্টোৱে উত্তৰ দিলে।

মেজখনৰ সিফালৰপৰা দেউতাই খঙেৰে চিঞৰি উঠিল, "আয়াণ্টো, মিষ্টাৰ গ্ৰুফিদেই হিউৰ বেমাৰ ভাল কৰিছে যে সেইটো জান ?"

"মিষ্টাৰ মৰ্গান, হিউৰ বেমাৰ সি নিজেই ভাল কৰিছে। আয়াণ্টো, মোৰ কাম অলাগতীয়াল কিয় ?"

"কিয় ? কাৰণ আপোনালোকে সাধাৰণ মানুহক কয় যে আপোনালোক সিহঁতৰ ৰখীয়া। অথচ আপোনালোকেই সিহঁতক দাৰিদ্ৰ্যৰ মাজেৰে ঘৃণনীয় জীৱন-যাপন কৰিবলৈ এৰি দিয়ে।" হাতৰ ছুৰী-কাটা মেজত থৈ, ডুচকুত জুইৰ ফিৰিঙতি লৈ আয়াণ্টোৱে কৈ গ'ল—"কেতিয়াবা যদি আপোনালোকে এই বিষয়ে কিবা মাতো মাতে, তেন্তে ইয়াকে মাথোন ক'বলৈ যে, এইবোৰ ঈশ্বৰৰ ইচ্ছা। তেঁৱা আমাৰ মানুহবোৰ। মানুহ হেনো ঈশ্বৰৰ প্ৰতিবিম্ব। ঈশ্বৰ তেন্তে তেঁৱা নেকি ?"

“মই এইবোৰ তুলি থাকিব নোৱাৰোঁ।” এতিয়ালৈ এবাৰো কথা নোকোৱা, চশমা পিন্ধা চুটি-চাপৰ মানুহজনে কৈ উঠিল।

মিষ্টাৰ ব্ৰুকিসে ক'লে, “ঠিকেই কৈছে আপুনি। · বাৰু আয়াক্টো, তুমি পাৰিলে কাইলৈ মোৰ ঘৰলৈ আহিবা। আমি তাতে কথা হ'ম। তোমাৰ কথা-বতৰাত মই বেছ আমোদ পাইছোঁ।”

“কিন্তু মিষ্টাৰ ব্ৰুকিস, আপুনি নিশ্চয় এনেকুৱা মানুহ এজনৰ স'তে পুনৰ কথা পাতিবলৈ অস্বীকাৰ কৰিব,” চশমা পিন্ধা ধৰ্মযাজকজনে ক'লে।

সাংঘাতিকভাৱে তেওঁৰ পিনে চাই থাকি আয়াক্টোৱে চিঞৰিলে, “এতিয়াই ইয়াৰ পৰা ওলা। নহলে দাঙি নি বাহিৰত পেলাই থৈ আহিম গৈ। ·· মিষ্টাৰ ব্ৰুকিস, মই কাইলৈ বাতিপুৱা আঠবজাত আপোনাৰ স'তে দেখা কৰিমগৈ।”

“বাৰু.... ঈশ্বৰে আজিৰাতি এই ঘৰত থকা সকলোৰে মঙ্গল কৰক,” মিষ্টাৰ ব্ৰুকিসে ক'লে।

আমি সঁকলোৱে ক'লো, “আমেন।”

১৩

পিছদিনা ৰাতিপুৱা মই আমাকৌৰ লগত মিচেছ টম জেন্‌কিন্সৰ ওচৰলৈ গলোঁ ; আকৌ পঢ়া-শুনা আৰম্ভ কৰোঁ বুলি। এই ৰাতিপুৱাটো মোৰ বাবে স্মৰণীয়। দুবছৰতকৈ বেছি মই সেই পঢ়াশালিলৈ যোৱা নাই। কিন্তু দুবছৰ পিছতো ইয়াৰ অকণো পৰিবৰ্ত্তন হোৱা নাই। সকলোবোৰ সেই একে ধৰণেই আছে—আনকি খিৰিকীৰ পৰ্দা কেইখনো।

ইউনিচ আৰু ইউলিও ইতিমধ্যে ডাঙৰ-দীঘল হৈ উঠিছে। এতিয়া সিহঁতে মাকৰ পুৰণি কাপোৰবোৰ নকটাকৈয়ে পিন্ধিব পাৰে। এতিয়াও অৱশ্যে সিহঁতে ঘৰত দুদান্তৰিবেই থাকে। বৰ্ডখনৰ ওপৰ অংশত এতিয়াও ফাট এটা।

আনকি আগৰ সেই গোন্ধটোও একে আছে—ভজা মাংস, সেকিব ধৰা কটী, মিষ্টাৰ টম্ জেনকিন্সৰ ঔষধৰ বাবে পোৱা গছ-পাত, খড়ি-মাটি, পুৰণি কিতাপ আৰু এন্দুৰৰ সেই চিনাকি গোন্ধ। আমাৰ ঘৰত কিন্তু এই গোন্ধটো নাছিল। মই কেনোদিনেই গোন্ধটোত অভ্যস্ত হ'ব নোৱাৰিলোঁ। গোন্ধটো পালেই কেনেবাকৈ মোৰ মিষ্টাৰ জেনকিন্সৰ ভয়লগা গুলপীয়া মুখটোলৈ আৰু ভেঙু কৰা অদ্ভুত শব্দবোৰলৈ মনত পৰে।

মিচেছ টম্ কোঠাটোলৈ অহাৰ লগে লগে প্ৰাৰ্থনা আৰম্ভ হ'ল। ইয়াৰ পিছতে মই প্ৰায় সম্পূৰ্ণ সুস্থ হৈ পুনৰ স্কুললৈ আহিবলৈ সমৰ্থ হোৱাৰ বাবে ঈশ্বৰক ধন্যবাদ জনাই আৰু এটি প্ৰাৰ্থনা কৰা হ'ল।

পঢ়া-শুনা আৰম্ভ হোৱাৰ অলপ পিছতে মই আচৰিত হৈ গলোঁ—মিচেছ টমৰপৰা শিকিবলগীয়া মোৰ একো নাই। বিচনাত ইমানদিন পৰি থাকি মই হয় কিবা কিতাপ পঢ়িছিলো, নহলে ৰূথ বা দেউতা বা দাদাহঁতে কোনোবাই পঢ়ি শুনাইছিল। তাৰোপৰি ঘণ্টাৰ পিছত ঘণ্টা ধৰি মিষ্টাৰ গ্ৰুফিথৰ লগত কথা পতা আছেই।

মিচেছ টমে মোক পৰীক্ষা কৰেঁ। বুলি কেনিমুটৰ পৰা আৰম্ভ কৰি ৰজা-সকলৰ নাম মাতিবলৈ ক'লে। কিন্তু মই তাতকৈ কেইবা শতাব্দীও পাছলৈ গৈ ৰোমান আধিপত্যৰ আগতে ইংলণ্ডত ৰাজত্ব কৰা ইংৰাজ ৰজাসকলৰ নাম কৈ দিলেঁ। মহাসাগৰ, মহাদ্বীপ, দ্বীপ, দেশ, নৈ, নগৰ, শিল্প-প্ৰতিষ্ঠান— যিহকে সুধিলে মই টপৰাই উত্তৰ দি গলেঁ। অৱশেষত তেওঁ ক'লে, "মই তোমাৰ দেউতাৰৰ স'তে দেখা কৰাই ভাল হ'ব, হিউ। ইয়াতে আহিলে তোমাৰ অনৰ্থক সময় নষ্ট হ'ব। অন্ততঃ মাথোন অলপ দেখুৱাই দিব লাগিব। সেইখিনি বাক মই সদায় ৰাতি শিকাই আহিবগৈ পাৰিম। তোমালোক আটায়ে এতিয়া ঘৰলৈ যোৱা। তুমি আৰু আহিব নালাগে, হিউ।"

আমি সকলোৱে পাহাৰ বগাই ঘৰলৈ খোজ ললেঁ। পঢ়াশালিৰ গোটেই-আৰু ল'ৰা-ছোৱালীয়ে মোৰ মুখ'ল এনেভাৱে চাই থাকিল যেন মই এজন সৰ্বজ্ঞান।

ঘৰ পাই দেখিলে আয়াণ্টোৱে একেথৰে বেৰৰ পিনে চাই বহি আছে। অৱেনে পাছফালৰ গুদাম ঘৰটোত সোমাই বেতি এপাতেৰে কিবা ঘঁহিব খৰিছে আৰু আংগাহ্লাদে আপেলৰ বাকলি পেলাই আছে। আংগাহ্লাদৰ চকুৰ টিপ্ পাই মই গম পালো যে ঘৰখনত কিবা গোলমাল হৈছে। মই অৱেনৰ ওচৰলৈকে গলেঁ।

মোক দেখি অৱেনে ক'লে, "অ' তইহে।"

"ওঁ, কিবা সহায় কৰিব লাগিব নেকি ?"

"এইটোত বেতি পাত অলপ মাৰিব পাৰিবিনে ?"

মই বেতিৰে ঘঁহি থকা পৰত অৱেনে বহুতো কিবা কিবি লগ লগাই ধুনীয়া বস্তু এটা সাজি আছিল।

মই সুধিলো, "কি সেইটো ?"

"ইঞ্জিন এটা। ঘোঁৰা আৰু গাড়ী নোহোৱাকৈয়ে ই মানুহক কঢ়িয়াই নিব পাৰিব। পাছে এতিয়া কাকো একো নক'বি।"

"নকওঁ বাৰু।.... আয়াণ্টোই কিয় তেনেকৈ বেৰৰ পিনে চাই বহি আছে ?" মই সুধিলো।

"মূৰ্খবোৰৰ মুখৰ পৰা তাৰ চকু আঁতৰাই ৰাখিবলৈ। তই পাছে ইমান সোনকালে স্কুলৰপৰা আহিলি কিয় ?"

তেতিয়া মই তাক মিচেছ টম্ জেনকিন্সে কোৱা কথাবোৰ ক'লো। শুনি সি হাঁহি ক'লে, "ঠিকেই কৈছে। তই ভাল স্কুল এখনলৈকে যা। তোৰ সময়ো হ'ল। তিৰোতাৰ পৰা আজিলৈকে কোনো মানুহে শিক্ষা লাভ কৰিব পৰা নাই, বুজিছ ?"

"মিচেছ টমে কিন্তু মোক যথেষ্ট শিকাইছে।"

"বিশেষ একো নহয়। তই খুব বেছি একো শিকিব পৰা নাই। অৱশ্যে তোৰ স্মৰণ শক্তি খুব ভাল। মই বাক তোক পঢ়া-শুনাত সহায় কৰি দিম।"

ৰাতিৰ আহাৰ খাবলৈ মায়ে আমাক মাতি নিয়াত মই মাক মিচেছ টমে কোৱা কথাবোৰ কৈছিলো। মা আচৰিত হৈ গৈছিল।

"উস্ আকৌ এখন জঞ্জাল। কোন স্কুলত বাক দিয়া যায় ইয়াক ?"

দেভিয়ে ক'লে, "টেকনিকেল স্কুলত।"

অৰেনে ক'লে, "বোৰ্ডিং স্কুলত।"

"তেনেকুৱা স্কুলত পঢ়িলে সি মাথোন তাৰ মাক-দেউতাকক ঘৃণা কৰিবলৈহে শিকিব," দেভিয়ে ক'লে।

মায়ে ক'লে "বাক, বাক, দেউতাৰে যি হয় কৰিব। মিষ্টাৰ গ্ৰুফিদেও হয়তো এই বিষয়ে কিবা ক'ব পাৰে।"

"মিষ্টাৰ গ্ৰুফিদৰ উপদেশ নোহোৱাকৈ আমাৰ ঘৰত একো হ'ব নোৱাৰে নেকি ? দেভিয়ে ঘপহকৈ সুধিলে। "আজি নহলেও কোনোবা এদিন তেওঁক নোহোৱাকৈয়ে কাম কৰিব লাগিব, এইকথা মনত থাকে যেন।"

মায়ে তেতিয়া খং কৰি দেভিক কৈছিল, "বেছি কথা নক'বিছোন। আমাৰ যদি কোনোবা আচল বন্ধু আছে, তেওঁৰ নাম মিষ্টাৰ গ্ৰুফিদ। এই ঘৰত যেন কাৰো পৰা তেওঁৰ বিৰুদ্ধে একোকে শুনো, বুজিছ ?"

"তেওঁ মানুহজন অৱশ্যে ভাল। পাছে, গীৰ্জাৰ কামত তেওঁ নোসোমালেই ভাল আছিল," আমাৰাণ্টোৱে মাত দিছিল।

দেভিয়ে তাক সুধিলে, "কিয় ? আজি বাতিপুৱা তোক ভালকৈ এপালি দিলে হ'বলা ?"

"নাই তেনেকুৱা একো নাই। কিন্তু মই আজি বুজিব পাৰিলো শিকিবলৈ মোৰ কিমান বাকী আছে।"

"কি শিকিবলৈ ?"

"মানুহৰ বিষয়ে। মানুহে কি ধৰণে জীৱন কটায় আৰু অইনৰ স'তে কেনে ব্যৱহাৰ কৰে সেই বিষয়ে।"

"তোক দেখোন মিষ্টাৰ গ্ৰুফিদে একেবাৰে বশ কৰি পেলালে।" দেভিয়ে হাহি হাহি কৈছিল। সি কিন্তু ঠাট্টা কৰা নাছিল।

আয়াকৌৱে কৈছিল, "ও, ঠিকেই কৈছ। কোনো কথাতে আমাৰ মতৰ অমিল হোৱা নাছিল। কাম কৰা পন্থাৰ বিষয়েই বি আমাৰ অলপ মতানৈক্য হৈছিল। মই এতিয়াই কাম আৰম্ভ কৰিবলৈ কৈছিলো আৰু তেওঁ কৈছিল ধৈৰ্য ধৰিবলৈ। তেওঁ কৈছিল যে সময় হেনো হোৱা নাই।"

"মই এইবোৰ আগতে বহুতবাৰ শুনিছোঁ। সময় কেতিয়া হব বাৰু ? আৰু সময় হলে আমি গম পাম কেনেকৈ ? তই তেখেতক সুধিছিলি নে ?"

"নাই, মই সোধা নাই। মই মাথোন শুনি গৈছিলো।...মই ধৰ্মযাজক হৈ গীৰ্জাত সোমাবলৈ ঠিক কৰিছোঁ।" কথাখিনি কৈয়েই আয়াকৌৱে খোৱা মেজৰ পৰা উঠি ধৰবপৰা ওলাই গৈছিল।

মায়ে আনন্দত চিঞৰি উঠিছিল, "উস্ প্ৰভু। সেইটো হ'লে কিন্তু বৰ ভাল হ'ব।"

"সি যি কৰিবলৈ ওলাইছে সেইটোৰ যদি প্ৰয়োজন থাকিলহেঁতেন, তেন্তে আৰু ভাল হ'লহেতেন," দেভিয়ে খোৱা শেষ নকৰাকৈয়ে ছুৰী-কাটা মেজত থৈ কৈছিল।

অৱেনেও খোৱা বন্ধ কৰি কৈছিল, "গীৰ্জাৰ বাহিৰত কৰিবলগীয়া কাম কিমান পৰি আছে।"

মায়ে কিন্তু কৈছিল, "যদি আয়াকৌৱে ভাবে যে সি ধৰ্মযাজক হৈ বেছি কাম কৰিব পাৰিব, তেন্তে সি চেষ্টা কৰি চাওক। মই তাক সহায় কৰিম। মিষ্টাৰ গ্ৰুফিদৰ নিচিনা মানুহ আৰু দুই এজন থাকিলে ভালহে হ'ব।"

"মিষ্টাৰ গ্ৰুফিদ, মিষ্টাৰ গ্ৰুফিদ, মিষ্টাৰ গ্ৰুফিদ— শুনি শুনি মোৰ বিৰক্তি লাগিছে।" চকীখন জোৰেৰে পাছলৈ ঠেলি দি উঠি দেভিয়ে কৈছিল। "খাবলৈ-পিন্ধিবলৈ নাপাই কত ল'ৰা-ছোৱালী আমাৰ এই উপত্যকাত ঘূৰি ফুৰিছে। মূৰ গুঁজিবলৈ ঘৰ এটা নোহোৱা কত ল'ৰা-ছোৱালী আৰু জীৱনত সকলো আশা হেৰুৱাই পেলোৱা কত মাক ঘূৰি ফুৰিছে। সিহঁতক কিমটো

মিটাৰ গ্ৰিফিনৰ কি আছে ? আছে মাথোন দীঘল দীঘল বক্তৃতা আৰু সকলো ঈশ্বৰৰ ইচ্ছা বুলি কোৱা নিষ্ফল সান্ত্বনা।"

মাই কৈছিল, "তোৰ লাজ নালাগেনে, দেভিদ মৰ্ডান ? মিটাৰ গ্ৰিফিনে দুখীয়াৰ বাবে অকলে যিখিনি কৰিছে তইঁত আটাইকেইটা লগলাগি সেইখিনি কৰিব নোৱাৰ। আৰু কথা নক'বি। খাবৰ যদি মনেই নাই, তেন্তে ইয়াৰপৰা ওলা।"

দেভি আৰু অৰেন ওলাই গৈছিল।

"এতিয়া হয়তো তোৰপৰা কিবা শুনিব লাগিব নহয় জানো ?" মোৰ পিনে চাই মাই কৈছিল।

মই উত্তৰ দিছিলো, "খোৱা শেষ কৰিহে মই যি ক'ব খুজিছো ক'ম মা।"

"অ' হয় নে ? তোক মই সাৱধান কৰি দিওঁ শুন— কিবা মাতিলেই তোৰ কাণ ছিঙি দিম, বুজিছ ?"

তেনেতে আংগাহ্বাদে ক'লে, "মা, লোৰ কাৰখানাৰ ওচৰৰ পুৰণি গুদাম ঘৰটোত মিচেছ বেইননৰ কেঁচুৱা উপজিবৰ হৈছে।"

"হয়নে ? তই কেনেকৈ জানিলি ?" মাই সুধিলে।

খৰকৈ খাই থাকি আংগাহ্বাদে ক'লে, "তেওঁৰেনে অলপ আগতে মোক ক'লে। মই তাইক চাদৰ এখন আৰু দুখন পুৰণি বস্তা কম্বল দিলোঁ।"

মাই খোৱা বন্ধ কৰি একেথৰে আংগাহ্বাদৰ পিনে চাই থাকি ক'লে, "চাদৰ এখন আৰু দুখনকৈ বটিয়া কম্বল দি তই কি সাহত বাক মোৰ সমুখত বহি আছ ?"

"সিইঁতৰ একো নাছিল মা," আংগাহ্বাদে অকণো ভয় নকৰাকৈ ক'লে। "ঘৰৰ মালিকে সিইঁতক ঘৰৰপৰা উলিয়াই দিওঁতে সকলো কাঢ়ি ৰাখিছিল। কেঁচুৱাটো আজি উপজিব, কিন্তু মাক শুৱলগীয়া হৈছে খেৰৰ ওপৰত। তাৰ বাহিৰে সক সক সাতোটা ল'ৰা-ছোৱালী আছেই।"

"চুপ থাক এতিয়া। কাৰ কেইটা ল'ৰা-ছোৱালী তই মোক শুনাব নালাগে। ভালকৈ শুনি ল—মোক নোসোধাকৈ যেন কোনোদিন কাকো একো নিদিয়। এই ঘৰৰ মালিক এতিয়ালৈ অন্ততঃ ময়েই।"

"বাৰু মা।"

মাই সুধিলে, "আশাকৰোঁ চাদৰ আৰু কম্বলৰ বাহিৰে আৰু একো দিয়া হোৱা নাই। অৱশ্যে মিচ আংগাহ্বাদ মৰ্ডানৰপৰা সিমানখিনি আশা কৰাটোও ভুল'।

"সঁচা ক'বলৈ হ'লে মা, ইয়াৰ বাহিৰে কেইটামান পুৰণি কেৰাহী, গিলাচ, পিয়লাও দিছোঁ।" আংগাত্তাদে কথাষাৰ ইমান মৰম লগাকৈ ক'লে যে শুনিলে তোমাৰ মন গলি গ'লহেতেন।

"বাৰু বুজিলো। আৰু কি দিলি ?"

"দাদাইতৰ পুৰণি কাপোৰ কিছুমান। দেউতাৰো কিবাকিবি কাপোৰ অলপ দিছোঁ।"

"মোৰ কাপোৰো কিবা অলপ দিছ নিশ্চয় ?" মাই খুব লাহেকৈ ক'লে।

"ওঁ মা, তোমাৰ আৰু মোৰ দুয়োৰে কাপোৰ অলপ দিছোঁ। মোৰ আলোৱান এখনো দিলো।"

"তোৰ আটাইতকৈ ভাল আলোৱানখনেই দিছ নিশ্চয় ?" আবেগহীন মাতেৰে মাই ক'লে।

'হয় মা। পাছে, সেইখন মই অকল দেওবাৰে গঁৰ্জালৈ যাওঁতেহে লওঁ। তাতে আকৌ আৰৰ দিনবোৰতো গ'লেই।"

"ঘৰখনত দেখোন বহুত বস্তু বৈ গ'ল। সোপাকে দি নিদিলি কিয় ? গাড়ী এখনত আটাইবোৰ নি মি'চচ বেইননক দি অহাই ভাল হ'ব, নহয় জানো ?

আংগাত্তাদৰ ডাঙৰ চকুযুৰি আৰু ডাঙৰ হৈ চকুলোৰে ভৰি গ'ল। তাই ক'লে, "মা, টেগৰেমৰ এটা মাথোন চোলা, আৰু অইন একোৱেই নাই। সিহঁতে বোলে আজি ৰাতিপুৱাৰপৰা একো খোৱা নাই। তাইৰ মুখখন একেবাৰে শেঁতা পৰি গৈছে।"

মায়ে তেতিয়া চকীৰপৰা উঠি গৈ আংগাত্তাদক সাৱটি ধৰিলেগৈ। মায়ে ক'লে,— "নাকান্দিবি। নোসোধাকৈ দিয়াৰ বাবেহে মই খং কৰিছিলো। আজিৰপৰা কাৰোবাক কিবা দিলে মোক সুধি-পুছি দিবি, বুজিছ ?"

"বাৰু মা। পাছে কেঁচুৱাটোৰ আমি যত্ন ল'ব লাগিব নহয় ?"

"ওঁ এই ব্ৰণৰ তালৈ গৈ গাৰেথৰ পুৰণি কাপোৰ অলপ আনগৈ। মই খোৱা বস্তু অলপ পাচি এটাত গোটাই দিছোঁ বাৰু। হিউ, তই পাচি এটা লৈ গাৱঁৰ প্ৰত্যেক ঘৰলৈ যা আৰু যিয়ে যি খোৱা বস্তু দিব পাৰে গোটাই আনগৈ।"

"বাৰু মা।"

গোটখোৱা বস্তুবোৰ তোমালোকে যদি দেখিলাহেঁতেন।

কাপোৰ যিখিনি পোৰা গৈছিল সেইখিনি এসোপা মানুহে পিন্ধিব পাৰিলেহেঁতেন। খোৱাবস্তু ইমান গাল পোৰা গৈছিল যে সেইখিনিৰে গোটেই গাওঁখনৰ মানুহে এসাজ ভালকৈ খাব পাৰিলেহেঁতেন আৰু চকী-মেজ, বিচনা-পত্র ইমানখিনি গোট খাইছিল যে এঘৰ মানুহ নালাগে দুঘৰ মানুহবো তাৰে ভালকৈ বহুদিন চলি গ'লহেঁতেন।

লোৰ কাৰখানাৰ ওচৰৰ গুদাম ঘৰটোলৈ এইবোৰ কঢ়িয়াই নিয়া মানুহবো অভাব নহ'ল। খোৱাবস্তুৰ পাচি এটা লৈ মই প্ৰথমেই গৈ সেইখিনি পাইছিলোঁ। ঘৰটোৰ অৱস্থা সঁচাকৈয়ে দুখলগা।

মিচেছ বেইনন আমাৰ কম্বল এখনৰ ওপৰত শুই আছিল। আনখন কম্বল তেওঁৰ ওপৰত ধাৰি থোৱা আছিল, যাতে ওপৰৰ চালৰ ফুটাৰে পানী আহি তেওঁৰ গাত নপৰে। তক্তা এডাখৰ ফালি ইভান বেইননে জুই একুৰা জ্বলাই পুৰণি বাল্টি এটাত পানী গৰম কৰিছে। গোটেই ঘৰটো সেতসেতীয়া ভেকা আৰু ভীষণ ঠাণ্ডা।

ল'ৰা-ছোৱালীবোৰৰ আটাইতকৈ সৰু তিনিটা মাকৰ ভৰিৰ কাষত শুই আছিল। তাতকৈ ডাঙৰ দুটা খিৰিকীৰ কাষত বহি খেলি আছিল। টেগবেনে আৰু তাইৰ তলতীয়া ভায়েকজনে লগলাগি বিচনা প্ৰস্তুত কৰিবৰ বাবে বস্তা এটাত খেৰ সুমুৱাই আছিল।

"কি খবৰ টেগ" এইবুলি মই দুৱাৰদলিত থিয় দি ৰ'লো। দুৱাৰদলিত দুৱাৰ হ'লে নাছিল।

মোক দেখি তাই লাজ পালে। "অ' হিউ। আমি বস্তাত খেৰ সুমুৱাইছোঁ। বস্তাত সুমুৱালে আকৌ ৰাতি টোপনি গ'লে খেৰবোৰ লৰি পলাই যায়।" টেগবেনে ধেমালি কৰিবৰ ক্ষীণ চেষ্টা এটা কৰিলে।

"হয় হয়, ঠিকেই কৈছা।" মই এনেকৈ কথাষাৰ ক'লো যেন মই সদায় খেৰৰ ওপৰতে শোওঁ। "পাছে এইযা খোৱা বস্তু অকণ আনিছোঁ, লোৱা।"

"বৰ ভাল কৰিলা মায়ে খুব ভাল পাব।" মই ক'লো, "চাহো আনিছোঁ।"

"চাহ ?" তাই আচৰিত হৈ গ'ল।

"মিচেছ বেইনন কেনে আছে ?" মই সুধিলো। মই যিমান দূৰ বুজিছিলো তেওঁ বৰ কষ্ট পাই আছিল। ঘামি-জামি, বগা পৰি মুখত ফেন এসোপাৰে সৈতে তেওঁ পৰি আছিল।

টেগৰেনে ক'লে "মিচেছ প্ৰাইচ এতিয়াই আহিব। তেওঁ আহিলে মাৰে ভাল পাব।"

"মিচেছ প্ৰাইচ আহিলেনো কি হ'ব?" মই সুধিছিলোঁ।

"ইস্, তাকো নাজানানে? তেতিয়াহে কেঁচুৱাটো উপজিব। সেই কাৰণেইতো আংগাচ্ছাৰে মোক চাদৰখন দিছিলে।"

"মিচেছ প্ৰাইচে তেনেহলে কেঁচুৱাটো লগত লৈ আহে নেকি?" মই সুধিছিলোঁ। কথাটো ভাবি মোৰ খুব আচৰিত যেন লাগিছিল।

এইবাৰ টেগৰেন হাঁহি হাঁহি বাগৰি পৰিল। অলপ পিছত হাঁহি বন্ধ কৰি মাকৰ পিনে চাই চাই ফুচ্ ফুচাই ক'লে, "তুমি দেখিছোঁ একেবাৰে অঁকৰা। কেঁচুৱাটো মাৰ লগতে আছে, বুজিছা? কিন্তু মিচেছ প্ৰাইচেহে জানে কেনেকৈ কেঁচুৱাটো উলিয়াই আনিব লাগে।"

"কেঁচুৱাটো তেন্তে ক'ত আছে? কেঁচুৱাটোৰ চিন-চাব মই ক'তো নেদেখিলোঁ।"

"তুমি বাৰু ভাওঁ ধুৰিছা কিয়? তুমি কেঁচুৱা ওপজাৰ কথা একো'কে নাজানা বুলি ক'ব খোজা নেকি?" টেগৰেনে মোলৈ এনেকৈ চালে যেন মই এটা মস্ত অঁকৰা।

"মই নাজানো বুলি নকওঁ। আমাৰ ঘৰত আৰু ব্ৰণৰ ঘৰতো কেঁচুৱা উপজিছিল। কিন্তু মই আজিলৈ ভাবি আছিলোঁ যে ডাক্তৰ বিচাৰ্ডছে কেঁচুৱাবোৰ তেওঁৰ মোনাখনত ভৰাই আনি দি যায়হি।"

"তোমাক কোনে কৈছিল বাৰু?", টেগৰেনে সুধিলে।

"মা আৰু ব্ৰণে।"

"চব মিছা।"

মই ক'লোঁ, "মিছা বুলি তুমি কেনেকৈ জানিলা? তোমাৰ বয়স এতিয়া বাৰ বছৰহে। তুমিও এতিয়ালৈ বহুত কথা শিকিবলৈ বাকী আছে।"

"চব্ মিছা বাৰু। অলপ ৰবা তেন্তে। নিজেই দেখিবা নহয়?"

"কেনেকৈ দেখিম?"

"মিচেছ প্ৰাইচ আহি পায়েই আমাক ইয়াৰ পৰা খেদি পঠিয়াব। আমি তেতিয়া পাছফাললৈ ঘূৰি গৈ ওপৰৰ সৌ ফুটাটোৰে চাই থাকিম, বুজিছা?"

তাই আঙুলিয়াই দেখুৱামতে ওপৰলৈ চালো। এভোখৰ কাঠ এৰি গৈ তললৈ ওলমি আছিল। ফাটটোৰ পাছফালে কিন্তু সম্পূৰ্ণ এন্ধাৰ।

মই ক'লো, "ঠিক আছে বাৰু।"

তেনেতে এজন দুজনকৈ গাৱৰ মানুহবোৰ আহি পালে। তিৰোতাবোৰে ইচ্ আছ শব্দ কৰি ঠাইডোখৰ পৰিপাটি কৰি তোলাত লাগি গ'ল। মতা মানুহবোৰে বছী আদি গোটাই লৈ মুকলি দুৱাৰ-খিৰিকী আৰু ফাটবোৰত কাপোৰ আৰি দিলে। অলপ পিছতে ঘৰটো ইমান বঢ়িয়া হৈ উঠিল যে মই নিজে তাত অনায়াসে বহুদিন বাস কৰিব পাৰিলোহেঁতেন।

মিষ্টাৰ বেইনন সোমাই আহি আকৌ বাহিৰলৈ ওলাই গ'ল। মিচেছ প্ৰাইচ আহিল হাতত এটা টোপোলা আৰু ধুনীয়া ফুল কৰা কাৰ্পেটৰ মোনা এটা লৈ।

দুৱাৰদলিত ভৰি দিয়েই তেওঁ কৈ উঠিল, "চাওঁ, এতিয়া আপোনালোক বাহিৰলৈ যাওঁক। ল'ৰা-ছোৱালীবোৰ এতিয়াই ইয়াৰপৰা ওলাব লাগে।"

টেগৰেনে ফুচ্ ফুচাই মোক ক'লে, "আহা।" পাছফালৰ চোতাললৈ গৈ থট্‌থটী এখনেৰে আমি চতৰ ওপৰলৈ উঠিলো। তাত বাদুলি এসোপা ভৰি আছিল। ইফালে-সিফালে উৰি ফুৰি সিহঁতে অদ্ভুত শব্দ এটা তুলিলে।

ফুটাটোৰ কাষ চাপি আমি তললৈ ভুমুকিয়াই চালোঁ।

মিচেছ বেইননে কান্দি আছিল— ডাঙৰকৈ নহয়, ল'ৰা এজনে পৰি আঁঠুত দুখ পালে যেনেকৈ কান্দে ঠিক তেনেকৈ। কম্বলখন তেওঁ ভৰিৰে লঠিয়াই আছিল। তেওঁৰ মুখৰ শিৰবোৰ ফুলি উঠিছিল।

"উস্, মাই কেঁচুৱা ওপজাৰ সময়ত সদায় এনেকৈ কষ্ট পায়," টেগৰেনে হুমুনিয়াহ এটা দমাই ৰাখি কৈছিল।

কিয় এনে হয় মই সুধিম বুলি ভাবিছিলো, পাছে নুসুধিলো। গোটেই দৃশ্যটোতে কিবা এটি কদৰ্য আৰু নিষ্ঠুৰ ভাব আছিল। সেইটো মই নিজে অনুভৱহে কৰিছিলো, বৰ্ণনা দিব হ'লে নোৱাৰোঁ। মোৰ অস্বস্তি লাগিল। উশাহ-নিশাহ বন্ধ হোৱাৰ উপক্ৰম হ'ল।

অদ্ভুত কিবা এটা গোন্ধ আমি পাইছিলো। এই গোন্ধটো মই প্ৰায়েই কেঁচুৱা ওপজা ঘৰবোৰত পাইছোঁ। অদ্ভুত গোন্ধ এইটো— তেজ আৰু গাখীৰ, ঘৰম আৰু ভয় মিহলোৱা অদ্ভুত এটা গোন্ধ।

জুইকুৰাৰ কাষলৈ গৈ মিচেছ প্ৰাইচে গৰম পানীৰ বাল্‌টিটো বিচনাৰ কাষলৈ আনিলে। মিচেছ বেইননে চিঞৰি থকা কালতে মিচেছ প্ৰাইচে কম্বল কেইখন টানি আঁতৰাই থলে। ল'ৰা-ছোৱালী কেইটাই সাৰ পাই উঠি কান্দিবলৈ আৰম্ভ কৰিলে, কিন্তু কোনোৱে সিহঁতৰ পিনে মন-কাণ নিদিলে। মিচেছ প্ৰাইচ আৰু মিচেছ পেনৰ সন্তান সম্ভৱাক লৈ ব্যস্ত আছিল। তেওঁলোকে অৱশ্যে কি কৰি আছিল মই দেখা নাছিলো, ফুটাটোৱে মোৰ চকু দুয়োৰে ঠিক পিঠিৰ ওপৰত পৰিছিল। চতৰ ওপৰত বাদুলিবোৰে তলৰ চিঞৰ-বাখৰ, কান্দোন আৰু আৰ্তনাদত চক্‌খাই আমাৰ চাৰিওকাষে উৰি ফুৰিছিল, যেন আমিহে সিহঁতৰ কিবা অনিষ্ট কৰিলো।

তেনেতে মোৰ বাহুত ধৰি ফুটাটোৰ কাষলৈ টানি নি টেগৰেনে ফুচ্‌ফুচাই ক'লে' "সোৱা, সোৱা চোৱা। কেঁচুৱাটো দেখিছা? দেখিলানে?"

ফুটাটোৱে চাই পঠিয়াই মই মাথোন ৰঙা ৰঙা কিবা দেখিলো আৰু দেখিলো, মিচেছ প্ৰাইচে বাল্টিটোৰ ওপৰত ধৰি থকা কাপোৰ কিছুমানত তেজৰ চেকা। লাজত আৰু অস্বস্তিত মই আঁতৰি আহিলো। মই ভালকৈ বুজিলো যে মই এনে কাম কৰিছো যিটো অকল মূৰ্খবোৰেহে কৰে।

টেগৰেনক ক'লো, "মই ইয়াৰপৰা যাওঁগৈ।"

"ৰবা, ৰবা, চাবলৈ এতিয়াও বহুতো বাকী আছে।"

"মই এই মুহূৰ্ততে ইয়াৰ পৰা ওলাম," এইবুলি আঁঠুকাঢি মই বাহিৰলৈ যোৱা বাটটোৰ পিনে আগবাঢিলো।

"এতিয়া বিশ্বাস হ'লনে?" হাঁহিৰ আভাস থকা মাতেৰে টেগৰেনে সুধিলে। এন্ধাৰ খট্‌খটীৰ পিনে চাই থাকি মই কোনোমতে ক'লো, "ওঁ।"

"পাছে কাকো একো নক'বা কিন্তু। ক'লেই বিপদ হব।"

"নকওঁ বাৰু, মই এতিয়া যাওঁ।" যিমান সোনকালে পৰা যায় মই চোতাল-খন পাৰ হ'লো। বাহিৰৰ মুকলি বতাহলৈ আহি মই ৰক্ষা পৰিলো। কথাবোৰ ভাবি মোৰ নিজৰ ওপৰতে ইমান ধিকাৰ জন্মিছিল যে মই ভাবিলো মই খনিৰ গহ্বৰত জাপ মাৰি আত্মহত্যা কৰাই ভাল বা খেৰ নিয়া গাড়ী এখনৰ চকাৰ তলত পৰি মৰাই ভাল। মোৰ খুব বেয়া লাগিছিল।

পাছে, এইবোৰ একোকে নকৰি মই ঘৰৰ ঘৰলৈহে গ'লো। ভিতৰ সোমাই

মই সদায় বহা চকীখনত বহিলোঁগৈ। ব্ৰণে কাপোৰ ইস্ত্ৰি কৰি আছিল।

ব্ৰণে সুধিলে, "কি হ'ল? আমাৰ ককাদেউতা বা আজি কেনে আছে?"

"মই এই মাত্ৰ মিচেছ বেইননে নতুন বেঁচুৰা এটা জন্ম দিয়া চাই আহিলোঁ।"

ব্ৰনবেনে ইস্ত্ৰি কৰি থাকিল, যেন একোকে শুনা নাই। কিন্তু মিয়েই নকৰৰ মোৰ কথা শুনি তেওঁৰ মুখখন ৰঙা পৰি উঠিছিল আৰু চকু দুটা কোঁচ খাই গৈছিল।

"কেনেকৈ দেখিলি?" ইস্ত্ৰি কৰা কাপোৰৰ পিনে চাই থাকিয়ে ব্ৰণে খুব লাহেকৈ সুধিলে।

"মই তক্তা এখনৰ ফাঁট এটাৰে চাই আছিলোঁ।"

"অ'। ....এতিয়া বাৰু সন্তুষ্ট হ'লি নে?" এইবুলি কৈ ব্ৰণবেনে মোৰ পিনে চালে।

"এইটো সঁচা নেকি ব্ৰণ?" মই আশা কৰিছিলোঁ যে ব্ৰণে সঁচা নহয় বুলি ক'ব।

কিন্তু ব্ৰণে ক'লে, "তই দেখিছ বুলি কৈছ যেতিয়া সঁচা হ'বই লাগিব।"

"এইবোৰ কথা জনাৰ বাবে মই বিপদত পৰিম নেকি?"

"আইন একো নহয়, মাথোন তই এই বিষয়ে অনবৰত চিন্তা কৰি থাকিবলগীয়া হবি আৰু তোৰ বিবেকে তোক শাস্তি নিদিব। মানুহে য'ত যাব নাপায় তালৈ গ'লে সেইখিনি বিপদত পৰিবই। পদুলি শুভি ফুৰাবোৰে নিজৰে বিপদ মাতি আনে।"

"মোৰ ওপৰত খং উঠিছে নেকি ব্ৰণ?" মই সুধিছিলোঁ।

"খং উঠা নাই। মাথোন আচৰিত হৈছো। মই ভাবিছিলোঁ তই এজন পুৰাপুৰি ভদ্ৰলোক হৈ উঠিবি। কিন্তু ভদ্ৰলোকেতো মানুহৰ পদুলি শুভি নুফুৰে। আৰু কোনোবাই হঠাতে কিবা কাৰণত তেনে কৰিবলগীয়া হলেও তেওঁলোকে সেইটো আইন কাকো নকৈ মনে মনে থাকে।"

"মই হয়তো কাকো একো নোকোৱা হলেই ভাল আছিল। কিন্তু কাৰোবাক যে মই ক'বই লাগিব। উস্ সঁচাকৈয়ে বৰ ভয় লগা দৃশ্য, ব্ৰণ।"

"হৈছে হৈছে, মনে মনে থাক এতিয়া," ব্ৰণে কৈ উঠিছিল। "কিবা খাবি নেকি ক। তোৰ ভোক লাগিছে নেকি?"

"ও"

"বাক। এতিয়া তই মেৰখন ঠিক কৰচোন। মই তোৰ মাৰৰ ওচৰলৈ গৈ মাংসৰ আৰু অলপ লৈ আহোঁগৈ।"

মই কিন্তু ভালকৈ বুজিলো যে ব্ৰণ আমাৰ ঘৰলৈ গৈছে মাক মই কোৱা কথাবোৰ ক'বলৈ।

বিপদ আহিব ধৰিছে বুলি ভালকৈ জানিলে মনটো কেনে কৰে সেই কথা ভাবি মোৰ আচৰিত লাগে। মনটোৰ ক'ৰবাত যেন থিৰিকী এখন মেল খাই যায় আৰু তাৰ মাজেৰে বাজ্যৰ ভয়বোৰ সোমাই আহে। ভয় অৱশ্যে তুমি নোখোৱা, কিন্তু কিবা একধৰণৰ অস্বস্তি লাগি থাকিব।

মাংসৰ আৰু ননাকৈয়ে উভতি আহি ব্ৰণৱেনে মোক ক'লে, "মাৰে তোক মাতিছে।"

"তুমি মোৰ কথা লগাই দিছা নহয়?"

"ও, দিছোঁ। মাৰে জনা উচিত। মোৰ ওচৰলৈ নাহি প্ৰথমে তই মাৰৰ ওচৰলৈহে যোৱা উচিত আছিল।"

"ব্ৰণ, মই ভবাই নাছিলো যে তুমি মোক বিপদত পেলাবা। আজিৰপৰা মই তোমাক কোনো কথা নকওঁ।"

"বাক সেইটো বি হয় হ'ব বাক" হাঁহো নাহাঁহোকৈ ব্ৰণৱেনে কৈছিল। "তোৰ কথা কোনোৱে লগোৱা নাই। তোৰ মগজুত বহুতো ভাঙৰ ভাঙৰ কথা সোমাই আছে। সেইবোৰ ধাতৰাৱৰ সাধ্য মোৰ নাই। মাৰেহে পাৰে যদি। বাক, এতিয়া কিবা অলপ খাই ঘৰলৈ যাগৈ বুজিছ?"

মই কৈছিলো, "ওহো, নালাগে। বিপদত যদি পৰো এতিয়াই পৰা যাওক।"

ব্ৰণৱেনক মাত নিদিয়াকৈয়ে মই ওলাই আহিলো। ঘৰ সোমাই দেখিলো মায়ে অকলে পাগঘৰত ক'টা মোজাবোৰ চিলাই কৰি আছে।

সূতা এডাল টনাত ব্যস্ত থাকি মায়ে ক'লে, "আহিলিনে?"

"ওঁ মা।"

তেওঁ মোৰ পিনে চালে। সেই চকু হালত ভয় খাবলৈ একো নাছিল, তথাপি মই কঁপিবলৈ ধৰিলো। ঘড়ীটোৰ টক্ টক্ আৰু জুইকুৰাৰ ফিৰিঙতি-বোৰৰ ফট্ ফট্ শব্দৰ বাহিৰে ঘৰটো নিঃশব্দ।

"তুই ক'ৰবালৈ যোৱা বুলি শুনিলো।"

"হয় মা।"

"তই কিবা দেখিছিলি বোলে?"

"হয় মা।"

"কিয় গৈছিলি?" মায়ে কঠোৰভাবে সুধিলে।

কিছুমান প্ৰশ্ন আছে যিবোৰৰ উত্তৰ কোনোমতেই দিব নোৱাৰি। মই মোৰ চেণ্ডেলযোৰৰ পিনে চাই বহুপৰ নিমাত হৈ ৰ'লো।

"তোৰ গা ভালে আছেতো?" মাৰ মাতটো অলপ কঁপি উঠা যেন পালো আৰু সেইবাবে মোৰ আৰু বেয়া লাগিল।

"আছে মা।"

"বাৰু, দেউতাৰে যি ক'ব লাগে ক'ব। এতিয়া শুই থাকগৈ যা।"

মাই গালখন আগবঢ়াই দিলে আৰু মই মাক চুমা খাই পাছফালৰ কোঠাটোত শুবলৈ গ'লো। কিমানপৰ পিছত ক'ব নোৱাৰো সাৰ পাই উঠি দেখিলো হাতত লেম এটা লৈ মোৰ পিনে চাই দেউতা মোৰ বিচনাৰ কাষত থিয় দি আছে।

"তোক এই ৰাতিখন টোপনিৰপৰা জগোৱা বাবে মই নিজেই দুখ পাইছো বাছা। শুনিলো আজি হেনো কিবা গণ্ডগোলত পৰিছিলি?"

"হয় দেউতা। কামিজটো খুলি পেলাম নেকি?"

"নালাগে বাছা," দেউতাই খুব অস্পষ্ট ভাবে হাঁহি কৈছিল। "তোক মই বেতাবলৈ অহা নাই। কথাহে হ'বলৈ আহিছো। মোৰ কথা শুন —যি দেখিছিলি সকলো পাহৰি যাবলৈ চেষ্টা কৰ। তোৰ মনলৈ সেইবোৰ চিন্তা আহিবলৈকে নিদিবি। যি দেখিছিলি তাৰ লগত তোৰ বিশেষ কোনো সম্পৰ্ক নাছিল। কিন্তু নহলেও, তোৰ অলপ অন্ততঃ অভিজ্ঞতা হ'ল। এতিয়া বুজিলি নে সন্তান এটি এই পৃথিবীলৈ আনোতে মাক এগৰাকীয়ে কিমান কষ্ট ভোগ কৰে? এই কথা মনত ৰাখি মাৰক আৰু লগতে সমগ্ৰ তিৰোতা জাতিক শ্ৰদ্ধা কৰিবলৈ নাপাহৰিবি।"

"বাৰু দেউতা।"

"আৰু এটা কথা মনত ৰাখিবি," দেউতাই কৈ গৈছিল। "মানুহে অহঙ্কাৰ কৰাৰ থল একো নাই। নিষ্ঠুৰ হোৱাৰ কাৰণো একো নাই। অইনক ঠাট্টা

কৰি আনন্দ পোৱাৰ মূল্যও অকণো নাই। জন্ম কালত সকলো মানুহ সমান। আজি যি দেখিলি ঠিক সেইদৰেই জন্ম হৈছে ৰজা-মহাৰজা, দৰ্জী আৰু মিস্ত্ৰিৰ। আজিৰ ঘটনাৰ স্মৃতিয়ে যেন তোক মানুহৰ স'তে কেনে আচাৰ-ব্যৱহাৰ কৰিব লাগে সেইকথা শিকাই দিয়ে। আকৌ এবাৰ কওঁ, মাৰৰ যন্ত্ৰ লবলৈ কোনোদিনে যেন নেপাহৰ।"

"বাৰু দেউতা।"

"ঈশ্বৰে তোৰ মঙ্গল কৰক, বাছা। শো এতিয়া।"

সেইৰাতি মই খুব ভালকৈ টোপনি গৈছিলো।

১৪

বগা টাৰ্কি চৰাই কেইটাৰ ঘটনা মোৰ চিৰদিন মনত থাকিব, কাৰণ এই ঘটনাৰপৰাই আমাৰ পৰিয়ালটোৰ বিৰুদ্ধে বুঢ়া এলিয়াছ দোকানীৰ শত্রুতা আৰম্ভ হৈছিল।

পাছফালৰ চোতালত আমাৰ বঢ়িয়া কিছুমান কুকুৰা চৰাই আছিল— মুগা ৰঙণীয়া, বগা আৰু কেইজনীমান ক'লাও কুকুৰা চৰাইবোৰ সদায় সুখী। গোটেই দিনটো সিহঁতে ইটো খুচৰি সিটো খুটি ঘূৰি ফুৰে। দিনটোত দুবাৰ আহে আহাৰ খাবলৈ। ৰাতিপুৱা সিহঁতে পৰা কণীবোৰ চাবলৈ মাতি বিৰাট কোঢাল এখন লগায়। কুকুৰা চৰাই সঁচাকৈয়ে খুব ভাল লাগে। সিহঁতে সদায় নিজৰ কাম লৈয়েই ব্যস্ত থাকে আৰু খোজ-কাটলতো সিহঁতৰ নিজা বৈশিষ্ট্য এটি আছে।

প্ৰত্যেক বছৰে জুন মাহমানত মোমাইদেউহঁতে আমাৰ ঘৰলৈ পোৱালি টাৰ্কি চৰাই কেইটামান পঠিয়ায়। সেইবোৰক আমি খুৱাই-বুৱাই বড়দিনত খাবৰ বাবে উপযোগী কৰি তোলো। কিন্তু এইবাৰ মোমাইদেউহঁতে এবিধ নতুন টাৰ্কি পঠিয়ালে— বগা, নেজত ধুনীয়া পেখম, পাতল হালধীয়া ৰঙৰ ঠেং আৰু উজ্জ্বল ৰঙা জেং থকা। বগা টাৰ্কি চৰাই আমি আগতে কেতিয়াও দেখা নাছিলো।

গোটেই গাওঁখনৰ মানুহে চৰাইকেইটা চাবলৈ আহিছিল আৰু আমাৰ পাছফালৰ চোতালখন মানুহেৰে এনেকৈ ভৰি পৰিছিল যেন কিবা মেলাহে হৈছে। কেইবাদিনো জুৰি আমাৰ ঘৰলৈ মানুহৰ সোঁত বৈছিল। কেইদিনমান পিছত আমি আৰু মানুহবোৰ অহা-যোৱালৈ মন নকৰা হ'লো। যেয়ে যেতিয়াই ইচ্ছা পাছফালৰ চোতাললৈ আহি টাৰ্কিকেইটা চাই গুচি যায়গৈ।

তেনেকৈয়ে এদিন একো গম নোপোৱাকৈ আমি চৰাইকেইটা হেৰুৱালো।

ঘটনাটো প্ৰথমতে আংগাছাদৰ চকুত পৰিছিল। তাৱেই সদায় বাহিপুৱা কুকুৰাৰ কণীবোৰ গোটাই আনেগৈ।

চকু-ছুটা বহলকৈ মেলি বগা-চিগা পৰি তাই লৰি আহি কৈছিল, "দেউতা, টাকিকেইটা নাই।"

"নাই? কলৈনো গ'ল?"

"গড়ালৰ দুৱাৰখন ভগা আৰু পাখিবোৰ মাটিত পৰি আছে।"

"হয় নেকি? থাক, আমি আগতে চাহ খাই লওঁ। তাৰ পিছত গৈ চামগৈ।"

"পুলিচক খবৰ দিম নেকি?" দেন্তিয়ে সুধিলে।

"পুলিচ? পুলিচ মাতিব লাগিছে কিয়? শক্তি থাকে মানে মই নিজে নিজৰ কাম কৰি লম।"

চাহ খাবৰ সময়ত আমি কোনোৱে একো কথা-বতৰা নক'লো, কাৰণ দেউতাৰ চকুত এনে এটি দৃষ্টি ফুটি উঠিছিল যিটোৰ বিষয়ে আমি আটায়ে ভালকৈ জানিছিলোঁ। দেউতাৰ চকুৰ সেই দৃষ্টি দেখাতকৈ মই একেলগে এশজন পুলিচ দেখিবলৈকো মান্তি আছোঁ।

চাহ খাই উঠাৰ লগে লগে আইভৰ আহিল দেউতাৰ স'তে একেলগে কামলৈ যাবলৈ। বাহিৰত পোহৰ হৈ আহিছিল আৰু সেইবাবে মই দ দাইতৰ লগত ঘটনাটো কি চাবলৈ গ'লো।

আইভৰে ক'লে, "কোনেনো নিলে বাৰু? এই পাহাৰখনৰ কোনেও নিনিয়ে। এতিয়া আমাৰ কাম হ'ব উপত্যকাখনৰ প্ৰত্যেকখন ফাৰ্ম.ত বিচাৰি যোৱা।"

দাদাইত ওলাই যোৱাৰ পিছত মই অনাই-বনাই ঘূৰি ফুৰি টছালৰ দোকানলৈ গ'লো নুজন কেইটামান কিনো বুলি। তাৰপৰা ওলাই ভাক লৈ আহিবলগীয়া এলিচলৈ বাটচাই দলংখনৰ ওপৰত সৰু সৰু ট্ৰাউট মাছ কেইটামান দেখি ধৰোঁ বুলি মই নৈৰ পাৰে পাৰে খোজ ললো। নৈখনৰ ইটোপাৰে দেখা যায় টছালৰ দোকানৰ পাছফাল, তাৰ কাষতে ডাক্তাৰ বিচাৰ্ডচৰ পাছফালৰ চোতাল। ইয়াৰ ঠিক বিপৰীতে, সিটো পাৰত থ্ৰি বেলচ্‌ নামৰ মদৰ দোকানখন আৰু তাৰ কাষতে এলিয়াচৰ দোকান।

মাছবোবৰ ওচৰলৈ গৈ দেখিলোঁ যে, সিহঁত ইতিমধ্যেই নৈখনৰ লেতেৰা পানীত অ'ধামৰা হৈ পৰিছে। ধৰিবৰ চেষ্টা নকৰি মই সিহঁতক তাতে শাহিবে মৰিবলৈ এৰি থৈ আহিলো—অৱশ্যে খনিৰ আবৰ্জনাই ঘোলা কৰি পেলোৱা সেই লেতেৰা পানীত বঢ়িহে কোনোবাই শাহিবে মৰিব পাৰে। দলংখন পাৰ হৈ মই সিটো পাৰলৈ গৈ থি্ৰ বেলচ নামৰ দোকানখনৰ কাষেদি পাৰ হৈ গ'লো। তাৰপৰা আৰু অলপমান আগুৱাই গৈ পালো বুঢ়া এলিয়াচৰ দোকানৰ পাছফালে গৈ ওলোৱা ঠেক গলিটো।

গলিটোৰ ঠিক মাজত, মাটিৰ ওপৰত পৰি আছিল এটা বগা পাখি। কুকুৰা আৰু টাৰ্কি দুয়োবিধৰে বিষয়ে ভালকৈ জনা মানুহৰ বাবে কুকুৰা আৰু টাৰ্কিৰ পাখি এক বস্তু নহয়। এই পাখিটো নিঃসন্দেহে ধৰিব পাৰি বগা টাৰ্কি চৰাইৰ নেজৰ পাখি বুলি।

এলিয়াচৰ দোকানৰ চাৰিওপিনে থকা ওখ দেৱালখনৰ ওপৰত উঠিবলৈ মোৰ সাধ্য নাছিল। মই আগফাললৈ গৈ দোকানৰ ভিতৰ সোমালো। মোৰ হাতত আছিল এটা পেনি।

দোকানৰ ঘণ্টা বজা শুনি বুঢ়া এলিয়াচ আগবাঢ়ি আহিল।

"কি লাগে?" এলিয়াচে মোক সুধিলে।

"এক পেনিৰ লুজন লাগে, মিষ্টাৰ এলিয়াচ।"

"এতিয়াই তোক লুজন চোবাই থকা দেখিছিলো। টচালৰ দোকানৰপৰা কিনিছিলি হবলা?"

"হয়।"

"এতিয়া আকৌ লুজন লগা হ'ল, নহয়?"

"হয়।"

"তোৰ দেউতাৰৰ স'তে মই কথা হ'ম। আদৰ কৰি কৰি তোক নষ্ট কৰি পেলাইছে। ৰ ভিপুৰাতে লুজন খাই তুই পেনি খৰছ কৰাটো মহাপাপ। যা এতিয়াই দোকানৰপৰা ওলা।"

"মোক এক পেনিৰ লুজন দিবনে, মিষ্টাৰ এলিয়াচ?" মই আকৌ সুধিলো।

মেজখনত ভুকু এটা মাৰি তেওঁ ক'লে, "নিদিওঁ বুলিছো নহয়। যা ওলা, বদমাইচ ক'ৰবাৰ।"

"বাক মিষ্টাৰ এলিয়াচ।" এইবুলি মই ওলাই আহিলো।

ঘৰলৈ উভতি গৈ মই পোনেই মাক ক'লো, "মা, মই জানো আমাৰ টাৰ্কি কেইটা ক'ত আছে।"

"হয়নে ? ক'ত আছে বাৰু ?"

"বুঢ়া এলিয়াচৰ দোকানৰ পাছ ফালে।"

"ইচ্, অঁকৰাৰ দৰে কথা নক'বিচোন।"

মই পোনেই জেপৰপৰা পাখিটো উলিয়াই আনি ক'লো, "মই এইটো তেওঁৰ দোকানৰ ওচৰৰ গলিটোত পাইছোঁ। এইটো টাৰ্কি চৰাইৰ নেজৰ পাখি।"

মায়ে ক'লে, "বতাহেওতো অইন ক'ৰবাৰপৰা কঢ়িয়াই আনিব পাৰে।"

"তেওঁৰ জোতাযোৰত টাৰ্কি চৰাইৰ মল অলপ লাগি আছিল"

"তই সেইকথা কেনেকৈ জানিলি ?" মায়ে সুধিলে।

"মই দোকানৰ ভিতৰলৈ গৈছিলো নহয়।"

"কিয় গৈছিলি বাৰু ?"

"লুজেন কিনিবলৈ।"

"পইচা ক'ত পালি ?"

"আয়ান্টোই দিছিল।"

"লুজেন কিনিলিনে ?"

"ওঁহো। এলিয়াচ বুঢ়াই ক'লে লুজেন কিনাটো হেনো মহাপাপ।"

"ওঁ, ঠিকেই কৈছে। যা, পইচাটো বাকচটোত সুমুৱাই থগৈ।"

গতিকে মই চকীখনৰ ওপৰত উঠি শেনিটো আমাৰ পইচা থোৱা বাকচটোত খুব বেজাৰ মনেৰে সুমুৱাই থলো।

মাই ক'লে, "পাখিটো বাৰু আমি দেউতাৰক দেখুৱাবলৈ থৈ দিম। তই এতিয়া পাছফালৰ গুদাম ঘৰটোলৈ গৈ অৰেনে কৰা জগ্গলখন ঠিক কৰি আহ। পয়চা কেনেকৈ খৰচ কৰিব লাগে সেইকথা মই আয়ান্টোক ক'ব লাগিব দেখি ছোঁ। তই এতিয়া যা। এলিয়াচ বুঢ়াই নো কেতিয়াৰপৰা অইনৰ পইচা বচাবলৈ আৰম্ভ কৰিলে বাৰু ?"

গোটেইখন উপত্যকাতে ঘূৰি মৰি দাদাইত এজন এজনকৈ উভতি আহিল, তেওঁলোকে টাৰ্কিকেইটাৰ একো ভংসূত্ৰই নাপালে। মই একো নক'লো।

সেউতাই গা ধুই থাকোঁতে মই অৰেনৰ স'তে পাছফালৰ ঘৰটোত আছিলো। অলপ পিছতে মায়ে আমাক বাতিৰ আহাৰ খাবলৈ মাতিলে।

খাই থাকোঁতে সেউতাই গম্ভীৰ ভাবে ক'লে, "খাই উঠি আমি অলপ ফুৰি আহিমগৈ, হিউ।"

"বাৰু সেউতা।"

"আমিও যাম নেকি, সেউতা?" দেভিয়ে সুধিলে।

"ব'ল তইঁত আটাইকেইজন গলালেই ভাল।"

"ক'লৈ যাব লাগিব?" আৱাস্টোই সুধিলে।

"এলিয়াচৰ দোকানলৈ।" সেউতাই কথাবাৰ এনেভাবে ক'লে যে, আমাৰ কথা বতৰা হঠাতে বন্ধ হৈ গ'ল। মৰৰণৰা ওলাই পাহাৰৰ একেবাৰে নামনি নোপোৱালৈকে আমাৰ কোনেও একো নক'লে।

"এলিয়াচ বুঢ়াৰ দোকানলৈ আমি বাৰু কিয় যাব ধৰিছো। সেউতা?" দেভিয়ে বাটত সেউতাক সুধিছিল।

সেউতাই উত্তৰ দিছিল, "মোৰ টাৰ্কি কেইটাৰ বাবে। আৱাস্টো আৰু দেভি, তইঁত দোকানৰ পাছফাললৈ গৈ নৈৰ পাৰত থাকিবি যাতে পাছফালৰ দুৱাৰেদি একো উলিয়াই নিব নোৱাৰে। অৰেন, তই দোকানৰ একাষত যিখন দুৱাৰ আছে তাৰ ওচৰত থাকিবি। হিউ, তই আৰু মই আগফালেৰে দোকানৰ ভিতৰ সোমাম।"

দোকানৰ ভিতৰত দুটা লেম আৰু কেইডালমান মম জ্বলি আছিল। আমাক দেখি এলিয়াচক আচৰিত হোৱা যেন নালাগিল।

"অ' মিষ্টাৰ মৰ্গান, আপুনি হৰপায় বাভিপুৱাৰ সেই লুজন কিনাৰ ঘটনাটোৰ সম্পৰ্কত আহিল।" এলিয়াচ বুঢ়াই ক'লে। "আশাকৰো হিউ বোপাই আপোনাক সঁচা কথাকে কৈছে। সি সৌ দলংখনৰ পাৰত বহি লুজন চোবাই আছিল। অলপ পিছত মোৰ দোকানলৈ আহি তাক আকৌ লুজন লগা হ'ল। মই ক'লো, 'হিউ বোপা, তুমি এতিয়াই লুজন খাই আছিলা, আকৌ লুজন লগা হ'ল কিয়? বেছি খালে তোমাৰ অসুখ কৰিব নহয় বাছা। আৰু, এদিনতে লুজন খাই দুই পেনি খৰছ কৰাৰ বাবেই তোমাৰ মাৰাই তোমাক খং কৰিব। তুমি এতিয়া যোৱা।' এই বুলিহে মই কৈছিলো।"

এই আটাইখিনি কথা বুঢ়াই কৰকৰাই কৈ গ'ল।

দেউতাই তেতিয়া ক'লে, "মই পাছে মোৰ টাৰ্কি চৰাই কেইটাৰ বাবেহে আহিছিলো।"

বুঢ়া এখোজ পিছুৱাই গ'ল। তেওঁ হতভম্ব হৈ পৰিল।

"আপোনাৰ টাৰ্কি চৰাই মিষ্টাৰ মৰ্গান?" ভয়ত তেওঁৰ মাতটো অদ্ভুত কিবা এক ধৰণৰ হৈ ওলাল।

"এৰা, মোৰ টাৰ্কি চৰাই। এই পাখিটো তোমাৰ পাছফালৰ গলিটোত পোৰা গৈছিল। তোমাৰ জোতাত এতিয়াও টাৰ্কিমল লাগি আছে।"

"এয়া টাৰ্কিৰ নহয়, কুকুৰাৰহে মল।"

"বাক সেইটো যিয়েই নহওঁক, তুমি এতিয়া আমাক তোমাৰ দোকানৰ পাছফাললৈ যাবলৈ দিবানে?" দেউতাই সুধিলে।

এলিয়াচ বুঢ়া বাগৰি পৰাৰ উপক্ৰম হ'ল। খুব লাহে লাহে গীৰ্জাত প্ৰাৰ্থনা কৰাৰ দৰে তেওঁ ক'লে, "তালৈ কোনো যাব নোৱাৰে। মোৰ বাহিৰে কোনো যাব নোৱাৰে।"

দেউতাই খুব গহীনভাবে ক'লে "বাট এৰি দিয়া।··· হিউ, তই ইয়াতে থাক।"

"বাক দেউতা।"

"তোমাক মই ইংৰাজী আইনৰ ধাৰাত পেলাম," কন্দনামুৱা হৈ এলিয়াচে চিঞৰিলে।

"ইংৰাজী আইন জহান্নামে যাওঁক" এইবুলি বুঢ়া এলিয়াচৰ কোটত ধৰি টানি দেউতাই তেওঁক পিপা এটাৰ ভিতৰত ঠেলামাৰি পেলাই দি দোকানৰ পাছফাললৈ গ'ল।

এলিয়াচ বুঢ়াই ভৰি-হাত জোকাৰি পিপাটোৰপৰা ওলাবলৈ চেষ্টা কৰিলে। তেওঁৰ ইমান খং উঠিছিল যে খঙত অধীৰ হৈ তেওঁৰ চিঞৰিবলৈকো শক্তি নোহোৱা হৈ গ'ল।

এক মুহূৰ্ত আগতে মনে-প্ৰাণে ঘৃণা কৰা মানুহ এজনৰ প্ৰতি পিছ মুহূৰ্তত দয়া উঠলি পৰাৰ কথা ভাবি মোৰ আচৰিত লাগে। এনে অৱস্থাত তোমাৰ এনে লাগিব যেন তুমি মানুহজনৰ ওচৰলৈ গৈ তেওঁক সহায় কৰিবা আৰু সকলো প্ৰকাৰে সান্ত্বনা দিবা।

সেইদিনা এলিয়াছ বুঢ়াৰ প্ৰতি মোৰো তেনে ভাব হৈছিল।

কিন্তু দয়া দেখুৱাৰ সামান্যতম সুযোগ পোৱাৰ আগতেই বুঢ়া পিপাৰপৰা বাহিৰ হৈ ওলাই আহি লাঠি এডাল হাতত লৈ পাছফাললৈ লৰ ধৰিলে। মই তেতিয়া দুৱাৰ মুখলৈ গৈ চিএৰি চিএৰি দেউতা আৰু আয়াস্টোক মাতিলো। সিহঁতেও চিএৰি উত্তৰ দিলে। ইয়াৰ পিছত মই দেউতা ক'ত আছে চাবলৈ পাছফাললৈ লৰ মাৰিলো।

দোকানৰ পাছফাললৈ গৈয়েই প্ৰথমে দেখিলোঁ এলিয়াছ বুঢ়াক—নাকটোত টিপি ধৰি তেওঁ থিয় দি আছে, হাতৰ আঙুলিৰ ফাঁকেৰে তেজ বৈ আহিছে, লাঠিডাল দুটুকুৰা হৈ মাটিত পৰি আছে। লগে লগে দেউতাকো দেখিলো— তেওঁৰ দুহাতে দুটা টাৰ্কি চৰাই। দেউতাৰ ক'লা চুটকোটৰ কাষত থকাৰ বাবে টাৰ্কি দুটা আৰু বেছি বগা দেখা গৈছিল। দেউতাৰ মুখখন স্পষ্টকৈ নেদেখিলেও মই খুব ভালকৈ দেখিলো দেউতাৰ চকুৰপৰা যেন জুইৰ ফিৰিঙতিহে ওলাব ধৰিছে। অলপ সময় তেওঁ এলিয়াছ বুঢ়াৰ পিনে একেথৰে চাই থাকিল।

এলিয়াছে একোকে ক'ব নোৱাৰিলে। গীৰ্জাৰ মুখীয়াল এজন হৈ চুৰ কৰি ধৰা পৰা, পিপাৰ ভিতৰত সোমাই থকা আৰু তাৰ পিছত নাকত ঘোচা খোৱা আদিয়ে যিকোনো মানুহৰ মুখ বহু সময়লৈ বন্ধ কৰি দিব পাৰে।

দাদাইঁতে চিএৰ-বাখৰ কৰি দোকানৰ ভিতৰেদি আমাৰ ওচৰলৈ লৰি আহিল।

দেউতাই ক'লে, "মিষ্টাৰ এলিয়াছ, আজি ৰাতিয়েই তোমাৰ বাবে এই উপত্যকাত শেষ ৰাতি।"

"ইয়াৰ প্ৰতিফল তুমি পাবা।" এলিয়াছে খোকা-খুকি মাতেৰে কৈছিল। "প্ৰতিফল তুমি পাবাই। তোমাক ভোগাবলৈকে মই চৰাইকেইটা লৈ আহিছিলো। সেই কেইটা তোমাৰ ঘৰলৈ অহাৰেপৰা তুমি ওফন্দি উঠিছিলা। চৰাইকেইটা বড়দিনৰ সময়ত তুমি ঠিকেই ফিৰাই পালাহঁতেন। ইয়াৰ হিচাব নোহোৱাকৈ নাথাকে।"

উত্তৰত দেউতাই কৈছিল, "হিচাব কৰি মোৰ ফালৰপৰা যি দিবলগীয়া আছিল তোমাক দিছোঁৱেই। এইবোৰ কথা এৰা। মুঠতে, আজিয়েই তুমি শেষবাৰৰ বাবে তোমাৰ দোকান খুলিলা বুলি ধৰি লোৱা। কাইলৈ যদি দোকানৰ দুৱাৰ খোলা দেখা পাওঁ, মই গোনেই দোকান জলাই দিম কিন্তু।"

অলপ দৈ দেউতাই আমাক কৈছিল, "ব'ল বাছাইত, আমি যাওঁগৈ। এইটোক আৰু অলপ সময় চাই থাকিলে মই ঘৃণাত অন্ততঃ একসপ্তাহ একো খাব নোৱাৰা হ'ম।"

দেউতা যাবলৈ ওলাওঁতেই এলিয়াছ বুঢ়াই চিঞৰি উঠিল, "পাহাৰৰ সিপাৰে থকা মোৰ দোকানলৈ যাবলৈ মই ঠিক কৰিছিলোৱেই।" বুঢ়াৰ মুখৰ পৰা খু ছিটিকি পৰিছিল আৰু তেজৰ বুৰবুৰণি উঠিছিল। "মই ইয়াৰ পৰা যাবলৈ ওলাইছিলোৱেই—পাহাৰৰ সিপাৰৰ দোকানখনলৈ বা তাৰ আগৰ উপত্যকা-খনলৈ বা তাতোকৈয়ো আগুৱাই নগৰত থকা দোকানখনলৈ মই গলোহেঁতেন। দোকান মোৰ বহুতো ঠাইত পৰি আছে। বহুত দোকান আছে মোৰ। ঠগ, ছুৱাচোৰ, হত্যাকাৰীৰে ভৰা এই দোকানখন এৰি যাবৰ মন মোৰ আগৰেপৰা আছিল আৰু এতিয়াও আছে।"

"নোৱোৱা কিয়?" এলিয়াছৰ খং উঠা দেখি দেউতা অলপ আচৰিত হৈছিল। তথাপি দেউতাই কিন্তু অসম্ভৱ ধৈৰ্য্য ধৰি আছিল, কাৰণ এলিয়াছৰ সিদিনাৰ চিঞৰ-বাখৰে যিকোনো মানুহক বলিয়া কৰি তুলিব পাৰে আৰু লগে লগে অস্বস্তিও লগাই দিব পাৰে।

এলিয়াছে আকৌ চিঞৰিলে, "মই যিটো কৈছোঁ সেইটো কৰিমেই—মই তোমাক ইংৰাজী আইনৰ ধাৰাত পেলাইহে এৰিম।"

দেউতাই তেতিয়া ক'লে, "বাৰু ঠিক আছে। তুমি আজি বেলচ্ আইনৰ নমুনা অলপ পালা। ইংৰাজী আইনটো কেনে চাবলৈ পালে মই ভালেই পাম। আৰু শুনা, মনত ৰাখিবা—কাইলৈ যেন দোকানৰ দুৱাৰ বন্ধ থাকে।"

বাহিৰলৈ ওলাই আহি আমি এলিয়াছে দুৱাৰত ভুকুৱাই ভঙা ভঙা মাতেৰে কান্দি থকা শুনিবলৈ পাইছিলো।

পাহাৰ বগাই ঘৰলৈ আহোঁতে দেউতাই হুমুনিয়াহ এটা পেলাই কৈছিল, "ইচ্ বেচেৰা, সি খুজিলেইতো টাৰ্কি-কেইটা দি দিলে হয়হেঁতেন।"

"দেউতা এটা চৰাই মই কঢ়িয়াই নিওঁ দিয়া," আয়াণ্টোই কৈছিল।

"নালাগে। গাৱৰ প্ৰত্যেকজন মানুহে মই কিবাই নিয়া দেখক। আৰু তেতিয়া হলে কিবা বিপদ যদি আহে মোলৈকে আহিব, তইতলৈ নহয়। বুঢ়াই বোলে মোক ইংৰাজী আইনৰ ধাৰাত পেলায়, হুহ্।"

গোটেই বাটটোত গাঁৱৰ মানুহে দেউতাক দেখি শুভেচ্ছা জনালে; কিন্তু

কোনেও একো সুমুখিলে। তেওঁলোকে এইখিনি দেখিয়েই সন্তুষ্ট হ'ল যে টার্কি কেইটা আমাৰ ঘৰলৈ ফিৰি আহিছে। কোনে ক'লৈ নিছিল সেইকথা তেওঁলোকে পিছে পৰেও জানিব।

ঘৰ সোমাই দেখিলো মিষ্টাৰ গ্ৰুফিদ বহি আছে। দেউতাই টার্কিকেইটা ধৰলৈ পাছফালৰ চোতাললৈ গ'ল। সেই কেইটা থৈ কোঠাটোলৈ অহাত মিষ্টাৰ গ্ৰুফিদে সুধিলে, "মিষ্টাৰ মৰ্গান, আপোনাৰ হেনো মিষ্টাৰ এলিয়াছৰ স'তে কাজিয়া লাগিছিল?"

দেউতাই ক'লে, "বেয়া বতৰাৰ গতি বৰ ভাল দেখিছো।"

"গোটেইখন উপত্যকাতে কথাটো প্ৰচাৰ হৈ গৈছে।"

"কাজিয়া পাছে শেষ হৈ গৈছে।"

"তেওঁ আপোনাৰ টার্কি কেইটা চুৰ কৰিছিল নেকি?" দেউতাৰ পাইপ-টোৰপৰা ওলোৱা ধোঁৱাবোৰৰ পিনে চাই থাকি মিষ্টাৰ গ্ৰুফিদে সুধিছিল।

দেউতাই উত্তৰ দিছিল, "টার্কি কেইটা পাছফালৰ গড়ালত আছে।"

মিষ্টাৰ গ্ৰুফিদে অলপ সময় একো নামাতিলে। হঠাতে তেওঁ জোৰেৰে হাঁহি দিলে। বহু সময় তেওঁ হাঁহি থাকিল। প্ৰথমতে আমি আচৰিত হৈ গৈছিলো, কিন্তু ক্ৰমে আমি প্ৰথমে মিচিকিয়াই আৰু অলপ পিছতে মিষ্টাৰ গ্ৰুফিদৰ স'তে হাঁহিবলৈ ধৰিলো। কিয় হাঁহিছিলো আমি কোনেও নেজানো। মিষ্টাৰ গ্ৰুফিদে কিবা ক'বলৈ ওলাইছে, তেনেতে তেওঁক হাঁহিয়ে খুন্দা মাৰি ধৰে আৰু তেওঁ একো নোকোৱাকৈয়ে পুনৰ হাঁহি আৰম্ভ কৰি দিয়ে।

হাঁহিৰ কথা চিন্তা কৰিলে নিজকে মূৰ্খ যেন লাগে সঁচা, কিন্তু বিয়েই নহওঁক হাঁহিব পাৰিলে সদায় ভাল।

হাঁহি বন্ধ হোৱাত ইকথা সিকথাৰ পিছত দেউতাই কৈছিল, "মই আজি এজন মানুহৰ নাক ভাঙি থৈ আহিলোঁ।"

"কোনো কথা নাই। মই আৰু দুজনমান মানুহৰ কথা জানো যাৰ নাক ভাঙিলে তেওঁলোকৰ নিজৰে উপকাৰ হব। কথা গণ্ডগোল দেখিলে মৰে লাগিলে কেতিয়াবা ধৰ্ম-বক্তৃতা এৰি হাতাহাতি লাগি যায়।"

দেউতাই হুৰুভৰ দি কৈছিল, "ঠিক কৈছে। এতিয়া কিবা অলপ তামোল খোৱা যাওক।"

১৫

তেতিয়াৰ দিনবোৰ আমাৰ সকলো প্ৰকাৰে সুখৰ আছিল। তেতিয়া মানুহে ৰাতি ঘৰৰ বাহিৰ নোলাইছিল—অৱশ্যে গীৰ্জাঘৰলৈ বা দল বান্ধি গান গাবলৈ যোৱাটো বেলেগ কথা। বিচনাত পৰাৰ আগলৈকে আমি ঘৰত বহুতো কাম কৰিব লাগে। পঢ়া শুনা কৰি নাথাকিলে বা গান আদি গাবলৈ বাহিৰলৈ ওলাই নগ'লে আমি পাছফালৰ চোতালত ইটো-সিটো প্ৰায় প্ৰত্যেক ৰাতিয়েই কৰিছিলোঁ। কৰিবলগীয়া একো নাই বুলি তেতিয়াৰ দিনত কোনোবা এনেয়ে বহি থকা মোৰ মনত নপৰে।

কিন্তু আজি পঞ্চাশ বছৰ পিছত কিহে এই আটাইবোৰ সলনি কৰি দিলে মই ভাবি ওৰ নাপাওঁ। প্ৰথমে, গেচ লাইটে মানুহক পঢ়া-শুনা কৰাবলৈ বাধা কৰিলে, গেছ লাইটত বেছি বেছি সময় পঢ়া-শুনা কৰিলে চকুৰ কষ্ট হয়। তাৰ পিছত আহিল বিজুলী বাতি। বিজুলী বাতিয়ে মানুহক ৰাতি সোনকালে শুবলৈ বাধ্য কৰালে, কাৰণ বেছিপৰ থাকিলে খৰছ বহুত হৈ যায়গৈ। এইবোৰ বুজিলো, কিন্তু কিহে বাৰু মানুহক নিজৰ মাক-দেউতাকক শ্ৰদ্ধাজ্ঞান কৰিবলৈ শিকালে? কিহে বাৰু মানুহক ঘৰৰ বাহিৰ আৰু আগতে নকৰা বেয়া কামবোৰ কৰিবলৈ শিকালে? কিহে বাৰু মানুহক ঘৰৰ বাহিৰ আৰু আগতে নকৰা বেয়া কামবোৰ কৰিবলৈ খোচাখুচি লগালে? ভাবি মই ওৰকে নাপাওঁ।

মোৰ মৰমৰ ঘৰখন! এই ঘৰখনে মই জন্মৰ আগৰেপৰা সুখ কি দেখি আহিছে। ই মোৰ জীৱন স্বৰূপ। মই ভালপোৱা মানুহবোৰৰ ই এটি অবিচ্ছেদ্য অঙ্গ। গতিকে আজি এই ঘৰ এৰি যোৱা মানে মোক নিজকে এৰি যোৱা।

হৈচি ধৰি থকা আৱৰ্জনাৰ ক'লা চয়তান'টাৰে তোমাক অতি সোনকালে পুতি পেলাব। খিৰিকীবোৰ ভাঙি যাবগৈ, দুৱাৰবোৰ ভাঙি পৰিব

আৰু তোমাৰ আটাইবোৰ কোঠা খনিব আবৰ্জনাৰে ভৰি পৰিব। তোমাৰ ছালখনো খহি পৰিব পাৰে। কিন্তু বি.য়ই নহওঁক, তুমি কেতিয়াও নোহোৱা হৈ নোযোৱা। ভাঙি হয়তো পৰিবা, কিন্তু বিলীন হৈতো নোযোৱা!

কেৰিদৰেন বাইদেউ সোঁখন ভুৱাৰৰ ওচৰত থিয় দি আছিল। তেওঁৰ গাত এটা নতুন সাজ, মেলিথোৱা চুলিৰ মাজেৰে দেখা গৈছিল হাঁহি থকা মুখখন। চোলাটোৰ কঁকালৰ ফিটাডাল মাৰিবলৈ বৃথা চেষ্টা কৰি থাকি বাইদেৱে কৈছিল, "এই হিউ, ফিটাডাল মাৰি দেচোন। টানকৈ বান্ধিবি দেই।"

ইমান কোমল, তপত আৰু চিকমিকিয়া বাইদেউৰ গাৰ ছালখন!

"কেৰিদৰেন," মায়ে তলৰ কোঠাৰপৰা চিঞৰিছিল, "তোৰ পলম হ'ব দেই।"

"উঃ প্ৰভু! এই ল'ৰা, খৰ কৰ। ফিটাডাল বান্ধোতে ইমান পলম লাগেনে?" কেৰিদৰেনে হুলস্থুল লগাই দিছিল।

মই কৈছিলো, "লৰচৰ নকৰিবিচোন। একেবাৰে মাছটোৰ দৰে পিছল তোৰ গাটো।"

"কি ক'লি? মাছটোৰ দৰে পিছল মই? তেন্তে, চহৰৰপৰা তোলৈ একোকে নানো ৰ।"

"নালাগে বাৰু," এই বুলি মই কাম বন্ধ কৰি দিছিলো। "একো যদি নিদিয়েই মই ফিটাডাল মাৰি দিম কিয়? নিজেই মাৰি ল।"

কেৰিদৰেনে তেতিয়া কান্দো-কান্দো হৈ কৈছিল, "তইনো বাৰু বাইদেৱেৰ এজনীৰ লগত এইখন কৰিব পাৰনে? চহৰলৈ যাওঁতে পলম হ'লে কি হ'ব বাৰু? দেউতাই খং কৰিব আৰু ৱেৰ্থিনেও হয়তো অইন এজনীক বিয়া কৰাই পেলাব। দেনা, ফিটাডাল মাৰি দে।"

"চহৰৰপৰা মোলৈ কিবা আনিবি বুলি ক' তেন্তে।" মই একে কথাতে লাগি আছিলো।

"উঃ প্ৰভু, এই ল'ৰাটো কম নহয়। বাৰু, বাৰু এটা নহয় দুটা নহয়, এলোপা বস্তু আনি দিম দে। এতিয়া মোৰ কামখিনি কৰি দেচোন!"

কেৰিদৰেনৰ কাপোৰ পিন্ধা হ'লত আমি তললৈ নামি গ'লো। অলপ

পিছতে তেওঁ মা আৰু দেউতাৰ স'তে টম্যাছৰ বাগী গাড়ীত উঠি নগৰলৈ ঘোৰা বেল ধৰিবলৈ ষ্টেচনলৈ গ'ল।

"আৰু এজন কৰ্মিল," গাড়ীখন যোৱাৰ লগে লগে দেভিয়ে ক'লে।

অবেনে তাক সুধিলে, "তোৰ যোৱাৰ পাল কেতিয়া আহিব বাৰু?"

দেভিয়ে ক'লে, "এঃ মোৰ বহুত পলম আছে।"

"ছোৱালীজনীক এদিন আমাৰ ঘৰলৈ নান কিয়? আমি কোনোৱা এজনে পলুৱাই নিম বুলি ভয় কৰ নেকি?" আয়াণ্টোৱে ক'লে।

"তইতৰ কোনোবাই?" এইবুলি দেভিয়ে হাঁহি দিছিল। "দেখিম বাৰু। মই তেওঁক অহা শনিবাৰলৈ ইয়ালৈ লৈ আহিম।"

আয়াণ্টোই চিঞৰিছিল, "চা মই আগতেই জানিছিলো ইয়াৰ ক'ৰবাত প্ৰেমিকা এজনী আছে। ইমান বদমাইছ্ ই, চ'ৰ লুকুৱাই ৰাখিছে দেখিছ?"

দেভিৰ প্ৰেমিকা আছে বুলি সেইদিনাহে মই প্ৰথম গম পাইছিলোঁ।

ছোৱালীজনীক দেখা মাত্ৰকে কিন্তু বুজিলো যে দেভি ছোৱালীজনীৰ প্ৰেমত পৰাত আচৰিত হবলগীয়া একো নাই।

শনিবাৰে আবেলি কেৰিদবেনে মা দেউতাৰ স'তে এসোপা টোপোলা লৈ নগৰৰপৰা উভতি আহিল। কেৰিদবেনৰ মুখত নগৰৰ কথা, বেলত উঠাৰ কথা আৰু সাগৰৰ কথাৰ বাহিৰে অইন একো কথা নোলালেই।

ব্লেথিন লাইৱাৰ্ক গুথ ডাঙৰ আৰু ধুনীয়া। প্ৰথমতে তেওঁ লাজ কৰিছিল; বিশেষকৈ কেৰিদবেন কাষলৈ আহিলেই বঙা-চিঙা পৰি গৈছিল। কেৰিদবেন কিন্তু একেবাৰে শান্ত-শিষ্ট আৰু গম্ভীৰ হৈ আছিল।

চকীখনৰ একোণত কোচমোচ খাই নবহি আৰামকৈ বহিবলৈ দেউতাই কেইবাবাৰো ব্লেথিনক কৈছিল। আৰু এপিয়লা চাহ দি মাই ব্লেথিনৰ ওচৰৰ-পৰা চামুচখন লৈ গৈছিল, কাৰণ ইতিমধ্যে দুবাৰ চামুচখন হাতৰপৰা খহি পৰি তেওঁৰ ভাল কাপোৰযোৰ নষ্ট হৈছে।

তেনেতে আহিছিল দেভি আৰু এথেলৰিণ।

আৰম্ভণিৰে পৰা আমি তেওঁক 'ৱিন' বুলি মাতিবলৈ ধৰিলো। তেনেকুৱা এজনী ছোৱালীক সেইদৰে নামাতি উপায় নাই। বাদামীৰঙৰ বহল চকু আৰু মিঠা মাতটোৰে সদায় হাঁহি থকা ৱিনে দেভিক সাক্ষাৎ ঈশ্বৰ যেন দেখিছিল।

আমাৰ পৰিয়ালটো সেইৰাতি বিৰাট ভাগৰ হৈ পৰিছিল। মা-দেউতা আইভৰ ব্ৰণৱেন, আয়ান্টো, দেভি আৰু বিন, গুইলাম, কেৰিদৱেন আৰু ব্লেথিন, আংগাহ্লাদ আৰু মই, ওপৰৰ কোঠাত শুই থকা অলব্ৰেন, মিষ্টাৰ গ্ৰুফিদ আৰু তেওঁৰ ঘৰ চলাওঁতা মিচেছ ৰাওলেণ্ড, কয়লাৰ খনিৰ মালিক মিষ্টাৰ ইভান্স। ইয়াৰ বাহিৰেও কেইজনমান আচি আগতে শুচি গৈছিল। মই সেই ৰাতি পাছফালৰ চোতালত বহুতো কাঁহী-বাটি ধুবলগীয়াত পৰিছিলোঁ, কাৰণ মেইদিবা কেৰিদৱেন ব্লেথিনক লৈ ব্যস্ত আছিল। মোৰ ইমান খং উঠিছিল যে কাঁহী-বাটি বোলা বস্তুটোৰ ওপৰতে মোৰ চিৰদিনৰ বাবে ঘৃণা উপজিল।

বিৰক্তিত মাটিতে গোৰ এটা মাৰি আংগাহ্লাদে কৈছিল, "উস্ প্ৰভু! ইহঁতে এটা বস্তু পেটত ভৰাওঁতে ছখনকৈ কাঁহী ব্যৱহাৰ কৰিছে নেকি?"

আংগাহ্লাদৰ কথা শুনি গুইলামে কৈছিল, "ৰ', ৰ,' অলপ ধৈৰ্য ধৰচোন। তেওঁলোকৰ খোৱা শেষ হ'লেই।"

"ধৈৰ্য ধৰিম?" আংগাহ্লাদে কান্দো কান্দো কৰিছিল।

....অৱশেষত কোনোমতে যাহওঁক ধুই অঁটালো। আংগাহ্লাদে হাতত থকা কাঁহী মচা কাপোৰখন দলিয়াই দি ক'লে, "ব'ল হিউ, আমি পাহাৰৰ ওপৰলৈ যাওঁগৈ।" মই আচৰিত হৈ গ'লো।

সুধিলো, "কিয়? তাতকৈ ব'ল ভিতৰলৈ গৈ তেওঁলোকৰ কথা-বতৰাকে অলপ শুনোগৈ।"

"কথা-বতৰা?" ঘৃণাত তাইৰ চকুহুটা মুদ খাই গৈছিল। "আজি দিনটোৰ বাবে যথেষ্ট কথা-বতৰা মই শুনি অঁটাইছোঁ। ব'ল, পাহাৰৰ ওপৰলৈ গৈ মনে মনে বহি থাকোঁগৈ। কথা শুনিবলৈ গলে মই মাথোন ইয়াকে ভাবি থাকিব লাগিব যে কিমান কাঁহী সৌজনে বাক পেটত ভৰাইছে। ব'ল, ব'ল এতিয়া।"

আমি পাহাৰৰ ওপৰলৈ গ'লোঁ। বতাহত বাগৰিপৰা ডাঙৰ ওক গছ এডালৰ ওপৰত আমি বহিলোগৈ। পাহাৰ এখন নিঃশব্দে শুই পৰা চাবলৈ সঁচাকৈয়ে খুব ভাল লাগে। দূৰৰ উপত্যকাৰ অইন পাহাৰবোৰ নীলা মখমল কাপোৰ টুকুৰাৰ দৰে পৰি থাকে। সেইবোৰ দেখি তোমাৰ এনে লাগিব যেন সেই কাপোৰ কাটি আনি তোমাৰ কাপোৰ এজোৰ বনাই লবা।

আমি তাত অলপ সময় থকাৰ পিছতে কোনোবা এজন আমাৰ পিনে

আহিব ধৰা দেখিলো। মানুহজনে সুঁহুৰিয়াই কাৰোবাক মাতি মাতি আহিছিল, যেন আগতে বন্দৱস্ত কৰি থোৱা মতে তেওঁ কাৰোবাক লগ ধৰিবলৈ আহিছে। ঠিকেই অনুমান কৰিছিলোঁ।—আংগাষ্টাদ হঠাতে জঁাপ মাৰি থিয় দি উঠি তেওঁক লগ পাবলৈ দৌৰ ধৰিলে।

সেইজন আছিল খনিৰ মালিক ক্রিষ্টিয়ান ইভান্সৰ ডেকা পুতেক আয়েষ্টিন্ ইভান্স। অলপতে অক্সফোর্ড বিশ্ববিদ্যালয়ৰপৰা পাছ কৰি আহি দেউতাকৰ ব্যৱসায়ত লাগিছে। তেওঁক তাত দেখি মই আচৰিত হৈ গৈছিলোঁ।

"আয়েষ্টিন, এওঁ হ'ল হিউ।" আংগাষ্টাদে আমাৰ পৰিচয় কৰি দিলে।

"হেল্ল', হিউ," বিলাতী কায়দাত তেওঁ মাত লগালে। "মোক লগ পাবলৈ বাইদেৰেবাক ইয়ালৈ অনাৰ বাবে ধন্যবাদ।"

মই ক'লো, "আপুনি আহিব বুলি মই একোকে নেজানিছিলো। আগতে জানিলে মই ঘৰতে বহি থাকিলোহেঁতেন আৰু দেউতাই এই কথা গম পাব লাগিলে আংগাষ্টাদক শেষ কৰি দিব।"

"ছিঃ ছিঃ এই বোৰ ক'বলৈ লাজ নালাগেনে হিউ মৰ্গান? মই এই অকণমান পৰৰ বাবেহে লগ পাবলৈ আহিছোঁ।" আয়েষ্টিনৰ আলিঙ্গনত থাকিয়ে আংগাষ্টাদে ক'লে।

মই খঙেৰে ক'লো, "সেই অকণমান পৰ বহুত আগতেই পাৰ হৈ গৈছে। ব'ল এতিয়া ঘৰলৈ যাওঁগৈ।"

"ৰবা, ময়ো তোমালোকৰ লগতে গৈছোঁ," আয়াষ্টিনে ক'লে।

মই ক'লো, "আপুনি আমাৰ লগত আহিলে কিন্তু দেউতাই সকলো কথা গম পাব। কাইলৈ গীৰ্জাৰ উপাসনাৰ পিছতহে আপুনি দেউতাক লগ ধৰিলে ভাল হ'ব।"

"এই জ্ঞানী পুৰুষৰ বয়স বাৰু কিমান?" আয়েষ্টিনে তেতিয়া আংগাষ্টাদক সুধিছিল।

"চৈধ্য বছৰমান হ'ব পায়," আংগ'ষ্টাদে কৈছিল। "হুকুম চলোৱাৰ বয়স তাৰ এতিয়াও হোৱা নাই। ব'লা আমি পাহাৰৰ একেবাৰে টিঙত উঠি যাওঁগৈ।"

মই কৈ দিলো, "মই কিন্তু এই মুহূৰ্ততে ঘৰলৈ যামগৈ।"

আয়েষ্টিনে ক'লে, "ৰবাচোন।"

মই ক'লো, "হুকুম দিবলৈ হয়তো মই বয়সত সৰু, কিন্তু আপোনাৰ হুকুম মানি চলা বয়সো মোৰ পাৰ হৈ গৈছে।"

"তই এক নম্বৰ বদমাইছ," কন্দনামুৱা হৈ আংগাহ্লাদে ক'লে। "অলপ সময়নো ৰ'ব নোৱাৰনে?

"মই ৰ'ব নোৱাৰোঁ," এইবুলি পাহাৰ বগাই নামিবলৈ মই আৰম্ভ কৰিছিলো।

তাই তেতিয়া চিঞৰিছিল, "হিউ ৰবি; মৰো গৈছোঁ।"

মই থিয় দিলো। সিইঁতে চুমা খোৱা মই স্পষ্ট শুনিলো। অলপ পিছতে বেগাই লৰি আহি আংগাহ্লাদে মোক লগ ধৰিলেহি। আমি ঘৰমুৱা হ'লো।

বাটত তাই মোক কৈছিল, "তোৰনো কি হ'ল আকৌ? মোৰ এনে খং উঠিছিল তোৰ ওপৰত। পাচ মিনিট পলম হ'লেনো তোৰ কি বৰ ক্ষতিটো হ'লহেঁতেন?"

"মেট্লিন লিৱিচেও হয়তো তাকে কৈছিল," মই কৈ দিছিলো।

খঙত তাই চিঞৰি উঠিছিল, "হিউ, তই মোক এনেকুৱা কথা ক'লি?"

"পিছত কোৱাতকৈ এতিয়াই কৈ খোৱা ভাল। তেওঁ মোক পাহাৰত লগ ধৰে কিয়? আমাৰ ঘৰলৈকোতো যাব পাৰে?"

আংগাহ্লাদে কৈছিল, "মই তোক ঘিণ কৰোঁ।" সেই সময়ত খঙত তিৰ্‌বিৰ কৰি জ্বলি থকা তাইৰ চকুহাল দেখিলে তোমাৰ ভয় লাগি গ'লহেঁতেন।

মই কৈছিলো, "কাইলৈ গীৰ্জাৰ উপাসনাৰ পিছত তেওঁ দেউতাক দেখা কৰেনে নকৰে চোৱা যাওক। দেখা কৰে যদিতো ভালেই।"

আংগাহ্লাদে কিন্তু ইতিমধ্যে ঘৰৰ পিনে লৰিবলৈ আৰম্ভ কৰি দিছে। মোৰ ভৰি দুখন তেতিয়াও দুৰ্বল আৰু সেইবাবে বহুত পাছ পৰি ৰ'লো। ঘৰ সোমাই দেখিলো আংগাহ্লাদে চাহ কৰিব ধৰিছে, যেন একোকে হোৱা নাই।

মই গৈ পাওঁতে সকলোৱে ইউনিয়নৰ বিষয়ে কথা পাতি আছিল। মিষ্টাৰ ইভান্সক কিন্তু বৰ উত্তেজিত যেন লাগিল। তেওঁ কৈছিল, "মই মোৰ মানুহবোৰক ভাল দৰমহাই দিওঁ। গোটেই উপত্যকাৰ ভিতৰতে সিইঁতে সদায় ভাল দৰমহা পাই আহিছে আৰু আগলৈকো পাব।"

মিষ্টাৰ গ্ৰ‌ুফিডে ক'লে, "কিন্তু আপোনাৰ খনিটো আটাইতকৈ সৰু, আৰু

আইনবোৰৰ মালিকসকল আপোনাৰ দৰে নহয়। তেওঁলোকৰ মৰ্য্যদা-শান্তিও আইন হিচাবে দিয়ে। সেইখিনিতেইতো আচল গণ্ডগোল। আপোনাৰ খনি আপুনি চলায়; কিন্তু আইন খনিবোৰ চলায় দৰ্মহা দি ৰখা কৰ্মচাৰীয়ে। মালিক সকলৰ চকু থাকে মাথোন লাভৰ পিনে। ধনী কিন্তু সোৰোপা উচ্চ বংশীয় মালিকবোৰ আৰু লুভীয়া অংশীদাৰবোৰেই আমাৰ শত্রু।"

আয়াৰ্ণ্টোৱে ক'লে, "কেইৰ হাৰ্ডিয়ে কয়, খনিবোৰ হেনো সকলোৰে সম্পত্তি হ'ব লাগে।"

দেভিয়ে ক'লে, "হাইণ্ডমেনে কয় মাটি-বাৰীবোৰ সকলোৰে হ'ব লাগে। মই তেওঁৰ লৈতে সম্পূৰ্ণ একমত।"

অৱেনে ক'লে, "মাৰ্ক্সে'তো সদায় তাকে কৈ আহিছে।"

দেউতাই তেতিয়া মাত দিছিল, "বিদেশী কেতবোৰে কোৱা কথাৰ পক্ষপাতী মই কিন্তু নহওঁ। শ শ বছৰ আগতে অৱেইন মিগুৱাৰে আমাৰ দেশৰ বিষয়ে যি ক'বলগা আছে সকলো কৈছে—ৱেলছৰ মানুহৰ বাবেহে ৱেলছ দেশ। মাৰ্ক্স মাৰ্ক্স কৰি নাথাকি তেওঁৰ কথা শুনিলেহে ভাল হ'ব।"

সেই ৰাতি তেনেকুৱা ধৰতো কথা-বতৰাৰ পিছত সকলো ঘৰা-ঘৰি গৈছিল। দাদাহঁতে মিষ্টাৰ গ্ৰুফিদহঁতক অলপ আগবঢ়াই থৈ ঘৰলৈ উভতি আহি আমনজিমনকৈ জুইকুৰাৰ আশে-পাশে থিয় দি থাকিল।

আইভৰে সুধিলে, "কি কৰা যায় বাৰু, দেউতা? মই অৱশ্যে একো মতা নাছিলো, কিন্তু ভগু ইভান্স বুঢ়াক ভালকৈ কথা শুনাই দিবলৈ মন গৈছিল মোৰ।"

"আৰে আইভৰৰ মুখত আজি ই কি কথা!" খুব আচৰিত হোৱাৰ ভাও জুৰি অৱেনে ক'লে।

দেভিয়ে সুধিলে, "তোক নো আজি কোনে জগাই তুলিলে বাৰু?"

"জগাব লাগিছে কিয়? তই ভাবিছ নেকি আজি অত্তদিনে মই এই উপত্যকাত চকুহুটা মুদি আছিলো? ইভান্স বুঢ়াই দুশইচা বেচি দিয়ে, কাৰণ তেওঁ জানে অলপ বেচিকৈ নিদিলে মানুহবোৰ অলপ কোমল কয়লা বিচাৰি আইন খনিত কাম কৰিব'ল গুচি যাবগৈ। ঠগিবৰ ঠাই আৰু নাপালে।"

দেভিয়ে ক'লে "আমি এখন যুদ্ধ আৰম্ভ কৰি দিলে কেনে হয় বাৰু?"

আমি প্ৰত্যেকেই এখনকৈ উপত্যকা ভাগত লওঁ। তাত আমি খনিৰ কামৰ পিছত সদায় মানুহবোৰক লগাই তোলাৰ কাম কৰিমগৈ।”

“কোনে খনিত কাম কৰাৰ কথা কৈছে বাৰু?” আইভৰে সুধিলে। “ভই, আয়ান্টো আৰু অৰেন সেখোন আজি কালি বাবু হৈ বহি আছে?”

সোমবাৰৰপৰা আমি আকৌ খনিত কাম কৰিম। আজি আবেলিও আমি গৈছিলো। খোৱা-খকাৰ বাবে আমি খৰচ দি থাকিম, দেউতা।”

“ইমানখিনিৰ প্ৰয়োজন নাছিল বাছাইত। এইটো ভইঁতৰে ঘৰ। গতিকে খৰচ দিয়াৰ প্ৰশ্ন নুঠে,” দেউতাই কৈছিল।

অৰেনে কৈছিল, “তেতিয়াহলে বহি বহি খাই বাকচটো উদং কৰাহে হ'ব। মই সেইটো কেতিয়াও নকৰোঁ। খনিত কাম কৰিও মই অইন কাম-বোৰ কৰিব পাৰিম।”

“মই কোৱা যুদ্ধখনৰ কথা পাছে কি হ'ল?” দেভিয়ে সুধিলে।

দেউতাই ক'লে, “কাইলৈ দেওবাৰ। সোমবাৰে বাৰু আমি এই বিষয়ে ভালকৈ কথা হ'ম। বা, এতিয়া শুই থাকগৈ। নহলে, আকৌ তইঁতে চিঞৰ-বাখৰ কৰি মাৰৰ টোপনি ভাঙিবি।”

দেওবাৰৰ সূৰ্যোজ্জ্বল বাতিপুৱা গীৰ্জালৈ খোজকাঢ়ি গৈ খুব ভাল লাগে। সেইদিনা সকলোৰে ভাল কাপোৰ আৰু চক্‌চকীয়া জোতাবোৰ পিন্ধে।

পাহাৰখনৰ আটাইবোৰ মানুহে প্ৰায় একে সময়তে গীৰ্জালৈ বুলি খোজ লয়। ওৰেবাটে তুমি মাথোন ‘সুপ্ৰভাত’ আৰু ‘আপোনাৰ ভালনে?’ ইয়াৰ বাহিৰে একোকে শুনা।

আমাৰ পৰিয়ালটোৱে এনেকৈ গীৰ্জালৈ যায়—একেবাৰে আগত মই আৰু অলৱেন। অলৱেন এতিয়া খোজ কাঢ়িবপৰা হৈছে। মোৰ হাতত হাত এখন দি তাই লগে লগে গৈ থাকে। আমাৰ পাছৰ শাৰীত অৰেন আৰু আংগাহ্ৰাদ, তাৰ পাছত দেভি আৰু কেৰিদৱেন, তাৰপিছত গাৰেথৰ সৈতে আয়ান্টো, সিহঁতৰ ঠিক পাছতে আইভৰ আৰু ব্ৰণ, একেবাৰে শেষত দেউতা আৰু মা। দেউতাই ধেমালি কৰি কৈছিল ‘মৰ্গান বংশ’। কিন্তু আমাৰ সমান বা আমাতকৈ সংখ্যাত সৰহ বহুতো চিনাকি পৰিয়াল আমি বাটত লগ পাইছিলো।

ঘৰৰপৰা ওলাই অলপ দূৰ মনে মনে গৈ গাওঁখনৰ ঘৰবোৰৰ শাৰী

পাৰ হোৱাৰ লগে লগে মা বা দেউতাই লাহেকৈ ধৰ্মসঙ্গীত এটি আৰম্ভ কৰি দিয়ে। অলপ পিছতে তাত যোগ দিয়ে ছোৱালীইতে— আংগাহাদ, ব্ৰণ আৰু কেন্দিয়েনে। ল'ৰাইতো পাছ পৰি নাথাকে— অলপ সময়ৰ ভিতৰতে গোটেই উপত্যকাখন আমাৰ গানৰ প্ৰতিধ্বনিত ৰজন্ জনাই উঠে।

পাৰ হৈ যোৱা দিনবোৰ কিমান ভাল আছিল। সেই দিনবোৰ আকৌ উভতি আহিলেহেঁতেন যদি। গোটেই পাহাৰখন তেতিয়া আছিল সেউজীয়া পাহাৰৰ ঠিক তলতে আছিল ফটফটীয়া পানীৰে বৈ যোৱা নৈখন।

বতাহজাক বৈ আছে বনৰীয়া ফুল আৰু ঘাঁহৰ গোন্ধ কঢ়িয়াই লৈ। সেই গোন্ধৰ অলপ সকলোকে ভগাই দি আকৌ ফিৰাই লৈ যায়গৈ, যাতে বতাহ জাকে ক'ৰপৰা কি চুৰ কৰি আনিছিল কোনেও ধৰিব নোৱাৰে। বতাহজাক এক নম্বৰ চোৰ। ইটো ফুলৰপৰা অলপ, সিডৰা ঘাঁহৰপৰা অলপ চুৰকৰি আনি আমাৰ সকলোকে ভগাই দি আকৌ ওভোতাই নি য'ৰপৰা চুৰকৰি আনিছিল তাতে থৈ আহেগৈ।

গীৰ্জাৰ ওচৰত থিয় বাটখিনি উঠি গৈ থাকোঁতে দেখিছিলো মিষ্টাৰ গ্ৰিফিদ বৈ আছে। বিৰাট ওখ ডাঙৰ মানুহ তেখেত। ৰাতিপুৱাৰ সূৰ্যৰ পোহৰ পৰি তেওঁৰ ক'লা দাড়িকোছা সোণালী হৈ উঠিছে। এতিয়া গীৰ্জা-ঘৰৰ একেবাৰে ওচৰ পোৱাবোৰৰপৰা আৰম্ভ কৰি গীৰ্জালৈ আহিব ধৰা কিন্তু তেতিয়াও পাহাৰখনৰ একেবাৰে নামনিত থকা আটাইবোৰ মানুহে একেটা ধৰ্ম-সঙ্গীতকে গাবলৈ আৰম্ভ কৰি দিছে। সেই গান শুনিলে তোমাৰ এনে লাগিলহেঁতেন যেন পাহাৰখনেও আনন্দত গান গাবলৈ ধৰিছে।

গীৰ্জাঘৰত সদায় একে গোন্ধবোৰকে পোৱা যায়—কাঠৰ চকী-মেজ গেলেৰি আদিৰ ওচৰত মদৰ গোন্ধ, প্ৰাৰ্থনা পুথিবোৰৰ চিনাকি গোন্ধ, বাকচৰ পৰা উলিয়াই পিন্ধি অহা কাপোৰবোৰত কৰ্পূৰৰ গোন্ধ, মানুহৰ গাৰ গোন্ধ আৰু জুই কুৰাত পুৰিব ধৰা কাঠৰ গোন্ধ।

কিন্তু ব্ৰণৰ ওচৰত থাকিলে তুমি গোন্ধ পাবা অকল লেভেণ্ডাৰৰ। মায়ে সদায় পাহাৰৰ বনৰীয়া গোলাপৰপৰা সুগন্ধি গোন্ধ তৈয়াৰ কৰি লয়। সেই গোন্ধটো ভাল যদিও, সেইটো মাৰ একেবাৰে ওচৰত থাকিলেহে পোৱা যায়। বাইদেউইতেও সেই সুগন্ধিকে ব্যৱহাৰ কৰিছিল; অলৱেনো বাদ

নাথায়। কিন্তু ব্রণৰ চৌপাশে সদায় থাকে লেভেণ্ডাৰ। তেওঁৰপৰা অলপ আঁতৰত থাকিও তুমি গন্ধ পাবা ব্ৰণ ক'ত আছে। খুব মৃদু গোন্ধ আছিল সেইটো, কেঁচুৱা ল'ৰা-ছোৱালীৰ উশাহ-নিশাহৰ দৰে মৃদু।

গীৰ্জাঘৰত আমাৰ পৰিয়ালটো বহাৰ নিৰ্দিষ্ট ঠাই আছিল— অগাপিছাকৈ থকা দুশাৰী চকী। মোৰ চকীখন আছিল ব্ৰণৰ ঠিক সমুখৰখন—অৰ্থাৎ ব্ৰণ মোৰ ঠিক পাছতে। গতিকে গীৰ্জাত মই সদায় লেভেণ্ডাৰৰ গোন্ধ পাইছিলো আৰু সেইবাবে নিজকে কৃতাৰ্থ মানিছিলো। কৰ্পূৰৰ গোন্ধ ভালপাবলৈ মই কোনোদিনেই নিশিকিলো। মোৰ সন্মুখৰ চকীখনত বহা মিচেছ জন্ নামৰ বুঢ়ী গৰাকীৰ পৰা কৰ্পূৰৰ ইমান কড়া গোন্ধ ওলাইছিল যে মোৰ সন্দেহ হয় তেওঁ বোধ হয়, খোৱাবস্তবোৰ কৰ্পূৰেৰে ৰান্ধি খাইছিল আৰু কৰ্পূৰেৰে গা ধুইছিল।

গীৰ্জাৰপৰা উভতি আহি আমি নিজ ঘৰত বা ব্ৰণৰ ঘৰত দুপৰীয়াৰ আহাৰ খাই উঠিয়েই দেওবাৰৰ স্কুলৰ বাবে আকৌ গীৰ্জাঘৰলৈ যাব লাগিছিল। অৱশ্যে এই দেওবাৰৰ স্কুললৈ আংগাছাদ, কেৰিদৱেন, অৱেন, দেভি, আয়াণ্টো আৰু মইহে গৈছিলো। মা-দেউতা নগৈছিল। দেওবৰীয়া স্কুললৈ যোৱাটো গীৰ্জাত উপাসনা কৰিবলৈ যোৱাৰ দৰে গুৰু-গম্ভীৰ কাম নহয়। গতিকে আমি প্ৰায়েই বাটত অইন ল'ৰা-ছোৱালীবোৰৰ লগ লাগি ফুল চিঙিছিলো বা সৰি থকা বাদাম আদি বুটলিছিলোগৈ। সেই বাদামবোৰ সকলোৱে অন্তৰঙ্গ বন্ধু-বান্ধৱৰ সৈতে বহি খাইছিলোগৈ। তেতিয়া মোৰ বিশেষ মৰমৰ কোনো নাছিল বা মোকো কোনোবাই বিশেষ মৰমৰ চকুৰে তেতিয়ালৈ চোৱা নাছিল। সেইটো ঘটিছিল পিছতহে। যিয়েই নহওঁক, আমাৰ সকলোৰে জেপত খাবলৈ কিবাকিবি থাকেই, নহ'লে দেওবৰীয়া স্কুলখন সঁচাকৈয়ে বৰ নীৰস যেন লাগে।

গীৰ্জাঘৰৰ সন্মুখ পাই দেখো অবাক কাণ্ড—কোটৰ কলাৰত ফুল এপাহ গুজি লৈ খুব ফিট্‌ফাট্ হৈ আগষ্টিন থিয় দি আছে। দেওবাৰৰ দিনা কোটত ফুল লগোৱা নিশ্চয় নীতি বিৰুদ্ধ কাম। কিন্তু মোৰ হ'লে কোটৰ কলাৰটোৰ ফুলপাহ খুব ভাল লাগিছিল। সেইদিনাৰ পৰা আজিলৈ মই নিজে শ শ ফুল মোৰ কোটত লগাইছোঁ। ধুনীয়া ৰঙৰ গোন্ধ থকা সৰু ফুল এপাহ তোমাৰ নিচেই ওচৰতে থাকিলে তোমাৰ সঁচাকৈয়ে ভাল লাগিব।

"কি খবৰ আংগাহ্লাদ ?" অৱেন, দেভি আৰু আয়াক্টৌ তাইৰ পাছতে থকা সত্ত্বেও মূৰ্খটোৱে তাইক হাত লগালে।

"কাক মাতিছাহে ?" খঙত কঁপি কঁপি আয়াক্টৌৱে সুধিলে। ভয়ঙ্কৰ হৈ উঠিছিল তাৰ মুখখন।

"আংগাহ্লাদক মাতিছোঁ। তোমাৰ ভনীয়েৰা হ'বলা ?"

মই আংগাহ্লাদৰ পিনে চাই আছিলোঁ। তথাপি মই আয়াক্টৌৰ হাতৰ মুঠিটো ব'হৰ পোহৰত জিকমিকাই উঠা দেখিছিলোঁ আৰু লগে লগে শুনিছিলোঁ আয়েষ্টিনৰ মুখত পৰা ঘোচাটোৰ শব্দ। মই ততালিকে আয়েষ্টিনৰ পিনে চালো—তেওঁ তেতিয়া মাটিত বাগৰি পৰিব ধৰিছে।

"এই পশুইত।" আংগাহ্লাদে চিঞৰি উঠিল, আৰু নখেৰে খাঁচুৰিব ধৰিলে। কিন্তু দেভি আৰু অৱেনে তাইক জোৰ কৰি গীৰ্জাৰ ফালৰ কোঠাটোলৈ টানি নি দুৱাৰখন বন্ধ কৰি দিলে।

আয়াক্টৌৱে চিঞৰিলে, "কটা কুকুৰ।"

"ইয়াক এতিয়া কি কৰিবি বাৰু ? নৈত পেলাই দিবিগৈ নেকি ?" দেভিয়ে সুধিলে।

আয়াক্টৌই ক'লে "বেটাই বিলাতী কায়দা শিকি আহিছে। ভাল মজা পাইছ এতিয়া। নালাগে, তাক ইয়াতে পৰি থাকিব দে, সকলোৱে দেখক।"

"সেউভাই শুনিব লাগিলে কিন্তু আংগাহ্লাদক সুদাই নেৰে," অৱেনে ক'লে।

"সেউভাক একো ক'ব নালাগে। পুনৰ এইবোৰ আৰম্ভ কৰিলে কি হব তাই ভালকৈ গম পাই গৈছে।"

নিঃশব্দে আচৰিত হৈ চাই থকা মানুহবোৰৰ মাজেৰে আমি আগুৱাই গৈছিলোঁ। অৱেনে দুৱাৰখন খোলাত দেখিছিলোঁ আংগাহ্লাদে কান্দি আছে আৰু কেৰিদৱেনে তাইক সান্ত্বনা দিবলৈ চেষ্টা কৰিছে।

"মোৰ ভনীক অইনে বজাৰৰ তিৰোতাৰ দৰে ব্যৱহাৰ কৰাটো মই কেতিয়াও সহ্য নকৰোঁ।" আয়াক্টৌই কথাষাৰ ইমান লাহেকৈ আংগাহ্লাদক কৈছিল যে মাত্ৰ আমি কেইজনেহে কথাষাৰ শুনিছিলোঁ। "ইয়াৰ পিছত আকৌ এনে কৰিলে মই কিন্তু তাক শেষ কৰি দিম। যদি সি তোৰ স'তে কথা পাতিব খোজে তেন্তে সি আগতে অনুমতি লওক। আমাৰ ঘৰ এখন আছে। সেই ঘৰখন ক'ত সি দেখোন ভালকৈ জানে। ব'ল, এতিয়া গীৰ্জাৰ ভিতৰলৈ ব'ল।"

সেইদিনাৰ পাঠ আছিল—"আমি সকলোৱে পৰস্পৰক ভালপোৱা উচিত।" পাঠটো পঢ়া হৈ থাকোঁতে সকলোৱে চুচুক-চামাককৈ আয়াণ্টোৰ পিনে চাইছিল। কিন্তু তাৰ চকুৱে-চকুৱে চাবলৈ কোনেও সাহস কৰা নাছিল।

দেওবৰীয়া স্কুল ছুটী হোৱাৰ পিছত আমি সদায় খেলিছিলো। কেতিয়াবা ল'ৰাবোৰে ছোৱালীবোৰক খেদে, কেতিয়াবা আকৌ ঠিক তাৰ ওলোটাটো। বৰ বেছি ডাঙৰ মানুহ আমাৰ লগত নাথাকিলে আমি ল'ৰাবোৰে মিলি ৰেড্ ইণ্ডিয়ানৰ খেলো খেলিছিলো। সেইদিনা কিন্তু আমি আটাইকেইজন পোনে পোনেই ঘৰলৈ গ'লো।

ঘৰ পাই দেখো মিষ্টাৰ ইভান্স আৰু ফুলি উঠা মুখখনেৰে তেওঁৰ পুতেক আয়েষ্টিন মা-দেউতাৰ স'তে বহি আছে।

দেউতাই আয়াণ্টোক সুধিলে, "তই আয়েষ্টিন ইভান্সক মাৰিছিলি বোলে?"

"হয় দেউতা," এইবুলি আয়াণ্টোৱে লৰালৰিকৈ তাৰ ফুলি উঠা হাতখন পাছফালে লুকুৱাইছিল।

"আজিৰ এই দিনটোত, আৰু তাকো গীর্জাঘৰৰ একেবাৰে সন্মুখত এনে কাম কৰিব পাৰনে?"

"কিন্তু সিযে সেইখিনিতে ফুলবাবু হৈ থিয় দি আছিল, দেউতা।"

"বাৰু দেখা যাব। মই তোমাক আদালতত দৌৰাইহে এৰিম।" এইবুলি কৈ মিষ্টাৰ ইভান্স যাবলৈ ওলাল, কিন্তু লগে লগে পুতেকে তেওঁক বাধা দিলে।

"মোক মৰাৰ কাৰণ এটা নিশ্চয় আছে?" একপ্রকাৰ অৱজ্ঞাৰে আয়েষ্টিনে আয়াণ্টোক সুধিলে।

আয়াণ্টোৱে উত্তৰ দিলে, "নিশ্চয় আছে। আৰু নতুন কিবা কাৰণ বিচাৰি পালে তোৰ মই পিঠিৰ হাড গুৰি কৰি দিম।"

"আয়াণ্টো! তই তেওঁক মাৰিছিলি কিয় বাৰু?" দেউতাই সুধিলে।

"এওঁৱেই নিজে কওঁক দেউতা।"

আয়েষ্টিনে ক'লে, "মই আপোনাৰ ছোৱালী আংগাহ্লাদৰ স'তে কথা পাতিব খুজিছিলো।"

"অ' হয় নেকি? পাছে তুমিনো মোৰ ছোৱালীৰ স'তে কথা পাতিবলৈ সাহস কৰিলা কেনেকৈ?"

"...কথাটো হ'ল মই আপোনাৰ ছোৱালীক ইয়াৰ আগতে কেইবা দিনো দেখিছোঁ।" আয়েষ্টিনৰ কথা শুনি তেওঁৰ দেউতাক আচৰিত হৈ গৈছিল।

"দেখিলেই জানো তুমি কথা পতাৰ অধিকাৰ পাব পাৰা ?"

"চাওঁক, এইখন সুসভ্য ঠাই। আমিতো বনৰীয়া পশু নহওঁ।"

দেউতাই ক'লে, "সেয়ে নহলেনো মানুহৰ মাৰ খাব লাগেনে ? মোৰ উপস্থিতিত তুমি তাইৰ স'তে কথা পাতিবলৈ ওলালে আজি যি পালা তাতকৈ বেছি শাস্তি মোৰ পৰা পালাহেঁতেন।"

"গুইলাম", দাঁতেৰে তলৰ ওঁঠটো কামুৰি ধৰি মিষ্টাৰ ইভান্সৰ মুখৰ পিনে চাই থাকি মাই তেনেতে দেউতাক সাৱধান কৰি দিয়াৰ উদ্দেশ্যে কৈ উঠিছিল।

"তুমি অলপ মনে মনে থাকাচোন," দেউতাই মাক কৈছিল। "মিঠা মিঠা কথা সঁচাই-মিছাই বহুতো কোৱা হ'ল।"

আয়েষ্টিনে ক'লে, "দেওবৰীয়া স্কুলৰ ছুটীৰ পিছত মই আংগাহ্লাদৰ স'তে এই ঘৰলৈ আহিম বুলি ভাবি থৈ'ছিলো।"

"শুনি বৰ সুখ পালো আৰু সম্মানিত হ'লো", দেউতাই উত্তৰ দিলে।

তেনেতে মিষ্টাৰ ইভান্স দেউতাক ক'লে, 'চোৱা গুইলাম, ছোৱালী এজনীও যে এই কাজিয়াত জড়িত আছে মই নাজানিছিলো। মই মাথোন শুনিছিলো যে আয়েষ্টিনক মাৰিছে। মই তোমাৰ পুতেৰাৰ বিষয়ে যি যি কৈছিলো সকলো উঠাই লৈছোঁ, কাৰণ মই জানো আয়েষ্টিনৰ ভনীয়েকৰ স'তে কোনোবাই কথা পাতিলে তাক লগে লগে খুন কৰা হ'ব। আয়াক্টো, আহা মোৰ স'তে হাত মিলোৱাহি।"

হাত মিলাবলৈ আগবাঢ়ি আহি আয়াক্টোই ক'লে, "ধন্যবাদ মিষ্টাৰ ইভান্স।"

ইভান্স বুঢ়াই সুধিলে, "পাছে, ছোৱালীজনীনো ক'ত আছে ? যাক লৈ এই দুটাই মৰামৰি কৰি মৰিছে, তাইক এবাৰ চাওঁ আনাচোন।"

মাই ক'লে, "তাই ওপৰৰ মহলাত আছে। কাইলৈ বাস্তিপুৱাহে তাই তলৰ মহলালৈ নামি আহিব পাৰিব, তাৰ আগতে নহয়।"

"এ' হয় নেকি ?" মিষ্টাৰ ইভান্স যাবলৈ ওলাল।

আয়েষ্টিনে ক'লে, "মিষ্টাৰ মৰ্গান, কাইলৈ গধূলি মই আপোনাৰ অনুমতি লবলৈ ইয়ালৈ আহিম।"

"বাক আহিবা।"

মিষ্টাৰ ইভান্সে কোঠাটোৰ পৰা ওলাই যাবলৈ ধৰি সেউতাৰ পিনে চাই চকু টিপিয়ালে। আয়েষ্টিন আৰু আয়াৰ্টোই হাত মিলালে; কিন্তু খুব ভাল ধৰণে নহয়। মুষ্টি যোদ্ধাসকলে খেলৰ আগতে যিদৰে হাত মিলায় ঠিক সেইদৰে।

"আয়েষ্টিন, ইভান্স আৰু আংগাহ্ৰাদ," জুইকুৰাৰ পিনে চাই কিবা মনোযোগেৰে দেখি থাকি মাই স্পষ্টভাবে কৈছিল, "বৰ সক হৈ আছে।"

"বিয়াৰ সময়ত তোমাৰ কিমান বয়স আছিল বাক?" হাঁহি বন্ধ কৰি ৰাখিবলৈ মুখৰ ওপৰত হাত এখন ধৰি থাকি সেউতাই বাক সুধিছিল।

"আংগাহ্ৰাদতকৈ অন্ততঃ বেছি আছিল।"

"মিছা নামাতিবাচোন। তোমাৰ বয়স তেতিয়া আংগাহ্ৰাদতকৈ কমহে আছিল। বাক বাক এতিয়া মোক বুঢ়ীয়াকৈ চাহ একাপ দিয়াচোন। বিয়াৰ বাবে কাৰো বয়সেই কম নহয়।....ক'তা, চাহ ক'ত?"

ইয়াৰ কেইদিনমান পিছত আমাৰ ঘৰটোত বেনি ভেনি যোৱাৰ উপায় নাছিল। ইফালে গ'লে আয়েষ্টিন আৰু আংগাহ্ৰাদে ঘোপাকৈ চায়, সিফালে গ'লে কেৰিদৱেন আৰু ব্লেথিনে, আৰু কেতিয়াবা আকৌ দেভি আৰু ব্ৰিনে। ব্ৰিনক মাজে সময়ে দেভিয়ে ভাইৰ পাহাৰৰ সিফালৰ গাঁওখনৰপৰা আমাৰ ঘৰলৈ ফুৰাবলৈ লৈ আহিছিল।

এইবোৰ কাৰণত মই ঘৰত থাকিলে সৰহখিনি সময় পাছফালৰ চোতালৰ গুদাম ঘৰটোতে কটাইছিলো। তাত সোমাই মই অৱেনে বনোৱা ইঞ্জিনটো লাৰি-চাৰি চাই চলাবলৈ চেষ্টা কৰিছিলো। ইঞ্জিনটোৱে কেৱল বিকট শব্দহে কৰে। কিন্তু শেষত এদিনাখন সঁচাকৈয়ে ইঞ্জিনটো চলিল। সেই দিনাখনৰ ৰাতিটো চিৰদিন মোৰ মনত থাকিব।

গুইলামৰ ঘৰটো আমাৰ ঘৰৰপৰা ভালেখিনি দূৰৈত আছিল। এদিনাখন আবেলি মায়ে মোক তালৈ যাবলৈ ক'লে। মই পাহাৰ বগাই নামি নৈখনৰ পাৰে পাৰে যোৱা বাটটোৰে আগবাঢ়িলো।

সেইদিনাৰপৰা মই সেই বাটটো ভাল পাবলৈ এৰিছো।

খনিৰ আৰ্বৰ্জনাৰ দ'ম দুটা পাৰ হ'লো। দ'ম দুটা ইতিমধ্যে ওখ হৈ হৈ শকমুৱা পাহাৰ দুখনৰ দৰে হৈ পৰিছে। অ'ত ত'ত দুই এজোপা বাঁহ

গজিছে, যেন আমাক সান্ত্বনা দিবলৈ আৰু দ'ম দুটাৰ কদৰ্যতা আৰু ঢাকিবলৈকে। দ'ম দুটাৰ মাজেৰে বৈ যোৱা নৈখন মৰি আহিছে। নিজক কদৰ্যভাৱৰ বচাই ৰাখিবলৈ খুঁজি খুঁজি নৈখন যেন ভাগৰি পৰিছে।

অলপ আগত, ঘৰবোৰ পাৰ হৈ গৈ, দেখিছিলো সেউজীয়া ঘাঁহ গজিছে। দ'ম দুটাৰ কদৰ্যতাৰ পিছত দুই এটা ফুল দেখি মনটো ভাল লাগিছিল। নৈখনৰ পানীবোৰ কিন্তু সেইঠাইতো ক'লা আৰু লেতেৰা, দুয়োপাৰৰ ঘাঁহ আৰু নল খাগৰিবোৰ মৰি আহিছে।

শুইনামৰ ঘৰটো আমাৰ পাহাৰখনৰে সিটো মূৰত। এলানি ঘৰৰ শেষৰ ধুনীয়া ঘৰ এটা। ঘৰটো গৈ পাই দেখিলো বাহিৰত কাপোৰ কিছুমান মেলি থোৱা আছে। হাতেৰে দুই শুকোৱা যেন পাই মই কাপোৰবোৰ গোটাই লৈ ঘৰৰ ভিতৰ সোমালো।

কিন্তু ই কি অৱস্থা। শুইনামে আগৰাতিয়ে গা-ধোৱা লেতেৰা পানী-খিনি তেতিয়াও টাবটোত ভৰি আছিল। অন্ততঃ তিনিসাজ আহাৰৰ নোধোৱা কাঁহী-বাটি মেজখনৰ ওপৰত পৰি আছিল। মজিয়াখন শুইনৰ জোতা আৰু কাপোৰত লাগি অহা কয়লা গুৰিৰে ভৰা। চকী মেজবোৰ অ'ত এখন ত'ত এখন।

মই কামত লাগি গ'লো। টাবটোৰ মৱলা পানীখিনি পেলাই শুইনে গা ধুবৰ বাবে নতুনকৈ পানী ভৰালো। মজিয়াখন আৰু কাঁহী-বাতিবোৰ ধুলো; দুইকুৰা জলাই লৈ আলুৰ বাকলি গুচালো। বাৰীৰপৰা বন্ধা-কবি এটা উভালি আনিলো। এইবোৰ কৰি থকাই মই ওচৰৰ ঘৰটোলৈ শুইনৰ বাবে অলপ মাংস খুজি আনিবলৈ বুলি গ'লো।

ওচৰৰ ঘৰৰ তিৰোতা গৰাকী বৰ ভদ্ৰ, তেখেতে মোক ভেঁৰাৰ মাংস এটুকুৰা দি মাংস কেনেকৈ ৰান্ধিব লাগে তাকো শিকালে— যেন মই দুবছৰ ধৰি মা আৰু ব্ৰণে ৰন্ধা-বঢ়া কৰা এজনয়ে চালো। তেওঁ মোক একো সোধা নাছিল আৰু মযো যাচি একো কোৱা নাছিলো।

মাংসখিনি জুহালত বহাই দি মই বিচনাবোৰ ঠিক কৰোঁ বুলি ওপৰ মহলালৈ গৈছিলো। বিচনাখন পৰিপাটি কৰি থকাই কোঠাটোৰ খিৰিকীবোৰ খুলিবলৈ ধৰোঁতেই মই কাষৰ কোঠাটোত কোনোবাই শব্দ কৰা শুনিলো। গধূলি পাৰ হৈ তেতিয়া ৰাতি নামি আহিবলৈ আৰম্ভ কৰিছে। ঘৰটোত

চাকি-বন্তি কৰতো এগছি জ্বলোৱা নাই। তাৰোপৰি এন্ধাৰত খুটখাট শব্দ-বোৰৰ সন্মুখীন হোৱাত মই সদায় অনিচ্ছুক।

মই অলপ পৰ টলকা মাৰি থাকিলো—আকৌ সেই একেটা শব্দ। লাহেকৈ মৰা হাঁহি এটাৰ শব্দ, খুব জোৰকৈ নহয়, কিন্তু স্পষ্ট।

ভয়ত ভৰি দুখন মাটিত পোতখাই যোৱাৰ নিচিনা হোৱাটো সঁচাকৈয়ে অদ্ভুত। তুমি স্পষ্টকৈ সকলো দেখিবা, শুনিবা, কিন্তু লৰচৰ কৰিব হ'লে অকণো নোৱাৰা। তোমাৰ বাহিৰৰ কিবা অদ্ভুত শক্তি এটাই তোমাক তেনেকৈ একে ঠাইতে ধৰি ৰাখিব। দাঁত-মুখ কামুৰি, শৰীৰৰ সকলো শক্তি প্ৰয়োগ কৰিহে তুমি সেই মায়াজালৰপৰা ওলাব পাৰিবা।

এখোজ দুখোজকৈ সেই শব্দ অহা কোঠাটোৰ দুৱাৰমুখৰ পিনে মই আগুৱাই গৈছিলো। কেনেকৈ গৈছিলো সেইকথা কিন্তু মই আজিলৈ নাজানো। তোমাৰ ভিতৰত তোমাতকৈ ডাঙৰ কিবা আত্মা এটি আছে আৰু সেই আত্মাই দেখা দিয়ে মাথোন তেতিয়াহে, যেতিয়া তোমাৰ নিজ আত্মা ভয়ত হেৰাই যায়গৈ। সেই আত্মাই নিজ ভাষাত চিঞৰি উঠে। সেই ভাষা তুমি নিজে বুজি নোপোৱা, মাথোন অনুভৱহে কৰিব পাৰিবা। · মই কাৰো মাত শুনা নাছিলো, কোনেও মোক হাতত ধৰি আগুৱাই নৈ যোৱা নাছিল, কিন্তু তথাপিও মই আগুৱাই গৈছিলো। দুৱাৰত টুকুৰিয়াইছিলো আৰু শেষত দুৱাৰখন মেলি কোঠাটোৰ ভিতৰলৈ চাই পঠিয়াইছিলো।

খিৰিকী এখনৰ কাষত বহি থাকি মাৰ্জেৰে মোৰ পিনে চাই আছিল, বাহিৰৰ পোহৰ আহি তাইৰ তিতি থকা চকুযুৰি আৰু মুখখনত পৰিছিলহি।

কোঠাটো ঠিক আমাৰ পাছফালৰ চোতালৰ গুদাম ঘৰটোৰ দৰে—সেই একে যন্ত্ৰ-পাতিবোৰ, আলুৰ বস্তা, পিয়াঁজ আৰু অইন শাক-পাচলিৰ পাঁচি। আনকি বাটাম কেইডালমানো সজাল মাৰি কোঠাটোৰ ওপৰৰ বেৰখনত লগাই দিয়া হৈছে। সেই বাটাম কেইডালৰ কোনো প্ৰয়োজন নাছিল, মাথোন আমাৰ পাছফালৰ গুদাম ঘৰটোৰ নিচিনা কৰিবলৈহে তেনে কৰা হৈছিল।

মাৰ্জেৰি বহিয়েই থাকিল। হাতদুখন কোলাত থৈ তাই একেথৰে মোৰ পিনে চাই থাকিল। প্ৰতি মুহূৰ্ততে তাইক নামি অহা ৰাতিৰ এন্ধাৰবোৰে বেছিকৈ আৱৰিলে। বাহিৰৰ বতাহজাকে ঘৰটোত ঠেকা খাই সোঁ সোঁ শব্দ তুলিলে।

এজাৰ কোঠাটোৰপৰা তাই তেনেকৈ ক'লে, "অৱেন।" এই বুলি কৈয়েই তাই আকৌ হাঁহিলে। "তুমি আহিলা তেন্তে ?"

"নহয় মাৰ্জেদ, মই হিউহে।" মোৰ নিজৰ মাতটো বৰ বেছি ভাগৰ হৈ ওলোৱা যেন লাগিল। "মই শুইলৰ গা ধোৱা পানী ঠিক কৰি থৈছোঁ আৰু মাংস অলপো ৰাখিছোঁ। মই এতিয়া ঘৰলৈ যাওঁগে।"

"ওঁহো, যাব নোৱাৰা। তুমি মোৰ পৰা আৰু কেতিয়াও যাব নোৱাৰা। মই বহুদিন অপেক্ষা কৰিলো।"

"কিন্তু মাৰ্জেদ এজাৰ যে হৈ আহিল। মই পাহাৰ বগাই বহুদূৰ বাট যাবগৈ লাগিব।"

"তুমি থাকিবই লাগিব" এই বুলি তাই থিয় দিলে। "মই তোমাক মোৰ ল'গতে ৰাখিম। মই তোমাক টুকুৰাটুকুৰ কৰি ওলোমাই থম বুজিছা ?"

হুচকুচাই আকৌ মাৰ্জেদে ক'লে, "আহা মই তোমাৰ বাবে ইয়াত বহুদিন ধৰি অপেক্ষা কৰিছোঁ। আজি প্ৰতিদান দিয়া। আহা, মোক চুমা খোৱাহি, অৱেন। তোমাৰ মাৰ্জেদক চুমা খোৱাহি। মোক পুনৰ এৰি থৈ নোযোৱাতো ?"

মাৰ্জেদ আহি মোৰ 'ওচৰ পাই মোৰ মুখখনত তাইৰ তপত হাতখনেৰে সাৱটি ধৰালৈকে মই কোঠাটোত ৰৈ আছিলো, কিন্তু তাৰ পিছতে মই লৰ মাৰি বাহিৰলৈ গৈ দুৱাৰখন বন্ধ কৰি দিছিলো। দুৱাৰখনত তাই লঠিয়াই শুৰিয়াই চিঞৰ-বাখৰ লগাইছিল আৰু শেষত কিবা এটাৰে দুৱাৰখন কাটিবলৈ আৰম্ভ কৰিছিল। খট্‌খটা বগাই তলৰ মহলালৈ নামি পাগঘৰৰ পৰা মোৰ টুপীটো লৈ পাছফালৰ দুৱাৰেদি ঘৰটোৰ বাহিৰ ওলাই মই লৰ ধৰিছিলো।

অলপদূৰ গৈ কিন্তু পাছফালে ঘূৰি চাই এজাৰত অস্পষ্টভাৱে দেখিছিলো মোৰ পাছে পাছে লৰি আহি থকা মাৰ্জেদক। গছবোৰৰ মাজেৰে বৈ যোৱা মৃদু বতাহজাকতকৈ কম শব্দ কৰি তাই আহি আছিল। মই থৰ হৈ গ'লো। মাটিত মোৰ ভৰি দুখন পোত খাই যোৱা যেন লাগিল। ঠিক তেনেতে তাই এটা চিঞৰ মাৰিলে। সেই চিঞৰটোৱেই বোধহয় মোৰ ভৰি দুটা মোকোলাই আনিলে। মই পুনৰ লৰিবলৈ আৰম্ভ কৰিলো।

জোপোহাবোৰৰ মাজেৰে, শিলবোৰৰ ওপৰেৰে, খাঁহৰ মাজেৰে, হালধাই খোৱা মাটিৰ ওপৰেৰে মই লৰি থাকিলো। ভাগৰত মোৰ উশাহ-নিশাহ বন্ধ

হবৰ উপক্ৰম হ'ল, তৰি ছুখন নচলা হৈ আছিল, মুখখন মেল খাই পৰিল। অৱশেষত পাহাৰৰ চিং গৈ পাই মই মুখখন মাটিত গুজি বাগৰি পৰিলো। মোৰ কাষতে ভেঁৰা কেইটামান চৰি আছিল। মই লৰি যোৱা দেখি সিংহতে আচৰিত হৈ মোৰ পিনে চাই আছিল, মই লৰি যোৱা দেখি সিংহতে আচৰিত হৈ মোৰ পিনে চাই আছিল, কিন্তু মই বাগৰি পৰাৰ লগে লগে সিংহতে পুনৰ ঘাঁহ খাবলৈ আৰম্ভ কৰি দিছিল।

অলপ পিছতে ভেঁৰা কেইটাই আকৌ মূৰ তুলি চাইছিল। কিন্তু এইবাৰ সিংহতে লগে লগে সেই ঠাইৰপৰা আঁতৰি পলাইছিল। দুহাতেৰে বুকুখন হেঁচি ধৰি মাৰ্জেদ লাহে লাহে মোৰ ওচৰলৈ আহিছিল। তাগৰত তাই ঘনাই জোৰকৈ উশাহ লৈছিল। শিল এটাৰ ওচৰলৈ গৈ তাই হাতে আউজি বহি শিলটোত মূৰ মাৰিবলৈ আৰম্ভ কৰি দিছিল। বতাহজাকে তাইৰ মূৰটো শিলত মৰাৰ শব্দ আৰু তাইৰ কান্দোন মোৰ কাণত পেলাইছিলহি।

মই উঠি তাইৰ ওচৰলৈ গৈ শিলটোৰপৰা আঁতৰাই আনিলো। তাগৰত মোৰ গোটেই শৰীৰ কঁপি উঠিছিল। তাইক টানি আঁতৰাই অনাৰ লগে লগে তাই বাগৰি পৰিল আৰু ময়ো পৰি গ'লো।

"অৰেন, অৰেন," তাই কৈ আছিল।

মই ক'লো, "মনে মনে থাকা। শুনা নেকি? এতিয়া শোৱাচোন বাৰু। অৰেন এতিয়াই আহি পাব নহয়।"

"তেওঁ আহে যদি শুম বাৰু।" তাই সঁচাকৈয়ে শুলে। সুস্থ মানুহৰ টোপনি সেইটো নাছিল। মৰাৰ দৰে তাই পৰি আছিল।

তলৰ উপত্যকাত তেতিয়া ঘোৰ অন্ধকাৰ। মই ভালকৈ বুজিলো যে বেছি সময় তাত তেনেকৈ থাকিলে আমি জাৰত মৰি যাম। গতিকে মই যিমান খিনি পাৰোঁ, মাৰ্জেদক কাপোৰেৰে ঢাকি জুই একুৰা জলাবলৈ খৰি বিচাৰিলো। অলপ পিছতে শিলটোৰ দাঁতিত মই জুই একুৰা জলালো। মাৰ্জেদক টোচোৰাই নি জুইকুৰাৰ কাষত থৈ মই সহায় বিচাৰি গুইলৰ ঘৰৰ পিনে খোজ ললো।

আধা ঘণ্টামানৰ বাট বাওঁতেই তাই পুনৰ চিঞৰিবলৈ ধৰা মই শুনিলো। কিন্তু মই আইন একো নকৰি আৰু বেগাই যাবলৈ ধৰিলো। আৰু অলপ দূৰ নামি গৈ দেখিছিলো লগত মানুহ কেইজনমান লৈ লেমৰ পোহৰত গুইলে জোপোহাবোৰৰ মাজত কিবা বিচাৰি ফুৰিছে। মই চিঞৰি চিঞৰি

তেওঁলোকৰ কাষ পালোগৈ। গুইলে হাতৰ লেমটো থৈ মোক লগ পাবলৈ লৰি আহিল।

তেতিয়াই গুইল আৰু তাৰ লগৰ মানুহবোৰে পাহাৰৰ টিঙলৈ বুলি খোজ ল'লে। মোক কাষত তুলি ল'লে বিৰাট শকত-আৱত মানুহ এজনে। তেওঁ খনিৰ কামৰ পৰা পোনে পোনেই আহিছে—গা ধোৱা নাই, তেওঁৰ গোটেই গাটোত কয়লা আৰু ধঁপাতৰ গোন্ধ।

পাহাৰখন বগাই উঠি ওপৰৰ সমতল অংশখিনি পায়েই সকলোৱে জুই-কুৰাৰ পিনে লৰ ধৰিলে। সকলোতকৈ আগতে গৈ পোৱা দুজন মানুহে চিঞৰি চিঞৰি তেওঁলোকৰ টুপীৰে জুইৰ মাজৰ কিবা এটাত কোবাবলৈ ধৰিলে। গুইল আহি পাই কাণ্ড দেখি অলপ পৰ একেথৰে চাই থাকি বিকট চিঞৰ এটা মাৰি জুইকুৰাৰ পিনে লৰি গ'ল। ঠিক তেনেতে মানুহবোৰে তাক ধৰি পেলালে। তাক ধৰিবলৈ কিন্তু মানুহ কেইজনে যথেষ্ট কষ্ট কৰিবলগীয়া হৈছিল।

মানুহবোৰে জুইকুৰাৰ চাৰিওপিনে থিয় দি ভৰিৰে গছকি জুইকুৰা নুমাবলৈ চেষ্টা কৰিছিল। তেওঁলোকে তেনেকৈ থকা বাবে মই একো দেখা নাছিলো। অলপ পিছতে তেওঁলোকে জুইকুৰাৰ তাপ সহিব নোৱাৰি অলপ আঁতৰি আহিল আৰু তেতিয়া মই সকলো দেখিলো।

মাৰ্জেদ জুইকুৰাৰ মাজত পৰি আছে —তাইৰ গাটো পুৰিব ধৰিছে।

মই অইন পিনে মুখ ঘূৰালো। মই আকাশৰ পিনে চালোঁ, তলৰ আন্ধাৰ উপত্যকাখনৰ পিনে চালো। মোৰ পাছফালৰ পৰা মানুহবোৰৰ চিঞৰ-বাখৰ, গুইলৰ কান্দোন আৰু খৰিপোৰাৰ ফট্‌ফট্ শব্দ আহিছিল। বতাহজাক সোঁ-সোঁকৈ জুইকুৰাৰ ওপৰেদি বৈ গৈছিল।

মই আঁতৰি আহিলো— খৰখৰকৈ নহয়; ঘৰলৈ যোৱা বাটটোৰে মই একো নাভাবি আৰু একোকে নোচোৱাকৈ লাহে লাহে খোজ ললো। মই পাছফালেৰে ঘৰৰ ভিতৰ সোমালো। লেন অৱাইৰেনে তাৰ কামকৰা মেজটোত কাম কৰি থকা দেখি মই পোনেই তাৰ ওচৰলৈ গ'লো। ঘামত তাৰ মুখখন তিতি উঠিছে; চকুত কিন্তু তাৰ উজ্জ্বল হাঁহি। সি এবাৰ মোৰ পিনে হাঁহিমুখে চাই পুলৰ ইঞ্জিনটোৰ কাষত থাকি মোক কৈছিল,—

"আহ, আহ, তই আচল কামবোৰেই নেদেখিলি। চাওঁ, তিনি নম্বৰখান দেচোন।"

থাকখনৰপৰা মই তাক সঁহুলিপাত আনি দিছিলোঁ। মাৰ্জেদৰ কথা মনত পৰাত মই কান্দিবলৈ আৰম্ভ কৰিছিলোঁ, কিন্তু অৰেন ইঞ্জিনটো লৈ ইমান ব্যস্ত আছিল যে সি অকণো মন নকৰিলে।

"চাওঁ, তই এতিয়া ইঞ্জিনটোত তেল ভৰাচোন। মই ষ্টাৰ্ট কৰাৰ দিহা কৰোঁ।...হিউ, তই হয়তো নাজান যে তই আজি বিৰাট ডাঙৰ কাম এটাত সহায় কৰিবলৈ ওলাইছ। ওঁ, এতিয়া কাম আৰম্ভ কৰ।"

সি হেণ্ডেলডাল ইঞ্জিনটোৰ খাপ এটাত সুমুৱালে। মই স্পিৰিটৰ টিনটো আৰু তেলভৰোৱা চুপি এটা লৈ ইঞ্জিনটোত স্পিৰিট সুমুৱালোঁ। স্পিৰিটৰ লগতে মোৰ চকুলোৰ টোপালবোৰ সোমাইছিল নিশ্চয়। অৰেনে মাথোন হেণ্ডেলডাল ঘূৰাই থাকিল। ইঞ্জিনটো ক্ৰমে সজাগ হৈ আহিবলৈ ধৰিলে। হঠাতে এবাৰ ডাঙৰকৈ শব্দ এটা কৰি ইঞ্জিনটোৱে ফট্‌ফটাবলৈ ধৰিলে। লগে লগে অৰেনে হেণ্ডেলডাল খাপটোৰপৰা উলিয়াই আনিলে। ঘৰটোৰ মজিয়াখন কঁপিবলৈ ধৰিলে। মই দাঁত-মুখ কৰচি কোনোমতে ৰহি থাকিলোঁ।

ইঞ্জিনটো চলিবলৈ ধৰিলে। কেইবাবছৰৰ কষ্টৰ ফলত ই আগুৱাই গ'ল।

অৰেনে সেইপিনে চাই থাকি হঠাতে হাতত থকা হেণ্ডেলডাল ওপৰলৈ দলিয়াই দি নাচিবলৈ আৰম্ভ কৰি দিলে।

দুৱাৰখন ধপহ্‌কৈ মেলি দেউতা সোমাই আহিল। তেওঁ আচৰিত হৈ গৈছিল। তেওঁৰ পিছতে আহিল মা, ব্ৰণ আৰু ওচৰ-চুবুৰীয়া দুজনমান। সকলো অবাক হৈ গৈছে; কোনোবা কোনোবাই জয়ো গাইছে। দেউতাই মিচিকিয়াই হাঁহি মোৰ পিনে চাইছিল। মই কিন্তু কান্দি আছিলোঁ। সেই কান্দোন যেন কোনোমতেই বন্ধ নহ'ব।

ধুঁৱাৰ মাজত মাৰ্জেদক তেতিয়াও মই স্পষ্ট দেখা পাইছিলোঁ।

মা মোৰ ওচৰলৈ দৌৰি আহিল আৰু অৰেনক ইঞ্জিনটো বন্ধ কৰিবলৈ ক'লে। দেউতাই মোক দাঙি ধৰি পাকঘৰলৈ লৈ গ'ল। মাই দেউতাৰপৰা মোক নি কোলাত বহুৱাই আদৰ কৰি ক'বলৈ ধৰিলে, "সোণকণ

বাক ইমান দূৰৈৰ গুইলাৰৰ ঘৰলৈ পঠিয়াব পাওঁনে? দেউতাৰে জোৰ খবৰ কৰিবলৈকে বাৰ শুনাইছিল।"

"মা মাৰ্জেৰ পুৰি মৰিব ধৰিছে," মই কৈছিলোঁ। চকুত মোৰ বাৰিষাৰ ধল নামিছিল।

মাই চিঞৰি উঠিছিল, "উস্ প্ৰভু!···যোৱা তুমি এতিয়াই যোৱাগৈ। অৰেন, দাদাৰহঁতক খবৰ দি আটাই কেইজন দেউতাৰৰ লগত যাগৈ। আংগাহাদ, তই ডাক্তৰক মাতি আনগৈ, যা।"

অলপ পিছত মই ৰাতিৰ আহাৰ খাই শুবলৈ গৈছিলোঁ।

কেইবা সপ্তাহো ধৰি আমাৰ ঘৰখন নিথৰ হৈ থাকিল। অৰেন আৰু গুইল গুচি গ'লগৈ—ক'লৈ গ'ল কোনেও নেজানিলে। সিহঁতৰ কথা ভাবি মাৰ অশান্তিৰ সীমা নোহোৱা হ'ল। ডাক্তৰ আহি সেই ৰাতিৰ ঘটনাৰ বিষয়ে মই যি ক'লোঁ সকলো লিখি লৈ গ'ল। সেয়েই মাৰ্জেৰৰ বিষয়ে আমাৰ ঘৰত শেষবাৰৰ উল্লেখ। ইয়াৰ পিছত মাৰ্জেৰৰ কথা আমাৰ ঘৰখনত কোনেও কাকো কেতিয়াও কোৱা নাছিল। তথাপি তাইলৈ মোৰ প্ৰায়েই মনত পৰিছিল।

এদিনাখন ৰাতি দেউতাই অৰেনে বনোৱা ইঞ্জিনটো চাই আহি মোৰ স্কুলত পঢ়াৰ বিষয়ে উলিয়াইছিল। অৰেনৰ ইঞ্জিনটো তেতিয়াও পাছফালৰ গুদাম ঘৰটোতে আছিল। মোৰ বস্তুত সেইটো তেতিয়াও চিকচিকিয়া হৈ আছিল।

দেউতাই মোক ক'লে, "তই চহৰলৈ নিতৌ বাৰ পাৰ যদি কাইলৈৰ পৰাই স্কুললৈ অহা যোৱা আৰম্ভ কৰ। ইঞ্জিনটোৰ পাছত লাগি থাকি সময়বোৰ নষ্ট কৰি কি লাভ হ'ব?"

মাই ক'লে, "কোন স্কুললৈ যাব বাক সি? আজি কিমান দিনৰপৰা মই এই কথাকে কৈ আছো, কিন্তু কাৰো কাণসাৰ নাই।"

"আমাৰ গাঁৱৰ স্কুলখন হৈ হুঠে মানে পাহাৰৰ সিপাৰৰ 'নেচনেল স্কুল'ত পঢ়ক। ঘৰবেছি দূৰো ন'হব আৰু ঘৰত এনেয়ে বহি থকাতকৈ নিশ্চয় ভাল হ'ব।"

"নেচনেল স্কুল? মোৰ ল'ৰা নেচনেল স্কুললৈ যাব নোৱাৰে। মই এই কথা কৈ থলো কিন্তু," মাই ক'লে।

দেউতাই সুধিলে, "তেনেহলে তাক ক'ত পঠিয়াবা যাক? অইন কেইজন যাক সুস্থ সবল—কিবা এটা কৰি খাব পাৰিব। ই কি কৰিব?"

"সি নিশকতীয়া হোৱাৰ বাবে তাক তুমি দূৰিবলৈ ওলাইছা নেকি? যদি তাকে কথা তেন্তে তাৰবাবে আগতে মোক দোষ দিয়া।"

"কিনো কথাবোৰ বলকিছা। মই সেইটো মুঠেই কৰিব খোজা নাই। সি যদি পাহাৰৰ সিপাৰৰ স্কুলখনত নপঢ়ে, ক'ত পঢ়িব যাক?"

"সি স্কুললৈ যাবই লাগিব নেকি?" মায়ে সুধিছিল।

বহাৰপৰা থিয় দি দেউতাই তেতিয়া কৈছিল, "চোৱা বেথ্, পঢ়াশুনা নকৰিলে সি মানুহ কেনেকৈ হ'ব যাক?"

"নেচনেল স্কুলত এনেকুৱা কথা আছে যিবোৰ মই কোনোমতেই পছন্দ নকৰোঁ। পাছে নগলে যদি নহয় সি তালৈকেই যাওক। মোৰ আপত্তি নাই।"

পিছদিনাখন ৰাতিপুৱা ব্ৰেথে মোক পাহাৰখনৰ সিপাৰে থকা নেচনেল স্কুললৈ লৈ গৈছিল। তালৈ যোৱা বাটটো আমি সচৰাচৰ ব্যৱহাৰ কৰা বাটটো নহয়। ইয়াৰ আগতে মই মাত্ৰ দুবাৰ সেই উপত্যকাখনলৈ গৈছিলোঁ। সেই উপত্যকাখনত আছিল লোৰ কাৰখানাবোৰ আৰু তাত আমাৰ উপত্যকাতকৈ আৱৰ্জনা বেছিহে পৰি আছিল।

সিফালৰ নগৰখন দিনকদিনে বাঢ়ি আহিব ধৰিছে। নতুন নতুন ঘৰ সাজিবই ধৰিছে। বাট-পদূলি নথকা ঠাইতো ঘৰ কিছুমান থিয় দি উঠিছে। অ'ত ত'ত বহুতো পান-শালা খুলিছে। সেইবোৰত সেই ৰাতিপুৱাতে মানুহ ভৰি আছিল। ধুনীয়া গীৰ্জাঘৰো কেইবাটাও দেখিছিলোঁ— কেইটামান আগতে সজা, কেইটামান নতুনকৈ সাজিব ধৰা। দোকানবোৰ দেখি ব্ৰেথৰ পছন্দ হৈছিল। মোৰো হৈছিল, কাৰণ আমাৰ গাঁৱত থকা দোকান কেইখনতকৈ বহুতো ডাঙৰ ইয়াৰ দোকানবোৰ আৰু সংখ্যাতো সৰহ। স্কুলখনলৈ যোৱাৰ আগতে আমি দোকান-পোহাৰবোৰ এবাৰ পাক মাৰি চালোঁ।

১৬

মোৰ দৃঢ় বিশ্বাস, ডাক্তৰৰ হতুৱাই দাঁত উভলোৱাতকৈ নতুন স্কুল এখনত পঢ়িবলৈ যোৱাটো বেছি ভয়লগা কাম। সেইদিনা ৰাতিপুৱা মই যি কোনো মূল্য দি পাখি দুখন থকা ফৰিং এটা হ'বলৈ মান্তি আছিলো— অকল ফৰিং নহয়, মানুহৰ বাহিৰে যি কোনো জীৱ হ'বলৈ মান্তি আছিলো। কিন্তু ব্ৰণ মোৰ লগতে আছিল। গতিকে মই ব্ৰণৰ পাছে পাছে গৈ থকাৰ বাহিৰে অইন একো কৰিব নোৱাৰিলো। আমি স্কুলখনৰ ভিতৰ সোমালো।

মিষ্টাৰ মৰ্ট্ছিল ইংৰাজ মানুহ— ভালেখিনি ওখ, ভৰি দুখন ক্ষীণ, দুগালত দাড়ি আৰু টপা মূৰ।

আমি স্কুলখনলৈ সোমাই গৈ থাকোঁতে তেওঁ নিজ কোঠাৰ পৰা বাহিৰলৈ ওলাই আহিছিল।

“আপোনালোকে কাৰোবাক বিচাৰিছে নেকি?” তেওঁ ব্ৰণক ইংৰাজীতে সুধিলে।

ব্ৰণে উত্তৰ দিলে, “হয়। এওঁ মোৰ নেওৰ। মাক-দেউতাকে তেওঁক এই স্কুলত পঢ়াব খোজে।”

তেতিয়া মিষ্টাৰ মৰ্টছিলে প্ৰশ্ন সুধিবলৈ আৰম্ভ কৰি দিছিল। কোন মোৰ দেউতা আৰু তেওঁ কি কৰে? কিমান পয়চা তেওঁ মোৰ পঢ়াৰ বাবে খৰচ কৰিব পাৰিব? এনেকুৱা বহুতো অইন অইন প্ৰশ্ন। ব্ৰণে খুব নম্ৰভাৱে উত্তৰ দি গ'ল। মই কিন্তু ভালকৈ জানিছিলো যে আমাৰ দুয়োৰে চকুৱে চকুৱে পৰিলে দুয়ো হাঃ হাঃ কৈ হাঁহি দিম আৰু তাকে কৰিলে সেই স্কুলত মোৰ নাম লগোৱাৰ আশা চিৰদিনৰ বাবে নোহোৱা হৈ যাব।

“মাষ্টাৰ মৰ্গান, তোমাক তেন্তে আমি স্কুলত ভৰ্তি কৰিব লাগিব নহয় জানো?”

"হয়, ছাৰ।"

"বাৰু কাইলৈ পুৱা তেনেহলে চাৰ্টিফিকেট, মাছুল, কিতাপৰ দাম আৰু কলম, পেঞ্চিল লৈ স্কুললৈ আহিবা। পৰীক্ষা এটা লৈ তোমাক কোন শ্ৰেণীত দিয়া যায় সেই বিষয়ে আমি ঠিক কৰিম।"

..."ওঁঠৰ চৈধ্যগুণ কিমান বাৰু?"

তেওঁৰ কোবাল মাতটোত মোৰ কাণদুখন জন্‌জনাই উঠিছিল। তেওঁ সোধা প্ৰশ্নটো মোৰ বাবে একো প্ৰশ্নই নাছিল, কাৰণ মোৰ জন্মত পৰাহে পৰা আমি ঘৰত মৌখিক লৈ খেল কৰি আহিছোঁ। একেবাৰে সৰু থাকোঁতেই নেওঁতাখন মোৰ মুখস্থ হৈ গৈছিল। গতিকে, মই লগে লগে উত্তৰ দিলোঁ।

"ওঁ, ঠিক্, ঠিক হৈছে। পাছে ইংৰাজীতে উত্তৰ দিবা বুজিছা?" ইয়াৰ পিছত তেওঁ ব্ৰণক কৈছিল, "আপুনি ইয়াৰ মাক-দেউতাকক কৈ দিব যে কোনো কাৰণতেই যেন তেখেত সকলে ইয়াক ঘৰত বা ঘৰৰ বাহিৰত আপোনালোকৰ বেবেৰিবাং ভাষা ক'বলৈ নিদিয়ে। সকলো সময়তে যেন ইংৰাজীহে কয়। বাৰু আপোনালোক তেন্তে যাওক এতিয়া।"

লগে লগে তেওঁ আমাক ভাতে এৰি গুচি গ'লগৈ। সিফালে এটা কোঠাত ল'ৰা-ছোৱালীবোৰে নেওঁতা মাতি থকা আমি শুনিবলৈ পাইছিলোঁ। মিঠাৰ মটুছিল যোৱাৰ পিনে অলপ পৰ চাই থকি হঠাতে ঘূৰি ব্ৰণ বেগাই বাহিৰলৈ ওলাবলৈ ধৰিলে। বাহিৰৰ দুৱাৰখন ব্ৰণে খঙতে খুব জোৰেৰে বন্ধ কৰিলে।

মই সুধিলোঁ, "কি হ'লনো ব্ৰণ?"

"কি ক'ম হুনিলি নে? ইংৰাজীত কথা ক'ব লাগে, হঃ। দেউতাৰে শুনিলে কি ক'ব বাৰু? তেওঁ পোনেই ক'ব—'তই স্কুললৈ যাব নালাগে।' কয় নকয় তই চাবি।"

"তেন্তে ঘৰখনত আৰু এখন হুলস্থুল হ'ব," মই ক'লোঁ।

ব্ৰণে হঠাতে বাটটোৰ মাজতে বৈ মোক তেতিয়া সুধিছিল, "কি হুলস্থুল হব বাৰু?" বাটৰ মানুহবোৰে তেওঁৰ পিনে চাইছিল, কাৰণ, ব্ৰণ আছিল সঁচাকৈয়ে ধুনীয়া।

মই কৈছিলো, "মা আৰু দেউতাৰ মাজতে হুলস্থুল লাগিব। দেউতাই ক'ব 'সেই স্কুললৈ যাব নেলাগে।' মৈ [illegible] মোৰ একোকে নহ'ব। তাতে

বহি থাকিম হয়তো। কিন্তু এই ইংৰাজী কোৱা নোৱাৰাৰ বিষয়ে যদিও একোকে নকলে মই স্কুললৈ অহা-যোৱা কৰিব পাৰিম আৰু এইবাৰে কাৰো একো অনিষ্টও নহ'ব। মা-দেউতাৰো কাজিয়া এখন নালাগিব।"

কঁকালত হাত দুখন থৈ ৰূপে মোৰ পিনে চাই থাকি ক'লে, "বাৰু তেন্তে ককাদেউতা, তোমাৰ মতেই হ'ব। তই স্কুলত পঢ়িবি তেন্তে? কিন্তু এটা কথা কৈ থওঁ শুন—যদি স্কুলৰ সেই বুঢ়াটোৱে তই ফ্ৰেন্চ্ ভাষা ক'ব খুজিলেও তোক জোৰকৈ ইংৰাজী কোৱায়, মোক জনাবি। মই তাক দেখিম। জনাবি কিন্তু।"

"তুমি তেতিয়া কি কৰিবা নো?" ৰূপৰ মুখৰ অঙ্গী-ভঙ্গী চাবলৈকে মই সুধিছিলো।

"কি কৰিম?" ৰূপে ওঁঠদুটা জোৰেৰে কামুৰি ধৰিলে। তেওঁৰ চকুদুটা ৰঙল হৈ পৰিল। "মই তাক ভৰি দুখনত ধৰি তলমূৰকৈ ডাঙি মূৰটো মেজত ভাল কৈ মৰিয়াহি দিম নহয়।"

মই ক'লো, "বাৰু বাৰু।" তেওঁৰ ক্ষীণ ভৰি দুখনৰ কথা মনত পৰি আমাৰ খুব হাঁহি উঠিছিল।

পাহাৰ বগাই ওপৰলৈ উঠি আমি ঘৰলৈ উভতি গ'লো। বাটত আমি কোনো কাৰণ নোহোৱাকৈয়ে খুব হাঁহিলো, কাৰণ সেই দিনটো আছিল সূৰ্যৰ পোহৰে টোৱাই থকা আৰু আমাৰ মনত আছিল আনন্দৰ জোঁৱাৰ।

সেইদিনা মোৰ বাকীখিনি সময় পাৰ হৈ গ'ল চাৰ্টিফিকেট যোগাৰ কৰোঁতে। এখন ললো কয়লা খনিৰ মিষ্টাৰ ইভান্সৰপৰা, এখন আনিলো ডাক্তৰ বিচাৰ্ডচৰ, এখন চাইনাছ অৱেন নামৰ উকিলজনৰপৰা আৰু এখন আনিলো মিষ্টাৰ গ্ৰুফিদৰপৰা।

মিষ্টাৰ গ্ৰুফিদে সুধিছিল, "স্কুললৈ যাবা তেন্তে হিউ?"
"হয়, মিষ্টাৰ গ্ৰুফিদ্।"

"খুব ভাল কথা। ভালমতে পঢ়াশুনা কৰিবা। সকলো কথাকে শিকিবৰ যত্ন কৰিবা। লোৱা, এই পেন্সিলৰ বাকচটো তোমাক দিলো। এইটো অকল মোৰেই নাছিল— মোৰ দেউতাৰ আৰু তাৰ আগতে তেওঁৰ দেউতাকৰ। মই অলপ ব্যস্ত আছোঁ; তুমি এতিয়া যোৱাগৈ। কাইলৈ ৰাতি কিন্তু ইয়ালৈ আহি তোমাৰ প্ৰথম দিনাৰ স্কুলৰ বিষয়ে মোক ক'বাহি।"

"ভাল বাৰু, মিষ্টাৰ গ্ৰুফিন।" চাৰ্টিফিকেটখন আৰু পেঞ্চিলৰ বাকচটো হাতত লৈ মই ঘৰমুৱা হ'লো। ধুনীয়া বাকচ আছিল সেইটো।

সেইবাপতি মিচেছ টম্ জেনকিন্স আমাৰ ঘৰলৈ আহি মোক মৌখিক অংক কৰাত লগাইছিল। দেউতা আৰু মা, আইতৰ, ব্ৰণ আৰু জেভিয়ে মেজখনৰ চৌপাশে বহি সকলো চাই আছিল। কোনেও একো কথা-বতৰা পতা নাছিল। তাৰোপৰি, তেওঁলোক সকলোৱে ভাও ধৰিছিল যেন মই কি কৰিছো তেওঁ-লোকে একো লক্ষ্য কৰাই নাই।

আমি খুব ভালমতেই অংক কৰি গৈ আছিলো। তেনেতে আহিল সেই-বিধ অংক য'ত এটা চৌবাচ্চাত পানী ভৰে ঘণ্টাত ইমান গেলনকৈ আৰু য'ত সেই চৌবাচ্চাৰ ছটা ফুটাই দি পানীবোৰ বাহিৰ উলিয়াই দিয়ে। অংক কৰি দেখুৱাব লাগে চৌবাচ্চাটো ভৰিবলৈ কিমান সময় লাগিব। এইখিনি আহি পাওঁতেই মায়ে হাতৰ চিলাইৰ কাম মেজত থৈ অধৈৰ্য হৈ পৰিল।

দেউতাই সুধিলে, "কিনো হ'ল?'

"নেচনেল স্কুলৰ কথা মই আগতে নকৈছোনে? সিহঁতৰ অংকবোৰো তেনে-কুৱা। ফুটা থকা চৌবাচ্চা এটাত বাৰু কোনে পানী ভৰাবলৈ যাব? কাৰ্ ইমান দৰ্কাৰ পৰিছে?"

দেউতাই ক'লে, "এইটো অংকহে। মনটো চোকা কৰি তুলিব এনেবোৰ অংকই। আৰু অকল নেচনেল স্কুলতে এনেবোৰ অংক নিশিকায়, সকলো স্কুলতে শিকায়।"

"ল'ৰাটোৰ মগজুত সংসাৰৰ আজে বাজে কথাবোৰ সুমুৱাইছে, আৰুনো কি?"

"আজে-বাজে নহয়, বেথ," খুব লাহেকৈ দেউতাই কৈছিল। "খুব ভাল অংক এইবোৰ।"

"কিন্তু ফুটা চৌবাচ্চা এটাত বাৰু কোনে পানী ভৰাবলৈ যাব? বলিয়াৰ বাহিৰে কোনে এনে কাম কৰিব? চৌবাচ্চা এটা ফুটাৰে ভৰি থাকিলে কোনে বাৰু মন নকৰাকৈ পানী ভৰাব যাব?"

দেউতাই তেতিয়া মিচেছ জেনকিন্সক উদ্দেশ্য কৰি কৈছিল, "চাওঁক, পানী আৰু চৌবাচ্চাৰ অংক এতিয়া শিকাব নালাগে। অইন কথা শিকাব-লগীয়া নাই জানো?"

"দশমিকৰ অঙ্ক আছে, মিষ্টাৰ বৰ্মন। এওঁ শিকিছে দশমিকৰ অঙ্ক ভালকৈয়ে জানে।"

"তাকে শিকাওক— অন্ততঃ ঘৰখনৰ শান্তিৰ বাবে তাকে শিকাওক।"

দশমিকৰ অঙ্ক আৰম্ভ হ'ল। দশমিক বিন্দুটোৰ উঠা-নমা দেখি মাৰ মুখ-খনৰ অৱস্থা যি হৈছিল!

সেইদিনা ৰাতি মা ওপৰ-মহলালৈ আহি আংগাহাৰৰ ল'ভে কথা কোৱা মই বিচনাৰ পৰা শুনিছিলোঁ। তাৰ অলপ পিছতে দেউতাও আহিল হাতত লেৰটো লৈ। তেওঁলোকৰ কোঠাটোৰ দুৱাৰখন অলপ ফাঁক হৈ থকা বাবে মই মা-দেউতাৰ কথা-বতৰা স্পষ্ট শুনিবলৈ পালোঁ।

মায়ে দেউতাক সুধিলে, "শুনা, এই দশমিক বিন্দুটোৰ গৰাকী বাক কোন?"

"কাৰ কথা কৈছা?"

"দশমিক বিন্দু—হিউৱে যে আজি লৰচৰ কৰাইছিল, সেইটোৰ কথা কৈছো।"

"উস্ আকৌ সেইবোৰ আৰম্ভ হ'লনে?" দেউতাই খুব জোৰেৰে হাঁহি দিছিল। "চোৱা বেথ্, এইবোৰ ভাবিবলৈ এৰি শুবলৈ যো-জা কৰা। এইবোৰ ভাবি থাকিলে ৰাতি পুৱাবগৈ।"

"কিন্তু বস্তুটোনো কি বাক? সৰু ল'ৰা এটাই জানিব পাৰে যদি মই জানিব নোৱাৰোঁ কেলেই?"

"চোৱা বেথ্, ল'ৰা আৰু ছোৱালীয়ে কৰিবলগীয়া কামবোৰ বেলেগ বেলেগ, নহয় জানো?...দশমিক বিন্দুৱে অংশ বুজায়। তেৰ কোৱাৰ সলনি তাক এক পইণ্ট পাঁচ ক'ব পাৰা। বুজিলানে কিবা?"

কেইবা মুহূৰ্ত এনেয়ে বাগৰি গ'ল। অলপ পিছতহে মায়ে সুধিলে, "কিন্তু বিন্দুটো কাৰ? ইয়াৰ গৰাকী কোনোবা আছেনে নাই?"

"বেথ, কি বলিয়ালি কৰিছা? বিন্দুটোৰ আকৌ গৰাকী এজন থাকিব লাগে কিয়? এইটো দশমিক বিন্দুহে। কাগজ এখনৰ ওপৰত অকমান ফোঁট এটা। চিয়াঁহীৰ ফোঁট এটা আকৌ কাৰোবাৰ হ'ব পাৰেনে?"

"বাক, সেইটো যিয়েই নহওক, দশমিক বিন্দু আৰু ফুটাৰে ভৰা গাৱলাত পানী ভৰোৱাৰ কথাবোৰ শিকি ল'ৰাটোৰ কি লাভ হ'ব বাক?"

দেউতাই উত্তৰ দিলে, বুদ্ধি এটা লাভ হ'ব, আৰু কি? সেইটো হ'লে মই কিন্তু বৰ সুখী হ'ম।"

...পাহৰিলা নাতিপুৰা মই সাত বজাৰ আগতে বেগ এটাত বহী কিতাপ আৰু পেঞ্চিল থোৱা বাকচটো আৰু টিনৰ বাকচ এটাত খোৱাবস্তু একোপা লৈ স্কুললৈ গলোঁ। পাহাৰখন বগাই মই উঠি গৈছিলোঁ। পাওঁতাতে বৰষুণ দি আছিল। মোৰ মুখখন তিতি গৈছিল। পাহাৰখনৰ একেবাৰে ওপৰ পৈ নোপোৱালৈকে বতাহজাকৰ কোবটো বুজিলোঁ। বতাহজাক ইমান জোৰেৰে বৈছিল যেন ই মোক পাহাৰৰ টিঙৰ পৰা উকৰাই নি একেবাৰে তলত পেলাই দিবগৈ।

পাহাৰৰ সিটো ফালে থকা চহৰখন আগতে দেখাতকৈ এতিয়া মোৰ চকুত বেয়া যেন লাগিল। বৰষুণৰ টোপালেৰে ওফন্দি থকা ক'লা মেঘবোৰ আকাশখনত ওলমি আছিল। কুঁৱলী এজাক চহৰখনৰ ঘৰবোৰৰ টিঙৰ ওপৰেদি বাগৰি গৈছিল। স্কুলটো মই দূৰৰ পৰাই চিনি পালোঁ—তিনিটা দীঘল দীঘল ঘৰ আৰু আশে পাশে দুই এডাল গছ। নৈখনৰ পানীবোৰ ঘোলা আৰু আবৰ্জনাৰে ভৰা। আনকি নৈখনৰ বুকুত থকা শিলবোৰো ক'লা হৈ উঠিছে।

মই স্কুলৰ পিনে আগবাঢ়িলোঁ।

মই গৈ পাওঁতে স্কুলৰ চোতালখনত কেইজনমান লৰাই খেলি আছিল। সিহঁত লৰি চোতালখনৰ সিটো মূৰলৈ নোযোৱালৈকে মই স্কুলৰ ভিতৰ নোসোমালোঁ। সেই একে ধৰণৰ খড়িমাটিৰ গোন্ধ—সেই গোন্ধটো মোৰ আজিও বেয়া লাগে। স্কুলৰ হলঘৰটোত সোমাই মই আঁৰি থোৱা ছবিবোৰ চাবলৈ ধৰিলোঁ।

তেনেতে দুৱাৰখন খুলি মিষ্টাৰ মৰ্টছিল সোমাই আহিল। মোক তাত দেখি তেওঁ সুধিলে, "কি লাগে ?"

"মই স্কুলত নাম লগাবলৈ আহিছোঁ।"

"ইংৰাজী ক'বা। ও, কিয় আহিছা বুলি ক'লা ?"

"স্কুলত নাম লগাবলৈ আহিছোঁ।" মই এইবাৰ ইংৰাজীত ক'লোঁ।

"ও এতিয়া হৈছে। তুমি কালিও ইয়ালৈ আহিছিলা নহয় জানো ?

"হয় আহিছিলোঁ। চাৰ্টিফিকেটবোৰ আজি লৈ আহিছোঁ।

"বাৰু ইয়াতে বহি থাকা। মই তোমাক মাতি পঠিয়াম।"

বাহিৰত স্কুলৰ ঘণ্টা বাজি উঠিল আৰু শিক্ষক-শিক্ষয়িত্ৰীসকল কোঠালিলৈ সোমাই আহিল। শিক্ষক পাঁচজন আৰু শিক্ষয়িত্ৰী দুগৰাকী। দুয়ো গৰাকী

শিক্ষয়িত্ৰী বুঢ়ী আৰু ক'লা কাপোৰ পিন্ধা। ক্লৰ ল'ৰা-ছোৱালীবোৰো দুজন দুজনকৈ শাৰী পাতি কোঠাটোলৈ আহি মোৰ পিনে পিঠি দি থিয় দিলে। সিহঁতৰ বহুতেই ঘূৰি ঘূৰি মোৰ পিনে চালে। কেইজন মানে মুখ ভেঙুচালে, আৰু কেইজন মানে আকৌ আগৰজনৰ গাত খোঁচ মাৰি মোৰ পিনে আঙুলিয়াই দেখুৱালে। মিষ্টাৰ মটছিলো আহিল। প্ৰাৰ্থনা আৰম্ভ হ'ল। ল'ৰা-ছোৱালীহঁতে প্ৰাৰ্থনা সঙ্গীতত যোগ দিলে। কিন্তু সিহঁতৰ গানত কোনো সুৰ নাছিল, নাছিল অকণো আবেগ। অন্তৰ চালি দি সিহঁতৰ কোনেও প্ৰাৰ্থনা সঙ্গীতত যোগ দিয়া নাছিল।

প্ৰাৰ্থনাৰ অন্তত সিহঁতে ইচ্ছা কৰিয়েই পকী মজিয়াখনত জোতাৰে ঘঁহিয়াই শব্দ কৰি কৰি কোঠাটোৰ পৰা ওলাই গ'ল। মিষ্টাৰ মটছিলো তেওঁৰ কোঠালৈ ওলাল। হঠাতে বোধকৰোঁ মোলৈ মনত পৰি তেওঁ বৈ গ'ল আৰু মোৰ পিনে ঘূৰি চাই ক'লে, "আহা, আহা, সোনকালে আহা। মিষ্টাৰ টাইচাৰে তোমাক প্ৰশ্ন কাকত এখন দিব। ফলাফল চাইহে আমি ঠিক কৰিম কোন শ্ৰেণীত ভৰ্তি কৰা হ'ব।"

তেওঁৰ পাছে পাছে গৈ থাকি আমি এটা কোঠাত সোমালোগৈ। সেই কোঠাটোত মিষ্টাৰ টাইচাৰে ল ৰা-ছোৱালী কেতবোৰক পঢ়ুৱাই আছিল। মিষ্টাৰ টাইছাৰক সকলো সময়তে ভাগৰি পৰা যেন দেখা গৈছিল। তেখেতে কিন্তু গঁচাকৈয়ে ভাল মানুহ— অন্তৰত কুবুদ্ধি নাই। ল'ৰাবোৰৰ দুষ্টামিৰ লগত ফেৰমাৰি চলিব নোৱাৰিহে মানুহজন হাৰাশাস্তি হৈ পৰিছে।

মিষ্টাৰ মটছিলে ক'লে, "মিষ্টাৰ টাইচাৰ, এওঁ হ'ল মৰ্গান। ইতিমধ্যেই মই তেওঁক বেলচ ভাষা কোৱাৰ বাবে ধমক দিছোঁ। এতিয়া আপুনি ওপৰৰ শ্ৰেণীৰ প্ৰশ্ন কাকতবোৰে এওঁক দিয়ক। চোৱা যাওঁক সেইখনত কেনে কৰে।"

"ভাল বাৰু, চাৰ। মৰ্গান আহা ইয়াতে বহাহি।"

মই বহিয়েই লগে লগে যন্ত্ৰণাত জাপ মাৰি উঠি মোৰ পাছফালৰ পৰা বেঁকা হৈ যোৱা নিব এটা টানি উলিয়াই আনিলো। পাছৰ বেঞ্চৰ ল'ৰা কেইজনে একো নজনা ভাও ধৰি নিৰ্বিকাৰ ভাৱে বৰ্ডখনৰ পিনে চাই থাকিল।

"এইটো ইয়াত তুমি পুতি থৈছিলা নেকি?" মই তাৰে এজনক প্ৰশ্ন কৰিলো।

অহংকাৰিৰ গোলাপ ফুলৰ দৰে ৰঙা পৰি উঠিল মাৰ্‌ভিন ফিলিপ্‌চৰ মুখ। অথচ্‌ হেৰিয়টেও মোৰ পিনে চালে।

"তুমি কিবা কথা কৈছিলা নেকি মৰ্গান?" মিষ্টাৰ টাইছাৰে আচৰিত হৈ সুধিছিল।

"হয়, কৈছিলো।"

"অনুগ্ৰহ কৰি ভৱিষ্যতে ইংৰাজী ভাষা ব্যৱহাৰ কৰিবা। নহলে হয়তো বিপদত পৰিবা।"

"বাক তোক খেল পথাৰত দেখিম," মাৰভিন ফিলিপ্‌চে ফুচফুচাই মোক ক'লে। "ঘুচিয়াই তোৰ মুখ ভাঙিম নহয় আজি।"

"বাক, দেখা যাব" মই উত্তৰ দিলো।

মিষ্টাৰ টাইছাৰে মোক প্ৰশ্ন কাকত দিলে— এখন অঙ্কৰ, এখন গ্ৰামাৰৰ, এখন কম্পজিচনৰ, এখন ধৰ্ম-সম্বন্ধীয় কথাৰ আৰু এখন ভূগোল আৰু বুৰঞ্জীৰ। মই কাগজ পেন্সিল উলিয়াই লৈ কাম আৰম্ভ কৰি দিলো।

প্ৰশ্নবোৰ মোৰ বাবে একেবাৰেই নাছিল। মই যেন নাচি-বাগি সেইবোৰৰ মাজেদি আগুৱাই গ'লো। আৰু তাকে দেখি মিষ্টাৰ টাইছাৰৰ মুখখন আনন্দত উজলি উঠিল।

"তোমাৰ আখৰবোৰ বৰ ধুনীয়া, মৰ্গান। ইয়াৰ আগতে তোমাক কোনে পঢ়াইছিল বাক?"

"মিচেছ টম্ জেনকিন্সে।" মোৰ কথা শুনি কোঠাটোৰ আটাইবোৰ ল'ৰা-ছোৱালীয়ে হাতৰ আঁৰত মুখ লুকাই খুক্ খুকাই হাহি উঠিছিল। সিহঁতে ইহা শুনি মোৰ খুব খং উঠিছিল। "ইয়াৰ বাহিৰে দাদাইতে আৰু নবৌয়েও মোক পঢ়ুৱাইছিল," মই আকৌ কৈছিলো।

"এইটো সঁচাকৈয়ে দুখৰ কথা যে এই কোঠাটোত বহি থকা বহুতো ভদ্ৰলোক-ভদ্ৰমহিলাই মিচেছ টম্ জেনকিন্সৰ ওচৰত শিক্ষালাভ কৰাৰ সুযোগ নাপালে। তোমালোকে কাম নকৰিলে বা অভদ্ৰামি কৰিলে মিচেছ জেনকিন্সে কি কৰিছিল বাক?" মিষ্টাৰ মটছিলে মোক সুধিছিল।

"বেত দিছিল, দুপৰীয়াৰ আহাৰ খাব নিদিছিল আৰু ঘৰলৈ এই বিষয়ে চিঠি দি পঠিয়াইছিল।"

"আহা মোৰ লগতে আহা।" আমি দুয়ো তেতিয়া কোঠাটোৰপৰা ওলাই

গৈছিলো। তেওঁ এবাৰ কাষত হাত এখন থৈ সুধিছিল, "মৰ্গান তোমাৰ ভৰি দুখন পঙ্গু নহয়তো?" তেওঁ খুব মৰমেৰে কথাষাৰ সুধিছিল।

মই কৈছিলো, "নহয়, ভৰি দুখন দুৰ্বল শঁগা, কিন্তু পঙ্গু নহয়।"

আমি মিষ্টাৰ মটছিলৰ কোঠাত সোমালোঁগৈ। মিষ্টাৰ টাইছাৰে তললৈ মূৰ কৰি থাকি খুব যেন ভয়ে ভয়ে ক'লে, "মিষ্টাৰ মট্‌ছিল, মোৰ বোধেৰে মৰ্গানক চতুৰ্থ শ্ৰেণীত ভৰ্ত্তি কৰা ঠিক নহ'ব। অতি কমেও ষষ্ঠ শ্ৰেণীতে অনায়াসে ভৰ্ত্তি কৰিব পাৰি।"

"চাওঁ বাৰু, উত্তৰবোৰ দেখুৱাচোন।" এইবুলি মিষ্টাৰ মট্‌ছিলে মোৰ বহী কেইখন আজুৰি আনি খুব খৰকৈ পাতবোৰ লুটিয়াই উত্তৰবোৰ চাবলৈ ধৰিলে।

"ও নতুন বাঢ়নীয়ে ভালকৈ সাৰেই। ষষ্ঠ শ্ৰেণীত ভৰ্ত্তি কৰা যাওঁক তেন্তে। এওঁক মিষ্টাৰ জোনাচৰ ওচৰলৈ লৈ যাওঁক।"

"ভাল চাৰ।" আমি কোঠাটোৰপৰা ওলাই আহিলো।

"মই পেঞ্চিল থোৱা বাকচটো আৰু কিতাপবোৰ লৈ আহোঁগৈ নে?" মই মিষ্টাৰ টাইচাৰক সুধিলো।

"ও, লৈ আহাগৈ। বস্তুবোৰ লৈ আহি সেই কোঠাটোৰ দুৱাৰত টুকুৰিয়াবা।"

মই আকৌ চতুৰ্থশ্ৰেণীলৈ গ'লোঁ। কাৰো পিনে নাচাই মই আগতে বহা ঠেকখনৰ কাষে আগবাই গ'লো। অইনবোৰে কিন্তু মোৰ পিনে একেথৰে চাই আছিল—সেই চাৱনিটো এনে আছিল, যাৰপৰা তুমি অনায়াসে উপলব্ধি কৰিব পাৰা যে তোমাৰ পক্ষে ক্ষতিকৰ কিবা এটা নিশ্চয় ঘটিছে।

মোৰ পেঞ্চিলৰ বাকচটো তিনি টুকুৰা হৈ ভাঙি পৰি আছে। পেঞ্চিলবোৰ টুকুৰাটুকুৰকৈ কাটি পেলাইছে আৰু সেইবোৰ ধূলি-মাকতিৰে মলিয়ন হৈ মাটিত পৰি আছে। কিতাপবোৰ চিঁয়াহীৰে তিতি গৈছে, পেঞ্চিলৰ বাকচটোৰ থাপবোৰতো চিঁয়াহী ভৰি আছে। মোৰ কলম, স্কেল, নিব—আটাইবোৰ ভাঙি ছিঙি পেলোৱা হৈছে।

কাৰোবাক হত্যা কৰাৰ প্ৰচণ্ড ইচ্ছা কেনেকুৱা মই সেই দিনাই ভালকৈ গম পাইছিলো।

অকণমান পেঞ্চিল-বাকচটোৰ পিনে চাই থাকি মই কান্দোন ৰখাই ৰাখিবলৈ

চেষ্টা কৰিলোঁ। মই ঈশ্বৰক খাটিলোঁ মোৰ যেন কান্দোন নোলায়। কিন্তু মজিয়াত অকলি থকা ধুনীয়া পেন্সিলৰ বাকচটো চিঁয়াহী আৰু ধুলি-বালিৰে লেতেৰা হৈ টুকুৰাটুকুৰ হৈ পৰি থকা আৰু তাৰ বুকুত থকা পেন্সিলবোৰকো সেই একে গতি হোৱা দৃশ্যটো দেখি মই কান্দোন সামৰিব নোৱাৰিলোঁ। মই সিহঁতৰ বাবে কান্দিলোঁ।

মাটিত আঁঠু পেলাই, নিজৰ হাত দুখনৰ ওপৰত মূৰটো থৈ হুক্ হুক্ কৈ তুমি কান্দি আছা আৰু তোমাৰ চাৰিও কাষৰ ল'ৰা-ছোৱালীবোৰে খিক্ খিক্কৈ হাঁহি আছে—এইটো এটা অতি ভয়ানক অৱস্থা। তেতিয়া তোমাৰ নিজৰ ওপৰতে খং উঠিব, তুমি নিজকে গালি পাৰিবলৈ ধৰিবা। কিন্তু হ'লে কি হ'ব? যিমানেই নিজৰ ওপৰত খং কৰিবা, গালি পাৰিবা, সিমানেই তোমাৰ কান্দোন বাঢ়ি যাব। শেষত তোমাৰ নিজকে সন্দেহ হ'ব তুমি কিয় কান্দিছা—কিহৰ বাবে দুখত নে নিজকে উপলুঙাৰ পাত্ৰ কৰি তোলাৰ ক্ষোভত? আৰু ঠিক তেতিয়া তোমাৰ কান্দোন হঠাতে বন্ধ হৈ যাব। ইয়াৰ পিছত কিন্তু কোনোবাই তোমাক কাটিব খুজিলেও এটোপা চকুপানী নোলাব।

মই বাকচটোৰ ভঙা টুকুৰাবোৰ তুলি লৈ জোৰা লগাবৰ চেষ্টা কৰিলোঁ। বাকচটোৱে কাৰ কি ক্ষতি কৰিছিল বাৰু? এশ বছৰ আগতে কোনোবা অজ্ঞাত কাঠ মিস্ত্ৰী এজনে তেওঁৰ প্ৰাণ ঢালি দি কাম কৰি ইয়াৰ ঢাকনিখনত আৰু গাটোত ফুল ফুটাই তুলিছিল। মনৰ চকুৰে মই স্পষ্ট দেখিছোঁ মিষ্টাৰ গ্ৰুফিনৰ ককাদেউতাকৰ হাতত এই বাকচটো। তেওঁ দিলে তেওঁৰ পুতেকক আৰু তেওঁৰ পৰা পালে মিষ্টাৰ গ্ৰুফিনে। বাকচটোৰ প্ৰতি তেওঁলোকৰ মৰম মই সহজে উপলব্ধি কৰিব পাৰিছিলোঁ।

কিতাপবোৰৰ ওপৰৰ আৰু বাকচটোৰ ভিতৰৰ চিঁয়াহীবোৰ মচিলোঁ। মই আগতেই জানিছিলোঁ যে কমালখন সেইদৰে নষ্ট কৰাৰ বাবে মায়ে মোক বকিব। তথাপি, উপায়হীন হৈ তাকে কৰি কিতাপবোৰ আৰু বাকচটো বেগত ভৰাই লৈ মই কোঠাটোৰ পৰা ওলাবলৈ সাজু হ'লোঁ। সিহঁতে তেতিয়াও হাঁহি আছিল, কিন্তু সেই হাঁহিত আগৰ উৎসাহ অলপো নাছিল। সিহঁতে ভয় খাইছিল যে মই হয়তো সকলো কথা লগাই দিমগৈ। মূৰ্খ কেতবোৰৰ বাবে কষ্টভোগ কৰাটো সঁচাকৈয়ে বৰ টান কথা। সিহঁতৰ ওপৰত অলপ পিছতে তোমাৰ পুতৌ উপজিব। অৱশেষত হয়তো সিহঁতক প্ৰতিশোধ

নোলোৱাকৈ এৰি দিবা। সিহঁতৰ চকুৰ পিনে চালে তোমাৰ দুখ লাগি যাব— কাৰণ, সিহঁতৰ চকুবোৰ কিবা ভাওৰ দোষ কৰি ভয়ত ভীত হৈ পৰা কুকুৰ এটাৰ দৰে।

"মই তহঁত প্ৰত্যেকৰে স'তে এজন এজনকৈ যুঁজিম। তহঁতৰ কথা অৱশ্যে কাকো নকওঁগে," মই সিহঁতক কৈছিলো।

"যা, যা ওলা ইয়াৰপৰা, নহ'লে বগা চিয়াঁহী গাত ঢালি দিম কিন্তু," মাৰ্ডিন ফিলিপচে কৈছিল।

"ঠিক আছে। মই তহঁতৰ প্ৰত্যেকৰ স'তে যুঁজিহে এৰিম; আৰু তোৰ স'তে প্ৰথমেই লাগিম।"

মই বাহিৰ ওলালো। মিষ্টাৰ টাইছাৰে মিষ্টাৰ জোনাচৰ স'তে ষষ্ঠ শ্ৰেণীৰ ছুৱাৰ মুখত কথা পাতি আছিল। মিষ্টাৰ জোনাচক দেখি মোৰ পেটতে হাত ভৰি সুমুৱাৰ উপক্ৰম হ'ল।

"ইমান সময় লাগেনে বাৰু?" মিষ্টাৰ টাইছাৰে মোক ক'লে।

"বোধকৰোঁ। এওঁ নিজৰ সুযোগ সুবিধা অনুযায়ী লাহে ধীৰে কামবোৰ কৰে," মিষ্টাৰ জোনাচে টপৰাই মাত দিলে। তেওঁ যথেষ্ট কষ্ট কৰিহে ইংৰাজী ক'ব পাৰিছিল আৰু তেওঁৰ ইংৰাজী উচ্চাৰণ আচল উচ্চাৰণতকৈ এখোপ চৰি বিকৃত হৈ পৰিছিল। ধুনীয়া ভাষা এটিৰ এনেকুৱা মানুহৰ হাতত পৰি শোচনীয় অৱস্থা হোৱাটো বেয়া লগা কথা। তভুৰ চেমুৱেল জনছনে তেওঁক লগ পালে হয়তো নেৰিলেহেঁতেন। মই তেওঁক ঠিক এই কথাষাৰ এদিন কৈছিলো— কিন্তু সেইটো পিছৰ কথা।

"তুমি কান্দিছিলা নেকি মৰ্গান?" মিষ্টাৰ টাইছাৰে সুধিছিল।

"হয়, পাছে একো হোৱা নাই কিন্তু।"

"আঁ, ধুনীয়া কাপোৰ সেখোন এইখন" এইবুলি মিষ্টাৰ জোনাচে তেনেতে মোৰ জেপৰপৰা চিয়াঁহী আৰু ধূলি মাকতিৰে মলিয়ন হৈ থকা মোৰ কমালখন টানি উলিয়াই আনিছিল।

"মই আজি ৰাতিপুৱা ঘৰৰপৰা আহোঁতে এইখন কিন্তু একেবাৰে পৰিষ্কাৰ আছিল," এইবুলি কৈ মই কমালখন তেওঁৰপৰা কাঢ়ি আনিলো। "কমালখন লেতেৰা হ'ল সৌ কোঠাটোৰ মযলাবোৰ লাগি।"

মিষ্টাৰ জোনাচে ক'লে, "তুমি মোক 'চাৰ' বুলি সম্বোধন কৰিবা,

লহ'লে বেঞ্চ-কোৰত ঠিক কৰি দিম। খোৱা, এতিয়া ভিতৰলৈ গৈ বহি থাকাগৈ।"

মই তেওঁৰ কাষেৰে পাৰ হৈ যাব ধৰোঁতে তেওঁ মোৰ মূৰ টোঁৱাই চাপৰ এটা মাৰিছিল, কিন্তু মই মূৰটো তল কৰি কোনোমতে সাৰিলো। ষষ্ঠ শ্ৰেণীৰ কোঠাটোৰ ভিতৰ সোমাই মই চতুৰ্থ শাৰীৰ বেঞ্চখনত বহিলোগৈ— সেই বেঞ্চত বহি থকা ল'ৰা এজনে অলপ আঁতৰি গৈ মোক বহিবলৈ ঠাই উলিয়াই দিছিল।

মিষ্টাৰ জোনাচ সোমাই আহি কোঠাটোৰ দুৱাৰখন জপাই ল'ৰা-ছোৱালীবোৰৰ পিনে চকুফুৰাই চাই শেষত মোৰ পিনে চাই থিয় দি থাকি ক'লে— "আমি আজি আমাৰ মাজত এজন বিৰাট বুদ্ধিমান ভদ্ৰলোকক পাইছোঁ।" এইবুলি তেওঁ এবাৰ মিচিকিয়াই হাঁহিলে। ল'ৰা-ছোৱালীবোৰেও তেওঁৰ হাঁহিত যোগ দিলে। তেওঁ কৈ গ'ল—"গতিকে আমি এইজনাৰ আগত আঁঠু লব লাগে। যাক, এতিয়া আমি তেওঁৰ এলজেব্ৰাৰ জ্ঞান পৰীক্ষা কৰি চাবৰ চেষ্টা কৰো আহা। সেইটো কৰিলেহে আমি বুজিব পাৰিম আমি তেখেতৰ স'তে একেটা কোঠাত থকাৰ যোগ্য নে তেখেতৰ বাবে চৰকাৰক খাটি আছুতীয়াকৈ এটা স্কুল ঘৰ সাজিব লাগিব।"

তেওঁ মোক কেইটামান সমীকৰণ কৰিবলৈ দিলে। মিষ্টাৰ গ্ৰুফিদ আৰু দেভিয়ে কিন্তু এইবোৰ মোক খুব ভালদৰেই শিকাই থৈছিল, সেয়ে এইবোৰ মোৰ পক্ষে অকণো টান নাছিল। মিষ্টাৰ জোনাচে কিন্তু মিচিকিয়াই হাঁহি থাকিল।

"বিৰাট পণ্ডিত দেখিছোঁ," মোৰ বহীখনৰ পিনে একেথৰে চাই থাকি তেওঁ ক'লে। "কিন্তু তোমাৰ কিতাপ-পত্ৰবোৰ একেবাৰে লেতেৰা আৰু হাতজুখনো সেয়ে। তুমি যদি এই স্কুলত পঢ়ি পণ্ডিত হ'ব খোজা তেন্তে ইয়াতকৈ অলপ ভদ্ৰভাৱে থাকিব লাগিব। তুমি আজি মাৰাক গৈ ক'বাগৈ যে আজি যিদৰে আহিছা সেইদৰে কাইলৈকো আহিলে তোমাক স্কুলত সোমাব নিদি ঘৰলৈ ওভোতাই পঠোৱা হ'ব। তোমাৰ কয়লাৰ খনিৰ আচাৰ-ব্যৱহাৰ ইয়াত নচলিব।"

সেই মুহূৰ্তৰ পৰা মই মিষ্টাৰ জোনাচৰ শত্ৰু হৈ পৰিলো। মোক শিকাবলৈ তেওঁৰ একো নাছিল, কাৰণ মোৰ মনটো তেওঁৰ আৰু তেওঁ দিয়া লক্ষলো

শিকাৰ বিৰুদ্ধে বিদ্ৰোহী হৈ উঠিছিল। মই তেওঁক একো নকওঁলো, মাথোন একেথৰে চাই থাকিলোঁ।

তেওঁ আইন এলজেব্ৰা শিকালে। মই কিন্তু বহি থাকিলোঁ।

প্ৰায় একঘণ্টা মই মাথোন বহিয়েই থাকিলোঁ।

এবাৰ বজাত অলপ সময়ৰ বাবে স্কুল ছুটী। আমি সকলোৰে লগত অনা খোৱাবস্তবোৰ খাবলৈ খেল পথাৰলৈ আগবাঢ়িলোঁ। কোঠাটোৰ বাহিৰ ওলোৱাৰ লগে লগে মাৰভিন ফিলিপ্‌চে মোৰ বাউসীত খাপ মাৰি ধৰি লৈ ক'লে—"কি? মোৰ লগত যুঁজ খোজে? আহ তেন্তে এতিয়াই।" লগৰ ল'ৰা-ছোৱালীবোৰে জুম পাতি আমাক চাই থাকিল।

সি মোতকৈ যথেষ্ট ওখ ডাঙৰ। সেই চহৰৰ কয়লা-বেপাৰী এজনৰ ল'ৰা সি।

আচলতে কিন্তু আমাৰ দুয়োৰে ঠিক যুঁজ এখন নহ'ল, কাৰণ আমাৰ চাৰিও ফালে ল'ৰাবোৰে জুম পাতি ৰৈ আছিল আৰু সেইবাবে আমাৰ যুঁজৰ ঠাই একেবাৰে নাছিল। মই তাক ভাল ছুটা ঘোঁচা মাৰিলোঁ, সি মোক মুখৰ একালে এটা মাৰিলে। তেনেতে ল'ৰাবোৰৰ হেঁচা ঠেলাত মই মাটিত পৰি গ'লোঁ। মই আৰু একো কৰিব নোৱাৰি মাথোন সিহঁতৰ জোতাৰ গচকৰ পৰা নিজৰ মুখটো ৰখোৱাৰ চেষ্টা কৰিলোঁ। শেষত কি হ'লহেঁতেন ক'ব নোৱাৰোঁ, কিন্তু হঠাতে সকলো গণ্ডগোল বন্ধ হৈ গ'ল আৰু ল'ৰাবোৰে মোক এৰি একাষৰীয়া হৈ থিয় দিলে। মই ওচৰৰ বেৰ এখনত ভেজা দি থিয় হৈ উঠিয়েই দেখিলোঁ মিষ্টাৰ মটছিলে খিৰিকী এখনৰ পৰা মোৰ পিনে চাই আছে।

তেওঁ সুধিলে, "তোমাক প্ৰথমে কোনে মাৰিছিল, মৰ্গান? কোৱা, মই তাক ভাল এপাহি দিম। এই স্কুলত বদমাইছ ল'ৰাৰ ঠাই নাই।"

মই উত্তৰ দিলোঁ, "মনে কৈছিলোঁ যে মই ইহঁতৰ স'তে যুঁজিম।"

"অ' হয় নেকি? মিষ্টাৰ জোনাচে অৱশ্যে কৈছিল যে তোমাৰ আচাৰ-ব্যৱহাৰ বৰ ঠিক নহয়। বাৰু, এতিয়া শুনি লোৱা— যদি তোমাক আৰু কেতিয়াবা স্কুলৰ সীমাৰ ভিতৰত কাজিয়া কৰা দেখোঁ, তেন্তে সেই দিনাই তোমাক ভালকৈ বেতাই স্কুলৰ পৰা চিৰদিনৰ বাবে বাহিৰ কৰি দিম। আৰু তোমালোকেও শুনা" এইবুলি তেওঁ আইন ল'ৰাবোৰক উদ্দেশ্য কৰি ক'লে, "মনত ৰাখিবা তোমালোক ইয়ালৈ আহিছা মানুহ হ'বলৈ। তোমালোক

তহিঁতৰ আত্ম-সন্মান সম্পন্ন নাগৰিক। এই কথা মনত ৰাখি নিজৰ চালচলন ঠিক কৰিবা।"

এলিচৰ গাড়ীখন সেইদিনা মায়ে কোনোমতে মোৰ বাবে চহৰৰ হোটেল-খনৰ কাষত ৰৈ আছিল কাৰণেই মই কোনোমতে পাৰিলোঁ, নহলে হয়তো সিহঁতে মোক বোকাত পেলাই ভুকলি-জুপুৰি কৰিলেহেঁতেন। মই এলিচৰ ওচৰত বহিলোঁগৈ। এলিচে তাৰ চাবুকডাল শূন্যত ঘূৰাই ঘূৰাই মোৰ গাত লগা ল'ৰাবোৰক দূৰত ৰাখিলে।

"এই চহৰৰ ল'ৰাবোৰ এন্দুৰৰ নিচিনা—এটা এটাকৈ ঘূঁজিব নাজানে, দল বান্ধিহে আহিব। তোমাক সিহঁতে খেদিছিল কাৰ কিয়?" এলিচে সুধিলে।

"নতুন ল'ৰা বুলি। পাছে, মাক এইবোৰ নক'বা। এইবোৰ শুনিলে মায়ে চিন্তা কৰিব।"

"নকওঁ বাৰু। মই কিন্তু সদায় তোমাৰ কাৰণে এইখিনিতে ৰৈ থাকিম দেই, বুজিছা?"

সেইদিনাৰপৰা, মাত্ৰ দুই এদিনৰ বাহিৰে সদায় গধূলি মই এলিচৰ গাড়ীতে স্কুলৰপৰা ঘৰলৈ এই দীঘল বাট ডোখৰ অতিক্ৰম কৰিছোঁ। মাৰী নামৰ ঘোঁৰাজনীৰ পাছত বহি পাহাৰখনৰ গোন্ধবোৰ লৈ লৈ আৰু বাটত লগ পোৱা মানুহবোৰক সম্ভাষণ জনাই গৈ থাকিবলৈ খুব ভাল লাগিছিল। মাজে মাজে আমি বাটত ৰৈছিলোঁও—কাৰোবাক চিঠি দিবলৈ বা কিবা বস্তু দিবলৈ। এলিচে আমাৰ আশে পাশে থকা উপত্যকাবোৰৰ সকলো খবৰ জানিছিল।

সেইৰাতি ঘৰ পাই মই প্ৰথমে ব্ৰণৰ ঘৰলৈ গ'লোঁ হাত মুখ ধোঁও বুলি। বহুবাৰ ধোৱা সত্বেও গাল আৰু চকুৰ কাষৰ আঘাতৰ চিনবোৰ কোনোমতেই গুচাব নোৱাৰিলোঁ আৰু কটা যোৱা ওঁঠটো কটাই থাকিল। ব্ৰণ, আইজৰ ছয়ো ঘৰত নাছিল আৰু সেয়ে মই কাকো একো কৈফিয়ৎ দিবলগীয়া নহ'ল।

মই আমাৰ ঘৰ সোমোৱাৰ লগে লগে মায়ে মোৰ মুখৰ অৱস্থা দেখি উচপ খাই উঠিল। মাৰ মুখৰ পৰা কিন্তু কোনো কথা নোলাল। আংগাৰাদেৱে মোৰ মুখখন ভালকৈ পৰীক্ষা কৰি আৰু দুই চাই ক'লে "ইছ্ কেনেকৈ এনে হ'ল? বিষাইছে নেকি?"

মই ক'লো, "পাগাৰত পৰি গৈছিলো। বিষোৱা নাই, চেক চেকাইছেহে।"

"তাক ডাক্তৰৰ ওচৰলৈ লৈ যা আংগাহাদ। পাহাৰ-চাহাবত সি পৰা নাই। মৰামৰি কৰি সি এই অৱস্থা কৰিছে। ৰ,' দেউতাৰ আহি আজি তোক দেখক ৰ" মায়ে কৈছিল।

"মই আগতে চাহ একাপ পামনে?" মই মাক সুধিছিলো। "মই কৈছো নহয় মই সিমান দুখ পোৱা নাই। অলপ ক'ৰবাত লাগিছে, তাতে·· ."

"নেচনেল স্কুল। হ! দেউতাৰ আহিলে মই কি কৰোঁ চাবি। চাবি তাঁহতে।" মায়ে বকি আছিল।

"মোক চাহ একাপ দিয়া মা," মই আকৌ ক'লো।

"দিছোঁ, দিছোঁ, এতিয়াই দিছোঁ বাছা," এইবুলি মায়ে মোৰ তপত মুখখন দুহাতেৰে তুলি ধৰিলে। মাৰ বুঢ়া আঙুলি দুটা পৰিছিল মোৰ চকু দুটাৰ ওপৰত। মাৰ চেঁচা হাতৰ পৰশ পাই মোৰ গাটো জুৰ পৰি গ'ল। "তোক কিয়ানে এনে মাৰিছিল বাক? তোৰ দাদাৰহঁতেও কাজিয়া কৰিছিল, কিন্তু সিহঁতৰ কোনেও কেতিয়াও ইমান মাৰ খোৱা নাছিল।"

তেনেতে ব্ৰণ আহি কোঠাটোত সোমাই চিঞৰি উঠি লৰ মাৰি আহি মোক সাবটি ধৰিছিলহি।

"ছিউ, ছিউ, তোক কোনে মাৰিছে বাক?" কান্দি কান্দি ব্ৰণে সুধিছিল। "মোক ক। মই তাক ঠিক কৰি দিম।"

দেহ মনলৈ অৱসাদ আহিলে ভাল চাহ একাপ সঁচাকৈয়ে খুব ভাল বস্তু। পাতলকৈ, যথেষ্ট গাখীৰ আৰু চেনি দিয়া চাহ একাপ! তোমাৰ শৰীৰৰ ভাগৰি পৰা অংশবোৰ পুনৰ জাগি উঠিব। ভাল চাহ একাপ সঁচাকৈয়ে বৰ ডাঙৰ বস্তু।

ঔষধ দি কাপোৰ এখনেৰে ব্ৰণৰেনে মোৰ মুখখন বান্ধি দিয়াৰ পিছত মই পাছফালৰ চোতাললৈ গ'লো অৱেনে লগা ইঞ্জিনটো চাফ কৰিবলৈ। গতিকে দেউতা আহি ঘৰ সোমাওঁতে মই ঘৰৰ ভিতৰত নাছিলোঁ। অৱশ্যে মায়ে দেউতাৰ স'তে কথা পতা মই তাৰ পৰাই শুনিবলৈ পালো। অকণেক পিছতে পাছফালৰ দুৱাৰখন খুলি দেউতাই মাতিলে, "ছিউ, ইয়ালৈ আহচোন।"

খনিৰ কয়লাৰ গুৰিবোৰ লাগি দেউতাৰ কাপোৰবোৰ ক'লা হৈ আছিল। হাতৰ লেমটো ডাঙি ধৰি তেওঁ মোৰ মুখখন চাইছিল।

"এটা চকু ভালকৈয়ে ফুলিছে, আনটোতো অলপ লাগিছে দেখিছো। গালতো দুটামান ভালকৈ পৰিছে। পাছে, ওঁঠটোৰ অইন ক'তো ফটা নাই। ঠিক আছে। মই গা ধুই তোৰ নাকটো ভালকৈ চাম বাৰু। যা, কি কৰিছিলি কৰগৈ।"

ইয়াৰ পিছত চাবলৈ আহিছিল দেউতা, আইতৰ আৰু আয়াটোৱে। সিহঁতৰ প্ৰত্যেকজনে মোক ছয় পেনিকৈ দিলে আৰু আংগাহ্রাহে দিলে কেইটামান সূজন। গতিকে অলপ সময়ৰ ভিতৰতে মই একপ্ৰকাৰ সুখই হৈ উঠিলো।

দেউতাই ৰাতিৰ আহাৰ খাই উঠাৰ পিছত মই তেওঁৰ ওচৰলৈ গ'লো মোৰ নাকটো দেখুৱাবলৈ। দেউতাই টিপি চাই বুজিলে যে ক'তো ভগা নাই, ফুলিছেহে মাথোন।

"আধা ঘন্টা অন্তৰে অন্তৰে গৰম পানীৰ সেক দে। চেঁচা পানীও ছটিয়াবি মাজে মাজে। দুদিনতে 'চব' ঠিক হৈ যাব।"

"মোৰ হাতত এটা বন্দুক থাকিলে তোমাৰ নেচনেল ক্লুল মই উৰুৱাই দিলোহেঁতেন," মায়ে তেনেতে কৈছিল।

"ইচ্ ইচ্ মনে মনে থাকাচোন। নিজৰ ভৱিত থিয় দিবলৈ ল'ৰাই ইয়াতকৈ বহুত বেছি কষ্ট ভোগ কৰিব লাগিব। পাছে, কাইলৈ ক্লুললৈ যাবলৈ মন আছে তো?" দেউতাই মোক সুধিছিল।

"আছে দেউতা।"

"ভাল কথা। হিউ, শুন এতিয়া। তই মানুহ হ'ব খুজিছ, নহয় জানো? মানুহ হ'ব লাগিলে তই প্ৰতিশোধ লবও জানিব লাগিব— ক'ৰবাত মাৰ খালে তাৰ দুগুণ মাৰ নিজে মাৰিব পাৰিব লাগিব। কেতিয়াবা হয়তো মাৰ খাই অলপ দিনৰ বাবে মনে মনে থাকিব লাগিব, যাতে কেইদিনমান বাট চাই ভালকৈ এপালি দিব পাৰি। তথাপি যদি কেইদিনমান মনে মনে থাকিব খোজ এতিয়াই ঠিক কৰি ল। মনে মনে থাক, আৰু তেতিয়াই সকলো শিকি বুজি ল। দুদিনমান লুকাই থকা আৰু মাৰ খাই চুপ হৈ থকা একে কথা নহয়। কেতিয়াও মাৰ খাই এনেয়ে গুচি নাহিবি, বুজিছ বাছা? দুদিনমান মনে মনে থাকিব পাৰ, কিন্তু কেতিয়াও এনেয়ে এৰি নিদিবি। যিমান মাৰ খাইছ, তাতকৈ বেছি মাৰ মাৰিহে এৰিবি। বুজিছ?"

"হয় দেউতা।"

"এইফালে আহ তেন্তে" এই বুলি দেউতাই উঠি গৈ জুহালৰ ওপৰৰ থাক-থনৰ পৰা পইচা থোৱা টিনৰ বাকচটো আনি মেজৰ ওপৰত থৈছিল। "আজিৰপৰা তোৰ মুখত পৰা প্ৰত্যেকটো ঘোঁচাৰ বাবে তই পাবি এক পেনিকৈ, চকুত মাৰ খালে পাবি এক চিলিং, নাকেৰে তেজ ওলালে পাবি ছয় পেনি, নাক ভাঙিলে পাবি ছয় চিলিং আৰু হাত বা শৰীৰৰ অইন যি কোনো ঠাইত খোৱা প্ৰত্যেকটো মাৰৰ বাবে তই পাবি এক পেনিকৈ। আজিৰ এই মাৰ খোৱাৰ বাবে তই পাবি তিনি চিলিং ছয় পেনি। ব'ল, এতিয়া পাছফালৰ চোতাললৈ বলচোন।"

মায়ে কান্দো কান্দো হৈ কৈছিল, "শুইলাম, তাক এতিয়া এৰাচোন। তাৰ যথেষ্ট শিক্ষা হৈ গৈছে। এতিয়া আকৌ মৰামাৰিথন কৰিবলৈ গ'লে সি মৰি থাকিব।"

ইয়াৰ-উত্তৰত দেউতাই কৈছিল, "ল'ৰা হৈ জন্মিছে যেতিয়া সি যুঁজিবলৈ শিকিবই লাগিব। নহ'লে তাক ফ্ৰক পিন্ধাই ঘৰতে বহুৱাই থোৱা। ই যুঁজিবলৈ এতিয়াও শিকা নাই, কিন্তু আজি ৰাতিয়ে সি তাৰ প্ৰথম শিক্ষা পাব। দেখা যাওঁক, নেচনেল স্কুলে মৰ্গান পৰিয়ালৰ এজনক মাৰি 'ঠাণ্ডা' কৰি দিব পাৰে নেকি।"

পাছফালৰ চোতালত থকা গুদাম ঘৰটো গৈ পাই দেউতাই তেওঁৰ কোটটো খুলি কামিজৰ আস্তিনটো কোঁচাই ল'লে। আয়াণ্টো আৰু মেজিয়ে ইঞ্জিনটো ঠেলি নি একাষৰীয়াকৈ থ'লে।

"এতিয়া চা, বাওঁহাতেৰে পোনে পোনে ঘোচা এটা শোধাব পাৰিলেই শত্ৰুৰ পতন। এইটো হ'ল তোৰ প্ৰথম পাঠ। ··চা এনেকৈ মাৰিব লাগিব—" দেউতাই দেখুৱাই দিছিল।

মই যুঁজিবলৈ শিক্ষালাভ কৰা আৰম্ভ কৰিলোঁ।

সেই ৰাতি মই শিকিলোঁ কি দৰে থিয় হ'ব লাগে, কেনেকৈ ঘোঁচা মাৰিব লাগে আৰু শত্ৰুৰ ঘোঁচাৰ পৰা কেনেকৈ সাৰিব লাগে।

দেউতাই মোক বুজাইছিল, "ভাল যুঁজাৰু হৈছে সেইজন যিয়ে এটা ঘোঁচাৰ পৰা সাৰি শত্ৰুক দুই ঘোঁচা দিব পাৰে। যদি কেতিয়াবা তই সেইটো কৰিব পাৰ তেহে বক্সিং খেলা শিকিছ বুলি ক'ব পাৰিবি।" "চা, এতিয়া চাচোন।"

দেউতাই আইতাৰক এটা খোঁচা মাৰিলে আৰু লগে লগেই তেওঁ আইতাৰঘৰলৈ পালে ছুটা— এটা খুঁতৰিত, আনটো মুখত। আইতাৰে ইমান জোৰাই খোঁচা-ছুটা মাৰিছিল যে দেখি মই আচৰিত হৈ গৈছিলোঁ। ইয়াৰ পিছত আইতৰ আৰু দেভিয়ে আৰু কিৰাকিৰি অলপ দেখুৱাই দিলে।

দেউতাই কৈছিল, এইবোৰ তোৰ শিকাৰলৈকে দেখুৱা হ'ল। কোনোবাই যদি কেতিয়াবা তোক কোট খুলিবলৈ বাধ্য কৰায়, তেন্তে তাৰ আগতে এশিকনি দিও বুলি লগে লগে ঠিক কৰি লবি। ভালকৈ এপাকি দি নিজৰ কোট পিন্ধি থকাকৈ গুচি আহিবি, বুজিছ ?"

তেনেতে আংগাহাৰাদে আমি থকা গুদাম ঘৰটোৰ খিৰিকীখনেদি ভিতৰলৈ মূৰটো সুমুৱাই দিছিল। তাকে দেখি দেভিয়ে তাইৰ মুখত খোঁচা মৰাৰ তাও ধৰাত তাই জোৰতে চিঞৰি উঠিছিল। অকণমান খিৰিকীখনত তাইৰ মূৰটো লাগি ধৰিল আৰু তাইৰ চুলিখিনি চকুৰ সন্মুখত পৰি তাইৰ যে কি অৱস্থা হ'ল।

দাদাইতে তাইৰ মূৰটো টানি উলিয়াবৰ চেষ্টা কৰি থাকোঁতেই তাই চিঞৰি ক'লে, "মিষ্টাৰ গ্ৰুফিদ আহিছে।·· উস্, মোৰ মূৰটো গুৰি কৰিব খুজিছা নেকি, দেভিদ মৰ্গান ?"

"এই ছোৱালীবোৰ যে কি মূৰ্খ। এই অকমান ফাটটোত মূৰ সুমুৱায় নে বাৰু ? দুৱাৰ এখন আছে বুলি তই নাজান জানো ?" দেভিয়ে কৈছিল।

আংগাহাৰাদে উত্তৰ দিছিল, "দুৱাৰেৰে একো নেদেখি কাৰণেইতো খিৰিকীৰে চাবলৈ গৈছিলোঁ।"

"এনেকৈ চাই ফুৰিলে বিপদত পৰিবই লাগিব বাছা," দেউতাই কৈছিল। "খিৰিকীখন ভাঙি তাইক উলিয়াই আন। খিৰিকীখন জোৰা কৰাৰ খৰচ কিন্তু তাইৰ জমা খোৱা পইচাৰ পৰা কাটি লোৱা হ'ব।"

"বাঃ, দেউতাৰ বিচাৰ চোৱা," কান্দো কান্দো হৈ কিন্তু লগতে হাহি হাহি আংগাহাৰাদে কৈছিল। "ল'ৰাহঁতৰ লাভ খুব মাৰ, আমাৰ বাবে মাথোন কেটেৰা-জেঙেৰা। মাৰ খাই ছিগুৱে আহিলে বিমান পইচা পাইছে বিমানখিনি মই সুমাইছো নাপাওঁ। ল'ৰা হৈ জন্মিলেই ভাল আছিল।"

দেউতাই ক'লে, "তাইক তেনেকৈ থাকিব দে। সেইদৰে থাকি তাই এই বাৰ বিষয়ে ক'লে সেই বিষয়ে ভবা-চিন্তা কৰি চাওঁক।"

গতিকে বেচেৰী আংগাহাৰাদক তেনে অৱস্থাতে আমি এৰি গ'লো। তাই

কান্দি থকাৰ সহানুভূতি আৰ্জিবৰ চেষ্টা কৰা সত্ত্বেও তাইৰ মাথোন হাঁহিহে ওলাল। জেভিয়ে পাছফালৰপৰা তাইক চিকুটিলে। লগে লগে জেভিয়ে এনে এটা গোৰ খালে যে সি সেইদিনা গোটেই ৰাতি খোৰাই ফুৰিব লগীয়া হ'ল।

"অ', বৰ্ব্বৰবোৰৰ স'তে তোমাৰ কিবা অলপ হ'ল তেন্তে হিউ?" মিষ্টাৰ গ্ৰুফিদে মোক সুধিছিল।

"হয় চাৰ."

"এই পেন্সিল খোৱা বাকচটোৰ এনে অৱস্থা হ'ল কেনেকৈ? মইতো তোমাক ইয়াৰ যত্ন লবলৈ কৈছিলো।"

দেউতাই তেনেতে মাত দিছিল, "সি যি অৱস্থাত ঘৰলৈ আহিছিল সেই অৱস্থাত সি যে বাকচটো আনিবলৈ পাহৰা নাই তাকে ভাবি মই আচৰিত হৈছো।"

"হিউক ক'বলৈ দিয়ক, মিষ্টাৰ মৰ্গান। সম্পত্তি এইদৰে নষ্ট হব'লৈ কেতিয়াও দিব নাপায়। আৰু এনেকুৱা দুনাই ঘটাটোও যি কোনো প্ৰকাৰে বন্ধ কৰা উচিত। বাকচটো আছিল হিউৰ তত্ত্বাৱধানত। সি বাক বাকচটো ভঙাৰ বাবে জগৰীয়া নহয়। কিন্তু জগৰীয়া কোন তেন্তে?"

"যিবোৰে তাৰ চকুৰে মুখে ঘুচিয়াইছে," দেউতাই ক'লে।

মই ক'লো, "বাকচটো ভঙাৰ সময়ত মই কোঠাটোত নাছিলো, মিষ্টাৰ গ্ৰুফিদ। মই পাছে সিহঁতক কৈ দিছোঁ যে মই সিহঁত প্ৰত্যেকৰে সৈতে যুঁজিহে এৰিম। গতিকে সিহঁতে ইয়াৰ বাবে শাস্তি নোপোৱাকৈ সাৰি নাযায়।"

"বৰ্ব্বৰহঁত। বৰ্ব্বৰ নহলে এই অকমান বাকচটো কোনোবাই এনেকৈ ভাঙি পেলাব পাৰেনে? কেইজনমান বেত চাচি লৈ সিহঁতক ভালকৈ এফালৰ পৰা বেতাই আহিবলৈ মন গৈছে মোৰ," মিষ্টাৰ গ্ৰুফিদে কৈছিল।

"খুব ভাল কথা। তাকে কৰি উঠি স্কুলখনো জুই লগাই জ্বলাই দি আহিলে আৰু ভাল হয়," মায়ে তেতিয়া কৈ উঠিছিল।

"ইচ্, মনে মনে থাকাচোন," দেউতাই মাক কৈছিল। "নিজৰ বাবে যুঁজিবলৈ হিউক অকলে এৰি দিয়াই ভাল হ'ব, মিষ্টাৰ গ্ৰুফিদ। ময়োতো তালৈ গৈ সিহঁতক ভাল এশিকনি দি আহিব পাৰোঁ। কিন্তু এইখন হিউৰহে কাজিয়া, আমাৰ নহয়।"

"এইখন আমাৰ কাজিয়া, মিষ্টাৰ মৰ্গান," মিষ্টাৰ গ্ৰুফিদে উত্তৰ দিছিল। "ছিউৱে নিশ্চয় এই শিকাৰে দিব পাৰিব যে মৰামৰি কৰাত সি নিগ্ৰোজনক শ্ৰেষ্ঠ, কিন্তু সম্পত্তিৰ পবিত্ৰতা সম্বন্ধে সিতো একো শিকিব নোৱাৰিব। দৈহিক শক্তিৰে বদমাইছবোৰক ভয় খুৱাব পাৰি, তাৰ একো শিকাৰ হ'লে নোৱাৰি।"

"যেতিয়ালৈ জানো তাতকৈ ভাল কিবা হ'ব?" হাহি সদাই বাখিবলৈ দেউতাই পাইপটো টানিবলৈ পুনৰ আৰম্ভ কৰি দিছিল।

"ঘোঁচাতকৈ বহুত ভাল হ'ব অন্ততঃ," হাহি মিষ্টাৰ গ্ৰুফিদে কৈছিল। "ঘুচিয়াঘুচি চলে দুজনৰ মাজতহে, কিন্তু যেত আৰু জ্ঞান সদায় একগোট— সকলোৰে বাবে উপযোগী। সেইবাবেইতো কাইলৈ ৰাতিপুৱা যেত হাতত লৈ মই তালৈ যাব খুজিছোঁ।"

মই ক'লো, "বাকচটো মই যেনেমতি কৰি আকৌ আগৰ নিচিনা কৰি তুলিম, মিষ্টাৰ গ্ৰুফিদ।"

"বলা তেন্তে, এতিয়াই আৰম্ভ কৰা। বাকচটোৰ অৱস্থা দেখি দেখি মোৰ আৰু সহ্য নহয়।"

লেম লৈ আমি পাছফালৰ চোতাললৈ গ'লো। আংগাহ্লাদ তেতিয়াও খিৰিকীত মূৰটো লাগি ধৰি বৈ আছিল।

"কোন সেয়া?" হাতৰ লেমটো ডাঙি ধৰি মিষ্টাৰ গ্ৰুফিদে সুধিলে।

"আংগাহ্লাদ।"

মিষ্টাৰ গ্ৰুফিদে তাইৰ চকুৰ সন্মুখত পৰি থকা চুলিবোৰ হাতেৰে আঁতৰাই দিলে। তাই মূৰ তুলি চালে আৰু লেমৰ পোহৰ পৰি তাইৰ মুখখন সোণ বৰণীয়া হৈ উঠিল।

মিষ্টাৰ গ্ৰুফিদেও তাইৰ মুখৰ পিনে চালে। তেওঁৰ মুখৰ ভাব সলনি হোৱা মই লক্ষ্য কৰিছিলো, কিন্তু সেইটো কেনে ধৰণে হৈছিল মই ঠিক বুজাব নোৱাৰিম। তেওঁ লেমটো মাটিত থৈ খিৰিকীখনৰ ওপৰৰ বাতাসতাল এখন হাতেৰে ধৰিলেগৈ।

"দুখ পালে ক'বা।" আংগাহ্লাদক এইবুলি কৈ তেওঁ বাতাসতাল দুৱাৰমান লাহেকৈ টানি চাই এবাৰ খুব জোৰেৰে টান মাৰি সজাল, ক্ৰুপ আদিৰে সৈতে একেবাৰে একেলগে আনিলে।

"বাৰু, এতিয়া তুমি বাকচটো ভাল কৰা, মই খিৰিকীখন কৰোঁ।" আংগাহাৰৰ ফালে এবাৰো নোচোৱাকৈ তেওঁ মোক ক'লে।

"ধন্যবাদ মিষ্টাৰ গ্ৰুফিদ," খিৰিকীখন যি ঠাইত আছিল সেইখিনিলৈ চাই আৰু তিতিটো চুই থাকি আংগাহাৰে কৈছিল।

তাৰপৰ খুব সাৱধানে গুদাম ঘৰটোত কাম কৰি মই বাকচটো ভাল কৰিলোঁ। সকলো শেষ কৰি উঠি দেখিলোঁ যে বাকচটো যে কোনোবাই ভাঙিছিল সেইটো এতিয়া ধৰিবই নোৱাৰি।

মিষ্টাৰ গ্ৰুফিয়ে মোক লক্ষ্য কৰি আছিল। মই কিন্তু কামখিনি শেষ নকৰালৈকে এই বিষয়ে গম পোৱা নাছিলোঁ। বাকচটো ভাল কৰি অলপ দূৰৈত থৈ যি তেওঁৰ ফালে চোৱাতহে দেখিছিলোঁ তেওঁ যেতিয়াও বহি মোৰ ফালে চাই মিচিকিয়াই হাঁহি আছে।

"কাঠৰ কাম তুমি বৰ ভাল জানা হিচ্ছ।"

"ধন্যবাদ চাৰ। খিৰিকীখনৰ কাম আপুনি শেষ কৰিলেনে?"

"ওঃ, অকমান ল'ৰা এটাই মোক কামত পাছ পেলাই থবলৈ মই দিম জানো? চোৱাচোন এবাৰ।"

সঁচাকৈয়ে মিষ্টাৰ গ্ৰুফিদে খিৰিকীখন অতি সুন্দৰকৈ মেৰামত কৰিছে। ফাটবোৰ আগতে নাজানিলে চিনিবই নোৱাৰি। গজাল, স্ক্ৰুপ আদিও সুন্দৰকৈ ঠিক আগৰ দৰে লগোৱা হৈছে।

"কাঠৰ কাম আপুনিও খুব ভাল জানে, মিষ্টাৰ গ্ৰুফিদ।"

"হ'বা, মোৰ নতুন ঘৰটোৰ বাবে চকী মেজবোৰ মই নিজে সাজি উলিওৱাৰ পিছত যি কোৱা ক'বা।"

"সেইবোৰ সাজোতে মোক আপুনি লগত ল'বনে? মই সুধিছিলোঁ।

"তোমাক নলৈ আৰু কাক লম? তোমাৰ মুখখন এতিয়াও বিষাই আছে নেকি?"

"অ," মই এই বিষয়ে পাহৰিয়ে গৈছিলোঁ।" মাৰ খোৱাৰ কথা মই সঁচাকৈয়ে তেতিয়া পাহৰি পেলাইছিলোঁ।

জেনেকৈ আংগাহাৰে বাহিৰৰপৰা মাত দি মোক ছুৱানখন খুলি দিবলৈ ক'লে। থাল এখনত ভাই চাহ, কটী-মাখন, পনীৰ আৰু মইন কিবাকিবি খাবাৰ লৈ সোমাই আহি ক'লে—"যায়ে আপোনালোকক এইবোৰ কাম কৰি থাকোতে"

খাবলৈ হৈছে। পাছে কাম শেষ হ'ল যদি ঘৰৰ তিতাসকলেকে মাতিছে। আৰু, আপুনি চাহৰ ঠাইত বিয়েৰ খাব খোজে যদি কওক— বিয়েৰ বহুত আছে।”

“ৰদ্যা, আমি তাতেলৈকে যাওঁ। চাওঁ থালখন মোক দিয়া।”

মিষ্টাৰ গ্ৰুফিয়ে আংগাহ্লাদৰ হাতৰপৰা থালখন ল'লে। আংগাহ্লাদে তেওঁৰ কামত থিয় দি থাকি থালখনৰ ওপৰৰ পিয়লাবোৰ ইফাল সিফাল কৰিলে, চামুচ এখন নি ইয়াত থলে, নিমখ খোৱা বাটিটো আগৰ ঠাইৰপৰা আঁতৰাই চাহ-লুচি আৰু গাখীৰ খোৱা বাটিটোৰ মাজত থ'লে। তাই এইবোৰ কৰি থাকোঁতে মিষ্টাৰ গ্ৰুফিয়ে তললৈ মুখ কৰি তাইৰ মুখটোৰ পিনে চাই আছিল। তেওঁ ভালকৈ জানিছিল, আৰু ময়ো জানিছিলোঁ, যে আংগাহ্লাদে যি কৰি আছে সেইবোৰৰ কোনো প্ৰয়োজন নাছিল।

“ও, এতিয়াহে ঠিক হৈছে।” থালৰ ওপৰৰ বস্তুবোৰ লৰা-চৰা শেষ কৰি তাই মিচিকিয়াই হাঁহি মিষ্টাৰ গ্ৰুফিৰ পিনে চাইছিল।

তাই আৰু কিবা ক'ব খুজিছিল, কিন্তু নক'লে। তাইৰ ওঁঠৰ মিচিকিয়া হাঁহি নাইকিয়া হৈ গ'ল। এই আটাইখিনি পৰ মিষ্টাৰ গ্ৰুফিদে একেথৰে তাইৰ পিনে চাই আছিল। আচৰিত হৈ আংগাহ্লাদে দুবাৰ মান চকু পিৰিকিয়ালে। লেমটোৰ পোহৰ পৰিছে যেন এনে হৈছে সেইটো বুজাবলৈকে তাই ক'লে, “ইচ্ এই লেমটোৰ পোহৰ ইমান বেছি।”

আমি থকা ঘৰৰ পিনে খোজ ললো—মই আগত, মিষ্টাৰ গ্ৰুফিদ মোৰ পাছে পাছে। আমাক দেখি দেউতা লৰালৰিকৈ আগবাঢ়ি আহি মিষ্টাৰ গ্ৰুফিৰ হাতৰপৰা থালখন আজি ললে।

দেউতাই আচৰিত হৈ ক'লে, “ইচ্ ইচ্ কি কাণ্ড। ইয়াৰ পিছত পিছতে আপোনাক এই ঘৰ সাৰিবলৈ লগাব, চাব আপুনি।

“ঘৰ মই বহুতো সাৰি থৈছোঁ। পাছে বিয়েৰ খোৱাৰ কথা কিবা শুনিছিলো যেখোন?”

“চালি খোৱাই হৈছে। চাহ ভাল বস্তু; কিন্তু বিয়েৰো বেয়া নহয়। এই বিয়েৰ মোৰ পৰিয়ালে কৰা—ইয়াতকৈ ভাল বিয়েৰ আপুনি ক'তো নাপাব। হিউ, তই পূৰা একাপ ল বাক।”

সেইদিনা আমি আটায়ে মহাৰাণী ভিক্টোৰীয়াৰ স্বাস্থ্য কামনা কৰি বিয়েৰ খালো। খুব বঢ়িয়া লাগিছিল বিয়েৰখিনি।

কন্তেক পিছত মাকে ক'লে, "এতিয়া খাবৰ হ'ল। আপোনালোক খাবলৈ বহক। হিউ, তই শুই থাকগৈ।"

"বাক মা।" মই সকলোকে বিদায় জনাই ওপৰৰ মহলাৰ শোৱা কোঠালৈ গ'লো। আংগাহ্লাদ মোৰ মুখখনত সেক দিবলৈ ওপৰলৈ আহিল। সেক দি উঠি তাই দুজন কেইটামান বিচনাৰ ওচৰৰ চকী এখনত থৈ ক'লে, "স্কুলত থাকিবিগৈ।"

মই ধন্যবাদ জনালো।

"মিষ্টাৰ গ্ৰুফিদে বাক তোৰ আগত মোৰ কথা কেতিয়াবা কিবা কয়নে?" তাই খুব খলকৈ মোক সুধিছিল। তাইৰ প্ৰশ্ন কৰাৰ ধৰণটো দেখি মোৰ সন্দেহ হৈছিল যে তাই মোক সোধাৰ আগতে এই বিষয়ে বহুতো ভবা-চিন্তা কৰিছে।

"উহো, একো নকয়। কি বিষয়ে ক বনো?"

"নাই, মই এনেয়ে সুধিছিলো।" এইবাৰো তাই খুব খৰকৈ কৈ উঠিছিল। তললৈ মুখ কৰি তাই মোৰ পিনে চাই আছিল। অথচ তাই মোক ঠিক চোৱাও নাছিল। তাইৰ চকুত বিৰিঙি উঠিছিল এটি মিচিকিয়া হাঁহি, মুখখন ৰঙা হৈ উঠিছিল আৰু মৃদু হ'লেও উশাহ বৰ ঘনকৈ পৰিছিল। "কেতিয়াবা তেখেতে কিবা ক'লে মোক তই ক'বিনে বাক?"

"ক'ম বাক।"

"বাক মই এতিয়া যাওঁদেই।"

দ্বিতীয় দিনা স্কুললৈ যোৱাত মোক কোনেও এবাৰ কথা নক'লে। সিহঁতে অৱজ্ঞা হাঁহি দমাই ৰাখিবলৈ হাত এখন মুখৰ ওপৰত ধৰি মোৰ পিনে চাই থাকিল। মই গঁচাকৈয়ে চাবলগীয়া বস্তু হৈ পৰিছিলো— হালধীয়া আৰু নীলা হৈ পৰিছে মাৰ খোৱা ঠাইবোৰ, চকু নাক উঠিছে ফুলি। অৱস্থা মোৰ যিয়েই নহওঁক মই কিন্তু মোক দেখি হাঁহি দ'বা কেইটা চিনি থলো আৰু প্ৰতিশোধ লবলগীয়াবোৰৰ তালিকাত সিহঁতকো সুমুৱালো।

প্ৰাৰ্থনাৰ শেষত মিষ্টাৰ মটছিলে মোক ৰ'বলৈ ক'লে আৰু মই ক'ত কেনেকৈ আঘাত পালো সুধিলে।

"মৰামৰি কৰিছিলো" মই ক'লো।

"চোৱা, মৰামৰি কৰিলে কি অৱস্থা হয় দেখিলা? সত্তিকৈ সেইবোৰ

নকৰি ভালকৈ থকাই ভাল। তোমাৰ মা-দেউতা কোনোৱা এইমাহে আহি স্কুললৈ আহিব নেকি ?”

“নাহে। দেউতাই কৈছে এই কাজিয়া বোলে পুৰাপুৰি মোৰ কাজিয়া।”

“অ' হয়নেকি ?” চশমাথন চকুৰপৰা একবাৰাই লৈ ইয়াৰ পিছত তেওঁ মোক কৈছিল, “তোমাৰ গা বেয়া লাগিলে মিচেছ মটছিলৰ ওচৰলৈ যাবা। তাতে শুই থাকিবাগৈ।”

মই কৈছিলো, “ধন্যবাদ ছাৰ।”

তেওঁ তেতিয়া মোৰ কান্ধত হাত এথন থৈ কৈছিল, “এই কথা মনত ৰাখিবা মৰ্গান, তোমাক সহায় কৰিবলৈ মই আছোঁ। মই বিচাৰোঁ, তুমি যেন বৃত্তি পাই অক্সফৰ্ড বিশ্ববিদ্যালয়লৈ পঢ়িবলৈ যোৱা। তোমাৰ পক্ষে এইটো বৰ টান কাম নহ'ব। পাছে, তোমাৰ কাজিয়া-পেচাল ঘুচিয়া-ঘুচিয়ে তোমাক সেই বাটে যোৱাত বাধাহে দিব। এই কথা মনত ৰাখিবা আৰু ভালকৈ পঢ়া-শুনা কৰিবা।”

সামান্য মৰম অলপে চকুলৈ বাৰু চকুপানী আনি দিয়ে কিয় ? সেই মৰম বিমানেই কঠোৰ মানুহ এজনৰপৰা নাহক লাগে, তোমাৰ চকুপানী ওলাবই। ষষ্ঠ শ্ৰেণীৰ কোঠাটোত সোমাওঁতে মই চকুপানী মচা মিটাৰ জনাচে লক্ষ্য কৰিলে। তেওঁৰ নিষ্ঠুৰ মিচিকিয়া হাঁহি আৰম্ভ হ'ল আৰু তাৰ'ত মোৰ জীৱ উৰি গ'ল।

“বাঃ, এইটোৱে দেখোন কান্দিছে,” তেওঁ তেওঁৰ ইংৰাজে কোৱাতকৈ এখোপ চৰা ইংৰাজীত ক'লে।

মোৰ একেবাৰে ওচৰ চাপি আহি তেওঁ মোৰ মুৰৰপৰা ভৰিলৈকে চাই এইবাৰ ক'লে, “বাৰু, এতিয়া তোৰ কমাল নামৰ লেতেৰা কাপোৰখন উলিয়াচোন।”

মই কমালখন জেপৰ পৰা উলিয়ালো।

“কি আচৰিত।” মই তেওঁৰ পিনে চাই থাকিলোঁ আৰু তেওঁ কৈ গ'ল, “বোধহয় কালি থোৱা পিটনৰ পৰা বুজিব পাৰিছই যে তোৰ আৰু আমাৰ ৰীতি-নীতি একে নহয়। সভ্য মানুহবোৰে যে বেলছ মানুহবোৰক অসভ্য বৰ্বৰ জ্ঞান কৰে সেইটোত আচৰিত হ'বলগীয়া একো নাই। তোৰ নিচিনাবোৰ তাওৰ হৈ কি হ'ব ভাবিলে ঘৃণাত মোৰ গা কোঁচখাই উঠে। বিয়েই নহওক,

মই তোক শিক্ষা দিবলৈ যি পাৰোঁ। চেষ্টা কৰিম বাক—অৱশ্যে যেতিয়া কোনোবা সহায় লৈহে। এই কথা মনত ৰাখিবি কিন্তু। মোৰ পিনে তেনেকৈ চাই আছ কিয়, বকনাইছ ?"

কথেক পিছত তেওঁ বুৰঞ্জী শিকাবলৈ আৰম্ভ কৰিছিল। মই মাথোন বহি আছিলোঁ।

মিষ্টাৰ জনাচৰ আটাইতকৈ ডাঙৰ দুখ আছিল তেওঁৰ শৰীৰত থকা বেলছ মানুহৰ তেজ। এইবাবে তেওঁ খুব লাজ পাইছিল আৰু এই কথা লুকুৱাই ৰাখিবলৈ তেওঁৰ কি আপ্ৰাণ চেষ্টা।

বেল্ছ প্ৰদেশৰ বা বেল্ছ মানুহৰ কোনো বস্তুৱেই তেওঁৰ ভাল নালাগিছিল। আৰু তেওঁৰ মতে এইবোৰৰ কোনো ভাল গুণো নাছিল। ইংলণ্ডৰ দক্ষিণ উপকূললৈ আহি ইংৰাজ সম্ভ্ৰান্ত শ্ৰেণীৰ জন্ম দিওঁতা সেই নৰ্মান দেশীয় জাৰজজন মিষ্টাৰ জনাচৰ মনত আছিল পিতৃতুল্য।

তেওঁৰ মনত ৰোম মাথোন আছিল এখন দেশ য'ত নিৰোৱে খৃষ্টিয়ানসকলক পুৰি মাৰিছিল। তেওঁৰ পূৰ্বপুৰুষসকলে যে ৰোমানবোৰক তেওঁলোকৰ দেশৰপৰা আঁতৰাই ৰাখিবলৈ হাতত তৰোৱাল লৈ যুদ্ধ কৰিছিল সেইকথা তেওঁ পাহৰি যাবলৈ চেষ্টা কৰিছিল। ৰোমানবোৰে যে তেওঁৰ দেশৰ ৰাজহাড় ভাঙিছিল আৰু ভাইকিঙ তেন্ আৰু গথ্‌বোৰে দেশৰ অন্তৰ চূৰ্ণ-বিচূৰ্ণ কৰিছিল সেইবোৰ কথা পাহৰিবলৈকো তেওঁ সাজু আছিল। এই কথাও তেওঁৰ মনত নপৰিছিল যে ভাল যোদ্ধাসকলৰ সৰহ ভাগে যুদ্ধত প্ৰাণ হেৰুৱালে আৰু তেওঁলোকৰ তিৰোতাবোৰে মৃত যোদ্ধাবোৰৰ ঠাই পূৰাবলৈ সেই অনুপাতে পুত্ৰ সন্তান জন্ম দিব নোৱাৰিলে। তেওঁলোকে শত্ৰুক বাধা দি ৰাখিব নোৱাৰাৰ কাৰণ তেওঁ-লোকৰ যুদ্ধ কৰাৰ প্ৰতি আগ্ৰহৰ অভাৱ নহয়।

এইবোৰ লৈ মিষ্টাৰ জনাচে মাথোন লাজহে পাইছিল।

আমাৰ দুয়োৰে দুৰ্ঘোৰ তৰ্ক লগাৰ দিনটোৰ কথা ভালকৈ মনত আছে, কাৰণ সেই দিনটো আছিল মই প্ৰথম মাৰ-পিট কৰাৰ দিন। ৰৱিচ ফ্লিটচাৰ্ড অহাৰ দুদিনমান পিছতে এদিন এই ঘটনাবোৰ ঘটিছিল।

১৭

“মই পুনৰজীৱন আৰু জ্যোতি” মিষ্টাৰ গ্ৰুফিদে তেওঁৰ গম্ভীৰ, উদাত্ত মাতটোৰে বাইবেলৰ কথা আওৰালে। আমি সকলোৱে একেলগে ক’লোঁ, “আমেন।”

আমি সকলো আহি পাহাৰৰ এঠাইত গোট খাইছিলোঁহি। ৰাতিৰ ঠেঁচা বতাহজাকৰ মাজত আৰু জোৰৰ পোহৰত আমি মিষ্টাৰ গ্ৰুফিদে কোৱা কথা শুনি আছিলোঁ। ইয়াৰ পিছত আমি সকলোৱে লগলাগি গাওঁখনৰ পৰা কলুষতা আঁতৰাবলৈ আগবাঢ়ি গৈছিলোঁ।

সেইদিনা এজনী সৰু ছোৱালীৰ ওপৰত কোনোবাই বৰ্বৰ অত্যাচাৰ কৰিছে। মই স্কুলৰপৰা আহি দেখিছিলোঁ গাওঁৰ মানুহবোৰ আলিবাটত ওলাই আছে। দোকানবোৰ বন্ধ আৰু গীৰ্জাৰ ঘন্টাটো বাজি আছে। মই চাহ খাই থাকোঁতে দেউতা আহি পালে। খনিৰ মানুহবোৰকো আজি সোনকালে ছুটী দিছে যাতে ঘৰলৈ উভতি গৈ মানুহৰূপী পাষণ্ডটোক বিচাৰি উলিয়াব পাৰে।

দেউতাই খুব লাহেকৈ ক’লে, “ছোৱালী টুকাল। পাছে আমি তাক যেনেকৈ হওক বিচাৰি উলিয়ামেই।”

“ওঁ, সোনকালে যোৱাগৈ।” মায়ে কন্দনামুৱা হৈ ক’লে।

আইন সৰু ল’ৰাবোৰৰ সৈতে জোৰ আৰু তেলৰ টিন কঢ়িয়াই লৈ মইও ডাঙৰবোৰৰ লগত গ’লোঁ। তুপ তিনিশমান মানুহৰ মাজত দেউতা আৰু দাদাইতো আছিল। সকলোৱে মনে মনে আছিল। খনিৰপৰা আহি গা-ধুই চাহ খোৱাৰ পিছত মিষ্টাৰ গ্ৰুফিদে সকলোকে পাহাৰখনৰ এঠাইত নি গোট খুৱাইছিল, ৰাতি ৰাতি হোৱাৰ লগে ল’গে তেওঁলোকে গাওঁৰ মাজলৈ সোমাই গৈ বিচৰা আৰম্ভ কৰিব পাৰে। তেওঁ মানুহবোৰক কৈছিল যে

এতিয়া এনেকুৱা সময় এটা আহি পৰিছে যে তেওঁলোকৰ পৰিয়ালৰ তিৰোতা আৰু ছোৱালীবোৰ মান-সন্মানে থকাটো টান হৈ উঠিছে।

"অসভ্য জানোৱাৰ কেতবোৰ আপোনালোকৰ লগতে আছে, আপোনালোকৰ লগত একেলগে কান্ধত কান্ধ মিলাই কাম কৰিছে। সিহঁতে আপোনালোকৰ সন্তানৰ অনিষ্ট কৰিব আৰু তাৰবাবে একো শাস্তি নোপোৱাকৈ সাৰি যাব। সিহঁতে আপোনাৰ সমাজখন পাপেৰে কলুষিত কৰি তুলিব। মই এতিয়া আপোনালোকক কণমান ছোৱালীজনীৰ শৰীৰটো দেখুৱাম। বৰ্বৰ হাতেৰে তাইক কোনোবাই ফালি চিৰি পেলাইছে। এই কণমান ছোৱালীজনীয়ে মানুহৰ হাতত প্ৰাণ দিয়া নাই। তাই প্ৰাণ হেৰুৱাইছে কোনোবা জানোৱাৰৰ নখৰ আঁচোৰত। তেনেকুৱা বৰ্বৰবোৰ স্বয়ং চয়তানৰ পুত্ৰ। এনে কুলাঙ্গাৰবোৰক আপোনালোকে খেদি পঠিয়াব লাগিব। ঠিক যেনেকৈ যীশুৱে গাদাৰেণৰ গাহৰিবোৰক খেদিছিল, এই বিষয়ে কাৰোবাৰ আপত্তি আছে নেকি? আপোনালোক সকলোৱে মন ঠিক কৰি লৈছে নে?"

সকলোৱে একেলগে উত্তৰ দিছিল, "হয়।"

"তেন্তে আহক আমি পাপ কলুষতাৰপৰা নিজক মুক্ত কৰোঁ।"

ধৰ্মসঙ্গীত এটা জুৰি দি মিষ্টাৰ গ্ৰিফিনে আমাক গাওঁখনৰ পিনে আগুৱাই লৈ গৈছিল। ইমানবোৰ মানুহৰ জোতাই মাটিত গিৰিপ্ গিৰিপ্ শব্দ তুলিছিল।

আমি গাওঁখনৰ ভিতৰ সোমালো। ক'তো সাৰ-শব্দ নাই, ঘৰবোৰৰ দুৱাৰ বন্ধ, আলিবাটত এটা মানুহো দেখিবলৈ নাই।

প্ৰত্যেকটো পানশালা আৰু সমাজৰ প্ৰতি তলখাপৰ, মিশ্ৰিত তেজৰ ৰেলচ, আইৰিচ আৰু ইংৰাজ মানুহবোৰ বাসকৰা ঘৰ ভিনি শাৰীৰ চাৰিওপিনে আমাৰ মানুহবোৰে থিয় দি পহৰা দি আছিল, যাতে ভিতৰত থকা কোনো মানুহ ওলাই যাব নোৱাৰে। ইয়াৰ পিছত মিষ্টাৰ গ্ৰিফিনে লগত কুৰিজন মানুহ লৈ প্ৰথম পানশালাখনৰ ভিতৰ সোমাই মালিকক সাৱধান কৰি দিলে— তেওঁ যেন অন্ততঃ এসপ্তাহ মদ নেবেচে। সেই এ'কদৰে তেওঁ অইনবোৰ পানশালালৈকো গ'ল। পানশালাৰ মালিকবোৰ আচলতে ভাল মানুহ, কিন্তু কিবা এটা কৰি খাব লাগিবতো।

পানশালাবোৰ চাই অঁটাই মিষ্টাৰ গ্ৰিফিনৰ দলটো আহি পালে কয়লা

খনিত নিকৃষ্ট ধৰণৰ কাম কৰা বস্তুৰাবোৰৰ ঘৰৰ সন্মুখ। এই বস্তুৰাবোৰে এনে কামবোৰহে পাইছিল যিবোৰ কয়লা কটা মানুহে কৰিবলৈ কেতিয়াও ৰাজি নহয়। সিহঁতক সেই ঘৰবোৰত থাকি ল'ৰা-ছোৱালী জন্ম দিবলৈ খনিৰ গৰাকীসকলে একমাত্ৰ এই কাৰণেই দিছিল যে তাৰ ফলত তেওঁলোকে কম পইচাতে কাম কৰা মানুহ পাই থাকে। নামমাত্ৰ মজুৰি লৈ সিহঁতে খনিৰ আবৰ্জনাবোৰ কঢ়িয়ায়, আনকি মেথৰৰ কামো কৰে। সিহঁতে ল'ৰা-ছোৱালীক আঠ ন বছৰ বয়সতে খনিত কাম কৰিবলৈ লগায়, যাতে তাৰপৰা দুপইচা বেছি আয় হয়। সিহঁতৰ ঘৰবোৰ গাহৰিৰ গঁড়ালৰ দৰে লেতেৰা। মুঠতে সিহঁত আছিল অতি ঘৃণনীয় জীৱ।

গাহৰি গঁড়ালৰ নিচিনা সেই ঘৰ তিনি শাৰীৰ ওচৰলৈ গৈ মিষ্টাৰ গ্ৰুফিদে প্ৰথম ঘৰটোৰ দুৱাৰত টুকুৰিয়ালে। কোনেও উত্তৰ নিদিলে। মিষ্টাৰ গ্ৰুফিদে কিন্তু টুকুৰিয়াই থাকিল। বহুপৰৰ পিছত ঘৰটোৰ একমাত্ৰ খিৰিকীখন খোলা গ'ল আৰু সেই খিৰিকীৰে মূৰ এটাই ভুমুকি মাৰিলে।

"কোন ?" খুব ভয়ে ভয়ে তিৰোতা এগৰাকীয়ে সোধা শুনা গ'ল।

"আমি গাওঁৰক্ষী।" মিষ্টাৰ গ্ৰুফিদৰ গম্ভীৰ মাতটো ৰাতিৰ পাহাৰখনৰ ওপৰেদি বাগৰি গৈছিল। মানুহবোৰৰ হাতত থকা জোৰবোৰ লৰচৰ কৰি উঠিছিল।

"আমি নহয়, আমি নহয়। আমি একো কৰা নাই।" তিৰোতাজনীয়ে চিঞৰ-বাখৰ লগালে।

মিষ্টাৰ গ্ৰুফিদে ক'লে, "আপুনি দুৱাৰখন খুলি দিয়ক। নিৰ্দোষীৰ কোনো অনিষ্ট কৰা নহয়। দুৱাৰখন খুলি দিয়ক।"

খিৰিকীৰপৰা মূৰটো আঁতৰিল। অলপ পিছতে দুৱাৰখন খুলিলে। দেউতা আৰু বীচ হাবেলচক লগত লৈ মিষ্টাৰ গ্ৰুফিদ ঘৰটোৰ ভিতৰ সোমাল। অলেক পিছতে তেওঁলোকে তিনিজন মানুহক গতিয়াই গতিয়াই ঘৰটোৰ পৰা বাহিৰলৈ আনিলে।

ইঘৰৰ পৰা সিঘৰকৈ মিষ্টাৰ গ্ৰুফিদ প্ৰত্যেক ঘৰলৈ গ'ল। এতিয়া বিশেষ অসুবিধাও নহ'ল। তেওঁ গৈ দুৱাৰত টুকুৰিওৱাৰ আগতেই মানুহে ঘৰৰ দুৱাৰবোৰ খুলি দিলে। ঘৰবোৰৰ ভিতৰত থকা আটাইবোৰ মুনিহকে

বাহিৰলৈ অনা হ'ল। তিৰোতাবোৰ ল'ৰা-ছোৱালীবোৰৰ লৈতে ঘৰতে থাকিল।

এইবোৰ কৰি অঁটাই মিষ্টাৰ গ্ৰ্ফিয়ে তাণ্ডৱ পিল এটাৰ ওপৰত থিয় দিলে।

আমিও আটায়ে তেওঁৰ চাৰিও পিনে থিয় দি ৰ'লো।

তেওঁ ক'লে, "বাক এতিয়া এজন এজনকৈ মানুহবোৰ অনা হওঁক। সিহঁতক জেৰা কৰিব লাগিব।"

প্ৰত্যেককে একে প্ৰশ্নকে কৰা হ'ল— নাম, কাম, বৰ্মহা আৰু সেইদিনা কোন ভাগত খনিত কাম কৰিছিল। দিনৰ ভাগত কাম কৰিলে সেইদিনা সকছোৱালীজনীক পাহাৰৰ ওপৰত লগ পোৱাৰ প্ৰশ্ন নুঠে। ৰাতিৰ ভাগত কাম কৰাবোৰ আৰু কাম নকৰি ঘৰতে বহি থকাবোৰকহে সন্দেহ কৰিব পাৰি। এজন এজনকৈ সিহঁত আহিল আৰু পাৰ হৈ গ'ল—কেতবোৰ আইৰিছ, কেতবোৰ স্কটচ, কেতবোৰ ইংৰাজ আৰু মিশ্ৰিত বেলচ।

এজনে এজনকৈ পাৰ হৈ গৈ আহিল ইভ্ৰিচ এটকিন্সন।

"ৰাতি নে দিনৰ ভাগত?" মিষ্টাৰ গ্ৰ্ফিয়ে সুধিলে।

মূৰটো অকণো নুঘূৰোৱাকৈ ইপিনে সিপিনে পিৰিক-পাৰাকৈ চাই সি উত্তৰ দিলে "দিনত"।

"কোনটো গাঁতত?" মিষ্টাৰ গ্ৰ্ফিয়ে প্ৰশ্ন কৰিলে।

"আপোনাৰ কি দৰ্কাৰ?"

"কোনটো গাঁতত?" সেই ধৰণে মিষ্টাৰ গ্ৰ্ফিয়ে সুধিলে। তেওঁৰ মাতটো আছিল গহীন। সেই মাতত থং ভাব কিছু অকণো নাছিল।

অলপপৰ বৈ থাকি সি চিঞৰি উত্তৰ দিছিল, "তিনি নম্বৰত"।

"তিনি নম্বৰ যেখোন আজি বন্ধ আছিল," বীচ হাৱালচে তেনেতে কৈ উঠিল।

চাৰিওপিনে নিস্তব্ধতা—যাখোন জোৰবোৰ পুৰি ফট্ ফট্ কৰাৰ আৰু এজাক মানুহে উশাহ বন্ধ কৰি বৈ থকাৰ সৰু মৃদু শব্দ।

পাৰওটোৰ মুখখন যেন খাই গ'ল। সি ইপিনে সিপিনে চাবলৈ ধৰিলে। তাৰ আৰু চকু বগা পৰি উঠিল; মুখৰ মাত হেৰাই গ'ল।

"ইয়াৰ ঘৰলৈ গৈ তিৰোতাবোৰ ইয়ালৈ লৈ আহাগৈ। ইয়াৰ কাপোৰবোৰ ভালকৈ পৰীক্ষা কৰি চাবা," মিষ্টাৰ গ্ৰ্ফিয়ে ক'লে।

পাৰগুটোৱে কাতৰভাৱে ক'লে, "মৰত একো নাই। মই এই কাম কেতিয়াও কৰা নাই।"

কিন্তু তাৰ আগতেই আমাৰ কেইজনমান তাৰ ঘৰৰ পিনে লৰ ধৰিছিল।

আৰু চাৰিওপিনে নিস্তব্ধতা। আঁঠুকাঢ়ি বহি কান্দি থকা পাৰগুটোৰ প্ৰতি কোনেও চকু নিদিলে। হঠাতে তাৰ ঘৰৰ ফালৰপৰা চিঞৰ-বাখৰ শুনা গ'ল। মানুহ কেইজন লৰি আমাৰ ওচৰ পালেহি। আটাই কেইজনেই কিবা ক'বলৈ ধৰিলে আৰু ভাগৰ আঁতৰাবলৈ দীঘলকৈ উশাহ ল'ব ধৰিলে।

ইভান টমাচ আৰু চায়ন প্ৰচাৰৰ হাতত আছিল এযোপা কাপোৰ।

মিষ্টাৰ গ্ৰুফিদৰ সন্মুখত, শিলচটাৰ ওপৰত, ইহঁতে কামিজ এটা মেলি ধৰিলে—কামিজটোত শুকাই গোট মাৰি যোৱা তেজ এগাল লাগি আছিল। অইনবোৰ কাপোৰতো—কোটত, চেষ্ট-কোটত তেজ লাগি আছিল। টুপীটোত লাগি থকা তেজখিনি তেতিয়াও গোট মাৰি উঠা নাছিল।

"আজি ক'ৰবাত দুখ পাইছিলা নেকি?" মিষ্টাৰ গ্ৰুফিদে তাক সুধিলে।

ভয়তে কঁপি কঁপি পাৰগুটোৱে উত্তৰ দিলে, "নাই। ঘোঁৰা এটাই দুখ পাইছিল, তাৰে তেজ।"

"ক'ত? আজি বা কালি কোনো ঘোঁৰাই দেখোন দুখ পোৱা নাই।" পাছপিনৰপৰা লেৰিলিন জ'নে কৈ উঠিল। জ'ন খনিৰ ঘোঁৰাবোৰৰ ৰখীয়া।

"মই বহুদিন আগৰ কথা কৈছোঁ, পাৰগুটোৱে ক'লে। ভয়ত তাৰ মাতটো ভিৰোতাৰ দৰে হৈ পৰিছিল।

মিষ্টাৰ গ্ৰুফিদে ক'লে, "কিন্তু তেজখিনি দেখোন অলপ সময় মাথোন আগৰ? এতিয়াও ইয়াৰ গোন্ধ যোৱাগৈ নাই। তাৰোপৰি, তুমি আজিও এই কাপোৰবোৰ পিন্ধিছিলা। বাৰু, এতিয়া কোট আৰু কামিজটো খুলি তোমাৰ বুকুখন দেখুৱাচোন।"

পাৰগুটোৱে চিঞৰি উঠিল, "ওহো, নেদেখুৱাওঁ।"

বীচ হাৰ্বেলছ আৰু টম দেভিচ তাৰ ওচৰলৈ গৈ তাৰ গাৰপৰা কোটটো আজুৰি খুলি আনিলে। সি চিঞৰি থকা পৰতে তেওঁলোকে তাৰ কামিজটোও কাঢ়ি পেলালে।

তাৰ গোটেই বুকুখনতে আছিল আঁচোৰৰ চিন। তাৰ পেটটো খুলি

পেলোৱাত দেখা গ'ল তাৰ গাত তেতিয়াও তেজ লাগি আছে। এই আটাইখিনি পৰ পাৰগুটোৱে চিঞৰি থাকিল।

"ছোৱালীজনীৰ দেউতাক ক'ত?" পাৰগুটোৰ পিনে চাই থাকি মিষ্টাৰ গ্ৰুফিদে সুধিলে।

"ইয়াত আছো।" এইবুলি কৈ তিনিজন পুৰুষৰ সৈতে কিন্‌লেচ প্ৰিটচাৰ্ড আগুৱাই আহিল।

মিষ্টাৰ গ্ৰুফিদে ক'লে, "তোমাৰ জীয়েৰাই তোমালোকক এৰি গুচি গৈছে। তাইক ডাঙৰ দীঘল হোৱা দেখা বা তাইৰ ল'ৰা-ছোৱালীক নাতি-পুতি ৰূপে পোৱাৰ সলনি কাইলৈ তুমি তাইৰ মৃতদেহৰ পাছে পাছে যাব লাগিব। ইয়াৰ একমাত্ৰ কাৰণ হ'ল এয়ে যে তাই পাহাৰখনত ঘূৰি ফুৰোঁতে জানোৱাৰ এটাই নখেৰে ফালি-চিৰি পেলালে। এই কাণ্ডৰ বাবে তোমাৰ ছোৱালীক কোনোমতে দোষ দিব নোৱাৰি—তাইৰ সেইখিনিৰ বাবে যথেষ্ট বয়স হোৱা নাছিল। অকল সেয়ে নহয়, আপোনালোকৰ বাবে তাই এই জানোৱাৰটোৰ গাত চিন দি থৈ গৈছে।"

কাৰো মাতবোল নাই। কিনলেচ প্ৰিটচাৰ্ডে চকু দুটা জোৰকৈ মুদি ৰাখি কান্দোন সামৰিবলৈ চেষ্টা কৰিলে।

মিষ্টাৰ গ্ৰুফিদে কৈ গ'ল— "এই ছোৱালীজনীৰ হত্যাকাৰীক পুলিচক গতাই দিয়াৰ মানে হ'ল তাক কেইদিনমান বেছিকৈ জীয়াই থাকিবৰ সুযোগ দিয়া। ফাঁচী নোহোৱালৈকে তাক খুৱাই-বুৱাই ৰখা হ'ব। তাৰ বহুদিন আগতেই কিন্তু তোমাৰ জীয়েৰা শুকান ফুলৰ মালাবোৰৰ তলত পৰি থাকিব। তাৰোপৰি ফাঁচীৰ জৰীয়ে আৰামপ্ৰদ মৃত্যু দিয়ে— মুহূৰ্তৰ ভিতৰতে তেজহীন, যন্ত্ৰণাহীন মৃত্যু। ফাঁচীৰ জৰীয়ে দেহ আৰু আত্মাৰ ওপৰত বিশেষ কোনো অত্যাচাৰ নকৰে। তেতিয়া হ'লে সাত বছৰীয়া ছোৱালী এজনীক কলুষিত কৰি হত্যা কৰা বাবে হত্যাকাৰীক ফাঁচী দিলে উচিত বিচাৰ কৰা হ'ব জানো?"

জনতাই উত্তৰ দিছিল, "নহয়।"

মিষ্টাৰ গ্ৰুফিদে সুধিছিল, "তেন্তে আমি ইয়াক পুৰি মাৰিম নেকি? কিন্তু সেইটো কৰিলে সন্মানজনক মৃত্যু হ'ব, কাৰণ, আমাৰ ধৰ্মৰ শহীদবোৰৰ মৃত্যু হৈছিল জুইত পুৰি। আমি কি কৰা উচিত হ'ব বাৰু?"

কিনলেচ প্ৰিটচাৰ্ডে ভেকুৱা কৈছিল, "তাক মোৰ হাতত গতাই দিয়ক।"

"আপোনালোক সকলোৱে এই কথাত সন্মত আছেনে?" মিষ্টাৰ গ্ৰুফিদে চিঞৰি আটাইকেইটা মানুহক সুধিছিল।

"আছোঁ।"

'লওক, ইয়াক আপোনাৰ হাতত দিলোঁ। ইয়াক আপুনি আজি যি কৰে ইয়াৰ পিছত কেতিয়াবা কোনোবা একে অপৰাধতে দোষী ওলালে আমি ঠিক একে শাস্তিকে দিম। এটা কথা মনত ৰাখিব—ইয়াক আপুনি যিমান দূৰৈকে গৈ থাকি নোপোৱাক লাগে, ই পবিত্ৰ মাটিক কলুষিত কৰি তুলিব। ইয়াৰ নিচিনা পাপীবোৰৰে এই মাটিক অপবিত্ৰ নকৰিব।"

এজন পুতেকে জোৰ এডাল ল'লে আৰু বাকী দুজনে পাপীটোক টানি নিয়াত দেউতাকক সহায় কৰিলে। কোনেও একো নক'লেও আমি সকলোৱে ভালকৈ জানিছিলোঁ যে তেওঁলোকে তাক ছোৱালীজনীক যিডোখৰ ঠাইত পোতা গৈছিল সেই ঠাইলৈকে লৈ যাব। তাতে সি যন্ত্ৰণা ভুগিব লাগিব।

আমি থিয় দি ৰলোঁ। তেওঁলোক পাহাৰ বগাই উঠি গ'ল আৰু তেওঁলোকে লগত নিয়া জোৰডাল ক্ৰমান্বয়ে নেদেখা হৈ আহিল। পাহাৰৰ ভাঁজ এটাত তেওঁলোক আমাৰ চকুৰ আঁৰ হৈ পৰিল।

মিষ্টাৰ গ্ৰুফিদে তেনেতে ক'লে, "আহক, আমি প্ৰাৰ্থনা কৰোঁ। হে প্ৰভু। আমি দুৰ্বল মানুহ। যদি আজি আমি কিবা ভুল কৰিছোঁ সেই ভুল আমি মানি লৈছোঁ। এইবাৰে আপোনাৰ বিৰাগভাজন হ'বলৈকো মই সাজু আছোঁ। দোষীয়ে উচিত শাস্তি পাব লাগে। যীশুৰ পবিত্ৰ নামত—আমেন।"

"আমেন।" সকলোৱে একেসংগে ক'লে। মিষ্টাৰ গ্ৰুফিদ শিলটোৰপৰা নামি আহিল আৰু সকলোৱে ঘৰৰ পিনে খোজ ল'লে। কোনেও এষাৰ কথা কোৱা নাছিল। সকলোৱে মাথোন পাহাৰৰ ওপৰত জোৰডালৰ পোহৰ পুনৰ দেখিবলৈ বাট চাই আছিল।

জোৰডালৰ পোহৰকণ আকৌ দেখা গ'ল। মানুহজাকৰ মাজত এটা অস্ফুট গুণগুণনি উঠিল। যি ঠাইত ছোৱালীজনীক পোতা গৈছিল সেই ঠাইত পোহৰকণ থমকি ৰ'ল।

অলপ পিছতে পোহৰকণ নুমাই গ'ল। পাহাৰখনত থাকিল মাথোন এন্ধাৰ। ঘৰমুৱা হৈ কিছুদূৰ গৈ থকাৰ পিছতে দেখিছিলোঁ দূৰৈত একুৰা বিৰাট

হুই। দুইকুৰাৰ ওচৰে-পাজৰে মানুহ কেইজনমান অৱস্থান কৰি থকা যেন মই অনুভৱ কৰিছিলোঁ। তেতিয়া মোৰ মাৰ্জেকনেকো মনত পৰিছিল। সেই ৰাতি মই ভয়ে ভয়ে বিচনাত পৰিছিলোগৈ।

এই ঘটনাৰ পিছদিনা লোহাৰ টুপী পিন্ধা পুলিচ এজন আমাৰ উপত্যকা আহি ওলাইছিল। কিন্তু কোনেও পুলিচজনে জানিব খোজা কথা ক'ব নোৱাৰিলে। তেওঁৰ প্ৰশ্নৰ উত্তৰ দিবলৈ ইচ্ছা কৰা মানুহ তেওঁ এজনো নেপালে। গতিকে পুলিচজন সোনকালে উভতি গ'লগৈ।

......ছোৱালীজনীক কবৰ দিয়া হৈ গ'ল। কবৰখানাৰপৰা আহি ঘৰ সোমাই দেখিছিলো দেভিয়ে সন্মুখৰ কোঠাটোত তাৰ ইউনিয়নৰ কাম কৰি আছে। তাৰ লগত আছিল ব্লিন আৰু আংগাহ্লাদ। ব্লিনে দেভিয়ে লিখা চিঠিবোৰ ভাঁজ কৰি দিছিল আৰু আংগাহ্লাদে চিঠিৰ খামবোৰত এঠা লগাইছিল। সেই একেটা কোঠাতে আয়াণ্টোই সভা এখনৰ বিষয়ে বিৰাট এখন 'চাইনবৰ্ড' আঁকি আছিল।

দেভিহঁতৰ ইউনিয়নটো গঢ়ি উঠিছে। দেভি আৰু আয়াণ্টোই ইয়াৰ বাবে ৰাকৈকৈয়ে খাটে। এলিচৰ ডাকগাড়ীখনে ৰাতিপুৱা আৰু গধুলি সিহঁতৰ বাবে এসোপা চিঠি-পত্ৰ কঢ়িয়াই আনে। ইমান কাম থকা সত্ত্বেও মোক কিন্তু সিহঁতে পঢ়াবলৈ অকণো বেয়া নাপাইছিল। ইয়াৰ প্ৰতিদান স্বৰূপে মই সিহঁতৰ ইউনিয়ন সম্পৰ্কীয় চিঠি-পত্ৰ লিখি দিছিলো।

মোক দেখি আয়াণ্টোই ক'লে, "হিউ, যাচোন গুদাম ঘৰৰপৰা হাতুৰিটো আৰু গজাল কেইটামান লৈ আহ। এন্ধাৰ হৈ অহাৰ আগতে আমি এইখন আঁৰি দিব লাগিব।"

আয়াণ্টোই চাইনবৰ্ডখন ল'লে আৰু মই ললো হাতুৰি-গজালৰ বাকচটো। গাওঁখনৰ মাজেৰে গৈ থ্ৰি বেলচ্ নামৰ পানশালাখনৰ ওচৰত থকা মৰা গছ এডালৰ গুৰিত আমি চাইনবৰ্ডখন আঁৰি দিলো। ইয়াত লিখা আছিল যে নিজৰ আৰু পৰিয়ালৰ শুভাকাংক্ষী সকলো মানুহ পিছদিনাখন গধুলি পাহাৰত হ'বলগীয়া সভা এখনলৈ আহিব লাগে। সেই সভাতে ক্ৰমান্বয়ে কমি আহি থকা সাপ্তাহিক মজুৰীৰ বিষয়ে স্থিৰ সিদ্ধান্ত গ্ৰহণ কৰা হ'ব আৰু সেই সিদ্ধান্তৰ বিষয়ে খনি-কৰ্তৃপক্ষক জনাবলৈ সেই সভাতে এটি কমিটি গঠন কৰা হ'ব।

আমি আনন্দীখন খাঁহকি উঠো মানে আমাৰ চাৰিওফালে তালে কেইজনমান মানুহ গোট খালে। তালে পঢ়িব পৰা কেইজনে নিৰক্ষৰ কেইজনক আনন্দীখন পঢ়ি শুনালে। কবৰখানাৰপৰা পলমকৈ উভতিব ধৰা কেইজনমানো সেইখিনি ঠাইত ৰ'লহি। আইজাক ৱিন নামৰ মুখিয়াল এজনে আনন্দীখন পঢ়ি জিভাৰে চুক চুক শব্দ কৰি উঠিল।

“বোলো, তোমালোক মৰ্গানৰ ল'ৰাহঁতে কেতিয়াকৈ বাৰু এইবোৰ কৰিব এৰি নিজৰ কামত মন দিবা?” কৰ্কশভাৱেই তেওঁ আয়াংটোক প্ৰশ্ন কৰিছিল। “তোমালোকেই মানুহবোৰক ইচ্ছামতে এবাৰ ইফালে এবাৰ সিফালে ঘূৰাই লৈ ফুৰিছা। আমাক বক্তৃতা শুনাবৰ তোমালোক কোন? পাহাৰে-পৰ্বতে মেল পাতি ফুৰি তোমালোক গীৰ্জাঘৰলৈহে ঘনাই আহিলে আমি বেছি ভাল পাম। বাৰু তেনে কৰিলে বহুতো মানুহে তোমালোকক এতিয়াতকৈ বেছি সন্মান কৰিব।”

আয়াংটোই উত্তৰ দিছিল, “দৰ্মহা বেছিকৈ পাব পাৰিলে এতিয়াতকৈ কম সন্মান হ'লেও মোৰ চলি যাব। ল'ৰা-ছোৱালীৰ পেট ভৰে দৰ্মহাৰ পৰাহে, সন্মানৰ দ্বাৰা নহয়। আমাৰ নিজৰ কাম কৰাৰ কথা কৈছে? আমি যেতিয়াই যি ইচ্ছা যায় তাকে কৰিম। কিবা অন্যায় দেখিলে, আপুনি যিমান পৰ মোৰ কথা শুনিব সিমানপৰ মই তাৰ বিৰুদ্ধে কৈ থাকিমেই। সেইটো কৰাৰ সম্পূৰ্ণ অধিকাৰ মোৰ আছে। আপুনি যদি ভাবে মই ভুল কৈছোঁ তেন্তে থিয় দি মোৰ বিৰুদ্ধে আপুনি কৰুক। সেইটোত আপোনাৰ পূৰা অধিকাৰ আছে। আপোনাৰ সেইখিনি অধিকাৰত মই কেতিয়াও সন্দেহ নকৰোঁ। গীৰ্জাঘৰলৈ যোৱাৰ কথা কৈছে? গীৰ্জা অৱশ্যে খুব ভাল ঠাই। পাছে গীৰ্জাঘৰ মই ভাল নেপাওঁ, কাৰণ তাত আপোনাৰ নিচিনা মানুহ ভৰি থাকে। সেইবাবেই মই মেল-মিটিং বেছি ভাল পাওঁ। বাৰু, এতিয়া আহোঁ।”

“ইয়াৰ প্ৰতিফল নোপোৱাকৈ নাথাক,” আইজাক ৱিনে পাছফালৰপৰা আমালৈ চিঞৰি কৈছিল।

আয়াংটোই উত্তৰ দিছিল, “ঠিক আছে দৰ্মহা বেছি পাওঁ যদি প্ৰতিফল পালেও মোৰ আপত্তি নাই।”

“লণ্ডনত আছিলি, তালৈকে উভতি নাযাবি কিয়? লণ্ডনলৈ গৈ এইবোৰ শিকা গৈ।” আইজাক ৰঙে আকৌ চিঞৰি চিঞৰি কৈছিল।

আয়াজৌয়েও চিএৰি উত্তৰ দিছিল, “লোকে অৰ্জা পইচা অন্যায় ভাবে জমিদাৰৰ জেপলৈ, ইহুদীৰ জেপলৈ বা বেশ্যাৰ জেপলৈ যোৱা আপুনি একো নকৰাকৈ চাই থাকিব পাৰে যদি থাকক। মই হ'লে এনেয়ে চাই থাকিব নোৱাৰোঁ। এইবোৰৰ বিৰুদ্ধে ক'বলৈকে মই ইয়াত আছোঁ, আৰু থাকিম।”

আমি পুনৰ ঘৰলৈ খোজ ললো। বাটত মই আয়াজৌক সুধিছিলো “বেশ্যাবোৰৰ ভালৈ পইচা কেনেকৈ যায় বাৰু?”

“তোৰ আগত এই শব্দটো কোৱাৰ বাবে মই এতিয়া নিজেই লাজ পাইছোঁ। সেই বুঢ়াটোৰ ওপৰত মোৰ ইমান খং উঠিছিল যে তই লগত থকাৰ কথা মোৰ মনত নপৰিল। এইবোৰ জানিবৰ তোৰ বয়স হোৱা নাই। সময় হ'লে নিজেই জানিব পাৰিবি।”

আমি ঘৰমুৱা হৈ গৈ থাকিলো। কিবা এটা জানিব খুজিলে আৰু লোকে নজনালে অদ্ভুত ভাব এটাই মানুহক খুলি খুলি খায়। সেই ভাবটোৱে এতিয়া মোৰ অন্তৰ আৱৰি ধৰিলে।

ঘৰ পাই দেখিছিলো পাছ ফালৰ চোতালত দেউতায়ে দুজন মানুহৰ স'তে কথা পাতি আছে। এই মানুহ দুজনৰ স'তে সহজে কোনেও কথা নেপাতে। এওঁলোকক আমাৰ ঘৰত দেখি মই আচৰিত হৈছিলো। এওঁলোক দুয়োজনেই—দাই বাওো আৰু কুহ্‌ভাবথা লিৰিচ—বক্সিং খেলোৱাৰ। তেওঁলোক বলী, কিন্তু বেছ ভদ্ৰ মানুহ।

“এইপিনে আহচোন হিউ,” এইবুলি দেউতায়ে তাৰ হাত এখনেৰে মোক সাৱটি ধৰিছিল। “হিউক চিনি পোৱাই, নহয় জানো দাই?”

মিচিকিয়াই হাঁহি দাইয়ে কৈছিল, “পাওঁতো।” দাই মোতকৈ বৰ বেছি ওখ নাছিল, কিন্তু বহলে মোৰ নিচিনা ছজনৰ সমান। মুখখন মাৰথাই ফাটি যোৱা চিনেৰে ভৰা— সেই দাগবোৰ কয়লাৰ গুৰি পৰি পৰি নীল বৰণীয়া হৈ উঠিছে। চকুৰ ওচৰে-পাজৰে ঘোচা খোৱাৰ ফলত চকু দুটা প্ৰায় বন্ধ হৈ যোৱাৰ উপক্ৰম হৈছে। তথাপিও ফুলি চৰাইৰ চকুৰ দৰে উজ্জ্বল দাইৰ চকুহাল স্পষ্ট দেখা যায়। মানুহে কয় যে দাইয়ে হেনো এক্সেলাৰণ্ডকৈও বেছি বক্সিং খেলিছে। কোনোবা ভাণ্ডৰ মানুহ একনে হেনো দাইক অৰ্দ্ধৰ্ণ্ড লৈ নি তাৰ ছাত্ৰবোৰক বক্সিং খেল শিকাবলৈ খুজিছিল। পাছে দাইয়ে হেনো

লণ্ডনত মদ খাই মাতাল হৈ পৰি দুজনমান পুলিচক হাচপাতাললৈ পঠিয়ালে। ইয়াৰ বাবে হেনো দাইৰ জেলো হৈছিল। এইবোৰ কাৰণতে মানুহে দাইৰ স'তে কথা-বতৰা হবলৈ বৰ আগ্ৰহ নকৰিছিল।

কুহ্‌তাৱথা লিৰিছ বয়সত দাইতকৈ সৰু, কিন্তু বেছি ওখ ডাঙৰ। বিশাল চকু আৰু বিৰাট কান্ধৰ এই মানুহজনক খনিৰ সকলোৱে চেম্পিয়ন বুলি ভালকৈ জানিছিল। গীৰ্জালৈ যাবলৈ এৰি প্ৰত্যেক শনিবাৰে ৰাতি তেওঁ আৰু দাই যায়গৈ বাক্সিং খেলিবলৈ ওচৰৰ চহৰখনলৈ। সেই যে যায়—ফিৰি আহে সোমবাৰে ৰাতিপুৱা খনিৰ কাম আৰম্ভ হোৱাৰ আগে আগেহে। এই কথা সকলোৱে ভালকৈ জানিছিল যে দেওবাৰে এই দুজনে অইন যিয়েই নকৰক, গীৰ্জালৈ অন্ততঃ যোৱা নাছিল।

“চাওঁ, কাপোৰবোৰ খোল,” দাইয়ে মোক কৈছিল।

মই কঁকাললৈকে কাপোৰ খুলি পেলালো। মায়ে কুকুৰা এটা বধাৰ আগতে চিকুটি চিকুটি চোৱাৰ নিচিনাকৈ দাইয়েও মোৰ গাটোৰ ই'ত ত'ত চিকুটি চালে।

“কান্ধত, পিঠিত আৰু হাতত অলপ বেছি মাংস থাকিব লাগিছিল,” দাইয়ে মোক পৰীক্ষা কৰি কৈছিল। “তাৰোপৰি তোৰ দুখন এতিয়া যেনেকুৱা তাৰ দুগুণ হলেহে কাম চলিব, নহয় জানো কুহ্‌তাৱথা? চাওঁ, মোক ঘুচিয়াচোন। এইয়া ইয়াত মাৰ।”

খুঁতৰিটো আগবঢ়াই দি তেওঁ মোক আঙুলি এটাৰে ঠাইখিনি দেখুৱাই দিছিল।

“মাৰ না, যিমান জোৰে পাৰ মাৰ।”

এইবাৰ কুহ্‌তাৱথাই মিচিকিয়াই হাঁহি মাত দিছিল, “মাৰ। তাক মাৰি বগৰাই দিব পাৰিলে মই তোক পুৰা সোণৰ মোহৰ এটা দিম।”

মই ঘোচা চলালো। কিন্তু তাৰ আগতেই দাইৰ মূৰটো সাউত্‌ কৰে মোৰ ঘোচাৰ দুৰত্বৰপৰা আঁতৰি গৈছে।

ইয়াৰ পিছত দাইয়ে কৈছিল, “হব, কাম চলি যাব। ল'ৰাটোৱে পিছে তাৰ কান্ধ দুখন ব্যৱহাৰ ভালদৰেই কৰে। তাৰ থিয় দিয়াৰ ধৰণটোও ভাল, নহয় জানো কুহ্‌তাৱথা?”

“ও ইয়াতকৈ দুৰ্বল ল'ৰাইও পিচে বক্সিং খেলা মই দেখিছো।

ইয়াৰ আচল অসুবিধা হ'ব ভৰি দুখন লৈ। ভাল এটা ধাৰ থাকলেই পৰি যাব।"

জেনেন্তে দেভিয়ে কৈছিল, "তোমা ভাই, স'কাটোৰ ভৰি দুখন দুৰ্বল হয়েই যি ভাল স্কুল এখনত পঢ়িব নোৱাৰিবিলে। এতিয়া আমি বিচাৰো যে তোমালোকে তাক শিক্ষা দিয়া, যাতে প্ৰয়োজন হ'লে সি এতিয়া যিখন স্কুলত আছে তাত নিৰাপদে থাকিব পাৰে। তাৰ ভৰিৰ কথা এৰা, শিকাব পাৰিবা নে নোৱাৰা তাকে কোৱা।"

ভাইয়ে উত্তৰ দিছিল, "পাৰিম। সেইদিনা ৰাতি মাক আৰু ই পানীত পৰোঁতে মযো পাহাৰত আছিলো। উস প্ৰভু! কি ভয়ানক আছিল সেই ৰাতিটো, নহয় জানো কুহ্‌ভাৰথা?"

"সেই ৰাতিৰ কথা আৰু নক'বি। বৰফত মোৰ হাত দুখন অৱশ হৈ গৈছিল। তাৰে চিকিৎসা কৰোঁতে মোৰ নগদ কুৰি পাউণ্ড খৰচ হৈছিল।"

"ৰাতিপুৱা কেই বজাত শিকাবা কোৱা?" ইহঁত দুজনৰ কথা-বতৰাত অলপ অধৈৰ্য হৈ দেভিয়ে সুধিছিল।

"চাৰে চাৰি বজাত ইয়াত শিকাম, পাঁচ বজাত পাহাৰৰ ওপৰত। তাত এঘণ্টা শিকাম— ছয় বজালৈ। তাৰপৰা তললৈ নামি আহি আৰু আধাঘণ্টা— চাৰে ছয় বজালৈ। সাত বজাত ৰাতিপুৱাৰ আহাৰ খাবগৈ পাৰিব। হ'বনে কুহ্‌ভাৰথা?"

"হ'ব। ৰাতিপুৱা শিকিবলৈ অহাৰ আগতে পানীৰ বাহিৰে যেন একো খাই নাহে," কুহ্‌ভাৰথাই কৈছিল।

দেভিয়ে সন্তুষ্টিৰে কৈছিল, "বঢ়িয়া। তই একেবাৰে চেম্পিয়নৰ দৰে শিকা পাবি ছিউ। বাৰু, এতিয়া যা, পঢ়গৈ।"

গতিকে মই ভাই বাগো আৰু কুহ্‌ভাৰথা লিৱিছবপৰা গলোগৈ পেবিক্লিচ আৰু জন টুৱাৰ্ট মিলনে।

পিছদিনা ৰাতিপুৱা দেভি আহি মোক জগাই দিছিল ৰাতিপুৱা চাৰে চাৰি বজাৰ মোৰ আকাৰত, জাৰত ইপাৰি আৰু সিপাৰি দাঁতত ঠক্‌ ঠক্‌ শব্দ তুলি মই ঘৰৰ বাহিৰ ওলাইছিলো। মুখখনো আনকি ধোৱা নাছিলো, কাৰণ তাকে কৰিবলৈ কুঁৱাৰপৰা পানী তুলিবলৈ গ'লে বাল্টিটোৰে যি শব্দ কৰিব সেই শব্দত হয়তো গোটেইখন পাহাৰৰ মানুহ সাৰ পাই উঠিব। ঘৰৰ

বাহিৰলৈ ওলায়েই পাইছিলো ধৰফৰ দমে চেঁচা বতাহজাক। সেই বতাহজাকে চকুলৈ আনি দিছিল চকুপানী। নাকটো টনটনাই উঠিছিল। সিপিনৰ ফালৰ পাৰীবোৰৰ ক'ৰবাৰপৰা ওলাই আহিছিল দাই আৰু কুহ্‌ভাবথা। এন্ধাৰত ভয়োজনক ক'লা ছাঁ দুটা যেন দেখা গৈছিল।

"কোন? হিউমৰ্গান নেকি?" দাই দূৰৈৰপৰা চিঞৰি সুধিলে যদিও বতাহৰ কোবত তেওঁৰ মাতটো অতি ক্ষীণ আৱেহে শুনা গ'ল।

ময়ো চিঞৰি উত্তৰ দিলো, "হয়।"

"ব'ল এতিয়া? আমাৰ লগত আহ।"

আমি পাহাৰ বগাই ওপৰলৈ উঠি গ'লো। অলপ পিছতে মই গম পালো যে দাই আৰু কুহ্‌ভাবথা অকলে অহা নাই। সিহঁতৰ পাছে পাছে আৰু দহ বাৰজন মান মানুহ আহি আছে। ইমান খৰকৈ মই আগতে কেতিয়াও পাহাৰ বগোৱা নাছিলো। কিন্তু কেতিয়াবা স্কুললৈ যোৱাত পলম হলে লৰিৰলগীয়া হোৱাৰ অভ্যাস থকাৰ বাবে দাইৰ প্ৰায় সমানে সমানে মই পাহাৰৰ টিং পালোগৈ।

"কামিজটো খোল।" এই বুলি কৈয়েই দায়ে নিজৰ কামিজটো খুলি পেলালে। ময়ো খুলিবলৈ বাধ্য হলো। বতাহজাক ইমান কোবত বৈছিল যে মোৰ ভয় হ'ল, মই হয়তো জাৰত ঠৰঙা লাগি মৰি যাম। তেতিয়াও এন্ধাৰ হৈ আছিল। মাথোন দূৰৈত সিথন উপত্যকাৰ ওপৰত ৰাতিপুৱাৰ ক্ষীণ পোহৰ দেখা গৈছিল।

ৰাতিপুৱাৰ সেই এন্ধাৰত দাই বাগ্রো ভয়লগা হৈ উঠিছিল। সেইদিনা দাইবাগ্রোক দেখাৰ দৃশ্যটো মই কেতিয়াও নেপাহৰোঁ।

কুহ্‌ভাবথাও দাইতকৈ বৰ কম নাছিল। লগত অহা অইন মানুহবোৰ আৰু ল'ৰাবোৰো বেছ শকত-আৱত। অকল মইহে আছিলো হাড় আৰু ছালৰ এটা কঙ্কাল।

প্ৰথমে আৰম্ভ হ'ল ব্যায়াম। বহু সময় ব্যায়াম কৰাৰ পিছত দাইয়ে আদেশ দিলে, "এতিয়া দুজন দুজনে ভাগ হৈ খেল আৰম্ভ কৰা। এজনে মাৰিবা, আনজনে নিজক বচাবা। হিউ মৰ্গান, ইয়ালৈ আহ।"

মই দাইৰ কাষলৈ গলো। তেওঁ মোক দেখুৱালে কেনেকৈ ঘুচিয়াব লাগে। অলপ পিছতে দাইয়ে মোক তেওঁৰ পেটৰ মাংসপেশীবোৰত ঘুচিয়াবলৈ ক'লে।

যাতে তাৰ ফলত মোৰ পিঠিৰ মাংসত যুচিওৱাৰ শক্তি বাঢ়ে। এইটো ইমান সময় একেবাহে চলিল যে ভাগৰত মই বাগৰি পৰিম যেন লাগিল।

খিচিকিয়াই হাঁহি দাইয়ে ক'লে, "যাক হব এতিয়া। তোৰ বল আছে দেখিছোঁ। আজিৰপৰা দৌৰি দৌৰি স্কুললৈ যাবি। দৌৰি যাবি, খোজ কাঢ়ি নহয়, বুজিছ? তোৰ ভৰি দুখনত আৰু মাংস লাগিব। ভৰি দুখন ঠিক হলেই তোৰ হৈ যাব। অইন একো তোক নালাগে। অইন যি লাগে মই দিম।"

"ধন্যবাদ দাই," তেওঁৰ কথাত মই ইমান ভাল পাইছিলো যে মই হয়তো আনন্দতে একে জাপে উপত্যকাখন পাৰ হৈ যাব পাৰিলোহেঁতেন। "মাৰপিট কেতিয়াকৈ কৰিব পাৰিম বাৰু?" —ব মই সুধিছিলো।

দাইয়ে উত্তৰ লিছিল, "আজিয়েই কৰ। সদায় মাৰপিট কৰিবি। মাৰপিট কৰিলেহে বুজিব পাৰিবি কি শিকিবলৈ তোৰ বাকী আছে, সেইখিনি বুজিলে মোক আহি ক'বি। মই শিকাই দিম।"

"ঠিক আছে। মই আজিয়েই আৰম্ভ কৰিম।"

"কাইলৈ একে সময়তে আহিবি। এতিয়া কামিজটো পিন্ধ আৰু লৰি লৰি ঘৰলৈ যাগৈ। মাৰপিট কৰিব লাগিব, সেই কথা মনত থাকে যেন।"

"মনত আছে। আজিয়েই কৰিম," মই কৈছিলো।

ঘৰ সোমাই দেখিছিলো মায়ে জলপান ঠিক কৰি থৈছে। হাত মুখ ধুই খাবলৈ বহিলো। মা ও মোৰ কাষত বহিল আৰু হাতেৰে মোৰ চুলিবোৰ ঠিক কৰি দিবলৈ ধৰিলে।

"তই আজি বাতিপুৱা পাহাৰলৈ গৈছিলি, নহয় জানো হিউ?" মায়ে মোক সুধিছিল।

"হয় মা।"

"মাৰপিট কৰা শিকিবলৈ, নহয় জানো?"

"হয় মা।"

"ঠিকেই ধৰিছিলো।" মা যেন হতাশাত ভাঙি পৰিছিল। "তই ঘৰৰপৰা ওলাবা গম পাওঁতেই মই বুজিছিলো। বাৰু, যি মন যায় কৰগৈ। কিন্তু আকৌ যদি উথহা মুখ লৈ ফিৰি আহ মই কিন্তু তোৰ আলপৈচান ধৰিবলৈ নাবাওঁ, মনত ৰাখিবি। একোতো নকৰোৱেই, ফিৰিও নাচাওঁ।"

মই কৈছিলো, "কিন্তু শিকিবই লাগিব মা। নহলে মই সদায় অইনৰ

মাকেই থাই থাকিম। তাত বাধা দিবৰ শক্তি নাথাকিব। মোক মৰামোৰক মাৰিবলৈ মোৰ শক্তি নাথাকিব।"

"তোৰ কথা শুনিলেও মোৰ হব," এইবুলি মায়ে একেথৰে মুহুমায় জুইকুৰাৰফালে চাই থাকিল। "ঘৰৰ বাহিৰ ওলায়েই মাৰৰ মনলৈ অশান্তি আনি দিবি— এয়ে তইতৰ কাম। কি কৈছিলো মনত ৰাখিবি— মাৰপিট কৰি আহিলে একোতো নকৰোঁৱেই, তোলৈ ফিৰিও নাচাওঁ।"

"বাক মা।" চাহটোপা খাই শব কৰি কিতাপৰ বেগটো আৰু খোৱাবস্তৰ বাকচটো হাতত লৈ মই স্কুললৈ খোজ লৈছিলো।

ইতিমধ্যে মই স্কুলত খিতাপি হৈ লৈছো। গতিকে স্কুল দোমাওঁতে এতিয়া আৰু ভয় নালাগে। এই ভয়লগা ভাবটো অদ্ভুত। তুমি একেবাৰে তুমি কাষ চাপি গৈছা, অথচ তোমাৰ ভিতৰৰ ভাবেবোৰে তোমাক বাৰে বাৰে সকিয়াই দিছে তাৰপৰা আঁতৰি পলাবলৈ— এনে এটা অদ্ভুত অৱস্থা।

ইয়াৰ ভিতৰতে মোৰ ভালেমান ল'ৰাৰ স'তে পৰিচয় হৈছে। কিন্তু সেইবোৰৰ এজনো মোৰ তালিকাৰ ভিতৰ নহয়। মোৰ তালিকাৰ অন্তৰ্ভুক্ত-বোৰৰ লগত মোৰ কোনো সম্বন্ধ নাছিল। আনকি সিহঁতে কেতিয়াবা মাত-বোল কৰিব খুজিলেও মই আঁতৰি গৈছিলো। মাৰপিট কৰাৰ বিষয়ে মিষ্টাৰ মটছিলৰ সাৱধানবাণী মোৰ মনত আছিল। গতিকে স্কুলৰপৰা অলপ আঁতৰৰ মাৰপিট কৰিবৰ উপযোগী ঠাই এডোখৰ মই বিচাৰি ফুৰিছিলো— এনে এডোখৰ ঠাই যত পুলিচ বা শিক্ষকসকলৰ চকুত নপৰাকৈ মৰামৰি কৰিব পাৰি। হঠাতে এদিন পায়ো গলো— হোটেল এখন আৰু দৰ্জিৰ দোকান এখনৰ কাষৰ এটুকুৰা গেলা ঠাই। ঠাইডোখৰৰ তিনিও কাষে ঘৰ-বাৰী, মাখোন একাষে মুকলি। সেই ঠাইডোখৰৰ কথা মই মনত ৰাখিলো।

স্কুল আৰম্ভ হ'ল। আইন দিনাৰ দৰে সেই দিনাও মিষ্টাৰ জোনাচে মোৰ প্ৰতি ভ্ৰূক্ষেপ নকৰিলে আৰু ময়ো এনেয়ে মাখোন বহি থাকিলো। ইয়াৰ পিছতে আছিল খেলৰ ছুটী।

পাছফালৰ চোতাললৈ আমি খেলিবলৈ গ'লো। সেইখিনি পায়েই মই পোনে পোনে গলো মাৰভিন ফিলিপ্‌চৰ ওচৰলৈ।

মই তাক ক'লো, "আজি স্কুল ছুটীৰ পাছত মই তোৰ লগত যুঁজিম— দৰ্জিৰ দোকানখনৰ কাষত।"

কটী মাৰক থকাই থাই কি উত্তৰ দিলে; "বাক, ঠিক আছে।" সিংকিছু মোক কথাত আচৰিতো হৈছিল।

"থাক ভেতে। দৰ্জিৰ দোকানখনৰ ওচৰত," মই আকৌ সকিয়াই দিলো।

"দৰ্জিৰ দোকানৰ ওচৰলৈ যাব লাগিছে কিয় ?"

"মিটাৰ মটাছিলে কি কৈছিল মনত ৰাখিবি।"

"ভয়াতুৰ ! ইটো সিটোকৈ সাৰিব খুজিছ নহয় ?"

ইতিমধ্যে অইন ল'ৰাবোৰে আমাক জুমুৰি দি ধৰিছে। মাৰভিন ফিলিপচে তাৰ কোটটো খুলিলে। গতিকে ময়ো কোট খুলিলো। ল'ৰাবোৰ অলপ আঁতৰি গৈ বৃত্তাকাৰে থিয় দিলে। মোৰ তালিকাৰ বাহিৰৰ দুজনমান ল'ৰা আহি মোৰ কোট আৰু খোৰা বস্তুৰ বাকচটো ল'লে। দুয়ো কামিজ খুলিলো। আমাৰ শাৰীৰিক পাৰ্থক্য দেখি ল'ৰাবোৰে গিৰগিৰাই হাঁহি দিলে। সিহঁতৰ হাঁহিয়ে কিন্তু মাৰভিন ফিলিপ্‌চক মাৰি বগৰাই দিবলৈ মোক আৰু দৃঢ়মনা কৰি তুলিলে।

যুঁজ আৰম্ভ হ'ল। অলপ সময় ইফাল সিফাল কৰি থকাৰ পিছত তাৰ ঘোঁচা এটা আহি মোৰ মুখত পৰিল আৰু লগে লগে মই মাটিত পিঠি পেলাই বাগৰি ধৰিলো। মই ল'ৰাবোৰৰ ভৰিৰ তলতে প্ৰায় গৈ পৰিলো। মোৰ মুখ যুৰাবলৈ ধৰিলে।

মেট্‌ পাৰেলচ আৰু মোৰ অইন শুভকাংখীবোৰৰ সহায়ত মই অলপ পাছতে থিয় দিলো। মুখটোৰ ভিতৰখন কিন্তু হমহমাব ধৰিলে।

মেট্‌ পাৰেলচে মোক সুধিলে, "ঠিক আছাতো মৰ্গান ? তাৰপৰা আঁতৰি থাকিবলৈ চেষ্টা কৰিবা। এনেকুৱা আৰু দুটামান ঘোঁচা খাব লাগিলে হৈছে আৰু।"

যুঁজ পুনৰ আৰম্ভ হ'ল। অতি সাৱধানে মই তাৰ চাৰিওকাষে ঘূৰি ফুৰিলো। মই লক্ষ্য কৰিলো যে কিলাকুটিৰে পেণ্টটো ওপৰলৈ টানি ঠিক কৰি লোৱা অভ্যাস এটা তাৰ আছে। কিন্তু তাকে কৰিবলৈ গলে অন্ততঃ কেই মুহূৰ্তমানৰ বাবে তাৰ ঘোঁচা মাৰিবৰ শক্তি নাথাকে। গতিকে তাৰ পেণ্টটো বনাই তললৈ নমাবলৈ মই তাক ইফালে সিফালে ঘূৰাই লৈ ফুৰিবলৈ ধৰিলো। ঠিক মই আশা কৰা মতেই তাৰ পেণ্টটো তললৈ নামিল আৰু সি কিলাকুটি দুটাৰে পেণ্টটো টানি ওপৰলৈ উঠাবলৈ যত্ন কৰিলে।

মই তাৰ কাষ চাপি গলো। তেতিয়া দেউতাৰ মুখখন মোৰ চকুত পৰিছিল; কাণত বাজিছিল দেউতাই কোৱা কথাবোৰ। মোৰ ঠিক পাছফালে যেন দাই বাণ্ডো থিয় দি আছিল। তাৰ নাকৰ তলত বাঁওহাতৰ এটা ঘোঁচা ···· নাক ফাটি হো হো কৰে তেজ ওলোৱাৰ পিছত ঘোঁচাৰ উপৰি ঘোঁচা চকুৰ ঠিক মাজ ভাগ লক্ষ্য কৰি ঘোঁচা··· শেষত মুখৰ একাষেদি হনুৰ এটা ঘোঁচা। সি ধাচ কৰে বাগৰি পৰিল। লগে লগে ময়ো বাগৰি পৰিলো।

অলপ পিছতে সি এহাতেৰে মুখখন চেপামাৰি ধৰি থিয় দি উঠিল। তাৰ গোটেই মুখখনত তেজবোৰ লাগি আছিল। ময়ো থিয় দি তাৰ বাটচাই ৰলো। ঠিক তেনেতে মিষ্টাৰ জোনাচ আহি ওলালহি।

“ঘণ্টা দেখোন কেতিয়াবাই বাজি গ'ল? তহঁতে শুনা নাছিলি নেকি? কলা নেকি তহঁত?”

এইখিনি কৈ উঠিয়েই তেওঁ অইন ল'ৰাবোৰৰ মুখৰ ওপৰেদি মোক দেখা পাইছিল।

মোক দেখা মাত্ৰকে তেওঁৰ মুখত বিদ্ৰূপৰ হাঁহি বিৰিঙি উঠিছিল।

অতি লাহে লাহে মোৰ কাষলৈ আগবাঢ়ি আহি তেওঁ কৈছিল, “ঠিকেই ধৰিছিলো। আমাৰ কয়লা খনিৰ পৰা অহা বন্ধুৱে তেন্তে পুনৰ কাম আৰম্ভ কৰি দিছে।”

মই তেওঁৰ প্ৰতি লক্ষ্য ৰাখি কামিজটো পিন্ধিবলৈ ধৰিলো। কেইজনমান ল'ৰাই মাৰভিন ফিলিপছক তাৰ কামিজটো পিন্ধাই দিলে। বাকীবোৰ লৰি পলাল। মই মনে মনে ভাবিলো সিহঁতৰ লগতে ময়ো লৰি পলালেই ভাল আছিল।

মিষ্টাৰ জোনাচে কোৱা শুনিলো, “মিষ্টাৰ মৰ্ট্‌ছিলক মই এই বিষয়ে ক'ম। কিন্তু এইবাৰৰ দিবলগীয়া শাস্তি মই নিজেই দিম। তই ষষ্ঠ শ্ৰেণীৰ ছাত্ৰ, গতিকে তোৰ দায়িত্ব সম্পূৰ্ণ মোৰ ওপৰত। তোক আগতেই সাৱধান কৰি দিয়া হৈছিল; গতিকে এই বিষয়ে তোৰ কোনো ওজৰ-আপত্তিও নাথাকিব। মোৰ মেজৰ ওচৰলৈ গৈ বেতডাল বিচাৰি উলিয়াগৈ। মই অহালৈ 'তাতে থৈ থাকিবি।”

মেট্‌ পাৰেলছৰ সৈতে মই স্কুললৈ খোজ ললো। দিনটো আছিল তাৰবীয়া।

দুই এটোপ চকুলো পৰিছিল। হালধীয়া ইটাৰে সজা এই স্কুল ঘৰটোতকৈ কোনো প্ৰাণহীন বস্তুক মই আজিলৈ বেছি ঘিণ কৰা নাই।

"মোৰ কোটটো তোমাৰ পেণ্টৰ তলত পিন্ধি লোৱা। নহলে বেতৰ কোবত তেওঁ তোমাৰ তেজ উলিয়াইহে এৰিব," মেট্ পাৰেলছে কৈছিল।

মই কৈছিলো, "নালাগে মেট্।"

আমি শ্ৰেণীৰ ভিতৰ সোমালো। মেট্ গ'ল তাৰ বহা ঠাইলৈ। মই বেতডাল বিচাৰি লৈ কিতাপ থোৱা আলমাৰীটোৰ ওচৰত থিয় দি ৰলো। আমাৰ শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীৰ সংখ্যা আছিল চল্লিশৰ অলপ বেছি— আধাতকৈ অলপ বেছি ল'ৰা, বাকীবোৰ ছোৱালী। ইয়াৰ আগতে মই কেতিয়াও ছোৱালীবোৰৰ প্ৰতি আগ্ৰহেৰে চোৱা নাছিলো। সিহঁত আটাইবোৰ আছিল শান্ত, শিষ্ট, মাত-বোলহীন। আমাৰ শ্ৰেণীৰ ছোৱালীবোৰৰ কোনজনী কোন মই ভালুকো ভালকৈ জনা নাছিলো। আজি কিন্তু মুখামুখিকৈ থিয় দি সিহঁতক ভালকৈ দেখিলো। আৰু সঁচাকৈয়ে, মাত্ৰ দুজনীৰ বাহিৰে অইন আটাই কেইজনী একেবাৰে বোবাৰ দৰে।

কেইনবেন ফিলিপচ বহে তাইৰ ককায়েকৰ ওচৰত। ককায়েক আহি শ্ৰেণীত সোমোৱাত তাই মোৰ পিনে কটমটাই চাইছিল। বহুবাৰ তাই মোৰ পিনে জ্বলন্ত চাৱনিৰে চাই আছিল। অলপ সময় সেইদৰে থাকি তাই তাইৰ কমালখন ককায়েকক দিছিল মুখৰপৰা তেজবোৰ মচি পেলাবলৈ। ইখন মুখৰ পিছত সিখন মুখ মই চাই গ'লো। খালি হৈ পৰি থকা মোৰ বহা ঠাইডোখৰো মোৰ চকুত পৰিল। মেট্ প্যাৰেলচৰ মুখখনো দেখিলো— মোক সাহস দিবলৈকে হবলা মুখত হাঁহি লৈ সি মোৰ পিনে চাই আছিল। মেটৰ পিছত কেইবাখনো মুখ পাৰ হৈ গৈ মোৰ চকু পৰিছিল পাছফালৰ বেঞ্চত সদায় মোৰ কাষতে বহা জেনি হিউজৰ ওপৰত। নীলা ৰঙৰ কিবা এটা পিন্ধিছিল জেনিয়ে—সেই ধৰণৰ নীলা যিটো তুমি কেতিয়াবা হঠাতে দুইৰ মাজত দেখিবলৈ পোৱা; পাতল ধৰণৰ নীলা সেইবিধ; সেইবুলি পনীয়া নীলা নহয় কিন্তু। সেই ৰঙত আকাশৰ নীলাৰ বহুতখিনি আছে। তাইৰ চকুত মই দেখিলো শৰম আৰু গভীৰ বিষাদ।

জেনিৰ পৰা চকু আঁতৰাই মই চালো কেইনবেনৰ পিনে। তাই তেতিয়াও মোৰ পিনে কটমটাই চাই আছিল। আকৌ মই জেনিৰ পিনে চকু ঘূৰালো।

তেতিয়াই মই মনতে ঠিক কৰিলো যে মিষ্টাৰ জোনাচে মোক কি শাস্তিকে দিয়ক মই মুখেৰে এটাও শব্দ নকৰোঁ।

অলপ পাছতে তেওঁ আহি নিঃশব্দে কোঠাটোত সোমাল। তেওঁৰ পিনে নোচোৱাকৈয়ে মই বুজিছিলো যে তেওঁৰ সেই নিষ্ঠুৰ হাঁহি মুখত লাগি আছে। মোৰ হাতবৰখন তেওঁ বেতডাল ল'লে। মই কিন্তু তেতিয়াও দেৱাল' খাৰি থোৱা ডিউক অৱ ওৱেলিংটনৰ ছবিখনৰ পিনে চাই ৰ'লো।

বেতডালেৰে নিজৰ ভৰিখনত লাহেকৈ এবাৰ মাৰি চাই মিষ্টাৰ জোনাচে ক'লে, "মাৰভিন্ ফিলিপছ, সমুখলৈ আহি পিঠি দি থিয় হোৱাহিঁ।"

সি তাৰ বহা ঠাইখনৰা উঠি আহিল। কেইনয়েন ফিলিপ্ছে তেতিয়া মিচিকিয়াই হাঁহিবলৈ ধৰিলে।

"তাৰ পিঠিত উঠ।" মিষ্টাৰ জোনাচে কথাষাৰ মোক খুব লাহেকৈ ক'লে যদিও মই চক খাই উঠিলো।

মই তাৰ পিঠিত উঠিলো। বেতডালে শূন্যত ছুৱাৰ সোঁ সোঁ শব্দ কৰিলে। মোৰ পিঠিখন আশঙ্কাত কঁপি উঠিল।

বেতডালে আকৌ এবাৰ শব্দ কৰিলে মোৰ পিঠিখনত ই যন্ত্ৰণাৰ ঢৌ তুলিলে। কোবৰ পিছত কোব পৰিল। ইয়াৰ যেন শেষ নাই। পিঠিখনৰ তল অংশৰপৰা আৰম্ভ কৰি কোববোৰ ওপৰলৈ উঠি আহিল; আকৌ তললৈ নামি গ'ল। মোৰ পিঠিখনত যেন জুইহে লাগিছে · চকুৰে একোকে নেদেখা হ'লো, মুৰটো দপ্‌দপাব ধৰিলে। কোব চলি থাকিল, কিন্তু এতিয়া আৰু মই দুখ নোপোৱা হ'লো।

তেনেতে বেতডাল ভাঙি গ'ল।

ভাগৰি পৰা মানুহৰ দৰে মিষ্টাৰ জোনাচে ক'লে, "আজিলৈ এইখিনিতে হ'ব। পুনৰ মৰামৰি আৰম্ভ কৰিলে দেখা যাব। এইয়া নমুনাহে দিলো মাথোন।.... যা এতিয়া নিজৰ ঠাইত বহি থাকগৈ। মজা এপাজি পাইছ পাছে।"

মাৰভিনৰ পিঠিৰপৰা নামি মই নিজৰ ঠাইলৈ আহিলো। অলপ পাছতে মিষ্টাৰ জোনাচে ভূগোল পঢ়াবলৈ আৰম্ভ কৰিলে।

তেওঁ পঢ়াই গ'ল, মই মাথোন বহি থাকিলো।

সেইদিনা বাৰে বাৰে মোৰ মন গৈছিল বিচনা পৰি তিতি থকা খাঁহনিৰ ওপৰত পিঠি পেলাই শুই থাকিবলৈ। মোৰ গোটেই গাটোতে যেন জুইহে

কৰিছো। আবেলিৰ খোৱাৰ সময় হ'ল— মই কিন্তু একে ঠাইতে বহি থাকিলো। পানীৰ বাহিৰে মোৰ একো খোৱাৰ মন যোৱা নাছিল। কিন্তু বেইখিনি কৰিবলৈকো মোৰ ইচ্ছা নগ'ল। হঠাতে ছেনি আহি কোঠাটোত সোমাল। মোক অকলে বহি থকা দেখি তাই উচপ্ খাই উঠিল।

হাত এখন মুখলৈ নি আৰু চকুদুটা বহলকৈ মেলি দি তাই ক'লে, "তুমি এতিয়াও ইয়াতে বহি আছা ?"

"ওঁ।"

"একো খোৱা নাই ?"

"নাই খোৱা।"

"ৰবা, মই তোমাক কিবা অলপ আনি দিওঁ।"

"উহোঁ, নালাগে, মোক পানী এগিলাচহে মাথোন লাগে "

"পানী খাবা ? ৰবা তেন্তে।"

তাই লৰি কোঠাটোৰপৰা ওলাই গৈছিল। তাইৰ ফ্ৰকটোৰে খচ্‌মচ্ শব্দ কৰিছিল—নীলা ফ্ৰকটো, অলবপিনে হালধীয়া তিনিডাল আঁক থকা। অলপ পাছতে তাই উভতি আহিছিল। অকণমান ফুলদানী এটাত তাই পানী ভৰাই আনিছে।

মৰমভৰা চাৱনিৰে তাই কৈছিল, "এইয়া লোৱা। বিষাইছে নেকি ?"

"ওঁ, খুব জ্বলিছে।"

"তুমি মাৰক এই বিষয়ে ক'বাগৈ নেকি ?"

"উহোঁ, কেতিয়াও নকওঁ।"

"তুমি চৰাইৰ কণী ভাল পোৱানে ?" হঠাতে তাই মোক সুধিছিল। ওঁঠত তাইৰ হাঁহি এটি ফুটি উঠিছিল।

"পাওঁ, মোৰ ৰহুতো চৰাইৰ কণী আছে," মই উত্তৰ দিছিলো।

"ইচ্, মিছাকৈয়ে কৈছা।" এইবাৰ তাইৰ ওঁঠৰ হাঁহিটি স্পষ্ট হৈ উঠিছিল।

"সঁচা কৈছোঁ। তোমাৰ নাইটিংগেল চৰাইৰ কণী আছে জানো ?" মই সুধিছিলো।

"নাই। মই পাছে তোমাক খবীন চৰাইৰ কণী এটা দিম বুলি ভাবিছিলো ?"

“কিয় ?”

“তুমি দুখ পাইছা যাবে।” তাইৰ মুখৰ হাঁহিটো এইবাৰ নাইকিয়া হৈ গৈছিল।

“মই দিব খোজা নাইটিঙ্গেলৰ কণীটো তুমি ল’লেহে মই তোমাৰ খীন চৰাইৰ কণীটো লম।”

“নিশ্চয় লম।” হাঁহিটো পুনৰ তাইৰ মুখলৈ উভতি আহিছিল। “মই নাইটিঙ্গেল চৰাই খুব ভাল পাওঁ। সিহঁতে ইমান ধুনীয়াকৈ গীত গাব পাৰে। তোমালোকৰ গাঁৱৰ পিনে নাইটিঙ্গেল চৰাই আছে জানো ?”

“বহুত আছে। হেজাৰ হেজাৰ আছে। নাইটিঙ্গেলৰ বাহিৰেও অইন ক’ত ৰকমৰ চৰাই আছে।

“নাইটিঙ্গেলৰ গীত শুনিবলৈ মোৰ বৰ মন যায়। আগতে আমাৰ গাঁৱৰ পিনেও বহুত আছিল। পাছে লোৰ কাৰখানাটো হোৱাৰে পৰা সিহঁত নাইকিয়া হ’ল। আটাইবোৰ গছকে পুৰি পেলালে— চৰাই থাকিব ক’ৰ পৰা ?”

তেনেতে স্কুলৰ ঘণ্টা বাজিল আৰু লগে লগে ছেনিৰ মুখৰ হাঁহি নাইকিয়া হৈ গ’ল। মোৰ কাষৰপৰা উঠি যাবলৈ ধৰি তাই ক’লে, “স্কুল ছুটীৰ পাছত লগ পাম।”

সেইদিনা দিনটো ভীষণ দীঘল যেন লাগিল। স্কুল ছুটী হোৱাতহে মই ৰক্ষা পৰিলো।

মাৰ্টিন্ ফিলিপ্‌ছ লৰি মোৰ কাষলৈ আহিছিল— লগতে ভনীয়েক কেইনবেনো। সি মোক কৈছিল, “তেওঁৰ আটাইখিনি মাৰ তুমিয়ে খাবলগীয়া হোৱাৰ বাবে মই বৰ দুঃখিত হিউ মৰ্গান। তেওঁ তোমাক অকণো দেখিব নোৱাৰে, সেইটোহে আচল কথা। তোমাৰ বহী কিতাপবোৰ মই কঢ়িয়াই নিওঁ দিয়া।”

“নালাগে, মই পাৰিম। ধন্যবাদ।”

“আমি হাত মিলাওঁ আহা,” লাজত অলপ ৰঙা পৰি উঠি মাৰ্টিনে কৈছিল। কথাষাৰ ক’বলৈ কেইনবেনে বোধহয় তাক পাছেৰে হাতেৰে ঠেলি দি উদগনি দিছিল।

“নিশ্চয়।” আমি দুয়ো লাজত ৰঙা চিঙা পৰি হাত মিলাইছিলো।

কেইনবেনে তেনেতে মোক কৈছিল, “হিউ মৰ্গান, মই তোমাক ভাল পাওঁ।”

তাই সঁচাকৈয়ে মোক চুমা খালে। তাইৰ তপত ওঁঠ দুটা মই মোৰ গালৰ ওপৰত অনুভৱ কৰিলো। চুমা দি উঠিয়েই তাই লৰ মাৰি আলিবাটৰ সিটো কাণত উঠিলগৈ। আলিবাটৰ মাজত তাই ঘোঁৰা গাড়ী এখনৰ সন্মুখত পৰাত গাড়ীৰ কচোৱানজনে তাইক গালি পাৰিলে। উত্তৰত তাই মাথোন মুখ ভেঙুচালে।

“বাক, কাইলৈ আকৌ দেখা হ'ব হিউ,” এইবুলি মাৰভিন মোৰ কাষৰপৰা লৰি গৈ কচোৱানজনৰ গালৈ শিল এটা মাৰি পঠিয়ালে।

মই লাহে লাহে গৈ থাকি চাৰি আলিৰ মূৰটো পাওঁতে ছেনি আহি মোক লগ ধৰিছিল। পাছফালে ঘূৰি চাবৰ মোৰ শক্তি নাছিল যদিও মই তাইৰ খোজৰ পৰাই বুজিছিলো কোন আহিছে। তাই মোৰ সন্মুখলৈ আহি সুধিছিল, “তুমি খোজকাঢ়ি যাব পাৰিবা জানো? দেউতাক কৈ আমাৰ বাগী গাড়ীখনেৰে লৈ আহিম গৈ নেকি কোৱা।”

“নালাগে। এলিচে চলোৱা ডাকগাড়ীখন এতিয়াই আহি পাব। মই সদায় তাতে উঠি যাওঁ নহয়।”

অলপ পাছতে এলিচৰ ঘোঁৰাগাড়ীখন আহি তাত বৈছিলহি। ছেনিয়ে কৈছিল, “যোৱা দেই।” ময়ো “যাবা দেই” বুলি গাড়ীত উঠিছিলোগৈ।

ঘৰ পাই দেখোঁ চাৰিওফালে নিস্তব্ধ। ঘৰত অইন কোনো নাছিল। গত্তিকে আৰ্চীত মই মোৰ পিঠিখন চালো— গোটেই পিঠিখনত বহল দাগ কিছুমান দমলা দমল দি উঠিছে। তেনেতে হঠাতে আয়াণ্টোৰ সুহুৰি শুনিবলৈ পালো। সি খনিৰ কাষৰ পৰা আহিব ধৰিছে। লৰালৰিকৈ মই কাপোৰ পিন্ধিবলৈ আৰম্ভ কৰি দিলোঁ। কিন্তু কামিজটো পিন্ধাৰ আগতেই আয়াণ্টো আহি পালেহি।

“কি খবৰ?” এইবুলি সি হাতৰ খোৱা বস্তুৰ বাকচটো মোৰ পিনে দলিয়াই দিলে। মই কিন্তু ধৰিব নোৱাৰিলো। “এঃ এইটোকে ধৰিব নোৱাৰিলে বল খেলিবি কেনেকৈ?”

এই বুলি কৈ উঠিয়েই সি থৰ হৈ গৈছিল। কয়লা গুৰি লাগি ক'লা হৈ থকা তাৰ মুখখনত চকুদুটা বিৰাট ডাঙৰ হৈ উঠিছিল। সি মোৰ কামিজটো দাঙি চাই কৈছিল, “এইবোৰ কেনেকৈ হ'ল?”

মই লাহেকৈ উত্তৰ দিছিলো, “স্কুলত।”

"স্কুলত এইটো কেনেকৈ হ'বলৈ পালে? তোৰ পিঠিখন দেখোন চিৰাচিৰ কৰি পেলাইছে?"

"কাকো একো ন'কলেই ভাল হয়। মাই শুনিলে কি কাণ্ডখন যে আনইতো।"

"যি জনে এইটো কৰিছে তাক কি ক'ব লাগিব সেইটো অন্ততঃ মই তালৈকে জানো। মই গাটো ধুই আহোঁ ৰ।"

মই চাহ অকণ কৰি থাকোঁ। তেনেতে ৰূপে আয়াটো আৰু আইতাৰ বাবে কাপোৰ নিবলৈ আহি পাগঘৰত সোমাল।

"ককাদেউতা বা আজি কেনে আছে?" এই বুলি তেওঁ মোৰ গালখনত টুকুৰিয়াই দিছিল।

মই উত্তৰ দিছিলো "ভালেই আছো।"

"বাৰু" বুলি কৈ তেওঁ মোৰ খোৱা বস্তু নিয়া বাকচটো দাঙি লৈছিল। "তোৰ বাবে কৰা আপেলৰ জেলিখিনি খাই কেনে লাগিল বাৰু?"

তেনেতে তেওঁ বাকচটোৰ ওজন গম পাইছিল আৰু মোলৈ হাঁহো নাহাঁহো কৈ চাই থাকি সুধিছিল, "বাকচটোত শিল এসোপা ভৰাই আনিছ নেকি?"

বাকচটো খুলি চাই ৰূপৰেন আচৰিত হৈ গৈছিল। "কাণ্ডখন চা। তই দেখোন একোকে খোৱা নাই? তোৰ বাবে তেন্তে বেলেগে ভাল ভাল বস্তু বনাৰ কি লাভ হ'ল? ঘৰলৈ ফিৰাই আনিবলৈকে এইবোৰ বান্ধিছিলো নেকি?"

"তাক একো নক'বা ৰূপ," গা ধুই থাকি আয়াটোই বাহিৰৰপৰা চিঞৰি কৈছিল। "তাৰ পিঠিখন চোৱা।"

"উহো।" মই ঘৰৰপৰা ওলাই লৰ মাৰিলো। ৰূপে পাছফালৰপৰা মোক মাতি থাকিল।

পাহাৰখনৰ একেবাৰে ওপৰলৈ উঠি গৈ মই চেঁচা বতাহজাকৰ মাজত বহিলোঁগৈ।

গীৰ্জা-ঘৰৰ গানৰ শব্দ বতাহজাকে মোৰ ওচৰলৈ কঢ়িয়াই আনিছিল। সেই গানত মই অনুভৱ কৰিছিলো আমাৰ উপত্যকাৰ মানুহবোৰৰ নিৰ্মল, পবিত্ৰ, উদাৰ অন্তৰবোৰ। মই জানিছিলো যে তেওঁলোকৰ মাত মোৰ মাত —কাৰণ, মই যিদৰে তেওঁলোকৰ অংশ বিশেষ তেওঁলোকো সেইদৰে মোৰ

অংশ। উপত্যকাখন আছিল আমাৰ অতি আপোন আৰু আমিও আছিলোঁ উপত্যকাখনৰ অতিকৈ আপোন। এটাক এৰি আনটোৰ নচলে। উপত্যকা-খনৰ প্ৰতিডাল ঘাঁহ, প্ৰতিটো শিল, প্ৰতিডাল গছৰ প্ৰতিটো পাত, প্ৰতি-ডোখৰ কয়লাৰ টুকুৰা, পানীৰ টোপাল, গছৰ ডাল, ফুলৰ ৰেণু, জীৱিত আৰু মাটিৰ লগত মিহলি হৈ যোৱা সকলো প্ৰাণী মোৰ অংশবিশেষ—ঠিক মোৰ তেজৰ দৰে, মোৰ হাড়ৰ দৰে, মোৰ মনৰ ভাববোৰৰ দৰে আপোন।

মোৰ উপত্যকা! মোৰ উপত্যকা! মই চিৰদিন তোমাৰ মাজতে থাকিম। মোৰ চকুৱে বা মনে যদি কোনোবা দিনা তোমাক পাহৰি যায় তেন্তে মৃত্যু হওক সেই মনৰ, দৃষ্টি শক্তি হেৰুৱাওক সেই চকুৱে। কেতবোৰৰ বাবে তুমি এতিয়া মৃত্যুৰ ক'লা ছাঁৰ উপত্যকা মাথোন। কিন্তু মোৰ বাবেতো তুমি তেনে নোহোৱা। মোৰ সদায় মনত থাকিব তোমাৰ আগৰ সেউজীয়া আৰু বাদামী ৰং, তোমাৰ সুখ আৰু শান্তি, তুমি আমাক দিয়া মনোমোহা গোন্ধ আৰু ফুলবোৰ। তোমাৰ মাজতে থাকি আনন্দত গীত জুৰি থকা চৰাইবোৰৰ কথাও মই কোনোদিন নাপাহৰোঁ।

গীৰ্জালৈ উভতি গৈ কাকো ক'তো নেদেখিলোঁ, আনকি মেকুৰী এটাও বাটত দেখিবলৈ নাই। গীৰ্জাঘৰটোৰ পৰা কিন্তু মানুহৰ মাতৰ শব্দ ভাহি আহিছিল। মিষ্টাৰ গ্ৰুফিদে সেই ৰাতি আহ্বান কৰা সভাখনৰ কথা মোৰ মনত পৰিল। মই গীৰ্জাঘৰলৈ গৈ পাছফালৰ দুৱাৰেদি সোমাবলৈ চেষ্টা কৰিলোঁ। কিন্তু সেইখন দুৱাৰ বন্ধ। গতিকে মই আগফালেদি গ'লোঁ। আগফালৰ দুৱাৰৰ কাষত মানুহ ভৰি আছে। সকলোৱে কিবা শুনি আছে। তেলৰ চাকিৰ পোহৰত তেওঁলোকৰ মুখবোৰ শেঁতা যেন দেখা গৈছিল। প্ৰতিখন মুখতে কিন্তু আছিল শান্তি আৰু আশাৰ এটি ৰেঙনি। যেন আটায়ে কিবা এটি ডাঙৰ খবৰ পাইছে।

গীৰ্জাৰ ভিতৰতো মানুহ ভৰা। সকলোৱে আঁঠুকাঢি আছিল। মিষ্টাৰ গ্ৰুফিদৰ চকু দুটা মুদি দুয়োখন হাতেৰে বাইবেলখন ধৰি আছিল।

তেওঁ প্ৰাৰ্থনা কৰিছিল, "হে প্ৰভু, পোহৰ দিয়া। মানুহৰ অন্তৰত আছে এন্ধাৰ আৰু সেই এন্ধাৰত লুকাই আছে চয়তান। পোহৰ দিয়া প্ৰভু।"

গীৰ্জাৰ মানুহবোৰে কৈছিল, "আমেন।"

"পাপ আছে মানুহৰ এলেহুৱা মনৰ পৰা," মিষ্টাৰ গ্ৰ্ফিনে প্ৰাৰ্থনা কৰি থাকিল। এলেহুৱাবোৰে চিন্তা কৰিব নোৱাৰে আৰু নোখোজেও।' হে প্ৰভু! সিইতক জগাই তোলা। আমি শুকান খঁহুবোৰ পুৰি পেলোৱাৰ দৰে আমাৰ মনৰ মৃত চিন্তাবোৰো তুমি পুৰি পেলোৱা। পথ দেখিবলৈ আমাক পোহৰ পঠিওৱা প্ৰভু।

"আলেলুইয়া," সকলোৱে একেলগে ক'লে।

"শ্ৰান্ত আৰু ক্লান্ত সকলো মোৰ শুবিলৈ আহা।"

"হজেনা, হজেনা," শ্ৰীজাৰ মানুহবোৰে ক'লে।

"আহক আমি এতিয়া ঈশ্বৰৰ উদ্দেশ্যে গীত আৰম্ভ কৰোঁ।" মিষ্টাৰ গ্ৰ্ফিনে ধৰ্ম সঙ্গীত জুৰিলে।

বাহিৰত বৈ থকা মানুহবোৰো এতিয়া দুচকুত চকুলো লৈ আঠুকাঢ়ি বহিল। তেওঁলোকেও ধৰ্ম-সঙ্গীতত যোগ দিলে।

"হিউ"। হঠাতে ব্ৰণবেনৰ মাত শুনি মই ঘূৰি চালো। গাৰ আলোৱান খন ওৰণিৰ দৰে মূৰৰ ওপৰলৈকে তুলি দি, হাত দুখন মোৰ পিনে আগবঢ়াই ব্ৰণবেনে মোৰ পিনে চাই আছিল। তেওঁৰ মুখত সেই হাঁহো নেহাহোঁৰ মাজৰ পুৰণি হাঁহিটি।

"আহ, আমি তোক বিচাৰি ফুৰিছোঁ।"

"মই পাহাৰৰ ওপৰতে টোপনি গৈছিলো।" তেওঁ মোক দুবাহুৰে সাবটি ধৰিছিল। লেভেণ্ডাৰৰ গোন্ধে মোক আবৰি ধৰিছিল। তেওঁৰ বুকুৰ মৃদু পৰশ লাগিছিল মোৰ গাত আৰু তেওঁৰ ওঁঠে চুইছিল মোৰ কপালখন।

"তই তাত আবত ঠেঁৰেঙা লাগি মৰি গ'লিহেঁতেন," ব্ৰণবেনে কঁপা কঁপা মাতেৰে কৈছিল। "মাৰ গীৰ্জাতে আছে, কিন্তু তেওঁক জোৰ কৰিহে অনা হৈছে। মই তোক নিজে বিচাৰি যাম বুলি কোৱাতহে মাৰ আহিছে।"

"ইয়াত এইবোৰ কি হৈছে, ব্ৰণ?" তেওঁৰ দুবাহুৰ মাজত আৰু একেখন আলোৱানৰ তলত থাকি ঘৰলৈ বুলি গৈ থাকোঁতে বাটত মই ব্ৰণক সুধিছিলো।

"বিভাইভেল, তাকো নেজাননে?"

তেওঁৰ চকুৰ দুয়ো কোণত চকুলো বিৰিঙি উঠিছিল। সেই চকুৰ টোপাল

ছুটি অআৰ মৰে জিলমিলাই উঠিছিল। ব্ৰণৰ চকুহুটা বেজাৰত ভাৰাক্ৰান্ত যেন লাগিল মোৰ।

“বিতাইজেল কিয় কৰিছে বাক ব্ৰণ ?”

ব্ৰণক সেইদিনা অইন এক ধৰণৰ যেন দেখি মোৰ অলপ ভয়ো লাগিছিল।

“খ্ৰি জেলী নামৰ খনিটোৰ মানুহবোৰ আজি কাম নকৰি ওলাই আহিছে। আমাৰ খনিৰ মানুহবোৰ বোধকৰোঁ কাইলৈ ওলাই আহিব। ব’ল এতিয়া।”

আমি আহি ঘৰ সোমালো। খবৰটো শুনি মোৰ ভয় লাগি থাকিল।

মোক বহুতো কিৰাকিৰি খাবলৈ দি অলপ পিছত ব্ৰণ ওলাই গ’ল আই-ভৰক লগ ধৰিবলৈ। মই বেচ আনন্দমনেৰে বিচনাত পৰিলোঁ। ইংৰাজ হব খোজা ৱেলছ মানুহজনে সেইদিনা মোৰ পিঠিখনত আনি দিয়া সকলো যন্ত্ৰণাৰ কথা মই পাহৰি গ’লো।

১৯

পিছদিনা ৰাতিপুৱা পাহাৰৰ ওপৰত দাই ৰাঙোৱে মোৰ পিঠিখন দেখিলে।

টিংটিঙিয়া মাতটোৰে দাইয়ে মোক সুধিলে, "এইবোৰ কি?"

মই মাথোন ক'লো, "স্কুলত।"

"ককায়েৰহঁতে দেখিছেনে? এই বুলি তেওঁ সুহুৰিয়াই কুহ্‌তাৰথাক মাতিলে।

"আয়াক্টোই দেখিছে। কিন্তু মাৰ কাৰণে একো কৰিবৰ উপায় নাই।"

'ইচ্ ইচ্, এনেকৈনো মাৰেনে?" কুহ্‌তাৰথা আহি মোৰ পিঠিখন চাই ক'লে।

দায়ে সুধিলে, "কোনে মাৰিছিল বাৰু?"

"মিষ্টাৰ জোনাচে। তেওঁক স্কুলত সকলোৱে মিষ্টাৰ জোনাচ বুলি জানে, বাহিৰত তেওঁ মিষ্টাৰ জোনাচ চেচন।"

"মিষ্টাৰ জোনাচ চেচন," হাত দুখন মোহাৰি থাকি দায়ে নামটো আওঁৰালে। "তাত আমাৰ কিবা সকাম আছেনেকি কুহ্‌তাৰথা?"

"বৃহস্পতিবাৰে খেল এখন আছে নহয়।" কুহ্‌তাৰথাই ক'লে।

"ঠিক আছে। আজি মই তেওঁৰ 'মোলাকাত' কৰি আহিম। বেচ্ ভাল সাজ-পাৰ পিন্ধি যাব লাগিব, কি কৱ কুহ্‌তাৰথা?"

"ঠিক কৈছ। বলো যাম।"

"বা এতিয়া ঘৰলৈ যাগৈ। তিনিদিন পিছতহে ইয়ালৈ আহিবি। এই কেইদিন আহিব নালাগে।" খুব মৰমেৰে দায়ে মোক ক'লে।

"ধন্যবাদ দাই।"

"শুন, আজি যদি দুজন ভাল সাজ-পাৰ পিন্ধা মানুহক কিবা ভাওৰ কাও কৰা দেখ, তেন্তে তই যেন তাত নোসোমাবা, বুজিছ? কি কৱ কুহ্‌তাৰথা?"

"ও, চকু খোলা ৰাখিবি, কিন্তু মুখ একদম বন্ধ।"

মই ঘৰলৈ গ'লো আৰু ঘৰ সোমায়েই বিপদত পৰিলোঁ।

মোক দেখিয়েই দেউতাই ক'লে, "হিউ, কামিজটো খোল।"

মায়ে একেথৰে মোৰপিনে চাই আছিল। গতিকে মই ক'লো, "নাই দেউতা একো হোৱা নাই।"

"মোৰ অবাধ্য হবলৈ তোৰ সাহ কেতিয়াৰপৰা হ'ল?" খঙত জ্বলি উঠি দেউতাই গৰজিলে। "কামিজ খোল।"

মই লৰালৰিকৈ কামিজ খুলি পেলালোঁ।

মা দেউতাৰ ওচৰলৈ গৈ তেওঁৰ কান্ধত ধৰিলে। কোঠাটো নিস্তব্ধ, মই কিন্তু পিঠিখনৰ ওপৰত মাৰ দৃষ্টি সহজেই অনুভৱ কৰিলোঁ।

"এইবোৰ কেনেকৈ হবলৈ পালে বাছা," দেউতাই মোক সুধিছিল।

"মৰামৰি কৰিছিলোঁ, দেউতা।"

"তই জিকিলিনে?" মাৰ কঁপি থকা হাতখনত লাহে লাহে চপৰিয়াই দি দেউতাই সুধিছিল।

"হয় দেউতা, জিকিছোঁ।"

"জিকিলেও তোৰ পিঠিত কিন্তু ভালকৈয়ে দাগ বহিছে।"

"হয় দেউতা।"

"ঠিক আছে। ইয়াৰ বাবে পাঁচ চিলিং তোৰ নামত পইচা থোৱা বাকচটোত থোৱা যাব।"

তেনেতে মা আচৰিত হৈ খঙেৰে দেউতাক কৈছিল, "কিন্তু গুইদাম, তুমি তাক তেনেকৈ মাৰ খাই মৰিবলৈ দিবা নেকি? ক'ৰবাৰ জানোৱাৰ এটাই তোমাৰ ল'ৰাক এনেকৈ মাৰিব আৰু তুমি একোকে নকৰিবা?"

"বেথ, মই যদি এই বিষয়ে কিবা কৰিবলৈ যাওঁ তেন্তে তাক মৰাজনৰ হাড় এডালো নাথাকিব।"

"যি কৰিব লাগে মোক কৰিবলৈ দিয়া দেউতা। ৱলে কালি গোটেই ৰাতি কান্দিছে," আইভৱে তেনেতে কৈছিল।

"মই নিজে যদি একো নকৰোঁ আইন কোনোৱে কৰিব নালাগে। মই তাক কৈছিলোঁ মাৰপিট কৰিবলৈ, আৰু এতিয়াও তাকেই কওঁ। তাৰবাবে এনেকৈ কোব খাবলগীয়া হ'লেও ক'ম। মৰামৰি কৰাটো যদি স্কুলৰ আইনমতে

দণ্ডনীয় হয় জেকে সি ভাববাহে কোনো থাকই লাগিব। পাছে মৰামৰি কৰিবলৈ নেৰিবি, বুজিছ?... এতিয়াও বিবাই আছে নেকি?"

"এতিয়া সিমান বিবোৰা নাই দেউতা।"

"বাৰু, পাঁচ টিলিং বাকচটোত থোৱা হ'ব আৰু তাবোপৰি তই ককায়েৰহঁত আৰু মোৰ স'তে আয়ালে ও আৰু ৰেল্ ছৱ ফুটবল খেল চাবলৈ যাব পাৰি।"

আনন্দত নাচি-বাগি মই পিছদিনা স্কুললৈ গৈছিলোঁ।

মোৰ প্ৰতি ল'ৰাবোৰৰ ভাব একেবাৰে সলনি হৈ গৈছে। মোৰ প্ৰতি সিহঁতৰ ভাবধাৰাৰ এই আকস্মিক পৰিবৰ্তন দেখি মোৰ কিন্তু হাঁহি উঠিল। মোৰ বিষয়ে ফুচ্ ফুচাই কৰা ঠাট্টা আৰু হাঁহিৰ সলনি এতিয়া মই সিহঁতৰপৰা পালো আবেদন ভৰা চাৱনি—সিহঁত সকলোৱে যেন মোৰ স'তে বন্ধু হবলৈ আগ্ৰহান্বিত এনে ভাব। মোৰ তালিকাৰ অন্তৰ্ভুক্ত দুজনমানে আনকি মোৰ পিনে চাই মিচিকিয়াই হাঁহি মোক সুপ্ৰভাতো জনালে।

মানুহ সঁচাকৈ অকঁৰা। কষ্ট ভুগিলেহে বা আইনক কষ্ট ভোগালেহে মানুহৰপৰা সন্মান আদায় কৰিব পাৰি। মই কিন্তু আইনৰপৰা সন্মানসূচক চাৱনি পাবলৈ মুঠেই ভাল নাপাওঁ—বিশেষকৈ সেই চাৱনি যদি ভুল চিন্তাৰ ফল স্বৰূপে আহে।

গতিকে মই এই সকলোকে অৱজ্ঞা কৰি ছেনি হিউজক বিচাৰি আইন পিনে গুচি আহিলোঁ।

....মিষ্টাৰ জোনাচে মোক একো সুসুধিলে, আনকি তালৈকে মোৰ পিনে এবাৰ নাচালেও। গোটেই দিনটো মই মাথোন বহি বহিয়েই কটালো। মাজে মাজে ছেনিয়ে মোৰ পিনে চাই মিচিকিয়াই হাঁহিলে। কেতিয়াবা আকৌ কেইনৰেনেও তাইৰ বহা ঠাইৰ পৰা মোৰ পিনে ঘূৰি ঘূৰি চালে।

মোৰ কিন্তু সেই চাৱনি মুঠেই ভাল নেলাগিল। সেই চাৱনিৰপৰা মই পলাই যুৰিব পাৰিলেই যেন ৰক্ষা পৰোঁ।

টিফিনৰ ছুটীৰ প্ৰায় আধাঘণ্টা পাছত জোনাচে ধৰ্ম বিষয়ক জ্ঞান সম্বন্ধে পঢ়াই থাকোঁতে তৃতীয় শ্ৰেণীৰ অকণমান ছোৱালী এজনী আমাৰ কোঠাটোৰ দুৱাৰ মুখলৈ আহি ভয়ে ভয়ে ক'লে, যে মিষ্টাৰ জোনাচক হেড্ মাষ্টৰে মাতিছে।

কথাবাৰ কোনোমতে কৈ শেষ কৰিয়েই ছোৱালীজনী লৰি পলাল। মিষ্টাৰ জোনাচে আমাৰ কেপ্তেইনৰ হাতত শ্ৰেণীটোৰ ভাৰ দি ওলাই গ'লগৈ।

তেওঁ যোৱাৰ লগে লগে কেইনৰেন আহি মোৰ কাষত বহিলহি। মই তাইৰ প্ৰতি বিশেষ লক্ষ্য নকৰিলো। কিন্তু তাই অলপ পিছতে হাতী দাঁতৰ স্কেল এপাত মোৰ পিনে আগুৱাই ধৰিলে। পুৰণি হোৱা বাবে সোণালী বৰণৰ হৈ উঠা সেই ধুনীয়া স্কেলপাত হাতত লৈয়েই ভাল লাগিছিল।

"তোমাৰ স্কেলপাত ময়েই ভাঙিছিলো। তাৰে সলনি এইপাত দিলো। তোমাৰ বাকচটো লিহঁতে সেইদৰে ভাঙি পেলোৱাৰ কথা ভাবি মই এতিয়া লাজ পাওঁ।"

"এইপাত তুমি ক'ত পালা?" মই সুধিছিলো।

"দেউতাৰ পৰা খুজি আনিছোঁ। তুমি লব লাগিব কিন্তু। ইয়াৰ পাছ-ফালে পিন্ এটাৰে মই মোৰ নামটো লিখি দিছোঁ।"

"পাছে, তোমাৰ দেউতাৰে স্কেলপাত পুনৰ বিচাৰে যদি?

কেইনৰেনে ক'লে "ওঁহো নিবিচাৰে। মই তোমাক দিম বুলি তেওঁৰপৰা খুজি আনিছোঁ। তুমি মোক নাইটিঙ্গেল চৰাইৰ কণী এটা দিবানে বাৰু?"

"তোমাক এই বিষয়ে কোনে ক'লে?"

"ছেনি হিউজে। তুমি তাইক দিয়া কণীটো তাই বাকচ এটাত সুমুৱাই থৈছে। হিউ, মোকো এটা দিব লাগিব কিন্তু। মই তোমাৰ বাবে যি কোনো কামকে কৰিবলৈ মান্তি আছোঁ।"

"দিম বাৰু। কণী থবলৈ বাকচ এটাও ময়ে সাজি দিম বাৰু।"

তেনেতে ছেনিৰ পিনে চাই দেখিছিলো তাই একেথৰে মোৰ পিনে চাই আছে। কিয় ক'ব নোৱাৰোঁ। তাইৰ বাবে মোৰ দুখ লাগিল। কাষলৈ গৈ তাইক সাবটি ধৰি ৰক্ষা কৰিবলৈ মোৰ মন গ'ল—কিন্তু কিহৰপৰা মই তাইক ৰক্ষা কৰিব খুজিছিলো সেইটো মই নিজেই আজিলৈকে নেজানো।

তেনেতে স্কুলৰ হ'ল ঘৰটোৰপৰা চিঞৰ-বাখৰ শুনা গ'ল। ক্ৰমে সেই চিঞৰ কোবাল হৈ উঠিল —মিষ্টাৰ মট্ ছিল আৰু মিষ্টাৰ জোনাচৰ মাত, চকী-মেজ ভঙাৰ শব্দ, কাৰোবাৰ বিকট চিঞৰ, শকত আৱত মানুহ কেইজনমানৰ ভৰিৰ শব্দ, স্কুলখনৰ আটাইজাক ছোৱালীৰ ভয়াতুৰ কান্দোন—এই সকলো-বোৰ মিলি সি এক হুলস্থূল কাণ্ড। আমি আটাইবোৰে দুৱাৰ মুখলৈ লৰ

ধৰিছিল। ঠিক তেনেতে দুৱাৰখন জহ্ কৰে খুলি মিষ্টাৰ জোনাচে অনুমতিক কোঠাটোৰ ভিতৰলৈ সোমাই আহিল—তেওঁৰ পাছে পাছে দাই বাগো, মিষ্টাৰ মটছিলে আৰু দুজন অইন তিনিজন শিক্ষক। কুহ্ ভাবথা পিছত আছিল এই লোক সকলোৰে পাছত।

মিষ্টাৰ জোনাচৰ অৱস্থা চাবলগীয়া—কামিজৰ কলাৰ উৰি গৈছে, ফিতাৰ টাইডাল ফটা কাপোৰ এডোখৰৰ দৰে কোনোমতে ওলমি আছে, কোট আৰু পেণ্ট ফালি-ছিৰি একাকাৰ, মুখ শেঁতা পৰি গৈছে, চকুত চকুলো, দুগালত দাই বাগোৰ চৰৰ ডাঙৰ ডাঙৰ দাগ। দাই বাগোৱে তেওঁক অজস্ৰ চৰ মাৰিছে—এটাৰ পিছত এটাকৈ।

মিষ্টাৰ মটছিলে দাইৰ মাৰ বন্ধ কৰিবলৈ চেষ্টা কৰিছিল। দাইয়ে কিন্তু এই বাধালৈ ভ্ৰূক্ষেপ কৰা নাছিল। মিষ্টাৰ মটছিলে খতত ঔলি-পৰি চিঞৰ-বাখৰখন লগাই দাইৰ বিৰাট বহল পিঠিখনত ভুকুৱাবলৈ আৰম্ভ কৰি দিছিল। কুহ্ ভাবথাই একে ঘোচাই এজন শিক্ষক মাটিত বগৰালে। তাকে দেখি বাকী দুজন শিক্ষকে সকলো এৰি দাইয়ে মিষ্টাৰ জোনাচক মৰা চাই থিয় হৈ থাকিল। অইন শিক্ষকসকলৰ পৰা বাধা পোৱাৰ ভয় নাই বুলি বুজা পাই দাইয়ে মিষ্টাৰ জোনাচৰ ডিঙিত ধৰিলে আৰু নিজৰ কঁকালৰ পেটিডাল খুলি ললে। ইয়াৰ পাছত সেই পেটিৰ কোবৰ পাছত কোব চলিল। সেই কোব আৰু মিষ্টাৰ জোনাচৰ আতুৰ চিঞৰ মই কোনো দিনেই নেপাহৰোঁ।

দাইৰ কোবোৱা শেষ হ'ল। মিষ্টাৰ জোনাচৰ কান্দোন কিন্তু চলি থাকিল। দাইয়ে কুহ্ ভাবথাৰ পিনে চাই চকু টিপিয়ালে। এইবাৰ বুঢ়া গৈ তেওঁক দাড়ি ধৰি দলিয়াই দিলে কয়লা থোৱা বিৰাট বাকচটোৰ ভিতৰলৈ আৰু তাকে কৰি বন্ধ কৰি দিলে বাকচটোৰ ঢাকনিখন। এইখিনি কৰি আঁতৰাই দাইয়ে খঁপাত আৰু চিগাৰেটৰ কাগজ উলিয়াই চিগাৰেট এটা পকালে। কুহ্ ভাবথাই দুইবাৰে কাঠি এডাল মাৰি দাইৰ চিগাৰেটটো জ্বলাই দিলে। এই আটাইবোৰ মিষ্টাৰ মটছিল আৰু অইন সকলোৱে নিৰ্বাক হৈ চাই থাকিল। দাইয়ে কামিজৰ আস্তিনেৰে কপালৰ ঘাম মচি টুপীটো ঠিক কৰি লৈ কোঠাটোত থকা ল'ৰা-ছোৱালীবোৰৰ পিনে চালে। মোক দেখা সত্ত্বেও তাৰ চকুত মোক চিনি পোৱাৰ কোনো লক্ষণ দেখা নগ'ল। মই ন-দি ক'ব পাৰোঁ যে মোৰ চকুতো তেনে কোনো লক্ষণ নাছিল।

“এই পাষণ্ড, এই কাপুৰুষ বৰ্বৰহঁত, ঢুল এখনৰ ভিতৰতে আছি নিৰীহ এজনক মাৰ-ধৰ কৰাৰ সাহস তইতৰ হ'ল কেনেকৈ?” মিষ্টাৰ মৰ্টছিলে চিঞৰিবলৈ ধৰিলে। তইতক মই পুলিচত দিহে এৰিম। মোৰ ডেকা বয়স থাকিলে আজি তইতক মৰাই নেৰিলোহেঁতেন।”

“মই এখেতৰ স'তে 'মোলাকাত' কৰিবলৈ আহিছিলো,” দাইয়ে খুব নম্ৰভাৱে ক'লে—যেন সি এই ঘটনাৰ বাবে দুঃখীত, প্ৰায় এনে ভাব। “মই তেওঁক পাহাৰলৈ নি যি কৰিব লাগে কৰিলোহেঁতেন। ইয়াত এইবোৰ মৰামৰি মাৰি কৰিবলৈ মোৰ অকণো মন নাছিল। মই তেওঁক লগত আহিবলৈ কৈছিলোঁ, নহয় জানো কুহ্ ভাবথা?

“ঙঁ, তইতো তেওঁক নিমন্ত্ৰণেই কৰিছিলি। তেওঁহে হা-হুঁ একো নেমাতিলে।” কুহ্ ভাবথাই গলাগিলে।

“তেওঁ পলাব খুজিছিল। গতিকে ময়ো তেওঁৰ পাছে পাছে লৰিব লগা হ'লো। তেওঁক লগ পাবলৈ মই দৰকাৰ হ'লে নৰকৰ মাজেৰে গৈ চীন দেশত ওলাবলৈকো সাজু আছিলো। গতিকে ইয়াতে লগ পাই এপালি দিলো। বৰ বেয়া কাম কৰা নাই, নহয় জানো কুহ্ ভাবথা?

“নাই, নাই। বঢ়িয়া কাম হৈছে। ব'ল দাই, এতিয়া ঘৰলৈ গৈ এটুপি খাই লওঁগৈ।”

“এতিয়া তেন্তে আহিলোহে চাৰ।” এই বুলি কৈ দাইয়ে মিষ্টাৰ মৰ্টছিলৰ পিনে চাই বিনীতভাৱে এখন হাতেৰে নমস্কাৰ জনালে। “অইন সকলোকো নমস্কাৰ জনালো। পাছে, সৌ কয়লাৰ বাকচত থকা জনক নহয় দেই—জহান্নামে যাওক সি।”

কাঠৰ মজিয়াখনত গধুৰ জোতাৰে তাণ্ডৱ শব্দ তুলি দুয়ো ওলাই গ'ল। ইয়াৰ ভালেমান সময় পিছতহে মিষ্টাৰ মৰ্টছিল সজাগ হৈ উঠিছিল।

“মিষ্টাৰ জোনাচক উলিয়াই আনকগৈ,” দুহমুনিয়াহ এটা পেলাই তেওঁ কৈছিল।

দুজন পিয়নে বাকচটোৰ ঢাকনিখন খুলি মিষ্টাৰ জোনাচক পোহৰলৈ উলিয়াই আনিলে। তেওঁৰ গোটেই মুখখনতে কয়লাৰ গুৰিবোৰ লাগিছে, গাল দুখনত দাইৰ আঙুলিৰ চাপবোৰ স্পষ্ট হৈ ফুলি উঠিছে। চকুহাল বন্ধ।

কেঁকোৰোকণৰা অকাৎ আৰুতে তেওঁৰ সোঁতেৰ পৰাবতো কাণ কাণ [illegible]
তেওঁ এনেকো কথা কোৱা নাছিল, যাবোৰ অদ্ভুত ধৰণৰ অৰ্থহীন শব্দ হৈ উঠিছিল। সেই শব্দবোৰ হয়তো আইন সভাত হাহি উঠা হ'লহেঁতেন, কিন্তু সেইদিনা সেই অৱস্থাত সেই অদ্ভুত শব্দবোৰে তোমাৰ অন্তৰত পুলকৰ জগালেহেঁতেন। মানুহ এজনক ঘৃণা কৰি সমস্তে তেওঁৰ প্ৰতি অন্তৰৰ কৰুণাধাৰা ঢালি দিয়াটো সঁচাকৈয়ে আচৰিত আৰু ভাবিবলগীয়া কথা। ই কেনেকৈ হয় বাৰু ?

২০

জেনিৰ ল'তে সেইদিনা স্কুলৰপৰা ঘৰলৈ উভতি আহোঁতে বাটত বহুতো মানুহ দেখিছিলো। আলিবাটত আৰু চাৰি আলিৰ মূৰত থিয় দি ডেঙলোকে দল দলকৈ বান্ধি গম্ভীৰভাৱে কিবা আলোচনা কৰি আছিল। মুনিহবোৰৰ গাত খনিৰ কয়লাৰ গুৰিবোৰ লাগি আছিল। তিৰোতাবোৰে ঘৰত সদায় পিন্ধা সাজ-পাৰ পিন্ধিয়ে সেইদিনা এইদৰে বাহিৰলৈ আহিছিল।

মাৰী লাবৰ ঘোঁৰাজনীক গাড়ীখনত যুঁতি থকা এলিচক মই সুধিছিলো, "কি হৈছেনো এলিচ?"

এলিচে বেদনা আৰু উৎকণ্ঠাৰে কৈছিল, "ধৰ্মঘট কৰিছে। মোৰ বোধেৰে আমাৰ মানুহখিনিও আমি ঘৰগৈ পাওঁ মানে খনিৰ কাম এৰি ওলাই আহিব। তোৰ দেউতাৰ, আমাৰটো, দেখি আৰু অইন কেইজনমানে খনিৰ মালিকইতক দেখা কৰিবলৈ গৈছে। ঈশ্বৰেহে জানে কি হ'ব।"

গোটেই বাটে মানুহবোৰে ঘৰৰপৰা লৰি ওলাই আহি এলিচক বতৰা সুধিছিল। এলিচে কোনো ঠাইতে নোৰোৱাকৈ গাড়ীৰ ওপৰৰ পৰাই চিঞৰি ঘটনা কি হ'ব ধৰিছে মানুহবোৰক জনালে। এলিচৰ কথা শুনাৰ লগে লগে গোটেই বাটে মুনিহবোৰ যেন মৃতপ্ৰায় হৈ পৰিল আৰু তিৰোতাবোৰে থৰ লাগি ৰ'ল বা কোলাত থকা কেঁচুৱাক জোৰেৰে সাবটি ধৰিলে।

আমাৰ গাওঁখনৰো মানুহবোৰ আলিবাটলৈ ওলাই আহিছিল। কোনেও বিশেষ একো কথা-বতৰা কোৱা নাছিল। ক'বলৈ বিশেষ একো নাছিলো। সকলোৰে ৰৈ আছিল খনিৰপৰা মুনিহবোৰ উভতি অহালৈ বাট চাই। গাড়ীখন ৰোৱাৰ লগে লগে মানুহবোৰে এলিচক আগুৰি ধৰিলে। মই গাড়ীৰপৰা নামি ঘৰলৈ গ'লো।

ঘৰ সোমাই দেখিছিলো মায়ে আপেল কিছুমানৰ বাকলি গুচাব ধৰিছে।

আংগাঠাৰে সেই বাকলিবোৰ জোৰ কৰিবৰ বাবে সক মানুহকৈ লুকুৱাই ৰাখিছে। ব্ৰণ আছিল—কাপোৰ ইস্ত্ৰি কৰি আৰু সময়মতে গাৰেবৰ ঠৈয়ে মুহূৰ্তৰ ছুৰুত খেলি আছিল।

মায়ে মোক সুধিছিল, "কি হ'ল ?"

"থি, ডেবীৰ মানুহবোৰে কাম এৰি গুচাই আছিছে বা।"

কোনেও হাতৰ কাম বন্ধ নকৰিলে। মই ব্ৰণৰ কাষেৰে পাৰ হৈ আহোঁতে কিন্তু গম পাইছিলো যে ব্ৰণে কান্দি আছে। কিন্তু সেই মানুহজন ইমানকৈ যে সহজে গম পোৱা নেযায়। সেই বাতি মই অবেলেকৈ ইঞ্জিনটো পৰিষ্কাৰ কৰিলো। ইতিমধ্যে মই ইঞ্জিনটো গোটেই খুলি আকৌ ঠিকমতে লগাব পৰা হৈছিলো। ইঞ্জিনটো মচি উঠি হাতত লগা তেলবোৰ কাপোৰে এখনেৰে মচাই থাকোঁতে শুনিছিলো দেউতাৰ জোতাৰ শব্দ। দেউতা নিঃশব্দে আমাৰ ঘৰটোৰ ভিতৰলৈ আহি চকী এখনত বহি জুলি থকা মম কেইডালৰ পিনে একেথৰে চাই থাকিল।

তেনেকৈ কিছুপৰ থাকি ভিডিটো এবাৰ পৰিষ্কাৰ কৰি লৈ তেওঁ মাতিলে, "হিউ।"

"কি দেউতা ?" মই তেল লাগি থকা হাত দুখন লৈয়ে তেওঁৰ ওচৰলৈ গ'লো।

"মাৰক মুখ দেখুৱাবলৈ মোৰ লাজেই লাগিছে," মম কেইডালৰ পিনে একেথৰে চাই থাকি তেওঁ ক'লে।

মই সুধিলো, "কিয় দেউতা ?"

"উস্ বাছা, তই কি বুজিবি ?" তেওঁৰ কণ্ঠ অভ্যাস থাকিলে সেইদিনা নিশ্চয় কান্দি পেলালেহেঁতেন। "তই আৰু তোৰ বংশধৰইত কেনেকৈ জীয়াই থাকিবি মই ভাবি নেপাওঁ। মোৰ ওচৰলৈ আহ বাছা।"

মই আৰু কাষ চাপি গ'লো। দেউতাই মোক সাৱটি ধৰি তেওঁৰ দাড়িৰে ভৰা গাল এখন মোৰ গালত লগাই বহুপৰ তেনেকৈ ৰ'ল।

"আজি অইনবোৰ কথা-বতৰা কৈ আৰু তৰ্ক কৰি থাকোঁতে মই তাতে সকলোকে দেখা পাইছিলো—তোক আৰু তোৰ ভৱিষ্যত সন্তানসকলক। তহঁতৰ কি অৱস্থা হ'ব মই ভাবি নেপাওঁ। আমাৰ ভৱিৰ তলৰ পৰা পৃথিৱীখন আঁতৰি যাব ধৰিছে। সেইটো বন্ধ কৰিবলৈ আমাৰ কোনো উপায়েই নাই। কোনো উপায় নাই।"

দেউতাৰ মাতটো বেদনাত ভৰি পৰিছিল।

দেউতাই পুনৰ কৈছিল, "তোৰ মাৰ আৰু মাৰৰ দৰে অইন তিৰোতাবোৰেহে আচল কষ্ট ভুগিব। এওঁলোকেইতো সংসাৰখনৰ বোজা ঢাকিব লাগে। মাৰৰ ওচৰলৈ গৈ কথাবোৰ ক'বলৈ মোৰ লাজেই লাগিছে।"

"মায়ে পিছে তোমালৈ বাট চাই আছে দেউতা," মই কৈছিলো।

অলপ পৰ দেউতা মনে মনে থাকিল। ইয়াৰ পিছত মোক অলপ আঁতৰাই দি তেওঁ চকীৰপৰা উঠিল।

"ঈশ্বৰে তেওঁৰ মঙ্গল কৰক। তেওঁতো সদায়ে মোলৈ বাট চাই কটাইছে। হিউ, তই ইয়াতে অলপ পৰ থাকিবি দেই।

"থাক দেউতা।"

দেউতা ঘৰৰ ভিতৰলৈ যোৱাৰ অলপ পিছতে আহিছিল আয়াংটো। তাৰ চকুহাল সেইদিনা উত্তেজনাত উজ্জ্বল হৈ উঠিছিল।

সি মোক সুধিছিল, "দেউতা ভিতৰলৈ গ'ল নেকি?"

"হুঁ"।

"ভালেই হৈছে। মই ভাবিছিলো তেওঁ হয়তো ঘৰলৈ ফিৰি নাহিবই।"

"কিয়?"

"তোৰ জানিবৰ দৰকাৰ নাই। দেউতাক কেনে দেখিলি বাৰু?"

"খুব আঘাত পাইছে তেওঁ।"

কাঠৰ বেঞ্চখনত ভুকুৱাই আয়াংটোৱে তেতিয়া কৈছিল, "ওঁ, আমি সকলোৱেই সদায় দুখ ভুগি আছো।" এতিয়া পাছে ইয়াৰ ওৰ পেলাব লাগিব।"

মই সুধিলো, "আমাৰ খনিৰ মানুহবোৰো ওলাই আহিব নেকি?"

"ওলাই আহিছেই। আবেলি চাৰে তিনি বজাতে আমি ওলাই আহিছো।"

"আমাৰ জিকিবৰ আশা আছে জানো?"

"ঘৰৰ পিলাচত মাখি এটা পৰিলে তাৰ ওলাই অহাৰ আশা যিমানখিনি ঠিক সিমানখিনিহে আশা কৰিব পাৰি। আশা নাই বুলিলেই হয়।"

আয়াংৰ ঘৰটোৰপৰা বাহিৰলৈ ওলাই গৈ পাগৰুৰ খিৰিকী মুখত বৈ সি মানুহৰ ভিতৰত চলি থকা কথা-বতৰা কাণ পাতি শুনি ৰণইতৰ দূৰলৈ গ'লগৈ। অইন একো কৰিবলৈ নথকাৰ বাবে মই ঘৰলৈ গ'লো।

পিছদিনা মাত্তিপুৱা চাহৰ লগত মই মাখোন দুচোখৰ কটী পালো—তাতো মাত্র এফালে মাখন লগোৱা। ফুলটৈ নিবলৈ পালো কটী; পনীৰ আৰু চাকলেট। চাহ কিন্তু নেপালো।

মায়ে ক'লে, "ফুলত তই পানীহে খাব লাগিব, ছিউ। কেইতাবাইকে নেজানে ধৰ্মঘট কেতিয়াকৈ শেষ হ'ব। গতিকে এতিয়াৰে পৰা বিশ্লি যিবোৰ আছে সাৱধানে খৰচ কৰিব লাগিব।"

আলিবাটলৈ ওলাই গৈ সিদিনা মানুহবোৰ ঘৰৰ বাকিৰত বা খিৰিকী মুখত বহি থকা দেখি আচৰিত লাগিছিল। চাৰিও পিনে কিবা এটা ভয় ভয় ভাব অনুভৱ কৰিছিলো। অইন দিনা সেখোন এই সময়ত আলিবাটটো শূন্য হৈ পৰি থাকে। বতাহত মানুহবোৰৰ অস্পষ্ট কথা-বতৰা ভাহি আহিছিল। কোনেও কিন্তু ডাঙৰকৈ কথা পতা নাছিল বা হাঁহি-ধেমালি কৰা নাছিল।

তেতিয়া জুলাই মাহ। যথেষ্ট গৰমৰ মাহ এইটো—মানুহবোৰ তাম বৰণীয়া হৈ উঠা আৰু নৈখন শুকাই যোৱাৰ মাহ এইটো। উপত্যকাৰ মানুহবোৰে পাহাৰৰ ওপৰত এখনৰ পিছত এখনকৈ সভা পাতিলে। বেলিটোৰ পোহৰত মানুহবোৰ ক্রমে তাম বৰণীয়া হৈ অহা দেখি মোৰ কেনেবা লাগিছিল।

আমাৰ ঘৰখনত ধৰ্মঘটৰ বিষয়ে এটা কথাও কিন্তু কোৱা নহৈছিল। ইয়াক পছুলিৰ বাহিৰতে ৰাখিবলৈ চেষ্টা কৰা হৈছিল। লাহে লাহে খোৱা বস্তুৰ অভাৱ হৈ আহিল। চাহ খাবলগীয়া হ'ল প্রথমে গাখীৰ নোহোৱাকৈ। তাৰ পিছত চেনিও নোহোৱাকৈয়ে, আৰু এদিন হঠাতে চাহো নোহোৱা হৈ গ'ল। মাংস লাহে লাহে দেখিবলৈ নোপোৱা হ'লো। কটীৰ পৰিমাণো কমি আহিল। মাখন খাবলৈ পালো অকল দেওবাৰে।

আগষ্ট, চেপ্তেম্বৰ।

মানুহবোৰে সভা পাতি থাকিল—অকল আমাৰ উপত্যকাতে নহয়, অইনবোৰতো। সেউতা আৰু ককাইদেউহঁতে লগায় পাহাৰ বগাই সভাবোৰলৈ যায়। মানুহবোৰে বিচাৰে বেচি দৰমহা। খনিৰ মালিকে কয় কয়লাৰ দাম কমি গৈছে, গতিকে দৰমহাও কমিব লাগিব। কোনেও নিজৰ কথা নেৰে।

তিৰোতাবোৰ ক্রমে ক্ষীণ হৈ পৰিল; ল'ৰা-ছোৱালীবোৰে খেলিবলৈ এৰিলে। মুনিহবোৰে কোনো কাৰণ নোহোৱাকৈ নিজৰ ভিতৰতে কাজিয়া

কৰিবলৈ ধৰিলে। সেয়ে নহৈ অইন কি হ'ব বাৰু? কাম-বন নোহোৱা, পইচা নথকা, ভালকৈ খাবলৈ নোপোৱা মানুহৰ খিতাতে খংটো মুঠে আনো?

স্কুলত কিন্তু একো পৰিৱৰ্তন নেদেখিলো—মিষ্টাৰ জোনাচে আগৰ দৰেই পঢ়াই গ'ল, মই মাথোন এনেয়ে বহি কটালো। আমাৰ দুয়োৰে মাজত কোনো ধৰণৰ সম্পৰ্ক নোহোৱা হ'ল। তেওঁ কোনো দিনেই মোক দাই বাওাৰ কথা সোধা নাছিল আৰু দাইয়েও তেওঁৰ বিষয়ে মোৰপৰা একো শুনা নাছিল। কেন্তবোৰ ল'ৰা-ছোৱালীয়ে স্কুললৈ আহিবলৈ এৰিলে। কাৰণ সিহঁতৰ জোতাবোৰ ফালি যোৱা সত্ত্বেও মাক-দেউতাকে নতুন জোতা দিব নোখোজে—যদি জোতা কিনি পইচা খৰচ কৰিলে খাবলৈ নোহোৱা হয়? কিছুমানে স্কুল এৰিলে, কাৰণ মাত্ৰ এসাজ খায়ে সিহঁতে দিন কটাবলগীয়া হৈছে।

জুলাই, আগষ্ট, চেপ্তেম্বৰ।

অক্টোবৰ।

গাৱঁৰ আলিবাটটোৰ কাষে কাষে থকা পকী বেৰখনত কাম-বন নোহোৱা মানুহবোৰে দিনটো আউজি কটোৱাৰ ফলত দীঘল এডাল ক'লা আঁক ফুটি উঠিল। অস্পষ্ট কিন্তু দীঘল ক'লা আঁক। তিৰোতা কিছুমানে গৰম পানীৰে আঁকডাল মচিবৰ চেষ্টা কৰিলে। দুদিনমান পিছতে আকৌ আঁকডাল দেখা গ'ল।

মদৰ দোকানবোৰ একপ্ৰকাৰ বন্ধ হৈ গ'ল। সপ্তাহত মাথোন দুদিন খোলে, কাৰণ সেই দুদিন গাঁৱৰপৰা খেতিয়কসকল আহে বজাৰখনত বস্তু বেচিবলৈ। তিনিওখন মদৰ দোকানে কেইদিনমান বাকী দি পিছত বাকী দিয়া বন্ধ কৰি দিলে। সহায় সমিতি কিছুমানে দুদিনমান মানুহক পইচা দি সহায় কৰিলে। পিছলৈ সেই সহায়ো নাইকিয়া হ'ল। দেভি, আয়াৰ্ণ্টো আৰু ইউনিয়নৰ অইন মানুহবোৰে অইনবোৰক কেইবাসপ্তাহো ধৰি টকা-পয়চাৰে সহায় কৰিলে। শেষত গৈ সিহঁতবো সহায় কৰিবৰ উপায় নোহোৱা হ'ল।

দুদিনত সাঁচিব পৰা অৱস্থা থকা মা আৰু মাৰ দৰে অইন তিৰোতাবোৰে অইনক কিছুদিন সহায় কৰিলে। সপ্তাহৰ পিছত সপ্তাহ, মাহৰ পিছত মাহ পাৰ হৈ গ'ল। ধৰ্মঘট চলি থাকিল। ক্ৰমে তেওঁলোকেও অইনক সহায় কৰিব নোৱাৰা হৈ আহিল। নিজকে সহায়ৰ প্ৰয়োজন হ'ল।

মিষ্টাৰ গ্ৰ‌ুফিয়ে প্ৰায়ে ওচৰৰ চহৰখনলৈ গৈ পাহাৰখনৰ সিফালে থকা দুখীয়াবোৰৰ বাবে খোৱা-বস্তু, পইচা আৰু পিন্ধিবলৈ কাপোৰ গোটাই আনিছিল। আমাৰ পাহাৰখনৰ কোনো এঘৰে কিন্তু সেইবোৰ বস্তু লোৱা নাছিল। মিষ্টাৰ গ্ৰ‌ুফিদ থীনাই গৈছে। আগতে পিন্ধা কাপোৰবোৰ এতিয়া তেওঁৰ গাত ঢিলা হয়। মায়ে কৈছিল যে মানুহে তেওঁ[illegible] নিজৰ ঘৰলৈ নি সুখুৱালে তেওঁ হয়তো লঘোণেই দিনবোৰ কটালেহঁতেন। কথাটো হয়ো, কাৰণ গীৰ্জাৰপৰা তেওঁ যিখিনি পইচা পাইছিল তাৰ আটাইখিনি অইনক খোৱাবস্তু যোগোৱাতে শেষ হৈছিল।

এনেয়ে বহি থকা মানুহবোৰক লৈ তেওঁ এটি গান গোৱা দল গঢ়ি তুলিলে। আইভৰক পাতিলে তেওঁৰ সহকাৰী সঙ্গীত পৰিচালক। ইখন উপত্যকাৰপৰা সিখন উপত্যকালৈ গৈ দান সংগ্ৰহ কৰি তেওঁলোকে গান গাই ফুৰিলে। ক্ৰমে অইন উপত্যকাবোৰৰ পৰাও বহুতো মানুহ আহি তেওঁৰ দলত যোগ দিলেহি।

এদিনাখন ৰাতিৰ এন্ধাৰত মই এহেজাৰমান মানুহে একেলগে গীত গোৱা শুনিছিলো। সেই হেজাৰ কণ্ঠৰ গীত শুনি মোৰ এনে লাগিছিল যেন মই স্বয়ং ঈশ্বৰৰ মাত শুনিছোঁ।

এতিয়া সৰু ল'ৰাছোৱালীবোৰ মৰিবলৈ ধৰিলে।

জুলাই, আগষ্ট, চেপ্তেম্বৰ, অক্টোবৰ।

নবেম্বৰ।

জাৰে আমাক হেঁচি ধৰিলেহি। নবেম্বৰৰ প্ৰথম সপ্তাহতে ভীষণ বৰফ পৰিল। কেইজনমান মানুহ খনিলৈ গ'ল কয়লা আনিবলৈ। খনিৰ চকীদাৰে তেওঁলোকক বাধা দিবলৈ চেষ্টা কৰিলে। সেই বাধা তেওঁলোকে আওকাণ কৰি কয়লা লৈ গুচি আহিল। পিছদিনা ৰাতিপুৱাতে খনিত পুলিচ পহৰা বহিল। দুজন মানুহক পুলিচে ধৰি নি ছমাহকৈ জেল দিলে। গতিকে এতিয়া কয়লা কিনিবলৈ পইচা নোহোৱাবোৱে খৰি বিচাৰি পাহাৰৰ ওপৰলৈ যাবলগীয়া হ'ল। অইন উপত্যকাৰ মানুহবোৰো পাহাৰলৈ আহিল খৰি বিচাৰি। ফলত অলপ দিনৰ ভিতৰতে পাহাৰখনত খৰি নোহোৱা হ'ল।

সৰু ল'ৰা-ছোৱালীৰ মৃত্যুৰ হাৰ দিনক দিনে বাঢ়ি আহিল। তিৰোতা-বোৰো মৰিবলৈ ধৰিলে। মুনিহবোৰো বাদ নগ'ল।

আবৰ হাত সাৰিৰলৈ তিনি চাৰিটা পৰিয়াল একেটা ঘৰতে থাকিবলৈ ল'লে। খনিলৈ গৈ পুলিচবোৰক হত্যা কৰাৰ ইচ্ছাবপৰা মিষ্টাৰ গ্ৰ্যুফিয়ে কোনো মতেহে মানুহবোৰক দূৰত ৰাখিলে।

নবেম্বৰৰ তৃতীয় সপ্তাহত এদিনাখন ৰাস্তিপুৱা ডাকগাড়ীখন আমাৰ ঘৰৰ সন্মুখত ৰখাই এলিচে দেউতাক এখন চিঠি দিলেহি।

"ভিতৰলৈ আহা এলিচ। চাহ-জলপান ঠিক হৈ আছে," মায়ে মাতিলে।

এলিচে ক'লে "নালাগে, মিচেছ মৰ্গান, ঘৰলৈ গৈ খামগৈ।"

"এতিয়াই খাব লাগিব। নহ'লে এই ঘৰত আৰু কোনো দিনেই সোমাব নোৱাৰিবা।"

"বাৰু, মিচেছ মৰ্গান। পাছে চাহ বা মাংস মোক নেলাগে।"

"চাহ, আলু, মাংস এই আটাইবোৰ খাব লাগিব। যি দিওঁ আটাইখিনি খাব লাগিব।"

মাৰ পিনে অস্বস্তিৰে চাই থাকি এলিচে ক'লে, "বাৰু মিচেছ মৰ্গান।"

"এই ঘৰলৈ আহি পেট ভৰাই নোখোৱাকৈ কোনোবাদিনা যাবলগীয়া হ'লে জানিবা যে মোৰ মৰণ হৈছে," মায়ে এলিচক কৈছিল।

তেনেতে দেউতাই চিঠিখন আয়ান্টোলৈ আগবঢ়াই দি মাক কৈছিল, "বেথ, ল'ৰাইত আৰু মই আজি চহৰলৈ যাব লাগিব।"

একেখৰে দেউতাৰ পিনে চাই থাকি মায়ে মাথোন সুধিছিল, "কি?"

আনন্দত অলপ উজ্জ্বল হৈ উঠি দেউতাই কৈছিল, "খনিৰ মালিকইতে আমাক মাতি পঠিয়াইছে?"

দেভিয়ে কৈছিল "আমি বোধহয় সেও মানিব লাগিব।

"পাছে তেওঁলোকে নিয়ন্তম বানচ এটা ধৰি দিম বুলি প্ৰতিশ্ৰুতি দিছে। সেইটো জানো কম কথা?" দেউতাই কৈছিল।

তেনেতে চিঠিখন লিৰিকি বিদাৰি চাই থাকি আয়ান্টোই কৈছিল, "আমি সকলোৱে ভুৰি মৰিব ধৰিছোঁ।"

এই কথা শুনি দেউতাই খঙতে ইমান জোৰে ভুকুৱালে যে মেজত থকা পিৰিচ পিয়লাবোৰ ঝনঝনাই উঠিল। চকুত জুই একুৰা লৈ দেউতাই ক'লে, "কোনো কথা নাই। ভুৰি মৰোঁ যদি মৰিম। ঈশ্বৰক সাক্ষী কৰি

মই শপত খাইছো যে, আজি দিনটো শেষ হোৱাৰ আগতে ল'ৰা-ছোৱালীহঁতক পেট পুৰাই খুৱাবলৈ ব্যৱস্থা কৰিছে এৰিম।"

মায়ে তেতিয়া দেউতাক কৈছিল, "খুব ভাল কথা, তুমি যোৱা গুইলাম। আংগাহাদ, তই গৈ মিষ্টাৰ গ্ৰিফিনক চাহ খাবলৈ মাতি আহগৈ।"

"বাক মা, এতিয়াই গৈছোঁ।" আংগাহাদ চকীৰপৰা জাপ মাৰি উঠি লৈ ঘৰৰপৰা ওলাই গৈছিল।

সেইদিনা আমি সঁচাকৈয়ে খুব বঢ়িয়াকৈ ৰাতিপুৱাৰ চাহ-জলপান খালো। মাংস, আলু, কটী-মাখন, ষ্ট্ৰবেৰিৰ জেলি আৰু চাহ—ধুনীয়াকৈ চেনী গাখীৰ দিয়া চাহ। বহুদিন ভালকৈ খাবলৈ নোপোৱাৰ পাছত ভাল খাদ্য সঁচাকৈয়ে অতি সোৱাদ লাগে।

"এইবোৰ অতদিনে ক'ত লুকাই থৈছিলা বেথ?" দেউতাই মাক সুধিছিল। সেইদিনা দেউতাক পেট ভৰাই আহাৰ খোৱা দেখি আমাৰ সকলোৰে ভাল লাগিছিল।

লাজত বঙা পৰি উঠি মায়ে কৈছিল, "হৈছে, হৈছে, নিজৰ কাম কৰা। ইমান দিনে এইদৰে থাকি এসাজ ভালকৈ খুৱাব নোৱাৰে বুলি ভাবিছা নেকি?"

গাৱঁৰ মানুহবোৰে ইতিমধ্যে আমাৰ ঘৰখনত ভিৰ লগাইছিলহি। তেওঁলোকে বুজিছিল যে এলিচে নিশ্চয় কিবা চিঠি আনিছে। এজন দুজনকৈ মানুহ আহি আনকি আমাৰ ঘৰৰ সন্মুখৰ আলিবাটটোও মানুহেৰে ভৰি পৰিল।

দেউতাই এলিচক ক'লে, "এলিচ, তুমি আমাক ষ্টেচনত থৈ আহিব লাগিব।"

"নিশ্চয় মিষ্টাৰ মৰ্গান।"

মা গৈ পইচা থোৱা বাকচটোৰপৰা পইচা উলিয়াই আনি ককাইদেউহঁত আৰু দেউতাক দিলেহি। তেওঁলোকে ভাল সাজ-পাৰ পিন্ধি ঘৰৰ বাহিৰলৈ ওলোৱা মাত্ৰেই বাহিৰত ৰৈ থকা মানুহবোৰে বুজিলে যে দেউতাহঁত কিবা ডাঙৰ কাম উপলক্ষে যাবলৈ ওলাইছে। তাৰোপৰি দেউতাৰ উজ্জ্বল মুখ দেখি তেওঁলোকে এইটোও গম পালে যে কামটো তেওঁলোকৰ পক্ষে নিশ্চয় শুভ।

চকুলোৰ ধাৰ বোৱাই তেওঁলোকে দেউতাহঁতক অভিনন্দন জনালে। যোঁৱা গাড়ীখন ষ্টেচন অভিমুখে এবাৰ লগে লগে দেউতাৰ চকুতো এল

নামিছিল। মানুহবোৰে গাড়ীখনৰ পাছে পাছে গাঁৱৰ একেবাৰে শেষ সীমালৈ গৈ থাকিল।

সেই দিনা মই স্কুললৈ নগলো যদিও অইন বহুতো কাম কৰিবলগীয়া হ'লোঁ। আইভৰৰ লগ লাগি মই কিছুমান চিঠি লিখিলো। সেই চিঠিবোৰ নি আমি পাহাৰখনৰ সিপাৰৰ খনিবোৰৰ মুখীয়ালসকলক দিলোগৈ। তেওঁলোকে সেই চিঠি খনিত কাম কৰা সকলোকে পঢ়ি শুনাব। চিঠিত লিখা আছিল যে দেউতাহঁত পিছদিনা ৰাতি উভতি আহিব আৰু তেওঁলোকে দেউতাহঁতক লগ ধৰিবহি লাগে।

সেইদিনা গধূলিয়েই প্ৰায় পাঁচমান বজাত টেলিগ্ৰাম আহিল যে ধৰ্মঘটৰ ওৰ পৰিছে। পেঞ্চিলেৰে লিখা সাধাৰণ আখৰ কেইটামান মাত্ৰ। কিন্তু এই সাধাৰণ আখৰ কেইটাই আমাৰ সকলোকে আনন্দত মতলীয়া কৰি তুলিছে।

আলিবাটে বাটে মানুহবোৰে চিঞৰি আৰু নাচি-বাগি ফুৰিবলৈ ধৰিলে, তিৰোতাবোৰে খিৰিকী মুখত থিয় দি হাত জোকাৰি জোকাৰি তেওঁলোকক উৎসাহ দিলে, ল'ৰা-ছোৱালীবোৰে পুনৰ খেল আৰম্ভ কৰিলে।

ৰাতি প্ৰায় সাতমান বজাত এখন ডাঙৰ গাড়ী পাহাৰখনৰ সিপাৰৰ পৰা আমাৰ গাঁওখনৰ মাজত ৰ'লহি। বৰফ পৰি থকা বাবে ইতিমধ্যে মানুহবোৰ ঘৰ সোমাইছিলগৈ।

গাৰোৱানজনে চিঞৰ-বাখৰ কৰাত দুই এজন মানুহ ওলাই আহিল। কিন্তু যেতিয়া সকলোৱে গম পালে যে গাড়ীখনত তেওঁলোকৰ বাবে এসোপা খোৱাবস্তু আনিছে তেতিয়াই প্ৰতিটো ঘৰৰ দুৱাৰ খুলি মানুহবোৰ দুপ দুপাই লৰি আহি গাড়ীখন আগুৰি ধৰিলে গৈ। উপায় নাপাই গাৰোৱানজনে অইন দুজনমানক ক'লে তেওঁলোকে যেন মানুহবোৰক এজন এজনকৈ আহি খোৱাবস্তুৰ টোপোলাবোৰ নিবলৈ কয়।

কিছুমানে ক'লে যে এই খোৱাবস্তুবোৰ পঠিয়াইছে লণ্ডনৰ কোনোবা এখন বাতৰি কাকতে, কোনোৱে ক'লে মুচা ইভান্সে মানুহবোৰৰ লগত মিতিৰ পাতিবলৈ এতিয়া এইবোৰ পঠিয়াইছে, অইন কেতবোৰে ক'লে যে মিষ্টাৰ গ্ৰিফিদে কেনেবাকৈ এইবোৰ যোগাৰ কৰিছে। পাছে মিষ্টাৰ গ্ৰিফিদক সোধাত দেখা গ'ল তেওঁ এই বিষয়ে একো নেজানে। পিছদিনা ৰাতি দেউতা আৰু ককাইদেউহঁত ঘৰলৈ উভতি অহাতহে গম পাইছিলো কোনে এইবোৰ দিছিল।

সেই ৰাতি হোৱা শোভাযাত্ৰাটো তুমি দেখিব লাগিছিল।

শ শ মানুহে হাতত জোৰ লৈ পাহাৰখনৰ ওপৰলৈ উঠি গৈ ষ্টেচনৰপৰা যোঁৱা গাড়ীৰে ঘৰলৈ আহিব ধৰা দেউতা আৰু ককাইদেউইঁতক বাটত লগ ধৰিছিল।

পাহাৰ বগাই নামি আহিব ধৰা শ শ জোৰৰ পোহৰ চাই আৰু ক্ৰমে কাষ চাপি আহি থকা মানুহবোৰৰ মাত শুনি সেই ৰাতি কি যে অদ্ভুত লাগিছিল। তেওঁলোকক লগ পাবলৈ আৰু শ শ মানুহ হাতত জোৰ লৈ পাহাৰৰ ওপৰলৈ লৰি গৈছিল। তিৰোতাবোৰৰ স'তে শ শ মানুহ বৈ আছিল গাঁওখনত। মানুহৰ ভিৰ আৰু চিঞৰ-বাখৰ ইমান বেছি হৈছিল যে দেউতাই বিশেষ একোকে ক'ব পৰা নাছিল। তেওঁৰ ভাগৰো লাগিছিল। তথাপি অইন কোনো দিনেই তেওঁক সেই দিনাতকৈ বেছি আনন্দিত দেখা নাছিলোঁ।

"কামলৈ যোৱা আৰম্ভ কৰিব লাগিব," দেউতাই চিঞৰি কৈছিল। কথাষাৰ শুনা মাত্ৰকে মানুহবোৰে আনন্দতে হুলস্থূল খন লগাই দিছিল। "আমি আগতকৈ অৱশ্যে কম দৰমহা পাম, কিন্তু নিম্নতম দৰমহা ঠিক কৰা হৈছে। এই বিষয়ে প্ৰয়োজনীয় কাগজ-পত্ৰ চহী হৈছে আৰু অলপতে এইবাবে আইনৰ ব্যৱস্থাও কৰা হ'ব। গতিকে কামলৈ যাব লাগিব।"

মানুহবোৰে সুধিছিল, "কেতিয়া? কেতিয়া যাম?"

"কাইলৈ।"

মানুহবোৰে একেলগে চিঞৰিলে, "কাইলৈ।" লগে লগে বেণ্ড বাজি উঠিল। থ্ৰি বেলচ্ নামৰ মদৰ দোকানখনো অলপ পাছতে খুলিলে। দোকানৰ বিয়েৰ মানুহবোৰৰ মাজত বিলোৱা হ'ল। লগে লগে চলি থাকিল নাচ।

জাৰৰ প্ৰকোপ, জোৰবোৰ মুমাই অহা, খোৱাবস্তু আৰু মদ শেষ হৈ যোৱাৰ বাবেহে সেই ৰাতি মানুহবোৰে ঘৰাঘৰি গুচিলৈ গৈছিল।

ঘৰ সোমায়েই দেউতাই মাৰ স'তে মাটিত আঁঠুকাঢ়ি লৈ প্ৰাৰ্থনা কৰিছিল —"হে প্ৰভু এই সকলোবোৰৰ বাবে, তোমাৰ কৰুণাৰ বাবে, তোমাৰ পথ নিৰ্দেশনৰ বাবে অন্তৰৰ অন্তঃস্থলৰপৰা ধন্যবাদ দিছোঁ। কালি তোমাক আন্তৰিক ধন্যবাদ দিছিলো, আজি পুনৰ দিছো আৰু কাইলৈও দিম। ঈশ্বৰ পুত্ৰ যীশুৰ নামত।"

আমি সকলোৱে একেলগে কৈছিলো, "আমেন"।

২১

পিছদিনা বাত্তিপুৰা মানুহবোৰ কামলৈ যোৱাৰ আগতেই মই স্কুললৈ গৈছিলোঁ। বাটত বৰফ পৰি থকাৰ বাবে স্কুললৈ যাবলৈ বেছি সময় লাগে তাৰোপৰি ইয়াৰ আগৰ দুদিন মই ঠিক সময়ত স্কুল গৈ পোৱা নাছিলো।

পাহাৰৰ টিঙৰপৰা আমাৰ উপত্যকাখন বহল, বগা আৰু ধুনীয়া দেখা গৈছিল। পাহাৰখনৰ ওপৰৰপৰা নামনিলৈকে বৰফৰ ওপৰত মোৰ জোতাৰ খোজবোৰ ক'লা ক'লা ছাঁৰ দৰে পৰি আছিল। খনিৰ আৱৰ্জনাৰ দ'মবোৰো বৰফেৰে ঢাক খাই আছিল। দুই এঠাইৰ বাহিৰে আমাৰ গোটেই গাঁওখন কেইবা ইঞ্চিও ডাঠ বৰফে ঢাকি আছিল। নৈখন বৰফেৰে গোট মাৰিছিল। দুই এঠাইতহে মাথোন ইয়াৰ পানী দেখা গৈছিল। চৰাইবোৰ কিন্তু তেতিয়াও নৈখনৰ দুয়োপাৰে উৰি ফুৰিছিল। সিহঁতে নৈখনত কি বিচাৰিছিল মই কিন্তু নেজানো।

স্কুলখনত জাৰৰ প্ৰকোপ আৰু বেছি। দিনটোত কেইবাবাৰো আমি বহু সময় জুৰি হাত চাপৰি বজাই হাতবোৰ গৰম কৰি লৈছিলো কলম ধৰিবৰ বাবে।

পাছবেলা মোক মিষ্টাৰ মটছিলে মাতি পঠিয়ালে। তেওঁৰ কোঠালৈ গৈ দেখিলো অভাৰকোটটো পিন্ধি তেওঁ জুইকুৰাৰ কাষত বহি আছে।

তেওঁ ক'লে, "মৰ্গান, মই তোমাৰ স্কুলত কৰা কাম আৰু ঘৰত কৰা কাম বিজাই চাইছো। এই দুটাৰ মাজত পাৰ্থক্য অদ্ভুত ৰকমে বেছি। ইয়াৰ কাৰণ কি বাৰু?"

তেওঁৰ চকুত দেখিছিলো মৰম আৰু দয়া।

খুব মৰমেৰে তেওঁ পুনৰ ক'লে, "তোমাৰ স্কুলৰ বহীবোৰ লুটিয়াই চালে এনে লাগে যেন তুমি এটা এলেহুৱা গাধা ল'ৰা। মই এই কথা গম পাইছো যে

তোমাৰ ভিনিওজন ককাইদেউ স্কুলত খুব ভাল আছিল। তোমাৰ ক্ষেত্ৰে এই অৱস্থা হ'ল কেনেকৈ? তোমাৰ বুলি ক'লে ঠিক কোৱা নহব—তোমাৰ এভাগৰ বুলিয়েই কোৱা যাওক। কাৰণ তোমাৰ ঘৰত কৰা কামবোৰ সম্পূৰ্ণ বেলেগ ধৰণৰ। ইয়াৰ কাৰণ কি বাৰু।"

এনেকুৱা কিছুমান সময় মানুহৰ জীৱনলৈ আহে যে তোমাক কোনোবাই কিবা প্ৰশ্ন এটা কৰিলে আৰু তাৰ উত্তৰ তুমি খুব ভালদৰে জানিলেও সেই উত্তৰ দিবলৈ তুমি ভাষা বিচাৰি নোপোৱা। কিবোৰ শব্দ তোমাৰ মনলৈ আহে সেই আটাইবোৰ তোমাৰ খুব সস্তীয়া ধৰণৰ আৰু অৰ্থহীন যেন লাগি যায়। ফলত, লাজতে তুমি একো ক'ব নোৱাৰা।

মিষ্টাৰ মটছিলে আকৌ ক'লে, "তুমি বৃত্তি পাই বিশ্ববিদ্যালয়লৈ পঢ়িবলৈ যাবা বুলি মই খুব আশা কৰিছিলো মৰ্গান। স্কুলৰ হলটোত তোমাৰ নামটো সোণালী আখৰেৰে বিশেষ ব'ৰ্ড এখনত লিখা থাকিলে মই খুব ভালপালো-হঁতেন। ভাবি চোৱাচোন, এই স্কুলত অইন ল'ৰা-ছোৱালীবোৰে তেতিয়া তোমাক লৈ কিমান গৌৰৱ কৰিলেহেঁতেন। তুমি সিইতৰ আদৰ্শ হ'লাহেঁতেন। তোমাৰ মা দেউতাৰ কথাও ভাবা। তেওঁলোকে বং নাপাব জানো?"

"হয় চাৰ।" কিবা এটা কৈ সন্মতি জনাবলৈ পাই মই ৰক্ষা পৰিলো।

মোৰ কান্ধত হাত এখন থৈ মিষ্টাৰ মটছিলে তেতিয়া কৈছিল, "তেন্তে তোমাৰ স্কুলৰ কাম ঘৰৰ কামৰ তুলনাত ইমান শোচনীয় কিয়? তুমি ইয়াত ভাল পোৱা নাই নেকি?"

"মই মিষ্টাৰ টাইচাৰৰ তলত পঢ়িবলৈকে ভাল পাম," মই তেতিয়া কৈছিলো।

হাঁহো নেহাঁহোকৈ থাকি মিষ্টাৰ মটছিলে কৈছিল, "অ,' মই ঠিকেই ধৰিছিলো। ধন্যবাদ মৰ্গান। তোমালোক বেলছ মানুহবোৰ সঁচাকৈয়ে অদ্ভুত। যোৱা, এতিয়া ক্লাচলৈ যোৱাগৈ।"

"ভাল ছাৰ।"

মই দুৱাৰখন মেলিবলৈ ধৰোঁতে তেওঁ পুনৰ কৈছিল, "এটা কথা মনত ৰাখিবা মৰ্গান,—যাৰ কিবা ক'বলৈ আছে আৰু প্ৰয়োজন হ'লে সেইখিনি ক'ব পাৰে সিয়েহে জীৱনত উন্নতি কৰিব পাৰে। ভয়তে মনে মনে থকাবোৰ কাপুৰুষ। বুজিছা?"

"হয় ছাৰ।"

"কথাবাৰ মনত ৰাখিবা।"

শ্ৰেণীলৈ উভতি গ'লো। মিষ্টাৰ মটছিলৰ কথা মতে মনপুতি পঢ়া শুনা কৰিম বুলি প্ৰতিজ্ঞা কৰিলো। বহীবোৰ মেলি মোৰ স্কুলত কৰা কামবোৰ চালো। সঁচাকৈয়ে, কি লাজ লগা কাণ্ড— আগ-গুৰি নোহোৱা কথা কিছুমান, ইয়াত চিয়াঁহীৰ টোপ, তাত পেঞ্চিলৰ আঁচোৰ, আৰু ক'ত কি। জ্যামিতিৰ বহীখনতো চাবই নোৱাৰি।

হঠাতে মোৰ অনুমান হ'ল ক'ৰবাত যেন কিবা বিভ্ৰুতি ঘটিছে। অলপ পিছতে গম পালো মিষ্টাৰ জোনাচে পঢ়োৱা বন্ধ কৰিছে। তেওঁক আমাৰ সন্মুখত নেদেখিলো। হঠাতে মোৰ ঠিক পাছফালে তেওঁ হাঁহি উঠা যেন পালো। মোৰ কান্ধৰ ওপৰেদি তেওঁৰ হাত এখন আগুৱাই আহি মোৰ বহীখন কাঢ়ি নিলে। পাতবোৰ লুটিয়াই থাকি তেওঁ নিজে নিজে নিষ্ঠুৰভাৱে হাঁহি থাকিল।

"বাহিৰলৈ ব'ল মৰ্গান। তোৰ দৰে পণ্ডিত এজনক অইনৰ স'তে পৰিচয় কৰাই দি মই ধন্য মানিম।"

কেইনৰেনে তেনেতে মোৰ পিনে ঘূৰি চালে। মই তাইৰ চকুত দুই একুৰা জ্বলি উঠা দেখিবলৈ পালো। মূৰটো দুপিয়াই তাই মোক যুঁজিবলৈ ক'লে। সেই চিন্তা মোৰ মনলৈ আগতেই আহি গৈছে। মোৰ গাত হাত দিয়া বাবে মোৰ খুব খং উঠিছিল। কোঠাটোৰ দুৱাৰ মুখ গৈ পাবলৈ মই বাট চাই আছিলো, কাৰণ সেইখিনিতহে যুঁজিবৰ উপযুক্ত ঠাই ওলাব। মিষ্টাৰ জোনাচক মই সেইপিনে ঠেলি ঠেলি লৈ গৈ থাকিলো। সেইখিনি পায়েই বুকু লক্ষ্য কৰি চলালো ঘোচা। তেওঁৰ জেপঘড়ীৰ শিকলি ডালত লাগি মোৰ হাতখনৰ এঠাইত ভালকৈয়ে দুখ পালো।

গোটেই স্কুল ঘৰটো কঁপাই তুলি তেওঁ মাটিত বাগৰি পৰিল। লগে লগে শ্ৰেণীৰ ছোৱালীবোৰে চিঞৰিবলৈ আৰম্ভ কৰি দিলে।

"পলোৱা হিউ। এতিয়াই পলোৱা," কেইনৰেনে চিঞৰি মোক ক'লে।

ইতিমধ্যে মিষ্টাৰ জোনাচ থিয় দি উঠিল। তেওঁ মোক ধৰিবলৈ চেষ্টা কৰিলে। কেতিয়াবা মানুহৰ মনলৈ অইনৰ নাক-মুখৰপৰা হো হো কৈ তেজ ওলোৱা চাবলৈ দুৰ্বাৰ ইচ্ছা এটা আহে। সেই ইচ্ছাই এতিয়া মোক বলিয়া কৰি তুলিলে। দাই আৰু কুহ্‌ভাৰথাৰ স'তে পাহাৰলৈ মই এনেয়ে গৈ থকা নাছিলো।

খুঁতৰি লক্ষ্য কৰি বাওঁহাতৰ এটা ঘোঁচা— মই ঘৃণা কৰা এজনৰ মুখত সেই ঘোচা গৈ পৰাত আৰু তাৰ ফলত তেওঁৰ ঘৃণণীয় চকু দুটা বাতনাত কোঁচ খাই উঠাত মোৰ যে কি আনন্দ। নাকত সোঁ হাতৰ এটা ঘোচা; মুৰত এটা বাওঁহাতৰ ঘোচা—বাচ, পুনৰ তেওঁ বাগৰি পৰিল আৰু তেনেতে মিষ্টাৰ মটছিল কোঠাটোলৈ সোমাই আহিল। এক মুহূৰ্ত আগতে তুমি যুঁজিবলৈ বলিয়া হৈ আছিলা আৰু তোমাৰ ব্যৱহাৰৰ ন্যায্যতাৰ বিষয়ে তোমাৰ অকণো সন্দেহ নাছিল। কিন্তু মুহূৰ্ত মাত্ৰ পিছতে তাৰবাবে তোমাৰ নিজৰ ওপৰতে ধিক্কাৰ জন্মিল, লাজত তোমাৰ মাটিৰ লগত মিহলি হৈ যাবৰ মন গ'ল। ই কি অদ্ভুত কথা বাৰু?

মিষ্টাৰ মটছিলে কোঠাটোত সোমাই মোৰ পিনে চোৱাৰ লগে লগে মোৰ এনে অৱস্থা হৈছিল।

খুব গম্ভীৰভাৱে তেওঁ ক'লে, "মৰ্গান, কিতাপ-পত্ৰ লৈ তুমি এতিয়াই ঘৰলৈ যোৱাগৈ। এই সপ্তাহটো স্কুললৈ নাহিবা। অহা সোমবাৰে মোক দেখা কৰিবা। মিষ্টাৰ জোনাচ, অনুগ্ৰহ কৰি মোৰ কোঠালৈ আহক।"

গতিকে মই ঘৰলৈ যাবলৈ সাজু হলোঁ। কেইনৰেনে দুয়ো হাতেৰে মুখখন ঢাকি হাঁহি বাগৰি পৰিল।

ঘৰলৈ গৈ মাক কেনেকৈ ক'ম যে মাষ্টৰক মৰা বাবে মোক স্কুলৰপৰা খেদি দিছে? এই কথা ভাবি পাৰ নোপোৱা হলোঁ। যিমানেই এই বিষয়ে ভাবিলোঁ সিমানে নিজকে দোষী যেন লাগিল। বৰফৰ মাজেৰে পাহাৰখনৰ আটাইতকৈ বেয়া বাটটোৰে মই ঘৰৰ পিনে খোজ ললোঁ—যাতে ঘৰ গৈ পাওঁতে সময় বেছি লাগে। তাৰোপৰি নিজক কষ্ট দি অনুতপ্ত অন্তৰক মই শাস্তি দিব খুজিছিলোঁ। পাছে, যিমানে ঘৰৰ ওচৰ চাপিলোঁ সিমানে মোৰ বেছি বেয়া লাগি আহিল।

মই ব্ৰণইতৰ ঘৰলৈ গ'লো, কিন্তু ব্ৰণ তেতিয়া ওপৰ মহলাত কিবা কাম কৰি ব্যস্ত হৈ আছে। মই অহা গম পাই তেওঁ ওপৰৰপৰা মোক মাতিছিল যদিও মই একো উত্তৰ নিদি ওলাই গলোঁ। ঘৰলৈ গৈ পাছফালৰ খিৰিকীৰে বহী-কিতাপবোৰ ভিতৰলৈ দলিয়াই দি মই মিষ্টাৰ গ্ৰিফিদৰ ঘৰলৈ লৰ ধৰিলোঁ। মোৰ ভয় লাগিছিল মায়ে মোক দেখে বুলি।

আগফালৰ দুৱাৰখনেৰে সোমাই গৈ মই তেওঁৰ পঢ়া কোঠাৰ সন্মুখত

থমকি ৰ'লোঁ। বাহিৰত বৰফ পৰি আছিল যদিও মিষ্টাৰ গ্ৰুফিদে দেখিলোঁ গৰমত ঘামি-জামি উঠিছে। মেজ এখনৰ ওপৰত আছিল আমাৰ চাহ-পুচি এটা আৰু আমাৰে কাঁহী দুখনমানত কটী, মাংস, চালাদ আদি।

মিষ্টাৰ গ্ৰুফিদৰ পিনে চাই মেজখনৰ কাষত থিয় দি আছিল আংগাহাৰ্ড। তাইৰ খোলা চুলিকোছা গাৰ চাদৰখনৰ ওপৰত পৰিছিল। মিষ্টাৰ গ্ৰুফিদে ৰাকচ এটা চোঁচোৰাই নি থকাৰ বাবে মই অহাৰ কথা গম নাপালে। মই কিবা কোৱাৰ আগতে তেওঁ আংগাহাৰ্ডৰ পিনে এবাৰ চাই ঘামত তিতি উঠা কঁপালখন মচিবলৈ জেপৰপৰা কমালখন উলিয়ালে।

মিষ্টাৰ গ্ৰুফিদে কোৱা শুনিলোঁ, "মই এই বিষয়ে বহুতো ভবা-চিন্তা কৰিছোঁ। যিমানে ভাবিছোঁ সিমানে কথাটো অন্যায় যেন লাগিছে।"

"অন্যায় নহয়।" আংগাহাৰ্ডে কথাষাৰ থং কৰি কোৱা নাছিল যদিও তাইৰ মাতটোত মৃদু অধৈৰ্যতা ফুটি উঠিছিল। "আয়োষ্টিনৰ স'তে মোৰতো বিশেষ একো সম্বন্ধ নাই। সাধাৰণ বন্ধু এজন, অইন একো নহয়।"

"কিন্তু তেওঁ তোমাক বহুদিনৰ পৰা ভাল পাই আহিছে। তাৰোপৰি তোমাৰ মাৰাই সদায় কয় যে তেওঁৰ স'তে তোমাৰ বিয়া হ'লে তেওঁ খুব ভাল পাব, কাৰণ, তেতিয়াহ'লে তুমি খুব সুখত থাকিব পাৰিবা।"

আংগাহাৰ্ডে কোৱা শুনিলোঁ, "তেনেকুৱা সুখ'তো মই বিচৰা নাই।" কথা-বতৰাত মাৰ সতে ইমান মিল আছিল যে মোৰ হাঁহি উঠি গৈছিল। তেনেকুৱা সুখতকৈ মই অইন কিবাহে বিচাৰোঁ।

"মোৰ কিন্তু এইটো অন্যায় যেন লাগে— বিশেষকৈ তোমাৰ কথা ভাবিলে," মিষ্টাৰ গ্ৰুফিদে ক্লান্ত ভাবে ক'লে।

"আপোনাৰ নিজৰ বিষয়ে ভাবি চাওক। মোৰ বিষয়ে অলপ কমকৈ ভাবিলেও হ'ব। মই তেওঁক বিচাৰিলেতো সহজেই পাব পাৰোঁ। মইতো তেওঁক নিবিচাৰোঁ, আপোনাকহে।"

মিষ্টাৰ গ্ৰুফিদে তেতিয়া কোৱা শুনিছিলো, "আংগাহাৰ্ড, তুমি একেবাৰে নিলাজ।"

"হব পাৰোঁ। সঁচা কথা ক'লে যদি নিলাজ হয় তেনে হোৱাত মোৰ আপত্তি নাই।"

"তুমি যিয়েই নোকোৱা মোৰ দৃঢ় বিশ্বাস এইটো অন্যায়।"

মেজত থকা পিৰিচ-পিয়লাবোৰ গোটাই লৈ আংগাহ্লাদে ক'লে, "মাহুহে কি ক'ব এই ভাবি আপুনি ভয় কৰিছে। আপুনি মানুহৰ কথালৈ ভয় কৰিছে, অইন একো নহয়।"

"কেতিয়াও নহয়। মানুহৰ কথা মই ভবা নাই। মই ভাবিছো তোমাৰ কথা। এইটো হবলৈ দিলে তুমি গোটেই জীৱন অভাৱত কটাব লাগিব। তুমি আৰু মই দুয়ো খোৱা-পিন্ধাৰ বাবে আজীৱন অইনৰ দয়া-দক্ষিণাৰ ওপৰত নিৰ্ভৰ কৰিব লাগিব। ঠিক সময়তকৈ কুৰি বছৰ আগতে তোমাৰ চুলি বগা হৈ অহা চাবলৈ মই ভাল পাম বুলি তুমি ভাবানেকি? অইনে পিন্ধি দান দিয়া কাপোৰ পিন্ধি আমাৰ ল'ৰা-ছোৱালী ডাঙৰ হোৱা চাবলৈ ভাল লাগিবনে? অভাৱৰ সংসাৰ এখন লৈ সন্তান জন্ম হ'লে আমি ঈশ্বৰক ধন্যবাদ দিব পাৰিম জানো? ওহো, আংগাহ্লাদ, অইন যিয়েই নহওঁক লাগে মই এজন পুৰুষ। এতিয়া যি জীৱন কটাইছোঁ সেইটো মোৰ কামৰ বাবে অনায়াসে মানি লব পাৰিছোঁ। কিন্তু এই জীৱন তোমাৰ ওপৰত মই কোনোমতেই জাপি দিব নোৱাৰিম।"

তেওঁৰ ওচৰ চাপি গৈ আংগাহ্লাদে সুধিছিল, "কিয় বাৰু?"

"কাৰণ, ইয়াৰ কোনো প্ৰয়োজন নাই," খুব বেজাৰেৰে মিষ্টাৰ গ্ৰুফিদে উত্তৰ দিছিল। "দুখীয়া হোৱাত একো মহত্ত্ব নাই। পৃথিৱীখন আনন্দপূৰ্ণ। এই আনন্দ সকলোৱে উপভোগ কৰক ইযাকে বিচাৰোঁ। .বাৰু তুমি এতিয়া যোৱাগৈ। মোৰ বহুতো কাম আছে।"

তেওঁ আংগাহ্লাদৰ কাষৰপৰা আঁতৰি গৈ বাকচ এটা চোচোৰাই নিবলৈ আৰম্ভ কৰি দিছিল। আংগাহ্লাদে খুব বেজাৰ মনেৰে মুখ জোকাৰিছিল। লৰালৰিকৈ তাৰপৰা ওলাই ব্ৰণইতৰ ঘৰলৈ গুচি গৈছিলোঁ।

"ব্ৰণ, আমাৰ মাষ্টৰে মিষ্টাৰ জোনাচক মৰাৰবাবে মোক স্কুলৰপৰা আজি খেদি দিছে," মই ক'লোঁ।

হাতত লাগি থকা ময়দাৰ গুৰিবোৰ একৱাই থাকি ব্ৰণে মোক সুধিলে, "ভালকৈ মাৰিলিনে?"

"হুঁ"।

কাষ চাপি আহি ব্ৰণে সুধিলে, "এবাৰহে মাৰিলিনেকি?"

"পাঁচটা ঘোচা মাৰিছো। দুবাৰ তেওঁ মাটিত বাগৰি পৰিছিল।"

"খুব ভাল কৰিছ। ইয়াৰবাবে তই পাঁচটা চুমা পাবি।" এই বুলি তেওঁ মোক লেখি লেখি পাঁচোটা চুমা দিছিল। "যা এতিয়া মাৰক এই বিষয়ে কগৈ।"

"উহোঁ, মোৰ ভয় লাগে।"

"কিয় ভয় লাগে? জান, মাৰে সেই মানুহজনক কিমান ঘৃণা কৰে? যা মাৰক কগৈ। তাৰ পিছত ইয়ালৈ আহি ট্ৰেবেৰিৰ জেলি খাবি।"

"বাক তুমি কৈছা যদি যাম। মোৰ পাছে সঁচাকৈয়ে ভয় লাগিছে।"

মই ওলাই গ'লোঁ। বাটত পৰি থকা বৰফবোৰ লথিয়াই গৈ থাকি ঘৰ গৈ পাবলৈ যিমানদূৰ সম্ভৱ পলম লগালোঁ। আমাৰ ঘৰৰ পাছফালৰ দুৱাৰমুখ গৈ পাবলৈ মোৰ কেইবা মিনিটো লাগিল। ঘৰসোমোৱাত পলম কৰিবলৈকে হোৱাই নোহোৱাই এনেয়ে জোতাযোৰ পৰিষ্কাৰ কৰি থাকোতে দেখিছিলোঁ খিৰিকীমুখত থিয় হৈ মায়ে মোৰ পিনে চাই হাঁহি আছে।

মায়ে ক'লে "ভিতৰলৈ নাহ কিয়?"

মই ঘৰৰ ভিতৰ সোমাই এঠাইত থিয় দি ৰলোঁ। কিয় জানো ক'ব নোৱাৰোঁ। দোষ কৰি শাস্তি পাবলগীয়া থাকিলে সাধাৰণতে মানুহে মূৰ্খৰ দৰে এঠাইত থিয় দি থাকে— যেন সেইদৰে থাকিলে শাস্তিৰ হাত সাৰিব পাৰি।

"কি হ'ল?"

"মোক স্কুলৰপৰা খেদি দিছে, মা।"

"ওঁ, ব্ৰণে মোক কৈছে।.. এই কিতাপ খোৱা থাক কেইখন মিষ্টাৰ গ্ৰুফিদৰ ঘৰলৈ পঠিয়াই দিম বুলি মই আজি কেইবাদিনৰপৰা ভাবি আছোঁ। তয়ে লৈ যাগৈ।"

"পাছে তুমি মোৰ কথা শুনিছানে নাই। মই মিষ্টাৰ জোনাচক মাৰি বগৰাই দিছিলোঁ। সেইবাবে মোক স্কুলৰপৰা খেদি দিছে।"

"ভালকৈ গোৰ এটা মাৰিলিনে নাই?" মায়ে সুধিলে।

"নাই মৰা।"

"মই ভাত খাকিব লাগিছিল। বাক এতিয়া মিষ্টাৰ গ্ৰুফিদক এইবোৰ দি আহগৈ।"

সেইদিনা এখন দুখন নালাগে অন্ততঃ পঞ্চাশখন তেনেকুৱা থাক্ মই অনায়াসে কঢ়িয়াই নিব পাৰিলোহেঁতেন। মনটো মোৰ ইমান পাতল লাগিছিল।

মিষ্টাৰ গ্ৰ‌ুফিদৰ মতামত কিন্তু একেবাৰে বেলেগ।

মই তেওঁক এই বিষয়ে জনোৱাত তেওঁ কৈছিল, "তুমি তোমাৰ শিক্ষকক মাৰিলা? তোমাৰ লাজ লগা নাইনে, হিউ মৰ্গান? এনেকুৱা লাজ লগা কথা মই ক'তো কেতিয়াও শুনা নাই। শিক্ষকক মাৰিলা? অকণমান ল'ৰা এটাই শিক্ষকক মাৰিলে।"

"মোৰ খুব খং উঠি গৈছিল," মই ক'লোঁ।

অতিপাত ঘৃণা আৰু বিৰক্তিত তেতিয়া মিষ্টাৰ গ্ৰ‌ুফিদে কৈছিল, "তোমাৰ খঙ উঠিছিল—কথা ক'বলৈ নাপালা আৰু? কোনোবাই আমাক কিবা শিক্ষা দিলে আমাৰ খং উঠিব লাগে, নহয় জানো? যীশুখৃষ্টৰ নাম শুনিছানে? তেওঁৰ কেতিয়াবা খং উঠিছিল নে?"

মই ক'লো, "মুদ্ৰা ব্যৱসায়ীসকলৰ ওপৰত তেওঁৰো খং উঠিছিল।"

"সিহঁতে পৱিত্ৰ ঠাই এডোখৰ কলুষিত কৰাৰ বাবেহে তেওঁৰ খং উঠিছিল—আইনৰ ওপৰত বা সন্মান কৰিবলগীয়া কোনো বস্তুৰ ওপৰত তেওঁৰ খং উঠা নাছিল। আনকি মানুহে তেওঁক হত্যা কৰিবলৈ ওলোৱাতো তেওঁ মানুহবোৰৰ ওপৰত খং কৰা নাছিল। কিন্তু আমাৰ মৰ্গান বোপাৰ কথা বেলেগ—কোনোবাই কিবা ক'লে তেওঁৰ খং উঠি শিক্ষকক মাৰি বগৰাই দিলেহে তেওঁ শান্তি পাব। মৰ্গান বোপা, চক্ৰেটিছৰ নাম শুনিছানে বাৰু?"

"শুনিছোঁ ছাৰ।"

কিতাপ এখনৰ পিনে আঙুলিয়াই তেতিয়া মিষ্টাৰ গ্ৰ‌ুফিদে কৈছিল, "তেন্তে অনুগ্ৰহ কৰি ক্ৰিটো আৰু তেওঁৰ মাজত হোৱা আইন সম্বন্ধীয় তৰ্কৰ বিষয়ে পঢ়িবা। প্লেটোৱে এই বিষয়ে তোমাক যি শিক্ষা দিব লাগে দিব।"

প্লেটোৰ কিতাপখন লৈ মই পঢ়িবলগীয়া অংশখিনি পঢ়িলোঁ।

মিষ্টাৰ গ্ৰ‌ুফিদে ক'লে, "দুহেজাৰ বছৰতকৈও বেছি আগতে এই কথাবোৰ লিখা হৈছিল। কিন্তু কি হ'ব? আজিৰ এই তথাকথিত সভ্যতাৰ দিনত অকণমান গোঁৱাৰ ল'ৰা এটাই সন্মান কৰিবলগীয়া শিক্ষক এজনৰ মুখত ঘুচিয়াইহে শান্তি পায়।... মই সঁচাকৈয়ে বৰ দুখ পাইছোঁ।"

"ময়ো এতিয়া এইবাবে দুঃখিত ছাৰ," মই কৈছিলোঁ।

সঁচাকৈয়ে অনুতাপত মোৰ বুকুত ঘা এডোখৰ হৈ উঠা যেন লাগিছিল।

মিষ্টাৰ গ্ৰ‌ুফিদে সুধিছিল, "দুঃখিত? আমাৰ মৰ্গান বোপাৰ দুঃখিত

হোৱাৰ বদান্যতাখিনি আছে দেখি ভাল পাইছোঁ। পাছে আমাৰ বোপাই দুঃখিত হোৱাৰ আগতে অইনক মাৰি তেজ উলিয়াইহে এৰিব। প্ৰথমে তেওঁৰ খুড়াক সন্তুষ্ট কৰিব, তাৰ পিছত হে দুঃখিত হ'ব। তুমি প্ৰথমে চিন্তা কৰি চাইছিলানে? নাই কৰা। কিন্তু ছক্ৰেটিছে চাইছিল— তেওঁ ঈশ্বৰৰ আদৰ্শত সৃজন কৰা মানুহৰ এজন। সেইবাবেই মানুহ মহান। নিজৰ দেশৰ আইন ভঙ্গ কৰাৰ সলনি, সন্মানিত সকলৰ বিৰুদ্ধে বিদ্ৰোহ কৰাৰ সলনি তেওঁ আত্মহত্যাকে শ্ৰেষ্ঠ বুলি মানি ললে। আৰু আমাৰ মৰ্গান বোপাই কি কৰিলে? যোৱা হিউ, ইয়াৰপৰা যোৱাগৈ।"

নিজৰ ওপৰত এসোপা ঘৃণা লৈ মই তেওঁৰ ঘৰৰপৰা কোঁচ-মোচ খাই ওলাই আহিলোঁ। আমাৰ পাচ ফালৰ চোতালৰ গুদাম-ঘৰটোৰ ভিতৰলৈ গৈ অৰেনে সজা ইঞ্জিনটোৰ ওপৰত মই এন্ধাৰতে বহি থাকিলোঁ।

বহু সময় তেনেকৈ বহি থাকি তাৰপৰা ওলাই খিৰিকীৰে বগুৱা বাই মোৰ শোৱা কোঠাত সোমাই বিচনাত পৰিলোঁ।...কোনো কোনো সময়ত অকল বিচবাত পৰিলেহে মানুহে শান্তি লভিব পাৰে। ..পিছদিনা ৰাতিপুৱা দেউতাই কৈছিল, "দুয়োপক্ষই দোষী। পাছে তেনেকুৱা অৱস্থাত ময়ো হয়তো হিউৰে কৰা কাণ্ডকে কৰিলোহেঁতেন। গতিকে মই একো নকওঁ। সোমবাৰে তই স্কুললৈ গ'লে কি হয় সেইটো আগতে চাই লওঁ।"

মই দেউতাক ক'লো "মিষ্টাৰ মট্‌ছিলে কৈছিলে, তেওঁ হেনো মোক বিশ্ববিদ্যালয়ত ভৰ্তি হোৱাৰ পৰীক্ষা দিবলৈ পঠিয়াব।"

"তোৰ ককাইদেৰেৰইতেও সেইটো কৰিব পাৰিলেহেঁতেন। পিছে, সিহঁত আটাইবোৰ এক নম্বৰ গোঁৱাৰ। সেইটো নকৰি সিহঁতে খনিত কাম কৰিবলৈকে বাচি ললে। প্ৰথম পৰীক্ষাটো পাচ কৰিলে তই মোৰপৰা দহোটা মোহৰ পাবি। তাৰ পাছত যি হয় দেখা যাব বুজিছ?"

"বাৰু দেউতা।"

মায়ে তেনেতে মোক কৈছিল, "খা এতিয়া, যিমান পাৰ পেট ভৰাই খাই ল। খাই মগজু বঢ়াব লাগিব, বুজিছ?"

সেই সপ্তাহটো মোৰ নাৰায় ফুপুৱাই যেন লাগিল। কুকুৰা থোৱা গঁড়ালবোৰ মই পৰিষ্কাৰ কৰিলোঁ। শিয়াল আহি গঁড়ালবোৰৰ দুই এঠাইত সুৰুঙা কৰিবলৈ চেষ্টা কৰিছিল। সেইবোৰ কাঠমাৰি বন্ধ কৰি দিলোঁ। ঘৰৰ ফুলনিখনতো

বহুত কাম কৰিলোঁ। আমাৰ আৰু ব্ৰণইভৰ ঘৰৰ আগফালৰ বেৰ কেইখনত চুণ দিলোঁ। অৱেশেষত সজা ইঞ্জিনটো মচি-কুচি চিকচিকিয়া কৰি তুলিলোঁ। এই সকলোবোৰ কৰিও মই মাধোন লোমবাৰ্ৰলৈ বাট চাই আছিলোঁ। লোমবাৰ্ আহিব ; পুনৰ স্কুললৈ যাম।

সপ্তাহটোৰ শেষৰ ফালে এদিন আংগাহ্লাদ আহি মোক ক'লে যে মিষ্টাৰ গ্ৰুফিদে মোক মাতিছে। কিবা কামত তেওঁক মোৰ সহায় কৰি দিবলৈ লাগে। লগে লগে মই লৰি তেওঁৰ ঘৰলৈ গ'লোঁ। মোক দেখি তেওঁ ঠিক আগৰ দৰে মিচিকিয়াই হাঁহি ক'লে— "আহা হিউ, মই চকী-মেজবোৰ সাজিবলৈ আৰম্ভ কৰিম বুলি ভাবিছোঁ। এইবোৰ চোৱা ছবি আঁকি লৈছোঁ।"

সেই ছবিবোৰ ইমান ধুনীয়া যে, দেখিলে আনন্দত তোমাৰ কান্দোন আহিলহেঁতেন।

ছবিবোৰ চাই উঠি মই কৈছিলোঁ, "বঢ়িয়া।"

"বাৰু, এতিয়া আমি কাঠবোৰ জুখি লওঁহক, কি কোৱা ?"

কৰতখনেৰে কাঠ এডোখৰ কাটিবলৈ আৰম্ভ কৰোঁতেই আইজাক উইন খনিৰপৰা দৌৰি আহি কোঠাটোত সোমাই ক'লে, "মিষ্টাৰ ইভান্স কয়লা কঢ়িওৱা গাড়ী এখনৰ তলত পৰি গৈছে। আপুনি তালৈ এবাৰ যাবনে মিষ্টাৰ গ্ৰুফিদ ?"

কথাষাৰ শুনা মাত্ৰকে মিষ্টাৰ গ্ৰুফিদে হাতৰ কাম পেলাই লৰ দিলে। খৰধৰ কৰাৰ ফলত তেওঁ টুপী আৰু অভাৰকোট নিবলৈ পাহৰিলে। গতিকে মই এইবোৰ লৈ তেওঁৰ পাছে পাছে লৰ ধৰিলোঁ। ইতিমধ্যে মিষ্টাৰ ইভান্সক খনিৰ ভিতৰৰপৰা ওপৰলৈ তুলি অনা হৈছে। মই খনিৰ চকীদাৰ এজনৰ হাতত মিষ্টাৰ গ্ৰুফিদৰ বস্তুবোৰ দি উভতি আহিলোঁ। আহি থাকোঁতে বাটত শুনিছিলোঁ ধৰ্ম-সঙ্গীত।

গোটেই বাটটোত যিমান দূৰলৈকে সেই গানৰ সুৰ শুনা গৈছিল, মানুহবোৰে মূৰৰ টুপী খুলি একে ঠাইতে থিয় দি আছিল। তিৰোতাবোৰ বাহিৰ ওলাই আহি আলিবাটত খেলি থকা ল'ৰা-ছোৱালীবোৰক ঘৰৰ ভিতৰলৈ মাতি লৈ গ'ল। খনিৰ ফালৰপৰা অহা ধৰ্ম-সঙ্গীত আৰু বতাহজাকৰ হিয়া ভঙা কান্দোন শুনি গাওঁখনৰ মানুহ এঠাইতে থিয় দি ৰ'ল।

মিষ্টাৰ ইভান্স আৰু ইহ জগতত নাই। তেওঁৰ নিজৰ মানুহবোৰৰ মাজত

তেওঁৰ মৃত্যু হ'ল। খনিৰ মানুহবোৰক তললৈ নিয়া আৰু ওপৰলৈ উঠাই অনা বিৰাট বাকচটো আকৌ এবাৰ ওপৰলৈ উঠি গ'ল। সেই বাকচটোৱে তেওঁক খনিৰ বাহিৰলৈ কঢ়িয়াই আনিলে। এই খনি তেওঁৰ নিজৰ। খনিৰ এই বাকচটোও তেওঁ নিজেই সজোৱা। দিন-ৰাতি অবিৰাম তল-ওপৰ কৰি থাকি এই বাকচটোৱে তেওঁক ধনী কৰি তোলাত যথেষ্ট সহায় কৰিছে। এই বাকচটো সেইদিনা তেওঁৰবাবে শেষবাৰ ওপৰলৈ উঠি আহিল। খনিৰ বাহিৰলৈ অনাৰ অলপ পাছতে তেওঁৰ মৃত্যু হ'ল।

মই মিষ্টাৰ গ্ৰ্ৰিফিদৰ ঘৰলৈ উভতি গৈ কাঠ এচটা ফালিবলৈ আৰম্ভ কৰাৰ বহু সময় পিচতহে মিষ্টাৰ গ্ৰ্ৰিফিদ বৰ বেজাৰ মনেৰে ঘৰলৈ ঘূৰি আহিছিল।

"ঘৰলৈ যোৱা ছিউ।" এই বুলি কৈ তেওঁ কাঠ এচটাৰ ওপৰত বহিছিল। "মাৰক ক'বা যে মই আজিৰ ৰাতিৰ আহাৰ খাবলৈ নাযাওঁ।"

"ভাল ছাৰ। ৰাতি খাই-বৈ কাম কৰিবলৈ আহিমনেকি?"

"নেলাগে। কেতিয়াকৈ আহিব লাগে মই তোমাক জনাম।"

তাৰপৰা বাহিৰ ওলাই মই ঘৰলৈ খোজ লৈছিলোঁ।

....মিষ্টাৰ ইভান্সৰ অন্ত্যেষ্টিক্ৰিয়া চাৰলগীয়া হৈছিল। অকল আমাৰ উপত্যকাৰে নহয় আটাইবোৰ উপত্যকাৰ মানুহ কাৰখানালৈ আহিছিল। প্ৰত্যেকটো খনি, প্ৰত্যেকটো ৰেল ষ্টেচন, প্ৰত্যেকটো লোৰ কাৰখানাৰপৰা মানুহ আহি অন্ত্যেষ্টিক্ৰিয়াত যোগ দিছিলহি।

আংগাহ্ৰাদ আছিল মা-দেউতাৰ স'তে—আয়েষ্টিনৰ ঠিক পাছতে। মই আছিলো ব্ৰণৰ স'তে।

অন্ত্যেষ্টিক্ৰিয়াৰ আধাখিনি কাম সম্পূৰ্ণ নহওঁতেই ব্ৰণে মোক ক'লে, "ব'ল ঘৰলৈ যাওঁগৈ। খুব বঢ়িয়াকৈ চাহ একাপ খাওঁগৈ।"

আমি পাহাৰ বগাই লৰ ধৰিলো। মই কিন্তু বহু আগবাঢ়ি গৈ ব্ৰণ ঘৰ আহি পাই মানে কেট্‌লিটোত পানী ভৰাই জুইৰ ওপৰত তুলি দিছিলো।

ঘৰ আহি পোৱাৰ অলপ পিছতে ব্ৰণে হঠাতে ক'লে—"বেচাৰী আংগা-হ্ৰাদ। দুজনকৈ বঢ়িয়া দৰা পাইছে— কাক লয় কাক এৰে। ইয়াক দুৰ্ভাগ্য বুলিমনে সৌভাগ্য বুলিম।"

মই সুধিলো "তাই মিষ্টাৰ গ্ৰিফিনক বিয়া কৰাবনেকি ?"

"মিষ্টাৰ গ্ৰিফিনে কৰালেহে আকৌ। তেওঁৰ অসুবিধা হৈছে তেওঁৰ বিবেকক লৈ। তাইৰ বয়স ওঠৰৰ ওচৰ চাপিছে মাথোন ? তেওঁৰ দুকুৰি। তাৰ উপৰি তেওঁতো গোটেই জীৱন দুখীয়া ভাবেই কটাব লাগিব।"

"তেওঁ দুখীয়ানেকি ?" খুব আচৰিত হৈ মই ব্ৰণক সুধিছিলোঁ।

"বছৰি পচিশ পাউণ্ড মাথোন পায়। সেইখিনি ধন আজি কিছুদিন আগলৈকে দেউতাৰে দহদিনতে আৰ্জি আনি মাৰক দিছিলহি।"

"তাৰমানে সপ্তাহত মাথোন দহ চিলিং ?" মই ইমান আচৰিত হৈছিলো যে কোনোমতেহে মোৰ মাতটো ওলাল। মিষ্টাৰ গ্ৰিফিনৰ দৰে মানুহ এজনে সপ্তাহত মাথোন দহ চিলিংহে পায়নেকি ?

ব্ৰণে কৈছিল, "তাকো আমাৰ মানুহবোৰে দিবলৈ মন কৰিলেহে। দেউতাৰে আজি কেইবা সপ্তাহৰপৰা গাঁৱৰ মানুহবোৰক কৈ আছে তেখেতৰ পইচাখিনি দিবলৈ। আটায়ে কয় ধৰ্মঘটৰ ফলত তেওঁলোকৰ হাতত এটাও পইচা নাই, মিষ্টাৰ গ্ৰিফিনে অলপ বাট চাওঁক। বাট চাই চাই মৰি যাবলগীয়া হ'লেও মিষ্টাৰ গ্ৰিফিনে কিন্তু নিজ মুখে পইচাৰ কথা কেতিয়াও নকয়।"

মই সুধিছিলো, "আমি তেওঁক কেনেকৈ বাৰু সহায় কৰিব পাৰোঁ ব্ৰণ ?"

"আমাৰ মুখ বন্ধ ৰাখি," ব্ৰণে উত্তৰ দিছিল। "কিবা ক'বলগীয়া থাকিলে মিষ্টাৰ গ্ৰিফিনে নিজেই ক'ব। আমি কি কৰিম ?"

"তেন্তে আয়েষ্টিনেই আংগাহ্লাদক বিয়া কৰাবনেকি ?"

"মই সেইটোকে আশা কৰোঁ। ধৰ্মযাজকক বিয়া কৰোৱা মানে গীৰ্জা ঘৰটোকে বিয়া কৰোৱা। সপ্তাহত এশ মোহৰকৈ আৰ্জিলেও মই ধৰ্মযাজক এজনক বিয়া কৰাবলৈ মান্তি নহওঁ। আয়েষ্টিন ধনী মানুহৰ ল'ৰা। বিশেষকৈ এই তাৰতম্যৰ বাবে মিষ্টাৰ গ্ৰিফিনে বেছি আঘাত পাব। তেওঁৰ বাবে সঁচাকৈয়ে মোৰ বৰ দুখ লাগে।"

কৰবখানাৰপৰা উভতি আহি আংগাহ্লাদ পোনেই বিচনাত বাগৰি পৰিল গৈ। পিছদিনা বাস্তিপুৰাতে মায়ে তাইক কেৰিদয়েন বাইদেউৰে কাম কৰা পামথনলৈ পঠিয়াই দিলে। কেইবাদিনো ধৰি মিষ্টাৰ গ্ৰিফিন আমাৰ ঘৰলৈ অহা নাছিল। আনহাতে চকী-মেজবোৰ সজাত সহায় কৰি দিওঁগৈ বুলি মই

কেইবাদিনো তেওঁৰ ঘৰৰ সন্মুখলৈ গৈ দেখিছিলোঁ। ঘৰটো বন্ধ। কিন্তু আমি তালকৈ জানিছিলো তেওঁ নিজৰ কাম আগৰ দৰেই কৰি গৈ আছে। ডাকপিয়ন এলিচে তেওঁক পাহাৰৰ ওপৰত থকা পামবোৰলৈ যোৱা কেইবাদিনো দেখিছিল। তাৰোপৰি প্ৰত্যেক ৰাতি তেওঁ গীৰ্জা ঘৰত এখন নহয় এখন সভা পাতিছিল।

আয়েষ্টিন মামাকহঁতৰ স'তে লণ্ডনলৈ গুচি গৈছিল। প্ৰত্যেক দিনা ৰাতিপুৱা এলিচ আহি আংগাহ্লাদৰ নামত অহা এখনকৈ শকত চিঠি আমাৰ ঘৰত দি যায়হি। ব্ৰণে সেই চিঠি নি কেৰিদৱেনৰ স'তে পামত থকা আংগাহ্লাদক দি আহেগৈ। আয়েষ্টিন লণ্ডনত থকা সময়খিনিত দেওবাৰৰ বাহিৰে কোনো দিনেই এই চিঠি অহাৰ ব্যতিক্ৰম নঘটিল। চিঠি লিখিয়ে তেওঁ বোধকৰোঁ লণ্ডনৰ দিন কেইটা কটাইছিল।

সোমবাৰে পুনৰ স্কুললৈ গলোঁ। খোজে প্ৰতি মোৰ উত্তেজনা বাঢ়ি গ'ল। লোৰ কঁৰিখানাটোৰ ওচৰত কেইনৱেনে মোক লগ ধৰিলে। তাই পাছে ভাঁও জুৰিলে যেন তাই ওচৰৰ দোকানখনৰপৰা সূতা কিনিবলৈ আহিছিল। দোকানখন আহি পোৱাত আক মই তাইক কথাটো মনত পেলাই দিয়া সত্ত্বেও কিন্তু সূতা কিনাত তাইৰ কোনো আগ্ৰহ নেদেখিলোঁ। গোটেই বাটে আমি বিশেষ কোনো কথা-বতৰা পতা নাছিলো। স্কুলৰ দুৱাৰ মুখ গৈ পোৱাত তাই হঠাতে মোক সুধিলে, "হিউ, কোনোবা দিনা ৰাতি মোক নাইটিঙ্গেল চৰাইৰ গান শুনিবলৈ লৈ যাবানে ?"

"নাইটিঙ্গেল ? নাইটিঙ্গেল এই শীতকালত ক'ত পাবা ?"

"বাৰু, যেতিয়া সময় হ'ব তেতিয়া ?"

"লৈ যাম বাৰু। পাছে তিনিমাহ বা তাতোকৈয়ো বেছি দিন বাট চাব লাগিব।"

'বাট চাম। তুমি নিম বুলি প্ৰতিজ্ঞা কৰা।"

"প্ৰতিজ্ঞা কৰিছোঁ বাৰু।"

দুৱাৰমুখত বৈ থকা ল'ৰাজাকৰ মাজেৰে গৈ মই স্কুললৈ সোমাই গ'লোঁ। আটাইবোৰে মোক সসন্মানে বাট এৰি দি মিচিকিয়াই হাঁহি সুপ্ৰভাত জনালে। এনে অভ্যৰ্থনা পাই মোৰ নিজকে ৰৰমানুহ যেন লাগিল। হল ঘৰটোৰ দুৱাৰখন চকুত পৰাতহে আগন্তুক বিপদৰ কথা ভাবি মোৰ ভেম

সোহোৱা হৈছিল। হলটোত থকা থোৱা ব'ৰ্ডবোৰ মই আকৌ এবাৰ চকু ফুৰাই চালোঁ। কল্পনা কৰিলো এনেকুৱা এখন ব'ৰ্ডত অকল মোৰ নামটো সোণালী আখৰেৰে লিখা থাকিব—সেই ব'ৰ্ডখন থাকিব হেড্‌মাষ্টৰৰ ফটো আৰু বৃত্তিপোৱা অইন ল'ৰাবোৰৰ নাম লিখি থোৱা ব'ৰ্ডখনৰ মাজ ভাগত। মই লগে লগে প্ৰতিজ্ঞা কৰিলোঁ যে মৰি-হজি যেনেকৈ হওঁক এই সন্মান মই লাভ কৰিহে এৰিম।

তেনেতে মিষ্টাৰ মটছিলে পাচফালৰপৰা মাতিলে, "খবৰ কি মৰ্গান ?"

লাজত বঙা পৰি উঠি মই ক'লো "ভালেই ছাৰ।"

চশমাযোৰ মচি থাকি গম্ভীৰ ভাবে তেওঁ সুধিলে, "যি কাণ্ড কেইদিনমান আগতে কৰিছিলা তাৰ বাবে তুমি এতিয়া দুঃখিতনে ?"

"হয় ছাৰ।"

"তেন্তে শ্ৰেণীলৈ যোৱা। আৰু শুনা, শুকুৰবাৰে তোমাৰ বহীবোৰ পৰীক্ষা কৰি চাই মই যেন আনন্দ লভিব পাৰোঁ। সেই চেষ্টা কৰিবা।"

"ভাল ছাৰ।" দুচকু ওপচাই আহিব ধৰা কান্দোন তেখেতক নেদেখুৱাবৰ বাবে মই লৰালৰিকৈ শ্ৰেণীলৈ গ'লোঁ। মৰমে কিয় কান্দোন আনি দিয়ে সেই কথা মই ভাবি নেপাওঁ।

ক্লাচ আৰম্ভ হোৱাৰ ঠিক আগতে মই আচৰিত হৈ গ'লো। মিষ্টাৰ জোনাচৰ সলনি আহিল মিষ্টাৰ টাইচাৰ। মোৰ ইমান আনন্দ লাগিছিল যে মই মাথোন একেথৰে তেওঁৰ পিনে চাই থাকিলোঁ। তেওঁ মোৰ পিনে চাই এবাৰ মিচিকিয়াই হাঁহি পিছত ভাও জুৰিলে যেন তেওঁ মোক লক্ষ্যই কৰা নাই। অলপ পিছতে তেওঁ পঢ়াবলৈ আৰম্ভ কৰি দিলে।

অদ্ভুত কিবা শিঁহৰণ এটিয়ে মোৰ গোটেই শৰীৰ টোৱাই দিলে। মই প্ৰতিজ্ঞা কৰিলোঁ মিষ্টাৰ মটছিলৰ এই দয়া মই হেজাৰ গুণ বেছিকৈ পৰিশোধ কৰিম। লগতে তেওঁৰ দয়া মোৰ মনত অপাৰ যেন লাগিল—যিয়েই নকৰোঁ সেই দয়া যেন মই কোনো দিনেই পৰিশোধ কৰিব নোৱাৰিম।

দুপৰীয়া ছুটীৰ সময়ত আকৌ এবাৰ মই আচৰিত হবলগীয়াত পৰিলোঁ। কিন্তু কথাটো লক্ষ্য কৰি মোৰ খুব বেয়া লাগিছিল, নিজৰ ওপৰতে খং উঠিছিল, পিছত অৱশ্যে অলপ বঢ়ো লাগিছিল, কিন্তু শান্তি পোৱা নাছিলোঁ।

মিষ্টাৰ জোনাচক দিয়া হৈছে একেবাৰে কণ কণ ল'ৰা-ছোৱালীবোৰৰ শ্ৰেণীত— সাত-আঠ বছৰৰ ল'ৰা-ছোৱালী আটাইবোৰ। সেই শ্ৰেণীটোৰপৰা ওলাই আহি জেপত দুয়োখন হাত ভৰাই মোৰ কাষেৰে পাৰ হৈ যোৱা মই তেওঁক দেখিছিলোঁ। পাছফালৰপৰা তেওঁৰ পিঠিখনলৈ চাই থাকি সিদিনা মোৰ সঁচাকৈয়ে খুব দুখ লাগিছিল— এখন কান্ধ আইনখনতকৈ তললৈ নামি গৈছে আৰু ফলত পিঠিৰ ফালে তেওঁৰ কোটটোত দীঘল এটা ভাঁজ পৰিছে। তথাপি দুখন কোনোমতে চোঁচোৰাই চোঁচোৰাই তেওঁ মোৰ কাষেৰে পাৰ হৈ গৈছিল।

২২

পাকঘৰৰ খিৰিকীত লগোৱা আইনাবোৰ ভাঙি পৰিবলৈ আৰম্ভ কৰিছে। খুব ভাল আইনা এইবোৰ, আৰু সেইবাবেই আগধৰি কেইবাখনো আইনা খুলি আনি অইনক দি দিয়াৰ বাবে মোৰ মনটো অলপ পাতল লাগিছে। কতদিন মাক এই খিৰিকীবোৰ পৰিষ্কাৰ কৰা দেখিছোঁ। তৃতীয় শাৰীৰ আইনা কেইখনলৈ তেওঁ ঢুকি পাইছিল, চতুৰ্থ আৰু পঞ্চম শাৰীত থকা কেইখন পৰিষ্কাৰ কৰিছিল টুল এখনৰ ওপৰতে উঠি, ষষ্ঠ শাৰীৰ কেইখন মচিবলৈ তেওঁ বাটামৰ ওপৰতে উঠি লৈছিল। এইখিনি কৰি উঠি টুলখন ভালকৈ কাপোৰ এখনেৰে মচি জুইকুৰাৰ ওচৰত থৈ দিছিল। ইয়াৰ পাছত তেওঁ চকু দিছিল ঘৰৰ পিৰিচ-পিয়লা, কাঁহী-বাটিবোৰৰ পিনে, কাৰণ আইনা মচাৰ দিনাখন এইবোৰো সদায় মাজি-কুৰি থোৱা হৈছিল। মায়ে কামখিনি কৰি আঁতোৰাৰ শেষত দেখা গৈছিল প্ৰতিটো গিলাচ, প্ৰতিবোৰ পিৰিচ-পিয়লা আৰু খিৰিকীৰ প্ৰত্যেকখন আইনা জিকমিকাব ধৰিছে।

. ইয়াৰ পিছত হয়তো ভাঙি পৰিব তলৰ মহলাৰ দুৱাৰ কেইখন বা এই কোঠাটোৰ খিৰিকী কেইখন। ঘৰৰ সন্মুখ আহি পোৱা খনিৰ আৱৰ্জনাৰ দ'মটোৰ সামান্যতম অগ্ৰগতিয়ে যি কোনো মুহূৰ্ততে আমাৰ ঘৰটো ঢাকি পেলাব। হয়তো চালখনে সৈতেই হুৰমুৰাই ভাঙি পৰিব। আমাৰ এই ঘৰটোৱে কান্দি উঠা মই শুনিবলৈ পাওঁ। হেজাৰ হেজাৰ মোন গধুৰ এই আৱৰ্জনাৰ হেঁচাত ঘৰটোৰ যন্ত্ৰণাৰ সীমা নোহোৱা হৈছে চাগে। পিছে, মইতো এই বিষয়ে একো কৰিব নোৱাৰোঁ—মই উপায়হীন। কোদাল এখনেৰে এই বিৰাট দ'মটো আঁতৰাবলৈ হ'লে মই দহোবাৰ জন্ম লব লাগিব। তাৰোপৰি কোদাল এখনেইবা এতিয়া মোৰ নিজৰ বুলিবলৈ আছে জানো? থকাৰ ভিতৰত মোৰ আছে পিন্ধি থকা কাপোৰখিনি আৰু নীলা কাপোৰখনত

বাণ্ডি লোৱা এই কামিজটো আৰু মোজা কেইযোৰ। কিন্তু ভাল কাপোৰবোৰ আগতে মোৰ এসোপা আছিল— বুঢ়া হিউভা উইলিয়মচ দৰ্জিয়ে চিলোৱা ধুনীয়া টুইড কাপোৰৰ ভাল ভাল কোট-পেণ্ট্।

প্ৰথমবাৰ মই এই দৰ্জিৰ দোকানখনলৈ গৈছিলোঁ। দেউতাৰ স'তে। তেওঁ জানিব খুজিছিল মোৰ কাপোৰযোৰ কিনিবলৈ কিমান কাপোৰ লাগিব। দৰ্জিয়ে মোৰ জোখ লৈ কৈছিল— আঠৈ গজ।

আমি গৈ কাপোৰ কিনি আনিলো। মই পালোঁ বাদামী ৰঙৰ টুইড্ এডোখৰ—সেই ৰঙৰ লগত মিল আছিল অলপতে হালবোৱা মাটি এডৰাৰ, য'ত দুই এডাল ঘাঁহ মুখ তুলি উঠিছে। কাপোৰ টুকুৰাত আৰু আছিল ধোঁৱা বৰণীয়া বং এটি—সেই ৰঙৰ মিল আছিল বসন্ত কালৰ বৰষুণজাকৰ বৰণৰ স'তে। সেই ৰঙটো আছিল বৰষুণজাকৰ দৰেই কোমল। মা আৰু বাইদেউ-হঁতৰ বাবেও দেউতাই কাপোৰ কিনিলে। ককাইদেউহঁত আৰু নিজৰ বাবে তেওঁ কিনিলে ক'লা ৰঙৰ কাপোৰ এডোখৰ। অলপেন আৰু গাৰেথৰ বাবে কিনা হ'ল সেউজীয়া কাপোৰ।

কাপোৰৰ বোজা কঢ়িয়াই আমি দোকানৰ বাহিৰ ওলালো। দৰ্জিৰ দোকান গৈ পাওঁ মানে ভাগবত মোৰ উশাহ বন্ধ হবৰ উপক্ৰম হ'ল।

চিক্‌মিক্ কৰি থকা নীলা চকুযোৰেৰে মোৰ পিনে চাই থাকি হিউভা দৰ্জিয়ে দেউতাক সুধিলে, "হাফ পেণ্ট কৰিবনে লংপেণ্ট, মিষ্টাৰ মৰ্গান? ল'ৰা দেখোন ডাঙৰ হৈ উঠিছে।"

"দেউতা, লংপেণ্ট কৰিবলৈ কোৱানা?" মই দেউতাক ক'লোঁ। দেউতাই মোৰ পিনে এবাৰ চাই খিৰিকীৰে বাহিৰৰ পিনে এবাৰ চাই ভাবিবলৈ ধৰিলে। দেউতাৰ উত্তৰৰ প্ৰতীক্ষা কৰি মোৰ যন্ত্ৰণাৰ সীমা নোহোৱা হ'ল। মনটোৱে দেউতাক চিএৰি চিএৰি যেন অনুৰোধ কৰিলে—"লংপেণ্ট বুলি কোৱানা।" হিউভাই তেওঁৰ নীলা চকুযুৰিৰে এবাৰ মোৰ পিনে এবাৰ দেউতাৰ পিনে চাই থাকিল।

"থাক হিউ, লংপেণ্ট ল।" কথাষাৰ শুনি মোৰ কিমান ভাল লাগিছিল মই সহজে বুজাব নোৱাৰোঁ।

হিউভাই তেতিয়া ক'লে, "কোটৰ আগফালে থাকিব চাৰিটা জেপ, ৰেই কোটত কলাৰ, পেণ্টৰ আগফালে থাকিব জেপ, নহয় জানো?"

নীলা চকুহাল পুনৰ দেউতাৰ পিনে গ'ল। দেউতাই মোৰ পিনে চালে।

মই ক'লো, "ওঁ দেউতা, সেইটোৱেই ভাল হ'ব।"

"বাক।" দেউতাই পুনৰ খিৰিকীৰে বাহিৰলৈ চাই থাকিল।

"বৃহস্পতিবাৰে গধূলি পাঁচ বজাত মৰ্গান বোপা আহি কাপোৰবোৰ ঠিক হৈছে নে নাই পিন্ধি চাবহি," জোখবোৰ লিখি থকা তেওঁৰ সহকাৰী টুমক হিউভাই ক'লে।

মুখেৰে কেইবাটাও বেজী কামুৰি ধৰি থকা টুমে ক'লে, "নান মাৰদিও কিন্তু আহিব চাৰে পাঁচ বজাত।"

হিউভাই ক'লে "নান্ মাৰ দিব কথা এতিয়া নক'লেও হ'ব। মই তোক মৰ্গান বোপাৰ কথাহে কৈছিলোঁ।?"

"মই ভাবিছিলো যদি ।"

"কি সদায় যদি যদি কৰি থাক, বুৰ্বক কৰ'বাৰ।" হিউভাৰ নীলা চকুহুটা খঙত আৰু উজলি উঠিল।

টুমে খঙতে চিঞৰিলে, "মই ক'ব খুজিছিলো যে একে দিনাখনেই খৰধৰ কৰিলে এই ল'ৰাজনৰ পেন্টটো হয়তো জোভাৰ ওপৰতে লাগি ৰব আৰু কামিজটো এনেকুৱা টান হব যে আৰ তলডোখৰ থুঁতৰিৰ তললৈকো নামিব খুখুজিব।"

হিউভাই চিঞৰিলে, "তোৰ নিজৰ কামিজৰ তলডোখৰ আগতে ঠিককৈ ৰাখচোন। জহান্নামে যাওঁক নান মাৰদি। কাৰোবাৰ কামিজৰ তল ডোখৰ দেখিবলৈ পালেই তাইৰ জীৱন ধন্য হৈ যাব।"

দেউতাই মোক ক'লে, "ব'ল, ঘৰলৈ ব'ল। মিষ্টাৰ উইলিয়ামচ্, সক ল'ৰা-ছোৱালী ওচৰত থাকিলে অনুগ্ৰহ কৰি জিভাখন অলপ চম্ভালি চলিবা।'

"এইবোৰ কথা শিকিবলৈ তাৰ কিবা এতিয়াও বাকী আছেনে? . বাক ইয়াক বৃহস্পতিবাৰে গধূলি পাঁচবজাত ইয়ালৈ পঠিয়াই দিব।"

"বাক, আমি এতিয়া যাওঁ।" ভালেখিনি দুৰলৈ আমি হিউভা আৰু টুমে ইজনে সিজনক চিঞৰি গালি পাৰি থকা শুনিবলৈ পাইছিলো। দেউতাই মোৰ পিনে চাই মিচিকিয়াই হাঁহিছিল।

"দেউতা, কাৰোবাৰ কামিজৰ তল ডোখৰ দেখিলে নান্ মাৰ দিব। বাক কিয় জীৱন ধন্য হৈ যাব?" মই সুধিলোঁ।

দেউতাই ক'লে, "এইবোৰ সুধিবলৈ এৰি নিজৰ কাম কৰ আৰু নানেও তাইৰ নিজৰ কাম কৰক। তেনেহলেহে আমি শান্তিৰে থাকিব পাৰিম।

কথা এটা জানিব খুজি সঠিক উত্তৰ নাপাই আগৰ সেই অসহায় খণ্ডটোৱে মোক হেঁচি ধৰিলে। কথাটোৰ আন্তি-গুৰি জানিবলৈ ঠিক কৰি মই ভাবিবলৈ ধৰিলোঁ। কাক সুধিলে জানিব পৰা যাব, অথচ ঠাট্টাৰ ভয় নাথাকিব। টেগৰেন আৰু কেইনৰেনৰ কথা প্ৰথমে মোৰ মনলৈ আহিল। কাৰণ মোৰ বোধেৰে সিঁহত দুয়ো ডাঙৰে আমাৰপৰা লুকাই ৰাখিব খোজা কথাবোৰ মোতকৈ অন্ততঃ, বেছি জানে। কিন্তু লগে লগে মোৰ মনত পৰিল সিঁহতৰ চকুৰ চাৱনিলৈ। দুয়োৰে চকুত একেধৰণৰ দৃষ্টি—কিবা অদ্ভুত ধৰণৰ ধূৰ্ত্তালী অথচ তীক্ষ্ণ সিঁহতৰ দৃষ্টি। হঠাতে মোৰ মনত পৰিল ব্ৰণলৈ আৰু লগে লগে মই বুজিলো যে কথাবাৰ সুধিবলৈ ব্ৰণেই আটাইতকৈ ভাল হ'ব।

কেৰিদৰেন বাইদেউ আৰু ব্ৰেথিনৰ বিয়াখন দুসপ্তাহমান পিছতে হ'ব। আমাৰ কাষৰে উপত্যকাখনত নতুনকৈ সাঁজিবলৈ ধৰা ঘৰটো হৈ উঠালৈ সিঁহতে বাট চাই আছিল। এই বিয়াখন আৰু আংগাহ্লাদ আৰু আয়েষ্টিনৰ বিয়াখনৰ বাবেই মই নতুন চুটজোৰ পাইছিলোঁ।।

কেৰিদৰেন বাইদেউ আৰু ব্ৰেথিন কোনেও পৰস্পৰক লৈ বিশেষ হুলস্থূল কৰা নাছিল। দুয়ো এই ভাবি সন্তুষ্ট আছিল যে সিঁহতৰ বিয়াখন আগতে হ'ব, সিঁহতৰ ঘৰটো হৈ উঠিব ধৰিছে নতুনকৈ সংসাৰ পাতিবলৈ চকী-মেজ-বিচনা আদি যি কিনিব লাগে সকলো ঠিক কৰি থোৱা হৈছে।

কেৰিদৰেন বাইদেউক'সংযত, ধীৰ-গম্ভীৰ ছোৱালী মই আজিলৈ দেখা নাই। কোনো কথাতে হুলস্থূলখন নকৰে—যিমান ডাঙৰ কথা নহওক লাগে। ব্ৰেথিনে কেৰিদৰেনক অন্তৰ ঢালি দি ভাল পাইছিল। দুয়োৰে অদ্ভুত মিলা-প্ৰীতি। কেৰিদৰেনক এখন্তেক চকুৰ আঁতৰ নকৰা ব্ৰেথিনক দেখি মোৰ হাহিও উঠিছিল, দুখো লাগিছিল।

কিন্তু আংগাহ্লাদ আৰু আয়েষ্টিন ?

"সিঁহতৰ এই ভাল, এই বেয়া। এখন্তেক ভাল যদি পিচ মুহূৰ্ত্ততে কাজিয়া। মই কোনোবাদিনা দুয়োকে বাটনিবে কোবাই খেদি দিম।" মায়ে এদিন কৈছিল।

তেনেকৈ ক'বলৈ মাৰ যথেষ্ট কাৰণো আছিল।

লণ্ডনৰপৰা উভতি আহিয়েই আয়েষ্টিন আমাৰ ঘৰলৈ আহিছিল ধুনীয়া এখন নতুন ঘোঁৰাগাড়ীত। গাড়ীখন টনা ঘোঁৰাজনীও অদ্ভুত ধুনীয়া। পূৰ্বৰ পোহৰত জিলিকি উঠা বঙা লেকাম পিন্ধা এই ঘোঁৰাজনীলৈ চাই থাকি আনন্দত মোৰ কান্দোন আহিব খুজিছিল।

আয়েষ্টিনৰ গাত জকমকীয়া চুট এযোৰ, মূৰত ধুনীয়া টুপী, কোটৰ কলাৰত মুকুতাৰ পিন। তেওঁক দেখি মাৰ মুখখন এবাৰ উজলি উঠি আকৌ এন্ধাৰ হৈ গ'ল। মাক দেখি মূৰৰ টুপী'টা খুলি আয়েষ্টিনে সম্ভাষণ জনালে। মাই মাথোন মূৰটো জোকাৰি একো নকৈ পাগঘৰলৈ সোমাই গ'ল। আয়েষ্টিন বিমোৰত পৰিল। টুপীটো লিৰিকি-বিদাৰি থাকি ভাবিবলৈ ধৰিলে গুচি যাবগৈ নে ৰহিব। এনেতে আয়ান্টোই তেওঁৰ পিনে চাই চকু টিপিয়ালে। তেওঁ খুব কষ্টেৰে কোনোমতে মিচিকিয়াই হাঁহি পাগঘৰত সোমাল—যেন সিংহৰ গুহাতহে সোমাইছে।

অলপ পিছতে ভাবপৰা ওলাই আহি আমাৰ পিনে বৰ অস্বস্তিৰে এবাৰ চাই আয়েষ্টিন গৈ ঘোঁৰাগাড়ীত উঠিল আৰু আংগাল্লাদ থকা পামখনৰ পিনে পাহাৰ বগাই যাত্ৰা কৰিলে।

পাগঘৰলৈ সোমাই গৈ দেখিছিলে মাযে চৰিয়া এটাত কাপোৰ কিছুমান ধুই বকৰকাব লাগিছে—তেতিয়াও খং মাৰ যোৱা নাই।

"দেখিলিনে তাক?" মুখৰ আগত পৰি থকা চুলিখিনি পাছলৈ ঠেলি দি মায়ে আমাক সুধিলে।

আয়ান্টোই ক'লে, "দেখিলো, বঢ়িয়া ঘোঁৰাজনী।"

"ঘোঁৰা? ঘোঁৰাৰ কথা তোক কোনে কৈছে? মই তাৰ কথাহে কৈছোঁ।" খুব খৰা কাপোৰবোৰ মাযে খঙতে জোৰেৰে আচাৰি থাকিল।

"টকা আছে দেখি ভাল কাপোৰ পিন্ধিছে। তাতনো খং কৰিবলগীয়া কিটো আছে?"

"টকা থাকক নেথাকক সেইটো বেলেগ কথা। সি কি পিন্ধে কি নিপিন্ধে সেইটো মই চাবলৈ নেযাওঁ। কিন্তু যি পিন্ধে সেইখিনি নিজে সহ্য কৰিব পৰাকৈ পিন্ধক। জলক-তবক লগোৱা এসোপা কাপোৰ পিন্ধি নিজে দেখোন অশান্তিত চট্‌ফট কৰি মৰিছিল। আংগাল্লাদে তাক দেখকব। চুলি চিঙিহে এৰিব।"

পিছদিনা মই স্কুলৰপৰা আহি পোৱাৰ পিছতে আংগাহ্লাদ ঘৰ আহি পাইছিলহি। তাইক অলপো সলনি হোৱা যেন নালাগিল— আগৰ দৰেই হাঁহি ধেমালি কৰিলে, আগৰ দৰেই খোৱা-বোৱাৰ পাছত কাঁহী-বাটিবোৰ ধুই পখালি থলে। তথাপিও ক'ৰবাত যেন কিবা সলনি হৈছে মোৰ তেনে লাগিল। মই এইটো সঠিককৈ ধৰিব নোৱাৰিলো, মাথোন অনুভবহে কৰিলো। কিবা এটি পোহৰ যেন আগতে তাইৰ ভিতৰত আছিল আৰু এতিয়া সেই পোহৰ যেন নাইকিয়া হৈ গৈছে। আয়েষ্টিনো আমাৰ ঘৰলৈ আহিছিল। তেওঁ আংগাহ্লাদক ফুৰাবলৈ লৈ গ'ল। দুয়ো দুয়োৰো পিনে চাই হাঁহি থাকিলেও মই স্পষ্ট ধৰিব পাৰিছিলো সিহঁতৰ সম্পৰ্ক কেৰিদৰেন আৰু ব্লেথিনৰ দৰে মুঠেও নহয়। ব্লেথিনৰ প্ৰতি মোৰ যি পুতৌ ভাৱ আছিল সেই ভাৱ আয়েষ্টিনৰ প্ৰতি অকণো নাছিল। আয়েষ্টিনৰ অৱস্থা চাই মোৰ কোনো দিনেই পুতৌ জন্মা নাছিল বা হাঁহি উঠা নাছিল। অইনে নেদেখাকৈ আয়েষ্টিনে আংগাহ্লাদক সঘনে চুমা খাইছিল আৰু তাইয়ো এই বিষয়ে কোনো আপত্তি কৰা নাছিল। কিন্তু কেৰিদৰেনৰ চকুত মই যি সুখৰ চাৱনি দেখিছিলো সেই চাৱনি আংগাহ্লাদৰ চকুত কোনো দিনেই নেদেখিলোঁ। কেৰিদৰেনৰ সেই চাৱনিত আছিল এই পৃথিৱীৰ বাহিৰৰ কিবা অদ্ভুত সুখৰ আভাস। সেই চাৱনিয়ে যেন কৈছিল 'শেষ হৈ যাওঁক এই সংসাৰ; কোনো চিন্তা নকৰোঁ।'

এদিন ৰাতি আয়াণ্টোই 'দি টাইমছ' বাতৰি কাকতখন হাতত লৈ ঘৰলৈ আহি মা আৰু দেউতাক চিয়ঁাহীৰে দাগ দি থোৱা কিবা খবৰ এটা দেখুৱালে।

দেউতাই সুধিলে, "ক'ত পালি এইখন ?"

"এইমাত্ৰ এলিচে দি গৈছে।"

"তাকত আছিছে নেকি ?" এই বুলি দেউতাই চশমাযোৰ পিন্ধি ল'লে।

"হুঁ। পাছে মা কোৱাচোন কাৰপৰা আহিছে ?" দুষ্টামিৰ হাঁহি এটা মাৰি আয়াণ্টোই মাক সুধিলে।

"কাৰপৰানো আহিব ?" মায়ে ভাবিব ধৰিলে।

দেউতাই তেনেতে ক'লে, "অৱেনৰ পৰা।"

মাৰ হাত দুখন মেজৰপৰা কোলাৰ ওপৰত বাগৰি পৰিল। বুকুখন কেনেবা লাগিল। আয়াণ্টোৱে মাক সাৱটি ধৰিলেগৈ।

"উস্ কি অদ্ভুত কথা!" কাগজখনৰ পিনে একেথৰে চাই থাকি দেউতাই

ক'লে। তেওঁ কাগজখনৰপৰা পঢ়িলে, "স্বৰ্গীয় মিষ্টাৰ আৰু মিচেছ ক্ৰিচম্যাচ ইভান্সৰ পুত্ৰ আয়েষ্টিন ইভান্সৰ স'তে বিয়াৰ বন্দোবস্ত হৈছে' ।"

মায়ে আচৰিত হৈ চাই থাকি ক'লে, "ওঁ, পঢ়া, পঢ়ি যোৱা।

"আৰু এটা শব্দও নপঢ়ো।" দেউতা খঙত জ্বলি উঠিল। "পাছে আয়েষ্টিন ইভান্সক লগ পালে ঢুআৰাৰ শুনাইহে এৰিম। দেউতাক ঢুকাবৰ আজি কেইদিন হৈছে, তেওঁৰ নাচোনখন চোৱা। যদি কাৰোবাৰ বিয়া ঠিক হৈছে আমি তাৰ একো নেজানো। মোৰ ছোৱালীক বিয়া কৰাবলৈ হ'লে প্ৰথমে মোক সুধিব লাগিব। আয়েষ্টিন বোপাৰ বহুতো ইংৰাজী ঢং আছে। এইবাৰ পাছে মই তাক শিক্ষা দিহে এৰিম।"

মায়ে ইতিমধ্যে অধৈৰ্য হৈ কৈছিল, "কাগজখন কোনে ক'ৰপৰা পঠিয়াইছে সেইখিনি আগতে কোৱাচোন।"

দেউতাই মাক জনালে, "অৰেন। অৰেনে লণ্ডনৰপৰা পঠিয়াইছে। সি সুধিছে এই যুৱকটোৰ স'তে আংগাহ্লাদৰ বিয়া দিবলৈ আমি ওলাইছোঁ কিয়? লগতে তাৰ আৰু গুইলামৰ ফালৰপৰা আমালৈ মৰম-চেনেহ জনাইছে। অলপতে ঘৰলৈ আহিব বোলে।"

"মোৰ ল'ৰাইত যে ভালে আছে তাৰবাবে ঈশ্বৰক ধন্যবাদ। সিহঁত যে ভালে-কুশলে ঘৰলৈ উভতি আহিব তাৰবাবে ঈশ্বৰক ধন্যবাদ। কেতিয়াকৈ আহিব?"

কাগজখন পুনৰ পঢ়িবলৈ আৰম্ভ কৰি দেউতাই খঙেৰে ক'লে, "মুৰ্খইতে সেই বিষয়ে একো জনোৱা নাই।"

অলপ পিছত দেউতাই পুনৰ ভোৰভোৰালে, "আয়েষ্টিনক এটা শিক্ষা দিহে এৰিম।"

কথাষাৰ শুনি মায়ে ক'লে, "এইবোৰ এৰা গুইল। সি যি কৰিছে ভাল ভাবিয়ে কৰিছে।"

"মই আংগাহ্লাদ মৰ্গানৰ দেউতাক হয়নে নহয়? মই কিবা বিয়া পতা ঘটকনেকি?" খঙত আঙুলি জোকাৰি দেউতাই ক'লে।

"সি অলপ বাহাদুৰি দেখুৱাব খুজিছিল, অইন একো নহয় দেউতা।" আয়াণ্টোই দেউতাক বুজাবৰ চেষ্টা কৰিলে।

"কি অইন একো নহয়? আংগাহ্লাদৰ বিয়া হ'বলগীয়া থাকিলে প্ৰথমে

গীর্জাত নিয়মমতে হৈ যাব, তাৰ পাছতহে ক'ৰ কাগজত নাম দিয়ে কি দিয়ে দি থাকিব। ওঁ, পিছতহে, আগতে নহয়। সি যি ইচ্ছা তাকে কৰিব আৰু সেইটোকে আমি মানি লমনেকি ?"

আয়েষ্টিন আৰু আংগাহ্লাদ ঘৰলৈ উভতি আহোঁতে মই পাছফালৰ চোতালৰ গুদাম ঘৰটোত আছিলোঁ। খিৰিকীৰে মুৰটো বাহিৰ উলিয়াই মই আংগাহ্লাদৰ উদ্দেশ্যে স্বছৰি এটা মাৰি আয়েষ্টিনক ফুচফুচাই ক'লো, "সাৱধানে থাকিবা। লণ্ডনৰপৰা বাতৰি কাকত এখন আহিছে। সেইটোৰ তোমাৰ ওপৰত খুব খং।"

"সেইটোৰ খং উঠিবলৈ তাতনো কি লিখা আছে ?" আংগাহ্লাদে আয়েষ্টিনক সুধিলে।

"আমাৰ বিয়াৰ বন্দোবস্ত হোৱা খবৰ।"

"বিয়াৰ বন্দোবস্তৰ খবৰ ?" বিৰক্তিত আংগাহ্লাদৰ চেলাউৰিযোৰ কোঁচ খাই উঠিল। "এইবাৰ আকৌ কি আৰম্ভ কৰিলা ?"

"উস্ প্ৰভু, ইহঁতে মোক বলিয়া কৰি এৰিব দেখিছোঁ। আমাৰ হ'বলগীয়া বিয়াখনৰ খবৰ বাতৰি কাকত যোগে অইন ভদ্ৰ মানুহে যি দৰে জনায় মইো জনাইছিলো, আন একো নহয়। তোমাৰ কিবা আপত্তি আছে ?"

আবেগহীন মাতেৰে ঘপহকৈ আংগাহ্লাদে কৈ দিলে, "আছে। মোৰ সম্মতি নোপোৱাকৈ তুমি আমাৰ বিয়াৰ কথা ঘোষণা কৰিবৰ কোন ?"

আয়েষ্টিন খুব আচৰিত হৈ গ'ল। কোনোমতেহে তেওঁ ক'লে, "তুমি এইবোৰ কি কৈছা ? মই তেন্তে সদায় ইয়ালৈ কিয় আহি আছো ? আজি অতদিন ধৰি তোমাক স্ত্ৰীৰূপে পাবলৈ মই অনুৰোধ কৰা নাইনে ?"

"পাছে, মই জানো 'ওঁ' বুলি কৈছিলো ?" অতি গম্ভীৰভাৱে আংগাহ্লাদে সুধিলে।

বোধহয় অকল সেইদিনাখনেই আয়েষ্টিন ইভান্সৰ বাবে মোৰ দুখ লাগিছিল। তেওঁ আংগাহ্লাদৰ পিনে চাই থাকিল। মই তেওঁৰ চাৱনিটো নেদেখিলেও খুব ভালকৈ অনুমান কৰিব পাৰিছিলো সেই চাৱনিত কি ফুটি উঠিছিল— সংসাৰৰ সকলো বেদনা, কাতৰ অনুৰোধ আৰু বিননি।

খোকাখুকি মাতেৰে আয়েষ্টিনে কৈছিল, "আংগাহ্লাদ, আংগাহ্লাদ। তুমি

মোৰ প্ৰতি ইমান নিষ্ঠুৰ কিয় ?" ইয়াৰ পাছতে মাটিত আঁঠুকাঢ়ি বহি তাইৰ কঁকালত দুহাতেৰে সাবটি ধৰি তেওঁ অনুৰোধ কৰিছিল, "তুমি মোক বিয়া কৰাব লাগিব। মই তোমাক ভাল পাওঁ।"

কঠোৰভাৱে আংগাহ্লাদে উত্তৰ দিছিল "কি বলিয়ালিখন কৰিছা ? ঘৰলৈ যোৱাগৈ। দুদিন পিছত আহিবা—তেতিয়া মোৰ মতামত জনাই দিম।"

থিয় দি উঠি আয়েষ্টিনে আংগাহ্লাদৰ পিনে চাই বলিয়া হৈ কৈছিল, "তুমি মোৰ স'তে এনে ব্যৱহাৰ কৰি নিজৰে বিপদ মাতি আনিছা। ভাবিছানেকি তোমাৰ বাহিৰে সংসাৰত আৰু অইন ছোৱালী নাই ? ঢেৰ ছোৱালী পৰি আছে। সিইতৰ যাকে ইচ্ছা তাইকে মই সহজে বিয়া কৰাব পাৰোঁ। এই কথা জানা ?"

"মই আংগাহ্লাদ মৰ্গান। জহান্নামে যোৱা তুমি।" আংগাহ্লাদৰ মাতটোত যি শীতলতা ফুটি উঠিছিল সেই শীতলতা হয়তো নৈখনৰ পানীতো নাছিল।

কথাষাৰ কৈয়েই আংগাহ্লাদ লৰি গৈ ঘৰৰ ভিতৰ সোমাইছিল। অলপ সময় একে ঠাইতে থিয় দি থাকি আয়েষ্টিন গুচি গৈছিল।

পিছদিনা মিষ্টাৰ গ্ৰুফিদৰ স'তে তেওঁৰ ঘৰত চকী-মেজবোৰ সাজি থাকোঁতে আংগাহ্লাদে চাহ আৰু কেক্ লৈ কোঠাটোত সোমাইছিলহি। এষাৰ কথা নোকোৱাকৈ দুয়োকো চাহ দুকাপ বাকি দি তাই কেকৰ থালখন আগুৱাই দিছিল।

মিষ্টাৰ গ্ৰুফিদে তেনেতে তাইক সুধিছিল, "কি খবৰ আংগাহ্লাদ ? কেনে আছা ?"

"ভালেই আছোঁ। ধন্যবাদ।"

"বাৰু।" অইন একো নোকোৱাকৈ কেক এডোখৰ মুখত দি মিষ্টাৰ গ্ৰুফিদে পুনৰ কাম কৰিবলৈ আৰম্ভ কৰি দিছিল।

তেতিয়া আংগাহ্লাদে তেওঁক সুধিছিল, "চাহখোৱা হ'লে আপুনি সিটো কোঠালৈ এবাৰ যাব পাৰিবনে ? মোৰ কিবা ক'বলগীয়া আছে।"

পেন্সিলপৰা কাঠৰ টুকুৰাবোৰ জোকাৰি পেলাই তেওঁ কৈছিল, "ব'লা, এতিয়াই ব'লা।"

"আগতে চাহখিনি খাই লওক।" তাইৰ মাতটোত কান্দোন ভাঙি পৰিছিল।

"নহয় এতিয়াই ব'লা। হিউ, মোলৈ চাহ একাপ থবা দেই।"

"বাক ছাৰ।"

চোকা সঁজুলি এপাতেৰে কাঠ মিহি কৰি সঁচাকৈয়ে ভাল লাগে। কাঠৰ গোলাৰ মালিক এজনে কাঠবোৰ মিষ্টাৰ গ্ৰুফিদক দাম নোলোৱাকৈয়ে দিছে। গোলাৰ মালিকৰ ঘৈণীয়েক বহুদিনৰপৰা শয্যাগত। মিষ্টাৰ গ্ৰুফিদে সদায় তেওঁক দেখা কৰেগৈ। এইবাবেই তেওঁক কাঠবোৰ এনেয়ে দিয়া হৈছিল। কাঠখিনি কিন্তু সঁচাকৈয়ে খুব ভাল আছিল—শুকান মজবুত কাঠ।

অলপ পিছতে আংগাহ্লাদ ঘৰটোৰপৰা লৰি ওলাই যোৱা শুনিছিলোঁ। তাৰ অলপ সময় পিছত মিষ্টাৰ গ্ৰুফিদ আহি কোঠাটোত সোমাইছিলহি। মই কিন্তু তেওঁৰ পিনে এবাৰো নোচোৱাকৈ মোৰ কাম কৰি থাকিলো। তেৱোঁ কাম আৰম্ভ কৰিলে আৰু এন্ধাৰ হৈ যোৱা সত্বেও তেওঁ কাম কৰি থাকিল। সঁজুলিবোৰ বাকচত সুমুৱাই থৈ মই তেওঁক ক'লো, "মই এতিয়া ঘৰলৈ যাওঁগৈ ছাৰ?"

"বাৰু হিউ, যোৱাগৈ। কাইলৈ আহিবা কিন্তু।"

"স্কুলৰপৰা উভতি আহিয়েই ইয়ালৈ আহিম ছাৰ।"

"ঈশ্বৰে তোমাৰ মঙ্গল কৰক।" এন্ধাৰৰ মাজত মাটিত বহি কাম কৰি থকা মিষ্টাৰ গ্ৰুফিদক তাতে এৰি মই ঘৰটোৰপৰা ওলাই আহিলো।

২৩

ইয়াৰ পিছৰ দেওবাৰৰ দিনা মিষ্টাৰ গ্ৰুফিদে গীৰ্জাঘৰত আংগাহ্লাদ আৰু আয়েষ্টিনৰ বিয়াৰ ঘোষণাপত্ৰ এখন সকলোকে পঢ়ি শুনাইছিল। সেইদিনা গীৰ্জাৰপৰা ওলাই অহাৰ বহু সময় পিছতো আমাৰ পৰিয়ালৰ কোনেও ঘৰলৈ আহিব পৰা নাছিল, গীৰ্জাৰ সকলো মানুহ ইজনৰ পিছত সিজনকৈ আহি মা আৰু দেউতা, আংগাহ্লাদ আৰু আয়েষ্টিন, ব্ৰণৱেন আৰু কেৰিদৱেন, ককাইদেউহঁত আৰু আনকি মোকো চুমা খাই, হাতত হাত মিলাই, অভিনন্দন জনাইছিলহি।

আইজাক উনে মোৰ মূৰত লাহেকৈ চপৰিয়াই ক'লে, "তই সঁচাকৈয়ে ভাগ্যবান ছিউ। ধনী মানুহ এজনক ভিনিহিয়েৰ পালি, তোৰ আৰু চাকৰি-বাকৰিৰ চিন্তা কি?"

মই উত্তৰ দিলো, "মই দেউতাৰ স'তে খনিতহে কাম কৰিম।" তেওঁক ভালকৈ খোঁচা এটা সোধাৰৰ মন গৈছিল মোৰ।

"সকৰ মূখত বৰ কথা।" তেনেকৈ ক'লে যদিও আইজাক উনৰ মুখৰ হাঁহি কিন্তু নাইকিয়া হৈ গ'ল।

মই উত্তৰ দিলো, "বৰ কথা হয়নে নহয় আহিলে দেখিব নহয়।"

মূৰটো জোকাৰি জোকাৰি তেওঁ ক'লে, "ককায়েৰহঁতৰ দৰেই হৈ উঠিছ দেখিছোঁ।"

"সেইটোকে মই হবলৈ বিচাৰোঁ।"

ঘৰলৈ উভতি আহিয়েই কিন্তু আংগাহ্লাদ আৰু আয়েষ্টিনৰ মাজত হুলস্থুল এখন লাগিছিল— বিয়াৰ পিছত আংগাহ্লাদ থাকিব খোজে এঠাইত, আয়েষ্টিন থাকিব খোজে আইন এঠাইত, সিহঁতৰ পাতিবলগীয়া সংসাৰখনৰ বাবে এজনে কিনিব খোজে ইটো, আনজনে সিটো, বিয়াখন আংগাহ্লাদৰ মতে পাতিব

লাগে ইয়াত, আয়েষ্টিনৰ মতে অইন ক'ৰবাত। এইবোৰকে লৈ বিৰাট হুলস্থুল এখন।

সিহঁতৰ কাণ্ড দেখি তুনি মাৰ বিৰক্তিৰ সীমা নোহোৱা হ'ল। দেউতাই তেওঁক বুজাবৰ চেষ্টা কৰি ক'লে, "তুমি এইবোৰ লৈ মূৰ ঘমাব এৰাচোন। সিহঁতৰ যি ইচ্ছা কৰিব দিয়া। সিহঁতে যি কৰিব খোজে কৰক—আমি তাত হকা-বাধা কৰিবৰ কোন? আজি তুমি সিহঁতক কিবা উপদেশ দিবলৈ গ'লে আৰু সেই উপদেশ সিহঁতৰ কামত নাহিলে দুদিন পিছত সিহঁতে তোমাক কেটেৰা-জেঙেৰা নকৰাকৈ এৰিব'নে? গতিকে সিহঁতৰ যি ইচ্ছা কৰিবলৈ দিয়া।"

"এই আংগাহ্লাদজনী। তাইৰ কাণ্ড দেখি মোৰ আৰু সহ্য নহয়— ইটো লাগে সিটো নালাগে আৰু ক'ত কি?" খঙত হাত জোকাৰি জোকাৰি মায়ে ক'লে।

"ঠিক আছে। তুমি এইবাৰে একো চিন্তা নকৰিবা। বিয়াৰ এসপ্তাহৰ ভিতৰতে তাই ঠিক হৈ যাব।"

কেৰিদৱেন আৰু আংগাহ্লাদ দুয়োৰে বিয়া মায়ে একেদিনাই দিবলৈ ইচ্ছা কৰিছিল— একেদিনাই জঞ্জালখন মাৰিব পাৰিলেই মায়ে ভাল পায়। কিন্তু আয়েষ্টিনে এই ব্যৱস্থাত ঘোৰ আপত্তি কৰিলে। আংগাহ্লাদকো এই ব্যৱস্থাত বৰ ইচ্ছুক যেন দেখা নগ'ল। আয়েষ্টিনে তেওঁৰ বিয়াখন পাতিব খুজিছিল লণ্ডনত। বিয়াৰ পাছত দুয়ো পেৰিছ আৰু বাৰ্লিন ফুৰি আহিবগৈ। বিয়াখন লণ্ডনত হোৱাত আংগাহ্লাদ মান্তি আছিল, কিন্তু তাইৰ মতে বিয়াৰ পিছত দুয়ো পোনেই ঘৰলৈ উভতি আহিব লাগে। শেষত গৈ অৱশ্যে আয়েষ্টিনৰ মতেই হ'লগৈ।

এদিনাখন গধুলি ফুৰি আহি ঘৰ সোমোৱাত দুয়োকো বৰ গম্ভীৰ যেন দেখা গ'ল। পাগঘৰত সোমায়েই আয়েষ্টিনে দেউতাক ক'লে, "মিষ্টাৰ মৰ্গান, মই আপোনাক অলপ সময় অকলে লগ পাব খোজোঁ। অলপ কথা আছে।"

"কিনো হ'ল আকৌ?" এইবুলি চকীৰপৰা উঠি দেউতাই আয়েষ্টিনক লগত লৈ পাছফালৰ চোতাললৈ ওলাই গ'ল।

মায়ে একো নকৈ বন্ধা-বঢ়া কৰি থাকিল। মই স্কুলৰ কাম কৰি বাবলৈ ধৰিলোঁ আৰু আংগাহ্লাদে টুলখনত বহি একেথৰে জুইকুৰাৰ পিনে চাই থাকিল।

হঠাতে মায়ে সুধিলে, "কি হ'ল অ' আংগাহ্লাদ ?"

"আয়েষ্টিনে কাইলৈ মোক লণ্ডনলৈ নি বিয়াখন পাতিব খোজে।" কথাষাৰ আংগাহ্লাদে খুব লাহেকৈ আৰু বৰ বেজাৰ মনেৰে ক'লে।

একো যেন শুনা নাই এনে ভাব দেখুৱাই মায়ে অলপপৰ বন্ধা-বঢা কৰি থাকিল। হঠাতে তেওঁ আংগাহ্লাদৰ পিনে ঘূৰি লৈ তাইক সাৱটি ধৰিলেহি। লগে লগে আংগাহ্লাদৰ কান্দোন আৰম্ভ হ'ল। ভগা হৃদয়ৰ সেই কান্দোন সহজে বন্ধ নহ'ল।

"চাওঁ, নেকান্দিবি। চকু মচ।" মায়ে এনেকৈ ক'লে যেন তেওঁ মোৰ আটাইতকৈ সৰু ভনী অলৱেনকহে নিচুকাইছে।

কান্দি থাকি আংগাহ্লাদে তেতিয়া কৈছিল, "মা, মই তেওঁক হে ভাল পাওঁ। অকল তেওঁকহে। তেওঁ কিন্তু মোক দূৰলৈ ঠেলি দিয়ে।"

"ছি, ছি, এইবোৰ ক'ব নেপায়। মনে মনে থাক।" ঠিক তেনেতে মই লৰচৰ কৰি উঠিছিলো আৰু মায়ে মোৰ পিনে চাই খঙেৰে কৈছিল, "তই ইয়াত কি কৰিছ ? যা ইয়াৰপৰা।'

"বাৰু মা।"

মই ব্ৰণৰ ঘৰলৈ গ'লো। তেওঁ আইভৰৰ ফটা কাপোৰ কিছুমান চিলাই কৰি আছিল। মোক দেখি তেওঁ সেই আগৰ হাঁহিটিৰে সুধিলে, "কি খবৰ ? গম্ভীৰ দেখোন ?"

"ঘৰখনত শান্তি নাই। পাছফালে দেউতাই আয়েষ্টিনক আৰু পাগৰৰত মা আংগাহ্লাদক লৈ ব্যস্ত।"

"ওঁ, তাই বিয়াখন ভাঙিবলৈ যতমানে পাৰে সকলো কৰিছে এৰিব। বেচেৰীৰ কথা ভাবিলে বেয়াই লাগে। তই পাছে কিবা খালিনে নাই ?"

"নাই খোৱা' ভোকো লাগিছে।"

"ভোকলগা অভ্যাসটো তোৰ সদায় আছে", ব্ৰণে ক'লে— অৱশ্যে ধেমালিতহে। "অলপ ৰ, তোক কিবা অলপ কৰি দিছোঁ।"

আমি দুয়ো একেলগে ৰাতিৰ আহাৰ খালো। আইভৰ নাছিল—তাৰ ৰাতিৰ ভাগৰ কাম পৰিছিল। ব্ৰণৰ স'তে মুখামুখিকৈ বহি সেইদিনা ৰাতিৰ আহাৰ সাজ খাই সঁচাকৈয়ে খুব ভাল লাগিছিল।

হঠাতে খপহকৈ মই ব্ৰণক সুধি পেলালো, "ব্ৰণ, কাৰোবাৰ কামিজৰ তল ভোখৰ দেখিলে নান্ মাৰদিৰ জীৱন ধন্য হৈ যাব কিয় ?"

ব্ৰণৱেনে একেথৰে বহু সময় মোৰ পিনে চাই থাকিল—হাতেৰে ধৰি থকা চামুচখনৰপৰা চুকহাখিনি বাগৰি পৰিল। হঠাতে তেওঁ হা-হা কৈ হাঁহিবলৈ আৰম্ভ কৰি দিলে। মোৰ অস্বস্তিৰ সীমা নোহোৱা হ'ল।

হাঁহিৰ কোবত ওলোৱা চকুপানী মচি লৈ তেওঁ সুধিলে, "তোক এইবোৰ কোনে ক'লে ?" কথাষাৰ কৈয়েই তেওঁ পুনৰ হাঁহিবলৈ আৰম্ভ কৰি দিলে। খং উঠিছিল যদিও তেওঁৰ মধুৰ হাঁহিয়ে মোকো চুই গৈছিল— মোৰো হাঁহি দিবৰ মন গৈছিল।

"তই এইবোৰ ক'ত শুনিলি বাৰু ?" তেওঁ আকৌ এবাৰ সুধিলে।

"ছিউভা উইলিয়ামচৰ মুখত। মই জানিব খোজোঁ। কিয় তেওঁ তেনেকৈ কৈছিল।" আচলতে ব্ৰণৰ হাঁহিৰ পাছত কথাবোৰ জানিবলৈ মোৰ আগৰ প্ৰবল ইচ্ছা নাইকিয়া হৈ গৈছিল।

"ছিউ, সময় হ'লে নিশ্চয় এদিন জানিব পাৰিবি। আৰু কিবা খাবি নেকি ?"

"উঁহো। মোক প্ৰশ্নৰ উত্তৰ লাগে।"

"দেউতাৰক সুধিছিলিনে ?" খুব লাহেকৈ ব্ৰণে সুধিলে।

"সুধিছিলো, তেওঁ মাথোন ক'লে— এইবোৰ সুধিবলৈ এৰি নিজৰ কাম কৰ।"

"বাৰু, এই বিষয়ে মই দেউতাৰৰ স'তে কথা হ'ম।" কথাষাৰ কৈয়েই ব্ৰণ চকীৰপৰা উঠিল। মই বুজিলো যে এই বিষয়ে তেওঁ আৰু কোনো আলোচনাই হ'ব দিব নোখোজে।

ময়ো চকীৰপৰা উঠি খঙেৰে ক'লো, "মোক বাৰু সকলোৱে অকণমান গাৰেথৰ দৰে ব্যৱহাৰ কৰে কিয় ? কাৰোবাৰ কামিজৰ তল ভোখৰ দেখিলে নান্ মাৰদিৰ জীৱন ধন্য হৈ যাব কিয় ? আমি পাৰলগীয়া পইচা বেশ্যাবোৰে পায় কেনেকৈ ?"

ব্ৰণৱেন চকুখাই উঠিল। "কি ক'লি ছিউ ? ক'ত শুনিলি এই কথা ?"

"আয়াণ্টোৰ মুখত শুনিছিলো। অৱশ্তে সি এইটোও কৈছিল যে মোৰ সম্মুখত এইবোৰ কথা কোৱাৰ বাবে সি লজ্জিত।"

খুব মৰমেৰে তেতিয়া ব্ৰণে মোক কৈছিল, "হিউ এতিয়া ঘৰলৈ যাগৈ। এইবোৰ কথা লৈ চিন্তা নকৰিবি। ডাঙৰ হোৱাৰ লগে লগে সকলো কথা জানিব পাৰিবি আৰু তেতিয়াহে সকলো কথা বুজিব পাৰিবি।"

মই ক'লো, "টৈগৰেনক সুধিলেই সকলো জানিব পাৰিম। তাই এইবোৰ সকলো জানে।"

কথাষাৰ শুনিয়েই ব্ৰণে খপহকৈ মোৰ কামিজৰ কলাৰত খাপ মাৰি ধৰিলে। খুব খঙেৰে আৰু গম্ভীৰ ভাৱে তেওঁ ক'লে, "হিউ, সেই ছোৱালীজনীৰ স'তে যদি কোনোবাদিনা কথা পাত তেন্তে এই ঘৰত আৰু যেন ভৰি নিদিয়। এই কথা মনত ৰাখিবি কিন্তু।"

"হয় মই তাইক সুধিম, নহয় অইন কোনোবাই মোক ক'ব লাগিব। মুঠতে মই জানিহে এৰিম।"

তেতিয়া ব্ৰণে মোক সাৱটি ধৰি কপালত চুমা খাই ক'লে, "দেউতাৰক যদি এইবোৰ কথা কওঁ তেন্তে তেওঁ তোক পিটিব। তেতিয়া হ'লে তই হয়তো এই একেদৰেই থাকিবি আৰু তাৰ ফলত তোৰ অনিষ্ট হ'ব। মিষ্টাৰ গ্ৰ ফিনক সুধিছিলিনে বাৰু?"

"সুধিব পাৰিলোহেঁতেন। কিন্তু তেওঁ কি উত্তৰ দিব মোৰ জনা আছে।"

"কোৱাটো ঠিক হব বুলি ভাবিলে এতিয়াই মই তোক সকলো কৈ দিলোহেঁতেন। কিন্তু তই এতিয়াও সৰু হৈ আছ। গতিকে এইবোৰ তোক ক'লে বোধহয় ভুল কৰা হ'ব। মই এটা দিন ভাবি চাওঁ বাৰু, কি কৰ?"

"ঠিক আছে। ধন্যবাদ ব্ৰণ।"

"বাৰু তই এতিয়া ঘৰলৈ যাগৈ," সেই চিনাকি হাঁহো-নেহাঁহো হাঁহিটি মাৰি ব্ৰণে মোক ক'লে।

"ওঁ, মই যাওঁগৈ ব্ৰণ।" খুব লাহেকৈ ব্ৰণৰ ওঁঠত চুমা এটা খাই মই তাৰপৰা ওলাই আহিলো।

এই চুমা বস্তুটো আচৰিত, অথচ আচৰিত হবলগীয়াও ইয়াত একো নাই। ই আচৰিত, কাৰণ ইয়াত মূৰ্খামি আৰু ট্ৰেজেদি মিহলি হৈ আছে, আচৰিত নহয় এইবাবে যে চুমাত যুক্তি আছে। হাতত হাত মিলালেই দেখোন যথেষ্ট হ'ব লাগিছিল। কিন্তু সকলো ধৰণৰ আবেগ অনুভূতি প্ৰকাশ কৰিবলৈ অকল হাত মিলালেই যথেষ্ট নহয়। হাতখন টান বস্তু, অইন বহুতো কামৰ

বাবে ইয়াক ব্যৱহাৰ কৰা হয়, ইয়াত আবেগ স্ফুটি উঠে, ঘ্ৰাণ আৰু স্বাদৰপৰা ই বহুতো আঁতৰত, মগজুৰপৰাও ইয়াৰ দূৰত্ব ভালেখিনি আৰু হৃদয়ৰপৰা পুৰা দুহাত আঁতৰত। সভ্যতাৰ পোহৰ নোপোৱা কেতবোৰ জাতিৰ দৰে নাকে নাকে ঘঁহাটো হাত মিলোৱাতকৈ বহুতো উন্নত— আমি সেইটো মূৰ্খামি বুলি ভাবোঁ যদিও। কিন্তু নাকত নাক ঘঁহাই সোৱাদটো একে পোৱা নাযায়। চকুযুৰিবেও বিশেষ একো ধৰিব নোৱাৰি, কাৰণ দুযুৰি চকু বন্ধ বেছি কাষ চাপি আহিলে দৃষ্টিত ভ্ৰম সৃষ্টি হোৱাৰ বাহিৰে একো ফল নহ'ব।

কাণেৰেও বিশেষ একো কৰিব নোৱাৰি। গতিকে আমি ওঁঠতে চুমা খাওঁ এই বাবেই যে, ই আমাৰ মুখৰ এটি অংশ, স্বাদ আৰু ঘ্ৰাণ ইন্দ্ৰিয় ইয়াৰ লগত জড়িত হৈ আছে। ই টান অথচ কোমল। ইয়াত উষ্ণতা আছে। মুখখনৰ অইনবোৰ অংশৰপৰা ইয়াৰ ৰঙো পৃথক— গোলাপী, তিৰোতাৰ ক্ষেত্ৰত পাতল ৰঙা। চুমাৰ সোৱাদে অৱশ্যে বনৰীয়া ট্ৰবেৰিৰ সোৱাদৰ সতে ফেৰ মাৰিব নোৱাৰে। তথাপি চুমা যদি একেবাৰে নাইকিয়া হৈ যায় আৰু তাৰ ঠাইত গোটেই বছৰ জুৰি ট্ৰবেৰি ফলে, তেন্তে এই পৃথিৱীৰ আধাখিনি সুখ নোহোৱা হৈ যাব। মানুহে কিয় চুমা খায় এই কথা ভাবি মই কোনো দিনেই আচৰিত হোৱা নাই। সংসাৰৰ সকলো মূৰ্খামি লৈ ওঁঠেৰে সৈতে ওঁঠ, উশাহৰ সৈতে উশাহ যেতিয়া মিলে তেতিয়া উষ্ণতা উষ্ণতৰ হয়, জিভাই শব্দহীন ভাষাৰে কথা কয়, কোনোদিনেই ভাষাৰে প্ৰকাশ কৰিব নোৱাৰা আবেগ-অনুভূতিয়ে ভাষা বিচাৰি পায়।

সেইদিনা মই ব্ৰণৱেনক প্ৰথমবাৰ ওঁঠত চুমা খাইছিলো। এইবাবে পিছত মোৰ অনুতাপ হৈছিল, অথচ খুব ভালো লাগিছিল। মোৰ কিবা এটা ভয় লাগিছিল, অথচ কিবা এটি অদ্ভুত আনন্দত সংসাৰৰ সকলো সাহস যেন মই বিচাৰি পাইছিলো।

পিছদিনা আবেলি মিষ্টাৰ গ্ৰুফিদে মোক কৈছিল, "হিউ, কিবা কথা এটা তুমি কালি বোৱেৰৰপৰা জানিব খুজিছিলা। কিবা জানিবৰ বাবে মোৰ ওচৰলৈ নাহি অইনৰ ওচৰলৈ যোৱা শুনি মই দুখ পাইছোঁ'। তাৰোপৰি সেইবিধৰ জ্ঞান তুমি তিৰোতাৰপৰা আশা কৰিব নোৱাৰা।"

"মই ভাবিছিলো যে আপোনাক সুধিলে আপুনি খং কৰিব, সেইবাবেহে।" ব্ৰণে আকৌ এবাৰ কথা লগোৱাৰ বাবে তেওঁৰ ওপৰত মোৰ খুব খং উঠিছিল।

"মই তোমাক খুব বেয়া পাইছোঁ।" তেনেকৈ কৈছিল যদিও তেওঁৰ মাতত খং তাব মুঠেও নাছিল। "ঈশ্বৰৰ বাণী সম্পৰ্কে তোমাক শিক্ষা দিব পাৰোঁ যদি তেওঁৰ করুণা, যেওঁৰ মহিমা প্ৰকাশিত কৰা বস্তুবোৰৰ বিষয়ে শিক্ষা দিবলৈ মই উপযুক্ত নহয় বুলি কেনেকৈ ভাবিলা বাৰু?"

"নহয় ছাৰ, মই সেইদৰে ভবা নাছিলো। মোৰ খুব লাজ লাগিছিল। ভাব হৈছিল—মাটি ফাট মেলক, সেই ফাঁটেৰে সোমাই গৈ এই লাজৰ হাত সাৰোঁ।

কাঠবোৰ মিহি কৰি থাকি মিষ্টাৰ গ্ৰুফিদে অলপ পাছত কৈছিল, "তুমি এতিয়া কিছুমান কথা জানা। অইন কিছুমান কথা জানিবলৈ তুমি বাট চাব লাগিব। 'কেলকুলাচ' জানা জানো?"

"ভালকৈ নেজানো। শিকিব ধৰিছোঁ।"

"খুব ভাল কথা। শিকিবলৈ যিখিনি সময়ৰ প্ৰয়োজন সেইখিনি সময় খৰচ নকৰাকৈ তুমি কোনো কথাই শিকিব নোৱাৰা। এই বিষয়ে অধৈৰ্য হ'লে একো লাভ নহ'ব—বৰং ইয়াৰ ফলত সকলো ওলট-পালট হৈ যাব, নহয় জানো?"

"হয় ছাৰ।" কাঠত ৰেন্দা মাৰি মোৰ গোটেই শৰীৰ ঘামি উঠিছিল।

"তেনেহ'লে প্ৰথম কথা প্ৰথমতে শিকিবা। এই পৃথিবীত আছে মুনিহ আৰু তিৰোতা, কিন্তু মুনিহ তিৰোতা হোৱাৰ আগতে তেওঁলোক আছিল ল'ৰা আৰু ছোৱালী আৰু তাৰো আগতে আছিল কেঁচুৱা, নহয় জানো?"

"হয় ছাৰ।"

"তাৰ আগতে তেওঁলোক কি আছিল?"

তাৰ আগতে? এৰা, কেঁচুৱাৰ আগতে মানুহ কি হৈ থাকে বাৰু? মই ভাবি উলিয়াব নোৱাৰিলো।

"একোৱেই নাছিল ছাৰ।"

"ওঁ, ঠিকেই কৈছা। ঈশ্বৰৰপৰা বাণী যিদৰে আহে সেইদৰে কেঁচুৱাবোৰো আহে। হিউ, তোমালোকৰ পাছফালৰ গুদাম ঘৰটোত অৱেনে সজা ইঞ্জিন এটা আছে নহয়? সেইটো তেওঁ কেনেকৈ সাজিলে বাৰু? হাতেৰে সাঁজিছিল সঁচা। কিন্তু তাৰ আগতে তেওঁ মনতে বস্তুটোৰ কথা ভাবি লৈছিল, নহয় জানো?"

"হয় ছাৰ।"

"সেইদৰে কেঁচুৱাবোৰৰ জন্ম মনৰপৰা হয়— ঈশ্বৰৰ মনৰপৰা। সিহঁত ঠিক সৰু সৰু ইঞ্জিনৰ দৰে—আচৰিত আৰু দুৰ্বোধ্য, কাৰণ সিহঁতক চলিবলৈ তেল নালাগে। সিহঁত চলে জীৱন শক্তিৰ দ্বাৰা। কিন্তু ইঞ্জিন এটাৰ দৰে একে সমান হৈ নেথাকি সিহঁত দিনক দিনে ডাঙৰ হৈ উঠি প্ৰথমতে ল'ৰা-ছোৱালী আৰু পিছত মুনিহ-তিৰোতা হৈ পৰিপূৰ্ণতা লাভ কৰে। এইটো আচৰিত কথা নহয় জানো?"

"হয় ছাৰ। পাছে কেঁচুৱাবোৰ আহে কেনেকৈ? কেঁচুৱাৰ আগতে কি?"

"অধৈৰ্য নহ'বাচোন। তোমাৰ ভাগ্য ভাল যে এইখন পাইথাগোৰাচৰ স্কুল নহয়। তেতিয়া হ'লে এই অধৈৰ্যৰ বাবে তুমি পাইথাগোৰাচে শিক্ষা দিয়া কালত পাঁচ বছৰ মনে মনে থাকিব লাগিলহেঁতেন।"

"মই এইবাবে লজ্জিত ছাৰ।" পৃথিবীয়ে ফাট মেলাৰ ভাবটো মোৰ আকৌ মনলৈ আহিছিল।

"বাৰু এতিয়া কেঁচুৱাবোৰ ক'ৰপৰা আহে কওঁ শুনা। নিজৰ আৰ্হিতে ঈশ্বৰে মানুহক সৃজিলে আৰু তাৰ পাছত সেই প্ৰথম মানুহ আদামৰ বুকুৰ হাড়ৰ-পৰা সৃষ্টি কৰিলে তিৰোতাৰ, নহয় জানো?"

"হয় ছাৰ।"

"আদাম আৰু ইভে সৰগৰ নন্দন কাননত ঠাই লাভ কৰিলে। তাৰ পিছত কি হ'ল?"

"ইভে জ্ঞান বিৰিখৰ ফল খাই আৰু আদামকো খুৱাই পাপ কৰিলে।"

কাঠত বেন্দা মাৰি থাকি মিষ্টাৰ গ্ৰু্ফিদে সুধিলে, "তাৰ পিছত?"

"জলন্ত তৰোৱাল এখন হাতত লৈ দেৱদূত এজন আহি তেওঁলোকক সৰগৰ পৰা উলিয়াই দিলে।"

"সৰগৰপৰা ওলাই পৃথিবীলৈ আহি নিজে পৰিশ্ৰম কৰি জীৱন নিৰ্বাহ কৰিবলগীয়া হ'ল। তাৰ পিছত?"

মই ক'লো, "তাৰ পিছত আহিল কেইন আৰু আবেল। আবেল ভাল মানুহ আছিল, কিন্তু কেইনে তেওঁক হত্যা কৰিলে।"

"ৰবা, ৰবা, আগতে কোৱা তেওঁলোক ক'ৰপৰা আহিল। আদাম আৰু ইভৰ জন্মৰ কথা আমি বাৰু পালো। কিন্তু এওঁলোক দুজনক ক'ত পালা?"

"তেওঁলোক আছিল আদাম আৰু ইভৰ সন্তান।"

"ঠিক কৈছা ; তেওঁলোক আদাম আৰু ইভৰ সন্তান। তেতিয়াৰে পৰা আজিলৈ পৃথিবীত কেঁচুৱাৰ জন্ম যেনেকৈ হৈছে ঠিক সেইদৰে তেওঁলোকৰো জন্ম হৈছিল। বাৰু হিউ, এতিয়া কোৱা পুৰুষ দেউতাক আৰু তিৰোতা মাক হয় কেনেকৈ ?"

"কাৰণ, আদাম দেউতাক আৰু ইভ মাক আছিল।" মই ক'লো।

"সেইটো বুজিলো বাৰু। কিন্তু কিয় ? পুৰুষ এজন দেউতাক হয় কেনেকৈ ? তিৰোতা পুৰুষৰ মাজত কি পাৰ্থক্য, মাক-দেউতাকৰ মাজত কি পাৰ্থক্য মোক কোৱা।"

"পুৰুষ মানুহৰ মোচ আছে আৰু পেন্ট পিন্ধে, তিৰোতা মানুহৰ মোচ নাই আৰু তেওঁলোকে স্কাৰ্ট পিন্ধে।"

"ওঁ, পাছে ইয়াৰ বাহিৰেও আমাৰ আৰু তিৰোতাৰ শাৰীৰিক পাৰ্থক্য বহুতো আছে। এতিয়া তুমি কোৱা জৰায়ু কি ? জৰায়ুৰ বিষয়ে তুমি কি জানা ?" মিষ্টাৰ গ্ৰুফিদে সুধিলে।

"বাইবেলত ইয়াৰ উল্লেখ আছে ছাৰ।"

তেতিয়া মিষ্টাৰ গ্ৰুফিদে তেওঁৰ গহীন উদাত্ত মাতটোৰে বাইবেলৰপৰা আওৰালে, "তোমাক সৃজন কৰা আৰু জৰায়ুত স্থিতি দিয়া ঈশ্বৰে এইদৰে কৈছিল। 'কল-কব্জাৰ সৃষ্টি মানুহৰ মনৰপৰা, কেঁচুৱাৰ সৃষ্টি ভগৱানৰ মনৰপৰা।' কিন্তু যিদৰে কল-কব্জাৰ সৃষ্টি হয় মানুহৰ মগজু আৰু হাতৰ মিলনত ঠিক সেইদৰে মুনিহ আৰু তিৰোতাৰ মিলনৰ ফলত হয় কেঁচুৱাৰ জন্ম। সেই কেঁচুৱা জৰায়ুৰপৰা এই পৃথিবীলৈ আহে। জৰায়ুত কেঁচুৱাক জন্ম দিয়ে মাক দেউতাকে, নহয় জানো ? পাছে জৰায়ু কাৰ শৰীৰত থাকে— মাকৰনে দেউতাকৰ ?"

যন্ত্ৰণাত চট্‌ফট কৰি থকা মিচেছ বেইননৰ কেঁচুৱা জন্ম হোৱা দৃশ্যটো মোৰ চকুৰ আগত ভাঁহি উঠিল।

ক'লো, "মাকৰ শৰীৰত।"

"ঠিক কথা। আমি এতিয়া বুজিলো যে, পুৰুষ দেউতাক আৰু তিৰোতা মাক। তিৰোতাৰ শৰীৰত জৰায়ু থাকে আৰু ঈশ্বৰৰ ইচ্ছা অনুযায়ী সেই জৰায়ুত সন্তানে স্থিতি লৈ তাতেই ডাঙৰ দীঘল হৈ উঠে। কিন্তু এইটো কেনেকৈ সম্ভৱ হয় ?"

"পুৰুষ আৰু তিৰোতাৰ মিলনৰ ফলত"— মই ক'লো।

বেলিটো ভেটিয়াপাহাৰখনৰ সিপাৰে ঘুৰ যাবলৈ ধৰিছিল। কমলা আৰু ৰঙা ৰৰণৰ হৈ উঠা আকাশখনৰ পটভূমিত পাহাৰত চৰি ফুৰা ভেঁৰাবোৰ সোণ-ৰৰণীয়া হৈ উঠিছিল।

মিষ্টাৰ গ্ৰ ুফিনৰ স'তে মই আৰু বহু সময় কথা-বতৰা পাতিলো। শেষত এণক সোধা প্ৰশ্নটো মিষ্টাৰ গ্ৰ ুফিনকো সুধিলো—"কাবোবাৰ কামিজৰ তল-তোথৰ দেখিলে নান্ মাৰদিধ জীৱন ধন্য হৈ যাব কিয় ?" ক'ব নোৱাৰাকৈয়ে প্ৰশ্নটো মোৰ মুখৰপৰা ওলাই আহিছিল।

মিষ্টাৰ গ্ৰ ুফিনে ক'লে, "এইটো অতি বেয়া ধৰণৰ ঠাট্টা, হিউ। মাৰ্ দি বয়সীয়াল তিৰোতা, তেওঁৰ গিৰিয়েক নাই আৰু সেইবাবে ল'ৰা-ছোৱালীও নাই। গতি'ক হিউভাই ইয়াকে ক'ব খুজিছিল যে গিৰিয়েক এজন পালে তাই সুখী হ'ব পাৰিব। অইন একো নহয়।"

আচৰিত হৈ গৈ মই তেওঁক সুধিলো, "কিন্তু হিউভাই কথাষাৰ কোৱা বুলি আপুনি কেনেকৈ জানিলে ?"

"হিউ, তোমাৰ বিষয়ে মোৰ নজনা কথা খুব কমেইহে আছে। বাৰু, তুমি দাই বাগোৰ ওচৰলৈ গৈ আছাতো ?"

"হয় ছাৰ।"

"ভাল কৰিছা। ইয়াৰ ফলত নিশ্চয় তোমাৰ ভাল হ'ব। কিন্তু এটা কথা —যি শিকা পুৱাতে শিকি শেষ কৰিবা। ৰাতি যেন এইবোৰত সময় নষ্ট নকৰা —মদৰ দোকানলৈ নেযাবা, বক্সিং মেচ নেখেলিবা বুজিছা ?"

"নেখেলো ছাৰ। পাছে এইবোৰ আপুনি কিয় কৈছে ? মই এইবোৰ কৰাৰ কথাতো এতিয়ালৈকে উঠা নাই ?"

"সেয়ে হয় যদি ভাল কথা। তুমি এতিয়া ঘৰলৈ যোৱাগৈ, ৰাতিয়ে হ'ল।"

"আপুনি আজি ৰাতি আমাৰ ঘৰলৈ আহিবনেকি ? আমি সদায় ৰাতি খাবৰ পৰত আপোনালৈ বাট চাই থাকোঁ।"

কাঠৰ কাম কৰা সঁজুলিবোৰ বাকচ এটাত সুমুৱাবলৈ ধৰি মিষ্টাৰ গ্ৰ ুফিনে অলপপৰ মনে মনে থাকি ক'লে, "মাৰক ক'বা, মই আজিও যাব নোৱাৰিম। বাৰু তুমি এতিয়া যোৱাগৈ ।"

"ভাল ছাব।" মিষ্টাৰ গ্ৰিফিনৰ ঘৰৰ পৰা ওলাই মই বাহিৰ একাষত সোমাই পৰিছিলো। ঘৰলৈ আহি থাকোঁতে বাটত ভাবিছিলো যে এই পৃথিৱীখনৰ সকলো বস্তু ওলট-পালট আৰু ইয়াৰ মানুহবোৰ মূৰ্খতকৈও অধম। এতিয়াহে মই বুজিছিলো ত্ৰণে কিয় মোক এই কথাবোৰ কোৱা নাছিল। তেওঁৰ প্ৰতি এইবাৰে মোৰ কৃতজ্ঞতা উথলি পৰিছিল আৰু তেওঁৰ ওপৰত মোৰ খং সমূলি নাইকিয়া হৈ গৈছিল।

ইয়াৰ কেইদিনমান পাছতে আয়েষ্টিনে আংগাষ্ট্ৰাদক কোনোমতে মান্তি কৰাই লণ্ডনলৈ লৈ গ'ল। বিয়াখন পাতিবলৈ লগত গ'ল আয়াক্টৌ আৰু দেভি। মা-দেউতা ঘৰতে থাকিল—তেওঁলোকে বিয়াখন আমাৰ গাঁৱৰ গীৰ্জাতে পাতিব খুজিছিল আৰু ইয়াৰ বাহিৰে কোনো ঠাইত বিয়াখন পতাত তেওঁলোক মান্তি নাছিল। বিয়াৰ পাছত আয়াক্টৌ আৰু দেভি খুব বেজাৰ মনেৰে ঘৰলৈ উভতি আহিল। লণ্ডনৰ বিষয়ে বা বিয়াখনৰ বিষয়ে সিহঁতে ঘৰত একো নক'লে। সিহঁতৰ মুখৰ অৱস্থাৰপৰা মই ভালকৈ বুজিছিলো যে ভাল বতৰা দিবলৈ সিহঁতৰ একো নাই।

কালাই আৰু পেৰিচৰপৰা আংগাষ্ট্ৰাদে ঘৰলৈ চিঠি দিলে। ইয়াৰ পাছত আহিল বাৰ্লিনৰপৰা। সেইখন চিঠি দেউতাই পঢ়িলে আৰু মায়ে খিৰিকীৰে বাহিৰলৈ চাই থাকি শুনি গ'ল। পঢ়া হলত মায়ে মাথো ক'লে, "হু"।

দেউতাই মাৰ হাত এখন নিজ হাতত লৈ ক'লে, "মই কৈছিলো নহয়। তাই ঠিক হৈ গেছে; আৰু কোনো চিন্তা নাই।"

খিৰিকীৰে বাহিৰলৈ চাই মায়ে মাথোন কৈছিল, "সেয়ে হওক।"

দেউতাই কৈছিল, "সেয়ে হৈছেই। এতিয়া আৰু একো চিন্তা নাই। তাই উভতি আহক বাৰু, তেতিয়া নিজে দেখিবা নহয়।"

২৪

ইয়াৰ ভালেমান দিনৰ পিছতহে সিহঁত ঘৰলৈ উভতি আহিছিল—কেবিয়েন আৰু দেভিৰ বিয়াৰ বহুদিন পিছত।

---- কেইবামাহো জুৰি পৃথিবীখন ঢাকি থকা বৰফবোৰ প্ৰথম বাৰৰ বাবে মাইকিয়া হোৱাৰ দিনা শনিবাৰ এটাত আমাৰ গাঁৱৰ গীৰ্জাটোত দুয়োখন বিয়া পতা হৈছিল। এই বিষয়ে মোৰ ভালকৈ মনত আছে, কাৰণ মাটিত বৰফ পৰি থাকিলে মই সিদিনা নতুন জোতাযোৰ পিন্ধিবলৈ নাপাই স্কুললৈ পিন্ধি যোৱা গধুৰ জোতাযোৰকে পিন্ধিব লাগিলহেঁতেন। ভাল চুট এযোৰৰ সতে পুৰণি গধুৰ জোতা এযোৰ পিন্ধাৰ কোনো অৰ্থ নাই।

প্ৰথমবাৰৰ বাবে দৰ্জিৰ দোকানত জোখ দি কৰোৱা চুটযোৰ আনিবলৈ যোৱা দিনটো মোৰ সদায় মনত থাকিব। ইয়াৰ আগতে মোৰ কাপোৰবোৰ চিলাই কৰি দিছিল মায়ে। কেতিয়াবা দোকানৰপৰা তৈয়াৰী কাপোৰো কিনি দিছিল। তৈয়াৰী কাপোৰবোৰ পিন্ধি একো মজা নাই। তাৰোপৰি এইবোৰ এঠাইত ঢিলা হ'ব আৰু এঠাইত টান। কামিজৰ হাতখন দীঘল, গাটো তোমাৰ জোখৰ দুগুণ। পেন্টটো লংপেন্ট বুলিব নোৱাৰি কাৰণ ভালে খিনি চুটি, অথচ হাফপেন্টো বুলিব নোৱাৰি কাৰণ আঁঠুৰ ভালেখিনি তললৈকে ই ওলমি থাকে। ইচ্ছা কৰিয়েই এই তৈয়াৰী কাপোৰবোৰ জোখতকৈ ডাঙৰ কৰি কিনি দিয়া হৈছিল। ঠিক জোখত কিনিলে দিনক দিনে ডাঙৰ হবলৈ ধৰা ল'ৰা এজনে এবছৰ পিন্ধিয়েই আৰু পিন্ধিব নোৱাৰা হ'ব, সেইবাবেই।

কিন্তু নিজৰ জোখমতে দৰ্জিৰ হতুৱাই কাপোৰ এযোৰ কৰোৱা একেবাৰে বেলেগ কথা।

কেইবা দিনৰপৰা মই আশা কৰি আছিলো দেউতাই মোৰ চুটযোৰ দৰ্জিৰ দোকানৰপৰা আনিবলৈ ক'ব। কিন্তু আংগাষ্টাচ আৰু আয়েষ্টিন বিয়াৰ

বাবে লণ্ডনলৈ গুচি যোৱা বাবে দেউতাই মোক একোকে নক'লে। কেবিদব্রেন আৰু ব্ৰেথিনৰ বিয়াখনৰ লগতে তাৰ আৰু ব্ৰিনৰ বিয়াখন পাতিব খোজাৰ কথা দেভি ককাইদেউৰে খবৰ জনোৱাৰ দুদিনমান আগতে দেউতাই চুটবোৰ আনিবলৈ মোক কৈছিল। সিদিনা স্কুলৰপৰা থৰথৰকৈ উভতি আহিয়েই মই হিউভা উইলিয়ামৰ দোকানলৈ লৰ মাৰিছিলো।

দেভিৰ স'তে ব্ৰিনৰ আৰু কেবিদব্রেনৰ স'তে ব্ৰেথিনৰ বিয়া হোৱাৰ দিনটোৰ কথা সদায় মনত থাকিব। বিয়াৰ আগ দিনাখন ৰাতি আমি কোনেও একটিপ শোৱা নাছিলো।

গীর্জাৰ কাষৰ হল ঘৰটো আমি ধুই পখালি পিছদিনা হ'বলগীয়া চাহ মেলৰ বাবে চকী-মেজবোৰ ঠিক-ঠাক কৰি থৈছিলো। আমি বোলোতে আছিল দেউতা, আয়াণ্টো, দেভি, কেবিদব্রেন, ব্রণ, মই আৰু আমাৰ ওচৰ-চুবুৰীয়া মিচেছ লিবিচ, মিচেছ জনচ আৰু তেওঁলোকৰ ল'ৰা-ছোৱালীহঁত। আইভৰ নাছিল। সি গৈছিল পাহাৰখনৰ সিপাৰলৈ— গান গোৱা দল এটা সি গঢ়ি তুলিব ধৰিছে।

আমি সকলোৱে লগ লাগি হ'ল ঘৰটোত কাম কৰি থাকোঁতে জেমচ ৰওলেও নামৰ গাঁৱৰে মুখীয়াল এজন তালৈ সোমাই আহি দেউতাক ক'লে, "তোমাৰ স'তে দেখা কৰিবলৈ মানুহ আহিছে। গীর্জাত বৈ আছে।"

"বাৰু, জিম। বিয়াৰ সম্পর্কেই আহিছে নিশ্চয়।"

জখলা এখনৰ ওপৰত উঠি হাতুৰি এটাৰে বেৰত গজাল মাৰি থকা দেউতাই ক'লে, "তেওঁলোকক ইয়ালৈকে লৈ আহা।"

"তুমি তালৈ গৈ লগ পাই আহিলেহে ভাল হ'ব।"

"ওহো। তেওঁলোকক ইয়ালৈ আহিবলৈ কোৱা। মোৰ কাম আছে।"

"বাৰু তেন্তে।" জেমচ ৰওলেও কোঠাটোৰপৰা ওলাই গ'ল।

মোৰ হাতৰপৰা মম এডাল লৈ দেউতাই বেৰত লগাই দিব খুজিছিল। তেনেতে তেওঁ এবাৰ হল ঘৰটোৰ দুৱাৰখনৰ পিনে ঘূৰি চালে। তেওঁ এনেকৈ চকখাই উঠিল যে তেওঁ জখলাখনৰপৰা তললৈ বাগৰি পৰাৰ উপক্রম হ'ল। মুখখনত এনে ভাব ফুটি উঠিল যেন তেওঁ ভূতহে দেখিছে। এহাতে ধৰি থকা

মমতাজ আৰু আনহাতে থকা হাতুবিটো হাতবপৰা নবি মাটিত পৰিলহি। হাতুবিটো মূৰত আহি পৰাবপৰা ব্ৰণ কোনোমতে সাৰি -গ'ল। তেনেতে হাহি হাহি অৰেন আৰু শুইল আমাৰ পিনে বেগাই নবি আহিল।

দেউতাই চিঞৰি উঠিল, "অৰেন। শুইল।"

অথলাথনববপৰা বেগাই নামি আহি নবি গৈ তেওঁ সিহঁত দুয়োকে সাবটি ধৰিলে।

অৰেনে ক'লে, "দেউতা।"

শুইলামে সুধিলে, "মা কেনে আছে? ব্ৰণ, তোমাৰ ভালনে?"

মোৰ পিনে চাই মিচিকিয়াই হাহি অৰেনে ক'লে, "হিউ, তই মস্ত ডাঙৰ হৈ উঠিছ দেখোন।"

"ওঁতো। কাইলৈ লংপেন্ট পিন্ধিম চাবি," মই ক'লো।

দেউতাই ক'লে, "আমাৰ কাম একপ্ৰকাৰ শেষেই হৈছে। তইঁত মোৰ লগত ব'ল—আগতে মাৰক দেখা দি আহগৈ। তেওঁ এই দিনটোৰ বাবে আজি কতদিন ধৰি বাট চাই আছে। হিউ, ইয়াবপৰা ঘৰলৈ মোৰাৰ আগতে ভালকৈ এবাৰ চাই নবি কিবা কাম বাকী থাকিল নেকি?"

বাকী থকা কামখিনি মই আৰু ব্ৰণে কৰি পেলালো। কোঠাটোত তলা-মাৰি মই ব্ৰণৰ লগতে তেওঁলোকৰ ঘৰলৈ গ'লো চাহ একাপ খাবলৈ। কামত ব্যস্ত হৈ থকাৰ বাবে সিদিনাৰ আবেলিৰ চাহ খোৱা নাছিলো। বাটত লগ পালো মিষ্টাৰ গ্ৰুফিদক—চকুৰ ওপৰলৈ টুপীটো নমাই, কোটৰ জেপত হাত ভুখন ভৰাই লাহে লাহে খোজ কাঢ়ি ঘৰলৈ উভতিব লাগিছে।

মই তেওঁক ক'লো, "অৰেন আৰু শুইল ঘৰলৈ উভতি আহিছে, ছাৰ।'

"উভতি আহিছে? কোন?"

"অৰেন আৰু শুইল। এইমাত্ৰ আহি পাইছে।"

"হয়নে বাৰু? মই তেওঁলোকক কাইলৈ লগ পাম। এতিয়া আহো, মিচেছ মৰ্গান। বাবা দেই হিউ।"

ব্ৰণে তেওঁৰ মুখৰ পিনে চাই থাকি ক'লে, "আমাৰ ঘৰলৈ বলক। ভাল মাংস অলপ বান্ধি থৈছো— একেলগে খাব পাৰিম।"

মিচিকিয়াই হাহি তেতিয়া মিষ্টাৰ গ্ৰুফিদে ক'লে, "এতিয়া নেযাওঁ, মোৰ কাম আছে। চকী-মেজবোৰ সজা সোনকালে শেষ কৰি পেলাব লাগিব,

কি কোবা হিউ ? আশাকবোঁ, আপুনি বেয়া নেপাব। এতিয়া, আহোঁহে।"

অলপ দূব বাট গৈ থকাব পিছত ব্রণে হঠাতে ক'লে, "বেচেবা মিষ্টাৰ গ্রূফিদ।"

"কিয় বাক তেনেকৈ কৈছা ?" মই সুধিলো।

ইতিমধ্যে আমি ব্রণহঁতব ঘবব দুবাব মুখ আহি পাইছিলো।

ঘব সোমাই লেমটো জলালো। ব্রণে তেতিয়ালৈ মোব প্রশ্নব উত্তব নিদিয়া দেখি মই আকৌ সুধিছিলো, "কিয় তেনেকৈ কৈছিলা ব্রণ। মিষ্টাৰ গ্রূফিদব কিবা হৈছে নেকি ?"

ব্রণে তেতিয়া কৈছিল, "মই যদি কেতিয়াবা পুনব বিয়া কবাবব অবস্থাত থাকোঁ তেন্তে মই তেওঁকে বিয়া কবাম—এইবাবে মাহুহে যিয়ে বোলক লাগে।"

ব্রণক সুধিলো, "কিয় ?"

"মাথোন কিয়, কিয় আক কিয় ? ককাদেউতাব 'কিয়' বোলাব বাহিবে অইন আক একো কথা নাই। মুখখন দেখিলে মোব বব দুখ লাগে, বুজিলি ?"

মূর্খবদবে মই সুধিলো, "দুখ লাগিবব নো কিটো আছে ? তেওঁ আগতে যি আছিল এতিয়াও দেখোঁ ঠিক তেনে আছে।"

"বাহিবব ফালে একে থাকিলে কি হ'ব ? তেওঁব অন্তব ভাগি গৈছে। সেইবাবে আমি শাস্তি নোপোৱাকৈ লাবি নাযাম কিন্তু, মই তোক কৈ থলো। "

মিষ্টাৰ গ্রূফিদব ঘবব আবেলিবোবব কথা মোব মনত পবিল।

"ইয়াব কাবণ আংগাহ্রাদ নহয় জানো ?" মই ব্রণক সুধিলো।

ব্রণে এই বিষয়ে একো উত্তব নিদি ক'লে, 'ল, চাহ খা। চাবি, কাপোবত নেপেলাবি আকৌ। হিউ, কাইলৈ মই নতুন কাপোবযোব পিন্ধিম। এতিয়া বিচনাত পবিম আক কাইলৈ নতুন কাপোবযোব পিন্ধাব সময়ত সাব পাম—খুব মজাব কথা, নহয় জানো ?"

"ওঁ, ময়ো কালি নংপেন্ট পিন্ধিম।"

"ওঁ, তই এতিয়া ডেকা হৈ উঠিছ।"

ব্রণে সেই চিনাকি হাহিটিবে মোব মুখলৈ চাই আছিল। তথাপি, তেওঁ হাহি আছিল যদিও আক ময়ো উত্তবত হাহিছিলো যদিও লাহে লাহে তেওঁব হাহিটি নাইকিয়া হৈ আহিল। ওঁঠ দুটি কঁপি উঠিল। মুখব হাঁহিটি হেকৱাই তেওঁ লাজত বঙা পবি উঠিল।

কিয় জানো ক'ব নোৱাৰোঁ, মোকো খুব লাজ লাগিবলৈ ধৰিলে। মোৰ হাতত থকা পিৰিচ-পিয়লাযোৰ কঁপি উঠি থকৰকাবলৈ ধৰিলে। মই লৰা-লৰিকৈ সেইবোৰ মেজত থৈ দিলো। লাজত ৰঙা পৰি ব্ৰণৱেনে নিথৰ হৈ বহি চেনি খোৱা বাটিটোৰ পিনে একেথৰে চাই থাকিল। কোঠাটো একেবাৰে নিজম হৈ পৰিল।

তেনেতে ব্ৰণৱেনে ক'লে, "হিউ, তই এতিয়া ঘৰলৈ যাগৈ।"

তাৰপৰা ওলাই আহি মই অলপ সময় এন্ধাৰে আবৰি ধৰা পাহাৰখনৰ পিনে চাই থাকিলো। ৰহস্যময় ক'লা পাহাৰখনতকৈ মোৰ মনত খুদুৱনি লগাই থকা প্ৰশ্নবোৰ বেছি ৰহস্যময় যেন লাগিল। পাহাৰখনৰ নিৰ্লিপ্ত শান্তিৰ ভাগ লওঁ বুলি মই ভালেখিনি পৰ সেইপিনে চাই একে ঠাইতে থিয় দি থাকিলো। চেঁচা বতাহজাকে মোৰ হঠাতে উত্তপ্ত হৈ উঠা শৰীৰলৈ শীতলতা আনি দিলে।

হঠাতে মই শৰীৰৰ মাজ ভাগত— তলপেটৰ ফালে —অইন কিবা এটি উত্তাপ অনুভৱ কৰিলো। এই উত্তাপ মই আগতে কেতিয়াও অনুভৱ কৰা নাছিলো যদিও ই মোৰ অবিচ্ছেদ্য অঙ্গ যেন লাগিল। আৰু সেইবাবেই হয়তো এই নতুন উত্তাপত মই অলপো আচৰিত নহলো। মোৰ শৰীৰৰ প্ৰতিটো অঙ্গই যেন এই উত্তাপত গান গাই উঠিল। উত্তেজিত হৈ উঠা প্ৰতিডাল শিৰৰে মোৰ তেজ বাগৰি গ'ল আৰু তেনেতে হঠাতে কিবা এটি অদ্ভুত আনন্দত মই আপ্লুত হৈ উঠিলো। মই গম পালো মই যৌৱনত ভৰি দিলো।

হঠাতে যিদৰে আহিছিল সেইদৰে হঠাতে মোৰ এই নতুন ধৰণৰ অদ্ভুত আনন্দ নাইকিয়া হৈ গ'ল। মোৰ সন্দেহ হ'ল, ভয় লাগিল, লাজ লাগিল। এন্ধাৰৰ পিনে চাই থাকি মই ভাবিবলৈ ধৰিলো—মানুহে বাৰু কেনেকৈ নিজৰ ভিতৰত থকা এই শক্তিৰ বিষয়ে সম্পূৰ্ণ উদাসীন হৈ মাথোন পেটৰ বিষয়ে সুখ স্বাচ্ছন্দ্যৰ বিষয়ে আৰু পয়চাৰ বিষয়ে ভাবি নিজৰ কাম কৰি যাব পাৰে?

মনলৈ ভাব আহিল মই চিৰদিন ল'ৰা হৈ থাকিলেই ভাল আছিল। তেতিয়া হ'লে সন্দেহৰ এই বোজা, ভয়ৰ এই আতুৰতা মোৰ নেথাকিলহেঁতেন। তেতিয়া হ'লে মুহূৰ্তৰ বাবে আনন্দত আপ্লুত হৈ উঠি পিচ মুহূৰ্ততে বাস্তিৱ এন্ধাৰত মই ডুবি মৰিব নেলাগিলহেঁতেন।

পাহাৰখনৰ উচ্চতাই মোৰ মনলৈ সাহস আনি দিলে। এই উচ্চতাই মোক সোঁৱৰাই দিলে মানুহৰ মহানতাৰ কথা, মানৱ জীৱনৰ কথা। মানৱ জীৱনৰ বিশাল মহীৰুহৰ মই এতিয়া এটি ঠেঙুলি, জন্মদান-শক্তি এতিয়া মোৰ শিৰে শিৰে তেজ হৈ বৰ ধৰিছে। মই এতিয়া বাট চাই আছোঁ মাথোন সেই অজান ইভৰ বাবে যিয়ে আহি তেওঁৰ ৰূপৰ মাধুৰীৰে মোক প্ৰলোভিত কৰি জগাই তুলিব। আৰু সেই প্ৰলোভনৰ ফলত জন্ম হ'ব সন্তানৰ। এই নৱজাত সন্তানে ঈশ্বৰৰ মহিমাময় ৰূপ প্ৰতিফলিত কৰিব।

মনৰ চকুৰে মই দেখিলো মোৰ পূৰ্বপুৰুষসকলক, দেখিলো মোৰ আগন্তুক বংশধৰসকলক। মোৰ পাছফালে চাই দেখিলো দেউতাক, তেওঁৰ দেউতাকক আৰু তেওঁৰ আগৰ সকলো পূৰ্বপুৰুষসকলক। আগফালে চাই দেখিলো মোৰ আগন্তুক সন্তানক, সেই সন্তানৰ সন্তানক আৰু সেই সন্তানৰ ভৱিষ্যত বংশধৰ-সকলক।

মই আজি যি অনুভৱ কৰিছোঁ ঠিক সেয়ে মোৰ পূৰ্বপুৰুষসকলে অনুভৱ কৰিছিল আৰু মোৰ বংশধৰসকলেও কৰিব। আগতে যি আছিল আজিও সেয়ে আছে, অনন্ত কাললৈ সেয়ে থাকিব। তেনেতে হঠাতে মোৰ মনত ভয় নাইকিয়া হৈ গ'ল— মই দীঘল শাৰী এটাত থিয় দি আছোঁ। সেই শাৰীৰ আদিও নাই, অন্তও নাই। সেই শাৰীতে থিয় দি ককাদেউতাই দেউতাৰ হাত ধৰি আছে, দেউতাই ধৰি আছে মোৰ হাত, মই ধৰি আছোঁ ভৱিষ্যত সন্তানৰ হাত। অতীত বৰ্তমান আৰু ভৱিষ্যত কালৰ এই সকলো মানুহে হাত দাঙি মোক সকিয়াই দিলে আমাৰ এই অবিচ্ছেদ্য বান্ধোনৰ কথা। তেতিয়া মই বুজিলো আমি সকলো তিৰোতাৰ গৰ্ভজাত পুৰুষৰ সন্তান— মহিমাময় ভগৱানৰ কৰুণাত তেওঁৰ আহিত জন্মলাভ কৰা মানৱ সন্তান।

মই তেওঁলোকৰ অংশ, তেওঁলোক মোৰ আৰু জগতে মই তেওঁলোকৰ প্ৰত্যেকতে বিৰাজমান।

তেনেতে হঠাতে আমাণ্টোৰ মাত শুনিলো— "হিউ, তাত থিয় দি কি কৰিছ? বলিয়া হলিনেকি?"

"নাই, এই পাহাৰখন চাই আছিলো।"

"বাৰু, এতিয়া ঘৰলৈ আহি কাঁহী-বাটিবোৰ ধোহি। ছোৱালী বুলিবলৈ এতিয়া ঘৰত কোনোৱেই নোহোৱা হ'ল। গতিকে আমিয়েই এইবোৰ ধুব লাগিব বুজিছ?"

"কেবিদৰেন ক'লৈ গ'ল ?" মই সুধিলোঁ।

"এ, তাইৰ কথা নক'বি কাইলৈ তাইৰ বিয়া, গতিকে আজি আগফালৰ কোঠাটোত পাটবাণী সাজি বহি আছে। মাও তাতে অৰেন আৰু শুইলক লগত লৈ বহি আছে, ব্ৰণ গৈছে আইভৰক লগ ধৰিবলৈ।"

"ব্ৰণ দেখোন অলপ আগলৈকে ঘৰতে আছিল ?"

"ওঁহো, মই নিজে তেওঁক ওলাই যোৱা দেখিছোঁ। সাজি-কাচি ওলাই গৈছে – যেন আইভৰ ক'ৰবাৰ বেৰিলনৰ বজাহে। বাক এতিয়া ব'ল। পাক-ঘৰত বহুত কাম পৰি আছে। এই মাইকী মানুহবোৰ কিযে। জহান্নামে যাওক সিহঁত। যেতিয়া আৰু য'ত সিহঁতক বিচাৰিবি কেতিয়াও নাপাবি।"

অকল কাঁহী-বাটি ধোৱাই নহয় আটাইবোৰ বন্ধা-বঢ়া আমি দুজনেই কৰিলোঁ।

মেজত ভালকৈ কাপোৰ পাৰি খোৱা বস্তুবোৰ ভালকৈ তাত সজাই অইন সকলোকে পেট ভৰাই খাবলৈ মাতি আনিলোঁ।

জুতি লগাই ৰন্ধা খোৱা বস্তুৰে ভৰা মেজ এখনৰ চাৰিওফালে বহা মানুহৰ আনন্দোজ্জ্বল মুখবোৰ চাই সঁচাকৈয়ে ভাল লাগে। আৰু সুমধুৰ শব্দৰ কথা যদি তোলা তেন্তে মই গানৰ ঠিক পাছতে চামুচ আৰু কটাৰীৰ মধুৰ টুংটাং শব্দক ঠাই দিম।

অইন দিনাৰ দৰে আজিও মা আটাইতকৈ শেষত খাবলৈ বহিল। কোনো কথাই তেওঁৰ চকুৰপৰা সাৰি নগ'ল— কাৰ কাঁহী উদং হৈছে, কোনে একো নেখাই বহি আছে সকলো তেওঁ লক্ষ্য কৰিলে। তেওঁৰ কাঁহীত খোৱাবস্তু আটাইতকৈ কম, কিন্তু আমি আৰু অলপ বেছিকৈ খাবলৈ ওজৰ আপত্তি কৰিলে তেওঁৰ খং কিটো চাবা।

মায়ে অৰেনক সুধিলে, "লণ্ডনত থাকোঁতে ভালকৈ খাইছিলি নে ?"

"নাই মা। আমি প্ৰায়ে সস্তীয়া দোকানবোৰলৈহে গৈ খোৱা-বোৱা কৰিছিলোঁ।"

"মাংস, কৰি ভজা, পুডিং আৰু চাহ একাপ— এই খিনিৰ বাবেই সাত চিলিং দিব লাগে," শুইলে ক'লে।

"সাত চিলিং।" মা আচৰিত হৈ গৈছিল। "তইতৰ বহুত পইচা আছিল নেকি অ' ?"

"পইচা বেছি নাছিল, কিন্তু লণ্ডনত সকলো বস্তুৱে দাম," অৰেনে ক'লে।

আয়াক্টোই সুধিলে, "তই লণ্ডনলৈ উভতি যাবিনেকি অৰেন?"

"নেযাওঁ, অৱশ্যে মা-দেউতাই বিছে ইয়াত থাকিবলৈ দিয়ে।

"কিয় নিদিয়? এইটোতো তইঁতৰে ঘৰ" দেউতাই তেতিয়া কৈছিল।

গুইলে ক'লে, "এতিয়া যি হওঁক ভালকৈ শুবলৈ পাম। মোৰা মাহটো আটাইকেইদিন বাস্তিৰ ভাগত কাম কৰি কটালো। কালি ৰাতি আৰু তাৰ আগৰ ৰাতিও অকণো শুব পৰা নাই।"

দেউতাই সুধিলে, "পাছে দ'ৰাইত, তইঁতে এতিয়া কি কৰিব খুজিছ?"

অৰেনে ক'লে, "খনিত কাম কৰিম।"

গুইলে ক'লে, "ময়ো কৰিম। সুৰঙ্গত ইমান দিনে কাম কৰাৰ পিছত খনিত কাম কৰিবলৈ মই ভালহে পাম।"

"তইঁতে সুৰঙ্গত কাম কৰিছিলি নেকি? কোনটোত বাৰু?" আয়াক্টোই সুধিলে।

"সিহঁতে লণ্ডনত এটা সুৰঙ্গ কৰিব ধৰিছে ৰেল লাইনৰ বাবে। পাছে কৰিলে কি হ'ব? কোনো লাগ বান্ধ নাই। দুদিনমান পিছতে গোটেইখন পণ্ড হলেহে বুজিব পাৰিব।"

পাইপত ধঁপাত ভৰাই থাকি দেউতাই মিচিকিয়াই হাঁহি সুধিলে, "এই কথা তহঁতৰ ফ'ৰমেনক কৈছিলি হবলা?"

গুইলামে ক'লে, "ফৰমেনতো অৰেন নিজেই। সি চাৰ্জেণ্টৰ অৱশ্যে কৈছিল।"

"হয় নেকি? এইবাবে তহঁতে কামৰপৰা খেদা খালি নেকি?"

"এইবাবে নহয়। তেওঁ মোৰ স'তে অভদ্ৰ আচৰণ কৰিছিল। ময়ো তেওঁক দুবাৰ শুনাই দিছিলো।" অৰেনে ক'লে।

"আৰু তেতিয়া তোৰ কাম গ'ল, নহয় জানো?" দেউতাই সুধিলে।

গুইলে ক'লে, "ওঁহো চাৰ্জেণ্টৰহে কাম গ'ল। অৰেনৰ দৰমহা বাঢ়িল। মোৰহে কাম গ'ল।"

"তোৰ কাম গ'ল? কিয়?"

তলমূৰ কৰি, তাৰ কাঁহীখনৰ পিনে চাই থাকি গুইলামে ক'লে, "কামকৰা মানুহবোৰৰ দৰমহা আৰু কামৰ চৰ্ত আদিৰ বিষয়ে গণ্ডগোল লগোৱা বাবে।

মই তাত এখন ইউনিয়ন গঢ়ি তুলিছিলো। মালিকে এই বিষয়ে গম পালে আমাৰ ইউনিয়নে কৰা শোভাযাত্ৰা এটাত যোগ দিওঁতে। মই পাছে এই বাবে ভবা-চিন্তা কৰা নাছিলো। কেইদিনমান পিছত আমাৰ লগৰীয়াসকলক লৈ সভা এখন পাতিছিলো। মালিক নিজে সেই সভালৈ সোমাই আহি মোক তাতে কামৰপৰা বৰ্থাস্ত কৰিলে। গতিকে অৰেনেও কামত ইস্তফা দিলে। তেনেতে আমি কাগজত দেখিলো আংগাহ্লাদ আৰু আয়েষ্টিনৰ বিয়াৰ খবৰ। তাৰ দুদিনমান পিছত দেখি আৰু ৱিনৰ বিয়াৰ খবৰ। গতিকে লৰালৰিকৈ আমি ঘৰলৈ আহিলো।"

অৰেনে সুধিলে, "আমাৰ ইযাৰ ইউনিয়নৰ খবৰ কি?"

আয়াণ্টোই ক'লে, "বিশেষ ভাল নহয়। দৰ্মহাৰ নিৰিখ দিনক দিনে কমিহে আহিছে। কিন্তু আমাৰ মানুহৰ কাণসাৰ নাই। সিহঁতে কয়, কম দৰ্মহা পালে সদায় অন্ততঃ কাম থাকিবহ, বহি থাকিব নালাগিব। আমাক কম দৰ্মহা দি মালিকহঁতে কিমান পইচা আৰ্জিব ধৰিছে সেই কথা সিহঁতে ভাবিবৰ চেষ্টা নকৰে।"

অৰেনে ক'লে, "কিয় নকৰে? এই উপত্যকাবোৰৰ মানুহ মূৰ্খতো কেতিয়াও নাছিল?" অৰেন আৰু ডাঙৰ দীঘল হৈ উঠিছে। ধোঁৱা বৰণীয়া উজ্জল তাৰ চকুযুৰি কিন্তু ঠিক আগৰদৰেই আছে।

দেভিয়ে উত্তৰ দিলে, "মূৰ্খ অৱশ্যে নহয়, কিন্তু অতিপাত ভদ্ৰ—বিৰক্তিকৰ ভাবে ভদ্ৰ।"

দেউতাই মাত দিলে "অনুগ্ৰহ কৰি এই কথা মনত ৰাখিবি যে কম দৰ্মহাতে কাম কৰিম বুলি আমি খনিৰ মালিকহঁতক কথা দিছিলো। সেই কথা মানি চলিব লাগিব। গতিকে তোৰ ইউনিয়নৰ কথা এতিয়া বন্ধ কৰ। কোনোবাই তহঁতক ঠগা যেন পালে ইউনিয়ন কৰ অইন কি কৰ কৰি থাকিবি।"

মায়ে ভয়তে লৰালৰিকৈ কৈ উঠিল, "হৈছে, হৈছে। এইবোৰ লৈ আৰু তৰ্কা-তৰ্কিথন কৰিব নালাগে। লণ্ডনত থাকোঁতে গীৰ্জালৈ গৈছিলিনে অৰেন?"

"গৈছিলো মা, প্ৰত্যেক দেওবাৰেই গৈছিলো। ...মিষ্টাৰ গ্ৰুফিদক দেখা নাই দেখোন। ক'ত আছে তেওঁ?" অৰেনে সুধিলে।

মই ক'লো, "কামত ব্যস্ত আছে। তেওঁ তহঁতৰ লগতে কাইলৈ দেখা কৰিব।"

"অ" মাথোন ইয়াকে কৈ অৰেনে যাৰ পিনে চালে। আমি সকলোৱে তালৈমান সময় নিতাল মাৰি থাকিলো।

হঠাতে গুইলামে সুধিলে, "দেউতা, আংগাহ্লাদে এই আয়েষ্টিনটোক বিয়া কৰালে কেনেকৈ? তাই বলিয়া হৈছিল নেকি?"

"তেনেকৈ কৈছ কিয়?" পাইপটোৰ পিনে চাই থাকি দেউতাই খুব শান্তভাবে সুধিলে। মায়ে ভয়তে আকাৰে-ইঙ্গিতে গুইলামক মনে মনে থাকিবলৈ ক'লে।

অৰেনে ক'লে, "সি এক নম্বৰ অভদ্ৰ।"

"পইচাৰ গৰমত সি মাটিত ভৰিকে দিব নোখোজে." গুইলামে যোগ দিলে।

দেউতাই ক'লে, "সেইবোৰ বিয়েই নহওঁক, আয়েষ্টিনে এতিয়া ভইতৰ ভনী-জোঁৱাই। আংগাহ্লাদে খুব ভাল দৰা পাইছে বুলি মই ক'ম। তাই বা তাইৰ ল'ৰা-ছোৱালী কোনোদিনেই অভাৱত পৰিব নেলাগিব।"

"বিদেশৰপৰা ঘূৰি আহি সি তাৰ সম্পত্তিবোৰৰ বিষয়ে কিবা এটি কৰি পেলালেই ভাল হ'ব। তাৰ দেউতাকে খনি চলাব পাৰিছিল এই কাৰণেই যে তেওঁ সকলোকে আপোন কৰি লব পাৰিছিল। কিন্তু আয়েষ্টিনে পাৰিব জানো? খনিৰ মানুহবোৰে তাৰ তলত কাম কৰিব নোৱাৰিব," আয়াণ্টোই ক'লে।

তেনেতে দেভিয়ে ক'লে, "আমি এই সপ্তাহৰ ভিতৰতে এখন দৰ্খাস্ত দিম।"

"দৰ্খাস্ত? দৰ্খাস্ত দি কি হ'ব?" অৰেনৰ মাতটোত কিবা নতুন উত্তেজনা এটি ফুটি উঠিছিল। "চৰকাৰৰ লগত কাজিয়া কৰ। চৰকাৰক যিমানে জুলুম কৰিবি সিমানে আদায় কৰিব পাৰিবি।"

দেউতাই ক'লে "তাকে কৰিবলৈ গ'লে একো লাভ নহয়— মাথোন ছমাহ লঘোণ দিব লাগিব আৰু ল'ৰা-ছোৱালীইত খাবলৈ নেপাই মৰিব। এইবোৰ কথা এৰ ল'ৰাহঁত। কিতাপত পঢ়িবলৈহে এইবোৰ কথা ভাল; কামত নাহে।"

একেথৰে দেউতাৰ পিনে চাই অৰেনে ক'লে, "দেউতা, তেতিয়া হ'লে এদিন চিৰদিনৰ বাবে লঘোণ দিব লাগিব, জানা? বস্তুৰ দাম দিনক দিনে বাঢ়ি যাব ধৰিছে। খনি বন্ধ কৰি দিলে কি কৰিবা?"

"সেইদিন আহিবৰ ভয় থাকিলে মই তইতক আগতে জনাম বাৰু। আকৌ এবাৰ কওঁ শুন— এইবোৰ ভাবিবলৈ এৰ। এইবোৰ এৰি আমি এতিয়া গান গাওঁ আহ। চাওঁচোন লওনলৈ গৈ তইত দুয়ো গান পাহৰিলি নেকি ?" দেউতাই ক'লে।

ৱিনে ললে বীণাখন, কেৰিদৰেন বহিলগৈ পিয়ানোৰ ওচৰত। মা আৰু দেউতা জুহালৰ দুয়োকাষে দুখন চকীত বহিল। দাদাইত আৰু মই তেওঁলোক দুয়োৰো দুয়ো কাষে থিয় দিলো।

আমি গান আৰম্ভ কৰিলো।

লগে লগে ওচৰ চুবুৰীয়াবোৰ লৰি আহিল। অলপ পিছতে আহিল আইভৰ আৰু ব্ৰণ। অৱেনে ব্ৰণক জোকাই হাৰাশাস্তি কৰিলে। শুইলামে আইভৰক গান মাষ্টৰ বুলি জোকাবলৈ আৰম্ভ কৰি দিলে।

অলপ সময়ৰ ভিতৰতে কোঠাটো ভৰি উঠিল। গতিকে আমি সকলোৱে হাতে হাতে চকী, টুল আদি লৈ বাহিৰৰ আলিবাটলৈ ওলাই গ'লো।

সেই ৰাতিটো সঁচাকৈ সুন্দৰ আছিল। জোনৰ পোহৰে পাহাৰখনৰ ওপৰ ভাগ ঢোৱাই আছিল। বতাহজাক খুব ধীৰে বৈছিল আৰু সেইবাবে আমাৰ গান গোৱাত অকণো অসুবিধা হোৱা নাছিল। বতাহজাকে কিন্তু মৃদুভাবে হলেও সোঁ সোঁ শব্দ কৰি আমাক সোঁৱৰাই দিছিল তেওঁৰো গান গাবলৈ আছে। উপত্যকাখনে নিতাল মাৰি বাট চাই আছিল আমাৰ গানেৰে নিজক ভৰাই তুলিবলৈ।

আলিবাটত বহি সেই ৰাতি ঘণ্টাৰ পিছত ঘণ্টা জুৰি আমি উপত্যকাখন গানেৰে ৰজনজনাই তুলিছিলো। বাটৰ কাষৰ ঘৰবোৰৰ খিৰিকী খুলি মূৰ বাহিৰলৈ উলিয়াই বহুতো ঘৰৰ মানুহে আমাৰ গীতত যোগ দিছিল। পাহাৰ-খনৰ ওপৰলৈ উঠি গৈ চকী এখনত থিয় দি থাকি আইভৰে আমাৰ গীত পৰিচালনা কৰিছিল। তিৰোতাবোৰে মাজে মাজে নিজ ঘৰলৈ গৈ অলপ পিছতে উভতি আহিছিল— হাতত চাহ, মদ, কটী, পনীৰ আৰু কেক লৈ। আমাৰ গান বহু সময় চলি আছিল— এটা গান শেষ হ'লে অইন এটা গান কোনোবাই আৰম্ভ কৰি দিছিল।

সেইদৰে আলিবাটত বহি গান গাই থাকোঁতে ব্ৰণৱেনে মোৰ কালে চাই থকা মই কেইব্যাৰো গম পাইছিলো। কিন্তু তেওঁৰ পিনে চোৱাৰ লগে লগে

তেওঁ প্ৰত্যেকবাৰে চকু মুদা পাতবাই অইন পিনে চাইছিল। তাৰোপৰি তেওঁ এবাৰো সেই চিৰ পৰিচিত মিচিকিয়া হাঁহিটি মৰা নাছিল। চাহ কৰিবলৈ মাৰ স'তে আমাৰ ঘৰলৈ গৈয়েই মই পিৰিচ-পিয়লা এযোৰ ধুই তাত চাহ একাপ আনি ব্ৰণৰেনক দিছিলোহি।

"ব্ৰণ, চাহ আনিছোঁ," মই কৈছিলো।

"চাহ আনিছ? তই বৰ ভাল ল'ৰা হিউ। মোৰ চাহ একাপ খাবৰ মন গৈছিল। ডিঙি শুকাই গৈছে।"

ফুচ ফুচাই মই তেতিয়া ব্ৰণক সুধিছিলো, "কথাটো কি বাৰু ব্ৰণ? মই কিবা অগৰ লগালো নেকি?"

ব্ৰণ এন্ধাৰৰ মাজত বহি আছিল। চাহৰ পিয়লাটোৱে তেওঁৰ মুখখন ঢাকি আছিল। তথাপি জোনৰ পোহৰত মই দেখিছিলো চিক্‌মিকাই থকা চকুলো এটুপি। খৰধৰকৈ ব্ৰণে মুখখন অইনপিনে ঘূৰাই অতি সহজভাবে কৈছিল, "কাইলৈ ক'ম, হিউ। বিশেষ একো হোৱা নাই।"

হঠাতে আকৌ এবাৰ মই সেই অজান অদ্ভুত আনন্দত আপ্লুত হৈ উঠিছিলো। লৰালৰিকৈ ঘৰলৈ গৈ মই মাক চাহ আৰু খোৱা বস্তুবোৰ সাজু কৰাত পূৰ্ণোদ্যমে সহায় কৰিছিলোগৈ।

গাঁৱৰ বেছি ভাগ মানুহেই বাকী থকা বাতিভোখৰ চকীত বহি টোপনিয়াই কটালে। মই কিন্তু অকণো শুলো। আয়ান্টোৰ স'তে মই পাহাৰখনৰ ওপৰলৈ গৈছিলো কাঠফুলা বিচাৰি। এপাচি কাঠফুলাৰ উপৰি কেৰিদ্ৱেন, ৱিন, ব্ৰণ আৰু মাৰ বাবে ফুল এপোপা লৈ আমি ঘৰলৈ উভতি আহিছিলো।

দোকমোকালিতে আইভৰ, আয়ান্টো আৰু দেভিৰ স'তে দেউতা গ'ল খনিৰ কামলৈ। তেওঁলোক যোৱাৰ লগে লগে আচল কাম আৰম্ভ হ'ল। গোটেইটো ঘৰ ধুই-মচি চকী-মেজবোৰ বাহিৰলৈ নি পৰিষ্কাৰ কৰি দুৱাৰ-খিৰিকীবোৰত নতুন পৰ্দা লগাই দিয়া হ'ল। ছুৰী, কাটা আৰু চামুচবোৰ ঘঁহি-মাজি আমি চিক্‌চিকিয়া কৰি তুলিলো। ৰন্ধা-বঢা আৰম্ভ হ'ল। ওচৰ-চুবুৰীয়া আহি সহায় কৰি দিলেহি। বাহিৰৰ চোতালত ৰন্ধা-বঢাৰ বাবে মই জুই দুকুৰামান ধৰি দিলো।

ইয়াৰ পাছত আমি আলু আৰু অইন শাক-পাচলি কুটিলো, হাঁহ-কুকুৰাৰ

পাখি গুচালো, চপ কৰিবলৈ গাহৰিৰ মাংসবোৰ টুকুৰা-টুকুৰ কৰি কাটিলো। ইমানবোৰ খোৱা বস্তু দেখি দেখি মোৰ বমি আহিবৰ উপক্ৰম হ'ল।

দুপৰীয়া খনিৰ শিঙা বাজি উঠাৰ লগে লগে মই পাচফালৰ চোতালত দেউতা আৰু ককাইদেউহঁতৰ বাবে গা ধুবৰ পানী ঠিক কৰি থলো। নিজে গাটো ধুই লৈ মই ওপৰ মহলালৈ গলো মোৰ প্ৰথম লংপেন্টটো পিন্ধিবলৈ।

জীৱনত প্ৰথম লংপেন্ট পিন্ধাতকৈ অইন কিবা মজাৰ কথা হ'ব পাবে নেকি মোৰ সন্দেহ আছে।

আজি, এতিয়া মই বহি থকা এই কোঠাটোতে চুটবোৰ কাগজৰ মোনাটোৰ পৰা উলিয়াই লৈছিলো। অ'ত ত'ত লাগি থকা দুই এডাল সুতা সাৱধানে এৰুৱাই দি মই কাপোৰবোৰ বৰ মৰমেৰে চকু ফুৰাই চাইছিলো, পিন্ধি থকা কাপোৰবোৰ খুলি মই বটিয়া কলাৰ থকা ভাল কামিজ এটা পিন্ধিছিলো। ব্ৰণৰেনে দিয়া নতুন বগা টাইডাল মাৰি ভাত দেউতাৰ টাইপিন এটা লগাই লৈছিলো। কেৰিদৰেনে গুঠি দিয়া নতুন মোজাবোৰ পিন্ধি অতাই মই ফণি খনেৰে চুলি আচুৰিবলৈ আৰম্ভ কৰি দিছিলো।

ইয়াৰ পাছত চুটবোৰ। প্ৰথমে কোট আৰু ৱেষ্ট কোট পিন্ধি লৈ একেবাৰে শেষত পেন্টটো পিন্ধিব পাৰিলে ভাল হ'লহয়— ঠিক যিদৰে আমি আলু আৰু মাংসখিনি আগতে খাই লৈ বতৰৰ প্ৰথম মটৰ গুটিবোৰ একেবাৰে শেষত খাবলৈ থুলি থৈ দিওঁ। কিন্তু সেইটো এই ক্ষেত্ৰত সম্ভৱ নহয়। গতিকে পেন্টেই প্ৰথমে পিন্ধিব লাগিব।

খুব সাৱধানে, ইস্ত্ৰি অলপো নভঙাকৈ, মাটিত অলপো নলগাকৈ, এখন ভৰিৰে থিয় দি থাকি আনখন পেন্টত সুমুৱাই আৰু তাৰ পিছত সেইখন ভৰিৰে থিয় দি আনখন পেন্টত সুমুৱাই পেন্টটো পিন্ধিবা। লগে লগে অনুভৱ কৰিবা দুয়োখন ঠেং আৱৰি থকা পেন্টটোৰ কোমল পৰশ। কঁকালৰপৰা ভৰিৰ ফাললৈ নামি যোৱা ইস্ত্ৰিৰ তীক্ষ্ণ ভাঁজ দুটা এবাৰ চকু ফুৰাই চাবা। চিক্‌চিকাই থকা জোতাবোৰ ভৰিত সুমুৱাই খুব সাৱধানে হাঁলি জোতাৰ ফিটা মাৰিবা—যাতে পেন্টৰ ইস্ত্ৰি নেভাঙে। ইয়াৰ পিছত পিন্ধিবা ৱেষ্ট কোট, তাৰ পিছত কোট। এই সকলোবোৰ তোমাৰ গাত ধুনীয়াকৈ খাপ খাব। দোকানৰ তৈয়াৰী কাপোৰৰ দৰে কোটৰ হাত দুখন বা পেন্টৰ তলৰ ভোখৰ মোটোকাই লব নেলাগিব।

এই আটাইখিনি কৰি লৈ মই বিচনাখনৰ ওপৰত থিয় দি উঠি অকণমান আৰ্চীখনত পেণ্টৰ তলভোখৰ চাবলৈ চেষ্টা কৰিলো। পিছে আৰ্চীখন বৰ সৰু আৰু এই কোঠাটো এন্ধাৰ বাবে মই চিকৃচিকিয়া জোতাযোৰৰ বাহিৰে আৰ্চীত অইন একো নেদেখিলো। তথাপি মোৰ নিজকে খুব ফিট্-ফাট্ যেন লাগিছিল— আৰু সেইখিনিয়ে মোৰ বাবে যথেষ্ট আছিল। স্বয়ং নেপোলিয়নেও নিজকে কোনোদিন ইমান ফিট্ফাট অনুভৱ কৰা নাছিল। কাপোৰৰ ইস্ত্রি নভঙাকৈ খুব সাৱধানে তলৰ মহলালৈ নামি গ'লো। সেইদিনা মোৰ খোজত যি দৃঢ়তা, যি গৰ্ব ফুটি উঠিছিল, সেই দৃঢ়তা, সেই গৰ্ব হয়তো বাচিয়াৰ জাৰৰ দৰবাৰলৈ যোৱা ৰাষ্ট্ৰদূতসকলৰ খোজতো কোনো দিন কোনেও দেখা নাছিল।

মোৰ সেইদিনা খুব ৰং লাগিছিল। এনে ৰং, এনে আনন্দ মানুহৰ জীৱনলৈ বৰ বেছি বাৰ নাহে।

তেনেতে মাই মোক দেখিলে। টুপীটো পিন্ধিলৈ তেওঁ তাত পিন মাৰিবলৈ ওলাইছিল তেতিয়া।

মোক দেখি তেওঁৰ চকুহাল বহল হৈ উঠিল, কিবা ক'বলৈ মুখ মেলিলে কিন্তু কথা নোলাল, হাতত লৈ থকা পিন কেইটা সৰি পৰিল।

মাই হাঁহিলে। সেই হাঁহিত কিন্তু আনন্দৰ কান্দোন মিহলি হৈ আছিল। তেওঁ ক'লে, "হিউ, তোক যে কি ধুনীয়া দেখাইছে।"

লাজত ৰঙা পৰি উঠি মই সুধিলো, "ভাল ফিট কৰিছেনে মা?"

"ধুনীয়া ফিট্ কৰিছে। কাপোৰযোৰ চিলোৱাৰ বাবে হিউভাই এক মোহৰতকৈ বেছি লৈছে। মোৰ কাপোৰযোৰ কেনে হৈছে বাৰু, হিউ।"

মই বুজিলো যে মই যিদৰে মোৰ চুটযোৰৰ বিষয়ে সজ্ঞান সেইদৰে মাও তেওঁৰ কাপোৰযোৰৰ বিষয়ে সজ্ঞান। গতিকে আগফালৰপৰা আৰু পাছ-ফালৰ পৰা মই মাৰ কাপোৰযোৰ পৰীক্ষা কৰি চাই ইয়াক সন্মান দেখুৱাবলৈ চেষ্টা কৰিলো। এই আটাইখিনি সময় মোৰ মন হ'লে অইন ক'ৰবাতহে আছিল— মই ভাবিবলৈ ধৰিছিলো অইন ল'ৰাছোৱালীবোৰে মোক দেখি কি ক'ব?

মাক ক'লো, "কাপোৰযোৰ ধুনীয়া হৈছে মা।" মায়ে হাঁহিলে।

ব্ৰিন আৰু কেৰিদৱেন কোঠাটোলৈ আহিল। সিহঁতে তেতিয়ালৈ ৰন্ধা-বঢ়নাৰ

সাজ-পাৰ শিক্ষা নাছিল। দুয়ো মোৰ কাপোৰযোৰ পৰীক্ষা কৰি চাই প্ৰশংসা কৰিলে। মই লাজত তাৰপৰা লাৰি পলাই পাছফালৰ চোতালত দেউতাক লগ পাবলৈ গ'লো।

দেউতাই মোক এবাৰ ইফালে এবাৰ সিফালে ঘূৰাই চুটযোৰ পৰীক্ষা কৰি চালে। কোটৰ ভিতৰত ভাল লাইনিং দিছে নে নাই, বুটামযোৰ ভালকৈ লগাইছেনে নাই চাই উঠি তেওঁ ক'লে, "চুটযোৰ ছিউভাই বৰ ভাল চিলাইছে দেই।"

মোক নেচাই ছিউভাৰ চিলাইছে চোৱাত অলপ বেজাৰ পাই মই দেউতাক সুধিলো, "মোক কেনে দেখাইছে বাৰু দেউতা?"

"কালি যেনে দেখাইছিল আজিও ঠিক তেনে —লংপেণ্ট পিন্ধিছ, এইখিনিয়ে মাথোন বেলেগ।" দেউতাই অতি গহীন ভাৱে ক'লে। "খোৱা-লোৱা কৰি উঠি ককাদেউতাৰ কোট কেইটা সিঁহতক খেল-পথাৰত দি আহিবিগৈ। আৰু শুন, হল ঘৰটোত অকালতে মম কেইডালমান সৰহকৈ নিবলৈ নেপাহৰিবি।"

বেজাৰ মনেৰে মই ক'লো, "বাৰু দেউতা।"

ঘৰৰ ভিতৰলৈ সোমাই যোৱাৰ লগে লগে সেকিব ধৰা কটী আৰু কেকৰ মধুৰ গোন্ধ আহি মোৰ নাকত লাগিছিলহি। খোৱা-বোৱা কৰিবৰ মোৰ মন নগ'ল—খোৱা বস্তু পৰি কাপোৰযোৰ নষ্ট হ'ব বুলি মই ভয় কৰিছিলো। খেল আৰম্ভ হ'বলৈ বহুতো সময় আছিল যদিও মই ককাইদেউইঁতৰ কোট কেইটা লৈ খেল পথাৰলৈ খোজ ললো। বাটত লগৰ ল'ৰাবোৰে আচৰিত হৈ মোৰ পিনে চাই থাকিল। সিঁহতবোৰক মই মূৰৰ টুপী খুলি অভিবাদন জনালো। গৰ্বত মোৰ বুকু ওফন্দি পৰিছিল। এই ভাব কিন্তু বৰ বেছি পৰ নেথাকিল। নতুন কাপোৰযোৰ বেয়া হোৱাৰ ভয়ত কিমান দূৰ নো বাৰু ঠৰঙা লাগি খোজ কাঢ়িব পাৰি? খেল পথাৰখন গৈ নাপাওঁতেই মোৰ ভাব হ'ল নতুন কাপোৰ পিন্ধি এনেকৈ পুতলা হৈ থকাতকৈ পুৰণি কাপোৰ এযোৰ পিন্ধি মুকলিমূৰীয়া হৈ থাকিব পাৰিলেই ভাল আছিল।

খেল-পথাৰখন গৈ পাই মই দুই মূৰৰ গোল-পোষ্টৰ মাজত ভাল ঠাই এডোখৰ বাচি ললো খেলখন ভালকৈ চাওঁ বুলি। কোট কেইটা মাটিত থৈ বহিলো—খুব সাৱধানে কিন্তু। লংপেণ্ট পিন্ধি মাটিত বহাৰ এটা কিটিপ

আছে—বহাৰ আগতে পেণ্টৰ ভৰি দুখন কঁকালৰ পিনে অলপ টানি লব লাগে। তেতিয়াহে আঁঠুত টান খাই নধৰে।

সিটো দল আহিল চাৰিটা ঘোঁৰাই টনা গাড়ী এখনত। জোপোহা কিছুমানৰ আঁৰত খেলুৱৈসকলে কাপোৰ সলালে। সৰু ল'ৰা ডুজনমান জোপোহাৰ ওচৰত থিয় দি থাকি ছোৱালীবোৰক সেইপিনে আহিবলৈ মানা কৰিলে। ইতিমধ্যে আমাৰ দলটোকো দেখা গ'ল—জাৰ্চি পিন্ধি পাহাৰ বগাই নামি আহিব ধৰিছে। অলপ সময়ৰ ভিতৰতে খেল-পথাৰৰ চাৰিওকাষ মানুহেৰে ভৰি পৰিল।

আইভৰ ৰেফাৰীৰ কাষলৈ গ'ল 'টচ' কৰিবলৈ। আমাৰ দল 'টচ'ত জিকি খেল পথাৰৰ ভাল ফালটো পোৱাত আনন্দৰ খলকনি উঠিল।

খেল আৰম্ভ হ'ল।

কুহভাৰথা লিৰিচৰ খেল দেখি দেউতাৰ খুব ফুৰ্তি। তেওঁ ইমানকৈ হাঁহিবলৈ ধৰিলে যে তেওঁৰ চশমাযোৰ নাকৰ ওপৰত নেথাকি বাৰে বাৰে তললৈ নামি আহিল। দেভিয়ে বলটো পোৱাত অৰেন আৰু শুইলামে চিঞৰি আকাশ ফালিবৰ উপক্ৰম কৰিলে।

কোনোবাই মোৰ পিনে ৰুমাল জোকাৰি থকা যেন লাগিল। ঘূৰি চাই দেখিলো কেইনৰেন ফিলিপচে মোৰ পিনে চাই হাঁহি আছে। হাঁহিৰ কোবত তাইৰ চকুহাল প্ৰায় মুদ খাই গৈছে, মুখখন ৰঙা পৰি উঠিছে। নতুন ধান-খেৰৰ দৰে সোণালী ৰঙৰ তাইৰ চুলি কোঁছাত ৰঙা আৰু সেউজীয়া ফিটা মাৰিছে, ফ্ৰকটোতো সেই একে ৰঙৰ ফিটা।

তাই মোৰ পিনে লৰি আহিল। মোৰ পলাবৰ মন গ'ল। ছোৱালীৰ লগত মোক ঘূৰি ফুৰা কোনোবাই দেখাটো মই বাঞ্ছা নকৰিলো। তাৰোপৰি মই জানিছিলো যে ককাইদেউহঁতে মোক তেনেকৈ দেখিলে সদাই নেৰিব। কিন্তু তাই ইতিমধ্যে মোৰ ওচৰ আহি পাইছিলহি। ফলত মিচিকিয়াই হাঁহি মই ভাও জুৰিব লগা হ'ল যেন তাই মোৰ কাষলৈ অহাত মই খুব ভাল পাইছো। আচলতে কিন্তু তাই ইজিপ্তৰ মৰুভূমিৰ মাজত পৰি থাকিলেহে মই তেতিয়া ভাল পালোহেঁতেন।

মোৰ কাষ চাপি আহি তাই ক'লে, "মই দেউতা আৰু ককাইদেউৰ লগত আহিছো। তোমালোকৰ দলটো কিন্তু বৰ ভাল দেই। তোমাৰ ককাইদেৱেৰে

খুব ভাল খেলিছে। তেওঁ এই বছৰতে বাহিৰলৈ গৈ তাতৰ খেল খেলিবলৈ পাব বুলি মানুহে কোৱা-কুই কৰিছে।"

মই বুজিলো যে, মোক ভাল লগাবলৈ কেইনবেনে এইবোৰ কৈছে। গতিকে মই কলো, "নাই ইমান সোনকালে কত পাব। সি অৱশ্যে আজি ভালেই খেলিছে।"

"সংপেন্ট্ পিন্ধা বাবে তোমাক আজি খুব ধুনীয়া দেখাইছে। মই বহুবাৰ তোমাৰ পিনে চাই আছিলো—এবাৰ ভাবিলো হিউ মৰ্গানৰ দৰে লাগিলেও এওঁ হিউ মৰ্গান নহয়। তোমাক মস্ত ডেকা ল'ৰা এজন যেন লাগিছিল। মনতে ভাবিলো, নিশ্চয় হিউৰ ককাইদেৰেক। পিছত তোমাৰ পিনে কমাল জোকাৰি থাকোঁতে তুমি মাত দিয়াতহে বুজিলো। বৰ আচৰিত কথা নহয় জানো?"

"ওঁ।" লাজত মই ৰঙা পৰি উঠিলো। লগতে মোৰ ভয়ো লাগিল ককাইদেউহঁতে আমাক দুয়োকে একেলগে দেখে বুলি। ঈশ্বৰক খাটিলো ককাইদেউহঁতে যেন খেলকে চাই থাকে। আমাৰ পিনে যেন ভুলতো নেচায়।

"মোৰ বৰ পিয়াহ লাগিছে। ক'ৰবাত পানী এটোপা খাবলৈ পামনে?" কেইনবেনে সুধিলে।

"সৌবোৰ ঘৰ পৰি আছে। যি কোনো এঘৰলৈ গৈ খুজিলেই পাবা।"

"কোনো এঘৰ মানুহকে মই চিনি নেপাওঁ। কাকনো খুজিমগৈ?"

"ককাইদেৰেৰাক নোকোৱা কিয়? তেওঁৰে দেখোন লৈ যাব পাৰে।" খেল চোৱাত মগ্ন থকাৰ ভাও জুৰিলেও আচলতে মই ককাইদেউহঁতলৈহে মনে মনে চাই আছিলো। তেওঁলোকৰ কোনোবাই ঘূৰি চাই আমাক দুয়োকে তেনেকৈ দেখিলে মোৰ পিনে আধ্যা।

"ককাইদেউক কৈছিলো। সি খেল চোৱাত ব্যস্ত। মোৰ কথালৈ কাণকে নকৰিলে—ইপিনে পিয়াহত মোৰ ডিঙি শুকাই গৈছে।"

"খুব বেছি পিয়াহ লাগিলে পানী খোৱা বেয়া। ঘাঁহ কেইডাল মানকে নোচোবোৱা কিয়?" মই কলো।

"কি? ঘাঁহ চোবাম? মই ভেঁড়া নেকি? পিয়াহত মোৰ জিভা কাটি গৈছে। হিউ, তুমি মোক পানী এগিলাচ আনি দিয়াগৈ।"

ছোৱালী এজনীৰ এনে কাতৰ অনুৰোধত লোৰে গঢ়া মানুহ এজনো

মমবাতিৰ দৰে গলি যাব। সেই মাতত কেঁচুৱাৰ কান্দোন আৰু গাভৰুৰ আবেদন মিহলি হৈ আছিল। কিন্তু সৰু মানুহে মোক ছোৱালী এজনীৰ স'তে একেলগে ঘূৰি ফুৰা দেখে বুলি মোৰ ভয় লাগিছিল। সেইটো হ'লে মা-দেউতাৰ বকনিৰ উপৰিও ককাইদেউহঁতে মোক কন্দাই নেৰিব।

গতিকে মই তাইক ক'লো, "চোৱা, ককাইদেউহঁতৰ এই কোট কেইটা মই তেওঁলোকৰ এজনক দি আহোঁগৈ। সিমান পৰে তুমি সৌ দলংখন পাৰ হৈ থ্রি বেলচ্ নামৰ দোকানখনৰ পিনে গৈ থাকিবা। মই তোমাক বাটত লগ ধৰিম।"

"থ্রি বেলচ্ নো বাৰু কোনপিনে?" অসহায়ভাৱে তাই মোক সুধিলে।

"উস্, কি মস্কিলখনত পৰিলো। সৌ জোপোহাবোৰৰ মাজেৰে গৈ আলি-বাট পাই সোঁহাতে ঘূৰি গৈ থাকিলেই হ'ব। যোৱা এতিয়া।"

"অ' এতিয়াহে বুজিলো। মোৰ লগত ঘূৰি ফুৰা কোনোবাই দেখে বুলি তুমি ভয় কৰিছা, নহয় জানো?"

অভিমানত মুখখন তাইৰ ওফন্দি উঠিল আৰু লগে লগে তাই কান্দিবলৈ আৰম্ভ কৰি দিলে। মোক চিনি-জানি পোৱা, খেল চাই থকা মানুহবোৰৰ মাজত তাই হুকহুকৈ কান্দিবলৈ আৰম্ভ কৰি দিলে।

"কি কাণ্ডখন কৰিছা? মনে মনে থাকা।" তাইৰ কান্দোন বন্ধ কৰিবলৈ মই তেতিয়া তাইক হত্যা কৰিবলৈকো সাজু আছিলো।

কান্দি থাকিয়ে তাই ক'লে, "মই পানী অলপ খাবলৈ খুজিছিলো। তাতে তুমি এনে ব্যৱহাৰ কৰিব লাগেনে? তোমাৰ নিচিনা নিষ্ঠুৰ কোনো নাই।"

আৰু ঠিক তেনেতে দেউতাই আমাক দেখিলে। দেখিয়ে বলটো লৈ অইন দলৰ গ'লৰ পিনে তীব্ৰবেগে আগুৱাই যোৱাত অইন সকলোৰে স'তে আনন্দত কিৰিলি পাৰি উঠি পাছ ফাললৈ ঘূৰি চাই মোক সেই অৱস্থাত দেখি তেওঁ আচৰিত হৈ গ'ল। দুৰ্ভাগ্যবশতঃ সেই মুহূৰ্ততে কেইনৰেনে আকাশৰ পিনে মুখখন দাঙি আৰু এবাৰ হাউ মাউ কৰি কান্দোনত ভাঙি পৰিল। উপায়হীন হৈ মই মাথোন উচপিচ কৰি থাকিলো। তাইৰ ডিঙিটো চেপা মাৰি ধৰিবলৈ মোৰ আঙুলি কেইটা পিৰ্‌পিৰাই উঠিল।

বহা ঠাইৰপৰা উঠি গম্ভীৰ মুখেৰে দেউতা আমাৰ পিনে আগুৱাই আহিবলৈ ধৰিলে। দেউতাক তেনেকৈ উঠি অহা দেখি ককাইদেউহঁতে পাছ ফাললৈ ঘূৰি

চালে। ককাইদেউহঁতে কিবা চোৱা দেখি ওচৰে পাজৰে থকা মানুহবোৰৰো কৌতূহল জন্মিল। অলপ পাছতে দেখিলো এজাক মানুহে একেথৰে আমাৰ দুয়োৰে পিনে চাই আছে। কেইনবেনে কিন্তু ভালদহে পালে। দুগুণ জোৰে তাইৰ কান্দোন পুনৰ আৰম্ভ হ'ল।

ওচৰ আহি পাই দেউতাই ক'লে, "উস্ প্ৰভু কি কাণ্ড! তই ছোৱালীজনীক কিবা বেয়া ব্যৱহাৰ কৰিছিলিনেকি ?"

"নাই দেউতা, তাই মাথোন পানী খাব খুজিছিল।"

"পানী খাব খুজিছিল ? তই মিছা মাতিছ কিয় বাৰু ?"

কেইনবেনৰ পিনে এবাৰ চাই দেউতাই তাইৰ কান্ধত হাতখন থৈ ক'লে, "চাওঁ, নেকান্দিবা। কান্দিবি নেপায় নহয়। বাৰু এতিয়া কোৱাচোন সি কি কৰিছিল।"

"মই পানী খাম বুলি কৈছিলো। সি ক'লে ঘাঁহ নোচোবোৱা কিয় ?"

"উস্ প্ৰভু। হিউ, তই এই কথা কব পাৰনে ? বলিয়া হলিনেকি ? কুকুৰ এটাৰ কাৰণে যিখিনি খৰধৰ কৰিলিহেঁতেন সেইখিনি ছোৱালী এজনীৰ বাবে কৰিব নোৱাৰিলিনে ?"

"ককাইদেউহঁতৰ কোট কেইটা মোৰ ওচৰত আছিল। সেইবোৰ এৰি মই কেনেকৈ যাওঁ ?" ভয়ে ভয়ে মই ক'লো।

"কোট, কোট, কোট।" দেউতাৰ খঙৰ ভমকত মোৰ গাৰ ছাল পুৰি যোৱা যেন লাগিল।

"তই আমাৰ কোনোবা এজনৰ হাতত কোট কেইটা দি যাব নোৱাৰিলি-হেঁতেন নেকি ? যা, এতিয়া এইক আমাৰ ঘৰলৈ লৈ গৈ মাৰক কৈ তাই খি খাব খোজে দেগৈ। সোনকালে যা। অইন ঠাইৰপৰা আমাৰ গাঁৱলৈ ফুৰিবলৈ আহি ছোৱালীজনীয়ে বাৰু আমাক কি বুলি ভাবি উভতি যাব। তাই আমাক সকলোকে অসভ্য বৰ্বৰ বুলি নেভাবিবনে ? যা, এতিয়াই তাইক আমাৰ ঘৰলৈ লৈ যা।"

"বাৰু দেউতা। ব'লা কেইনবেন।"

"কেইনবেন ? তই তাইৰ নাম কেনেকৈ জানিলি ?"

"তাই মোৰ স'তে একে শ্ৰেণীতে পঢ়ে।"

"একে শ্ৰেণীত পঢ়া ছোৱালী এজনীক তই পানী এটোপা খুৱাব

নোৰাবিলি ?" সেউতা ইমান আচৰিত হৈছিল আৰু তেওঁৰ ইমানকৈ খং উঠিছিল যে তেওঁৰ মাতটো কোনোমতেহে ওলাল। "অসভ্য কৰবাৰ! তোৰ ভালকৈ বেতালেহে ঠিক হবি। মাৰে এইবোৰ শুনক ৰ। যা, মোৰ চকুৰপৰা আঁতৰ হ।"

তলকৈ মূৰ কৰি মই ভতুৱা কুকুৰ এটাৰ দৰে ঘৰৰ পিনে খোজ ললো। খেল চাবলৈ অহা মানুহবোৰে মোৰ পিনে চাই ৰ'ল। মই কিন্তু কাৰো পিনে মূৰ তুলি নেচালো। ইচ্ছা কৰিয়েই মই অলপ বেগাই খোজ কাঢ়িলো। কমত কেইনৱেনে লৰি আহি মোক লগ ধৰিব লগা হ'ল।

"কুকুৰণী ক'ৰবাৰ," তাই কাষ আহি পোৱাত মই গালি পাৰিলো।

অলপ পৰ তাই অবাক হৈ মোৰ পিনে চাই থাকিল। হঠাতে তাই হাঁহিবলৈ আৰম্ভ কৰি দিলে। প্ৰথমতে তাইৰ চকুযুৰিয়ে হাঁহি উঠিছিল আৰু তাকে দেখি মোৰ ভয় হৈছিল যে, তাই হয়তো আকৌ কান্দোন জুৰিবলৈ ওলাইছে।

হাঁহিৰ মাজেৰে তাই ক'লে, "তোমাৰ মুখখন· তোমাৰ মুখখন এতিয়া তুমি দেখিব লাগিছিল তুমি এনেদৰে বিপদত' পৰা দেখি মোৰ বৰ দুখ লাগিছে।"

"চুপ থাকা। তেনেকৈ হাউ মাউকৈ কান্দোন জুৰিবলৈনো তোমাক কিহে পাইছিল? মই দেখোন পানী খুৱাবলৈ নৈ যাম বুলি কৈছিলোৱেই।"

"মইতো সঁচাসচিকৈ কন্দা নাছিলো—ভাওহে জুৰিছিলো। কেনে হৈছিল বাৰু?"

মই আচৰিত হৈ তাইৰ পিনে চাই ৰলো।

"কেনে হৈছিল বাৰু হিউ?" তাই পুনৰ সুধিলে।

"সেইবোৰ এৰি এতিয়া আমাৰ ঘৰলৈ গৈ পানী খোৱা নে কি খোৱা খোৱাগৈ।" বেগাই পাহাৰখন বগাই মই ঘৰৰ পিনে আগবাঢ়িলো।

দেউতাই কৈ পঠিওৱা কথাখিনি কোৱাত মাই একো নেমাতিলে। মাৰ অদ্ভুত আৰু বিশেষ ধৰণৰ চাৱনি এটা আছে। চাৱনিটো কঠোৰ, কিন্তু এনে লাগে যেন তেওঁ কেইবাঘণ্টা জুৰি তেনেকৈ চাই আছে। সেই চাৱনিৰে মাই কেইনৱেনৰ পিনে চালে। কেইনৱেনে মাক সম্ভাষণ জনোৱাত মাই মাখোন মুৰটো অলপ জোকাৰিলে, মিচিকিয়াই নেহাঁহিলে কিন্তু।

ছোৱালীবোৰে বৰ কম খায়বুলি কোনোবাই কয় যদি মই কম যে তেওঁ কেইনৰেন ফিলিপ্‌চক দেখা নাই। সেইবুলি কমখোৱা মানুহক কিন্তু মই ভাল নাপাওঁ। ভাল খাদ্যৰ সদায় সদ্ব্যৱহাৰ কৰিব লাগে। ইখনৰ পিছত সিখনকৈ কাঁহী উদং হৈ যোৱা চাবলৈ মই সঁচাকৈয়ে ভাল পাওঁ।

কিন্তু কেইনৰেন?

"ক'ৰনো ছোৱালী এইজনী তই লৈ আহিছ হিউ?" মাংস এডোখৰ কাটি থাকি মাই মোক সুধিলে। "তাই গোটেই বছৰটোৰ বাবে আজিয়েই খাই লব খুজিছে নেকি?"

"নাই মা। শকত-আৱত ছোৱালী—সেই বাবেই হয়তো অলপ বেছিকৈ খাইছে" লাজত ৰঙা পৰি মই ক'লো।

ব্ৰণে মাত দিলে "বৰ খকুৱা ছোৱালী। তই তাইক এতিয়া ইয়াৰপৰা নি য'ৰপৰা আনিছিলি তাত থৈ আহগৈ। থৈয়েই তই ঘৰলৈ গুচি আহিবি। পলম নকৰিবি কিন্তু।"

"বাক ব্ৰণ।" বাহিৰলৈ ওলাই গৈ মই কেইনৰেনৰ কাষত থিয় দিলোগৈ।

"উস্ হিউ, বঢ়িয়া খাবন খালো দেই। মোৰ এতিয়াও খাই থাকিবৰ মন গৈছে।"

"তোমাৰ বোলে অকল পানীৰ পিয়াহহে লাগিছিল?"

কেইনৰেন তেতিয়া পেট পুৰাই খোৱাৰ আনন্দত মগ্ন। মোৰ ঠাট্টালৈ তাই মন নকৰি ক'লে, "ভিতৰলৈ গৈ তোমাৰ মাৰাক মাত লগাই আহোঁগৈ ৰবা। আমাৰ ঘৰলৈকো মাতি যাওঁ।"

অলপ পিছত ওলাই আহি তাই ক'লে, "অ' আজি তেনেহলে তোমালোকৰ ঘৰত দুখনকৈ বিয়া হব?"

"ওঁ, পাছে তুমিতো ঘৰলৈ গুচি যাবাগৈ?"

চুলিকোছা হাতেৰে ঠিক কৰি থাকি তাই ক'লে, "ওহো। মাৰাই মোক বিয়ালৈ নিমন্ত্ৰণ কৰিলে। কাঁহী-বাটি অলপ ধুই দিম বুলি তোমাৰ মাৰক কৈছো। তোমাৰ লগতে খেল পথাৰলৈ গৈ মই দেউতাক এই বিষয়ে কৈ আকৌ ইয়ালৈ উভতি আহিম, বুজিছা?"

আমি আকৌ খেল-পথাৰলৈ গলো। কেইনৰেনৰ ওপৰত খুব খং উঠিছিল আৰু সেইবাবে মই খেলত অকণো মন দিব নোৱাৰিলো। খেলখন শেষ

হোৱাত মই বহা পৰিলো। মেউতাকৰ লগত কেইনবেনে আমাৰ ঘৰলৈ খোজ ললে। কথাষেক মাৰ্বজিন গল যোঁৱা কেইটা ছুঁটি গাৰ্ডীখন আমাৰ ঘৰৰ ওচৰলৈ লৈ আহিবলৈ। মই গির্জাৰ ওচৰৰ হলটোলৈ গৈ চাহমেজৰ বাবে সকলো বস্তু ঠিকঠাক কৰি থলো। অকলশৰীয়া হবলৈ পাই মই বহা পৰিলো। তাবোপৰি লংপেন্ট্ পিন্ধি হলটোৰ কাঠৰ মজিয়াখনত থকৃথকৈ খোজ কাটি ঘূৰি ফুৰিবলৈ মোৰ খুব ভাল লাগিছিল।

বিয়াৰ দলটো পাহাৰ বগাই নামি আহি গির্জাত সোমোৱা শব্দ শুনিলো। অলপ পিছতে গান আৰম্ভ হ'ল। লগে লগে চলি থাকিল হাঁহি-ধেমালি আৰু প্ৰাৰ্থনা। গির্জাৰ বাহিৰত বৈ থকা মানুহবোৰৰ মাজত চিএঞৰ-বাখৰ হাঁহি-ধেমালি বেছি হৈ অহা দেখি আমাৰ গাঁৱৰ মুখীয়ালবোৰে বাহিৰলৈ আহি তেওঁলোকক মনে মনে থাকিব কোৱাও মই শুনিলো।

জেমচ বণ্ডলেণ্ড নামৰ মুখীয়াল এজন মই থকা কোঠাটোলৈ আহি দুৱাৰখন জপাই দি ক'লে, "বাহিৰত গণ্ডগোল কৰি থকা মানুহজাক আমাৰ গাৱঁৰ নহয় —এই খিনিতে বহা। আমাৰ গাৱঁৰ মানুহ হলে মই লাজতে মৰি গলোহেঁতেন। ঈশ্বৰক সাক্ষী কৰি গির্জাঘৰত লৰাছোৱালী এহালৰ বিয়া পাতিছে—তাতোনো মানুহবোৰ অলপ মনে মনে থাকিব নোৱাৰেনে?"

মই সুধিলো, "বিয়া শেষ হবলৈ আৰু কিমান পৰ লাগিব, মিষ্টাৰ বণ্ডলেণ্ড?"

"বেছি পৰ নালাগে। মই আহোঁতে শেষ হ'বৰ হৈছিলেই।"

গির্জাৰপৰা শেষ ধৰ্ম সঙ্গীতৰ সুৰ ভাহি আহিল। বাহিৰত বৈ থকা মানুহ জাকেও সেই গীতত যোগ দিলে। অলপ পিছতে গির্জাঘৰৰ দুৱাৰখন মেল খালে। আৰু বাহিৰ ওলাই আহিব ধৰা মানুহবোৰে ইজনে সিজনক ঠেলি দেখি আৰু ৰিন, কেৰিদমেন আৰু শ্ৰেথিনক ওলাই যাবলৈ বাট এৰি দিলে। হল ঘৰটোৰ ভিতৰৰপৰা চকী এখনত উঠি মই সিহঁত যোৱা চাই আছিলো। বিবাহিত জীৱনত সোমোৱাৰ অলপ সময়হে হৈছিল যদিও দেখি ৰকাইদেউ আৰু কেৰিদমেন বাইদেউৰ ইতিমধ্যে কিবা অলপ পৰিবৰ্তন হোৱা যেন লাগিল। সিহঁতৰ হাঁহি, থিয় দিয়াৰ ভঙ্গী, খোজ কঢ়া সকলোতে যেন কিবা এটি পৰিবৰ্তন আহি গৈছে। মোৰ এনে লাগিল যেন সিহঁত দুয়ো কিবা হেৰাইছে অথচ লগতে তাতকৈ ভালবস্তু কিবা এটা বিচাৰি পাইছে। কিন্তু কি হেৰাইছে সেইটো সিহঁতে হয়তো নিজেই নেজানে।

ফুল আৰু বঙা নীলা কাগজবে সজোৱা টমাছৰ যোঁৰা গাড়ীখনত পিইত পাছাৰ বগাই উঠি পৰিছে। মানুহবোৰে পিইতৰ গালৈ ফুল চটিয়ালে, পিইতক উদ্দেশ্য কৰি গান গালে। ওচৰে পাজৰে থকা ঘৰবোৰৰ খিৰিকী খুলি বাহিৰলৈ হালি ঘৰৰ মানুহবোৰে অভিনন্দন জনালে।· বেলিটো ভেতিয়া পশ্চিম আকাশত হালি পৰিছিল।

হঠাতে ব্ৰণৰ মাত শুনিলো, "তই নো গিৰ্জাৰ কোনখিনিত আছিলি অ' ?"

"গিৰ্জালৈ মই যোৱাই নাই। ইয়াত মমবোৰ জলাই দি ইটো সিটো কাম কৰি আছিলো। সেইভাই মোক খুব খং কৰিছিল। সেইবাবে মই ইয়াতে অকলে অকলে বহি আছিলো।"

পাৰ আলোৱানখন খুলি থৈ ব্ৰণে সুধিলে, "তোৰ লগৰ সেই খকুৱা ছোৱালীজনী কলৈ গ'ল ? তাইৰ লগত তই বিশেষ কথা-বতৰা নকৰি হিউ, তাইক এবাৰ মাথোন চায়েই মোৰ যি জানিবলগীয়া আছিল জানি থৈছো।"

"তাই এতিয়া আমাৰ ঘৰত কাঁহীবাটিবোৰ ধুব লাগিছে। মায়ে বন্ধা বস্তুবোৰ খাই খুব ভাল হোৱা বুলি কৈছিল আৰু তাতে মাই ভাল পাই তাইক বিয়ালৈ নিমন্ত্ৰণ কৰি বহিল।"

"তেনেহলে তাইৰ যোৱা সময়লৈকে তাতেই থাকক। তই তালৈ যাব নালাগে। ইয়াতে থাকিবি, বুজিছ ?"

মই কলো, "বাক, তুমি থাকা বদি থাকিম।"

"কেক খোৱা কাঁহীবোৰৰ ওচৰত সক কাঁহী কেইখনমান বেছিকৈ থ। বাকচৰ পৰা সক চামুচবোৰ উলিয়াই পিৰিচপিয়লাবোৰৰ ওচৰত সজাই থ। তাকে নকৰিলে মানুহে আমাক জুলুম কৰি মাৰিব।"

মই সুধিলো, "তুমি আমাৰ ঘৰত নেথাকি ইয়ালৈ আহিলা কিয় ব্ৰণ ? মই ভাবিছিলো তুমি দৰা-কইনাহঁতৰ তাতে চাহ-মেলত বহিবা।"

"মিষ্টাৰ গ্ৰুফিন তালৈ আহিছে। তেওঁ ঘৰখন ইপিনে সিপিনে চকুফুৰাই চাই আছিল। গোটেই ঘৰটোৱেই যেন চিঞৰি চিঞৰি আংগাহ্লাদৰ কথাকে কৈ আছিল। মই সহ্য কৰিব নোৱাৰি তাৰপৰা ওলাই আহিলো। সকলোকে কলো খুব ৰিবাইছে বুলি।"

• চাহমেলৰ বাবে আমি সকলো ঠিক থাক কৰাত লাগি গলো। অকল চাহ

মেলেই নহয়, লগতে গাৰৰ আসবো বহিব। এজন ডুবনকৈ মা'হ্ আছি অলপ সময়ৰ ভিতৰতে হল ঘৰটো ভৰি পৰিল।

একেবাৰে আগৰ শাৰীত মই, মা আৰু ককাইদেউহঁতৰ বাবে ঠাই ঠিক কৰি থৈছিলো। তেওঁলোক আহি পোৱাত মই আটাইকে খুব আগ্ৰহেৰে আগবঢ়াই আনিলো। পাছে কেইনৰেন, তাইৰ ককায়েক আৰু দেউতাকৰ কথা মই একেবাৰে পাহৰি গৈছিলো। তেওঁলোকৰ বাবে বহিবৰ ঠাই নোহোৱা দেখি মাই কলে যে নিমন্ত্ৰিত অতিথিক নবহুৱালে তেওঁ প্ৰাণ গলেও নবহে। লাগিলে তেওঁ ঘৰলৈকে উভতি যাবগৈ। উপাই নোহোৱাত গুইলামে তাৰ চকীখন কেইনৰেনৰ দেউতাকক এৰি দিলে। ককায়েকক বহুৱা হ'ল দেউতাক আৰু অৱেনৰ মাজত। মাই মোক কলে কেইনৰেনক ব্ৰণৰ গুৰিলৈ লৈ যাবলৈ। তাই হ্লা কৰে যদি ব্ৰণক ইটো সিটো কামত সহায় কৰি দিব পাৰিব।

গতিকে শেষত গৈ মই আকৌ কেইনৰেনৰ পালতে পৰিলো। ব্ৰণৰ ওচৰলৈ তাইক লৈ যাবলৈ বুলি ডুয়ো হলটোৰ বাহিৰ ওলাই পাছফালৰ চোতালখন পোৱাৰ লগে লগে তাই এখন হাতেৰে মোৰ ভিডিত সাৰটি ধৰিলে।

"ধেৎ, কি বলিয়ালিখন কৰিছা? গুচা।" এইবুলি মই তাইক আঁতৰাই দিলো।

"তুমি মোৰ প্ৰেমিক হোৱানা হিউ?" পেন পেনকৈ তাই কলে। "চোৱা, ককাইদেৰেৱা আৰু বাইদেৱেৰাৰ বিয়া হৈ গ'ল। এতিয়া সকলো সুখী— মাথোন আমাৰ ডুয়োৰো বাহিৰে। দেউতা, মা আৰু ককাইদেউহঁতৰ বাহিৰে আমাৰ দুজনৰ অইন কোনো নাই। আমি ডুয়ো প্ৰেমিক-প্ৰেমিকা হওঁ আহা না হিউ। তেতিয়া হলে অন্ততঃ আমি কিবা অলপতো পাম?"

মই ক'লো "নাই মোৰ থাবা সেইবোৰ নহব'। এতিয়া চুপ থাকা।"

"হিউ," এই বুলি কৈ তাই পুনৰ মোৰ ভিডিত সাৰটি ধৰিলে আৰু লগতে মোৰ চুমাও খালে।

মাৰ চুমা আবেগহীন—গাল বা কঁপালৰ ওপৰত মৃদু পৰশ। কিন্তু সেই পৰশে জনাই দিয়ে যে আমি তেওঁৰ অংশবিশেষ। ব্ৰণৰ চুমা তাতোকৈ মৃদু— সেই চুমাৰ অন্তত এটা শব্দও থাকে কিন্তু। ব্ৰণেও সদায় গালতহে মাথোন

চুমা দিয়ে। মাহীদেউ, পেহীদেউহঁতে চুমা খায় ঠিক কুকুৰা চৰায়ে মাটিৰপৰা আধাৰ খোৱাৰ দৰে।

কিন্তু কেইনয়েনৰ চুমা।

তাইৰ ওঁঠৰ কোমলতাত মই আচৰিত হৈছিলো। তাইৰ গাৰ ভৰ আহি পৰিছিল মোৰ ওপৰত, চুলিকোছা আহি পৰিছিল দুয়োৰে মুখৰ ওপৰত। সেই চুলিয়ে মোক একো নেদেখা কৰিছিল আৰু মাথোন তাইৰ গোন্ধৰ বাহিৰে আইন একো গোন্ধ নোপোৱা কৰি তুলিছিল। সেই গোন্ধ আছিল জীয়া মাংসৰ গোন্ধ। সেই গোন্ধ তাইৰ গাৰপৰা ওলাইছিল, সেই গোন্ধে তাইক আৱৰি ৰাখিছিল, সেই গোন্ধ তাই য'লৈকে যায় ত'লৈকে লগত গৈছিল।

"ইয়াৰ আগতে তুমি কেইজনী ছোৱালীক চুমা খাইছা বাৰু?" অতি সহজভাৱে তাই মোক সুধিলে।

"কাকো খোৱা নাই।" তাইৰ বাহুবন্ধনৰপৰা ওলাই পৰিব পাৰিলেই মই ৰক্ষা পৰিছিলো।

ধোঁৰ ঠেলা এটা মাৰি তাই ক'লে, "ওঁহু, মিছা নামাতিবাচোন।"

পাছফালৰ চোতালত চাহ কৰাৰ বন্দোবস্ত কৰা হৈছিল। মই জুইৰ ওপৰৰপৰা কেটলিটো নমোৱাত লাগি গৈ তাইক ক'লো, "চাহৰ পানী উতলিব ধৰিছে। চাহ কৰিবৰ হৈছে বুলি ব্ৰণক কৈ আহাগৈ।"

ফ্ৰকটোৰ আগফালে লগোৱা ফিটা কেইডাল ঠিক কৰি থাকি তাই মোক সুধিলে, "এতিয়া বাৰু আমি প্ৰেমিক-প্ৰেমিকা হলো নে?"

"ওঁহো, কেতিয়াও নহয়। তুমি এতিয়া ইয়াৰপৰা যোৱাগৈ।"

"যাওঁ বাৰু, কিন্তু মই আকৌ আহিম।" তাই গলগৈ। মই বুজিলো যে তাই নহাকৈ নেথাকিব।

গধূলিৰপৰা আৰম্ভ কৰি বহু ৰাতিলৈ হল ঘৰটোত গান চলি থাকিল। প্ৰথমতে গালে সৰু ল'ৰাছোৱালীবোৰে, তাৰ পিছত ডেকা-গাভৰুবোৰে, তাৰ পিছত বিবাহিতসকলে। আটাইতকৈ শেষত চলিল সমূহীয়া গান। এই আটাইখিনি পৰ আমি মাথোন চাহ কৰি আৰু জলপান বিলাই কটালো। শেষত গৈ এনে লাগিল যেন পৃথিবীখনত খোৱা আৰু গান গোৱাৰ বাহিৰে আইন কোনো কাম নাই।

মম আৰু লেমবোৰ নুমাই আহিবলৈ ধৰাতহে মানুহবোৰে ঘৰলৈ যোৱাৰ

কথা ভাবিলে—নিজৰ কোট বিচাৰিলে, ল'ৰা-ছোৱালীৰ খা-খবৰ কৰিলে আৰু ইজনে সিজনৰ স'তে হাত মিলাই বিদায় ল'লে।

দেউতা আৰু মাৰ দেখিলো এজাক মানুহৰ মাজত—চাইমেলালে অহা প্ৰত্যেককে এজন এজনকৈ বিদায় জনাব ধৰিছে। মই বুজিলো যে আটাই-বোৰকে বিদায় জনাবলৈ তেওঁলোকৰ আৰু এঘন্টামান লাগিব। পিছফালে বাতিপুৱা গিৰ্জাত লগ পাব বুলি ভালকৈ জানিলেও কোনেও মাত নলগোৱাকৈ যাব নোখোজে। মাত এবাৰ লগাই যাবলৈ লাগিলে তেওঁলোকে বাতিপুৱালৈকে তাত বৈ থাকিব।

কেইনবেনইতৰ গাড়ীখনৰ ঘোঁৰাজনী আনিবলৈ মই খেল-পথাৰৰ পিনে খোজ ললো। মানুহৰ ভিৰ আৰু চিঞৰ-বাখৰৰপৰা বাহিৰ ওলাই বাহিৰৰ চেঁচা এন্ধাৰৰ মাজত উশাহ লবলৈ পাই মোৰ ভাল লাগিল। মাটিৰপৰা খুঁটিভাল উভালি ঘোঁৰাজনী মুকলি কৰি লোৱাৰ লগে লগে শুনিলো কেইনবেনৰ মাত। মই তলকা মাৰি বৈ থাকিলো—ভাবিলো এন্ধাৰত হয়তো মোক নেদেখি তাই উভতি যাবগৈ। কিন্তু সেইটো নহ'ল। তাই মোৰ পিনে ঠিকেই আগুৱাই আহিবলৈ ধৰিলে—গান গাই গাই। মধুৰ সেই স্পষ্ট কণ্ঠৰ গান বতাহজাকে মোৰ ওচৰলৈ কঢ়িয়াই আনিলে—যেন বতাহজাকে গানটো শুনি ভাল পাইছে আৰু সেইবাবে মোকো শুনাব খুজিছে।

মোৰ ওচৰ আহি পাই হঠাতে গান বন্ধ কৰি তাই মাত দিলে, "হিউ।"

"তোমাৰ দেউতাৰ বৈ আছে।" ইয়াকে মাথোন কৈ মই ঘৰৰ পিনে বেগাই খোজ ললো। তাই লৰি আহিল আৰু মোৰ ভিতিত সাৱটি ধৰিলেহি।

মোৰ কাণত তাই ফুচ্ ফুচাই ক'লে, "মোক সাৱটি ধৰা'সা হিউ।"

"কি খেমালিখন কৰিছা। সাৱটি ধৰিম—মোৰ কাম নাই আৰু। বলিয়ালিখন এৰাচোন।"

আমি মাজে সময়ে কিয় এনে মূৰ্খৰ দৰে কথা কওঁ মই ভাবি নেপাওঁ। কোনোবাই আমাক আনন্দ বা সন্মান দিব খুজিলে আমি কিয় তেওঁলোকক আঘাতহে দিওঁ এই কথা ভাবি মোৰ আচৰিত লাগে। বোধহয় এই ভাবিয়েই যে সেই আনন্দ বা সেই সন্মানক অইনে ভাল নুবুলিব। তাৰোপৰি বিবেক বোলা সেই অস্পষ্ট বস্তুটোৱেও আমাক আৱৰি কৰেহি।

কিন্তু তথাপি বিবেক মহান। বিবেক মানুহৰ মহানতাৰ আটাইতকৈ শ্ৰেষ্ঠ নিদৰ্শন আৰু আটাইতকৈ ভাল বন্ধু।

মই ভালকৈ জানিছিলো যে কেইনমেনক সাৱটি ধৰি চুমা খাব পাৰিলে মই খুব ভাল পালোহেঁতেন। কিন্তু মোৰ অন্তৰত থকা বিবেকে মোক এই সুযোগটাৰ কোনো এটা কামকে কৰিব দিব খুখুজিলে।

মানুহৰ চকু কাণৰপৰা বহু আঁতৰত, এন্ধাৰ পাহাৰখনৰ দাঁতিত থকা সত্বেও আৰু মোৰ দুৰ্বাৰ ইচ্ছা থকা সত্বেও মই তাইক সাৱাট ধৰি চুমা খাব নোৱাৰিলো।

'মানুহে দেখিলে কি ভাবিব'—এই ভাব মই মনৰপৰা আঁতৰাব নোৱাৰিলো। ফলত মোৰ সকলো আবেগ উত্তেজনা মৌন হৈ ৰ'ল। মই একো কৰও নোৱাৰিলো।

মাটিত গোৰ এটা মাৰি, মোক দুহাতেৰে টানি ধৰি বাখি কেইনমেনে ক'লে, "ছিঃউ, মই তোমাক চুমা খাম।"

"এই, চুপ থাকা" কথাষাৰ শুনি মোৰ ভাল লাগিছিল যদিও মই বৰ অস্বস্তিৰে এইবুলি কলো। তাইৰ স্পষ্ট সত্যবাদীতা দেখি মোৰ হিংসা লাগিছিল আৰু নিজৰ ওপৰত ঘৃণাও উপজিছিল। তথাপি তাইৰ মুখামুখি হৈ থিয় দিবলৈ মোৰ সাহস নহ'ল। তাই মোক ঠাট্টা কৰে বুলি মোৰ ভয় লাগিছিল। তাৰোপৰি পলম হ'লে দেউতাই নোসোধাকৈ নেৰে বুলিও মই ভালকৈ জানিছিলো। কিন্তু এইবোৰতকৈ মোক জুলুম কৰিছিল বিবেকেহে।

কেই মুহূৰ্তমান দুয়ো দুয়োৰো পিনে চাই থাকিলো। এন্ধাৰত ইজনে সিজনক মাথোন ক'লা ছাঁ যেনহে দেখিলো। হঠাতে কেইনমেনে মোক জোৰেৰে সাৱটি ধৰি তাইৰ গাৰ পিনে টানি নি চুমা খালে।

...মোক আঁতৰাই দি ঘন ঘনকৈ উশাহ লৈ তাই ক'লে, "এতিয়া কেনে পালা? ইয়াৰ পাছত চুমা খাবলৈ ক'লে আৰু ওজৰ আপত্তি নকৰা যেন। বাৰু মই এতিয়া যাওঁগৈ।"

তাই লৰি আমাৰ ঘৰৰ পিনে যোৱা মই চাই থাকিলো। অলপ পিছতহে মই ঘোঁৰাজনীত উঠি ঘৰৰ পিনে আগবাঢ়িলো। গোটেই বাটটো মই খুব হাঁহিলো। কিন্তু সেইদিনা কিয় তেনেকৈ হাঁহিছিলো মই আজিলৈ নেজানো।

সকলোকে মাত দি ঘোঁৰাগাড়ীখনত উঠাৰ পৰত তাইৰ অতি সহজ

ভাব-ভঙ্গী দেখি-শুনি মই আচৰিত হৈছিলো। তাই নিজেতো মোৰ প্ৰতি বিশেষ আদৰ-সাদৰ নেদেখুৱালেই, আনকি ককায়েক মাৰভিনে চিঞৰি চিঞৰি মোক বিদায় জনোৱাত তাই বিৰক্ত হৈ উঠা যেন লাগিল।

তিৰোতা জাতিটো সঁচাকৈ দুৰ্বোধ্য।

কিন্তু তেওঁলোকৰ এই দুৰ্বোধ্যতাৰ বাবে আমিও জানো দায়ী নহয়? যেতিয়াই আমি নিজকে বুজিব নোৱাৰোঁ, নিজকে নিৰ্দোষী বুলি ভাবিব নোৱাৰোঁ আৰু নিজক পুৰুষ বুলি পৰিচয় দিব নোৱাৰোঁ তেতিয়াই আমি কওঁ যে নাৰী দুৰ্বোধ্য। লগে লগে আমি দোষৰ ভাৰ জাপি দিওঁ তিৰোতাৰ ওপৰত। লগে লগে আমাৰ মনলৈ আহে ইভ, প্ৰলোভন আৰু সেই প্ৰলোভনৰ বশ দুৰ্বল পুৰুষৰ কথা। আমাৰ এইবোৰ কথা কিন্তু অকণো সঁচা নহয়। আচলতে এনে ক্ষেত্ৰত সঁচা কৰলৈ আমি নিবিচাৰোঁও। আমি কাপুৰুষহে, পুৰুষ নহয়। বজা আৰ্থাৰৰ দিনত পুৰুষে নাৰীৰ সন্মানৰ বাবে প্ৰাণ দিবলৈ সদায় সাজু আছিল। কিন্তু আজিৰ পুৰুষ বোলা জীবই ঘৃণনীয় কেতবোৰ পদুলি শুঙাৰ দুৰ্ণামৰ ভয়ত থক্ থক্ কৰে কঁপে।

মিছা দুৰ্ণাম।

মিছা দুৰ্ণাম শব্দটোতে যেন ঘৃণনীয় কিবা এটা লুকাই আছে।

দুৰ্ণামকাৰীবোৰৰ সততে মৃত্যু হওঁক। সিহঁতৰ অপব্যৱহৃত জিভা অবশ হৈ আহক। মৃত্যুৰ লগে লগে সিহঁতে নৰকত প্ৰবেশ কৰক আৰু নৰকৰ জুইত অনন্তকাল পুৰি মৰক। মিছা দুৰ্ণামক মই অন্তৰেৰে ঘৃণা কৰোঁ।

মিছা দুৰ্ণামেই মিষ্টাৰ গ্ৰুফিদক আমাৰ মাজৰপৰা আঁতৰাই পঠিয়ালে। যাবৰ পৰত তেওঁ মোক তেওঁৰ সোণৰ ঘড়ীটো দি গৈছিল। এই ঘড়ীটোৰ পিনে চালেই মোৰ মনলৈ ভাব আহে যে, ঘড়ীটোৱে ঘোষণা কৰা প্ৰতিটো মুহূৰ্তৰ লগে লগে পৃথিৱীখনত মিছা দুৰ্ণামৰ বোজা দোপক দোপে বাঢ়ি আহিব ধৰিছে।

দেভিৰ ল'ৰা ওপজাৰ পিছত আৰু কেৰিদৱেনৰ বঙ্গা ল'ৰা-ছোৱালীহঁতে খোজ কাঢ়িবপৰা হোৱাৰ পিছতহে আংগাহ্ৰাদ ঘৰলৈ উভতি আহিছিল।

২৫

যোৱা কেইবা মাহো ধৰি ইভান্সৰ কয়লা খনিত ইটোৰ পিছত সিটোকৈ গোলমাল চলি আছিল। প্ৰত্যেকবাৰে খনিৰ মেনেজাৰ আৰু চহৰৰপৰা অহা মানুহ এজনে লাগি গোলমাল বন্ধ কৰিছিল। কিন্তু হ'লে কি হ'ব? দুদিন ভালকৈ চলি আকৌ কিবা এটা ঘটিব। শেষত গৈ আমাৰ গাৱঁৰ মানুহসকলৰ ধৈৰ্যৰ সীমা হেৰাই গ'ল। কোনেও আৰু শান্ত হৈ থাকিব নুখুজিলে।

ওৰিতে মিষ্টাৰ গ্ৰুফিদেই খনিত কাম কৰা মানুহবিলাকৰ হৈ খনি কৰ্তৃপক্ষৰ সতে কথা-বতৰা হৈছিল। আটাইবোৰ মানুহৰে তেওঁৰ ওপৰত অগাধ বিশ্বাস আছিল। কিন্তু শেষত আনকি তেওঁকো আমাৰ মানুহবোৰে অবিশ্বাস কৰিবলৈ ধৰিলে। তেওঁলোকে মিষ্টাৰ গ্ৰুফিদৰ সলনি উকীল এজনক তেওঁলোকৰ হৈ কথা ক'বলৈ পঠিয়ালে। ইয়াৰ পিছত চান্দা তুলি আৰু এজন উকীলক এই কামত লগালে। শেষত গৈ কেইবাজনো উকীল নিযুক্ত কৰা হ'ল। কিন্তু এই আটাইবোৰ উকীল লগ লাগি মিষ্টাৰ গ্ৰুফিদে বিনা পয়চাই কৰি দিয়া কামৰ কাষকে চাপিব নোৱাৰিলে। কিন্তু এই কথা বুজিলে অকল গাৱঁৰ তিৰোতাবোৰেহে—মুনিহবোৰে উকীলক লৈয়ে ব্যস্ত থাকিল। এদিনাখন ৰাতি গির্জাৰ প্ৰাৰ্থনাৰ পিছত গাৱঁৰ আটাইবোৰ তিৰোতা মিষ্টাৰ গ্ৰুফিদৰ ওচৰলৈ গৈ তেওঁক এই বিষয়ে কিবা এটি কৰিবলৈ অনুৰোধ কৰিলেগৈ।

মিষ্টাৰ গ্ৰুফিদে দেউতাক সুধিলে, "কি কৰা যায় বাৰু? খনিৰ ভিতৰত থকা শিলবোৰ আঁতৰোৱাৰ বাবে কিবা অলপ পইচা আৰু খনিৰ ভিতৰত খ'ত ত'ত কাঠৰ হেলানি দিয়াৰ বাবে অলপ পইচা মানুহবোৰে দাবী কৰিছে। মই খনিৰ মালিকসকলক এই বিষয়ে কি কম কওঁক।"

দেউতাই ক'লে, "আমিও সেই একেবোৰ দাবীৰ সপক্ষে যুঁজ কৰিছো। ফলত, ইউনিয়নখন দিনক দিনে শক্তিশালী হৈ উঠিব ধৰিছে। কয়লাৰ

দাম কমাৰ অছিলাতে খনিত কাম কৰা মানুহবোৰক দৰমহা কমি অহাৰ বন্দবস্তও উঠি যাব ধৰিছে।"

"আপুনি যাক কি কৰিবলৈ কয়? আপোনাৰ মতামত জানিলে মই সেই খনিৰ মেনেজাৰৰ স'তে কথা হ'ব পাৰিম।"

সেউতাই ক'লে, "প্ৰত্যেক খনিৰপৰা এজনকৈ মানুহ বাচি লোৱা হওঁক আৰু সেই মানুহ কেইজনে একেলগে খনিৰ মালিক আৰু মেনেজাৰসকলক দেখা কৰক—মই ইয়াকে বিচাৰোঁ। আমাৰ পিনৰ দাবীবোৰ জনোৱা হওঁক, লগতে খনি কৰ্ত্তৃপক্ষৰ অসুবিধাৰ কথাও শুনা হওঁক। আমি দুয়ো পক্ষই কিবা এটা মীমাংসাত অহাৰ বাবে সাজু থাকিব লাগিব। দুয়োপক্ষকে সমান সুবিধা আৰু সমান সুযোগ দিব লাগিব—কোনেও কাকো যেন অন্যায় নকৰে।"

"আপুনি ঠিকেই কৈছে। মযো ইয়াকেই চেষ্টা কৰিম যাক।'

লাভ কিন্তু একো নহ'ল। খনিৰ মালিক আৰু মেনেজাৰসকলক প্ৰত্যেক খনিৰপৰা মানুহ গৈ দেখা কৰাৰ প্ৰস্তাৱত মালিকসকল মান্তি নহ'ল। দাবী-বোৰো মানি লোৱা নহ'ল আৰু ফলত খনিৰ মানুহবোৰে কাম. বন্ধ কৰিলে। কেইদিনমান পিছতে হঠাত তেওঁলোক পুনৰ কামলৈ গ'ল। আকৌ কিবা কাৰণ এটা লৈ দুদিন⁻মান পিছত পুনৰ ধৰ্মঘট আৰম্ভ কৰিলে। শেষত গৈ এনেকুৱা হ'লগৈ যে আমাৰ মানুহবোৰে কাম কৰা আৰু ধৰ্মঘট কৰাৰ মাজত বিশেষ পাৰ্থক্য নেদেখা হ'ল। আমাৰ উপত্যকাৰ বহুতো ভাল কাম জনা মানুহে অইন ক'ৰবাৰ খনিত চাকৰি ললেগৈ। আমাৰ উপত্যকাৰ খনিবোৰলৈ ক'ৰবাৰ অচিনাকি বাহিৰা মানুহ কেতবোৰ আহি কম মজুৰীত কাম কৰিবলৈ আৰম্ভ কৰিলে।

আয়েষ্টিনৰ নাম শুনিলেই মানুহবোৰ জকি উঠা হ'ল। গতিকে মাই তেতিয়া লণ্ডনত থকা আংগাহ্লাদলৈ চিঠি দিলে যাতে আয়েষ্টন খনিলৈ নাহে। আয়েষ্টিনে আমাৰ পৰিয়ালৰ ছোৱালী বিয়া কৰোৱা বাবে কেতবোৰ মানুহে আমাকো দোষাৰোপ কৰিবলৈ লেবিলে।

উপায়হীন হৈ আয়েষ্টিনে তেওঁৰ খনি সেউতাই কাম কৰা খনিটোৰ মালিক সকলক বেচি দিলে। তেওঁলোকে খনি কিনি লৈ ক'লে যে তেওঁলোকৰ আগৰ খনি মাটিৰ তলে তলে গৈ নতুনকৈ কিনা খনিৰ লগ লগাইলেকে তাত কাম বন্ধ

...কষ। গতিকে আয়েষ্টিনবপবা কিনা খনিত কাম বন্ধ হৈ গ'ল। ফলত চাবিশ মানুহৰ চাকৰি নোহোৱা হ'ল।

ধৰ্মঘট চলা কালত বা কাৰোবাৰ মৃত্যু হ'লে গাৱঁৰ সকলোৱে কবৰখানালৈ যোৱা বাবে মানুহে কাম নকৰি ঘৰত বহি থকা অৱশ্যে দেখিছিলো। কিন্তু চাকৰি নোহোৱা বাবে মানুহ আলিবাটত ঘূৰি ফুৰা সেই বাৰেই প্ৰথম ঘটিল।

অবেনে এদিন ক'লে, "ভাঙন আৰম্ভ হৈ গৈছে দেউতা। কি হয় এতিয়া দেখিবা নহয়। নিবনুৱাৰ সংখ্যা বঢ়া মানে মজুৰীৰ হাৰ কমা। আৰু নিবনুৱা নথকাৰ মানে হ'ল মজুৰীৰ হাৰ বঢ়া। কি হয় নিজে দেখিবা নহয়।"

দেউতাই ক'লে, "কিন্তু খনি কৰ্তৃপক্ষৰ লগত আমাৰ লিখা-পঢ়া আছে। নিম্নতম বানচো তাত ধৰি থোৱা আছে।"

"বৰ্তমান কামত থকা মানুহবোৰৰ ক্ষেত্ৰত অৱশ্যে এই নিম্নতম বানচ খনি কৰ্তৃপক্ষই মানি চলিব। কিন্তু এই কথা মনত ৰাখিবা যে অকল আমাৰ উপত্যকাতে চাবিশ মানুহ বেকাৰ হৈ বহি আছে—অইন উপত্যকাৰ কথা বাৰু এৰিলোৱেই। এই আটাইবোৰ মানুহে যেতিয়া পুনৰ কামত বাহাল হৈ খনিত কাম কৰিবলৈ যাব তেতিয়া দেখিবা যে নিম্নতম বানচ আৰু তললৈ নামি গৈছে।"

"দেখা যাওক কি হয়।" দেউতাই চমুকৈ কৈ এলে।

নিম্নতম বানচ সঁচাকৈয়ে আৰু তললৈ নামিল। কোনোবাই এই বিষয়ে মেনেজাৰৰ ওচৰত ওজৰ-আপত্তি কৰিলেই তেওঁক কামৰপৰা খেদি, বেকাৰ হৈ খনিৰ দুৱাৰমুখত বহি থকা এজনক কাম দিয়া হ'ল—প্ৰত্যেক ক্ষেত্ৰতে খেদি দিয়া জনতকৈ কম দৰমহাত।

কেতবোৰে অইন উপত্যকাৰ খনিত চাকৰি ললেগৈ। কেতবোৰ ছেফিল্ড, বাৰ্মিংহাম আনকি আমেৰিকালৈকো গুচি গলগৈ। কেতবোৰ কিন্তু গাৱঁতে থাকিল।

বেকাৰ মানুহ সেইবাৰেই আমাৰ গাৱঁত প্ৰথম দেখা গ'ল। বাহিৰৰপৰা মানুহ আমাৰ উপত্যকালৈ আহি খনিত কাম কৰিবলৈ ল'লে। তেওঁলোকৰ কিছুমানে আকৌ দোকান আৰু হোটেলো খুলি বহিল। ফলত গাওঁখনৰ আলি-বাটৰ দুয়োকাষে ঘৰ ভৰি উঠিল। গাৱঁৰ সীমাৰতে দুটাকৈ নতুন আলি-

বাটৰ স্মৃষ্টি হ'ল আৰু সেইবোৰৰ দুৱোকাষে নতুন ঘৰ বিদ্যুৎবেগে মূৰ তাঙি উঠিল। নতুন গির্জাঘৰো দুটা গঢ়ি উঠিল—এটা মেথডিষ্টসকলৰ আৰু আনটো কেলভিনিষ্টসকলৰ। আইৰিচ মানুহবোৰৰ বাবে ৰোমান কেথলিক সম্প্রদায়ে নৈখনৰ সিপাৰে বেলেগ এটা গির্জা সাজি দিলে।

এনেকৈ বিপদ আমাৰ পিনে আগুৱাই আহিব ধৰা যদিও তেতিয়ালৈ আমাৰ বিশেষ একো অনিষ্ট হোৱা নাছিল। তেতিয়াও আমি সুখী আছিলো।

এদিনাখন ৰাতি আইভৰ লৰি আমাৰ ঘৰলৈ আহিল। মুখ তাৰ আনন্দত উজ্বল।

"কিনো হ'ল ?" হাতত থকা চিলাইৰ কাম এৰি মাই সুধিলে।

"এইখন পঢ়া দেউতা।" এই বুলি আইভৰে দেউতাৰ পিনে এখন চিঠি আগবঢ়াই দিলে।

চিঠিখন পঢ়ি দেউতাই কৈ উঠিল, "কি কাণ্ড।" তেওঁ এবাৰ মাৰ পিনে চালে,- এবাৰ এনেয়ে শূন্যতে চাই থাকিল আৰু শেষত পুনৰ চিঠিখন পঢ়িবলৈ ধৰিলে। মাৰ অস্বস্তিৰ সীমা নোহোৱা হ'ল। ধৈর্য হেৰুৱাই মাই শেষত কৈ উঠিল, "কথানো কি নোকোৱা কিয় ? মোক বলিয়া কৰিহে এৰিবা দেখিছোঁ।"

খুব গম্ভীৰ ভাৱে দেউতাই কলে, "হুকুম আহিছে। ৰাণীৰ হুকুম।"

"ৰাণীৰ হুকুম।" মাৰ চকুযুৰি বহল হৈ পৰিল। "কি হুকুম বাৰু ?"

চকীখনত পোন হৈ বহি লৈ ভিত্তিটো এবাৰ পৰিষ্কাৰ কৰি দেউতাই পঢ়িলে, "ইয়াৰ দ্বাৰা মিষ্টাৰ আইভৰ মর্গানক তেওঁৰ গানৰ দলৰ শ্রেষ্ঠ গায়ক-সকলৰ সতে মহামান্য সম্রাজ্ঞীৰ বিণ্ডচৰ প্রাসাদলৈ আহিবলৈ আদেশ দিয়া হৈছে।"

মাৰ প্রায় মূৰ্চা যোৱাৰ উপক্রম হ'ল।

চকীৰপৰা থিয় দি উঠি খোকাধুকি মাতেৰে দেউতাই কৈ গল, "ইংলণ্ডৰ মহামান্যা সম্রাজ্ঞী মোৰ ল'ৰাই তেওঁৰ সন্মুখত গান গাব·· উস্, মই যে আজি কিমান সুখী। আহা, এইবাৰে আমি ঈশ্বৰক ধন্যবাদ জনাওঁ।"

মাই কলে, "এৰা ঠিকেই কৈছা" আমি সকলোৰে আঁঠুকাঢ়ি বহিলো।

মাৰ হাত এখন নিজৰ হাতত ধৰি ওপৰৰ পিনে চাই থাকি দেউতাই প্রার্থনা কৰিলে, "হে স্বৰ্গীয় পিতা ! আজিৰ এই আনন্দময় দিনটো দেখিবলৈ

দিয়া বাবে মই তোমাক আন্তৰিক ধন্যবাদ জনাইছোঁ। আমাৰ মুখ উজ্জলোৱা সন্তান আইভৰৰ বাবে আৰু তেওঁৰ সুযোগ্য মাতৃৰ বাবেও তোমাক ধন্যবাদ দিছোঁ। মোৰ যি আছে সেই সকলোৰে বাবে আৰু মোৰ সন্তানৰ ওপৰত ৰখা আশিস এই কৰুণাৰ বাবে মই তোমাৰ ওচৰত চিৰকৃতজ্ঞ। তুমি আমাৰ পিতা, কিন্তু লগতে আমাৰ বাপীক আমি মাতৃজ্ঞান কৰোঁ। হে প্ৰভু, বিপদ-আপদত তেওঁক সান্ত্বনা দিবা। এই বয়সত তেওঁ যেন সহিব নোৱাৰা কষ্ট নেপায়। মই তোমাক খাটোঁ, হে প্ৰভু! তুমি যেন তেওঁৰ আদেশত গান গাবলৈ ওলোৱা সকলৰ কণ্ঠত মধুৰতা আৰু শক্তি দিয়া। আইভৰে যেন নিজৰ আৰু আমাৰ মুখ উজ্জলাব পাৰে। আমেন।"

আমি সকলোৱে কলোঁ, "আমেন।"

ইয়াৰ পিছত দেউতাই মাক কলে, "বেথ, বিয়েৰখিনি উলিয়াই আনা। হিউ, তই গৈ মিষ্টাৰ গ্ৰুফিদক মাতি আহগৈ। আজি পিছে কোনোৱাই বিয়েৰ খোৱাত ওজৰ-আপত্তি কৰিলে মই নুশুনিম। সকলোৱে হেঁপাহ পলুৱাই খাব লাগিব। গাৱঁৰ সকলোকে নিমন্ত্ৰণ কৰা হওঁক।"

মই মিষ্টাৰ গ্ৰুফিদৰ ঘৰলৈ লৰ দিলোঁ। তেওঁৰ ঘৰ পাই দেখিলোঁ এহাতে চামুচ এখন আৰু আনহাতে কিতাপ এখন লৈ তেওঁ ৰন্ধা-বঢ়াত ব্যস্ত।

"আমাৰ গান গোৱা দলটোৱে ৰাণীৰ আগত গান গাবলৈ নিমন্ত্ৰণ পাইছে মিষ্টাৰ গ্ৰুফিদ। দেউতাই আপোনাক আমাৰ ঘৰলৈ মাতিছে। গাৱঁৰ সকলোকে মতা হৈছে।"

"হয় নে? এই নিমন্ত্ৰণ আহিব বুলি মই সদায় আশা কৰি আছিলোঁ হিউ। এতিয়া আহিল যি হওঁক।" মিষ্টাৰ গ্ৰুফিদে মিচিকিয়াই হাঁহিলে।

পাহাৰ বগাই দুয়ো আমাৰ ঘৰলৈ খোজ ললোঁ। বাটত লগ পালোঁ আমাৰ ঘৰলৈ যাব ধৰা মানুহবোৰক। তিৰোতাবোৰক দেখিলোঁ খুব ব্যস্ত আলোচনা কৰিব ধৰিছে কোনে খোৱা বস্তুবিলাক বিলাব আৰু কোনে মদ বিলাব। সৰু লৰা-ছোৱালী কিছুমান সেই বাতৰিখন আনি বাটত এনেয়ে ঘূৰিছে। তই ধকাৰ কথা সিহঁতক কবলৈ ঘৰত কোনো ডাঙৰ মানুহ নাই—খবৰটো শুনি সকলোৱে ঘৰৰ বাহিৰলৈ ওচি আহিছে। মিষ্টাৰ গ্ৰুফিদক দেখি মানুহবোৰে অভিনন্দন জনালে। আইভৰৰ নামত জয়ধ্বনি উঠিল। ময়ো বাদ নপৰিলোঁ।

কোনেও কাকো একো আদেশ দিয়া নাছিল। কাকো জাননী দি একো অনোৱাও হোৱা নাছিল। তথাপি প্ৰত্যেকে কিবা নহয় কিবা এটা কাৰণত লাগি গৈছিল।

...অলপ পিছতে আইভৰইভৰ গান গোৱা দলৰ মানুহবোৰ আহিবলৈ আৰম্ভ কৰিলে। এই গান গোৱা দলত অকল আমাৰ উপত্যকাৰ মানুহেই নাছিল। চাৰিওকাষৰ আটাইবোৰ উপত্যকাৰ মানুহ এই দলৰ অন্তৰ্ভুক্ত আছিল। বাতৰি শুনি তেওঁলোকৰ সকলোৱে যিয়ে যেনেকৈ পাৰে, খৰখৰকৈ আমাৰ গাওঁ আহি ওলালহি। হাতত লেম আৰু জোৰ লৈ পাহাৰ বগাই ওৰে বাটে গান গাই গাই তেওঁলোক আহিছিল। তেওঁলোকৰ সেই গানত বতাহজাক বলিয়া হৈ উঠিছিল।

মানুহৰ ভীৰত গাওঁখনত অকণো ঠাই নোহোৱা হ'ল।· হঠাতে মানুহবোৰে আমাৰ ঘৰৰ খিৰিকী-মুখত মিষ্টাৰ গ্ৰুফিদক দেখিলে। লগে লগে তেওঁলোকে ভীষণ জোৰেৰে তেওঁৰ জয়ধ্বনি কৰি উঠিল। এই জয়ধ্বনিৰ কোৰত কাণ ফাটি যোৱাৰ উপক্ৰম হ'ল। মিষ্টাৰ গ্ৰুফিদে খিৰিকীমুখৰপৰা হাত জোকাৰি সকলোকে মনে মনে থাকিবলৈ নিৰ্দেশ দিয়া স্বত্বেও ভালেখিনি সময় জুৰি জয়ধ্বনি চলি থাকিল! বহুসময় পিছতহে মানুহবোৰ শান্ত হ'ল।

নিস্তব্ধতা।

মিষ্টাৰ গ্ৰুফিদে সেউন্তাৰ পিনে ঘূৰি চালে। সেউতাই বাঁহীত ফু দিলে।

আইভৰে হাত-তুলিলে। লগে লগে মুনিহ তিৰোতা আটাইবোৰে গুণগুণাই গান আৰম্ভ কৰিলে, যাতে তেওঁলোকে নিজৰ নিজৰ মাত অইন-সকলৰ স'তে ঠিককৈ মিলাই ল'ব পাৰে। সেই গুণগুণনি আছিল চিৰসুন্দৰ—ইমান গভীৰ, ইমান উচ্চ, ইমান গহীন অথচ ইমান কোমল। সৰগৰ দূতবোৰ এই মধুৰ শব্দেৰে তৈয়াৰী বুলি মোক কোনোবাই ক'লে মই অকণো আচৰিত নহ'ম।

"গড্ চেভ দি কুইন"—গানটোৰ প্ৰথম শাৰীৰ কথাখিনি কৈ মিষ্টাৰ গ্ৰুফিদ খিৰিকীমুখৰপৰা আঁতৰি আহি আইভৰক থিয় হবলৈ ঠাই এৰি দিলে।

আইভৰে আমাৰ পিনে হাত দুখন বহলকৈ মেলি ধৰিলে। সোঁ হাতখন সি তললৈ নমালে—এবাৰ, দুবাৰ, তৃতীয়বাৰ নমোৱাৰ লগে লগে গোটেইজাক মানুহে 'গড্ চেভ আৱাৰ নৈবৰ্দ্ কুইন' গাবলৈ আৰম্ভ কৰি দিলে।

আমি গালো, “তেওঁক জয়যুক্ত কৰা; সুখী আৰু মহান কৰা, হে প্ৰভু।”

গানটোৰ শেষ শাৰী গাই উঠি আমি সকলোৱে মিলি আনন্দতে এনেকৈ চিঞৰি উঠিলো যে সেই চিঞৰ হয়তো গিথন উপত্যকালৈ শুনা গৈছিল।

খোৱা ঘৰৰ কাঁহীবোৰ বাহিৰলৈ উলিয়াই আনিবলৈ বুলি ঘৰলৈ গৈ দেখিলো বাণীৰপৰা অহা চিঠিখন দেউতাই ক্লুদাখ হাবেলক দিব ধৰিছে। দেউতাই কোৱা শুনিলো, “ক্লুদাখ, আটাইতকৈ ভাল কাঠৰ ফ্ৰেমেৰে এইখন বান্ধিবা। সেই ফ্ৰেমৰ ওপৰত মই বাণীৰ মুকুটৰ ছবি খুৱাই ল’ম। এই চিঠিখন মোৰ গোটেই জীৱন জুৰি এই ঘৰৰ বেৰত ওলমি থাকিব, বুজিছা?”

“তুমি চিন্তা নকৰিবা শুইলাম,” খুব সাৱধানে চিঠিখন হাতত লৈ ক্লুদাখে কলে, “মই ধুনীয়াকৈ বান্ধি দিম। ইয়াৰ বাবে কোনো দাম কিন্তু মই নলওঁ।”

“দাম নলবা কিয়? দাম নোলোৱা যদি বান্ধিব নেলাগে।”

“বাৰু, বাৰু, দামৰ বিষয়ে পিছত যি হয় কিবা এটা কৰিব লাগিব। আগতে মই বান্ধি দিওঁ ৰবা।”

“বাৰু, এতিয়া মদ খোৱা আৰম্ভ কৰা যাওঁক।” লগে লগে মদ বিলোৱা আৰম্ভ কৰা হ’ল।

সেই ৰাতিটোৰ কথা মোৰ চিৰদিন মনত থাকিব। সৰু সৰু দলত ভাগ হৈ সকলোৱে নিজ নিজ ঘৰলৈ উভতি গৈছিল। এটা দলে গীত এটাৰ প্ৰথম শাৰী গাই থমকি ৰয়, লগে লগে অলপ আঁতৰত থকা আন এটা দলে দ্বিতীয় শাৰী জুৰি দিয়ে। এইদৰে ক্ৰেইৱা মাইলো জুৰি সিঁচৰিত হৈ থকা দলবোৰৰ মানুহে এটা গীতকে গাই গাই ঘৰমুৱা হৈছিল। ৰতাহজাকে গীতৰ শাৰীবোৰ এটা দলৰপৰা অইন এটা দললৈ কঢ়িয়াই নি থাকি শেষত ভাগৰি পৰিছিল।

পাহাৰখন তেতিয়াও সাৰে থাকি আমাক চাৰিওকাষে পাই এন্ধাৰৰ মাজতে তৃপ্তিৰ হাঁহি মাৰিছিল।

.....পিছদিনা স্কুলত খেলৰ ছুটীৰ পৰত কেইনৱেনে মোক সুধিলে, “নাইটিঙেল চৰাইৰ কথা যে কৈছিলো, কি হ’ল?”

মই ক’লো, “অ’, আমাৰ গোটেই পাহাৰখন এতিয়া নাইটিঙেলেৰে ভৰি উঠিছে। মই তোমাক কবলৈ পাহৰিছিলো।”

"মোক কেম্ব্ৰিজলৈ লিইজৰ গীত শুনাবলৈ নিবা কোৱা।" তাই কেৰাহিকৈ মোৰ পিনে চাই ক'লে, যেন মই কিবা মিছাহে মাতিম।

"আমাৰ উপত্যকালৈ যিদিনাই আহা," মই উত্তৰ দিলোঁ।

"বাৰু, দেউতা আৰু ককাইদেউহঁত শনিবাৰে লণ্ডনলৈ যাব। মই শনিবাৰে আবেলি তোমালোকৰ গাৱঁলৈ যাম বুজিছা? শনিবাৰে গ'লে আমি বহু ৰাতিলৈকে পাহাৰৰ ওপৰত থাকিব পাৰিম।"

কেইনৰেনক ফাঁকি দি সাৰিৰৰ উপায় নাই। তাৰোপৰি বহুদিন আগতে মই এই বিষয়ে প্ৰতিজ্ঞাও কৰিছিলোঁ। গতিকে মান্তি হোৱাৰ বাহিৰে আন একো উপায় নাথাকিল। তথাপি মই কৈ চালোঁ, "তোমাৰ দেউতাৰাই কিন্তু খং কৰিব।"

"তেওঁ গম পালেহে।" এই বুলি তাই মোৰ পিনে চাই চকু টিপিয়ালে। লাজত মোৰ কাণ-মূৰ ৰঙা পৰি উঠিল।

সেই দিনাৰ ৰাতিৰ পাছত আমি দুয়ো খুব কমেই কথা-বতৰা কৈছোঁ। প্ৰায়ে তাই শলমকৈ স্কুললৈ আহে। মোৰ কাষেৰে পাৰ হৈ যাওঁতে হাতৰ বহু পৰশ বা কেতিয়াবা অকণমান কাগজ এখনত দুই এশাৰী কথাৰ আদান-প্ৰদান—সেইখিনিয়ে।

যিয়ে যি নকওঁক, মোৰ কিন্তু দৃঢ় বিশ্বাস যে আমাৰ মগজুৰ ভিতৰতো ৰঙা আৰু সেউজীয়া 'লাইট' বহোৱা আছে। বিপদৰ পিনে আগবাই গ'লেই ৰঙা লাইট জ্বলি উঠে। কিয় জানো ক'ব নোৱাৰোঁ, কেইনৰেনৰ কথা ভাবিলেই মোৰ মগজুৰ ৰঙা লাইটটো দপ দপকৈ জ্বলি উঠি বিপদৰ আগজাননী দিয়ে। সেইদিনাও মই ভালকৈ বুজিলোঁ নিশ্চয় সাংঘাতিক কিবা এটি ঘটিব।

যি ভাবিছিলোঁ সেয়ে হ'ল।

আমাৰ শ্ৰেণীৰ কেইজনমানকহে মাথোন বিশ্ববিদ্যালয়ৰ পৰীক্ষা দিবলৈ স্কুল কৰ্তৃপক্ষই বাছি লৈছিল। মিষ্টাৰ মৰ্টছিলে আমাক কৈ থৈছিল যে তেওঁ আমাক বিশ্ববিদ্যালয়ত ভৰ্তি কৰাবলৈ দৃঢ় সঙ্কল্প কৰি লৈছে। আমি মুঠতে নজন আছিলোঁ—ইয়াৰ ভিতৰত কেইনৰেনো আছিল। কেইনৰেন পঢ়া-শুনাত ভীষণ চোকা আছিল—এই বিষয়ে অন্ততঃ কোনেও দুই কৰিব নোৱাৰিব। দেউতাকৰ ব্যৱসায় সম্পৰ্কীয় হিচাপ-পত্ৰত সদায় সহায় কৰি দিয়াৰ ফলত তাই অঙ্কত পাকৈত হৈ পৰিছিল। শেক্সপীয়েৰৰ নাটকৰ পৰা

তাই সহৰত মুখৰ ৰাত্তি যাব পাৰিছিল। গতিকে ইংৰাজীতো তাই মোহ ভাল আছিল বুলি স্বীকাৰ কৰিব লাগিব।

শ্ৰেণীৰ অইন ল'ৰা-ছোৱালীবোৰতকৈ স্কুলত আমি অলপ বেছি আৰামত আছিলোঁ। এই ল'ৰা-ছোৱালীবোৰে চৈধ্য বছৰ বয়সত স্কুলৰ পঢ়া সাং কৰি কামে-কাজে লাগি যাব—কলেজত পঢ়িবলৈ নেপায়। আৰামত আছিলোঁ বুলি যে কৈছোঁ সেইটো পঢ়া-শুনাৰ ক্ষেত্ৰত নহয়। পঢ়া-শুনাৰ বিষয়ত আমি অইন-বোৰতকৈ বহুবেছি খাটিবলগীয়া হৈছিলোঁ। অকল স্কুললৈ অহা আৰু স্কুলৰপৰা যোৱাৰ সময়ৰ ক্ষেত্ৰত বিশ্ববিদ্যালয়ৰ পৰীক্ষা দিবলগীয়া কেইজনক অলপ বেহাই দিয়া হৈছিল। আমি আঠাই কেইজন আছিলোঁ স্কুলৰ 'মনিটৰ'। আমাৰ কৰ্তব্য আছিল অইন ল'ৰা-ছোৱালীবোৰে যাতে স্কুলৰ আইন-কানুন মানি চলে সেইটো চোৱা। আমি পাছে কোনো দিনেই কাকো হেড্মাষ্টৰৰ ওচৰলৈ ধৰি নিয়া নাছিলোঁ—আনকি স্কুলত কোনোবাই ৱেলছ্ ভাষা কোৱাৰ নিচিনা ডাঙৰ দোষ কৰা দেখিলেও।

আইভৰ আৰু তাৰ দলৰ মানুহবোৰ ৰাণীৰ সন্মুখত গান গাবলৈ বুলি আমাৰ উপত্যকা এৰিলে শুকুৰবাৰে ৰাতি। সেই ৰাতি অলপ বৰষুণ দিছিল আৰু অলপ জাৰো পৰিছিল। গোটেই গাওঁখনৰ মানুহে গান গোৱা দলটো যোৱা চাবলৈ ঘৰৰপৰা ওলাই আহিছিল।

গান গাবৰ পৰত পিন্ধিবলগীয়া সাজ-পাৰ থকা বাকচবোৰ প্ৰথমতে ঘোঁৰা গাড়ীবোৰত উঠোৱা হ'ল। তাৰ পিছত উঠিল মদৰ বটল আৰু খোৱা বস্তুৰ টোপোলাবোৰ। ইয়াৰ পিছত যাবলগীয়া মানুহবোৰ গাড়ীয়ে গাড়ীয়ে উঠি বহিল। আঠাইবোৰ মানুহ গাড়ীত বহাৰ পিছত আইভৰৰ সৈতে দেউতা এখন গাড়ীত বহিলগৈ।

মিষ্টাৰ গ্ৰুফিদে প্ৰত্যেকজন মানুহৰ স'তে হাত মিলালে আৰু প্ৰত্যেকজন মানুহে তেওঁক লগত যাবলৈ অনুৰোধ কৰিলে। মিষ্টাৰ গ্ৰুফিদে মাথোন মিচিকিয়াই হাঁহি মূৰ জোকাৰিলে। যাব নোৱাৰাৰ কাৰণ স্বৰূপে তেওঁ ক'লে যে দেওবাৰে গিৰ্জাৰ প্ৰাৰ্থনা আছে আৰু তাৰোপৰি বেমাৰ আজাৰত পৰি থকা বহুতো মানুহৰ শুশ্ৰূষা কৰিবলগীয়াও আছে। গতিকে মিষ্টাৰ গ্ৰুফিদে গঢ়ি তোলা দলটোৱে মিষ্টাৰ গ্ৰুফিদক লগত নোলোৱাকৈ ৱিণ্ডচৰ প্ৰাসাদলৈ যাত্ৰা কৰিলে।

পাহাৰ বগাই উঠি যোৱা বেঁকা-বাটী কেইখনৰ পিনে আমি বহপৰ চাই থাকিলো। বহুসময় পিছত মিষ্টাৰ এ. ফিনে মূৰ দুপিয়াই আৰু হিচিকিয়াই হাহি্‌ সকলোকে বিদায় জনাই তেওঁৰ ঘৰৰ পিনে খোজ ল'লে। বাকী পথত তেওঁ মোৰ মূৰত কোমলভাৱে থপৰিয়াই গ'ল।

"তেওঁৰ অন্তৰ ভাঙি গৈছে। টকা-পয়চা থকা হ'লে তেৱোঁ আমি যাব পাৰিলেহেঁতেন" ব্ৰণে হঠাতে ক'লে।

মই ব্ৰণক সুধিলো, "কিয়? আমাৰ মানুহবোৰে তেওঁৰ বাবে চান্দা নুতুলিলে কিয়?"

ব্ৰণে মোৰ পিনে একেথৰে চাই থাকি ক'লে "চান্দা! মিষ্টাৰ এ. ফিনৰ বাবে চান্দা তুলিব!" ইয়াতকৈ বেছি একো ব্ৰণে নকলে।

২৬

গ্ৰুফিন আগৰ নিচিনা হৈ থকা নাই। তেওঁ ভালেখিনি সলনি হৈছে। কিন্তু কিমানখিনি সলনি হৈছে সেইটো কেৱল অকল মইহে ধৰিব পাৰিছিলোঁ। তেওঁক সকলো সময়তে ক্লান্ত যেন দেখা গৈছিল, কিন্তু লগতে তেওঁ অনবৰত কিবা এক ধৰণে চটফটাই ফুৰিছিল। তেওঁক আগতকৈ বয়সীয়াল যেন লাগিছিল—সেই বুলি তেওঁৰ মুখত বয়সৰ ৰেখা ফুটি উঠা নাছিল বা তেওঁৰ দাড়ি কোছাও বগা হৈ উঠা নাছিল। মাথোন চকুহালত আহি পৰা কিবা এটি গভীৰ পৰিৱৰ্তনৰ ফলত তেওঁক বয়সৰ ভৰত হালি পৰা যেন লাগিছিল। চকী-মেজবোৰ আজি অভদিনে সাজি উলিওৱা শেষ হোৱা নাই—কাৰণ অকল মইহে সেইবোৰ সজাত লাগি আছিলোঁ, আৰু তাকো চেগা-চোৰোকাকৈ। মিষ্টাৰ গ্ৰুফিনে এইবোৰ কৰিবলৈ আজিকালি তেনেকৈ সময় নাপায়। আমাৰ উপত্যকাখন বাহিৰৰ মানুহেৰে ভৰি পৰিছে। তাৰোপৰি তেওঁ কয়লাখনিত হৈ থকা ধৰ্মঘট আদি আৰু গিৰ্জাত উপাসনা লৈ সদায় ব্যস্ত থাকিব লাগে। তেওঁ আজিকালি পঢ়াশুনাও কম কৰে। কেতিয়াবা তেওঁ মোৰ লগতে চকী-মেজবোৰ সজাৰ কামত লাগি যায়। কিন্তু অলপ পৰ কাম কৰি উঠি তেওঁ একেথৰে কোনোবা এফালে চাই ৰহি থাকে। শেষত মুৰটো জোকাৰি, মোৰ পিনে চাই মিচিকিয়াই হাঁহি চকী-মেজ সজা কাম তাতে এৰি তেওঁ চাহ কৰিবলৈ উঠি যায়গৈ। পাছে তেওঁ আজিকালি আমাৰ ঘৰলৈ প্ৰায় সদায় আহে। প্ৰায় প্ৰত্যেক ৰাতি তেওঁ আমাৰ ঘৰলৈ আহি পাইপ খাই খাই আমাৰ পাকঘৰৰ জুহালৰ গুৰিত বহু ৰাতিলৈকে বহি থাকে। তেওঁ বহি থাকিলে মাই খুব ভাল পায় আৰু গুচি গলে সদায় দুখ কৰে।

শনিবাৰে আবেলি চকী-মেজবোৰ সজাৰ কামলৈ আহিবলৈ নোৱাৰিম বুলি মিষ্টাৰ গ্ৰুফিনক কবলৈ সঁচাকৈয়ে মোৰ খুব বেয়া লাগিছিল। কথাষাৰ

কোবাত কি কাৰণে মই আহিব নোৱাৰো তেওঁ সুধিলে। মাখোন মোৰ পিনে এবাৰ চাই মূৰ দুপিয়াই সন্মতি জনালে। এইবাবে মোৰ মনটো আৰু বেছিহে বেয়া লাগিল। মই শনিবাৰে আবেলি কি কৰিবলৈ ওলাইছোঁ সেইটো তেওঁক কৈ দিয়া উচিত যেন লাগিল। কিন্তু মোৰ সাহস নহ'ল। তাৰোপৰি মইনো ৰাক·কোনটো সভেৰে তেওঁক কওঁ—'মিষ্টাৰ গ্ৰুফিন, শনিবাৰে আবেলি চকী-মেজবোৰ সজাৰ কাম কৰিবলৈ মই ইয়ালৈ আহিব নোৱাৰিম। মই কেইনৱেনৰ সৈতে পাহাৰৰ ওপৰলৈ গৈ নাইটিঙেল চৰাইৰ গীত শুনিব খুজিছো।'

মই ওলাই আহিলো। তেওঁৰ আৰু মোৰ সম্বন্ধৰ মাজত সিদিনা কিবা যেন এটা বিৰাট ফাঁটৰ সৃষ্টি হ'ল। মই বুজিলো যে এই ফাঁট আৰু কোনো দিনেই জোৰা নালাগিব।

পাহাৰখনৰ সিটো মূৰত কেইনৱেনে মোক লগ ধৰিলেহি। তেতিয়া আবেলি তিনিমান বাজিছিল। মই বহি থকা শিলটোৰ ওচৰ পাই তাই ঘোঁৰা-গাড়ীখন ৰখালে আৰু দুখনমান কম্বল আৰু বেতৰ বঙা পাচি এটা গাড়ীখনৰ পৰা নমাই মোৰ হাতত দিলে।

"এইবোৰ আকৌ কিয় ?" মূৰ্খৰ দৰে মই তাইক সুধিলো।

"খাবলৈ, আৰু কিয় ?" তাই জাপমাৰি ঘোঁৰা-গাড়ীখনৰ পৰা নামিল আৰু ঘোঁৰাজনী গাড়ীখনৰ পৰা মোকোলাই দিলে। "গোটেই ৰাতিটো পাহাৰত থাকি চৰাইৰ গানেৰে পেট ভৰাবলৈ খুজিছা নেকি ? কিবা অলপ খাব লাগিবতো ?"

"গোটেই ৰাতি।" ভয়ত মোৰ জীৱ উৰি গল। "সাত বজাত মই গান গাবলৈ যাব লাগিব।"

"আগতে সাত বাজকচোন।" ঘোঁৰাজনীৰ পিঠিত চাপৰ এটা মাৰি কেইনৱেনে ঘোঁৰাজনীক ঘাঁহনি এডৰাৰ পিনে খেদি দি ক'লে, "আহা, গাড়ীখন ইয়াত লুকুৱাই থওঁ।"

গাড়ীখন সহজে মানুহৰ চকুত নপৰা এঠাইত সুমুৱাই থৈ আমি পাহাৰ বগাই নাইটিঙেল চৰাইবোৰ থকা গছবিলাকৰ পিনে খোজ ললো। কেইনৱেনে সেইদিনা পিন্ধিছিল বগা আৰু ঘোঁৰাবৰণীয়া ফাঁক থকা এটা ফ্ৰক। মূৰত আছিল এটা বগা টুপী—তাৰ কাষবোৰত ফুল আৰু লতা থকা লেচ লগোৱা।

কেইনৰেন আছিল ওখ বুহু আৰু গধুৰ নিতান্ত হৃষ্ট-সবল ছোৱালী। মোতকৈ কেইবা ইঞ্চি ওখ আছিল তাই। পাছফালৰপৰা চালে তাইক ছোৱালী যেন নালাগে—যৌৱনৰ-ভৰত টলমল কোনোবা তিৰোতা যেন হে লাগে।

গোটেই বাটটো মোৰ মগজুৰ ভিতৰৰ ৰঙা লাইটটো দপ্ দপ্ দপ্ দপ্‌কৈ বাৰে বাৰে জ্বলি উঠিছিল। ভয়ত মোৰ জিভাখন লৰচৰ কৰাৰ নোৱাৰা হৈ পৰিছিলো।

…বহদূৰ গৈ মই এঠাইত ৰোৱাত কেইনৰেনে সুধিলে, "কি হ'ল ?"

"এইখিনিতে আমি ৰওঁ। ইয়াতকৈ বেছি ওচৰ চাপি গলে চৰাইৰ গান আৰু শুনিবলৈ নেপাবা।"

"তেনেহলে ছাঁ থকা ঠাই এডোখৰ বিচাৰি উলিওৱা। গৰমত মোৰ গা পুৰিব ধৰিছে।"

বিৰাট অ'ক গছ এডালৰ গুৰিত কম্বল কেইখন পাৰিলো। ক্লান্ত হৈ পৰা কেইনৰেনে তাৰ ওপৰত দীঘল দি পৰি মোক সুধিলে—"চৰাইবোৰে গান গোৱালৈ কিমান পৰ ৰব লাগিব বাৰু ?"

"কেইবা ঘণ্টাও।"

"ভাল কথা, মই তেন্তে অলপ শুই লওঁ।"

কেইনৰেনে শুলে আৰু অতি সোনকালে তাইৰ টোপনিও আহিল। তালেখিনি সময় মই এনেয়ে দীঘল দি পৰি থাকিলো। শেষত মোৰো টোপনি আহিল। কেইনৰেনে জগাই দিয়াতহে ধৰমৰকৈ উঠি বহিলো। সাৰ পায়েই জাৰত মোৰ গোটেই গাটো কঁপি উঠিল। ইতিমধ্যে পাহাৰৰ ওপৰত গধূলিৰ এন্ধাৰ নামিছে।

জাৰত কঁপি কঁপি তাই মৰম লগাকৈ মোক ক'লে, "হিউ, জুই একুৰা জ্বলোৱা, নহলে জাৰত বা ভয়তে মই মৰি যামগৈ।"

"বাৰু, অলপ ৰবা।" ওচৰতে থকা কেৰ্কেটুৱাৰ গাতত হাত ভৰাই মই গছৰ শুকান বাকলি আৰু পাত কিছুমান উলিয়াই আনিলো। জোপোহা কিছুমানৰ কাষৰপৰা শুকান ঠেঙুলি অলপ গোটাই লৈ ভালকৈ জুই একুৰা ধৰিলো। হালধীয়া শিখাৰ সেই জুইকুৰাই বঢ়িয়া তাপ দিবলৈ ধৰিলে।

পাচিটোৰপৰা আমি খোৱা বস্তবোৰ উলিয়ালো। ওচৰতে থকা নিজৰাটোৰ পাৰলৈ গৈ লগত অনা সৰু ডেকচিটোত চাহ কৰিবলৈ পানী ভৰাই আনিলো।

খাই থাকোঁতে মই তাইক সুধিলোঁ, "এইবোৰ তুমি নিজে কৰিছা নেকি ?"

জুইকুৰাৰ পোহৰত হালধীয়া হৈ উঠা চকুযুৰি ডাঙৰকৈ মেলি দি তাই কলে, "অঁতো, আৰু নো কোনে কৰিব ? খাবলৈ বেয়া হৈছে নেকি ?"

"নাই, নাই, বঢ়িয়া হৈছে।"

"ইঃ, এনেয়ে কৈছা।

"এনেয়ে কোৱা নাই। বেয়া হ'লে মই জানো খালোহেঁতেন ?"

"ঁও, ঘৰত সদায় ভাল বস্তু খাই খাই তুমি নষ্ট হৈ গৈছা। তুমি বিয়া কৰালে ঘৈণীয়েৰাই তোমাক লৈ মহামস্কিলত পৰিব।"

"কিনো মস্কিলত পৰিব আকৌ ? মানুহে খাব পৰাকৈ ৰান্ধিব জানিলেই হ'ব।"

"তোমালোকৰ সদায় কাজিয়া লাগিব। খঙত তোমাৰ ঘৈণীয়েৰাই তোমাৰ গালৈ পিয়লা-পিৰিচ দলিয়াব আৰু উত্তৰত তুমিও হয়তো ঘৰৰ বস্তু বাহানি ভাঙি সাং কৰিবা। পাছে মোৰ স'তে তুমি তেনে কৰিলে মই তোমাক জুৰাই নেৰোঁ।—শুই থাকোঁতে একেপাতে মাৰতে শেষ কৰি দিম।"

"তোমাৰ লগত মোৰ বিয়া হোৱাৰ সম্ভাৱনা এতিয়া অন্ততঃ অকণো নাই।" এই বুলি কৈ পুনৰ মই খোৱাত লাগি গলো।

তাই অলপ পৰ নিমাত হৈ থাকিল। জুইকুৰাই ফট্ ফটাই চাবুক জোকাৰি ফিৰিঙতি উৰুৱালে। মই কেইনবেনৰ পিনে কেইবাবাৰো চালো তাই কিন্তু জুইকুৰাৰ পিনে একেথৰে চাই ৰহি থাকিল।

হঠাতে তাই খুব লাহেকৈ ক'লে, "বিয়া কৰাই নিজৰ সৰু এখন সংসাৰ পাতিবলৈ কিমান ভাল লাগিব কিজানি ?"

মই একো নেমাতিলো।

তাই কৈ গ'ল, "তোমাৰ নিজৰ অকমান সংসাৰ এখন—তোমাৰ ককাই-দেৱেৰাইত আৰু বাইদেৱেৰে পতা সংসাৰৰ নিচিনা সৰু সংসাৰ এখন। নতুনকৈ ৰং দিয়া অকমান নতুন ঘৰ এটি—আৰু তাত থাকিব নতুনকৈ কিনা চকী-মেজ। আমাৰ নিজ ইচ্ছামতে চলিব সেই ঘৰখন—তাত হকা-বাধা কৰিবলৈ কোনো বুঢ়া-বুঢ়ী নেথাকিব।"

তেতিয়াও মই একো নেমাতিলো।

"ঘৰখনৰ লগতে থাকিব সৰু এখন শাক-পাচলিৰ বাৰী, থাকিব দুজনীমান হাঁহ কুকুৰা, আৰু থাকিব ল'ৰা-ছোৱালী।"

মই এইবাৰ কৈ উঠিলো, "ল'ৰা-ছোৱালীৰ ঘেন্ ঘেন্ পেন পেন্ মই সহ্য কৰিব নোৱাৰোঁ। আমাৰ এগোপা ভাই-ভনীৰ সংসাৰত তাণ্ডৱ হৈ মোক ভালকৈ আমুৰাইছে।"

"ইঃ, নিজৰ ল'ৰা-ছোৱালী হ'লে বেলেগ কথা, বুজিছা?" ভাই হাঃ হাঃ কৈ হাঁহি দিলে।

মই ক'লো, "বাৰু বিয়ে নহওঁক, এই বিষয়ে আমি ভাবিবলৈ এতিয়াও বহুত সময় আছে।"

হঠাতে খুব লাহেকৈ, লাজত অইন ফালে চাই থাকি কেইনেখনে মোক সুধিলে, "তুমি মোক বিয়া কৰাবানে, হিউ?"

"ধেৎ, কি কথাবোৰ কৈছা? স্কুলত পঢ়াই শেষ হোৱা নাই এতিয়াই বিয়া কৰাবৰ হ'ল নে?"

"মোৰ মাৰ স্কুলত পঢ়ি থকা কালতে বিয়া হৈছিল। আমি চাৰিজনীকৈ বাই-ভনী ঘৰতে আছোঁ—তাৰ ভিতৰত মইহে আটাইতকৈ সৰু। হিউ, আহানা, আমি দুয়ো বিয়া কৰাই সংসাৰ পাতোঁ।"

"ধেৎ, বলিয়ালিথন এৰাচোন। বিয়া কৰোৱাৰ আগতে মই চাকৰি-বাকৰি এটা কৰিব লাগিবতো?"

"মোৰ দেউতাৰ ব্যৱসায়ত চাকৰি লোৱাহি।" ভাই মোৰ ওচৰ চাপি আহিল। "ভালকৈ কাম শিকিলে ভাল দৰমহা পাবা—আৰু তেতিয়া হ'লে আমি বিয়া কৰাব পাৰিম, নহয় জানো?"

অধৈৰ্য হৈ মই ক'লো, "চোৱা বলিয়ালিথন এৰা। আমি নাইটিঙ্গেল চৰাইৰ গীত শুনিবলৈহে ইয়ালৈ আহিছিলো, নহয় জানো? গতিকে তাকে কৰা।"

"তেনেহ'লে মোক চুমা এটি দিয়া।"

"ধেৎ, যোৱা ইয়াৰ পৰা। চৰাইৰ গীত শুনিবলৈ আহিছা—শুনা। বিয়া কৰোৱা, চুমা খোৱা আদিৰ কথা এৰা।"

"হিউ, তুমি মোৰ স'তে ইমান নিষ্ঠুৰ ব্যৱহাৰ কৰিছা কিয় বাৰু?" ভাই কমালখন উলিয়াই লৈ কান্দিবলৈ আৰম্ভ কৰিলে।

বগা কমালখন দুহাতে চকুত হেঁচি ধৰি ভাই কান্দি থাকিল। নতুন ধান-খেৰৰ নিচিনা সোণবৰণীয়া ভাইৰ চুলিকোছা আউলি-বাউলি হৈ খাঁহুলিৰ

ওপৰত মূৰ্ছা খালে। সেই খোলা চুলিটাৰীয়ে তাইৰ চকু মুখ ঢাকি ধৰিলে। বগা ফ্ৰকটোৱে ঢাকি ৰখা তাইৰ তৰি দুখন কাম্পোনৰ কোৱত কঁপি কঁপি উঠিল। সেই ৰাতি পাহাৰৰ ওপৰৰ জুইকুৰাৰ কাষত নাইটিঙেল চৰাইৰ গীতৰ মাজত কেইনৰেনে কম্বাৰ দৃশ্যটো মনত পৰিলে আজি মোৰ কেনেবা লাগে। সেই জুই আজি নুমাই গৈছে, চৰাইবোৰ নিমাত হৈছে আৰু কেইনৰেন আঁতৰি গৈছে।

ছোৱালী এজনীক কাম্পোনত ভাঙি পৰা দেখিও থিৰেৰে থাকিব পৰা জন নিশ্চয় পাষাণ। মই তাইৰ ওচৰলৈ গৈ তাইক সাবটি ধৰিলো। তাইৰ মুখৰপৰা হাত দুখন আঁতৰাই দি চকুলোৰে তিতি উঠা নিমখীয়া হোৱা গাল দুখনত চুমাৰ উপৰি চুমা খালো। তাই মোৰ গাত আউজি পৰি থাকিল। কাম্পোনত তাইৰ গাটো কঁপি কঁপি উঠিলেও চকুলো কিন্তু একেবাৰে বন্ধ হৈ গ'ল।

ক'লো, "সোণা শুনা, চৰাইবোৰে তোমাৰ বাবে গীত জুৰি দিছে।"

নাইটিঙেল চৰাইৰ গীত সঁচাকৈয়ে ধুনীয়া। নাইটিঙেল সৰল আৰু সুকণ্ঠী গায়ক। ভিঙি চেপি বা মুখখন অকণমান হে মেলি ধৰি গীত গোৱাৰ অভ্যাস নাই নাইটিঙেলৰ। উশাহ চুটি হৈ গীতৰ মাজতে নাইটিঙেলে থৰক-বৰক কেতিয়াও নকৰে।

সেই ৰাতি বহুতো নাইটিঙেলে আমাক গীত শুনালে। বহুপৰ আমি সেই গীত শুনি বহি থাকিলো। জুইকুৰা ছাই হৈ আহিবলৈ ধৰিলে। মোৰ আঁঠুৰ ওপৰত মূৰ দি কেইনৰেন শুই আছিল। ধীৰ কোমল নিঃশব্দ উশাহ লৈ তাই শুই থাকিল।

টোপনিত লালকাল দি পৰি থকা মানুহক চাবলৈ বৰ ভাল।

·· কেইনৰেন শুই থাকিল আৰু মই তাইক চাই থাকিলো। হঠাতে তাই সাৰ পালে।

"বহু পলম হ'ল। বিপদত পৰিব লাগিব যেন পাইছোঁ।", মই কলো।

"হিউ" শিলকো গলাৰ পৰাকৈ মধুৰ সুৰেৰে তাই মোৰ নামটো মাতিলে।

ইয়াৰ পাছত তাই হাত দুখন মূৰৰ ওপৰলৈ তুলি এওামুৰি দি লাহে লাহে হাত দুখন নমাই আনি মোক সাবটি ধৰিলে। তাইৰ কোমল দেহাটি ভীষাৰ

ৰবে তীব্ৰ হৈ উঠিল। আমি চুমা খালো—আৰু সেই দীঘলীয়া চুমাৰ মাজতে তাই হাঁহি দিলে।

চুমা খালে কিবা অদ্ভুত বলিয়ালি এটাই হেঁচি ধৰেহি—কিন্তু সেই বলিয়ালিৰ লগতে কিবা এটি নম্ৰতা জড়িত হৈ থাকে। আঘাত দিবলৈ মন যায়,, কিন্তু সেই ইচ্ছাৰ মূলত থাকে আনন্দ দানৰ ইচ্ছা। নাৰীৰ কোমলতাৰ ওচৰত পুৰুষৰ শক্তিৰ পৰিচয় দিয়াৰ দুৰ্বাৰ ইচ্ছা এইটো। মই তাইৰ ওচৰত শুই থাকি হাত দিলো সেই ৰহস্যময় উষ্ণ কোমল ঠাইত—যি ঠাইত তাইৰ খাঁক থকা ফ্ৰকটোত দুটা সৰু সৰু টিলাৰ সৃষ্টি হয়। তাই মিচিকিয়াই হাঁহি থাকিল। খহতা কাপোৰৰ তলত মোৰ আঙুলিয়ে তাইৰ মসৃণ শৰীৰৰ পৰশ লভিলে। হঠাতে পাহাৰৰ নামনিত থকা জোপোহা কিছুমানৰ কাষত মই কাবোৰাৰ হালধীয়া লেমৰ পোহৰ দেখিলো। মই জাপমাৰি উঠি বহিলো। ভয়ত মোৰ গোটেই শৰীৰ চেঁচা হৈ আহিল, বুকুখনে ঢপ্ ঢপাবলৈ ধৰিলে।

"হুস্ট।" কেইনবেনে মোৰ হাতখন খেপিয়ালে।

"মানুহে আমাৰ পাছ লৈছে।" এই বুলি কৈয়েই মই কম্বল কেইখন গোটালো আৰু পিয়লা-পিৰিচবোৰ পাচিটোত সুমুৱাবলৈ আৰম্ভ কৰিলো। জুইকুৰা টিমিক্ টামাক্‌কৈ জ্বলি আছিল। চাহপুচিটোত থকা চাহখিনি জুইকুৰাৰ ওপৰত ঢালি দিলো—এসোপা ছাই উৰুৱাই জুইকুৰা নুমাই গ'ল। মই পাচিটো ললো, কেইনবেনে কম্বল কেইখন ললে। দুয়ো পাহাৰখনৰ পিনে লৰি গৈ আগুৱাই আহিবলৈ ধৰা লেমবোৰৰপৰা সাৰিবলৈ চেষ্টা কৰিলো। বহুতো লোক আমি থকা ঠাইডোখৰৰ পিনে আগুৱাই অহা আমি তেতিয়া স্পষ্ট দেখিবলৈ পালো।

জোপোহা আৰু খাল, ঘাঁহনি আৰু কাইটীয়া গছ আৰু জাক পাতি চৰি থকা গৰুবোৰৰ মাজেদি আমি পাহাৰ বগাই গৈ থাকিলো। এনেতে হঠাতে কেইনবেনে কিবা কথাত ভয় খাই মোৰ গাত খাপমাৰি ধৰিলেহি। মই ভাৰ সহিব নোৱাৰিলো আৰু ফলত দুয়ো পাহাৰৰ খিয় গাটোৱেদি, গছবোৰৰ মাজেৰে হৰমূৰকৈ তললৈ নামিবলৈ আৰম্ভ কৰি দিলো। পাহাৰৰ নামনিত থকা আলিবাটটোলৈ আহি সমান মাটিত ভৰি দিবলৈ পাই মই ৰক্ষা পৰিলো।

মই কেইনবেনক ক'লো, "তুমি এইখিনিতে বৈ থাকা। মই সোঁৱাজনীক ধৰি গাড়ীখন ইয়ালৈকে লৈ আহিম।"

তাই খুব হুপিয়াই সন্মতি জনালে। তাইৰ এই অসহায় আৰু আতুৰ অৱস্থাত তাইলৈ মোৰ বেছিকৈ মৰম লাগিল। মই তাইৰ গালত চুমা দিলো। তাই পাছে একেথৰে সমুখৰ পিনে চাই থিয় দি থাকিল। তাইৰ চকুত ভয়ৰ চিন ভালকৈয়ে ফুটি উঠিছিল।

"হিউ, সিহঁতে মোক বিচাৰি পালে জেললৈকে পঠিয়াব।"

"জেল?" মই আচৰিত হৈ গলো। "জেললৈ আকৌ পঠিয়াব কিয়?"

"হয়তো মোক গির্জাঘৰলৈ মাতি নি ইয়াৰ বিচাৰ কৰিব।" কান্দোনত তাই ভাঙি পৰিল।

"মই ঘোঁৰাজনী লৈ আহোঁ। তুমি ইয়াতে বৈ থাকিবা কিন্তু।"

আলিবাটটো এৰি ঘাঁহনিৰ মাজেদি মই লৰি আগুৱাই গলো। আৰি ঘাঁৰা-গাড়ীখন থৈ অহা ঠাইডোখৰৰ পিনে। ঠাইডোখৰ গৈ পাই দেখিলো কথা বিষম—জুই একুৰা জলাই লৈ মানুহ কিছুমান তাত বহি আছে।

. . . . .

কেইনবেনে অনা গাড়ীখন জুৰুৰাই থোৱা ঠাইৰপৰা উলিয়াই আনি আলিবাটৰ ওপৰত পেলাই থোৱা হৈছে। তাৰ কাষত একে ধৰণৰ অইন এখন গাড়ীও দেখিলো। গাড়ীদুখনৰ অলপ আঁতৰত থকা গছ এডালত কেইনবেনহঁতৰ ঘোঁৰাজনী আৰু অইন এটা ঘোঁৰা বন্ধা আছিল।

ঘটনাটো কি হৈছিল মই তেতিয়া ভালকৈয়ে বুজিব পাৰিলো। লগে লগে মই ঠিক কৰি পেলালো যেনেকৈ হওক কেইনবেনক সকৰাই পঠিয়াবেই।

কেইনবেনে নবজাকৈ এৰি দিয়া ঘোঁৰাজনী ঘৰলৈ উভতি যোৱাৰ ফলতেই এইখন কাণ্ড।

কি কৰা যায়? কি কৰা যায় বাৰু?

কেইমুহূর্তমান মাথোন আগতে উপায় বিচাৰি নোপোৱা মনটোলৈ হঠাতে বাৰু কৰপৰা এসোপামান বুধি আহি পৰে?

জেপৰপৰা জুইশলাৰ বাকচটো উলিয়াই মই ঘোঁৰাটোৰ ওচৰ চাপি গ'লো। বান্ধ খুলি দি মই তাক আলিবাটৰ ওপৰত মানুহবোৰে থকা জুই-কুৰাৰ পিনে মুখ দি থিয় কৰালো। এতিয়া জুইশলা এডাল জলাই লৈ মই ঘোঁৰাটোৰ পাছ ঠেং এখনত লগাই দিলো। এই কামটো কৰোঁতে মোৰ অন্তৰে কৈ উঠিছিল—'মই এইবাৰে দুঃখিত। কিন্তু হলে কি হ'ব? কেইনবেনে

যে আত্মাবৰ মাজত অকলশৰে বৈ থাকি মোলৈ বাট চাই আছে। তাই যে এই আটাইখিনি পৰ গিৰ্জাঘৰৰ মানুহবোৰৰ মুখ আৰু চিঞৰৰ কথা ভাবি ভয়ত বাৰে বাৰে কঁপি উঠিছে।' বিকট চিঞৰ মাৰি এগাল ধূলি উৰুৱাই ঘোঁৰাটোৱে চেকুৰিব ধৰিলে। মই মাটিত বাগৰি পৰিছিলো, কিন্তু একেজাপে মই মাটিৰপৰা উঠি কেইনবেনৰ ঘোঁৰাজনী খুলি লৈ গাড়ীখনৰ ওচৰ পালোঁগৈ।

ঘোঁৰাটোৱে ভেনেকৈ লৰি পলোৱা দেখি মানুহবোৰৰ মাজত চিঞৰ-বাখৰখন লাগিল। কেইজনমানে ঘোঁৰাটো কিৰাই আনিবলৈ লৰ ধৰিলে।

ইতিমধ্যে মই কেইনবেনইঁতৰ ঘোঁৰাজনী গাড়ীখনৰ সতে জুটি পেলাইছো। আপমাৰি গাড়ীখনত উঠি লেকামডাল জোকৰাৰ লগে লগে ঘোঁৰাজনীয়ে চেকুৰিব ধৰিলে।

এজাবৰ মাজত আঁক থকা বগা ফ্ৰকটো দেখা পাই মোৰ ইমান বং লাগিছিল যে মোৰ চিঞৰি উঠিবৰ মন গৈছিল। গাড়ীখন কেইনবেনৰ ওচৰত ৰখাই মই আপমাৰি গাড়ীৰপৰা নামি লেকামডাল তাইৰ হাতত দিলো আৰু লগে লগে কৰল কেইথন আৰু পাচিটো গাড়ীৰ ভিতৰলৈ দলিয়াই দিলো।

কেইনবেনক ক'লো, "যোৱা, এতিয়াই যোৱা গৈ।"

"জীৱনৰ শেষ দিনলৈ মই তোমাকেই ভাল পাম।" কঁপা কঁপা মাতেৰে তাই কলে। "সোমবাৰে স্কুলত দেখা হব। যাওঁ এতিয়া।"

ময়ো ঘৰমুৱা হলো। বাটত কাকো লগ নেপালো। আমাৰ গাঁৱৰ কোনো এঘৰতে পোহৰ নেদেখিলো। মাথোন পাহাৰৰ ওপৰতহে লেমৰ হালধীয়া পোহৰৰ কণা বহুতো দেখিবলৈ পালো।

পাছ ফালৰ চোতাললৈ গৈ পাগঘৰৰ চালখনৰ ওপৰত উঠি লৈ মই এই খিৰিকীখনেৰে ঘৰৰ ভিতৰ সোমাইছিলো।

কোঠাটোত ভৰি দিয়াৰ লগে লগে কোনোবাই মমডাল জলাই খিৰিকীখন বন্ধ কৰি দিলে।

মাম্মাণ্টো, অবেন আৰু ওইলামে বাহিৰলৈ যোৱা সাজ-পাৰ পিন্ধি সিহঁতৰ বিচনাৰ ওপৰত বহি আছিল। সিহঁতৰ বিচনাবোৰ এই কোঠাটোৰ সৌখিনিত আছিল। ইয়াত, এতিয়া মোৰ ওচৰতে থকা এই চকীখনত সিহঁতে টুপী আৰু কোটবোৰ সাজুকৈ থৈছিল।

আয়াপেণ্টোই গোনেই মোক সুধিলে, "কি খবৰ ?"

"অ, ভালেই।" মই কোনোমতে ক'লো।

অৱেনে গম্ভীৰ ভাবে সুধিলে, "ক'লৈ গৈছিলি ?"

"পাহাৰৰ ওপৰলৈ।" কথাষাৰ ক'বলৈ মোৰ অলপ ভালো লাগিল।

মূৰটো তলকৈ মোৰ পিনে একেথৰে চাই থাকি আয়াপেণ্টোই সুধিলে, "কাৰ স'তে গৈছিলি ?"

"সেইটো জানিবৰ অইনৰ কি প্ৰয়োজন ?"

"কেইনৰেন ফিলিপছৰ লগত নহয়নে ?" অৱেনে সুধিলে।

"মই উত্তৰ দিবলৈ বাধ্য নহওঁ।"

আয়াপেণ্টোই ফুচ্ফুচাই ক'লে, "এই মূৰ্খ, মোৰ কথা শুন। সিখন উপত্যকাৰ মানুহ আহি আমাৰ গাওঁ জ্বলাই দিলে তই ভাল পাবি নেকি ? মৰামাৰি এখন লগাটো তই বিচাৰনেকি ?"

"নাই, নাই, নিবিচাৰোঁ। আমাৰ গাওঁ বাৰু কোনে জ্বলাব বিচাৰিছে ?" মই আচৰিত হৈ গলো।

অৱেনে ক'লে, "গাঁৱৰ আটাইবোৰ মানুহে ইয়াকে ভয় কৰি এতিয়াও সাৰে আছে। কোনো এজন মানুহ আজি শোৱা নাই। পাহাৰৰ সৌ পোহৰবোৰ আমি কেইবাঘণ্টাও আগৰপৰা দেখিবলৈ পাইছোঁ। সিহঁতে তোক ধৰিব পাৰিলে জীয়াই জীয়াই ছাল চেলালেহেঁতেন।"

"তইঁতে সেইটো চাই ইয়াত বহি থাকিলিহেঁতেন নেকি ?" মই আয়াপেণ্টোক সুধিলো।

"সিহঁতে বিচৰাজন যে তই এই কথা আমি মাত্ৰ অলপ আগতেহে জানিব পাৰিছোঁ। এই কোঠাটোলৈ আহি তোক নেদেখাতহে সকলো বুজিলো। মাই গম পায় বুলি আমাৰ যে ভয় লাগিছিল। তোৰ ভাগ্য ভাল যে মা আজি ঘৰত নাই—ব্ৰণৰ লগত শুবলৈ গৈছে।"

"মেজৰ ওপৰত তোৰ আহাৰ থৈ দিয়া হৈছে। খাই-বৈ তই থাকগৈ।" গুইলামে মোক ক'লে।

কুকুৰ এটাৰ দৰে মই তলৰ মহলালৈ নামি গ'লো। খোৱা-বোৱা শেষ কৰি ওপৰৰ মহলাৰ এই কোঠাটোলৈ আহি দেখোঁ ককাইদেউহঁত নাই।

সিহঁতে আমাৰ গাওঁখনৰ মানুহক জনাবলৈ পৈছিল যে তাৰ কোনো কাৰণ নাই ; তেওঁলোক শুবলৈ যাব পাৰে।

মোৰ কিন্তু সেই ৰাতি টোপনিত পৰাৰ আগতে কেইনৱেনৰ কাৰত তুই থকাৰ কথাবোৰ ৰবকৈ মনত পৰিছিল। লেম এটা হাতত লৈ আহি তাইক মোৰ কাষৰপৰা আঁতৰাই পঠিওৱা মানুহজনক মই পাৰেঁামানে অভিশাপ দিছিলো। যোঁৰাজনী মৰলৈ উভতি যোৱাৰ ফলতহে কেইনৱেনইতৰ গাঁৱৰ মানুহে গম পালে। যোঁৰাজনীৰ ভৰি ভুখন বান্ধি চৰিবলৈ দিয়া হলেওতো হ'লহেঁতেন। এইখিনি বুদ্ধিও মোৰ হ'ব নাপায়নে? গতিকে নিজকো অভিশাপৰপৰা বাদ নিদিলো।

পিছদিনা ৰাতিপুৱা আয়াণ্টোই মোক ক'লে, "তোক অবী লগাই বান্ধি থবহে লাগিব দেখিছো। উস্ প্ৰভু! ইয়াৰ পিছত বা আৰু কি হয়। অকণমান ল'ৰা এটা আৰু ছোৱালী এজনী পাহাৰৰ ওপৰত মাজ ৰাতিলৈকে। এইবোৰ যেন আৰু কেতিয়াও নকৰ, বুজিছ?"

"কিয় নকৰিম?" মই তাক ওলোটাই প্ৰশ্ন কৰিলো। বিদ্ৰোহৰ ভাব এটিয়ে যেন মোক বলিয়া কৰি তুলিলে।

আয়াণ্টোই তেতিয়া ক'লে, "কাৰণ, তই যদি পুনৰ এইবোৰ আৰম্ভ কৰ তেন্তে সিখন উপত্যকাৰ চাৰিশ মানুহ ইয়ালৈ আহি আমাক হেঁচি ধৰিবহি। তই বুলি যে কোনেও গম নাপালে এই কথা ভাবি নিজকে তই ভাগ্যবান মনা উচিত। সিহঁতে গম পালে তই এতিয়া গির্জালৈ প্ৰাৰ্থনা কৰিবলৈ নগৈ কৰবখানালৈ যাব লাগিলহেঁতেন, বুজিছ?"

"আমি নাইটিঙেল চৰাইৰ গানহে শুনিছিলো।" মই লাহেকৈ ক'লো।

আয়াণ্টোই উত্তৰ দিলে, "জানো বাছা, জানো। মযো একালত অলপ আচৰণ শুভনাকৈ থকা নাই।"

২৭

সেইদিনা গির্জাঘৰত মানুহৰ মুখে মুখে মাখোন গান গোৱা দলটো ঘৰলৈ উভতি অহাৰ আৰু পাহাৰত শিখৰ উপত্যকাৰ মানুহে কাৰোবাক মিচবাৰ কথাহে শুনা গ'ল। আমাৰ গাঁৱৰ কিছুমানে ক'লে যে দুজনমান মানুহ শিখৰ উপত্যকালৈ গৈ সুধি আহক ঘটনাটো কি হৈছিল। আৱাণ্টো আৰু অৱেনে কিন্তু এই কথাত আপত্তি কৰি ক'লে—যি হৈছে হওঁক, আমাৰ এই বিষয়ে সোধ-পোচ কৰাৰ কি প্ৰয়োজন। মই নিজে কেইনৱেনৰ খবৰ লবলৈ যাম বুলি ভাবিছিলো, কিন্তু গাঁৱলৈ উভতি আহিব ধৰা গান গোৱা দলটোৰ বাবে খোৱা বস্তু আৰু মদ তৈয়াৰী কৰাত মাক গোটেই দিনটো সহায় কৰিবলগীয়া হোৱা বাবে যাব নোৱাৰিলো।

মাজনিশা ভালেখিনি পিছত গান গোৱা দলটোৱে বেণু বজাই গাঁৱৰপিনে অহা আমি শুনিবলৈ পালো। নিস্তব্ধ এন্ধাৰ নিশা সেই বেণুৰ শব্দ শুনি বৰ ভাল লাগিছিল।

দলটোক আগবঢ়াই আনিবলৈ আগতে যোৱা মানুহখিনিয়ে দূৰৈত পাহাৰ-খনৰ অ'ত ত'ত জুই ধৰি আমাক ভালেখিনি আগতে জনাই দিছিল যে দলটো আহিব ধৰিছে। গতিকে, আমি তেওঁলোকৰ বাবে সাজু হৈয়ে আছিলো। মা লৰি গ'ল গাত লোৱা চাদৰখন আনিবলৈ। ব্ৰণেস্তো কেইবা ঘণ্টাও আগৰপৰা সাজি-কাচি বহি আছিল।

ঘৰৰ বাহিৰ ওলাই আলিবাটত আমি গাওঁখনৰ প্ৰায় আটাইখিনি মানুহকে লগ পালো—সকলোৱে দলটোক আগ বঢ়াই আনিবলৈ যাব ধৰিছে। আমিও তেওঁলোকৰ লগ লাগিলো। মিচাৰ এ্‌ফিনৰ ঘৰৰ সমুখ পৈ পোৱাত তেওঁ ওলাই আহি আমাৰ লগ লাগিল।

শোভাযাত্ৰা কৰি গান গোৱা দলটো আহি গাঁৱৰ ভিতৰ সোমাল। যোঁৱা-

গাওঁখন মিটাৰ প্ৰস্তুতিৰ ওচৰত বলছি। চাৰিও পিনৰপৰা জয়ধ্বনি উঠিল। দেউতাই ইকালে সিকালে চাই মাক বিচাৰিলে। মাৰ চকুত ইপিনে আনন্দৰ ধল নামিছে—কাণ্ডোনৰ কোবত তেওঁ দেউতাক দেখাকে নাপালে। দেউতাৰো সেই একে অৱস্থা।

"মোক দেউতাৰৰ ওচৰলৈ লৈ বল বাছাইত" মাই আমাক ক'লে। অৱেন আৰু মই মাক মানুহৰ মাজেৰে লৈ গলো।

চেপেতা এটা কাঠৰ বাকচৰ ওচৰত দেউতা থিয় দি আছিল—সেই বাকচটোত যেন তেওঁ ৰাজ্যৰ মণি-মুকুতাহে ভৰাই আনিছে।

অৱেন আৰু আয়াণ্টোই বাকচটো দাঙিলে। মষো সিইতক সহায় কৰি দিলো। দেউতাই চিঞৰি চিঞৰি আমাক ক'লে বাকচটো সাৱধানে কঢ়িয়াই নি আমাৰ ঘৰৰ সন্মুখৰ কোঠাটোত থবলৈ।

পাহাৰ বগাই বাকচটো ঘৰলৈ কঢ়িয়াই নিয়াত আমাৰ ভালেখিনি সময় লাগিল। ঘৰ পাই মই পাছফালৰ গুদাম ঘৰটোলৈ গলো হাঁতুৰী, বটালী আদি খোৱা বাকচটো আনিবলৈ। অলপ পিছত দুগালেদি আনন্দৰ চকুলো বোৱাই ব্ৰণ আহি পালে। মোক সাবটি ধৰি তেওঁ আকৌ এবাৰ কান্দি পেলালে। ইমান কোমল আৰু ইমান উষ্ম আছিল ব্ৰণৰ গাটো।

"মই সঁচাকৈয়ে মূৰ্খ। কান্দিবৰ নো কিটো আছে, নহয় জানো? পাছে কিয় কান্দিছো কোনেও নাজানে, মষো নাজানো। মহাৰাণীয়ে আইভৰক এডাল লাঠি আৰু তেওঁৰ এখন ছবি উপহাৰ দিছে। ছবিখনত তেওঁ নিজহাতে চহী কৰি দিছে, হিউ।"

ঘৰৰ ভিতৰৰপৰা অইনবোৰে মোক সোনকালে হাঁতুৰী বটালী থকা বাকচটো নিবলৈ চিঞৰিলে। মই খৰখৰকৈ গৈ ককাইদেউহঁতৰ সতে বাকচটো খোলাত লাগি গলো। গাওঁখনৰ আটাইবোৰ মানুহে বাহিৰত বৈ থাকি খোলা খিৰিকীখনেৰে আমাৰ কাম লক্ষ্য কৰি থাকিল। বাকচটো খোলা হলত দেউতাই ক'লে, "বাৰ, সকলোৱে হাতে হাতে বিয়াৰৰ গিলাচ আছেনে?"

আমি সকলোৱে একেলগে চিঞৰিলো, "আছে।"

দেউতাই ছবিখন বাকচটোৰপৰা উলিয়াই আনিলে—ৰঙা মখমল কাপোৰেৰে পাছ ফালটো ঢকা, সোণালী কাম কৰা বহল ফ্ৰেম লগোৱা মহাৰাণী ভিক্টোৰিয়াৰ অতি সুন্দৰ ছবি এখন।

যেনেৰ ওপৰত ছবিখন মাজখানে থিয়কৈ থৈ, মাৰ হাড়ৰ পৰা তেওঁৰ বিয়াৰ পিলাচটো লৈ দেউতাই মাক কলে, "বেথ, তোমাৰ দ'বাৰ প্ৰতি এইখন ইংলণ্ডৰ মহাৰাণীৰ উপহাৰ।"

ছবিখনৰ তলত লিখা থকা আখৰ কেইটা দেউতাই আঙুলিয়াই দেখুৱাই দিলে। মাই পঢ়িলে, "ভিক্টোৰিয়া, আৰ, আই।" মাই এইবাৰ আইভৰৰ কাষলৈ গৈ তাৰ গালত চুমা দিলে।

দেউতাই ভেনেভে কলে, "খোৱা, মহাৰাণীৰ নামত বিয়াৰ খোৱা।"

"মহাৰাণী", আমি সকলোৱে কলো। সকলোৱে তিতিবে বিয়াৰৰ সোঁত পেটলৈ নামি গৈ অবুজ ভাষাৰে আনন্দৰ গান গাই উঠিল।

মাই আইভৰক সুধিলে, "তই বাৰু মহাৰাণীক একেবাৰে ওচৰৰ পৰা দেখিছিলি নে?"

"হঁতো, তেওঁ মোৰ লগত হাত মিলাইছিল নহয়।" এই বুলি আইভৰে তাৰ সোঁ হাতখন আগবঢ়াই দিলে। সি তেতিয়াও মহাৰাণীৰ ল'তে হাত মিলোৱাৰ সপোন দেখি আছিল হব পায়।

"কি কৈছ অ' তই? মহাৰাণীয়ে তোৰ ল'তে হাত মিলাইছিল?" মাৰ মাত বন্ধ হৈ যোৱাৰ উপক্ৰম হ'ল।

"ওঁতো, এওঁলোকক সোধানা।"

দেউতাই তেতিয়া ক'লে, "ওঁ, মহাৰাণীয়ে তাৰ ল'তে হাতমিলাই তাক সুধিছিল মানুহবোৰক গান গাবলৈ কোনে শিকাইছে। দলৰ আটাইবোৰ মানুহে কয়লাখনিত কাম কৰে নেকি তাকো সুধিছিল। তেওঁৰ প্ৰাসাদত থাকি ক'ৰবাত অসুবিধা পাইছে নেকি তাকো নোসোধাকৈ এৰা নাছিল।"

"তেওঁ মোক এডাল লাঠিও উপহাৰ দিছে—গান পৰিচালনা কৰাৰ সময়ত হাতত লোৱা লাঠি এডাল। লাঠিডাল অৱশ্যে তেওঁ মোক নিজহাতে দিয়া নাই। তেওঁৰ সৈন্য এজনে আহি মোক তেওঁৰ হৈ দি গৈছিলহি।" আইভৰে কলে।

দেউতাই কলে, "লাঠিডালত তাৰ নাম লিখা আছে—কোনদিনা, ক'ত আৰু কিয় এইডাল উপহাৰ দিয়া হৈছিল সেইবোৰো লিখা আছে। ছবিখনৰ ঠিক তলতে এটা বঢ়িয়া বাকচত আমি লাঠিডাল থৈ দিম, বুজিছা? দেখিবলৈ বৰ ভাল কিন্তু।"

নাটিতাল শীচাকৈয়ে ধুনীয়া। সোণ আৰু ৰূপৰ কামকৰা হাতী দাঁতৰ নাটি এডাল। খৰিয়ালৰ ছালৰ ক'লা দীঘল বাকচ এটা,—তাৰ ভিতৰত নিমজ মখমল কপোৰ লগোৱা। সেই মখমলৰ ওপৰত নাটিতাল যেন আৰামেৰে শুই আছিল।

সেইদিনা ভালেখিনি ৰাতি হোৱাতহে আমাৰ ঘৰখন অলপ জুৰ পৰিল। শ শ মানুহ সসম্ৰমে কোঠাটোলৈ সোমাই আহি ছবিখন চাই গ'লহি। মাই স্বয়ং মহাৰাণী এগৰাকীৰ দৰে চকী এখনত বহি থাকিল। গাৱঁৰ তিৰোতাবোৰে মাৰ ওচৰত আইভবৰ শতমুখে প্ৰশংসা কৰিলে। মানুহৰ ভীৰত লেতেৰা হৈ উঠা আমাৰ ঘৰৰ মজিয়াখন পিছদিনা পুৱা যে মাই অকলে ধুই-পখালি পৰিষ্কাৰ কৰিব লাগিব এই কথাও তেওঁলোকে আলোচনা কৰিলে। কিন্তু সেইদিনাৰ সেই কেইঘণ্টামানৰ আনন্দৰ বাবে মাই আমাৰ ঘৰৰ মজিয়া নেলাগে গোটেই উপত্যকাখনকে ধুবলৈ আৰু গোটেই আকাশখনতে চুণ দিবলৈ সাজু আছিল।

দেউতাক মদৰ বাগীত মতলীয়া হোৱা মই খুব কমেই দেখিছোঁ। সেই ৰাতি কিন্তু দেউতা ভালকৈয়ে মতলীয়া হৈছিল। শেষত ককাইদেউহঁতে দেউতাক ওপৰৰ মহলালৈ লৈ যাবলগীয়া হৈছিল। তাকে দেখি মাই একো কোৱা নাছিল, মাথোন মিচিকিয়াই হাঁহিছিল। ঘৰৰ ভাঙৰ ল'ৰাজনে মহাৰাণীৰ লগত হাত মিলাই, মহাৰাণীৰ ছবি উপহাৰ স্বৰূপে লগত লৈ ঘৰলৈ উভতি আহি ঘৰখনক গাঁৱৰ তীৰ্থস্থানত পৰিণত কৰাৰ দিনাও যদি ল'ৰাৰ দেউতাকে মদৰ বাগীত মতলীয়া হ'ব নোৱাৰে তেন্তে আমি মৰি যোৱাই ভাল।

ইয়াৰ আগতে আৰু এদিন দেউতাক মতলীয়া হোৱা দেখিছিলো—যেতি ককাইদেৱে ওৱেলছৰ পক্ষে খেলি স্কটলেণ্ডৰ বিৰুদ্ধে খুব ভাল খেল দেখুৱাৰ দিনা। কিন্তু সেইদিনা অকল দেউতাই নহয় আমাৰ গোটেই উপত্যকাখনৰে মানুহ মদ খাই মতলীয়া হৈছিল। যেতিয়ে খেলত পিন্ধা ৰঙা জাৰ্চিটো কোটৰ ওপৰতে পিন্ধি লৈ দেউতাই আলিবাটৰ মাজত নাচি থকা সেই ৰাতিটো মনত ৰাখিবলগীয়া। উপত্যকাখনৰ আটাইবোৰ খুনিহকে সেই ৰাতি মদৰ বাগীয়ে পাইছিল; চাহবোৰ বিয়াৰ হোৱা হ'লে তিৰোতাবোৰো ঘৰৰ মজিয়াত বাগৰি থাকিলহেঁতেন।

মই দেখিব জার্চিটোৰ বাবে এটা আইনা লগোৱা বাকচ সাজিলো। সন্মুখৰ কোঠাটোত মহাবাণীৰ ছবিখনৰ মুখামুখিকৈ, জাৰ্চি খোৱা বাকচটো বেৰত ওলোমাই থোৱা হ'ল। যবলৈ কোনোবা আলহী আহিলে সেউতাই পাট্টল খাই খাই সন্মুখৰ কোঠাটোত বহি থকা চাই আমাৰ খুব ভাল লাগিছিল— তাত তেওঁ বহি থাকে বহমূলীয়া সম্পদেৰে বেষ্টিত ৰজা একজনৰ দৰে। কোঠাটোত থকা এই বস্তুবোৰৰ বিষয়ে সেউতা সদায় সজাগ আছিল আৰু গৰ্বও অনুভৱ কৰিছিল।

ইয়াৰ পিছত সেউতাই আৰু এদিন বেছিকৈ মদ খাইছিল—মোৰ সোৱত।

বিশ্ববিদ্যালয়ৰ পৰীক্ষাৰ সময়ত আমাৰ শ্ৰেণীত আমি মাত্ৰ চাৰিজনহে বলোগৈ। আইনবোৰে স্কুলৰ পঢ়া সাং কৰি চাকৰি-বাকৰি ললেগৈ। হেড্-মাষ্টৰৰ কোঠাটোৰ কাষতে আমাৰ সক কোঠাটোত থাকিলোগৈ মাখোন মই, জন দেফুদ, লেবেলুন কচ আৰু এমকচ দিউদৰ। আমাৰ কোঠাটো আচলতে স্কুলৰ গুদাম-ঘৰহে আছিল। তাকে চাফ-চিকুণ কৰি আমাৰ শ্ৰেণীৰ কোঠা কৰা হৈছিল। তাত আমি হেড্মাষ্টৰৰ তলত আৰু কেতিয়াবা নিজে পঢ়াশুনা কৰিছিলো।

সেই দেওবাৰৰ ঘটনাৰ পিছত কেইনৰেনে স্কুল এৰি দিলে। ইয়াৰ পিছত মই তাইক সেউতাকৰ স'তে তুৰাৰমান দেখিছিলো, কিন্তু দুয়ো এবাৰ কথা-বতৰা কোৱাৰ সুযোগো পোৱা নাছিলো। তাইৰ চকুযুৰিয়ে মোক দেখি আনন্দত নাচি উঠিলেও লগে লগে এইটোও জনাই দিছিল যে মই যেন তাইৰ স'তে কথা-বতৰা পাতিবলৈ চেষ্টা নকৰোঁ। পিছিকে মই বুজিছিলো যে তাই সেইদিনাৰ ঘটনাৰ বাবে ঘৰত ভালকৈয়ে শাস্তি পাইছিল। তাই এই শাস্তি পোৱাৰ বাবে ময়ো যে দায়ী এই কথা ভাবি মোৰ অলপ অনুতাপ হৈছিল। কিন্তু অকল অনুতাপ হৈছিল বুলি কলে সঁচা কোৱা নহ'ব। মই প্ৰায়েই তাইৰ কথা ভাবিছিলো আৰু এতিয়াও ভাবো—তাইৰ শৰীৰৰ উষ্ণতা আৰু কোমলতাৰ কথা। তাইৰ ককায়েক মাৰভিনে সেজানিছিল যে ময়ে তাৰ ভনীয়েকৰ সতে সেইদিনা পাহাৰত আছিলো; ময়ো কোনো দিনেই তাক এই বিষয়ে একো নকলো। পিছিকে অলপ ঘূৰাই পকাই তাক ভনীয়েকৰ বিষয়ে সোধাত বিশেষ বাধা নাছিল। কিন্তু তাৰপৰা বিশেষ একো জানিব নোৱাৰি শেষত মই তাক এই বিষয়ে সুধিবলৈ এৰি দিলো।

গতিকে আমি চাৰিজনেহে মাথোন স্কুলৰ সেই অকণমান্ কোঠাটোত পঢ়া-শুনা কৰিছিলোঁ। স্কুলত পঢ়াৰ উপৰিও ঘৰত যথেষ্ট খাটিব লাগিছিল—আনকি দেওবাৰেও।

মোতকৈ মোৰ লগৰ অইন তিনিজনে এই বিশ্ববিদ্যালয়ত সোমোৱাৰ পৰীক্ষাৰ পঢ়া বেছি টান পালে। মই ইংৰাজীত যথেষ্ট ভাল আছিলোঁ। দেউতা আৰু মিষ্টাৰ গ্ৰিফিনৰ সহায়ত ডক্টৰ জনচন, জন ষ্টুৱাৰ্ট মিল, স্পেন্সাৰ, সেক্সপীয়েৰ, চচাৰ, মিল্টন, বানয়ান্ আৰু বহুতো ইংৰাজ সাহিত্যিকৰ ৰচনাৰ স'তে অইন লৰাতকৈ মই ভালদৰে পৰিচিত আছিলোঁ। আৰু এই পৰিচয়ে মোক স্কুলত সদায় সহায় কৰিছিল।

ইংৰাজী ব্যাকৰণ আৰু ৰচনা ইংৰাজ ল'ৰা-ছোৱালীৰ বাবেই টান, ৱেলছৰ ল'ৰা-ছোৱালীৰ ক্ষেত্ৰত ই একেবাৰে মাৰাত্মক। ৱেলছ ল'ৰা এজনে ইংৰাজী পঢ়ে-লিখে হয়, কিন্তু চিন্তা সদায় কৰে ৱেলছ্ ভাষাত। ৱেলছ্ ল'ৰাই ইংৰাজী ঘঁহিহে যায়, বুজি যায় ৱেলছ্ ভাষাতহে। ইংৰাজী কওঁতে প্ৰতিটো শব্দ সি যথেষ্ট কষ্ট কৰিহে উচ্চাৰণ কৰিব পাৰে। ইংৰাজবোৰ একনম্বৰ মূৰ্খ—তেওঁলোকে ৱেলছ ল'ৰা-ছোৱালীৰ বাবে স্কুল পাতি নিৰ্দেশ দিয়ে 'স্কুলত সকলোৱে ইংৰাজী ক'ব লাগিব,' অথচ ইংৰাজী উচ্চাৰণ সম্বন্ধে তেওঁলোকে একোকে নিশিকায়।

আৰু, হে প্ৰভু, ইংৰাজী যদি কোনোবাই ডাঙৰ ডাঙৰকৈ মাতি পঢ়িবই নেজানিলে তেন্তে ইংৰাজীৰ সি কিটো সোৱাদ পালে বাৰু? মানুহৰূপী দানৱ, আমাৰ স্কুলৰ শিক্ষক মিষ্টাৰ জোনাচৰ হাতত এনেকুৱা সুন্দৰ ভাষা এটাৰ দুৰ্দশা দেখি মোৰ সঁচাকৈয়ে বেয়া লাগিছিল। মিষ্টাৰ এলিজা জোনাচ চেচম্। আজি আনকি তোমাৰ কথা মনত পৰিলেও মোৰ দুখ লাগে। তালৈকেইবছৰ আগতে তোমাৰ মৃত্যু হ'ল—আৰু এইবাৰে ঈশ্বৰক ধন্যবাদ।

আমাৰ হেড্মাষ্টাৰ মিষ্টাৰ মৰ্টছিলে মোক শেষবাৰৰ বাবে স্কুলৰ পৰা খেদি দিয়া ৰাতিপুৱাটোৰ কথা মোৰ চিৰদিন মনত থাকিব। আনকি সৰগৰ স্কুলনিত থাকিলেও মই সেইদিনাৰ কথাবোৰ নেপাহৰোঁ। মই স্কুলৰপৰা খেদা খালোঁ; গতিকে হল ঘৰটোৰ ব'ৰ্ডখনত মোৰ নাম সোণালী আখৰেৰে কোনো দিনেই জিলিকি নুঠিল।

সেইদিনা স্কুলৰ খেল-পথাৰখনত মই আৰু মোৰ সহপাঠী জেম্‌চ্‌ বাৰুৱে "কিং লিয়েৰ" মুখস্থ কৰি আছিলোঁ।

হঠাতে স্কুলৰ আটাইতকৈ সৰু লৰা-ছোৱালী পঢ়া কোঠাটোৰপৰা কান্দোনৰ শব্দ ভাহি অহা শুনিলোঁ। অলপ পাছতে কোঠাটোৰপৰা অকণমান ছোৱালী এজনী ওলাই আমাৰ পিনে দুখোজমান আহি থমকি ৰৈ গ'ল। লাজতে তাই লোদোৰ-পোদোৰ হাত দুখনেৰে মুখখন ঢাকি ধৰিলে।

জৰী এডালেৰে তাইৰ ডিঙিত ওলোমোৱা আছিল এখন কাঠৰ ব'ৰ্ড। জৰীডালে তাইৰ ডিঙিৰ ওপৰৰ ফালে ভালকৈয়ে কাটি পেলাইছিল। ব'ৰ্ডখনত মিষ্টাৰ জোনাচৰ হাতৰ আখৰেৰে লিখা আছিল—'মই স্কুলত আৰু কেতিয়াও বেলছ ভাষা নকওঁ।'

মিষ্টাৰ জোনাচ কোঠাটোৰ বাহিৰলৈ আহি পেণ্টৰ জেপত হাত সুমুৱাই থিয় দি থাকি হাঁহি থাকিল।

ছোৱালীজনীয়ে চিঞৰি চিঞৰি কান্দি আছিল। মই তাইৰ ওচৰলৈ যোৱাত তাই মোৰ পিনে চালে। হঠাতে মোৰ কি হৈ গ'ল সেই ক'ব নোৱাৰোঁ। —অস্ত্ৰ-শস্ত্ৰেৰে সজ্জিত শাৰী শাৰী মানুহ যেন মোৰ সন্মুখত আহি থিয় দিলেহি। সেই অকণমান ছোৱালীজনীৰ কান্দোনত মই শুনিলোঁ যুদ্ধৰ ঢোলৰ বাজনা; মোৰ মানস চক্ষুৰ যোদ্ধাসকলে ভয়াবহ ভাবে যুদ্ধৰ কিৰিলি পাৰিলে, যুদ্ধৰ ৰথ ঘৰ্‌ ঘৰ্‌ শব্দেৰে যেন মোৰ কাষেদি পাৰ হৈ গ'ল, যুদ্ধৰ নিচান বতাহত উৰিল, বৰ্শাৰ তীক্ষ্ণ ফলক ৰ'দৰ পোহৰত চিক্‌মিকাই উঠিল।

মোক যুদ্ধৰ কামনাই হেঁচি ধৰিলেহি। মোৰ ভৰিৰ তলত এইয়া মেখোন গঁচাকৈয়ে তেজ। হাত দুখন তেজ লাগি পিছল হৈ উঠিছে। নাকত মোৰ তপত তেজৰ গোন্ধ।

হঠাত মোৰ জ্ঞান ফিৰি আহিল। দেখিলোঁ হেড্‌মাষ্টৰ মিষ্টাৰ মৰ্টিছিল তেনেই শেঁতা পৰি গৈ একেথৰে মোৰ পিনে চাই আছে। মাটিত লোহাৰ টুপীটো পাৰি লৈ মোৰ কাষতে বহি পুলিচ এজনেও মোৰ পিনে চাই আছিল। পুলিচজনৰ চুলি আউলি বাউলি হৈ পৰিছে। মোচ কোছাৰ এটা ফাল তললৈ নামি গৈছে। মোৰ হাতত তেজ—লাহে লাহে শুকাই আহিব ধৰা তেজ।

"এতিয়াহে অলপ শান্ত হৈছে" পুলিচজনে কোৱা মই শুনিবলৈ পালোঁ। সেই পুলিচজনক চহৰৰ অ'ত ত'ত আগতে বহবাৰ দেখিছোঁ।

মিষ্টাৰ মৰ্টছিলে মোক মতা শুনিলো, “মৰ্গান, মোৰ কথা শুনিবলৈ পাইছানে?”

“শুনিছো ছাৰ”, মই লাহেকৈ ক'লো।

“তুমি কি কাণ্ড কৰিলা জানা বোধহয়?”

“নেজানো ছাৰ।” ভয়ত মোৰ জীৱ উৰি গ'ল। “কি কৰিছো বাৰু?”

“মিষ্টাৰ জোনাচক তুমি একপ্ৰকাৰ হত্যাই কৰি পেলাইছা। বদ্‌মাইছ ল'ৰা ক'ৰবাৰ।” ওচৰতে থিয় দি থকা মিছেছ মৰ্টছিলে এইবাৰ গুম্ গুমাই উঠিল।

পুলিচজন কোৱা শুনিলো, “সিমানখিনি হোৱা নাই অৱশ্যে, কিন্তু ভালকৈয়ে মাৰ পৰিছে বুলি নিশ্চয় ক'ব লাগিব।”

“মোক তেন্তে জেলত দিব নেকি ছাৰ?” মই মিষ্টাৰ মৰ্টছিলক সুধিলো।

“সেইটো মিষ্টাৰ জোনাচৰ ওপৰত নিৰ্ভৰ কৰিব। তুমি বাৰু এতিয়া ঘৰলৈ যাব পাৰিবানে?”

“পাৰিম ছাৰ।”

বৰ ক্লান্তভাৱে মিষ্টাৰ মৰ্টছিলে কলে, “যোৱা তেন্তে। মিষ্টাৰ জোনাচৰ স'তে দেখা কৰি মই তোমাৰ দেউতাৰলৈ চিঠি দিম।”

“ভাল ছাৰ।”

টুপীটো পিন্ধি লৈ মোচ কোছা ঠিক কৰি পুলিচজনে মোক মাতিলে, “আহা, আমি যাওঁগৈ।”

পুলিচজনৰ স'তে মই ঘৰলৈ খোজ ললো। স্কুলৰ দুৱাৰমুখত বহুতো মানুহ জুম বান্ধি মই যোৱা চাবলৈ বৈ আছিল। মই মাথোন তেওঁলোকৰ ভৰিবোৰহে দেখিলো।

দলংখনৰ ওচৰ পাই মই পুলিচজনক সুধিলো, “মই কি কৰিছিলো বাৰু?”

“ভালকৈয়ে মাৰিছা, আৰু কি? চকু উখহাই দিছা, দাঁত সৰুৱাই দিছা।”

মই ভয়ে ভয়ে তেওঁক সুধিলো, “ইয়াৰ বাবে মোৰ কি শাস্তি হ'ব পাৰে বাৰু?”

“একো নহয়। তাৰোপৰি অকণমান ছোৱালীজনীৰ বাবে তিতিত জৰী বান্ধি শাস্তি দিয়াৰ বিষয়ে গোচৰ দিলে মিষ্টাৰ জোনাচ অলপ বিপদতেই পৰিব।”

"বিটাৰ জোনাচ মৰিব নেকি ?" মই সুধিলো।

"মৰিব ?" পুলিচজনে হাঃ হাঃ কৈ হাঁহি দিলে। "এনুৱে মৰিবৰ হ'লে বিষ দিলেহে হ'ব বুজিছা ? তাৰ কমত সিহঁতৰ একোৱেই নহয়। নাই, নাই, নমৰে। এটা ভাল শিকন পালে, সেইখিনিয়েই। পাছে, মই ভাবিছিলো আজিকালি স্কুলবোৰত এনেবিধৰ শাস্তি নিদিয়ে হ'ব পায়। স্কুলত বেলচ্ কোবাৰ বাবে মই নিজে কতদিন মাৰ খাইছোঁ। খাব দিয়া সেইবোৰ।"

মই ক'লো, "মোৰ দেউতাইও খাইছিল। অকণমান ছোৱালী এজনীৰ ডিঙিত জৰীৰে ব'ৰ্ড এখন বান্ধি দিয়া দেখিয়ে মই খঙত বলিয়া হৈছিলো।"

"কোনো কথা নাই। এই বিষয়ে তুমি অকণো চিন্তা নকৰিবা। এতিয়া ঘৰলৈ যোৱাগৈ। আৰু শুনা, তোমাৰ খং আৰু খোচা অলপ দমাই ৰাখিবলৈ চেষ্টা কৰিবা। এতিয়া ডাঙৰ হৈছা, মৰামৰি কৰি ফুৰিলে কেতিয়াবা বিপদত পৰিবা। বাৰু, তুমি যোৱাগৈ"।

"ভাল ভেস্তে, মই আহিলো।"

সেই ৰাতি আমাৰ পৰিয়ালৰ আটাইমখাই ডাক-পিয়ন এলিছে আনি দিয়া হেড্‌মাষ্টৰৰ চিঠিখন আগত লৈ মেজখনৰ চাৰিও কাষে গম্ভীৰ হৈ বহি আছিল।

"মোৰেই দোষ, আন কাৰো নহয়," দেউতাই খুব বেজাৰ মনেৰে ক'লে। "ময়ে তাক মৰামৰি কৰিবলৈ কৈছিলো আৰু সেইবাবেই সি মৰামৰি কৰি ফুৰিবৰ চল পাইছে। কি লাজৰ কথা।"

"সেই বাবে স্কুলখন এৰাত লাজৰ কথা একো নাই। মইতো প্ৰথমৰে পৰা সি তাত পঢ়াতৈ আপত্তি কৰি আছিলো।" মাই ক'লে।

"স্কুলৰপৰা চিৰদিনৰবাবে উলিয়াই দিছে---ছিঃ ছিঃ কি লাজৰ কথা। আৰু মই তাক অন্ততঃ উকীল এজন কৰিব খুজিছিলো।"

"সিটো এতিয়াও পৰীক্ষাটো দিব পাৰে," আইভৰে কলে। "পৰীক্ষা দিয়াত কোনো বাধা নাই বুলি সেখোন চিঠিখনত জনাইছেই।"

দেভিয়ে কলে, "ইয়াক চহৰৰ স্কুল এখনলৈকে পঠিয়াই দিয়া। চহৰত থকা-মেলাৰো ভাল সুবিধা আছে।"

"ঘৰৰ বাহিৰে ক'তো থাকি সুখ নাই, বুজিছ ?" মাই ক'লে।

অৰেনে ক'লে, "তাকে আগতে পৰীক্ষাটো দিবলৈ দি চোৱা যাওঁক সি পৰীক্ষাত কেনে কৰে। তাৰ পিছত কিবা এটা ঠিক কৰিব পৰা যাব।"

দেউতাই ক'লে, "ওঁহো, আজি ৰাতিয়েই কিবা এটা ঠিক কৰি পেলাব লাগিব। পিছলৈ পেলাই ৰাখি একো লাভ নাই। মই বিচাৰোঁ৷ সি আইন বা ডাক্তৰী বা অইন কিবা ভাল লাইন এটা লওঁক। তাৰ বুদ্ধি আছে। গতিকে সি যি ইচ্ছা তাকেই পঢ়িব পাৰে।"

জেনেজে ব্ৰণে মোৰ পিনে চাই থাকি ক'লে, "সি কি কৰিব খোজে তাকে সোধা যাওঁক।"

`দেউতাই মোক কলে, "বাৰু, তয়ে ক ভেজ্জে।"

"মই তোমাৰ সতে খনিত কাম কৰিম।" মই দেউতাক ক'লো। "পৰীক্ষাও নিদিওঁ, আইনো নপঢ়ো, ডাক্তৰো নহওঁ।"

মাই কৈ উঠিল, "পালা এতিয়া মজাটো ?"

"তুমি অলপ মনে মনে থাকাচোন। ছিউ, কথা শুন।"

"মই কয়লা খনিতে কাম কৰিম।" মোৰ ওপৰত আটাইবোৰবে একাগ্ৰ অলস চাৱনি মই ভালকৈয়ে অনুভৱ কৰিলো। "মই কয়লা কাটিম।"

"ককায়েৰহঁতৰ দৰেই গোৱাৰ গোবিন্দ। চা, বাছা, তই পৰীক্ষাটো দিলেই ভালকৈ পাছ কৰিবি। তাৰ পিছত বিশ্ববিদ্যালয়ৰ পঢ়া শেষ কৰি কয়লা কটা কামৰ সলনি ভাল ভদ্ৰধৰণৰ কাম এটাৰ বাবে চেষ্টা কৰিব পাৰিবি।"

"কিয় ? কয়লা কটা কাম ভদ্ৰধৰণৰ কাম নহয় নেকি ? ভেজ্জে তুমি আৰু তাৰ ককায়েৰহঁত জেল খোৱা দাগী নেকি ?" মাৰ খং উঠিছিল।

"উস্ বেথ্, ; তুমি অলপ মনে মনে থাকাচোন।" চকু দুটা মুজি খুব ক্লান্ত ভাবে দেউতাই কলে। "ল'ৰাটোৰ ভাল হওঁক মই তাকেহে বিচাৰোঁ৷। মই বিচাৰোঁ৷ তাৰ জীৱনটো আমাৰ মূৰ্খামীবোৰৰ পৰা মুক্ত হওঁক। সি যেন নিজেই নিজৰ গৰাকী হ'ব পাৰে। আমাৰ দৰে খনিৰ গৰাকী আৰু বন্দুৱাৰ কাজিয়াত তাৰ প্ৰাণ যেন অতিষ্ঠ হৈ নুঠে।"

মাই কলে, "সি অইন একো নহৈ তাৰ দেউতাক আৰু ককায়েৰহঁতৰ দৰে হলেই মই আটাইতকৈ বেছি সুখী হ'ম। কেতিয়াবাণবানো তুমি কয়লা খনিক বেয়া বোৱাবা হ'লা ?"

"বেথ্, মই ল'ৰাটোৰ ভবিষ্যতৰ কথা ভাবিছোঁ।" দেউতাৰ খং উঠি-

আছিল। "আমাৰ দিনত অৱস্থা অইন ধৰণৰ আছিল। মানুহৰ পইচা আছিল, সকলোৱে সৎ পথত চলিছিল, সুবিচাৰ পাইছিল। এতিয়া জানো সেইবোৰ আছে? তাৰোপৰি মই কোনো দিনেই পঢ়াশুনাত খুব চোকা নাছিলো। কিন্তু সি চোকা ল'ৰা। গতিকে তাৰ এই ভাল গুণ সি ভাল কামত লগাওঁক। চোকা ল'ৰা এটাক কয়লা কটা কামত লগাই কাৰ কিটো লাভ হ'ব?"

"হঁ, তেনেহলে তোমালোক আটাইবোৰ বান্দৰ, নহয় জানো?" মাই বিদ্ৰূপ কৰি উঠিল। "তোমালোকৰ জ্ঞান-বুদ্ধি অকণো নাই তেন্তে? মই তেন্তে আজি অতদিনে বলিয়া এগালকহে ৰখি আছিলো। ঘৰখনত তেন্তে এজনহে বুধিয়ক, জ্ঞানী আছে—আৰু সেইজনকো আজি কোনোবা জহনীত যোৱা স্কুল এখনৰপৰা খেদি পঠিয়ালে।"

"বেশ্, মই তাৰ ভৱিষ্যতৰ বিষয়ে চিন্তা কৰিছো। সি অইন কিবা হ'ব পাৰে যদি কয়লা কটা কাম কৰিব লাগিছে কিয়?" দেউতাই সুধিলে।

মাই উত্তৰ দিলে, "কৰিলে দোষ কি? মাটিৰ ওপৰত ভাল মানুহ আছে সঁচা, কিন্তু মাটিৰ ভিতৰৰ খনিবোৰতো ভাল মানুহ নাই জানো? হয়তো মাটিৰ ওপৰত থকাবোৰতকৈ ভিতৰত থকাবোৰ বেছিহে ভাল। সি ডাক্তৰ হ'ব খোজে যদি ভাল কথা। উকিল হ'ব খোজে যদি ভাল কথা। অইন কিবা হ'ব খোজে যদিও ভাল কথা। আৰু সি দেউতাকৰ লগত খনিত কাম কৰিব বাব খোজে যদি মই তাক চুমা খাই কম, 'ভাল কথা'।"

মোৰ পিনে চাই থাকি দেউতাই কলে, "সি যদি কোনোবা দিনা দুখত পৰে তেন্তে নিজকে দোষ দিব লাগিব। অইন কাৰোবাৰ গাত দোষ দিব খুজিলে মই তাক একেবাৰে মাটিত পেলাই থম।"

মই ক'লো, "সেয়ে হওঁক দেউতা। মই খনিত কাম কৰিম।"

"ঠিক কথা কৈছ বাছা।" মাই কলে।

"ও, ঠিক কথা। মই এতিয়া মদ খাই মাতাল হ'ব যাওঁগৈ।"

দেউতা ওলাই গ'লগৈ। মাই কান্দি থাকিল।

স্কুলৰপৰা খেদা খোৱাৰ কথা শুনি মিষ্টাৰ গ্ৰুফিদে একোকে নোকোৱাত মই আচৰিত হৈছিলো। এই বিষয়ে এটা কথাও তেওঁ নকলে। মুখটো জুপিয়াই তেওঁ দূৰৰ পৰ্বতখনৰ পিনে চাই থাকিল।

অলপ পিছত তেওঁ মোক সুধিলে, "তুমি এইবাৰে ছুংখিত বুলি মিষ্টাৰ জোনাচক কৈছানে ?"

"নাই কোৱা নাই ছাৰ।" মই আৰু আচৰিত হলো। কাৰণ, কামটো কৰিব লাগিব পাৰে বুলি মোৰ সমূলি ধাৰণা নাছিল।

"তেন্তে এতিয়াই গৈ তাকে কবা। সেইখিনি কৰিহে পুনৰ ইয়ালৈ আহিবা, বুজিছা ?"

"ভাল ছাৰ।"

গতিকে পাহাৰখন পাৰ হৈ নিথৰ উপত্যকালৈ গৈ মই মিষ্টাৰ জোনাচৰ ঠিকনা সুধি সুধি উলিয়ালো।

··দুৱাৰত টুকুৰিয়ালো। মিছেছ জোনাচে দুৱাৰখন খুলিলে।

"নমস্কাৰ। মই হিউ মৰ্গান। স্কুলৰপৰা আহিছোঁ।"

"অ' তোমাক খবৰ লবলৈ পঠিয়াইছে হব পায় ?" বেছ মৰমেৰে তেওঁ কলে। "তুমি গৈ সকলোকে কবা গৈ যে তেওঁ এতিয়াও বৰ কষ্ট পাই আছে। পাছে আমি আশা কৰোঁ। তেওঁ সোনকালে সম্পূৰ্ণ ভাল হৈ উঠিব।"

"মই তেওঁৰ ওচৰত ক্ষমা খুজিবলৈহে আহিছিলো।" মাত্বহ গৰাকীৰ মুখত একেবাৰে বেলেগ এটি ভাব আহি পুনৰ আঁতৰি যোৱা মই স্পষ্ট লক্ষ্য কৰিলো। তেওঁ মোৰ পিনে চাই থাকিল, ময়ো তেওঁৰ পিনে চাই থাকিলো।

হঠাতে দীঘলকৈ হুমুনিয়াহ এটি পেলাই, দুৱাৰখন বহলকৈ মেলি দি তেওঁ মোক ক'লে, "ভিতৰলৈ আহা।"

মই ভিতৰ সোমালো।

মোক তলৰ মহলাতে বৈ থাকিবলৈ কৈ মিছেছ জোনাচ ওপৰ মহলালৈ উঠি গ'ল। অলপ পিছতে মিষ্টাৰ জোনাচৰ উত্তেজিত মাত শুনিবলৈ পালো। ক্ৰমে তেওঁক অলপ শান্ত হোৱা যেন লাগিল। ইয়াৰ পিছত শুনিলো মিছেছ জোনাচৰ মাত। তেওঁ ভালেখিনি পৰ গিৰিয়েকক বুজালে। কোঠাটোৰপৰা ওলাই আহি ওপৰ মহলাৰপৰাই তেওঁ মোক চিঞৰি ক'লে, "আহা, মাত্ৰ এক মিনিটৰ বাবে দেখা কৰিব পাৰিবা কিন্তু।"

চকু দুটাৰ ওপৰত বেণ্ডেজ এটা মাৰি মিষ্টাৰ জোনাচ বিচনাত বহি আছিল।

"কি হ'ল ? এতিয়া ক্ষমা বিচাৰি আহিছ হবলা ?"

"হয় মিষ্টাৰ জোনাচ। মই ক'বলৈ আহিছিলো যে মই এইবাবে দুঃখিত।"

তেওঁ তেতিয়া কলে, "এতিয়া ক'লে মোৰ লাভটো কি? তোক ফুলবগৰা খেদি দি ভাল কামেই কৰিছে। তাকে নকৰা হ'লে মই মোকৰ্দমা কৰিলো-হেঁতেন। তই এতিয়া মোৰ জোতাযোৰ চেলেকিবলৈ আলেও মই তোক ক্ষমা নকৰোঁ। বা মিষ্টাৰ মটছিলকো ক্ষমা কৰিবলৈ নকওঁ।"

"মই ক্ষমা বিচাৰি অহা নাই। মই মাথোন ইয়াকে ক'বলৈ আহিছিলো যে এই বাবে মই দুঃখিত।"

"তোৰ নিচিনাবোৰক মই ভালকৈয়ে জানো বুজিছ? ভণ্ড ক'ৰবাৰ! তইতে নিজেও ভণ্ডামি কৰিবি আইনকো ভণ্ড কৰি তুলিবি, নহয়? কিন্তু মই তোক ভালকৈয়ে চিনিছোঁ। তোক দেখিলে মোৰ ঘিণ লাগে, বুজিছ? তোৰ বিষয়ে মোৰ কি ধাৰণা তাকে ক'বলৈ মই তোক ইয়ালৈ আহিব দিছিলো। নীচ ঘৰৰ এন্দুৰ ক'ৰবাৰ।"

তেওঁ সিদিনা মোক যিহকে ইচ্ছা তাকে কৈ গালি পাৰিলেও মই কোনো উত্তৰ নিদিলোহেঁতেন। মই মাথোন এই কথা ভাবি আচৰিত হৈছিলো যে মই ভণ্ড হলো কেনেকৈ?

মই তেওঁক সুধিলো, "মোক আপুনি ভণ্ড বুলিলে কিয় মিষ্টাৰ জোনাচ?"

মুখটো ওপৰলৈ দাড়ি বেঙেজটোৰ তলেদি তেওঁ মোৰ পিনে চালে। বেঙেজটোৰ তলত এঠাইত দেখিলো মোৰ মাৰ খাই নীলা পৰি উঠা মাংস। মোৰ খুব দুখ লাগিল।

খঙত ঘন ঘন কৈ উশাহ লৈ তেওঁ ক'লে, "কিয় কওঁ শুন। তই মোৰ বিৰুদ্ধে মিষ্টাৰ মটছিলৰ ওচৰত কথা লগাই মোৰ সৰ্বনাশ কৰিবলৈ ওলাইছিলি। আৰু এই চেষ্টাত তই অন্ততঃ কিছুদিনৰ বাবে কৃতকাৰ্যও হৈছিলি। কিন্তু কিছুদিনৰ বাবেহে মাথোন। শুনি হয়তো সুখী হবি যে মই ইয়াৰ পিছত পুনৰ ষষ্ঠ শ্ৰেণীতে পঢ়াম।"

"কিন্তু মই ভণ্ড কিয়?" মই পুনৰ সুধিলো।

"এই বাবেই যে তই আচলতে যি নহয় তাকে হোৱা যেন দেখুৱাবলৈ সদায় চেষ্টা কৰ।" খঙত তেওঁৰ মাত বন্ধ হৈ যোৱাৰ উপক্ৰম হ'ল। "পাছে, ইয়াতনো আচৰিত হ'বৰ কিটো আছে? তোৰ আতি গুৰি চালেইতো সকলো পৰিষ্কাৰ হৈ যাব। মইতো আগতেই মিষ্টাৰ মটছিলক কৈছিলো—

কয়লা খনিব বছৰোৰ ল'বা ভাল মানুহ হ'ব পাৰে জানো? গাহৰি এলোপাৰ দৰে থাকিব, মদ খাব, একো বুবুজাকৈ পিৰ্জাত প্ৰাৰ্থনা কৰিব—লেবেঞ্চু, আৰ কিটো—নো আছে সিহঁতৰ? বেলছ্ মানুহ! উঃ, কি যে জাতি এটা!"

"কিন্তু মই কিয় ভণ্ড, মিষ্টাৰ জোনাচ?" মই তেওঁক সুধিবলৈ লৈবিলো।

"ওলাই যা, ওলাই যা ইয়াৰ পৰা," তেওঁ চিঞৰি উঠিল। "মই ভুলত বেলছৰ নিছিনা এটা বৰ্বৰ ভাষা কবলৈ নিদিওঁ বাবেই হয়তো তই মোক মাৰিছিলি। সেইটো সত্ত্বেও তই কোনখন মুখে মোৰ স'তে ইংৰাজীত কথা কব যাক? ই যদি ভণ্ডামি নহয় তেন্তে অইন কি ভণ্ডামি হব পাৰে?"

"আপুনিয়ে প্ৰথমে ইংৰাজী কোৱা আৰম্ভ কৰি দিছিল। মই ভাবিছিলো আপুনি বেলছ্ ভাষা ভুলতো নকয়। আপুনি কয় বুলি জানিলে মই নিশ্চয় বেলছ্ ভাষাই ক'লোহেঁতেন।"

"মোৰাৰ আগতে মোৰপৰা এই কথা শুনি যা—বেলছ্ কোনো দিনেই এটা ভাঁষা নাছিল। ভাবৰ আদান-প্ৰদানৰ বাবে ই আছিল বৰ্বৰ জাতি এটাৰ স্থূল ব্যৱস্থা এটা—সেইখিনিহে মাথোন। জীৱনত উন্নতি কৰিব খোজ যদি এই ভাষাৰ মোহ এৰি দে।"

মই একো উত্তৰ দিব নোৱাৰিলো। মই মাথোন ভাবিলো মাৰ কথা, দেউতাৰ কথা, ব্ৰণৰ কথা।

"ইংৰাজী। আঃ, সেইটোহে ভাষা—মহাৰাণীৰ ভাষা, ভদ্ৰলোকৰ ভাষা। বেলছ্। হে প্ৰভু, নামটোৰেই কন্ম ই চোৰ, জুৱাচোৰৰ ভাষা।"

মই ক'লো, "কিন্তু আপুনি দেখোন নিজেই বেলছ্?"

"ও, এই দেশত জন্ম হোৱাটো মোৰ দুৰ্ভাগ্য, অইন একো নহয়।"

"সেই বিষয়ে অৱশ্যে কোনো সন্দেহ নাই," মই থিয় দি উঠি ক'লো। "বেলছ্ দেশীয় বৈশিষ্ট্য আপোনাৰ দেহে-মনে সকলোতে আছে। তাক ঘৃণা কৰি আপনাৰ একো লাভ নহ'ব।"

"ওলাই যা, ওলাই যা ইয়াৰপৰা।"

"মই যি কৰিছিলো তাৰবাবে এতিয়া মই অকণো দুঃখিত নহওঁ। ইয়াতকৈ বেছি কিবা কৰিলেই ভাল আছিল যেন পাওঁ। মিষ্টাৰ এ,কিমে আহিবলৈ কোৱা বাবেহে আহিছিলো।"

কোঠাটোৰপৰা ওলাই বেগাই খট্‌খটীটোৰেদি নামি গৈ মই আলিবাটত উঠিলোহিঁগৈ। গোটেই বাটটো হাঁহি মোৰ পেটৰ নাড়ী [illegible]উপক্রম হ'ল।

মই তেওঁক কথাবোৰ জনোৱাত মিষ্টাৰ গ্ৰুফিদে ক'লে, "তেওঁ ভুল কৰিছে। চেম্‌নী শব্দ বেলিকৰপৰা আমাৰ নাম হৈছে ম্লেচ্ছ্। ইয়াৰ অৰ্থ হ'ল 'বিদেশী'। চোৰ, জুৱাচোৰৰ কথা যে কৈছে সেই বিষয়ে মই তোমাক বিশেষ একো ক'ব নোৱাৰিম। হয়তো সঁচাকৈয়ে আমাৰ পূৰ্বপুৰুষসকলৰ দুই এজন অলপ হাত-লৰ আছিল। কিন্তু তাৰবাবে ইংৰাজসকলে নিজকে দোষ দিব লাগিব। সেই পূৰ্বপুৰুষসকলে বোধহয় ইংৰাজে কৰা আইনৰ কথা শুনাই নাছিল। গতিকে নজনা মানুহক তুমি দোষ দিয়া কেনেকৈ? তেনে কৰিলে তোমাক নমস্কাৰ নিদিয়াৰ বাবে কুকুৰ এটাক গোৰ মৰাৰ নিচিনা কথা হ'ব, নহয় জানো?"

"মিষ্টাৰ জোনাচে বাৰু মোক ভণ্ড বুলিলে কিয়?" মই সুধিলো।

"হিউ, গালি-শপনি পৰা মানুহৰ কথাত কেতিয়াও মূল্য নিদিবা। তেওঁলোকে হ'ল বুদ্ধিহীন অঁকৰা ল'ৰাৰ দৰে। এটা কথা কওঁ শুনা হিউ,—কোনো দিনেই কোনো কথাত অধীৰ নহ'বা। বিশেষকৈ আইনে কৰা দুৰ্নামলৈ কোনো দিনেই ভয় নকৰিবা।"

"কিন্তু আপুনিতো ভয় কৰে মিষ্টাৰ গ্ৰুফিদ?" কথাষাৰ কৈয়েই মোৰ কিন্তু খুব যেন্না লাগিল।

তেওঁ খুব লাহে লাহে ক'লে, "ভয়? ভয় মই নকৰোঁ। কেতিয়াও কৰা নাই আৰু আগলৈকো নকৰোঁ। ভয় আৰু চিন্তা একে নহয়, একে নহয় চিন্তা আৰু প্ৰাৰ্থনা। বুজিছা হিউ, হঠাতে কেতিয়াবা জীৱনটো ওলট-পালট হৈ যায়। আৰু তেতিয়া তোমাৰ জীৱনটো এটা অন্তহীন প্ৰাৰ্থনা যেন হৈ পৰে। ইয়াৰ শেষ হয় গৈ তেতিয়াহে, যেতিয়া তোমাৰ নিজস্ব চিন্তাশক্তিৰ ভৰ তুমি পুনৰ সহিবপৰা হোৱা।"

"হয় ছাৰ।" তাৰপৰা লৰি পলাব পাৰিলেই মই তেতিয়া ৰক্ষা পৰিছিলো। "অলপ আগতে কোৱা কথাষাৰৰ বাবে মই সঁচাকৈয়ে লাজ পাইছোঁ ছাৰ।"

"মোৰ কিবা পৰিবৰ্তন হৈছে নেকি হিউ?" কথাষাৰ সুধি তেওঁ কেৰাহিকৈ মোৰ পিনে চাই থাকিল।

"হৈছে ছাৰ।"

"কি হৈছে বাক?" তেওঁ মোৰ পিনে চায়েই থাকিল।

মই ক'লো, "আপুনি কথা-বতৰাত আগতকৈ বহুতো গহীন। আপুনি আজিকালি আগৰ দৰে হাঁহি-ধেমালি নকৰে, একোতে বিশেষ আগ্ৰহ নাই, আনন্দ নাই। তাৰোপৰি চকী-মেজ সজা কামো আপুনি এৰি দিছে।"

মোৰ কাললগৰা চকু আঁতৰাই তেওঁ পৰ্বতখনৰ পিনে চাই ৰ'ল। মোৰ ভয় লাগি গ'ল।

ভালেখিনি সময়ৰ পিছত মিষ্টাৰ গ্ৰু ফিদে সুধিলে, "মই তেন্তে মোৰ কৰ্তব্য ঠিকমতে পালন কৰা নাই, নহয় জানো বাছা?"

"নাই, নাই, সেইটো মই কোৱা নাই ছাৰ। মই কেতিয়াও তেনে কথা কোৱা নাই। মই মাথোন ইয়াকে কৈছিলো যে আপুনি আগতকৈ সলনি হৈছে।"

মোৰ কান্ধত হাত এখন থৈ তেতিয়া তেওঁ কৈছিল, "হিউ, এতিয়া ঘৰলৈ যোৱাহঁক। কাইলৈ ৰাতিপুৱাতে আহিবা, চকী-মেজবোৰ সজাৰ কাম কৰিব লাগিব। তালকৈ দুদিনমান কাম কৰিলেই আমি আটাইখিনি সাজি উলিয়াব পাৰিম।

"ভাল ছাৰ।" অতি বেজাৰ মনেৰে মই তেওঁৰ কাষৰ পৰা গুচি আহিছিলো।

২৮

ঘৰ সোমাই দেখিলো আয়েষ্টিনৰ ভনীয়েক ব্ৰণৱেন বহি আছে। মাৰ গম্ভীৰ মুখ দেখি বুজিলো ক'ৰবাত কিবা গোলমাল হৈছে। ব্ৰণ্‌ৱেনে প্ৰায় সকলো সময়তে ইংৰাজীহে কয়। কাৰণ, তেওঁ প্ৰথমে লণ্ডন আৰু তাৰ পিছত পেৰিছৰ স্কুলত পঢ়িছিল। সেইবোৰ স্কুলত নিশ্চয় বেলছ্‌ ভাষা আদি কেতিয়াও ক'বলৈ নিদিয়ে। ইংৰাজী কিন্তু তেওঁ বেছ ভালেই কয়।

মোক দেখি খুব ধুনীয়াকৈ হাঁহি তেওঁ ক'লে, "কি খবৰ হিউ, কেনে আছা?"

"ভাল। আপোনাৰ ভালনে?"

"ওঁ! তুমি বোলে আজিকালি খুব ভাল বীণ বজোৱা? আজি আবেলি বীণখন লৈ টুন-উ-কুদলৈ নাহা কিয়?"

"যাম বাৰু।"

"আহিবা কিন্তু।" ব্ৰণৱেনে আৰু এবাৰ মিচিকিয়াই হাঁহিলে। মই কিন্তু মাৰ ধৰণ-কৰণ দেখি বুজিলো যে কোঠাটোত মোৰ উপস্থিতি তেওঁ বৰ ভাল পোৱা নাই। লগে লগে মই তাৰপৰা ওলাই ব্ৰণৰ ঘৰ পালো গৈ।

ব্ৰণক মই মিছেছ জোনাচৰ বিষয়ে কোৱাত তেওঁ দুখ কৰি ক'লে, "তাই আৰু মই একেলগে একেখন স্কুলতে পঢ়িছিলো।" ইয়াৰ পিছত ব্ৰণে মোক সুধিলে, "ব্ৰণৱেনে এতিয়াও মাৰৰ স'তে কথাপাতি আছে নেকি?"

"ওঁ।"

"তেনেহলে আকৌ বিপদ আহিব ধৰিছে দেখিছোঁ। মই তোক আজিয়ে কৈ থলো চাবি আংগাহ্ৰাদ কেইদিন মানৰ ভিতৰতে ঘৰলৈ উভতি আহিব। মদাহী ক'ৰবাৰ!"

"মদাহী কোন ব্ৰণ?"

ব্ৰণে উত্তৰ দিলে, "তই নেজানিলেও হ'ব দে।"

তেতিয়াহে মই বুজিলো যৰখনত আংগাহ্ৰাদ আৰু আয়েষ্টিনৰ কথা উঠিলেই আইন সকলোৱে কিয় ইফালে সিফালে চাই কিবা লুকুৱাবলৈ চেষ্টা কৰে। আংগাহ্ৰাদ বিপদত পৰা কথাটো ভাবিয়েই মোৰ বুকুখনে কিবা হাহাকাৰ কৰি উঠিল। কিন্তু এই বিষয়ে মইতো একো কৰিব নোৱাৰোঁ। তাৰোপৰি ব্ৰণৰ ভাব-ভঙ্গীৰপৰা বুজিছিলো হেজাৰ চেষ্টা কৰিলেও এই বিষয়ে তেওঁৰ পৰা এটা কথাও উলিয়াব নোৱাৰিম।

গতিকে মই বীণখন লৈ আয়েষ্টিনইতৰ ঘৰ টুন-উ-কুদলৈ বুলি খোজ ললো। কেইবা ঠাইতো বৈ জিৰাই-শতাই মই দীঘল বাটছোখৰ পাৰ হলো।

টুন-উ-কুদ ধুনীয়া, বিৰাট ঘৰ এটা। দ্বিতীয় জৰ্জৰ দিনতে ইয়াক সজা হৈছিল। ঘৰটোৰ আগফাল পাছফাল দুয়ো দিশে আছিল বিৰাট বাগান। ঘাঁহনিৰ মাজত চৰি ফুৰিছিল বাদামী ৰঙৰ বহুতো গৰু। চোতালত আছিল ক'লা, বগা আৰু ৰঙচুৱা এসোপা কুকুৰা। পুখুৰীত সাঁতুৰি ফুৰিছিল এজাক পাতি-হাঁহ আৰু ৰাজ-হাঁহ। ঘোঁৰাশালৰ ওচৰৰ জপনাখনৰ ওপৰত বহি আছিল ভালেমান টাৰ্কি চৰাই।

ব্লড্‌বেন মোৰ আগতেই আহি ঘৰ পাইছেহি। তেওঁ দুৱাৰমুখত মোৰ বাবে বৈ আছিল।

তেওঁ ক'লে "আহা হিউ, চাহ খোৱাহি। সৌ কোঠাটোলৈ গৈ হাত-মুখ ধুই আহা।"

চাহ খাই থাকোঁতে তেওঁ মোক সুধিলে, "তুমি এই ঘৰটোত থাকিবলৈ ভাল পাবানে?"

"ওঁহো, আমাৰ নিজৰ ঘৰ হ'লে অৱশ্যে ভাল লাগিলহেঁতেন।"

"মই যদি তোমাক ইয়াত থাকিবলৈ কওঁ, থাকিবানে?"

"নেথাকোঁ। দুই এদিনৰ ভিতৰতে মই কামলৈ যাব লাগিব।"

"কামলৈ নগ'লে নহয় জানো?" বাদামী ৰঙৰ চকুযুৰিৰে ব্লড্‌বেনে মোৰ পিনে চাই থাকিল। "মিষ্টাৰ এ্‌কিনৰ ঘৰত তুমি সজা চকী-মেজবোৰ মই দেখিছোঁ—খুব ভাল হৈছে। আমাৰ ঘৰতো বহুতো চকী-মেজ ভাল কৰিব-লগীয়া আছে। হিউ, ইয়ালৈ আহি তুমি সেইখিনি কৰি দিয়ানা।"

"নাই, মই নোৱাৰিম। মইতো কেইবাৰেই সেইতাৰ প'তে মই কামলৈ যাব লাগিব।"

"কয়লা খনিৰ ভিতৰলৈ তুমি যোৱাৰ কথা ভাবিলে মোৰ কেনেবা লাগে। সেইতা তালৈ যোৱাটোও মই কোনো দিনেই ভাল পোৱা নাছিলো। আজ্ৰেটিনে কয়লা খনিটো বেচি দিয়াত মই ৰক্ষা পৰিছো।"

"কিন্তু তাৰ ফলত চাৰিশ মানুহ যে বেকাৰ হৈ প'ল।" মই ক'লো।

অলপ সময় মনে মনে থাকি তেওঁ ক'লে, "তোমাৰ কথাবোৰ ঠিক তোমাৰ ককাইদেৱেৰ অৱেনৰ দৰে।"

মই ক'লো "সেইটো ভালহে কথা?"

"তেওঁৰ ইঞ্জিনটোৰ নমুনা বিক্ৰি কৰাৰ বিষয়ে আৰু কিবা খবৰ-বাতৰি পাইছেনেকি?" কথাষাৰ তেওঁ এনেকৈ ক'লে যেন এই বিষয়ে তেওঁৰ বিশেষ একো আগ্ৰহ নাই।

"নাই তেনেকৈ একো খবৰ পোৱা নাই। পাছে অহা সপ্তাহত আমেৰিকাৰ-পৰা মানুহ এজন আহি তাক দেখা কৰিব। তেওঁ ইঞ্জিনটো কিনিব হেনো।"

"অ' তেওঁ তেন্তে আমেৰিকালৈ যাব নেকি? এই বিষয়ে তুমি কিবা জানানে বাৰু?" চাহ পুচিটোৰ পিনে চাই থাকি ব্ৰড্ৱেনে মোক সুধিলে।

"তাৰ হৈ ইউনিয়নৰ কাম চলোৱা মানুহ এজন পালে যাবগৈও পাৰে।"

"সেইখন লৈ যে তেওঁ কিয় মিছাকৈয়ে মূৰ ঘমাই মৰিছে মই বুজি নেপাওঁ। সেইখন কোনোদিনেই আচল ইউনিয়ন হৈ নুঠেগৈ।"

"ইতিমধ্যেই সেখোন ইয়াত পঞ্চাশ হেজাৰবো বেছি সভ্য হৈ গৈছে। তাৰোপৰি দিনে দিনে বাঢ়িবই ধৰিছে।"

"তুমি কেনেকৈ জানিলা?" ব্ৰড্ৱেনে সুধিলে।

"ইউনিয়ন আৰম্ভ হোৱা দিনৰেপৰা মই তেওঁলোকৰ চিঠি-পত্ৰ লিখি দি আছোঁ। অৱেন গ'লেও আয়াম্টো আৰু সেভিয়ে ইয়াৰ কাম ভালকৈ চলাব পাৰিব।"

কেই মুহূৰ্তমান তেওঁ একো নকৈ বহি থাকিল। গধূলিৰ এন্ধাৰত তেওঁক ক'লা ছা এটা যেন লাগিছিল। কোঠাটোত জ্বলি থকা জুইকুৰাই তেওঁৰ গাল দুখন ৰঙচুৱা কৰি তুলিছিল।

"সিদিনা বাতি মই তেওঁৰ বক্তৃতা শুনিছিলো।" ব্ৰজৱেনে লাহ লাহকৈ ক'লে।

"পাহাৰৰ ওপৰত নেকি ?" মই আচৰিত হৈছিলো।

"ওঁ। তেওঁ যে লাজত ৰঙা পৰি উঠিছিল সেইটো মই ভালকৈয়ে বুজিলো।" "আমি একেলগে গৈছিলো।"

'অ' সেয়েহে অৱেনে একে ৰাতিতে তিনিখন সভা পতাৰ ইমান পক্ষপাতী—যাতে আয়াণ্টো, দেভি আৰু সি তিনিখন বেলেগ বেলেগ সভালৈ যাব পাৰে।

"তেওঁৰ বহুতো বন্ধু-বান্ধৱ আছে নহয় জানো ?" ব্ৰজৱেনৰ মাতটোৰ বাহিৰে অইন একোতে পৰিবৰ্ত্তন নঘটা সত্বেও গম পালো যে মই তেওঁৰ অতি আঁপোন হৈ পৰিছোঁ। অতদিনে আমাৰ মাজত থকা বেৰ এখন যেন কোনো শব্দ নকৰাকৈয়ে বাগৰি পৰিল।

ক'লো, "ওঁ তাৰ বহুতো বন্ধু আছে।"

চকীখনত কোঁচমোচ খাই বহি থাকি ব্ৰজৱেনে সুধি গ'ল, "বন্ধুৰ লগতে বান্ধবীও নিশ্চয় বহুত আছে ? হিউ, আৰু অলপ চাহ খোৱা। কে'ক এটা দিম নেকি ?"

"চাহ অলপ দিয়ক বাৰু। কে'ক কিন্তু নেলাগে কেইবাটাও খালো। অ' বান্ধবীৰ কথা সুধিছিল নহয় ? নাই, সেইবোৰ অভ্যাস নাই।"

"ইচ্ মিছা কথা। ডেকা ল'ৰাবোৰে থাকিলেও নাই বুলি কয়।"

"কোনো ছোৱালী বন্ধু নাই।" মই জোৰকৈ কৈ উঠিলো। "ছোৱালীবোৰ আপদহে, অন্ততঃ কিছুমান।"

"ময়ো তেন্তে আপদহে নেকি ?" হাঁহি হাঁহি ব্ৰজৱেনে সুধিলে।

"নাই, আপুনি নহয়। আপোনাক মোৰ ভাল লাগে আৰু অৱেনবো লাগে।"

লাজত কোঁচমোচ খাই ব্ৰজৱেনে সুধিলে, "তুমি কেনেকৈ জানিলা ?"

"নহলে জানো আপোনাৰ স'তে সি একেলগে পাহাৰলৈ গ'লহেঁতেন। তালৈ নেলাগে সি দুখোজ যাবলৈকো মান্তি নহ'লহেঁতেন। মই তাক ভালকৈ জানো নহয়।"

ইটো সিটো অইন বহু কথা পতাৰ পিছত গ্ৰুভেৰেনে মোক ক'লে, "ছিঃ, এইবোৰ কাকো নকবা দেই।"

কুহ্‌ভাৰ্‌খাই কোৱা কথাষাৰকে দোহাৰিলো, "চকুখোলা মুখ বন্ধ।"

এই সূত্ৰতে মই ইয়াৰ পিছত টুন-উ-কুৰলৈ ঘনাই অহা-যোৱা কৰিছিলো। আজৰি পৰত প্ৰায়েই তালৈ গৈ মই তেওঁলোকৰ পুৰণি চকী-মেজ আদি মেৰা-মত কৰি দিলো। তাত মই নিজে নতুন 'চোকা চেট' এটা সাজি দিছিলো কিন্তু সেইটো বহু পিছৰ কথা।

কয়লা খনিত কাম আৰম্ভ কৰাৰ আগৰ কেইদিনমান মই মিষ্টাৰ গ্ৰুফিৰ ঘৰলৈ গৈ তেওঁৰ স'তে চকী-মেজবোৰ সজাৰ কাম কৰিলো। প্ৰথম কেইদিন তেওঁ মোৰ পিনে একেথৰে চাই থকা মই কেইবাবাৰো লক্ষ্য কৰিছিলো। কিন্তু মই তেওঁৰ পিনে চোৱাৰ লগে লগে তেওঁ অইনপিনে চকু ঘূৰাইছিল। প্ৰথমে মই অলপ আচৰিত হ'লো, পাছলৈ মোৰ ভয় লাগিবলৈ ধৰিলে। দিন যোৱাৰ লগে লগে কিন্তু তেওঁ মোৰ পিনে চাই থাকিবলৈ এৰিলে। দুয়োৰো মাজত কথা-বতৰাও কমিল। কথা বুলিবলৈ মাথোন চকী-মেজবোৰত দিবলগীয়া বঙৰ কথা-বতৰাহে—সিমানেই। গতিকে পুনৰ মোৰ অস্বস্তি আৰম্ভ হ'ল। শেষত মই তেওঁক সুধিবলৈকে থিৰ কৰিলো। সকলো সময়তে মানুহ এজনৰ কাষত থাকি তেওঁক কিবা যন্ত্ৰণাত চট্‌ফট্‌ কৰা দেখি থকাটো দেখোতাজনৰ পক্ষেও এটা শাস্তি।

মিষ্টাৰ গ্ৰুফিৰ ঘৰত কাম কৰা কেইদিন মোৰ আটাইতকৈ সৰু ভনী অলবেনে আমাৰ ঘৰবপৰা সদায় চাহ লৈ আহিছিল।

এদিনাখন তাই চাহ দি যোৱাৰ পিছত মিষ্টাৰ গ্ৰুফিয়ে ক'ল, "অলবেনজনী আংগাল্লাদৰ দৰেই হৈ উঠিছে।"

মই ক'লো, "হয়, তাই ডাঙৰ হৈ উঠিলে মানুহে দুয়োৰো ভিতৰত পাৰ্থক্য ধৰিবই নোৱাৰিব বোধহয়।"

মিষ্টাৰ গ্ৰুফিয়ে ক'লে, "তেতিয়ালৈ অন্ততঃ আৰু দুবি বছৰ আছে।"

ভবিষ্যতৰ কথা কোনোবাই উল্লেখ কৰিলেই বুকুখন হঠাতে কিয় মোচৰ খাই উঠে বাৰু? হয়তো এইবাবেই যে ভবিষ্যতৰ কথা ভাবিলেই আমাৰ এনে লাগে যেন কোনোবাই আমাৰ যৌৱন কাঢ়ি নিবলৈ ওলাইছে।

মিষ্টাৰ গ্ৰুফিৰ মাতটোত ইমান বেজাৰ সোমাই আছিল! মোৰ

কেনেবা লাগিল। তেওঁক সান্ত্বনা দিয়াৰ বাবে উপযুক্ত কথা বিচাৰি মই হাবাথুৰি খালো। একো বিচাৰি নাপাই মই মাথোন ক'লো, "হয় ছাৰ, তুমি বছৰ সঁচাকৈয়ে বহুদিন।"

"মই সিমান দিনে বুঢ়া হৈ যাম'গৈ।"

"হয় ছাৰ।"

"বুঢ়া হৈ যাম ·· তাৰ আগতে মোৰ কৰ্তব্যৰ একোৱেই কৰা নহ'ব।"

"আপুনি যথেষ্ট কৰিছে," মই চিঞৰি কৈ উঠিলো। উপযুক্ত কথা বিচাৰি নোপোৱাৰ বাবেই হয়তো মই তেনে কৰিছিলো। "আপুনি গিৰ্জাত উপাসনা কৰাইছে, ৰোগীৰ শুশ্ৰূষা কৰিছে—আৰু কৰ্তৃ কি কাম কৰিছে জেখোন।"

"কৰ্তৃ কি কাম?" এই বুলি তেওঁ হাঁহিলে। "তেনেকৈ কোৱাৰ বাবে ধন্যবাদ, হিউ। তেকা কালত ভাবিছিলো সত্যৰ বাবা গোটেই জগতখন জয় কৰি ল'ম। ভাবিছিলো সত্যৰ যোগেদি মানুহক বান্ধোনৰ পৰা মুকলি কৰিম। ঈশ্বৰৰ বাণীতে এইবোৰ কৰা সম্ভৱ হ'ব বুলি ভাবিছিলো। কিন্তু মাথোন কেইজনমানেহে সেই বাণী, সেই আহ্বান কাণপাতি শুনিলে, মাথোন কেইজনমানেহে বুজিলে। আইনবোৰে কেৱল ক'লা কাপোৰ পিন্ধি গিৰ্জাত বহি থাকিল।"

"গিৰ্জালৈ যোৱাটো তেন্তে ভুল নেকি, মিষ্টাৰ গ্ৰুফিদ?" আচৰিত হৈ মই সুধিলো।

কাম কৰি থাকি তেওঁ মোক ওলোটাই প্ৰশ্ন কৰিলে, "তুমি বাৰু গিৰ্জালৈ কিয় যোৱা হিউ?"

"কাৰণ· ·।" মই বৈ যাবলৈ বাধ্য হলো। কিয় যাওঁ বাৰু?

"কোৱা, কিয় যোৱা? যাবলৈ ভাল লাগে কাৰণে? তোমাৰ মা-দেউতাইত যায় দেখি? তোমাৰ বন্ধু-বান্ধৱইত যায় দেখি? দেওবাৰে তালৈ যাব লাগে বাবে? গিৰ্জাৰ গান শুনি ভাল লাগে বাবে? নগলে কিবা অমঙ্গল হ'ব সেই ভয় কৰি? কোৱা, গিৰ্জালৈ কিয় যোৱা—ভয় কৰা বাবে নে ভাল পোৱা বাবে?"

"মই ভালকৈ নেজানো ছাৰ।" সঁচাকৈয়ে কথাবোৰ ভাবি মোৰ নিজৰে সন্দেহ হৈছিল।

মিষ্টাৰ গ্ৰুফিয়ে সুধিলে, "গিৰ্জালৈ নগলে মূৰত বজ্ৰপাত হ'ব বা তেনেকুৱা অইন কিবা সাংঘাতিক শাস্তি পাব লাগিব বুলি তুমি ভাবা নেকি ?"

"হয় ছাৰ।"

"অইন সকলোৱে সেইটোকে ভাবে। সেই ভয়তে ক'লা কাপোৰ পিন্ধি তেওঁলোক দলে দলে গিৰ্জালৈ আহে। তেওঁলোকে মাথোন ভাবে ঈশ্বৰৰ প্ৰতিহিংসাৰ কথা। যীশুখৃষ্টৰ কৰুণাৰ কথা তেওঁলোকে পাহৰি যায়। তেওঁৰ সেই মহান আত্মবলিৰ কথা তেওঁলোকে নেভাবে। ভাবে মাথোন মৃত্যু, ভয়, জুই আৰু ক'লা কাপোৰৰ কথা।"

"এইবোৰৰ বিৰুদ্ধে আগতে গিৰ্জাত আপুনিতো কেতিয়াও একো কোৱা নাই ছাৰ ?"

"কোৱা নাই হিউ।" এই বুলি কৈ মিষ্টাৰ গ্ৰুফিয়ে বাইবেলৰ পৰা মাতিলে 'এইবোৰ মানুহে মাথোন মুখখন লৈ মোৰ ওচৰলৈ আহে, আনক দেখুৱাই এনেয়ে মোক সেৱা কৰে। আচলতে কিন্তু সিহঁতৰ অন্তৰ মোৰপৰা বহু দূৰত পৰি থাকে।'

"আমি তেন্তে কি কৰা উচিত ?" মই সুধিলো।

"মই কেনেকৈ কম হিউ ? অইন মানুহক ধৰ্মশিক্ষা দিবলৈ মই কোন ? মোৰ পাপ সিহঁতৰ সমানেই—হয়তো সিহঁতকৈ বেছিহে।"

কথাখিনি কৈয়েই তেওঁ ঘৰটোৰ পৰা বাহিৰ ওলাই গৈছিল। পৰ্বতখনৰ পিনে যোৱা বাটটোৰে খুব লাহে লাহে তেওঁ খোজ কাঢ়ি গৈ থকা মই দেখিছিলো। মোৰ খুব বেয়া লাগিছিল।

২৯

ছুপৰীয়া কামৰপৰা আহি আইভৰে পিছদিনা তাৰ লগত কামলৈ যাবলৈ সাজু হৈ থাকিবলৈ মোক ক'লে। খনিত কামকৰা কাপোৰযোৰ ঠিক কৰি লবলৈ মই খুব উৎসাহেৰে লাগি গলো। ঘৰত কিন্তু কোনোৱে মই খনিত কাম কৰিবলৈ যোৱাৰ বিষয়ে এটা কথাও নকলে। কিন্তু সেই একো নোকোৱাটো চিঞৰি চিঞৰি কোৱাতকৈ বেছি মাৰাত্মক আছিল.

পিছদিনা ৰাতিপুৱা সাত বজাৰ আগতে মই আইভৰক মাত দিলোঁগৈ। মাই মোক আইভৰইতৰ দুৱাৰমুখলৈ আগবঢাই দিলে। তেৰোঁ কিন্তু মই এই প্ৰথমবাৰ কামলৈ ওলোৱাৰ দিনটোক যব বেছি মূল্য দিয়া যেন নেলাগিল—মই যেন ভুললৈহে যাব ওলাইছোঁ মাৰ এনে ভাব। মোৰ হাতত আছিল খোৱা বস্তুৰ বাকচ এটা আৰু জেপত আছিল পাঁচডাল মম।

আইভৰে মোক সুধিলে, "সাজুনে?" ব্ৰণে তাক তাৰ খোৱা বস্তুৰ বাকচটো আগবঢাই দিলে।

"ওঁ, সাজু।"

"আৰু এজন যাবগৈ ওলেছে?" মাই ক'লে।

"ওঁ, মা।"

"বা বাৰু।" মাই মোক চুমা দিলে।

"যাওঁ মা।"

মাই আইভৰক ক'লে, "তই তাৰ পিনে চকু ৰাখিবি বুজিছ?"

"বাৰু মা। যাওঁ মা। যাওঁ ব্ৰণ।"

"বা বাৰু," এই বুলি ব্ৰণে মোক সকলৈ চুমা এটি দিলে।

আমি খনিলৈ খোজ ললো। মা লৰালৰিকৈ ঘৰৰ ভিতৰ সোমাল।

খনিৰ মুখ পৈ পাই কিন্তু মোৰ কেনেবা লাগিল। পেটটো পাক মাৰি ধৰিলে। বুকটোত কিবা গুম্‌গুমনি আৰম্ভ হ'ল।

খনিলৈ নমাই নিয়া বাকচটোত সোমাবৰ আগতে দেখিলো দাইবাপেো আৰু কুহ্‌ভাৰ্‌খাই লৰি আমাৰ পিনে আহিব ধৰিছে। খনিৰ এই বাকচটো কাঠ তক্তাৰে তৈয়াৰী। তক্তাৰ ওপৰত অৰক্ষে লোহাৰ ফ্ৰেম এটাও থাকে।

আমি বাকচটোত সোমোৱাৰ পিছতে দাই আৰু কুহ্‌ভাৰ্‌খা লৰি লৰি আহি সোমালহি। বাকচটোত থাহ খাই থকা মানুহবোৰৰ মাজেৰে মই তেওঁৰ পিনে চাই থকা দেখা পাই দায়ে ক'লে, "অ' হিউ দেখোন, কাম আৰম্ভ কৰি দিলি নেকি?"

"ওঁ।"

হঠাতে আমি সোমাই থকা বাকচটোৰ তলৰ মাটি যেন আঁতৰি গ'ল—আমি খনিৰ ভিতৰৰ আন্ধাৰলৈ নামিব ধৰিলো। বতাহজাকে কোঁ-কোঁ শব্দ কৰি উঠিল।

ইয়াৰ পিছত মই শ শ বাৰ খনিৰ ভিতৰলৈ নামিছোঁ, কিন্তু কোনো দিনেই বাকচটো তললৈ নমা আৰম্ভ হোৱাৰ লগে লগে মই উচপ্‌ নোখোৱাকৈ থাকিব পৰা নাই।

খনিত নমাৰ লগে লগে প্ৰথম কেই মুহূৰ্তমান তোমাৰ এনে লাগিব যেন তুমি সম্পূৰ্ণ অন্ধ হৈ গৈছা। ইয়াৰ অলপ পিছত কিবা এটা অদ্ভুত ভয়ে তোমাক হেঁচি ধৰিবহি।

মোৰ এনে লাগিল যেন মই ঘণ্টাৰ পিছত ঘণ্টা বাকচটোত সোমাই বৈ আছোঁ। যিয়েই নহওঁক, লাহে লাহে বতাহজাকৰ কোঁ-কোঁৱনি কমি আহিল, আমাৰ বাকচটো খনিৰ তল পৈ পাই ৰ'ল। খনিৰ তলৰ বতাহজাক ওপৰৰ বতাহতকৈ তপত, এই বতাহত কেঁচা কয়লাৰ নিমখীয়া গোন্ধ এটা মিহলি হৈ থাকে। খনিৰ তলত জলোৱা লেমৰ পোহৰ আহি চকুত পৰিলহি। গভীৰ কৃতজ্ঞতাত মোৰ অন্তৰ ভৰি উঠিল—দৃষ্টি শক্তি যে এতিয়াও আছে সেই কথা উপলব্ধি কৰি।

বাকচটোৰ দুৱাৰখন খুলি দিয়াৰ লগে লগে আইভৰে ক'লে, "ব'ল হিউ।"

খনিৰ তলৰ খাই বাটটোৰেদি আমি আগবাঢ়িলো। কাম কৰি কৰি

গান গাই থকা মানুহবোৰৰ গান আৰু কয়লা কঢ়িওৱা ট্ৰামগাড়ীবোৰৰ শব্দেৰে বাটটো প্ৰবৃগমাই আছিল। বাটটো কিন্তু নিচেই ঠেক—ট্ৰামগাড়ী যোৱাৰ লাইন আৰু সেই লাইনৰ দুয়োকাষে মানুহ অহা-যোৱা কৰা নিচেই সৰু বাট। এই যাই বাটটোতে কেইফুটমান আঁতৰে আঁতৰে লেম জলাই থোৱা হৈছিল আৰু সেই লেমবোৰে টিমিক্ টামাকৈ ক্ষীণ হালধীয়া পোহৰ বিলাই আছিল। মূৰৰ ওপৰৰ কয়লাৰ বেৰখন মাথোন ন ফুট ওখত।

আমি ভালেমান দূৰ এই বাটটোৰেদি আগুৱাই যোৱাৰ পিছত আইভৰে বাটটোৰ একাষে থকা অকণমান ফাঁট এটাত কুঁজা হৈ কোনোমতে সোমাল।

"সোমাই আহ হিউ," আইভৰে মিচিকিয়াই হাঁহি মোক মাতিলে। "চাবি মূৰত খুন্দা খাবি।"

মোৰ আত্মাৰ এই গুহাৰ দৰে ফাঁটটোৰেদি আমি একেবাৰে কুঁজা হৈ আগবাঢ়ি গলো। আমাৰ মূৰ আহি প্ৰায় আঁঠুতে লাগিছিলহি। অলপ দূৰ গৈ আইভৰ ৰ'ল। কয়লা কটা কুঠাৰখন সি হাতৰপৰা নমাই থলে।

সি মোক ক'লে, "চাওঁ, মম কেইডাল জলাচোন। তাৰ পিছত কি কৰিব লাগিব মই দেখুৱাই দিম।"

আমি আমাৰ কোট, ৱেষ্ট কোট আৰু কামিজ খুলি থলো। মই মম দুডালমান জলালো। ঠাইডোখৰ প্ৰায় চাৰিও ফালৰ পৰা বন্ধ হোৱা গতিকে বতাহ ইমান কম আছিল যে মমৰ শিখাবোৰ প্ৰায় ছ ইঞ্চি ওখ হৈ উঠিল।

আইভৰে ক'লে, "বাৰু মই কয়লা কাটো আৰু তই সেইবোৰ এই ঢুকডাটোৰে ঠেলি নি যাই বাটটোত পেলা। তাৰ পিছত ইয়াৰ পৰা ওলাই গৈ মোৰ নামত থকা ট্ৰামগাড়ীখনত কয়লা ভৰাবি বুজিছ?"

"বাৰু।"

আইভৰৰ হাতৰ কুঠাৰ কয়লাৰ পাহাৰত দকৈ সোমাল।

এইদৰেই মই কাম আৰম্ভ কৰিলো।

ঘণ্টাৰ পিছত ঘণ্টা ঘামত তিতি কুঁজা হৈ আমি তাত কাম কৰি থাকিলো। কয়লাৰ গুৰিবোৰ আমাৰ গাত ঘনকৈ কিন্তু অতি সূক্ষ্মভাবে পৰি আছিল—যেন কয়লাই আমাক সাৱধান কৰিহে দিছিল যে যদিও এডিয়া ভাল

ব্যৱহাৰ কৰিছে সুযোগ পালেই এদিন সি আমাক হেঁচি ধৰিবহি। খনিৰ তলত মোৰ সদায় ভয় লাগিছিল—এই ভয় মই শেষলৈকে জয় কৰিব নোৱাৰিলো।

আইভৰৰ কুঠাৰৰ ঠক্ঠক্ আৰু কয়লাবোৰ বাগৰি যোৱাৰ ঘৰ্ ঘৰ্ শব্দৰ মাজতেও মই সদায় যেন কাৰোবাৰ শব্দ শুনিবলৈ পাইছিলো। চিক্মিকাই থকা ক'লা কয়লাৰ বেৰত মই যেন কাৰোবাৰ মুখ এখন দেখিছিলো। আইভৰে যিমান কয়লা নাকাটক, সেই মুখ কিন্তু তাত সদায় একেদৰে আছিল।

আমি ইমান কুঁজা হৈ কাম কৰিবলগীয়া হৈছিল যে মোৰ পেটৰ মাংসপেশীবোৰ কাটি যোৱা যেন লাগিছিল। কেতিয়াবা আঁঠুকাঢ়ি, কেতিয়াবা এখন কাষ মাটিত থৈ শুই আৰু কেতিয়াবা পিঠি মাটিত থৈ একেবাৰে চিত হৈ শুই আইভৰে কাম কৰি গ'ল। কয়লাৰ গুৰি আৰু ঘাম মিহলি হৈ তাৰ গা ক'লা চিক্ কাপোৰৰ দৰে কৰি তুলিলে। খোৱাৰ সময় নোহোৱালৈ আইভৰে এখন্তেক নিজিৰালে।

সেই প্ৰথম দিনাই মই গম পাইছিলো দাইবাঙোৰ পেটৰ মাংসপেশীবোৰৰ উৎপত্তি কত।

মমৰ হালধীয়া পোহৰত ঘণ্টাৰ পিছত ঘণ্টা গৰমত সিজি কাম কৰাৰ পাছত খোলা পৃথিৱীৰ বাতিৰ চেঁচা বতাহৰ মাজলৈ ওলাই আহি সি কি যে অপূৰ্ব শান্তি। সেইদিনাহে মই বুজিছিলো ৰ'দ ওলালে আমি কিয় দুৱাৰমুখত ৰ'দ পুৱাই বহি থাকোঁ। আমি তেনেকৈ বহি থাকো সূৰ্যৰ নিৰ্মল পোহৰ দুচকু ভৰি চাবলৈ, সূৰ্যৰ আশীৰ্বাদ লভিবলৈ, আৰু কেইঘণ্টামানৰ বাবে হলেও, কয়লাৰ ভয়ঙ্কৰ স্পৰ্শৰপৰা আঁতৰি থাকিবলৈ।

খনিৰ কামৰপৰা আমাৰ লগতে ওলোৱা মানুহবোৰৰ স'তে আমি পাহাৰ বগাই ঘৰমুৱা হলো। বাটত চিনাকি ল'ৰা কেইবাজনো লগ পালো। কিন্তু সিইঁতৰ কোনোৱে মোৰ পিনে ঘূৰিয়েই নেচালে। মই আচৰিত হলো। পিছতহে বুজিলো কথাটো কি—মুৰৰপৰা ভৰিলৈকে মোক কয়লাৰ গুৰিয়ে ঢাকি ৰাখিছে।

মই আইভৰৰ স'তে ব্ৰণইঁতৰ পাছফালৰ চোতালত গা ধুলো। আমাৰ ঘৰত গা ধোৱা মানুহ বহুত।

পানীয়ে ভৰি থকা গাখোৱা টাব আৰু শাৰী পাতি থোৱা গৰমপানীৰ বাল্টিবোৰ চাই ভাল লাগে। গাৰ কাপোৰ খুলি হ'তে ইচ্ছা পোলাই থোৱা। প্ৰথমে পানী এবাল্টি গাত ঢালি দিয়া, তাৰ পিছত চাবোন সনা, আৰু এবাল্টি পানী, আকৌ চাবোন৷ এতিয়াহে তোমাৰ গাৰ আচল বৰণটো দেখিবলৈ পাবা। পাছে হাত দুখনৰ অৱস্থা এতিয়াও বেয়া। তুমি যিমানে নঘঁহা কয়লা ভাণ্ডাৰীয়াই তোমাৰ গাত খোপনি পাতি বহি হাঁহি থাকিব। পানী কিন্তু মানুহৰ বৰ ডাঙৰ বন্ধু। ইয়াৰ বন্ধুত্ব আটাইতকৈ বেছি উপলব্ধি কৰিব পাৰি যেতিয়া ই চাবোনৰ লাঠি এডাল হাতত লৈ তোমাৰ পিঠিয়েদি নামি গৈ কয়লাৰ গুৰিবোৰ দূৰলৈ খেদি পঠিয়ায়।

ইয়াৰ পিছত টাবটোত নমাগৈ। বঢ়িয়াকৈ চাবোনৰ ফেন তুলি লৈ গোটেই গাত সানি লোৱা। টাবৰ পানীত ডুব মাৰা—দেখিবা, টাবৰ সেই সুহমীয়া পানীৰ উম্‌খিনি তোমাৰ গাৰ ছালখনৰ দৰে আপোন লাগি যাব।

গা ধুই থাকোঁতে ব্ৰণে আহি মোক দেখি ক'লে, "ককাদেউতাৰ বা আজি খবৰ কি?"

"ভালেই।" মই মোৰ গাটো টাবৰ ভিতৰত যিমান পাৰোঁ লুকুৱাই ৰাখিবলৈ চেষ্টা কৰিলোঁ।

হাতৰ আস্তিন কোঁচাই লৈ ব্ৰণে ক'লে, "ৰ, তোঁৰ পিঠিখন তেনেই ক'লা পৰি আছে। মই ঘঁহি দিওঁ।"

ব্ৰাছপাত হাতত লৈ ব্ৰণে মোৰ কান্ধ আৰু পিঠি ঘঁহি দি চাবোন সানি পানী ঢালি দিলে।

"মোৰ গাৰ ছালখন আছেতো?" ব্ৰণক মই সুধিলোঁ।

"ছালখন ঠিকেই আছে। ছালত থকা কয়লাৰ গুৰিৰ আঁক-বাঁকবোৰহে নাই।"

আইভৰ গা ধুবলৈ আহিল। মোৰ কাপোৰ পিন্ধা হ'লত ব্ৰণ আকৌ পাছ-চোতাললৈ আহিল—এইবাৰ আইভৰৰ গাটো ঘঁহি দিবলৈ। মই আমাৰ ঘৰলৈ গ'লোঁ।

মোক দেখি মাই হাঁহো নেহাহোঁকৈ ক'লে, "তই দেখোন গা-পা ধুই সাজু?"

"ওঁ মা।"

"তই কামত বৰ কষ্ট পাইছিলিনেকি বাছা?"

"নাই মা।"

"বাৰু, ভাল কথা। এতিয়া বহু আৰু ভালকৈ খাই ল।"

দেউতা কোঠাটোলৈ আহি মোৰ কাণ এখনত মৰমৰ টান এটা মাৰি ক'লে, "কাইলৈৰ পৰা ভই উকিল এজনৰ তলতে কাম শিকিবলৈ ল, বুজিছ? খনিত কাম কৰা এৰ।"

মই ক'লো "খনিৰ কামেই ভাল হ'ব দেউতা।"

"বাৰু, পিছত—হে বুজিবি। সময় বহুতো আছে··· ·····আৰু কয়লাও বহুতো আছে," দেউতাই ক'লে।

পিছৰ কেইবছৰত সঁচাকৈয়ে বুজিছিলো।

মই কাম আৰম্ভ কৰাৰ বোধকৰো দুমাহমান পিছত কেইনৰেনৰ পৰা চিঠি এখন পাইছিলো। চিঠিখন মোক আনি দিছিল ডাক-গাড়ী চলোৱা এলিচে নহয়, কেইনৰেনৰ দেউতাকৰ কয়লাৰ গাড়ী চলোৱা গাড়োৱান এজনেহে। চিঠিত তাই লিখিছিল মই যেন শনিবাৰে আবেলি সেই আগৰ ঠাইত তাইৰ স'তে দেখা কৰোঁ।

মই তাইক প্ৰায় পাহৰিয়েই গৈছিলো।' চিঠিখন পোৱাৰ লগে লগে কিন্তু তাইৰ স্মৃতিয়ে মোক বেচি ধৰিলেহি। মই শনিবাৰৰ বাবে অধীৰ হৈ বাট চাই ৰলো।

শনিবাৰৰ আগতেই অৰেনে লণ্ডনৰপৰা টেলিগ্ৰাম এখন পালে। ইঞ্জিনটো কাঠৰ ভাণ্ডৰ বাকচ এটাত ভালকৈ 'পেক্' কৰাত মই অৰেনক সহায় কৰি দিলো। গুইলামে অৰেনৰ যন্ত্ৰ-পাতিবোৰ আন এটা বাকচত সুমুৱালে। এইবোৰ কৰি থঁতাই মই সিহঁতৰ লগত ৰেল ষ্টেশনলৈ গলো দুয়োকে বিদায় দিবলৈ।

ৰেলগাড়ী আহি পোৱাৰ আগলৈ আমি তিনিও কেইবাঘণ্টা জুৰি প্লেটফৰ্মৰ ইমূৰৰপৰা সিমূৰলৈ গিৰিপ্ গাবাপ্ কৈ খোজ কাঢ়ি থাকিলো। অৰেনহঁতৰ বাকচবোৰত 'লণ্ডনলৈ' বুলি লেবেল লগাই দিয়া হৈছিল। সেই লেবেলবোৰ আমি ষ্টেশনত বৈ থকা অইন মানুহবোৰক ইচ্ছা কৰি ঘূৰাই-ফিৰাই দেখুৱাবলৈ চেষ্টা কৰিলো। আমাৰ অলপ ফুটনিয়েই হৈছিল—কাৰণ অইন আটাইবোৰ মানুহ মাত্ৰ দুই এটা ষ্টেচন দুৰলৈ যাব। কিন্তু আমি? আমি যাম একেবাৰে সেই লণ্ডনলৈ! মোৰ ভাব হ'ল—মযো যাব পাৰিলোহেঁতেন যদি! কিন্তু লণ্ডনলৈ নগলেও মই সিদিনা নিজকে ডাঙৰ দেখুৱাবলৈ কোনো সুযোগ এৰি

দিয়া নাছিলো। বেল এবাত মই প্রেট্কর্মত থিয় দি অবেন আৰু ভূইলামক উদ্দেশ্য কৰি বহু সময় হাত জোকাৰি থাকিলো। ষ্টেশনৰ পৰা ওলাই আহিবৰ সময়ত মানুহে কোৱা শুনিলো যে মই মৰ্গান পৰিয়ালৰ ল'ৰা, মোৰ ককাইদেউ দুজন এই মাত্র লণ্ডনলৈ গ'ল। সম্ভ্রমপূর্ণ এই কথাবোৰ শুনি মোৰ মনটো আনন্দত নাচি উঠিছিল।

মোৰ জেপত অবেনে ব্ৰডবেনলৈ দিয়া চিঠি এখন আছিল। চিঠিখন মনে মনে ব্ৰড্বেনক দিব লাগিব। সেইদিনা মোৰ নিজকে কোনোবা ৰজা-মহাৰজাৰ দূত যেন লাগিছিল।

টুন-ই-কুদলৈ খোজ ললো। আগফালৰ বাগিছাৰপৰা হাতত এসোপা ফুল লৈ ব্ৰড্বেন ওলাই আহিল। বঙা আৰু হালধীয়া গোলাপ ফুল এসোপা হাতত লৈ থকা ব্ৰডবেনক সেইদিনা সঁচাকৈয়ে বৰ ধুনীয়া লাগিছিল।

"হিউ দেখোন। কি খবৰ?" ব্ৰডবেনে মোক দেখি ক'লে।

অইন কোনেও যাতে শুনে সেইবাবে মই খুব লাহেকৈ কলো, "অবেন লণ্ডনলৈ গৈছে। সি এই চিঠিখন আপোনাক দিবলৈ কৈ গৈছে। সি কৈ গৈছে আপুনি যেন এই বিষয়ে কাকো একো নকয়।"

ফুলখিনি মোৰ হাতত দি তেওঁ চিঠিখন খুলিলে। চিঠিখন পঢ়ি থাকোঁতে তেওঁ কেইবাবাৰো মিচিকিয়াই হাঁহিলে; দুই এবাঁৰ লাজত ৰঙা পৰিও উঠিল। চিঠিখন পঢ়া শেষ কৰি তেওঁ হাঁহি হাঁহি মোক ক'লে, "হিউ, মই যে আজি কিমান সুখী। তুমি মাৰক এটা কথা ক'বা—কবা যে মই সোমবাৰে লণ্ডনলৈ যাম। হঠাতে যাবলগীয়া হ'ল এই বুলিও ক'বা।"

"বাৰু।"

"অ', আৰু এটা কথা কবা—কবা যে আয়েষ্টিন এই মাহৰ ভিতৰতে দক্ষিণ আফ্রিকালৈ যাব"

"তেওঁ তেন্তে সৈন্য বাহিনীত সোমাল নেকি?" ভীষণ আচৰিত হৈ মই ব্ৰড্বেনক সুধিছিলো।

"নহয়, নহয়। তেওঁ কিবা কয়লা বেচা সংক্রান্তভহে তালৈ যাব। বাৰু তুমি এতিয়া চাহ খোৱা হিউ।"

"থাম বাৰু। চাহ খায়েই কিন্তু মই যাব লাগিব দেই। খনিত 'নাইট্ ছিফ্টৰ' কাম আছে।"

“তোমাক খনিব কাৰণবা উদ্দিয়াইছে এবিধ বুলি মই প্ৰতিজ্ঞা কৰিছো হিউ। বেছিদিন নালাগিব—মই তোমাক একেবাৰেই। তুমি দেখিবা নহয়।”

দেখিছিলো ঠিকেই।

কিন্তু ব্ৰত্‌বেনে যি দৰে ভাবিছিল সেইদৰে নহয়।

.. .. কথাবোৰ মাক টৈ কোবাত মাই ক'লে, “ঙ, মই আগতেই ভনিছো। আৱেষ্টিন নথকা দিন কেইটা আংগাছাদ ঘৰতে আহি থাকিবহি। বাহিৰৰ মানুহ কাকো একো নকবি বুজিছ ?”

৩০

শনিবাৰৰ আবেলি। কেইনবেন। মই মোৰ আটাইতকৈ ভাল চুটবোৰ পিন্ধিলো। কোটৰ কলাৰত ৰঙা গোলাপ এপাহ লগাই ললো। ফুলপাহৰ যে গোন্ধ—ঠিক সৰগৰ নিয়ঁৰবোৰৰ দৰে।

কেইনবেনহঁতৰ ঘোঁৰাগাড়ীখন আছিল—সেই একেখন গাড়ী, সেই একেজনী ঘোঁৰা।

আৰু আছিল কেইনবেন।

নীলা চোলা পিন্ধা, নতুন ধানখেৰৰ দৰে সোণবৰণীয়া চুলিৰ কেইনবেন আছিল গাড়ীখনত থিয় দি, হাতত চাবুকডাল জোকাৰি জোকাৰি।

এজনী [illegible]বিনা নাৰী।

কিন্তু এতিয়াও সেই আগৰ মিচিকিয়া হাঁহি, সেই চকুযুৰি, আৰু আগৰ সেই চুমা।

"হিউ, তুমি একেবাৰে মস্ত ডাঙৰ-দীঘল মানুহ এজন হৈ পৰিলা। বলা, এতিয়া গাড়ীখন কোনেও নেদেখাকৈ ক'ৰবাত লুকাই থওঁ।"

"আৰু ঘোঁৰাজনীও ভালকৈ বান্ধি থওঁ, নহয় জানো? এইবাৰ আৰু পলাই গৈ তোমাৰ ঘৰৰ সকলোকে আমাৰ কথা জনাব নোৱাৰে যেন।"

"ওঁ, ঠিক কৈছা। তাইৰ সেই কাণ্ডৰ ফলত মোৰ যে কি বিপদখন হ'ল! মোক দেউতাইহঁতে এনেকৈ মাৰিলে যে মই কেইবাদিনো বিচনাত পৰি থাকিলো। মই পাছে তোমাৰ কথা কাকো একো নকলো।"

"মই তোমাৰ দেউতাৰৰ স'তে দেখা কৰিম বুলি ভাবিছিলো।" লাজতে মোৰ মাটিৰ লগত মিহলি হ'বৰ মন গ'ল।

কেইনবেনে ক'লে "দেখা নকৰি ৰক্ষা পৰিলা। দেউতাই বন্দুক এটা লাহু

কৰি থৈছিল। বাৰু, সেইবোৰ এৰা। তোমাক মই আজি ইয়ালৈ কিয় মাতি আনিছোঁ তুমি জানা জানো?"

"নাজানো, কিয় বাৰু?"

যুৱতীগৰাকীয়ে...

যুৱতী ভাল কৰি কেইন্‌বেনে ক'লে, "তুমি মোক থিয়েটাৰ চাবলৈ টাউন হললৈ লৈ যাব লাগিব।"

"কি থিয়েটাৰ?" মোৰ ভয় লাগি গ'ল।

"থিয়েটাৰ আৰু কি? থিয়েটাৰৰ দল এটা ছুৰাভিৰ বাবে 'টাউন হল'লৈ আহিছে। ঘৰত থিয়েটাৰৰ নামকে লব নোৱাৰোঁ; অকলে চাবলৈ যোৱাটো দূৰৰ কথা। ককাইদেউক নিবলৈ ক'লে সি কি কৰিব জনাবালেহে জানে, হয়তো দেউতাক লগাই দিবগৈ। দেউতাই তেতিয়া হলে মোক জন্মলৈ লগাই বন্ধ কৰি থ'ব। আৰু মই যদি অকলে থিয়েটাৰ চাবলৈ যাওঁ গাঁৱৰ মানুহে মোক শিলগুটি দলিয়াই বাটতে মাৰি পেলাব।"

মই সুধিলো, "থিয়েটাৰ চোৱাৰ তোমাৰ ইমান ইচ্ছা কিয় বাৰু?"

"ছিঃ।" অকণমান ছোৱালী এজনীৰ দৰে তাই মোৰ কাষ চাপি আহিল। চকু দুটা তাই বহলকৈ মেলি ধৰিলে। সেই চকুত মই দেখিলো কোমলতা, চকুলো আৰু লগতে একেবাৰে ভিতৰত উজ্জ্বল মিচিকিয়া হাঁহি।

মই তাইৰ ওচৰৰপৰা আঁতৰি আহিলো। মোৰ শৰীৰৰ মাজ ভাগত উত্তপ্ত হৈ উঠা তীখাত কিহবাই যেন হাতুৰী মাৰিবলৈ আৰম্ভ কৰিলে। ক'ৰবাৰ দুই একুৰাই যেন মোৰ বাজহাড় জলাই দি চকুত চকুলো আনি দিলে। মোৰ চিন্তাশক্তি, মোৰ বুদ্ধি ক'ৰবালৈ গ'ল। থাকিল মাথোন মোৰ দৃষ্টি-শক্তি, কিন্তু সিয়ো একেবাৰে দুৰ্বল। কাণেৰে মাথোন শুনিলো মোৰ তেজৰ উথল-মাথল আৰু বহু দূৰৰপৰা অহা যেন লগা কেইনবেনৰ মাত। এনেদুৰা উত্তেজিত অৱস্থাত মানুহৰ নিজকে ৰজা-মহাৰজা যেন লাগি যায়।

"মই অভিনেত্ৰী হ'ব খোজোঁ।" কেইনবেনে ক'লে।

"কিয়?" মই চিঞৰি উঠাৰপৰা কোনোমতেহে নিজক ৰচালো।

"কিয় আৰু? মই হ'ব খোজোঁ কাৰণে। ইয়াত কোনো 'কিয়' নাই; মই হ'ব খোজোঁ, বহু সেয়ে যথেষ্ট। কয়লা বেপাৰ কৰা আমাৰ চোতালবোৰ দেখি দেখি মোৰ ঘৃণা উপজিছে। কিমান আৰু কয়লাৰে হাত ক'লা কৰিম? মই অভিনেত্ৰী হমেই।"

"তুমি এইবোৰ কৰিবলৈ গ'লে ধৰলৈ আৰু কেতিয়াও কিবি নাহিব নোৱাৰিবা।" মই তাইক বুজাবলৈ চেষ্টা কৰিলো।

"কোনো কথা নাই। মই কিবি নাহিলে মোৰ বাবে কোনেও নেকান্দে।"

"তুমি বৰ কষ্ট পাবা। আৰু তাবোপৰি থিয়েটাৰৰ দলত থকা মানুহবোৰো বৰ ভাল মানুহ নহয়।"

"যদি মিষ্টাৰ আৰভিং বেয়া মানুহ, তেন্তে বেয়া মানুহ হোৱাত মোৰো আপত্তি নাই।"

কেইনৰেনক সুধিলো, "মিষ্টাৰ আৰভিং আকৌ কোন?"

"উস্ ভগবান! এওঁ মিষ্টাৰ আৰভিঙৰ নামো নাজানে। মিষ্টাৰ আৰভিং কোন বুলি সোধে। কিয়? তেওঁক চাবলৈ দেখোন লণ্ডনৰ মানুহ বলিয়া হৈ আছে।" কেইনৰেন ভীষণ আচৰিত হৈছিল।

"তুমি তেন্তে লণ্ডনলৈ যাবা নেকি?" মই আশা কৰিলো তাই নাযায় বুলি ক'ব।

"যামতো। এতিয়াই অৱশ্যে নহয়, কিন্তু সময় হ'লেই যাম। তাৰ মানুহ তেতিয়া মোৰ বাবে হাতত ফুল লৈ ষ্টেজৰ দুৱাৰমুখত বৈ থাকিবহি।"

"আমাৰ ইয়াৰ থিয়েটাৰখনলো যাব কেতিয়া?" মই সুধিলো। এইবাৰ মই আশা কৰিলো যে থিয়েটাৰ হোৱাৰ সময়ত মোৰ খনিত কাম থাকিব।

কেইনৰেনে ক'লে, "অহা বুধ আৰু বৃহস্পতিবাৰে সাত বজাত। টিকেটৰ হাৰ চাৰি পেন্স, ছয় পেন্স আৰু এক চিলিং। তুমি ফাঁকি দিবৰ চেষ্টা কৰি লাভ নাই। মই জানো, এই দুটা দিনত এই সময়ত তোমাৰ খনিত কাম নাই। তুমি কোন কোন 'ছিফ্টত' কাম কৰা তাৰ লিষ্ট এখন মোৰ লগতে আছে।"

"অ' সাৰিব যাতে নোৱাৰে। তাৰ ব্যৱস্থা আগতে কৰি থৈছা দেখিছো।"

"ওঁ, নকৰি উপায় আছে জানো?" কেইনৰেনে হাঁহি হাঁহি ক'লে। "ছিউ, তুমি মোক তালৈ লৈ যাবানে? নিম বুলি কোৱানা ছিউ।"

নিনিওঁ বুলি কেনেকৈ কওঁ? তাই সেই মাতটোৰে 'হয়' বুলিলে 'নহয়' বুলিবলৈ মহা মহা ঋষি-মুনিয়েও টান পাব। মই বুজিলো যে নিনিওঁ বুলিবলৈ চেষ্টা কৰি লাভ নাই, কাৰণ, ইতিমধ্যে ক'ৰবাৰপৰা এনাজৰীৰে আহি মোক বেঁচি ধৰিছিলহি। তেতিয়া মোৰ মাথোন ইচ্ছা হৈছিল কেইনৰেনৰ কাষত

ভই থাকিবলৈ ; তাইৰ গাৰ গোন্ধ লবলৈ ; তাইৰ ওঁঠৰ কাষ চাপিবলৈ , তাইৰ কোমলতাবোৰ ছুবলৈ ।

ক'লো, "নিম বাৰু।"

"হিউ," এইবুলি তাই হাত এখন মোৰ ডিঙিত থৈ মোৰ মুখখন তাইৰ পিনে টানি নিলে চুমা খাবলৈ। তেতিয়া তাইৰ শৰীৰত আহি পৰিছিল প্ৰচণ্ড শক্তি। তেতিয়া তাই মুখেৰে কিবা কিবি অস্ফুট শব্দ কৰি উঠিছিল। তেতিয়া তাই মোক ইমান জোৰে সাবুৰি ধৰিছিল, যে তাইৰ নখৰ চিন কেইবা দিনো মোৰ গাত পৰি আছিল। মোক ইতিমধ্যে বলিয়ালিয়ে পাইছিল। এই বলিয়ালি আছিল মোৰ ওঁঠত, মোৰ আঙুলিত আৰু মোৰ শৰীৰৰ মাজ ভাগত। তেনে অৱস্থাত কি দেৱতাসুলভ শক্তিয়ে তোমাক পাই বহে সেই কথা তুমি কিন্তু গম নোপোৱা।

ওঁঠ দুটিয়ে নতুন সোৱাদ বিচাৰি হাবাথুৰি খায়। আঙুলিবোৰে কোমল ঠাই বিচাৰি ফুৰে। শৰীৰৰ মাজ ভাগত য'ত তীখাৰ কাঁড়ডালৰ সৃষ্টি, তাত উৎপত্তি হয় প্ৰচণ্ড উত্তাপ। সেই ঠাইতোখৰে কিন্তু কেনেবাকৈ জানে যে শীতলতা আহিব অকল নাৰীৰ তপত তেজৰ সান্নিধ্যতহে। সেই তেজৰ হ্ৰদ বিচাৰি শৰীৰত পোৰণি আৰম্ভ হয় ; সেই হ্ৰদৰ কাষ চাপি যাবলৈ, সেই হ্ৰদত ডুবি যাবলৈ শৰীৰ ব্যাকুল হৈ উঠে। তেজৰ মিলন হ'লে মাহুহৰ জ্ঞান হেৰাই যায়—উশাহ পাহৰি যায়, মাংসপেশীবোৰ শিল যেন টান হৈ উঠে , ব্যাধে তেতিয়া ধনুৰ টনটনীয়া গুণডাল টানি কাঁড় এৰি দিয়ে।

সেই কাঁড় উৰি গৈ পৃথিৱীৰ কোনো বস্তুৱে কেতিয়াও নোপোৱা উচ্চতা পায়গৈ। ক'ৰবাৰপৰা ধুমুহাৰ দৰে কোবাল সঙ্গীত আহি আকাশ ছাটি পেলায়। কোনো দিনেই সৃষ্টি নোহোৱা কবিতা কিছুমানৰ গুণ গুণনি আহি চাৰিও দিশ বজন অনাই তোলে। দৃষ্টিশক্তিহীন চকুৰ সন্মুখত অদ্ভুত ৰং কিছুমান আহি ফুলজাৰীৰ দৰে ছিটিকি পৰে। নতুনকৈ সৃষ্টি হোৱা সুগন্ধময় পৃথিৱীখনত যুগ যুগ জুৰি ঘূৰি থাকিবলৈ শ শ উজ্জ্বল জোনৰ সৃষ্টি হয়।

ইয়াৰ পিছতে তীখা কোমল হৈ পৰে। ইতিমধ্যে কিন্তু ই তাৰ গান গাই লৈছে। শৰীৰলৈ উশাহ-নিশাহ ঘূৰি আহে ; অঙ্গ-প্ৰত্যঙ্গত মৃদু কঁপনি আৰম্ভ হয়। তেতিয়াহে চকুযুৰিয়ে আগৰ দৃষ্টিশক্তি ঘূৰাই পায়।...গছবোৰ ঠিক আগৰদৰেই আছে ; অকণো সলনি হোৱা নাই। অগ্নিময় বজ্ৰপাতো

অপেক্ষা কৰি থকা নাই। হাতত জলন্ত তৰোৱাল লৈ দেৱদূতো থিয় হৈ থকা নাই। কিন্তু ঠিক এনেকুৱা কাৰ্যৰ ফলতে সেখোন মানৱৰ উত্থান পূৰ্ণ হৈ পৰিছিল?...মই জ্ঞান-বিৰিখৰ ফল খালো। ইভৰ তপত শৰীৰ তেতিয়াও মোৰ শৰীৰৰ তলত পৰি আছিল।

তথাপি আমাৰ ওপৰত বজ্ৰাঘাত নহ'ল, ঈশ্বৰে আমাক খেদি নপঠিয়ালে; জলন্ত তৰোৱালেৰে দেৱদূতে খেদি নাহিল।

চৰাই এটাইহে তেতিয়া গান গাই আছিল। আৰু আছিল সেউজীয়া ঘাঁহৰ গোন্ধ আৰু পাহাৰখনৰ নিৰ্জনতাবোৰ।

কেইনবেনে চকু মেলিলে। চুটিকৈ হুমুনিয়াহ এটা পেলালে। তাইৰ যেন কান্দোন আহিব খুজিলে। সেই আগন্তুক কান্দোনৰ হাত সাৰিবলৈ তাই দীঘলকৈ ঢোক এটা গিলিলে।

প্ৰায় অৱশ হাত এখনেৰে সাৱটি ধৰি তাই ক'লে, "হিউ, তুমি কি কৰিলা? ...মই পাছে এই কথা ভাবি ভাল পাইছোঁ যে মোৰ জীৱনৰ প্ৰথম পুৰুষজন তুমিয়ে হ'লা। আৰু তুমি একমাত্ৰ জন হ'বা। অইন কোনোৱে মোক এইদৰে পাব নোৱাৰিব।"

"মোৰ সোণজনী," এইবুলি মই তাইক চুমা খালো। ইয়াৰ পিছত মই আমাৰ উপত্যকাখনৰ পিনে চালো।

সেইদিনাখনো কিমান সেউজীয়া আছিল আমাৰ উপত্যকাখন—সেউজীয়া আৰু সূৰ্যৰ পোহৰত জিলমিল্ কৰি থকা।

"বুধবাৰে চাৰে ছয় বজাত, মনত থাকিবতো?" কেইনবেনে ক'লে।

"নিশ্চয় থাকিব। 'টাউন হল'ৰ ওচৰতে লগ ধৰিম।"

গাড়ী চলোৱা চাবুকডাল বাওঁ হাতখনত লৈ তাই মোৰ পিনে চাইছিল। তাইৰ চকুত সেইদিনা ধুনীয়া লাজকুৰীয়া ভাব এটি দেখি মই আচৰিত হৈছিলো। তেনেকুৱা ভাব মই কেইনবেনৰ চকুত আগতে কেতিয়াও দেখা নাছিলো।

সুধিলো, "কি হ'ল?"

দীঘল বাটটোৰে একেধৰে সন্মুখলৈ চাই থাকি খুব লাহেকৈ তাই সুধিলে, "তোমাৰ সকলো শ্ৰদ্ধা হেৰাই গৈছে, নহয় জানো?"

"শ্ৰদ্ধা? কি শ্ৰদ্ধাৰ কথা কৈছা?"

"মোৰ ওপৰত তোমাৰ বি শ্ৰদ্ধা আছিল।"

"কিয় হেৰাই যাব ?"

"অলপ আগতে তুমি মোৰ ল'তে যি কৰিলা সেইবাবে।"

এনেকুৱা ছুখলগা অৱস্থাত ছোৱালী এজনীক মনৰ শান্তি কিবাই দিয়ালৈ যাওঁতে কি কোৱা উচিত মই ভাবি নেপাওঁ।

মই মাথোন ক'লো, "শুনা, কেইনৱেন, পাৰিলে অন্তৰখন উলিয়াই আনি তোমাৰ সন্মুখত পেলাই দি তোমাক জোতাৰে গচকিবলৈ কলোহেঁতেন। আৰু সেইমতে তুমি এমুৰৰপৰা গচকিবলৈ আৰম্ভ কৰিলেও মোৰ অন্তৰে তোমাৰ বিষয়ে এবাৰ বেয়া মাত নামাতিব। শ্ৰদ্ধা কি ? ছুঁপীত হাত লগাই তোমাক চালাম কৰিলেহে শ্ৰদ্ধা কৰা হয় নেকি ?"

"কিন্তু মই জানো বেয়া ছোৱালী ?" ছলছলীয়া চকুৰো লৈ তাই মোক সুধিলে।

"ঈশ্বৰেহে জানে। আৰু ঈশ্বৰেতো এই বিষয়ে এতিয়ালৈকে একো কোৱা নাই।"

"কিন্তু হিউ, তুমি জানো আগতে মোক যি চকুৰে চাইছিলা সেই চকুৰে এতিয়াও চোৱা।"

"কেইনৱেন।" মই তাইক সাৱটি ধৰি পুনৰ বহুতো চুমা দিলো। "বুধবাৰৰ চাৰে ছয় নবজালৈ প্ৰতিটো মিনিট মোৰ মনত এটা এটা বছৰ যেন লাগিব, এই কথা জানা জানো ? তোমাৰ ল'তে মই এই জীবনৰ সীমাৰ বাহিৰৰ কিবা দেখিলো আৰু শুনিলো। এইবাবে মই তোমাক আগতকৈ বেছি ভাল পাব নে কম, তুমিয়ে কোৱা।"

খুব মৰম লগাকৈ কেইনৱেনে ক'লে "বেছি।"

"ওঁ, বেছিতো।"

"বাৰু বাওঁ এতিয়া।" তাই ঘোঁৰাগাড়ীখনত উঠিলগৈ।

"ৰোৱা।"

তাই হাঁহিলে। হাতৰ চাবুকডালে চটপ্ শব্দ কৰিলে ; ধূলি উৰিল আৰু লগতে উৰিল কেইনৱেনৰ নীলা ফ্ৰক্।

হৈ যোৱা ঘটনাবোৰৰ সপোন দেখি দেখি মই বলিয়া হলো।

বুধবাৰৰ দিনটো আইভৰ কয়লা কটা কুঠাৰখনৰ ওপৰত ভৰ দি পাৰ হৈ

যোৱা যেন লাগিল। টুক্ টুক্ টুক্‌কৈ আইভৰ কুঠাৰে কয়লা কাটিলে আৰু মই সেই কয়লাৰ টুকুৰাবোৰ বৰ কৌশলেৰে স্বকতাটোৰে আলিবাটটোলৈ যুগৰাই দি থাকিলোঁ। মাজে মাজে স্বৰতাটোৰে বাহিৰলৈ ওলাই গৈ কয়লা নিয়া গাড়ীবোৰত কয়লাৰ প্ৰকাণ্ড প্ৰকাণ্ড টুকুৰাবোৰ উঠালোঁ। এই সকলোবোৰ কাম মই সেইদিনা কিবা এটা অদ্ভুত আসুৰিক শক্তিৰে কৰি গলোঁ। প্ৰতিজোখৰ কয়লা কটা যোৱা মানে কেইনবেনক আবেলি লগধৰাৰ পিনে কেইমুহূৰ্তমান আগুৱাই যোৱা, প্ৰতিখন গাড়ী কয়লাৰে ভৰোৱা মানে সেই একে পিনে আৰু কেইমিনিটমান আগুৱাই যোৱা, কয়লাৰ বেৰৰপৰা প্ৰতিজোখৰ কয়লা খহি পৰাৰ মানে মই কেইনবেনক লগ পোৱাৰ পিনে অন্ততঃ এখুট ওচৰ চাপি যোৱা। তথাপি ইমানবোৰ কৰিও মোৰ কিন্তু সেই দুৱাৰৰ দিনটো দুপুৰায় যেন লাগিছিল।

কিন্তু আবেলি মোৰ আটাইতকৈ ভাল চুটবোৰ পিন্ধি পাহাৰখনৰ চিং গৈ পাই লিনটোৰ কণ্ঠধ্বনিৰ কথা মই সমূলি পাহৰি গলোঁ। মই চিঞৰি গান জুৰি দিলোঁ। চৰাইবোৰ গছৰ ডালত বহি মূৰ দুপিয়াই মোৰ গান শুনি থাকিল। চৰাইবোৰ কিন্তু বৰ ভদ্ৰ দেই। মনত যদি তোমাৰ আনন্দ থাকে আৰু সেই আনন্দ কৰিবলৈকে তুমি গীত জোৰা তেন্তে চৰাইবোৰে তোমাৰ আশে পাশে ঠাই কৰি লৈ গান শুনিবলৈ বহি যাব। তোমাৰ গান শেষ নোহোৱালৈ সিহঁতে টু শব্দ এটাও নকৰে।

টাউন হলটোক 'টাউন হল' বোলা হৈছিল মাথোন এইবাবেই যে সেইটোৱে চহৰখনত একমাত্ৰ হল আছিল। হলটোৰ অৱস্থা দেখিলে পুতৌ জন্মে। খেতিয়ক এজনেও হয়তো এইটো ভঁৰাল ৰূপে ব্যৱহাৰ কৰিবলৈ লাজ পালেহেঁতেন।

থিয়েটাৰ হলৰ ভিতৰ সোমাওঁতে কেইনবেনে মোৰ হাতখন জোৰেৰে খামুচি ধৰি আছিল। সাৱধান হৈ থকাই ভাল এই কথা মনত ৰাখি দুৱাৰৰ ওচৰৰ আসনৰ দুই চিলিং দামৰ টিকেট কিনিলোঁ। হলটো মানুহেৰে ভৰি উঠালৈ আমি বাহিৰতে থাকিলোঁ। থিয়েটাৰ আৰম্ভ হোৱাৰ ঠিক আগে আগে লাইটবোৰ নুমাই দিয়াৰ পিছতহে আমি দুয়ো ভিতৰ সোমালোঁ।

শেক্সপীয়েৰৰ নাটক। থিয়েটাৰ কৰা দলটোৰ প্ৰত্যেকে অলপ-অচৰপকৈ পাৰ্ট পাই গলহি। হেমলেটৰ চৰ্বি লাগি আছিল—আৰু ৰিচাৰ্ড মেকবেথ আৰু

ছাইনকৰো সেই একে অৱস্থা। মোৰ দৃঢ়বিশ্বাস একেজন মানুহেই এই আটাই-কেইটা পাৰ্ট ৰূপায়িত কৰিছিল। খুব ভালদৰে কৰিছিল কিন্তু। অকেলীয়া হ'ল শকত মানুহ এজনী। কৰ্ডেলিয়া, লেডী মেক্‌বেথ্ আৰু পৰ্চিয়াৰ পাৰ্ট সেই একেজনী মানুহে কৰিলে। কল্‌টাক ষ্টেজত ওলোৱাৰ লগে লগে হাঁহিৰ খলকনি উঠিল।

ইয়াৰ পিছত আৰম্ভ হ'ল গোটেই দলটোৱে লগ লাগি কৰা এখন নাটক।

কেইনৰেনে ফুচ্‌ফুচাই কলে, "খুব ভাল, নহয় জানো?" থিয়েটাৰ চাবলৈ পাই তাইৰ আনন্দৰ সীমা নোহোৱা হৈছিল।

হঠাতে আমি বাহিৰৰপৰা অহা ধৰ্ম-সঙ্গীতৰ শব্দ শুনিবলৈ পালো। লগে লগে শুনিলো থিয়েটাৰ হলৰ দুৱাৰত বাহিৰৰপৰা টকিওৱাৰ শব্দ। হলৰ ভিতৰত থকা মানুহবোৰে বাহিৰৰ মানুহবোৰক মনে মনে থাকিবলৈ কলে। কিন্তু কলে কি হব। বাহিৰত যে এতিয়া শ শ মানুহে ধৰ্ম-সঙ্গীত জুৰি দিছে।

"বলা, সোনকালে বলা।" কেইনৰেনক মই একপ্ৰকাৰ টানিয়েই হলৰ বাহিৰৰ বাৰান্দালৈ লৈ আনিলো।

"হিউ এতিয়া কি হ'ব? আকৌ বিপদত পৰিলোনেকি?" ভয়ত কঁপি কঁপি উঠি তাই মোক সুধিলে।

"অকল তোমাৰে নহয়, মোৰো বিপদ। বাৰু তুমি এতিয়া এটা কাম কৰা—তুমি ষ্টেজৰ পাছফাললৈ পলোৱা। মই ইয়াতে বৈ চাই থাকোঁ কোনোবাই তোমাৰ পাচ লয় নেকি?"

মই কোৱামতে কেইনৰেন ষ্টেজৰ পাছ ফাললৈ গুচি গ'ল। মই দুৱাৰমুখত পহৰা দি থাকিলো।

তেনেতে দেখিলো—দাইবাও আৰু কুহভাৰ্‌থা। ইতিমধ্যে থিয়েটাৰ হলটোৰ ঘাই দুৱাৰখন বাহিৰৰ মানুহৰ উৎপাতত ভাঙি পৰিবৰ উপক্ৰম হৈছে।

মই দাইক কলো, "দাই, পাছফালৰ দুৱাৰেদি ওলাবৰ চেষ্টা কৰিলে কেনে হয়?"

দাইয়ে মোক ভালদৰে দেখি আচৰিত হৈ গ'ল। "আৰে, হিউ দেখোন।"

"ও, পাছে এই মানুহবোৰ ক'ৰপৰা ওলালহি?"

"গিৰ্জাৰপৰা। আকনো কৰপৰা আহিব? গিৰ্জাৰ মানুহবোৰে হেনো

এই হলটোত থিয়েটাৰ কৰিবলৈ দিয়া বাবে হুলস্থুল এখন লগাইছিল। এইবাবেই গিৰ্জাত বিশেষ প্ৰাৰ্থনা-সভা এখন পাতিছিল। আৰু তাৰপাছত এতিয়া ইয়াত আহি এই কাণ্ডখন কৰিছে, নহয় জানো কুহ্‌ভাৰ্‌থা ?"

কামিজৰ হাতৰ বুটামকেইটা মাৰি থাকি কুহ্‌ভাৰথাই কলে, "ঠিক কৈছ দাই। পাছে আমি এতিয়া ইয়াৰপৰা ওলোৱাৰ কথা ভাবিব লাগিব।"

মই কলো, "পাছ ফালেদি ওলাই যাওঁ বলা।"

"মই আগফালেদিহে বাহিৰ ওলাম" মূৰৰ টুপীটো ঠিককৈ পিন্ধি লৈ দাইয়ে উত্তৰ দিলে। "ভাল মানুহৰ নিচিনাকৈ পয়চা দি থিয়েটাৰ চাইছোঁ, ভাল মানুহৰ দৰে আমি শান্ত-শিষ্টভাৱে থিয়েটাৰ হলত বহি আছোঁ আৰু এতিয়া ভাল মানুহৰ দৰেই আগফালৰ দুৱাৰেদি ওলাই যাম। কি কৱ কুহ্‌ভাৰথা ?"

"ঠিক কৈছ দাই। আমি দুয়ো শান্ত-শিষ্ট মানুহ—আগফালেদিয়েই ওলাম।"

মই সুধিলো, "ময়ো তোমালোকৰ লগত যাম নেকি ?"

"বল, আমাৰ দুয়োজনৰ মাজত সোমাই ল। তই মাথোন এটা কাম কৰিবি —মই মানুহবোৰক ঘুচিয়াম আৰু তই মাথোন ভৰিৰে লাঠি মাৰি থাকিবি। ঠিক আছে নহয় কুহ্‌ভাৰ্‌থা ?

"ওঁ, ঠিক আছে। পাছে লাহে লাহে মাৰিবি কিন্তু হিউ। কাৰোবাৰ হাড়-চাৰ ভাঙিব লাগিলে তই নিজেই মনত শান্তি নেপাবি নহয়," কুহভাৰথাই খুব গম্ভীৰভাৱে কৈ গ'ল।

"ওঁ, এতিয়া সাজু হৈ লোৱা যাওঁক।" এইবুলি দাইয়ে কোটৰ বুটাম কেইটা মাৰি ললে। দাইৰ চকুদুটা ভয়লগা হৈ উঠিল।

আমি চিঞৰি থকা মানুহবোৰৰ মাজত সোমাই পৰিলো। দাইৰ ঘোঁচা পৰিল—এবাৰ, দুবাৰ। দুজন মানুহে জ্ঞান হেৰুৱাই মাটিত বাগৰি পৰিল। কুহ্‌ভাৰ্‌থাৰ বাওঁ হাতৰ বঢ়িয়া ঘোঁচা এটা পৰিল ডেকা ল'ৰা একজনৰ একেবাৰে নাকৰ ওপৰত। লবাজন ক'ত বাগৰি পৰিল মই নেদেখিলো। ক'লা কোট পিন্ধা মানুহ এজনে দাইৰ কোটৰ কলাৰত টানি ধৰিছিল। দাইয়ে মাথোন মানুহজনৰ থুঁতুৰিত মূৰেৰে এটা খুন্দা দিলে। মানুহজনৰ হাত

কোটৰ কলাৰখণৰ ধাতৰি ক'ৰবাত গ'ল। মজবুত টুপী পিন্ধা মানুহ এজনে দাইক খোঁচা সোধাবলৈ আগবাঢ়ি আহিছিল। মই সোঁৰ এটা মাৰিলো। মুখ পাই মানুহজনে কেঁকাই উঠাৰ লগে লগে দাইৰ কিলাকুটিৰ গুৰাত তেওঁৰ দাঁত দুটামান নোহোৱা হৈ গ'ল।

তেনেতে ক'ৰবাৰ পৰা কাঠ এচতা আহি লেমটোত লগাত লেমটো নুমাই গ'ল। আমি সম্পূৰ্ণ এন্ধাৰৰ মাজত পৰিলো।

"দূৰ ভল কৰ দাই," হুহ্‌ভাৰ্‌থাই চিঞৰি কলে। দুয়ো দুয়োৰে হাতত ধৰিলে, মই দুয়োজনৰ মাজত সোমাই ললো। ইয়াৰ পিছত আমি আগবাঢ়ি গলো—জুইৰ শিখা কাগজ এখনৰ মাজেৰে আগবাঢ়ি যোৱাৰ দৰে। দাই আৰু হুহ্‌ভাৰ্‌থাই খোঁচা চলাই থাকিল। মই মাথোন বাগৰি পৰা মানুহবোৰৰ গাবোৰ গচকিলো, কোনো কোনোৰ মুখতো।

তেনেতে আহি পৰিল পুলিচ। পুলিচবোৰৰ লোহাৰ টুপীৰ ৰূপালী থাকবোৰ চিকমিকাই উঠা মই দেখিবলৈ পালো। দাইয়ে দেখিলে—আৰু লগে লগে পুলিচৰ চাৰ্জেণ্টজনক সোধালে বাওঁহাতৰ এটা বিৰাট খোঁচা। চাৰ্জেণ্ট বাগৰি পৰিল। দ্বিতীয় পুলিচজনে হাতৰ লাঠিডালেৰে দাইক মাৰিবলৈ চোঁচা লোৱাৰ লগে লগে কোনোবাই তেওঁক পাছফালৰপৰা টানি ধৰিলে আৰু একে চোঁচাই নি মানুহৰ ভীৰৰ মাজত পেলালেগৈ। হুহ্‌ভাৰথাই ইতিমধ্যে তৃতীয়জন পুলিচৰ গতি লগাই থৈছিল। চতুৰ্থজন ভয়তে পলাই ফাট মাৰিলে।

অইনকালে কিন্তু ইতিমধ্যে মানুহে পুলিচৰ ভীৰ ভাঙি পেলাইছিল। দাইয়ে দেখিলে কথা বেয়া—হয়তো আকৌ এবাৰ জেললৈ যাব লাগিব। হুহভাৰথা আৰু মোৰ হাতত ধৰি লৈ দাইয়ে ক'লে, "বল দোকান এখনৰ ভিতৰেদি গৈ আমি পলাওঁ। সোনকালে ব'ল।"

মোৰ কিন্তু কেইনৰেনলৈ মনত পৰিল। দাই হাত এৰুৱাই মই থিয়েটাৰ হল্‌টোৰ পিনে আগবাঢ়িলো। হলটোৰ ভিতৰ আৰু বাহিৰত তেতিয়াও খিটমিটিয়া এন্ধাৰ। ষ্টেজৰ দুৱাৰখন খোলা আছিল। মই ভিতৰ সোমালো।

ছুটা সৰু সৰু কোঠা। কোঠা ছুটাত তেতিয়া কোনো নাছিল।

মোৰ কাষতে কোনোবাই জুইশলাৰ কাঠি এডাল জ্বলালে। দেখিলো—ভয়ত থৰ্ থৰ্‌কৈ কঁপি থকা চকীদাৰ এজন।

"কোন? কোন? উত্তৰ নিদিয় কিয়?" অন্ত শেঁতা পৰি পৈ চকীদাৰ-জনে চিঞৰি উঠিল।

চকীদাৰক সুধিলো, "আজি ৰাতি তুমি ইয়াত কাৰোবাক দেখিছানেকি?" যেয়া অৱস্থাত পৰিলে মানুহে যে কি মূৰ্খৰ নিচিনা প্ৰশ্নবোৰ সোধে।

"কাৰোবাক দেখিছিলো নেকি?" চকীদাৰজনে মোক ওলোটাই প্ৰশ্ন কৰিলে। "গোটেই পাঁচখন গাঁৱৰ মানুহ আহি তল-ওপৰ খন লগালে আৰু এতিয়া এওঁ সুধিছে ইয়াত কাৰোবাক দেখিছিলো নেকি। বোলো ইয়ালৈ নাহি ঘৰত নো কোন ৰহি আছিল তাকে মোক আগতে কোৱাচোন।"

ক'লো, "মই আচলতে ছোৱালী এজনীক বিচাৰিহে ইয়ালৈ আহিছো।"

"ছোৱালী বিচাৰি ইয়ালৈ আহিবলৈ আৰু সময় নাপালা?" মম এতাল জলাই দি চকীদাৰজনে ক'লে।

"বাহিৰুত হুলস্থুল লাগোতে তাই এই পিনে গুচি আহিছিল।"

চকীদাৰজনৰ খং উঠিল। ক'লে, "এই ৰাতিখন তোমাৰ স'তে ছোৱালীৰ কথা পাতিবলৈ মোৰ সময় নাই। থিয়েটাৰ হলটোৰ অৱস্থা দেখিছা? গৰুৰ গোহালি কৰি থৈ গৈছে। সেই মানুহবোৰৰ দুজনমানক ছুটামান গোৰ মাৰিব পাৰিলোহেঁতেন যদি।"

"ছোৱালীজনীক দেখিছিলা নেকি?" মই আকৌ সুধিলো। "সোণালী চুলিৰ গাভৰু ছোৱালী। অনবৰত মিচিকিয়াই হাঁহি থাকে।"

"অ' এতিয়াহে বুজিলো। তোমাৰ বান্ধবী হ'বলা?" চকীদাৰজনে চকু টিপিয়ালে।

মই মূৰ দুপিয়ালো।

"ওঁ, এতিয়া মনত পৰিছে। ছোৱালীজনীক মিছেছ প্ৰেটিজনে লৈ গৈছে। দুয়ো গাড়ী এখনত উঠি গৈছে।"

"ক'লৈ গ'ল?" উৎকণ্ঠাত মই অধীৰ হৈ পৰিলো।

"ক'লৈ গ'ল কোনে খবৰ ৰাখিছে? য'লৈ নেযাওক ইয়াৰপৰা যে আঁতৰ হৈছে সেয়ে বহুত। ইয়াত আৰু থিয়েটাৰ কৰিব দিব নোৱাৰি। আজিয়ে বহুত হৈছে। যাক বোপা তুমি এতিয়া ঘৰলৈ যোৱা।"

"যাওঁ যাক।" মই গুচি আহিলো।

যব আহি পাই দেখিলো পাগব্বত লেম জলি আছে। পাছফালব দুৱাৰখন তেতিয়াও খোলা।

"হিউ নেকি ?" পাগৰবৰণৰা দেউতাই মাতিলে। মই ঠবত্তা আগি গ'লো।

"হয় দেউতা।"

"ইয়ালৈ আহ।" মই মাথোন ভাবি উলিয়াবলৈ চেষ্টা কৰিলো দেউতাই এনেকুৱা ভয়লগা মাতেৰে মোক মতাৰ কাৰণ কি হ'ব পাৰে ?

দেউতাৰ আগত গৈ থিয় দিয়াৰ লগে লগে তেওঁ মোক সুধিলে "তই থিয়েটাৰলৈ গৈছিলি নেকি ?"

"হয় দেউতা।"

খঙত জলি-পকি উঠি দেউতাই গৰ্জিলে, "মাৰ আৰু মোক এনেকৈ লাজত পেলাবলৈ তোৰ অকণো বেয়া নেলাগিলনে ?"

"ইয়াত-তো লাজ একো নাই দেউতা।"

"লাজ নাই বুলি তই কলেই হ'ব নেকি ? থিয়েটাৰ চাই সংসাৰৰ বেয়া চিন্তাবোৰ মূৰত সুমুৱাই লৈ ঘৰলৈ আহিবলৈ সাহ তোৰ হ'ল ক'ৰপৰা ?"

"কিন্তু দেউতা, তেওঁলোকে মাথোন শেক্সপীয়েৰৰ নাটকহে কৰিছিল। বেয়া কথাতো তাত একো নাছিল।"

"বেয়া কথা একো নাছিল। হঁঃ, থিয়েটাৰ কি মই নেজানো নেকি ? ৰাজ্যৰ ঠগ, প্ৰবঞ্চক, জুৱাচোৰ আৰু বেশ্যাৰ আড্ডা। সিইতক চাবলৈ যোৱাত তোৰ লাজ লগা উচিত আছিল, হিউ।· · যা, তই এতিয়া পাছফালৰ চোতাললৈ গৈ গা ধো-গৈ। গা ধুই ইয়ালৈ আহি তোক সৎ পথত ৰাখিবৰ বাবে ঈশ্বৰ ওচৰত প্ৰাৰ্থনা কৰিবি। ইয়াৰ পিছত যদি আৰু কেতিয়াবা এইবোৰ ঠাইলৈ যোৱাৰ কথা শুনো তেন্তে তোক মই খেদাই নেদিম, বুজিছ ?"

"ওঁ দেউতা।"

"যা, এতিয়াই গা ধুই আহগৈ।"

জাৰত কঁপি কঁপি মই গা ধুলো। গাটো মচাৰ পিছতো জাৰ নগ'লা। কঁপি কঁপিয়েই মই প্ৰাৰ্থনা শেষ কৰিলো।

এই দিনটোৰ বাবে মই কত'কি আশা কৰিছিলো। কিন্তু আচলতে কিটো পালো ?

আশা! সেই আশা কৰি একো লাভ নাই।

ডইলামৰ স'তে সি আমেৰিকালৈ যাত্ৰা কৰা বুলি অৱেনে টেলিগ্ৰাম কৰাত মযো ইচ্ছা কৰিছিলো সিহঁতৰ লগত যাবলৈ। ইয়াৰ পিছত সি ব্ৰড্‌ৱেনে ইতালক বিয়া কৰোৱা বুলি চিঠি দিয়াত মযো ইচ্ছা কৰিছিলো বিয়া কৰাবলৈ— কেইনৱেনক বিয়া কৰাবলৈ।

· ··· সেই দিনটোৰ কথা মোৰ ভালকৈ মনত আছে। খবৰটো পায়েই 'মাই কান্দিবলৈ ধৰিলে। সেউতাই মাক বুজনি দিবলৈ চেষ্টা কৰিলে 'চিভিল মেৰেজ' কৰি সিহঁতে একো বেয়া কাম কৰা নাই।

"গিৰ্জাত হোৱা বিয়া আৰু আদালতত হোৱা বিয়া একেই কথা।" সেউতাই মাক বুজালে।

মাই ক'লে, "সিহঁতে ঘৰলৈ আহি ইয়াতো বিয়া পাতিব পাৰিলেহেঁতেন। তাকে নকৰি ··। আমি দুখীয়া কাৰণেই সিহঁতে ঘৰলৈ আহিবলৈ টান পালে।"

সেউতাই মাক ক'লে, "বিহকে পোৱা তাকে নকৰাচোন। তাৰ কামৰ বাবেই সি হয়তো খৰখৰখন কৰিব লগা হ'ল। আৰু, আমেৰিকালৈ যাবলৈ কম সময় লাগে জানো? অৱেনে একো বেয়া কাম কৰা নাই। লণ্ডনত আছিল—তাত কত ৰকমৰ কত মানুহ আছে। তাত থাকি সি ইয়াতকৈ বহুতো বেয়া কাম কৰিব পাৰিলেহেঁতেন।

"বেয়া কাম কৰা বুলি কোনে-কৈছে? কিন্তু আদালতত বিয়া কৰি ভাল কামনো কিটো কৰিলে?" মাই কান্দি কান্দিয়েই ক'লে।

ইয়াৰ পিছৰ কেইদিন-মান মা কিন্তু একেবাৰে চুপ্‌চাপ থাকিল। ব্ৰডৱেনে পাৰ্চেল কৰি পঠিওৱা লিলি ফুলৰ সুন্দৰ থোপ এটিয়েও মাৰ মন কোমলাব নোৱাৰিলে। দুজনকৈ পুতেকে মাত এবাৰ নিদিয়াকৈ ক'ৰবাৰ আমেৰিকালৈ চাপলি মেলাৰ কথা ভাবিয়ে মাৰ খং উঠিছিল, দুখ পাইছিল। তাতে আকৌ এজন পুতেকে কথা নাই বতৰা নাই বিদেশত বিয়া কৰি বহিল—মাক আৰু কোনে পায়।

মাই এদিন সেউতাক কলেও, "মই সিহঁতক লণ্ডনলৈ বুলিহে উলিয়াই পঠিয়াইছিলো? আমেৰিকালৈতো নহয়।"

"ল'ৰা ঘৰৰপৰা ওলাইছে যেতিয়া লণ্ডন কি আমেৰিকাও লেখে। তোমাৰবোৰ ইমান ৰং কিয় বাৰু? ল'ৰাহঁতে চিঠি-পত্ৰ দি আছে। তাৰোপৰি ব্ৰজেনেও নিদিয়াকৈ থকা নাই। আৰু ব্ৰজেনৰ যে চিঠিবোৰ—পঢ়িয়ে ভাল লাগে।"

মাই ক'লে, "তোমাৰ ভাল লাগিলেই হ'ল নেকি? তুমিতো অলপতে সন্তুষ্ট হোৱা মানুহ। কাগজ এখনত কলম এডাল আৰু চিয়াঁহী এলোপাৰে কিবা লিখিলেই ঘৰ এৰি বিদেশলৈ যোৱা দুজনকৈ ল'ৰাৰ কথা পাহৰিব পাৰি নেকি? মই কাগজ কলম জন্ম দিছিলো নে ল'ৰা জন্ম দিছিলো?"

"ছিঃ ছিঃ, কি কথাবোৰ কৈছা? মনে মনে থাকা।" দেউতা লাজত ৰঙা পৰি উঠিছিল।

"চিৰদিনৰ বাবে নিমাত হৈ যাবলৈ মোৰতো আৰু বেছি দিন নাই।"

"ছিঃ, বেথ্, এইবোৰ অমঙ্গলীয়া কথা ক'ব নেপায় নহয়।" দেউতা মাৰ কাষ চাপি গৈছিল। "আংগাহ্লাদ আহি পালে তোমাৰ গা মন ভাল লাগি যাব। তাই এতিয়া সোনকালে আহিলেই হয়।"

এৰা, সোনকাল। স্মৃতিবোৰ যদি সোনকালে আঁতৰ হৈ গ'লহেঁতেন!

৩১

আংগাহ্লাদ, আমাৰ আংগাহ্লাদ একেবাৰে কিবা হৈ গৈছে। দেখিলে আংগাহ্লাদ বুলি চিনিবকে নোৱাৰি।

আংগাহ্লাদক দেখি মোৰ সেই আগৰ আংগাহ্লাদজনীলৈ মনত পৰিছিল।

তাই গিৰিয়েকৰ ঘৰ তিন-ই-কুদতে আছিল। কিন্তু তাই আমাৰ ঘৰলৈ নাহিল। এদিনো নাহিল।

আংগাহ্লাদহঁতৰ ঘোঁৰাগাড়ীখন আহি এদিন আমাৰ ঘৰৰ দুৱাৰমুখত ৰ'লহি। চাকৰ এজনে চিঠি এখন মাক দিলেহি। চিঠিখন পঢ়ি মাই দেউতাক দি কাপোৰ পিন্ধিবলৈ ওপৰ মহলালৈ গ'ল। মাই কন্দা নাছিল যদিও তেওঁৰ ভাব-ভঙ্গীয়ে কিন্তু কৈছিল জীৱনৰ প্ৰতি মাৰ যেন কিবা বিতৃষ্ণা উপজিছে।

ধৰা-বচাখিনি কৰি দিবলৈ ব্ৰণ আমাৰ ঘৰলৈ আহিল। মা আংগাহ্লাদ-হঁতৰ ঘৰলৈ গ'ল। ইয়াৰ অলপ পিছত দেউতাই হাতত বাণ্টি এটা লৈ ঘৰৰপৰা ওলাই যোৱাৰ লগে লগে ব্ৰণে বৰ বেজাৰ মনেৰে কলে, "বিপদ, চাৰিওফালে বিপদ। বেঁচেৰী আংগাহ্লাদ।"

মই ব্ৰণক কলো "মা বাৰু এনেকৈ আংগাহ্লাদৰ ঘৰলৈ যাব লাগে কিয় ? আংগাহ্লাদ আমাৰ ইয়ালৈ আহিব নোৱাৰে নেকি ?"

"আংগাহ্লাদৰ বিৰুদ্ধে যি পাৰ তাকে নকৰি দেই।" ব্ৰণে কেটলিটো ধম্ কৰে জুহালৰ ওপৰত মাৰি দিলে। "ইমান ভাল ছোৱালী এজনী……কিন্তু তাইনো জীৱনত কিটো পালে ?"

"কিয় ? তাই দেখোন তিন-ই-কুদত আৰামত আছে ?"

ব্ৰণে কলে, "কিন্তু তাই যে ভাত নেখাকি গৰ্ ফুচভাত থাকিব লাগিছিল।" মই আচৰিত হৈ গলো—ব্ৰণে এইবোৰ কথা ইমান স্পষ্টকৈ মোৰ আগত কেতিয়াও আগেয়ে কোৱা নাছিল।

গৰ্ভুচতা আছিল মিঠাৰ এ্ৰুকিৰ ঘৰটোৰ নাম।

"তাইঁ আহিছে বুলি মিঠাৰ এ্ৰুকিয়ে জানে জানো ?" মই প্ৰশ্ন সুধিলো।

"এতিয়া নাজানিলেও জানিবলৈ কেইদিন লাগিছে ? জনোৱা মানুহৰ আকাল আছে জানো ?"

সেই সপ্তাহত মোৰ আমেৰিকাৰ ভাগত খনিৰ কাম আছিল। গতিকে আংগাহ্রাদক সেই সপ্তাহত দেখা কৰা হৈ নুঠিল। তাই পাছে মাত্ৰ হাতত থোলৈ তুতাল কলম আৰু ডিকেন্সৰ কিতাপ এখন পঠিয়াই দিছিল।

পিছৰ সপ্তাহত মই সিহঁতৰ ঘৰলৈ গৈ তাইৰ অৱস্থা দেখি ইমান দুখ পাইছিলো যে তাইৰ স'তে ভালকৈ দুটামান কথা পতাৰ শক্তিও সেইদিনা মোৰ নোহোৱা হৈ গৈছিল।

তাইৰ চুলিবোৰ বগা হৈ গৈছে। কোঠাটোৰ অস্পষ্ট পোহৰতো মই সেইটো দেখা পালো।

চকু হালধীয়া পৰিছে—যেন চকুযোৰ মৰিহে গৈছে। তাই হাঁহিলেও সেই মৃতপ্ৰায় চকুযুৰিত অকণো পৰিবৰ্তন নাহে। তাইৰ হাঁহিও আগৰ দৰে নাই। আগৰ সেই প্ৰাণোজ্জল হাঁহিৰ ঠাইত ক্ষীণ কণ্ঠৰ চিঁ-চিয়া হাঁহি এটা। জীৱন শক্তিৰে টলমল্ কৰি থকা আগৰ সেই আংগাহ্রাদ আৰু আজিৰ আংগাহ্রাদৰ কিমান পাৰ্থক্য।

মই গৈ পোৱাত আংগাহ্রাদে কলে, "কি খবৰ হিউ ?"

"ভালেই।"

ইয়াৰ পিছত আমি দুয়ো দুয়োলৈ চাই থাকিলো।

চুলিখিনি ধুনীয়াকৈ বন্ধা। গাত হালধীয়া ফুল থকা ধুনীয়া চোলা। ঘড়ী এটা। হাতত এটা আঙঠি—বিয়াৰ সময়ত উপহাৰ পোৱা আঙঠি।

এই ছোৱালীজনীয়েই এদিন আমাৰ পাছ ফালৰ চোতালত বাচন মাজিছিল, আমাৰ ঘৰ সাৰিছিল আৰু দেউতাক কুটুৰি কুটুৰি দুই এপইচা আদায় কৰি দোকানৰপৰা লুজন আনিবলৈ দৌৰ দিছিল।

এই ছোৱালীজনী।

এই তিৰোতাজনী।

আংগাহ্রাদ।

"মোক বৰ বেয়াবী বেয়াবী যেন লাগিছে নহয়? আমাৰ ঘৰলৈ অহা প্ৰতিজন মানুহে মোক তাকেই শুনাইছে। তয়ো নকৰ কিয়?"

মই কলো, "তোৰ বেয়াৰ মনৰ্হে বেয়াৰ।"

ইয়াৰ পিছত আমি আকৌ ছুয়ো ছুয়োৰো পিনে চাই ৰহি থাকিলো।

খিৰিকীৰে বাহিৰৰ পিনে চাই থাকি বৰ ক্লান্ত মাতেৰে তাই কলে, "তই বৰ ডাঙৰ-দীঘল মানুহ এজন হৈ পৰিছ।"

"তই ইমান বছৰ ঘৰৰপৰা আঁতৰত আছ—মই তাঙৰ নোহোৱাকৈ থাকিম নেকি? মই সৰু থাকোঁতে তই মোক লুজন দিয়াৰ কথা তোৰ মনত আছেনে?"

তাইৰ চকুত চকুলো বিৰিঙি উঠিল। "ও মনত আছে। তোৰপৰা সেই লুজন আকৌ মই কাঢ়ি লৈছিলো। এতিয়া সেইবোৰ কথা মনত পৰিলে লাজ লাগে।"

আংগাহ্লাদে কান্দিবলৈ ধৰিলে।

অলপ পাছত তাই কান্দোন বন্ধ কৰিবলৈ চেষ্টা কৰি মুখটো ঢুৰাৱমান জোকাৰি, চকুদুটা জোৰেৰে বন্ধ কৰি, চকুলো মচি পেলালে।

"চা মই কি কাণ্ডখন কৰিছোঁ। তোক চাহ-পানী দিব লাগে, তাকে নকৰি ·।" কোঠাটোৰ এমূৰলৈ গৈ ৰছী এডাল টানি বেল এটা বজাই তাই চাকৰক চাহ আনিবলৈ নিৰ্দেশ দিলে। ইয়াৰ পিছত তাই পুনৰ মোৰ কাষলৈ আহি কলে, "আহ, হিউ, আমি এতিয়া অলপ কথা-বতৰা পাতোঁ। তই পাছে খনিৰ কাম এৰি তাৰপৰা গুলাব লাগিব কিন্তু।"

আংগাহ্লাদৰ কথাখিনি মোৰ ঠিক মাৰ কথাবোৰৰ দৰে লাগিল। মই জোৰেৰে হাঁহি দিলো।

আংগাহ্লাদৰ মুখতো হাঁহি বিৰিঙিল। তাই কলে, "মানুহে হঁহা শুনিলে মোৰ আজিকালি খুব ভাল লাগে।"

মই কলো, "তেন্তে আমাৰ ঘৰলৈ ব'ল। তাত অনবৰত হাঁহি শুনিয়েই থাকিব পাৰিবি।"

"মই আক ঘৰলৈ কোনোদিনেই নেযাম হিউ।[৩১] কথাষাৰ তাই এনেকৈ কলে যে মোৰ বুজিবলৈ বাকী নেথাকিল তাই কিয় নেযায়। গতিকে মই কাৰণটো নুসুধিলো।

এনেতে মিছেছ নিকলাচ নামৰ বুঢ়ী চাকৰণীজনীয়ে আহি চাহ আৰু কিবা কিবি খোৱা বস্তু লৈ কোঠাটোত সোমাল।

……চাহ খাই থাকোঁতে আংগাহ্রাদে কলে, "আমাৰ নগৰ ল'ৰা-ছোৱালী-বোৰৰ খবৰ-বাতৰি কচোন।" কথাষাৰ কওঁতে তাইৰ চাৱনি, তাইৰ মাতৰপৰা মোৰ বুজিবলৈ বাকী নেথাকিল যে যি কথা সুধিবলৈ তাই ব্যাকুল হৈ আছে সেই কথা এইটো নহয়।

তথাপি মই কলো, "খবৰ সকলোৰে ভাল। ইনিচ আৰু ইলিও জেন্‌কিন্সৰ বিয়া হৈ গ'ল। মস্তৱিন হিউজে ডাক্তৰী পঢ়িছে, বিচ হাৱেলে নগৰৰ উকিল এজনৰ লগত থাকি কাম শিকিব ধৰিছে। টেগৱেনৰ অলপতে বিয়া হ'ল মাৰ্ভিনৰ স'তে।"

মইহে মাথোন এইবোৰ কৈ গলো। আংগাহ্রদে এটা কথাও সুসুধিলে। গতিকে এইবোৰ গাই থাকি লাভ কি? তাই মাথোন মই বিশেষ এজনৰ কথা কোৱালৈ বাট চাই আছিল।

মই ক'লো, "মিষ্টাৰ গ্ৰুফিদ ভালে আছে। এতিয়াও খুব পৰিশ্ৰম কৰে।" কথাষাৰ কওঁতে তাইৰ মুখৰ পিনে চোৱাৰপৰা হাত সৰিবলৈ মই অলপ কুঁজা হৈ খোৱা বস্তুৰ প্লেটখন এনেয়ে মাটিত নমাই থলো। মই আকৌ ক'লো, "মিষ্টাৰ গ্ৰুফিদে আজিকালিও আগৰ দৰে গোটেইখন উপত্যকাত ধৰ্ম-সঙ্গীত গাই ফুৰে।"

নিস্তব্ধতা।

এনেকুৱা নিস্তব্ধতা যে ফুলবোৰ যেন খোৱাৰ শব্দও যেন শুনা পালো।

এনেকুৱা নিস্তব্ধতা যে বিস্কুটখন খাওঁতে উঠা কুৰমুৰ শব্দটোও গিৰ্জাঘৰত হৈ-চৈ কৰাৰ দৰে বেয়া কাম যেন লাগিল।

"তেওঁ কেনে আছে হিউ?" আংগাহ্রাদে সুধিলে।

"আগতে যেনে আছিল ঠিক তেনে নাই।" মই ইচ্ছা কৰিয়েই তেনেকৈ ক'লো।

তাইৰ চকু জুৰি বহল হৈ উঠিল। পুনৰ তাত চকুলো বিৰিঙিল।

"তেওঁৰ কি হৈছে বাৰু? কিবা অসুখ নেকি?"

"মনৰ অসুখ। তেওঁৰ সেই অসুখ ধৰা পৰে চকুত আৰু মাতটোত—ঠিক তোৰ দৰে।"

তাই থিয় হিলে। মুহূৰ্তটোৰ কাৰণে সে তাই খিৰিকীৰে বাহিৰলৈ চাই থাকিল। মুখখনত একো ভাবান্তৰ নেদেখিলো, কিন্তু চকু দুটা তাইৰ জয় লগা হৈ উঠিছিল।

"তই এতিয়া যা হিউ।"

মই গুচি আহিলো।

মই পোনেই মিষ্টাৰ গ্ৰুফিথৰ ঘৰলৈ গলো। তেওঁ কোঠা এটাত বহি কিবা কিতাপ এখন পঢ়ি আছিল। সেই কোঠাটোত আমি দুয়ো একেলগে কতদিন চাহ-পানী খাইছিলো।

"আহিব পাৰোনে, মিষ্টাৰ গ্ৰুফিথ?"

"অ' হিউ, আহা আহা।"

মই কলো, "আংগাহ্রাদ আহিছে। তাই গিৰিয়েকৰ ঘৰ তিনি-ই-কুদত্তে আছে।"

হাতৰ কিতাপখন তেওঁ খুব লাহে লাহে জপাই থলে।

"বাৰু।"

"তাইৰ অসুখ হৈছে।"

"ডাক্তৰক দেখুৱাইছে নে?" এইবাৰ তেওঁৰ মাতটোত নতুন আবেগ এটি অনুভৱ কৰিলো।

"নাই, ডাক্তৰক দেখুৱা নাই। অন্তৰৰহে বেমাৰ।"

"মইতো একো কৰিব নোৱাৰিম হিউ।"

"আপুনিতো ছাৰ ধৰ্মযাজক। বাইবেলতো দেখোন কৈছে—'হে দুখিতসকল মোৰ কাষলৈ আহা'।"

"হিউ।" তেওঁ অইন আৰু একো নকলে। ইয়াৰ পিছত মাথোন নিস্তব্ধতা। তেওঁক তেনেকৈ তাত এৰি মই গুচি আহিলো।

ইয়াৰ কেইবা সপ্তাহো পিছত এদিন মাই কলে আংগাহ্রাদে হেনো মোক মাতিছে। আংগাহ্রাদহঁতৰ ঘৰৰপৰা আহি মই মাক সকলো কথা কৈছিলো। মাই একো মতা নাছিল।

মই আংগাহ্রাদহঁতৰ ঘৰ গৈ পাওঁতে তাই বাৰীত উৰহী ছিঙি আছিল— সেউজীয়া উৰহী গছবোৰৰ মাজত বগা কাপোৰ পিন্ধা আংগাহ্রাদ।

"কি খবৰ আংগাম্রাদ ?" মই পাছফালৰপৰা মাত দিছিলোঁ।

মুখটো ঘাতি চাই তাই মোক দেখি মিচিকিয়াই হাঁহিছিল।

মই কৈছিলোঁ, "উবহী ছিঙাত তোক অলপ সহায় কৰি দিয় নেকি ?"

"নালাগে, মোৰ হ'ল। খবৰ ভিতৰলৈ যাওঁ বল।"

গছবোৰৰ পিনে চাই থাকি কঁপা কঁপা মাতেৰে তাই মোক কৈছিল, "ছিউ, সেইদিনা তোৰ সতে তেনে ব্যৱহাৰ কৰা বাবে মই বৰ দুখ পাইছোঁ।"

"নাই, নাই, তইনো ক'ত বেয়া কৰিলি আকৌ।" তাৰপৰা দৰি পলাবলৈ মোৰ মন গৈছিল।

"বেয়া ব্যৱহাৰ নহয় যদি কি ? তই গুচি যোৱাৰ পিছত মোৰ যে কি বেয়া লাগিছিল ! নিজকে মাৰি পেলাবৰ মন গৈছিল মোৰ। মই সঁচাকৈয়ে বেয়া—কৰ্ত্ত মানুহৰ সতে বেয়া ব্যৱহাৰ কৰিছোঁ, আৰু তাকো একেবাৰে নিৰ্দোষী মানুহৰ সতে। মোক ক্ষমা কৰিবি ছিউ।"

"নাই, নাই, একো হোৱা নাই। তই তেনেকৈ নেভাবিবিচোন।" অস্বস্তিত মই বৰ্ডা পৰি উঠিছিলোঁ। কোনোবাই দোষ কৰি ক্ষমা খুজিলে সঁচাকৈয়ে কিবা অস্বস্তি লাগে। তাতকৈ নিজে দোষ কৰি ক্ষমা খোজা বহুতো সহজ।

বাৰীখনৰ বিভিন্ন গছ-লতাৰ ওপৰত গোন্ধবোৰে আমাক আবৰি আছিল—ট্ৰেবেৰীবোৰৰ কাষত নতুনকৈ খন্দা মাটিৰ গোন্ধ, কিচমিচৰ জোপোহা-বোৰৰপৰা অহা গোন্ধৰ সঙ্গীত, আপেল গছবোৰৰপৰা অহা মন-প্ৰাণ ভৰাই তোলা উগ্ৰগোন্ধ আৰু ডেলিয়া ফুলবোৰৰপৰা অহা তিতা-কেঁহা কিন্তু টাটকা কিবা এটা অদ্ভুত গোন্ধ। এই সকলোবোৰ বতাহজাকে শুঁহৰি মাৰি মাৰি যেন ইফালে সিফালে বং মনেৰে কঢ়িয়াই লৈ ফুৰিছিল।

খুব লাজ লাজকৈ মোৰ পিনে চাই আংগাম্রাদে কৈছিল, "ধন্যবাদ ছিউ।"

কথাষাৰ কৈয়েই তাই তলমুৰ কৰিছিল।

চকুড চকুলো লৈ তাই পুনৰ কৈছিল, "ছিউ তয়ে কামটো কৰিলি। অইন কোনেওতো এই বিষয়ে কাণসাৰকে নকৰিলে। তয়ে তেওঁক জনালি। এইবাবে ধন্যবাদ।"

তাই কান্দি আছিল। মোৰ অন্তৰখন মোচৰ খাই উঠিছিল। তাইৰ

গোটেই শৰীৰটো কঁপি উঠিছিল। তোমোৰা এটাই আমাৰ পিনে অবাক হৈ চাই আছিল।

মই কৈছিলো, "ছিঃ, কন্দা বৰ কৰচোন। কান্দিবৰ কিটো আছে? সকলোতো শেষ হৈ গৈছে।"

"আজিয়ে মই প্ৰথম কান্দিলো। আগতে মই এই দৰে কেতিয়াও কন্দা নাই। ওঁ, সকলো শেষ হৈ গৈছে।"

"চাওঁ, এতিয়া কান্দিবলৈ এৰচোন।"

কান্দোন বন্ধ কৰি তাই মিচিকিয়াই হাঁহি কৈছিল, "ওঁ, ঠিকেই কৈছ। মই দিনক দিনে কেঁচুৱা হৈ যাব ধৰিছোঁ।"

"অ', মই যব পাওঁ মানে কিজানি আমাৰ ঘৰলৈ এটি নতুন কেঁচুৱা আহি পৰিব।"

"ওঁ, ব্ৰণৰ কেঁচুৱা উপজিবৰ সময় হৈছে। ব্ৰণলৈ ফল-মূল অলপ দিয়। তই খাওঁতে লৈ যাবি।"

হাতত ফল এসোপা লৈ মই পাহাৰ বগাই ঘৰমুৱা হৈছিলো। ঘৰ পৈ পাই দেখিছিলো ইতিমধ্যে মোৰ এজন ভতিজাৰ জন্ম হৈছে।

`….. কেঁচুৱাটোৰ নাম ৰখা হ'ল টেলিয়েচিন।

সেই দিনা আইভৰৰ যি স্ফূৰ্তি।

আৰু সেইদিনাৰপৰা এমাহৰ ভিতৰতে আইভৰৰ মৃত্যু হ'ল।

তেতিয়া আমাৰ বাতিৰ ভাগত খনিৰ কাম আছিল। খনিৰ ভিতৰত কাম কৰি থাকোঁতেই হঠাতে মই এটা শব্দ শুনিলোঁ যেন ক'ৰবাত শিল বাগৰি পৰিছে।

এন্ধাৰতে আইভৰৰ মাত শুনিলো, কিন্তু সি কি কলে একো নুবুজিলো।

সি কাম কৰি থকা ঠাইত খনিৰ চালখন তাৰ মূৰৰ ওপৰত খহি পৰিছিল।

মোৰ চাৰিও পিনে কয়লাৰ গুৰিৰ ক'লা ধুমুহা আৰম্ভ হ'ল। কয়লাৰ ডাঙৰ ডাঙৰ টুকুৰাবোৰ মোৰ চাৰিওপিনে পৰিবলৈ ধৰিলে। মোৰ চকু কণা হোৱাৰ উপক্ৰম হ'ল, উশাহ-নিশাহ লোৱাত কষ্ট হবলৈ ধৰিলে। মই নিঃসহায় হৈ থিয় দি ৰলো।

ঘৰলৈ উভতি বোৱাৰ বাহিৰে এতিয়ানো কৰিবলৈ কিটো আছে? লাহে লাহে চাৰিওফাল নিজম হৈ আহিল।

ৰেচৰ চিঞৰ শুনিলো, "ঠিক আছাতো মৰ্গান ?"

মই মাখোন কলো, "ককাইদেউ শিলবোৰৰ তলত পৰি আছে।"

ৰিচে মোক দেখি পুনৰ চিঞৰি উঠিল, "উস্ প্ৰভু, কি হল তোমাৰ ? মুখটো দেখোন কাটিছে। যোৱা, এতিয়াই বাহিৰলৈ যোৱা-টপ।"

মানুহবোৰে মোক ধৰা-ধৰি কৰি বাহিৰলৈ উলিয়াই নিলে।

আইভৰকো পিচত উলিয়াই অনা হৈছিল—কিন্তু মৃত অৱস্থাত। কবৰ দিবৰ বাবে কফিন এটাত ভৰাই তাক মানুহে আমাৰ ঘৰলৈ আনিছিল।

ঘৰৰ কোণ এটাৰ চকী এখনত ব্ৰণে কেইবাদিনো দুৱাৰেৰে বাহিৰলৈ চাই নিথৰ হৈ বহি থাকিল। তেওঁ নেকান্দিলে, একো নকলেও। মাখোন নিথৰ হৈ বহি বাহিৰৰ পিনে চাই থাকিল।

৩২

টেলিয়েচিনক কোলাত লৈ খেলি থাকি দেউতাই কৈছিল—"এজন দিয়ে এজন নিয়ে। ঈশ্বৰেই দিয়ে আৰু ঈশ্বৰেই লৈ যায়গৈ।"

মায়ে খঙত ভোৰভোৰাই উঠিছিল, "যোৱা, ব্ৰণৰ ওচৰলৈ গৈ এইবোৰ কোৱাগৈচোন চাওঁ। তাই তোমাক ভালকৈ দুবাৰ শুনাই দিব।"

"ইছ্ বেথ, মনে মনে থাকাচোন। এনেকুৱা কথাবোৰ কলে আমাৰ ওপৰত ঈশ্বৰৰ অভিশাপ আহি পৰিব।"

"এঃ, যোৱা তোমাৰ ঈশ্বৰৰ অভিশাপ," মাই গৰ্জি উঠিছিল।

মিষ্টাৰ গ্ৰুফিদ প্ৰায়ে আমাৰ ঘৰলৈ আহি মাৰ সতে কথা-বতৰা পাতি থাকে। তেওঁ মাক কেতিয়াবা আংগাহ্লাদইতৰ ঘৰ তিনি-ই-কুদলৈকো লৈ যায়। দিন যোৱাৰ লগে লগে ব্ৰণৰো গা-মন আগতকৈ ভাল হ'ল—যদিও সেই আগৰ হাঁহি-মাতি ধেমালি কৰি থকা ব্ৰণক আমি আৰু ঘূৰাই নাপালো।

আইভৰ ঢুকুৱাৰ কেইদিনমান পিছত মই দেভিয়ে কাম কৰা খনিত কাম কৰিবলৈ গলো। এই খনিটো দেউতাইঁতে কাম কৰা খনিটোৰ পৰা অলপহে মাথোন দূৰত আছিল। কিছুদিন পিছতে কিন্তু দেভিয়ে ইউনিয়নৰ কামত লণ্ডনলৈ গুচি গ'ল। ময়ো খনিৰ কাম এৰি কমাৰ এজনৰ দোকানত কাম ললো।

এদিনাখন কাম কৰি থাকোঁতে মোৰ হাতখন অলপ পুৰিলে। মই ঘৰলৈ আহিলো। মায়ে ব্ৰণইতৰ ঘৰৰপৰা ঔষধ আনিবলৈ গ'ল।

অলপ পিছতে মাই ব্ৰণক লগত লৈ উভতি আহিল। পোৰা ঠাই ডোখৰত ব্ৰণে ঔষধ লগাই দি থাকোঁতে মাই কলে, "তোক মই এইবোৰ কাম কৰিবলৈ যাব দিয়েই ভুল কৰিছোঁ।"

মই কলো, "কিয় মা? এনেকুৱা সৰুসুৰা দুৰ্ঘটনাতো অইন সকলোৰে হয়।"

"অইনৰ হয় হওঁক। অইন মানুহ অইন মানুহেই; মোৰ ল'ৰা মোৰ নিজৰ ল'ৰা। বাৰু তই এতিয়া কিবা অলপ খা। গাখীৰ একাপকে খা।"

"দিয়া মা, গাখীৰ একাপ আৰু ব্ৰণে বনোৱা কেক এডোখৰ দিয়া।"

"অ', ব্ৰণে বনোৱা কেকহে ভাল লাগে নহয়? মাৰে বনোৱাবোৰ হৰ পায় হাঁহ-কুকুৰাক খুৱাব লাগে?"

"নাই, নাঁই মা, মই সেইটো কোৱা নাই। ব্ৰণে আজি কেক বনাইছে বুলি জানিছে মই তেনেকৈ কৈছিলো।"

তেনেতে হাহোঁ নেহাহোঁকৈ ব্ৰণে কৈছিল, "নাই, আজি মই অকল কটাহে বনাইছোঁ। কেক আদি কালৈনো বনাম? খাব কোনে? ঘৰখনত খাব পৰা মানুহ অকল মই আৰু গাৰেথ্‌হে।"

লগে লগে আমি স্তব্ধ হৈ গৈছিলো। আমি বেলৈ একো একো ডোখৰ পিল, লৰচৰ কৰিবলৈ আমাৰ শক্তি নোহোৱা হৈ গৈছিল। আইভৰ যেন কোঠাটোত বহি আছিল। সি যেন জোতাৰ ফিটা মাৰি থাকি মাক সিহঁতৰ গান গোৱা বলটোৰ গল্প শুনাইছিল।

বুকুখন জোৰেৰে হেঁচি ধৰি মাই একে ঠাইতে থিয় দি খিৰিকীৰে বাহিৰলৈ চাই থাকিল। মই দেখিলো মাৰ চকু চলচলীয়া হৈ উঠিছে।

থোকাথুকি মাতেৰে ব্ৰণে আকৌ ক'লে, "মা, তেওঁ ঢুকুৱা দিনৰপৰা মোৰ ভীষণ অকলশৰীয়া লাগি আছে। তেওঁ পিছদিনা পিন্ধিব বুলি তেওঁৰ কাপোৰ আৰু জোতাবোৰ মই প্ৰত্যেক ৰাতি ঠিক কৰি থৈ দিওঁ। ৰাতিপুৱা উঠি দেখোঁ জোতা কাপোৰ তেনেকৈয়ে পৰি আছে।"

ব্ৰণ আমাৰ ঘৰৰপৰা যোৱাৰ ভালেখিনি পিছলৈ মাই তেনেকৈ একে ঠাইত থিয় দি থাকিল।

হঠাতে এবাৰ মাই কৈ উঠিল, "হিউ, ব্ৰণক মই আমাৰ ঘৰলৈকে লৈ আহিম—অৱশ্যে তাই আহে যদিহে।"

মই ক'লো, "ওহো, মা, ব্ৰণ কেতিয়াও নাহে।"

"তেন্তে তই সিহঁতৰ ঘৰত থাকিব লাগিব। ৰ, তই থাকিলে তাই ভাল পাবনে নেপাই মই তাইক সুধি আহোঁগৈ। ব্ৰণে কোনোৱা এজনক ৰান্ধি-বাঢ়ি খুৱাব নোৱাৰিলে, আদৰ যত্ন কৰিব নোৱাৰিলে সদায় এনেকৈ মন মাৰি থাকিব। গতিকে অইন এজনৰ লগত তাই বিয়া নোহোৱালৈ তয়ে তাত থাকগৈ।"

"ব্ৰণে আৰু এজনক বিয়া কৰাব? কি কৈছা মা?" পৃথিৱীখন যেন তাড়ি চুৰমাৰ হৈ যাবলৈ ধৰিলে। অদ্ভুত কিবা এটা ঘৃণাৰ ভাবে মোক হেঁচি ধৰিলেহি। নতুন কিবা এটা ঘৃণা ভাব; তেনেকুৱা ঘৃণা ভাব মই আগতে কেতিয়াও অনুভৱ কৰা নাছিলো। হিংসাত মোৰ গোটেই শৰীৰটো শিৰ-শিৰাই উঠিল। ক'ৰবাৰ অচিনাকি মানুহ এজন ব্ৰণৰ প্ৰিয়পাত্ৰ হোৱাৰ কথাষাৰ ভাবি মোৰ যেন প্ৰতিটো তেজৰ কণাই বিদ্ৰোহ কৰি উঠিল। মনৰ চকুৰে মই নতুন কিবা এটা দেখিলো; আৰু তাৰ ফলতে মোৰ মনে হাহাকাৰ কৰি উঠিল। ব্ৰণৰেনৰ মনৰ ৰাজ্যত অইন এজন সোমাবলৈ নেপায় যেন। বস্তা-বচা কৰি, ফটা কাপোৰ চিলাই দি অইন তিৰোতাবোৰৰ দৰে ব্ৰণৰেনেও কোনোবা এজনৰ সেৱা কৰিলে মোৰ আপত্তি নাই। কিন্তু সেই মানুহজনে যদি ব্ৰণৰেনৰ স'তে সোণালী আকাশত শ শ জোন ঘূৰি ফুৰা দেখা হবলৈ উঠি যায়গৈ? এইখিনিতে মোৰ আপত্তি, মোৰ বিদ্ৰোহ। অইন এজন পুৰুষৰ বাবে ব্ৰণৰেনে অইন সকলোকে কৰক, মাথোন এইখিনিত বাদে। পবিত্ৰ কুঁৱাত স্নান, পবিত্ৰ জৰ্দান নদীত নিমজ্জন আৰু অৱশেষত মুক্তিৰ মহানতা— এইখিনি আৰু কোনো পুৰুষে যেন ব্ৰণৰেনৰপৰা নাপায়।

উঁহো, সেইটো হ'বই নোৱাৰে।

মোৰ মনটোৱে মাথোন চিঞৰি কৈ থাকিল, "হ'বই নোৱাৰে, হ'বই নোৱাৰে।"

ময়েই সৈনিক, ময়েই প্ৰহৰী।

কিন্তু সেইবুলি কেইনৰেনক মই যিদৰে পাইছিলো, সেইদৰে ব্ৰণক পাবলৈ মোৰ অকণো ইচ্ছা নাছিল। ব্ৰণৰ মনৰ ৰাজ্যত স্থান আছিল মাথোন আইভৰ। মই সেই ৰাজ্যত আছিলো দুৱাৰৰ বাহিৰত বৈ থকা অচিন পথিক মাথোন, আৰু সেই ৰাজ্যত সোমাবলৈ মোৰ নিজৰো অকণো ইচ্ছা নাছিল।

লগে লগে মই বুজিলো আইভৰ বিহীন ব্ৰণৰ নিঃসঙ্গতাৰ কথা। কেইনৰেনক হেৰুৱাই মই জানো সেই নিঃসঙ্গতাৰ সোৱাদ পোৱা নাই?

মাই ক'লে, "ওঁ বাছা, তাই অইন কোনোবা এজনক বিয়া কৰালেই ভাল। এতিয়াও গাভৰু ছোৱালীজনী যেন হৈ আছে। ঘৰত আৰ্জোতা কোনো নাই —অথচ তাই মৰি গ'লেও অইনৰ দয়াৰ ভিক্ষাৰী নহ'ব। কাৰোবাৰ স'তে

বিয়া নোলোৱাই তাইৰ আৰু কি উপায় আছে? বিয়াৰ লোনকালে হয় দিয়ানেই ভাল।"

"মই বাৰু ৰাণক লেখা কৰি আহোঁ।"

ৰাণইতৰ ঘৰলৈ গৈ দেখিলো, ৰাণে চকী এখনত বহি ছুৱাৰেদি বাহিৰৰ পিনে একেথৰে চাই আছে। মই গোনেই সুধিলো, "ৰাণ, মই আহি তোমাৰ লগত এই ঘৰত থাকিলে কেনে হয়?"

একো নুবুজি ৰাণে মোৰ পিনে চাই থাকিল।

মই আকৌ ক'লো, "অকল ইয়াত থকাই নহয়, মোৰ মৰ্য্যাদা-পাতিও ভূমিৰে ল'ব লাগিব।"

খুব লাহেকৈ ৰাণে ক'লে, "নিজৰ ঘৰ এৰি তই মোৰ ঘৰলৈ আহিলে ভাল হ'ব জানো? মাৰাইও মনত দুখ পাব।"

"মাইতো মোক আহিবলৈ কৈছে।"

"হয়নে? পাছে, মই জানো তোক মাৰৰ দৰে জুটি লগাই খুৱাব পাৰিম?

"তোমাৰ দৰে ৰান্ধনি গোটেই গাওঁখনতে কেইজনী ওলাব? মা ইমান বছৰে বন্ধা-বঢ়া কৰি পাকৈত হৈ গৈছে, সেইখিনিহে মাথোন।"

"তই ইয়াত থাকিবলৈ আহিলে মিছাকৈ তইঁতৰ ঘৰখনত এখন গণ্ডগোল হ'ব।"

"ওঁ, হবতো। পাছে মই থাকিবলৈ আহিলে নহয়, তুমি মোক আহিবলৈ মানা কৰিলেহে হ'ব। তাৰোপৰি এইদৰে উপযাচি আহি ফিৰি যাবলৈ মযো লাজ পাম। ইপিনে আকৌ মাই ভাবিব মই হয়তো ভাল ল'বা নহয় আৰু সেয়ে তুমি মোক থাকিবলৈ নিদিলা।"

ৰাণে আকৌ দুৱাৰখনেদি বাহিৰলৈ চাই থাকিবলৈ আৰম্ভ কৰিলে। মই দুৱাৰখনৰ ওচৰলৈ গৈ দুৱাৰখন বন্ধ কৰি দি ৰাণৰ মুখামুখি হৈ থিয় দি সুধিলো, "এতিয়া কোৱা—আহিম নে নাহিম?"

খুব লাহেকৈ ৰাণে ক'লে, "আহ বাৰু।"

"বাৰু, মই তেন্তে মোৰ বিচনা-পত্ৰ লৈ আহোঁগৈ।"

..আজি বহি থকা এই কোঠাটোলৈকে আহি মই তুলি গাৰু আদি তললৈ পেলাই দিছিলো। ইয়াৰ পিছত বিচনাখন বাহিৰলৈ নিছিলো। এই আটাইবোপাকে লৈ মই পুনৰ ৰাণৰ ঘৰলৈ গৈছিলো।

যাত লগাবৰ সময়ত মাই কৈছিল, "ভয়ো ভেঙে যাবিগৈ ?"

"ওঁ মা। পাছে মইতো সদায় ৰহোবাৰ আহি থাকিম।"

"যা বাৰ। অ' শুন, ৰাতিৰ সাজ তই সদায় ইয়াতে খাব লাগিব, বুজিছ ?"

"বাৰ মা।"

মাক চুমা দি মই বিদায় লৈছিলো।

ব্ৰণবেনৰ স'তে প্ৰথম কেইমাহমান একপ্ৰকাৰ চুপ চাপ কাটি গ'ল। মোৰ আৰু ব্ৰণবেনৰ সম্পৰ্কৰ মাজত ক'ববাত যেন এডাল আঁক টনা আছিল, আৰু সেই আঁকডাল যেন কোনোবাই নিডৌ নতুনকৈ চকেৰে বুলাই জক্‌জকীয়া কৰি থৈছিল। সেই আঁকৰ দুয়ো দুইপিনে থাকি আমি কথা-বতৰা কৈছিলো' হাঁহি-ধেমালি কৰিছিলো। কিন্তু হাঁহি-ধেমালি কৰিলেও আমি দুয়ো ভালকৈ জানিছিলো যে আমাৰ হাঁহিত প্ৰাণ নাই। আমাৰ হাঁহিৰ ক'ববাত যেন কিবা ফাঁক ৰৈ গৈছে। কথা পাতিলেও আমি প্ৰাণ খুলি কথা পাতিব নোৱাৰিছিলো। কেতিয়াবা কিবা কাৰণত দুয়ো দুয়োৰো শাৰিৰীক সান্নিধ্যত আহিলে লগে লগে সাৱধান হৈ গৈছিলো। আমাৰ মাজৰ বতাহখিনি কিমান তপত সেইটো যাথোন আমি দুয়োহে বুজিছিলো। আমাৰ কথা-বতৰাৰ বিষয়বোৰ আছিল তেনেই গতানুগতিক—খোৱা-বোৱাৰ বিষয়ে, ব্ৰণৰ সকটো ল'বা টেলিয়েচিনৰ বিষয়ে, চুটি হৈ অহা দিনবোৰৰ বিষয়ে।

আমি দুয়ো দুয়োকে এৰাই ফুৰিবলৈ চেষ্টা কৰিছিলো যদিও ইজনে আনজনক ভয় বা অবিশ্বাস কৰা নাছিলো।

এটা ভয় কিন্তু আমাৰ আছিল—স্পৰ্শ কৰাৰ ভয়। সেই স্পৰ্শ লাগে কথাৰে হওঁক, চকুৰে হওঁক বা শৰীৰৰে হওঁক।

ব্ৰণৰ লগত থকা সেই প্ৰথম কেইমাহতে মই বুজিছিলো ঈশ্বৰৰ কোপত পৰি নাঙঠ হোৱাৰ লগে লগে ইভে কিয় গছৰ পাতেৰে নিজৰ শৰীৰ ঢাকিছিল।

· দিনৰ পিছত দিন, মাহৰ পিছত মাহ গতানুগতিক ভাৱে পাৰ হৈ যোৱাৰ পিছত হঠাতে সৰু ঘটনা এটাই কেনেকৈ সকলো ওলট-পালট কৰি দিব পাৰে এই কথা ভাবি মোৰ আচৰিত লাগে।

৩৩

ডেভি লণ্ডনতে থাকিল। সি তাত একো কাম-বন কৰা যেন নেলাগিল, মাথোন মাজে মাজে তাৰ ইউনিয়নবোৰ কেনেকৈ চলে সেই বিষয়ে আমাক ইউনিয়নলৈ ৰিপৰ্ট পঠিয়ালে। আমাৰ ইউনিয়নৰ সৰহভাগ চিঠি-পত্ৰ ময়েই লিখোঁ। ইউনিয়নৰ শক্তি দিনক দিনে বাঢ়ি অহা মই বাৰুকৈয়ে বুজিব পাৰিলোঁ।

প্ৰত্যেক সপ্তাহতে আমাৰ ইউনিয়নৰ সভ্য শ শ বাঢ়ি গ'ল। শ শ নতুন মানুহে খনিৰ মালিকসকলৰ অন্যায়ৰ বিৰুদ্ধে প্ৰতিবাদ কৰি উঠিল।

প্ৰত্যেক ৰাতি আয়াণ্টোৱে মিটিং পাতিলে। অকল খনিৰ মালিক-সকলৰ বিৰুদ্ধেই নহয় চৰকাৰৰ বিৰুদ্ধেও থিয় হ'বলৈ সি এতিয়া মানুহবোৰক আহ্বান জনালে। তাৰ লগত মিষ্টাৰ গ্ৰুফিদেও যোগ দিলে।

ইতিমধ্যে খনিৰ মালিকসকলে কামৰ মজুৰীৰ নিৰিখ কমাই দিছিল। আয়াণ্টোইতে প্ৰথমে ইয়াৰ বিৰুদ্ধেই যুঁজিবলৈ থিৰ কৰিলে।

আটাইকেইখন উপত্যকাত ৰাতিৰ পিছত ৰাতি ধৰি ইয়াৰ বিৰুদ্ধে সভা বহিল। আগৰ দিনত এসপ্তাহ কাম কৰি এতিয়াৰ কেইবামাহৰো মজুৰী পোৱা বয়সীয়াল লোকসকলে কিন্তু কমি যোৱা বানচৰ বাবে ডেকাসকলকে দোষ দিলে। তেওঁবিলাকে পিছে এইবাৰে ডেকাইতৰ লগ লাগি মালিক-সকলৰ বিৰুদ্ধে যুঁজিবলৈ মান্তি নহ'ল। তেওঁলোকৰ মতে নেখাই মৰাতকৈ কোনোমতে পেট প্ৰবৰ্ত্তাই থাকিব পৰাটোৱে ভাল।

এদিন ইউনিয়নৰ অইন দুজন কৰ্মীৰ সতে আয়াণ্টো খনিৰ কামৰপৰা বৰখাস্ত হ'ল। লগে লগে খনিৰ আন মানুহবোৰে ধৰ্মঘট কৰিবলৈ ওলাইছিল। আয়াণ্টোই মানা কৰিছিল। সি কৈছিল যে তাৰ বাবে কাৰোবাৰ ঘৰৰ ল'ৰা ছোৱালীয়ে ভোকত কন্দা সি নিবিচাৰে।

তিনিও জনে গুচৰে-পাজৰে থকা খনিবোৰত কাম বিচাৰি ঘূৰিলে। কিন্তু খনিৰ কাম আটাইকেইজনে খুব ভালকৈ জনা সত্ত্বেও কোনো খনিৰ মালিকে সিহঁতক কাম দিবলৈ মান্তি নহ'ল।

"সিহঁতে তহঁতক মজা দেখুৱাই এৰিব। বাচি থাক মানে কোনো দিনেই আৰু তহঁতে খনিৰ কাম নেপাব।" দেউতাই এদিন আয়াণ্টোক কলে।

"ঠিক আছে। মই কাইলৈ লোৰ কাৰখানাতে কাম কৰিবলৈ যাম।"

দেউতাই সুধিছিল, "ইউনিয়নৰ কিবা এটা চাকৰী-বাকৰি ল'ব নোৱাৰনে?"

"ইউনিয়নৰ চাকৰী এটা সৃষ্টি কৰি মই সেইটো ললে মানুহে মোক কি বুলিব সেই কথা ভাবি চাইছানে দেউতা?"

"কিন্তু আয়াণ্টো, ইউনিয়ৰ চাকৰী যদি থাকে তেন্তে যেই সেই কোনোবা এজনেতো সেইটো পাবই আৰু সেই চাকৰিৰ বাবে দৰমহাও পাব?"

আয়াণ্টোই উত্তৰ দিছিল, "হয়তো পাব, কিন্তু সেইখিনি মই নেপালেই হ'ল।"

সি লোৰ কাৰখানাতে কাম ললেগৈ। চাৰি মাইল বাট ভাঙি কামলৈ যায় আৰু চাৰি মাইল বাট ভাঙি ৰাতি ঘৰলৈ উভতে। তাৰ মাজত বাৰ ঘণ্টা জুৰি লোৰ কাৰখানাত কাম কৰে। ঘৰলৈ আহিও সি থিৰেৰে নেথাকে —হয় ইউনিয়নৰ লিখা-পঢ়াৰ কাম কৰে, নহয় ক'ৰবাত মিটিং পাতেগৈ।

মই তেতিয়াও কমাৰ-শালাত কাম কৰি আছিলো।

লোৰ কাম কৰি মোৰ খুব ভাল লগা নাছিল। লোৰ নিজ সত্তা বুলি একো নাই। লো এভাল জুইত পেলাই দি উলিয়াই আনি দেখিবা হাতুৰীৰ মাৰ খাই যি কোনো ভাঁজ লবলৈ ই লজ্জাহীন ভাবে বাট চাই আছে। কাঠৰ কথা কিন্তু একেবাৰে বেলেগ। কাঠৰ কাম কৰোঁতে তুমি সাৱধানে, সন্মানেৰে আৰু ভালপোৱাৰে আগ বাঢ়িব লাগিব। কাঠৰ আত্মা আছে, নিজৰ সত্তা বুলি কিবা এটা আছে। অসাৱধানতা বা অযত্নতাৰ ফলত বটালীপাত অলপ ইফাল সিফাল হ'লেই তোমাৰ কামৰ বাৰ বাজি যাব। তেতিয়া সেইটো মাথোন জুইত দি খৰি কৰাৰ কামতহে লাগিব।

কিন্তু লোৰ ক্ষেত্ৰত? হাতুৰীৰে মাৰি থাকা—অকল কিৰিঙতিহে উৰিব, যেন ক'ৰবাৰ কুকুৰ বেঙ এটাই বতিয়াবহে ধৰিছে। কামত ভুল

কৰিলেও ক্ষতি নাই। দোভাল দুইত হুমুৰাই দিয়া—অলপ পিছতে মাৰ খাই ঠিক তাঁৰ লবৰ বাবে সাজু হৈ ওলাই আহিব।

কমাৰশালাত কাম কৰি থাকোঁতে মই প্ৰায়েই লোৰ পাত কিনিবলৈ চহৰলৈ গৈছিলো।

এদিনাখন আবেলি মই লোৰ পাত আনিবলৈ চহৰলৈ গ'লো। সেইদিনা হাটবাৰ আছিল। লোৰ পাত বেচা দোকানখন হাটৰ ওচৰতে।- সেই কাললৈ গৈ থাকোঁতে হঠাতে আংগাহ্লাদইভৰ ঘৰৰ বুঢ়ী চাকৰণী ফিহেছ নিকোচৰ মাত শুনিলোঁ। বুঢ়ীয়ে খেতিয়ক এজন আৰু তেওঁৰ ঘৈণীয়েকৰ স'তে মেল মাৰিব ধৰিছে।

মোৰ গাত কমাৰশালাত কাম কৰোঁতে পিন্ধা ক'লা লেতেৰা কাপোৰ-যোৰ। সেইবাবেই হয়তো মই নিচেই ওচৰত থকা সত্বেও বুঢ়ীয়ে মোক মন নকৰিলে। অলপ পিছতে বুঢ়ীৰ কথা শুনি মোৰ গাটো জিন্‌জিনাই উঠিল। বুঢ়ীয়ে লগৰ দুজনৰ আগত আংগাহ্লাদৰ দুৰ্ণাম গাইছিল। সকয়ুৱা দুৰ্ণাম নহয়। বুঢ়ীয়ে কৈছিল আংগাহ্লাদে হেনো গিৰিয়েক ঘৰত নথকাৰ সুযোগ লৈ দিনে-ৰাতি মিষ্টাৰ ড্ৰামলক ঘৰত সুমুৱাই ৰাখে। অকল সেয়ে নহয়, তাই হেনো মিষ্টাৰ ড্ৰামলৰ সতে সিহঁতৰ ঘোঁৰাগাড়ীখনত ইফালে সিফালে ঘূৰি ফুৰে। এই কথাবোৰৰ প্ৰত্যেকটোতে বুঢ়ীৰ শ্ৰোতা দুগৰাকী আচৰিত হৈছিল আৰু তাতে উৎসাহিত হৈ বুঢ়ীৰ বকবকনি বাঢ়ি গৈছিল।

কি কামত মই চহৰলৈ আহিছিলো মই পাহৰি গ'লো। খঙ, লাজ, অপমানত জৰ্জ্জৰিত হৈ মই সেই ঠাইৰপৰা আঁতৰি আহিলো। বুঢ়ীক মই একোকে নক'লো। তাইক গল টিপি মাৰি পেলাব পাৰিলোহেঁতেন, কিন্তু কিবা ঘিণ ঘিণ লাগিল।

মই পোনে পোনে ব্ৰণৱেনৰ ওচৰলৈ গ'লো। ব্ৰণে তেতিয়া টেলিয়েচিনক গা ধুৱাই উঠি গাটো মচি দি আছিল।

ব্ৰণে মোক দেখি ক'লে, “কি হ'ল? বৰ সোনকালে আহিলি দেখোন আজি? মই তোৰ গা ধুবৰ পানী ঠিক কৰাই নাই।”

“সেইবোৰ পিছত হব বাৰু।” আটাইবোৰ কথা মই ব্ৰণক কলো। মোৰ কথা শুনি ব্ৰণৰ মুখ শেঁতা পৰি গ'ল।

“আমি এতিয়া কি কৰা উচিত?” মই ব্ৰণক সুধিলো।

খুব সহজ ভাবে ব্ৰণে ক'লে, "আংগাহ্লাদক কৈ দে।"

"এইবোৰ শুনিলে তাই মৰি যোৱাৰ নিচিনা দুখ পাব।"

"অইনৰ মুখৰপৰা শুনাতকৈ তাই আমাৰ মুখৰপৰা শুনাই ভাল। তাৰো-পৰি, বুঢ়ীয়ে কথাবোৰ আয়েষ্টিনক নলগোৱাকৈ থাকিব বুলি ভাবিছ নেকি?"

"তেনেহলে বুঢ়ীৰ কথাবোৰ সঁচা নেকি? মিষ্টাৰ গ্ৰুকিস বাস্তি দুপৰলৈ আংগাহ্লাদৰ ঘৰত সঁচাকৈয়ে থাকে নেকি?"

"মই কেনেকৈ কম?" টেলিয়েচিনৰ নেপ্‌কিনখন বাদ্ধি থাকি ব্ৰণে ওলোটাই প্ৰশ্ন কৰিলে। "এইবোৰতো মোৰ কথা নহয়? মই কেনেকৈ জানিম?"

"সেইটো হয়। মই পিছে ভাবি আছিলো এইবোৰ সকলো মিছা কথা।"

"সেইটো আচল কথা নহয় নহয়। সঁচা মিছা সেইবোৰ সিহঁত দুয়ো ভাবিব। তাৰ লগত তোৰ মোৰ বা সংসাৰৰ অইন কাৰো একো সম্পৰ্ক নাই, বুজিছ?"

"কিন্তু ব্ৰণ, তেওঁ যে ধৰ্মযাজক?"

"আঁৰ লগতে তেজ মঙহৰ মানুহো। আংগাহ্লাদো তিৰোতা। বুজিলিনে?"

মই সুধিছিলো, "তেন্তে ইয়াত পাপ নাই বুলি ক'ব খুজিছা নেকি, ব্ৰণ? আংগাহ্লাদ অইন এজনৰ ঘৈণী নহয় জানো?"

টেলিয়েচিনক খুব জোৰেৰে চুমা এটা খাই উঠি ব্ৰণে হঠাতে মোক সুধিছিল, "তই বাৰু যোৱা কেইমাহ ধৰি মোক কি চকুৰে চাইছ কচোন?" প্ৰশ্নটোত কিবা যেন এটি কান্দোনৰ ভাব আছিল।

ব্ৰণে ঠিকেই ধৰিছে। মই ধৰা পৰাৰ লাজত শিঞৰি উঠিলো। ক'লো, "এইবাবে মই লজ্জিত, ব্ৰণ।"

"ইয়াত লাজ পাবৰ আকৌ কিটো আছে? কিহৰ বাবে লাজ পাইছ—পুৰুষ হোৱাৰ বাবে নে ধৰা পৰাৰ বাবে?"

"সেইবোৰৰ বাবে নহয়। তোমাৰ মনত মিছাকৈয়ে দুখ দিয়াৰ কথা ভাবিহে লাজ পাইছো।"

"বি পাৰ তাকে নকৰিচোন।... যা, এতিয়া গা ধোগৈ। গা ধুই কিবা অলপ খাবি। তাৰ পিছত আমি আকৌ কথা হ'ম বাৰু।"

মই খাই থাকোঁতে ব্ৰনে ওপৰ মহলাত তেওঁৰ কোঠাত সোমাই কৰবালৈ

যাবলৈ কাপোৰ পিন্ধি আছিল। সেইটো শেষ কৰি খোৰা কোঠালৈ আহে যানে মোৰ খোৱা শেষেই হ'ল।

মোৰ ওচৰলৈ আহি ব্ৰণে ক'লে, "তই এতিয়া মিষ্টাৰ গ্ৰুফিনৰ ঘৰলৈ যা; মই আংগাহ্লাদৰ পৰা আহোঁ। নহলে······মিষ্টাৰ গ্ৰুফিনৰ তালৈ মঞে যাওঁ নেকি ?"

"তুমি আংগাহ্লাদৰ তালৈকে যোৱা। মই তালৈ গৈ বুঢ়ীক লগ পালে কথা সাংঘাতিকেই হ'ব। পিছে মিষ্টাৰ গ্ৰুফিনক এইবোৰ কথা কেনেকৈ কও বাৰু ?"

"কৈ দিবি আৰু। সাহ কৰি এবাৰ কৈ দিবি। তাৰ পিছত তেওঁ যি কৰে তেওঁৰ ইচ্ছা।

"বাৰু, তাকে কৰিম।"

মোৰ আৰু কাষ চাপি আহি ব্ৰণে ক'লে, "মাৰক লগ পোৱাৰ আগতে মিষ্টাৰ গ্ৰুফিনক লগ পাই আহিবি, বুজিছ ? নহলে মাৰে তোৰ মুখ দেখিয়েই বুজিব ক'ৰবাত কিবা হৈছে ? তেতিয়া হ'লে তই সকলো কথা নকয় নোৱাৰিবি। বাৰু, মই আহোঁ।"

"বাৰু।" আমি দুয়ো দুয়োৰে পিনে চালোঁ। মই নহহাঁকৈ থাকিবৰ চেষ্টা কৰিলো। কিন্তু ব্ৰণৰ হাঁহি থকা চকুযুৰিলৈ চাই মুখখন ক'লা কৰি বহি থাকিবৰ সাধ্য কাৰোবাৰ আছে জানো ? মই হাঁহিলো। ব্ৰণেও হাঁহি হাঁহি কোঠাটোৰ বাহিৰলৈ গৈ দুৱাৰখন খুব লাহেকৈ জপাই দিলে।

মই অকলে বহি থাকিলো। গধূলি হৈ আহিল। মই কিন্তু মোৰ আৰু ব্ৰণৰেনৰ কথা ভাবি বহি থাকিলো। বুকুৰ ভিতৰৰ ক'ৰবাত খচখচাই উঠিল। বাৰে বাৰে ব্ৰণৰেনৰ মিচিকিয়া হাঁহিটোৱে মোক আমনি কৰিলেহি। অলপ আগতে ব্ৰণৰেনে মোক সুধিছিল মই তেওঁক কি চকুৰে চাওঁ। কথাষাৰলৈ মনত পৰি মোৰ নিজৰ ওপৰতে ভীষণ খং উঠিল। মইনো এনে পাষণ্ড এটা হ'ব পাওঁনে ?

কিন্তু ব্ৰণৰেনৰ মিচিকিয়া হাঁহিটোৱে মোক আকৌ আমনি কৰিলেহি।

ব্ৰণৰেনে মোৰ কথা জানে। এইবাৰে ব্ৰণৰেনে খং কৰা নাছিল; হাঁহিছিলহে, নহয় জানো ?

নিজৰ সাধাৰণ কথা এটিয়ে অইনৰ চৰম দুখ দুৰ্দশাকো সহজে আঁতৰাই ৰাখিব পাৰে। আচৰিত যদিও এই কথা সঁচা। মই আংগাহ্লাদ আৰু মিষ্টাৰ

গ্ৰুফিনৰ কথা পাহৰিয়ে গৈছিলো। শেষেত কল্মাতহে স্নপৰেন কি কামত বাহিৰলৈ গৈছে মোৰ মনত পৰিল। মন্ত্ৰো বাবলৈ ওলালোঁ।

...মোক দেখা মাত্ৰকে মিষ্টাৰ গ্ৰুফিনে ক'লে, "কি খবৰ হিউ ?"

মই খপহকৈ কৈ পেলালোঁ, "মিষ্টাৰ গ্ৰুফিন, মই আপোনাক কিবা ভাঙৰ কথা কবলৈ আহিছো।"

"পিছত ক'লে নহ'ব জানো ?" মিচিকিয়াই হাঁহি তেওঁ সুধিলে। "মই এতিয়াই ওলাই নগ'লে পলম হ'ব, বুজিছা ?"

"আপুনি আংগাস্ত্ৰাদহঁতৰ ঘৰলৈ যাব ওলাইছে নেকি, ছাৰ ?"

"ওঁ"। মোৰ পিনে পাছ দি তেওঁ কোটটো পিন্ধিবলৈ ধৰিলে। তেওঁৰ পিঠিৰ পিনে চাই থাকিয়ে মই বুজিলো তেওঁ আক্ৰমণৰ সন্মুখীন হবলৈ সাজু হৈ আছে আৰু তেওঁৰ অলপ খঙো উঠিছে।

"সেই বিষয়েই মই আপোনাক লগ পাবলৈ আহিছোঁ ছাৰ।"

মোৰ পিনে পিঠি দি থাকি খুব গম্ভীৰ ভাবে তেওঁ সুধিলে, "কি বাবে ?"

মই কৈ দিলোঁ।

তেওঁ অলপো কাত-কুত নকৰিলে। ঘৰটোৰ ক্ষীণ মমৰ পোহৰত, মোৰ পিনে পিঠি দি, কোটৰ কলাৰটো দুহাতেৰে ধৰি তেওঁ থিয় দি থাকিল।

মই কথা শেষ কৰাত তেওঁ অতি সহজভাবে সুধিলে, "কথা ইমানেই নে ?"

"হয় ছাৰ।"

"বাৰু। এতিয়া আমাৰ কাম হ'ব আংগাস্ত্ৰাদক বদনামৰ পৰা বচোৱা।"

মই ক'লো, "সেইটো কৰিবলৈ হ'লে আপুনি প্ৰথমে সিহঁতৰ ঘৰৰ বুঢ়ীজনীক গল টিপি মাৰিব লাগিব। তেতিয়াহে পাৰিব।"

মোৰ পিনে পিঠি দি থিয় হৈ থাকি, মাতটোত অকণো আবেগ নোহোৱাকৈ মিষ্টাৰ গ্ৰুফিনে কৈ গ'ল, "লোকৰ বদনাম কৰাৰ পৰা মানুহক বিৰত ৰাখিব নোৱাৰি হিউ। বেয়া চিন্তাৰ পৰাও সিহঁতক তুমি দূৰত ৰাখিব নোৱাৰা। এইবোৰ মানুহ বেয়া পাৰিপাৰ্শ্বিকতাৰ সৃষ্টি। গতিকে বেয়া কাম তেওঁলোকে কৰিবই।"

"আপুনি এতিয়া কি কৰিব বাৰু, ছাৰ ?"

"হিউ, তুমি এতিয়া যোৱাগৈ দেই। মই এই বিষয়ে ভাবি-চিন্তি চাম বাৰু।"

"ভাল হাব। মই আহিলোঁ।"

ঘৰটোৰ পৰা ওলাই আহি খিৰিকীৰে দেখিছিলোঁ তেওঁ তেতিয়াও দুৱাৰখনৰ পিনে পিঠি দি একেখৰে থিয় দি আছে।

নৈখনৰ পাৰে পাৰে খোজ কাঢ়ি মই ঘৰৰ পিনে আগবাঢ়িলোঁ। আমাৰ গাওঁখন নিতান্ত মাৰি শুই আছিল। খনি অঞ্চলৰ বাহিৰে ক'তো এটা লেম বা চাকিৰ পোহৰ দেখা নগৈছিল।

মই কামলৈ যাবলৈ আৰম্ভ কৰাৰ পৰা গাওঁখনৰ আৰু পৰিবৰ্ত্তন হৈছে। নৈখন, বাট-পথবোৰ আনকি আমাৰ গাওঁখনৰ আকাৰতো পৰিবৰ্ত্তন আহিছে। নৈৰ দুয়ো পাৰে অসংখ্য ঘৰ উঠিছে। নতুনকৈ সজা কলঘৰ দুটা নৈখনৰ একেবাৰে কাষতে। ফলত কলঘৰৰ ময়লাবোৰ গৈ নৈতে পৰে। তাৰোপৰি সিহঁতৰ ঘৰ-ঘৰ-ঘৰ-ঘৰ শব্দও একেবাৰে জঘন্য।

নতুনকৈ হোৱা বাটবোৰ আমাৰ আগৰ বাটবোৰতকৈ বহুতো ঠেক। এই বাটবোৰৰ কাষত হোৱা ঘৰবোৰ বাটৰ প্ৰায় ওপৰতে—ফুলনি নাই, ফুল নাই, মানুহৰ অহা-যোৱা মঙ্গলময় কৰি তুলিবলৈ সেউজীয়া ঘাঁহো নাই। পাছফালে চোতাল এখন নাই। মাথোন ঘৰ আৰু ঘৰ; ইটোৰ লগত সিটো সাইলাখ একে ঘৰ।

খনিৰ আবৰ্জনাৰ চাৰিটা নতুন দ'ম মূৰ তুলি উঠিব ধৰিছে। সেই দ'মৰ পৰা আবৰ্জনা বাগৰি তলৰ সেউজীয়া ঘাঁহনি আৰু গছ-গছনিবোৰৰো নষ্ট কৰিছে। মাথোন কেইবছৰমান আগতে মই উঠা ডাঙৰ গছ এজোপা দেখিলোঁ। ধোঁৱা উৰি থকা আবৰ্জনাৰ মাজত মৰি অসহায় ভাবে থিয় দি আছে।

ঘৰ পাই দেখিলোঁ পাগঘৰত লেম এটা জ্বলি আছে। মনটো ভাল লাগি গ'ল।

চকী এখনত বহি ব্ৰণে চিলাই কৰি আছিল। জুইৰ ওপৰত থকা কেটলিটোৱে সোঁ সোঁ শব্দ কৰি আছিল। শুই থকা মেকুৰীটোৱে মাত্ৰ এটা চকু মেলি মোক চাইছিল। নাকত আহি লাগিছিল পিয়াজৰ চুৰুহাৰ গোন্ধ।

ব্ৰণৱেনৰ পিনে নোচোৱাকৈ মই সুধিলোঁ, "এতিয়াও সাৰে আছা যেখোন?"

"কিয় ? আমি কথা-বতৰা হ'ম বুলি আগতে কোৱা নাছিলো ?" ব্ৰণৰ মাতত অস্পষ্ট হাঁহিৰ আভাস এটি আছিল। "মিষ্টাৰ গ্ৰুফিদক লগ পালিনে ?"

"পালোঁ। তেওঁ মাথোন ক'লে যে দুৰ্ণাম কৰা আৰু বেয়া চিন্তা কৰাৰ পৰা আমি মানুহক আঁতৰত ৰাখিব নোৱাৰোঁ। তেওঁ মই কোৱা কথাৰ বিষয়ে চিন্তা কৰি চাব বুলি কৈছে।"

"আংগাহ্লাদ কাইলৈ ৰাতিপুৱাৰ বেলখনতে লণ্ডনলৈ গুচি যাবগৈ।"

"কথাবোৰ শুনি তাইৰ খুব খং উঠিছিল নেকি ?"

"নাই। তাই আগতে এইবোৰ শুনিছিল।"

"শুনিছিল ?" মই আচৰিত হৈ গ'লো।

"ইয়াৰে ছোৱালী তাই, ইয়াতে থাকে। তাই নুশুনি পাৰিব জানো ?"

"এইবোৰ আগতে শুনিও তাই তেন্তে মিষ্টাৰ গ্ৰুফিদক সিহঁতৰ ঘৰলৈ আহ-যাহ কৰি থাকিবলৈ দিছিল ?"

কাঁহী-বাটিবোৰ ধুই থাকি ব্ৰণে মোক ওলোটাই সুধিছিল, "মিষ্টাৰ গ্ৰুফিদে একো শুনা নাছিল বুলি ভাব নেকি ?"

"দুয়ো যদি জানেই তেন্তে আমি কৈ বা চিন্তা কৰি কি লাভটো হ'ল ?"

"বাৰু সেইবোৰ এতিয়া ভাবিব নেলাগে। এতিয়া থাই ল।" চুকহা এবাটি মোৰ আগত দি ব্ৰণে আকৌ ক'লে, "আমি সিহঁতক কোৱাৰ পৰা কাৰো একো অনিষ্ট হোৱা নাই—সেইখিনিয়ে বহুত।"

"কিন্তু তেওঁ যে এজন ধৰ্মযাজক আৰু আংগাহ্লাদ হ'ল পৰস্ত্ৰী। এইবোৰ কৰা তেতিয়াহ'লে অন্যায় নহয় জানো ?"

ব্ৰণে এইবাৰ মোক সুধিলে, "কিয় ? মিষ্টাৰ গ্ৰুফিদে আংগাহ্লাদৰ সতে দেখা-সাক্ষাত কৰিলে দোষ হয় কিয় ?"

মই তেতিয়াই উত্তৰ দিব নোৱাৰিলোঁ।

ব্ৰণৰ খং উঠিল। কটাৰীখনেৰে জোৰেৰে কটা কাটি থাকি তেওঁ ক'লে, "মই কম নেকি কিয় ? কাৰণ তোৰ মনটোও আইনবোৰ বেয়া মানুহৰ দৰে। আংগাহ্লাদইতৰ বুঢ়ী চাকৰণীজনীৰ দৰে। তইতো বুঢ়ীক গল টিপি মাৰিব খুজিছিলি ? তাৰ সলনি নিজকে নামাৰ কিয় ? ভাল ভায়েকজন ওলাইছে ! নিজৰ বায়েক এজনীৰ প্ৰতি অলপ দয়া-মায়া নাই !"

মই ক'লো, "ব্ৰণ, তুমি মিছাকৈয়ে খং কৰিছা।"

"ধৰ্মযাজক হ'ল বুলিয়েই মিষ্টাৰ গ্ৰুফিদ মানুহ নহয় জানো? অইন মানুহৰ অধিকাৰবোৰ তেওঁ নেপাব কিয়?" খঙত ব্ৰণে তোৰভোৰাই থাকিল।

মোৰো ভীষণ খং উঠিল। ক'লো, "মোৰ আপত্তি এইখিনিতে যে তেওঁ অইনৰ ঘৈণী এজনীৰ স'তে এইবোৰ কৰে কিয়?"

"অইনৰ ঘৈণীয়েক হ'লে কি ক্ষতিটো হ'ল? তেওঁ যদি তাইৰ স'তে কথা পাতে আৰু তেওঁৰ সঙ্গৰ পৰা তাইৰ যদি উপকাৰ হয় তেন্তে তাত কাৰ কি ক্ষতি হ'ব পাৰে কচোন?"

"সিমানখিনিত একো ক্ষতি নাই।"

ব্ৰণে মোক সুধিলে, "তেন্তে?" তেওঁৰ মুখত তেতিয়া সেই হাঁহো নাহাঁহো কৰা মিচিকিয়া হাঁহি।

"ধেৎ, এইবাবে আমি তৰ্কাতৰ্কি কৰি একো লাভ নাই," মই ক'লো।

তেতিয়া ব্ৰণৰ হাঁহি সেইদিনা তুমি দেখিলাহেঁতেন যদি। হাঁহি হাঁহি ব্ৰণ ভাগৰি পৰিল।

চকু দুটা মচি লৈ ব্ৰণে ক'লে, "তই এটা মস্ত আঁকৰা, বুজিছ?"

"মই আকৌ আঁকৰা হলো কিয়?" মই অলপ বেয়া পালো।

"মিষ্টাৰ গ্ৰুফিয়ে যি কৰিছে তয়ো তাকে কৰা নাই জানো? তাতকৈ বেছিহে। তইতো ইয়াত বাতিও থাক। তোৰ বিষয়ে মানুহে কোৱা-কুই কৰিলে তই ভাল পাবিনে?"

উস প্ৰভু!

"তোমাক বা মোক লৈ কোনোৱে একো ক'ব নোৱাৰে। কোনোবাই কোৱা শুনিলে দেখিম নহয়।"

"শুনিবি। অলপ দিনতে শুনিবলৈ পাবি।" সম্পূৰ্ণ নিৰুদ্বেগ থাকি ব্ৰণে কথাষাৰ ক'লে।

"তেন্তে মই এই ঘৰৰ পৰা গুচি যোৱাই ভাল হ'ব ব্ৰণ।"

"ওঁহো। তই ইয়াতে থাক। দুৰ্ণাম কৰিবলৈ দে। সিহঁতৰ মনবোৰ বেয়া, মুখবোৰ বেয়া—দুৰ্ণাম সিহঁতে কৰিবই। তই মাথোন অইনৰ কথা কোৱাৰ আগতে নিজৰ কথা ভাবি চাবি। তই মোক কি চকুৰে চাব সেই কথা মই তোক আজি আবেলি সুধিছিলোঁ। এই বিষয়ে ভাবি চাবি। অইনৰ

বিষয়ে কিবা কোৱাৰ আগতে নিজৰ কথা সদায় ভাবি চাবলৈ চেষ্টা কৰিবিচোন।"

মানুহৰ লাঠি খোৱা কুকুৰ এটাৰ দৰে মই বহি থাকিলোঁ। অলপ পিছত মই শুবলৈ গ'লো। কোঠাটোত ব্ৰণৰ উজ্জ্বল চকুযুৰি আৰু মিচিকিয়া হাঁহিটোৱে মোক এনেয়ে আৱৰি ৰাখিলে। মোৰ কিন্তু সেই ৰাতি সেই কাল্পনিক চকুযুৰিৰ পিনে চাবলৈ সাহ নহ'ল। মিচিকিয়াই হাঁহি উত্তৰ দিবলৈকো মোৰ মন নগ'ল।

৩৪

আংগাহ্লাদ লণ্ডনলৈ গ'লগৈ। কেৰিদৱেন বাইদেৱে ল'ৰা-ছোৱালী কেইটাক লৈ আংগাহ্লাদৰ সতে থাকিলগৈ। মাইও গৈ এমাহমান আছিলগৈ। মাৰ যাত্ৰাৰ আয়োজন দেখিলাহেঁতেন যদি! দক্ষিণ মেৰুলৈহে যেন যাবলৈ ওলাইছে।

ঘৰত মাকজনী নেথাকিলে ঘৰখন ইমান নিজম পৰি থাকে।

দেউতাই এদিন ক'লে, "উস্ প্ৰভু, মাৰ নথকাত মোৰ যে কি কষ্ট হৈছে মইহে বুজিছোঁ। ঊনচল্লিশ বছৰৰ ভিতৰত এয়ে প্ৰথম মই মাৰৰ পৰা আঁতৰি আছোঁ।"

মেজৰ লেমটোৰ পোহৰত বহি দেউতাই মালৈ প্ৰায়ে চিঠি লিখা দেখিলোঁ। মাজে মাজে লেখিবলৈ একো বিচাৰি নেপাই দেউতাই মূৰ খজুৱাই বহি ভাবি থাকে। চিঠিত দেউতাই ঘৰখনৰ বিষয়ে মাক একো জনাবলৈ এৰা নাছিল—কেট্‌লিটোৰ হেণ্ডেলডাল এৰি যোৱাৰ কথা, গেৰেথে বটালি এপাতেৰে দৰজা এখনৰ এৰকলা একৰাই পেলোৱাৰ কথা, টেলিয়েচিনৰ দুষ্টালিৰ কথা সকলো।

দেউতালৈ দিয়া মাৰ চিঠিবোৰ কিন্তু চুটি আছিল—এখন পাতত ডাঙৰ ডাঙৰকৈ লিখা মাত্ৰ কেইশাৰীমান। মাই সদায় চিঠি শেষ কৰিছিল এইবুলি 'ইতি তোমাৰ মৰমৰ এলিজাবেথ মৰ্গান।'

মই পুনৰ কামলৈ গ'লো। কামলৈ কেইবাদিনো নহাৰ বাবে কমাৰজনে মোক অলপ গালি পাৰি খনিৰ তললৈ কাম কৰিবলৈ পঠিয়ালে। মোক সহায় কৰিবলৈ লগত দিলে এজন বাৰবছৰীয়া ল'ৰা। ল'ৰাজন ভাল, পিছে অলপ বেছি সৰু।

এদিনাখন খনিৰ তলত কাম কৰি থাকোঁতে অলপ আঁতৰত কিবা চিঞৰ-

বাখৰ শুনিলো। সেই সেখো ল'ৰাটোৱে আইন এজন ল'ৰাৰ সতে মৰামৰি কৰিব ধৰিছে। আনজন ল'ৰা তাভকৈ বহুতো ডাঙৰ।

মই সেই ধমক দিয়াত ল'ৰাজন মোৰ ওচৰলৈ আহিল। তেনেতে হঠাতে ডাঙৰ ল'ৰাজনে কাণৰ কাষত ঘোঁচা এটা মাৰি তাক বগৰাই দিলে।

মোৰ খং উঠি গ'ল। খুব জোৰেৰে এথাপৰ দিয়াৰ লগে লগে ইজন ল'ৰা বাগৰি পৰিল। ক'লোঁ, "ঘৰত মাৰ-দেউতাৰবপৰা ভালকৈ শিকি আহিবি কাৰ লগত কেনেকৈ চলিব লাগে।"

ওচৰতে বৈ চাই থকা ইভান জন নামৰ এজনে পোনেই মাত দিলে, "তোমাৰ ঘৰখনলো কেতিয়াৰপৰা ইমান ভাল হ'ল যে তুমি আইনক উপদেশ দি ফুৰিছা ?"

মই উত্তৰ দিলো, "মোৰ ঘৰৰ বিষয়ে তুমি কথা কোৱাৰ কোনো দৰকাৰ নাই।"

"তুমি আইনৰ ঘৰৰ কথা তেন্তে কিয় কৰা ? নিজৰ নো ভাল কিটো আছে ? বায়েক এজনীয়ে ধৰ্মযাজক এজনৰ লগত লেটিপেটিখন কৰি ফুৰাৰ কথা কোনোবাই নেজানে হ'বলা ?"

লগে লগে মোৰ ঘোঁচা চলিল। সোঁ হাতৰ এঘোঁচাত কামিহাড় ছুভাল আৰু বাওঁ হাতৰ ঘোঁচাত নাক ভাঙিল। আৰু এঘোঁচাত থুঁটুৰিটো ফাটি যোৱাতহে মই মাৰিবলৈ এৰিলো।

খনিৰ কামৰ শেষত বাহিৰ ওলোৱাত এচিষ্টেণ্ট মেনেজাৰজনে মোক মাতি নিলে। অফিচলৈ গৈ দেখোঁ পুলিচ আহিছে।

চাৰ্জেণ্ট এজনে সুধিলে, "হিউ মৰ্গান ?" "হয়।"

"তোমাৰ নামত আইনক আক্ৰমণ আৰু আঘাত কৰাৰ অভিযোগ আছে। তোমাক অৱশ্যে গ্ৰেপ্তাৰ কৰা নহয়। তোমাৰ ওপৰত আগতে চমন জাৰি কৰা হ'ব।"

তেনেতে মেনেজাৰে ক'লে, "তোমাক আৰু খনিত কাম কৰিবলৈ আহিব দিয়া নহ'ব। এই মৰ্গান পৰিয়ালৰ ল'ৰা কেইটাই আমাক সদায় জুলুম কৰি আহিছে।"

একো নেমাতি মই ঘৰলৈ উভতি গৈ গা-পা ধুই খাবলৈ বহিলো।

খোৱাবস্তৰ কাঁহিখন মোৰ সন্মুখত থৈ ব্ৰণে মোৰ পিনে খুব ভালকৈ চালে।

মই কিন্তু ব্রণৰ মুখলৈ চোৱা নাছিলো। তললৈ মূৰ কৰি কেঁৰাহিকৈ চাই থাকি মই মাথোন ব্ৰণৰ নীলা কাপোৰযোৰৰ একাংশ দেখা পাইছিলো।

"তোৰ হাতত সেইবোৰ কি হ'ল ?" ব্ৰণ উচাপ খাই উঠা যেন লাগিল।

"বিয়া-বাৰু কৰোৱা সংসাৰী মানুহ নোহোৱা হ'লে মই তাক আজি শেষ কৰি দিলোহেঁতেন। সি আংগাছ্রাদৰ বদনাম কৰিছিল ব্ৰণ।"

ব্ৰণ মোৰ কাষত বহি পৰিল। "এতিয়া কি হ'ব হিউ ?"

"পুলিচে মোৰ ওপৰত চমন জাৰি কৰিব বোলে। কামৰ পৰাও মোক খেদি দিছে।"

আমি দুয়ো অলপ পৰ নিমাত থাকিলো। ইয়াৰ পিছত মোৰ কান্ধত হাত এখন থৈ ব্ৰণে ক'লে, "খাই ল হিউ।"

খাই থাকোঁতে পাছফালৰ চোতালত কাৰোবাৰ ভৰিৰ শব্দ শুনিলো— দ্ৰুত কিন্তু দৃঢ় পদক্ষেপ, যেন কিবা খুব জৰুৰী কামত আহিছে।

ব্ৰণে কিন্তু লগে লগে "মিষ্টাৰ গ্ৰুফিদ" বুলি কৈ কোঠাটো ঠিক কৰাত লাগি গ'ল। চকী কেইখন যতনাই সজাই থলে, মেজৰ ওপৰত কাপোৰখন ঠিক কৰিলে আৰু জুইকুৰা ভালকৈ জলাই দিলে।

মিষ্টাৰ গ্ৰুফিদ আহি দুৱাৰদলিত থিয় দিলেহি। ক'লে, "হিউ, তোমাৰ কিবা অলপ গণ্ডগোল হৈছে বোলে।"

"হয় ছাৰ।" মই বহাৰ পৰা থিয় দিলো। মিষ্টাৰ গ্ৰুফিদৰ মুখখন শেঁতা আৰু চকু দুটা বঙা পৰি আছিল।

"মোক আৰু বাইদেৱেৰাক লৈয়ে গণ্ডগোল, নহয় জানো ?"

মই একো নেমাতিলো।

"তোমাৰ ব্যৱহাৰত মই বৰ লাজ পাইছোঁ। এতিয়া আদালতত কি কাণ্ড হ'ব কোনে জানে ?" মিষ্টাৰ গ্ৰুফিদক বৰ ক্লান্ত যেন দেখা গৈছিল। তেওঁ কিন্তু খঙতে কঁপিছিলো।

মই ক'লো, "ইয়াতনো চিন্তা কৰিবৰ কিটো আছে ?"

"চিন্তা কৰিবৰ আছে নে নাই মিষ্টাৰ ইলিয়াচে দেখুৱাব নহয়।"

"মিষ্টাৰ ইলিয়াছ ?" মই আচৰিত হৈ গ'লো।

"ও, ইলিয়াচেই আচলতে পুলিচত কেছ দিছে। তুমি মাৰা ইভান জনৰ দেউতাকে ইলিয়াছৰ দোকানত কাম কৰে।"

"দেখা যাওঁক কি হয়।"

খুব লাহে লাহে চকী এখনত বহি মিষ্টাৰ গ্ৰুফিদে ক'লে "মই ইয়াৰ পৰা গুচি যামগৈ। এই উপত্যকাখনেই এৰি গুচি যামগৈ। মোক কোনোৱে একো নক'লেও মই সকলো বুজোঁ। জিদ কৰি ইয়াত থাকি লাভ নাই। ইয়াৰ বহুতো আগতে গুচি যোৱা হ'লেই ভাল আছিল।"

জীৱন যুদ্ধত হাৰি যোৱা মানুহৰ দৰে তললৈ মূৰ কৰি তেওঁ বহি থাকিল। ক্ৰমে চকুপানী টুকিবলৈ ধৰিলে।

অলপ পিছত মই কলোঁ, "মই কৰা কামৰ বাবে মই নিজেই এতিয়া লাজ পাইছোঁ ছাৰ।"

"এই বিষয়ে মই তোমাৰ দেউতাৰৰ স'তে কথা হ'ম বাৰু।"

তেওঁ গলগৈ। মই মাথোন জুইকুৰাৰ পিনে একেথৰে চাই বহি থাকিলো। ক্ৰমে তেতিয়াও মনে মনে কান্দি আছিল।

দেউতাই লগ পাই পোনেই সুধিলে, "বাৰু হিউ, এতিয়া কি কৰিব খুজিছ।"

"মই কাঠ মিস্ত্ৰিকে হ'ম বুলি ভাবিছোঁ।"

খুব চিন্তিতভাবে লাহে লাহে দেউতাই ক'লে, "আমাৰ এইবোৰ কি হ'ব ধৰিছে বাৰু? আইভৰ, আয়াণ্টো, দেভি, আংগাহ্বাদ, তই—সকলোকে লৈ গণ্ডগোল। এইবোৰ শুনি মাৰে কি ক'ব মই ভাবি নেপাওঁ। এতিয়া আকৌ মিষ্টাৰ গ্ৰুফিদো পৰিছে।"

"তেখেতৰ যোৱা বন্ধ কৰিবলৈ চেষ্টা কৰিছা জানো দেউতা?"

দেউতাই খাই থকা পাইপটোৰ নলীডালেৰে পাহাৰখনৰ পিনে দেখুৱাই কৈছিল, "সৌখন আঁতৰাবলৈ চেষ্টা কৰি চাচোন। মিষ্টাৰ গ্ৰুফিদৰ কামত বাধা দিবলৈ যোৱাটো তেনেকুৱাই মূৰ্খামি। তেওঁ পেটাগনিয়ালৈ যাম বুলিছে, গৈহে এৰিব। গতিকে আমি ভাবি-চিন্তি বা হকা-বাধা কৰি লাভ নাই।"

· মই এদিন খৰি কিনিবলৈ পাহাৰখনৰ সিপিনে গৈছিলো। সেইদিনাই মা লণ্ডনৰপৰা আহি পালে। ক্ৰমৰ ঘৰ গৈ পাই দেখিলো চকী এখনত বহি মাই টেলিয়েচিনক কোলাত লৈ নিচুকাব ধৰিছে।

মোক দেখি মাই সুধিলে, "আকৌ গোলমাল কৰিছ নহয়?"

"ও মা।"

"কাছাৰীলৈ যাব লাগিব কেতিয়া?" যাব মাতত কিন্তু খঙৰ আভাস অকণো নাছিল। মাই যেন সুধিছে আজি কি বাৰ।

"পৰহিলৈ যাব লাগিব।"

"তোৰ ভয় লাগিছে নেকি?" একেথৰে মোৰ পিনে চাই থাকি মাই সুধিলে।

"নাই লগা।"

"ভাল কথা।... লণ্ডনৰ পৰা তোলৈ এটা টুপী আনিছো অ'।"

"খুব ভাল কৰিছা। আংগাহ্লাদ কেনে আছে?"

"তাই তুই এদিনতে কেপ টাউনলৈ যাবগৈ।" ইয়াৰ বেছি একো নকৈ মাই টেলিয়েচিনক দাড়ি ধৰি চুমা দিলে। মাই হয়তো নিজৰ কান্দোন মোৰ আগত লুকুৱাবলৈকে তেনে কৰিছিল।

৩৫

মাই লণ্ডনৰপৰা অনা টুপীটো আৰু মোৰ আটাইতকৈ ভাল কাপোৰবোৰ পিন্ধি টমাছৰ ঘোঁৰাগাড়ীখনত উঠি এদিন কাছাৰীলৈ ওলালো। মোৰ লগত ওলাল দেউতা আৰু মিষ্টাৰ গ্ৰুফিদ।

আমাৰ পাহাৰখনৰ প্ৰায় সকলো ঠাইতে খনিৰ আবৰ্জনাৰ দ'মবোৰে মূৰ দাঙি উঠিছে—যেন বিৰাট মৰা জন্তু কিছুমান পৰি আছে। গছবোৰ দ'মবোৰৰ মাজত পোত খাই গৈছে।

মই ক'লো, "আমাৰ উপত্যকাখনেই এদিন এই দ'মবোৰৰ তলত পোত খাই যাব।"

দেউতাই উত্তৰ দিলে, "আমি সৰু থকা কালত এইদৰে য'তে ত'তে কোনেও এইবোৰ পেলাব নোৱাৰিছিল। আজিকালি মানুহবোৰ এলেহুৱা হ'ল, সহজে আৰু সস্তাত কাম এটা কৰিব পাৰিলেই সিহঁত ৰক্ষা পৰে। তাৰ ফল এয়া হৈছে। পিছে, মই এতিয়া তোৰ কেছটোৰ কথা ভাবিহে চিন্তিত হৈছোঁ। তই ভালে ভালে সাৰি আহিব পাৰিলেই ৰক্ষা।"

মিষ্টাৰ গ্ৰুফিদে ক'লে, "তোমাৰ বাবে এজন ভাল উকিল দিয়া হৈছে হিউ। গতিকে তুমি সাৰি যোৱাৰ যথেষ্ট সম্ভাৱনা আছে।"

"মোৰ অকণো চিন্তা লগা নাই।" সঁচাকৈয়ে মোৰ অকণো ভয় লগা নাছিল।

ঘৰৰ পৰা ওলাবৰ সময়ত ব্ৰণে মোক টুপীটো আনি দিছিল। দুৱাৰদলিত ৰৈ থাকি মোক আগবঢ়াই দিছিলহি।

আমি দুয়ো দুয়োৰে পিনে বহুপৰ চাই আছিলো। তেতিয়াই হঠাতে মই গম পাইছিলো ব্ৰণৰ নিঃসঙ্গতাৰ কথা, আইভৰ অবিহনে তেওঁৰ জীৱন-জ্বালাৰ কথা। এইবোৰৰ বিষয়ে কিন্তু ব্ৰণে কথাৰে বা চাৱনিৰে কোনো দিনেই কোনো

ইঙ্গিত দিয়া নাছিল। তিৰোতা মানুহৰ নিজৰ কিবা এক ধৰণৰ বীৰত্ব আছে। সেই বীৰত্বৰ ওচৰত পুৰুষৰ বীৰত্ব ক'ৰবাত পৰি থাকে। ব্ৰণৰ প্ৰতি মোৰ গুপুত ইচ্ছাৰ কথা ভাবি মোৰ সেই দিনা ইমান লাজ লাগিছিল যে তেওঁৰ ভৰিত পৰি চুমা খাই তাৰ প্ৰায়শ্চিত্ত কৰিবলৈ মোৰ মন গৈছিল।

মই কৈছিলো, "ব্ৰণ মোৰ অকণো ভয় লগা নাই। আজিৰ দিনটোৱে মোক যি শিকালে তাৰ বাবে মই এই দিনটোৰ ওচৰত কৃতজ্ঞ থাকিম। যদি মই ফিৰি আহোঁ, ভালেই। যদি জেলত দিয়ে, দিয়ক। মুঠতে, মোৰ আজি অকণো ভয় লগা নাই। লাগিছে লাজ। তোমাক লৈ এইবোৰ ভাবিবলৈ পাওঁনে বাৰু? · আহোঁ ব্ৰণ।"

এখন হাতেৰে মই ব্ৰণক সাৱটি ধৰিছিলো। লেভেণ্ডাৰৰ গোন্ধ আহি মোৰ নাকত লাগিছিলহি। কান্দি থকা ব্ৰণৰ গালত মই চুমা দিছিলো—ভাতৃৰ চুমা। ইয়াৰ পিছত আহি ঘোঁৰাগাড়ীখনত উঠিছিলোহি।

ইয়াৰ আগতে কাছাৰী ঘৰটো মই কেতিয়াও দেখা নাছিলোঁ। গৈ পাই মোৰ এনে লাগিল যেন মোৰ ক'ৰবাত কাটিছে আৰু সেই কটাঘোখৰ চিলাই কৰিবলৈ ডাক্তৰে বেজীত সূতা ভৰাবলৈ ধৰিছে।

বহু সময় আমি কাছাৰীৰ বাহিৰৰ বেঞ্চত বহি থাকিলো। হঠাতে দেখিলো লগত সক ভায়েক এজন লৈ ইভান জন্স আমাৰ পিনে আহিব ধৰিছে। সক ভায়েকজনক তেওঁ আনিছিল কথা কবৰ বাবে। কাৰণ তেতিয়াও তেওঁৰ মুখখনত বেণ্ডেজ মৰা আছিল। চকু দুটাও ফুলি আছিল।

ভায়েকে ক'লে, "হিউ, ককাইদেৱে ক'বলৈ কৈছে যে এই কেছ তেওঁ কৰা নাই। কাছাৰীয়ে মাতিছে কাৰণেই তেওঁ আহিছে। হাকিমৰ আগত তেওঁ তোমাৰ বিৰুদ্ধে একো নকয়।"

"ধন্যবাদ ইভান্স," মই ক'লো।

ভায়েকে আকৌ ক'লে, "সেইদিনাৰ কাজিয়াৰ বাবে ককাইদেৱে বৰ লাজ পাইছে। তেওঁ তোমাৰ লগত হাত মিলাব খুজিছে।"

"ময়ো এইবাবে বৰ লাজ পাইছোঁ ইভান। আমি সদায় বন্ধু আছিলো। কিন্তু সিদিনা ক'বণৰা কিবে হৈ গ'ল।"

দুয়ো হাত মিলালো।

তেনেতে মিষ্টাৰ গ্ৰুফিদে ক'লে, "তেন্তে এতিয়া আৰু কেছ নহয়?"

আমাৰ উকিলে ক'লে, "এনেয়ে এটা কেছ হ'ব অৱশ্যে। কিন্তু এতিয়া আৰু ভয় কৰিবৰ একো নাই।"

উকিলে ঠিকেই কৈছিল। কেছটো অলপ পৰ শুনিয়েই হাকিমে 'ডিচমিচ' কৰি দিলে।

কেছটো শেষ হোৱা বুলি কোৱাৰ প্ৰায় লগে লগে আমি তিনিও গৈ ঘোঁৰাগাড়ীখনত উঠিলোগৈ। দেউতাই ক'লে, "ব'ল, সোনকালে ঘৰলৈ ব'ল।" টমাচে ঘোঁৰাটোক চাবুক মাৰিলে।

ওৰে বাটটোৱে কোনেও এষাৰ কথা নক'লে।

ঘৰ পাই গাড়ীৰপৰা নামি গাড়ীখন দি সহায় কৰাৰ বাবে দেউতাই টমাচক ধন্যবাদ জনালে। টমাচে 'নাই, নাই, কোনো কথা নাই' বুলি বিদায় ল'লে। যাওঁতে কিন্তু মিষ্টাৰ গ্ৰুফিদৰ মাত এষাৰতো দি নগলেই তেওঁৰ পিনে নেচালেও।

"ৰাতিৰ সাজ আপুনি আমাৰ ঘৰতে খাই যাওঁক।" দেউতাই কিন্তু মিষ্টাৰ গ্ৰুফিদুৰ মুখৰ পিনে চাই কথাষাৰ কোৱা নাছিল। ময়ো তলমূৰকৈ থাকি টুপীটোৰ ভিতৰৰ কাপোৰখন পৰীক্ষা কৰি চোৱাত লাগি গৈছিলো।

মিষ্টাৰ গ্ৰুফিদে একো নকৈ তেওঁৰ হাত এখন দেউতাৰ কান্ধত থলে। অলপ পিছত তেওঁ আমাক তাতে এৰি গুচি গ'ল।

"উস প্ৰভু!" দেউতাৰ মাতত স্পষ্ট কান্দোনৰ সুৰ। "ব'ল। এতিয়া ভিতৰলৈ ব'ল। বাহিৰৰ দুৱাৰখন বন্ধ কৰি দে বাছা।"

সেইদিনাই প্ৰথম দিনাৰ বাবে আমাৰ ঘৰৰ সন্মুখৰ দুৱাৰখন দিনতো বন্ধ কৰা হ'ল।

আহাৰ খাই উঠাৰ পিছতে পাছফালৰ চোতালেদি ঘৰৰ ভিতৰ সোমালহি জেমচ বালেণ্ডচ। খুব সাজি-কাচি আহিছে মানুহজন। দেউতাক ক'লে, "গুইলাম, মুখিয়ালসকলৰ মিটিং আছে।"

"অ, হয় নেকি? কেতিয়া?"

"এতিয়াই আছে। তুমি যাবা নেকি?"

"যাম।"

মাই দুয়োজনৰ পিনে একেথৰে চাই আছিল। মায়ে ভয় খোৱা নাছিল যদিও মাৰ মুখত হাঁহিও নাছিল। দেউতা মাৰ ওচৰলৈ গ'ল। কোনেও একো নক'লে যদিও দুয়ো দুয়োৰে মনৰ ভাব বুজিব পাৰিলে। দুয়ো যেন

দুয়োবেগবা শক্তি আহ্বণ কবিলে। চল্লিশটাকৈ বছৰ একেলগে কটাই দুয়ো এক হৈ পৰিছিল।

দেউতাই লাহেকৈ ক'লে, "যাওঁ।"

মাই মাথোন মূৰ দুপিয়ালে। দেউতা ওলাই গ'লগৈ।

সেই বাতি আয়াণ্টোব স'তে মই মিটিং এখনলৈ গ'লো। তাবপবা ঘূৰি আহি দেখোঁ ব্ৰণে মোব বাবে বৈ পাগঘৰত বহি আছে।

ব্ৰণে কলে, "মিষ্টাব গ্ৰুফিদক গির্জাব কামবপবা খেদি দিলে। মুখিয়ালইতে ক'লে তেওঁ হেনো অপদার্থ।"

মই ক'লো, "ঠিক আছে। কোনো কথা নাই। মিষ্টাব গ্ৰুফিদৰ চাকৰিব বাবে গির্জা আক বহুত ওলাব।"

"দেউতাবে বোলে এই গির্জাটোব লগত সম্পর্ক এৰি দিব।"

"ময়ো এৰিম।"

"ময়ো এৰি দিম। আমি বেলেগ এটা গির্জা সাজিম।"

"ওঁ, ঠিক কথা। আমাব গির্জাত মিষ্টাব গ্ৰুফিদ ধর্মযাজক হ'ব। দেখিবা নহয়, দুদিনমান পিছতে আটাইবোব আমাব গির্জালৈ গুচি আহিব। মুখিয়াল কিজন অকলে পৰি থাকিব।"

ব্ৰণে ক'লে, "ওহোঁ, মিষ্টাব গ্ৰুফিদ এই মাহৰ শেষত পেটাগনিয়ালৈ গুচি যাব। যোবালৈকে ইয়াত থাকিবলৈ তেওঁ অনুমতি বিচাৰিছিল ; মুখিয়ালইতে নিদিলে। এজনে হেনো তেওঁক পাপিষ্ঠ বুলি মুখৰ আগতে কৈ দিলে।"

"দেউতাই একো নকলেনে ?"

"তেনেকৈ কোৱা মানুহজন দেউতাবৰ মাবত এতিয়া বিচনাত পৰি আছে। দেউতাবে অৱশ্যে চকুত অলপ দুখ পাইছে।"

"মিষ্টাব গ্ৰুফিদ এতিয়া ক'ত ?"

"মই তেওঁৰ বাবে বাতিব আহাব সাজ লৈ গৈছিলো। তেওঁ বিচনা-পত্র বান্ধি আছিল। কাইলৈ তেওঁ ঘৰটো এৰি দিবই লাগিব হেনো।"

"মই বাক এতিয়াই তেওঁৰ তালৈ গৈছোঁ।"

মোব মুখত হাত এখন থৈ ব্ৰণে ক'লে, "কাইলৈ পুৱা যাবি। এতিয়া গৈ লাভ নাই। খোৱা বস্তুবোব মই ফিবাই আনিবলগীয়া হ'ল। এই ঠাইত পানী এটোপাকে তেওঁ মুখত নিদিয়ে বোলে।"

৩৬

পিছদিনা খুব ৰাতিপুৱাতে মিষ্টাৰ গ্ৰুফিদৰ ঘৰলৈ গ'লো।

অইন যি কোনো দিনাৰ নিচিনাকৈ অতি শান্তভাবে তেওঁ ক'লে, "অ' হিউ দেখোন।"

দেখিলো বিচনা-পত্ৰ সকলো মিষ্টাৰ গ্ৰুফিদে নিজে বান্ধি সাজু কৰি থৈছে। ক'লো, "মই আপোনাক সহায় কৰি দিম বুলি আহিছিলোঁ। আপুনি দেখোন আগতেই সকলো কৰি পেলাইছে। মই কৰিবলৈ একো নাই দেখোঁন।"

"আছে হিউ। খুব ডাঙৰ কাম এটা আছে। কৰি দিবানে বাৰু?"

মোৰ পিনে পিঠি দি খিৰিকীৰে বাহিৰলৈ চাই থাকি তেওঁ কৈ গ'ল, "সেই ভেৰুদিল ফুলবোৰৰ কথা তোমাৰ মনত আছেনে হিউ? আমাৰ সম্বন্ধ আছিল গুৰু আৰু শিষ্যৰ। কিন্তু আমি দুয়ো বন্ধুও আছিলো, নহয় জানো হিউ? এই চকী-মেজবোৰ আমি দুয়ো লগ লাগি সাজিছিলো। তুমি এইবোৰ আংগাহ্বাদৰ ঘৰলৈ নি দিব পাৰিবানে? মই দিম বুলি প্ৰতিজ্ঞা কৰিছিলো।"

চাৰিওফাল নিজম। অকল চৰাইবোৰেহে বাহিৰৰ বাগিছাত কোচাল লগাইছিল। কুলি চৰাই এটাই নানা ৰকমৰ সুৰ তুলিবলৈ চেষ্টা কৰি আছিল। আকাশখন নীলা হৈ আহিব ধৰিছিল।

মিষ্টাৰ গ্ৰুফিদে আকৌ ক'লে, "কৰিবলগীয়া কামবোৰ নকৰাকৈ ইয়াৰ পৰা যোৱাৰ বাবেহে মই বেছি দুখ পাইছোঁ। অইন একোৰে বাবে মোৰ দুখ নাই। অইনে কৰা দুৰ্ণাম, অইনৰ নীচতা—এইবোৰৰ বাবে ময়ো দায়ী। নতুন ঠাইলৈ গৈ মই কিজানি ভালেই কৰিব পাৰোঁ।"

ঘৰৰ সমুখৰ বাটটোৰে এলিচৰ ঘোঁৰাগাড়ীখন পাৰ হৈ গৈছিল। নাক

নোহোৱা হুৱা এটাৰ বাবে দৌৰাজনীয়ে ঘাটটোৰ ওপৰত থহ্ থহ্ শব্দ তুলিছিল।

"মই আজি ইয়াৰ পৰা গুচি যায়গৈ।......এই ঘড়ীটো মোক দেউতাই দিছিল। এইটো আজি তোমাকে দিলো হিউ। মোৰ দুখৰ দিনবোৰ আহতে এই ঘড়ীটোৱেই জুৰি দিছে।"

তেওঁৰ জেপৰ পৰা সোণ আৰু চিচাৰ তপত ঘড়ী এটা মোৰ হাতত পৰিলহি।

"আমি হাত মিলাই বিদায় লোৱাৰ প্ৰয়োজন নাই হিউ," মোৰ পিনে পিঠি দি থাকি গুৰু-গম্ভীৰ মাতেৰে মিষ্টাৰ গ্ৰুফিদে কৈ গ'ল। "আমি দুয়ো দুয়োকে কেতিয়াও নেপাহৰোঁ।... যাক, তুমি এতিয়া যোৱা হিউ।"

মই গুচি আহিলো। পাহাৰখনৰ ওপৰলৈ উঠি গৈ মই এঠাইত বাঁহনিত মুখ গুজি দীঘল দি পৰি থাকিলো।

ভালেখিনি সময় পিছত তাৰ পৰা আহি দেখিছিলো মিষ্টাৰ গ্ৰুফিনৰ ঘৰটো খালি হৈ পৰি আছে।

.. ..

ইয়াৰ ভালেমান দিন পিছলৈ আমাৰ গাওঁখন কিবা এক ধৰণৰ নিতাল মাৰি থাকিল। সব লৰা-ছোৱালীবোৰৰ গাৱঁৰ আলিবাটত দেখিবলৈ নোহোৱা হ'ল। আমাৰ সকলোৰে মনৰ আনন্দবোৰ যেন কেনেবাকৈ মৰি গ'ল।

দেউতাও কিবা ধৰণৰ হৈ পৰিল। তেওঁ কিন্তু মিষ্টাৰ গ্ৰুফিন যোৱাৰ পিছদিনাই গাৱঁতে ঘৰ এটা ভাড়া লৈ চুণ আদি দিয়াৰ ব্যৱস্থা কৰিলে। প্ৰতি দিনাই আমি ঘৰৰ সকলোৱে তালৈ গৈ ঘৰটো ধোৱা-পখলা কৰি দুৱাৰ খিৰিকীবোৰত ৰং দিলো।

দেওবাৰ আহিল। আমি আগৰ দৰেই গির্জালৈ ওলালোঁ। আগৰ দৰেই বাটত লগ পোৱা মানুহবোৰক সম্ভাষণ জনালোঁ। কিন্তু একেলগে আহি থাকি পাহাৰখনৰ নামনি পোৱাৰ পিছতে আমি বেলেগ এটা বাটেৰে ভাড়ালৈ লোৱা ঘৰটোৰ পিনে খোজ দিলো। সেইটোৱেই আমাৰ নতুন গির্জাঘৰ। সেইদিনা দেউতাই প্ৰাৰ্থনা কৰালে।

আমি পুৰণি গির্জা এৰি গুচি আহিছোঁ—আমি দহজনে মাথোন।

সেইদিনা প্ৰায় এঘণ্টামান আমি সকলোৱে নীৰৱে প্ৰাৰ্থনা কৰিলো। মিষ্টাৰ

গ্ৰুফিৰ আমাৰ মাজৰ পৰা খাঁতৰি গ'লেও তেওঁৰ মাতটো যেন ক'ৰবাৰ পৰা তাহি আহি আমাক সাহস যোগালে।

তেওঁ দিয়া ঘড়ীটো মোৰ হাতত আছিল। তেওঁ দিনক দিনাৰ দৰে ই তেতিয়াও তপত হৈ আছিল।

আমি ধৰ্ম-সঙ্গীত আৰম্ভ কৰিলোঁ। মিষ্টাৰ গ্ৰুফিৰ গম্ভীৰ মাতটোৱেও যেন আমাৰ সতে যোগ দিলেহি।

......মাহৰ পিছত মাহ পাৰ হৈ গৈ শীতকাল আহে মানে পুৰণি গিৰ্জা এৰি আমাৰ গিৰ্জালৈ বহুতো মানুহ আহিল। আমি আটাইবোৰ মিলি এশজন মানেই হ'লো। আমি আটায়ে লগ লাগি গিৰ্জাটো ডাঙৰ কৰাত আৰু বহা ঠাই বঢ়োৱাত লাগি গ'লো। আনকি দাই বাওো আৰু কুহভাৰ্থাও আহি আমাক সহায় কৰি দিলে।

এদিন ৰাতি দায়ে কলে, "হিউ, শনিবাৰে গধূলি আমাৰ লগত ওলাব পাৰিবিনে? বক্সিং খেল এখন আছে। তই আমাক অলপ সহায় কৰি দিব লাগে। তইতো আমাৰ লগত কোনো দিন কতো যোৱাও নাইঁকি কৰ অ' কুহ্ভাৰ্থা?"

"ঠিক কৈছ দাই। ওঁ হিউ, তই গ'লে ভাল হয়। দায়ে যুঁজিব, বুজিছ?"

"দাই?" মই আচৰিত হৈ গ'লো। দাইৰ বয়স তেতিয়া প্ৰায় পঞ্চাশ। পাহাৰখনৰ বেছি ওখলৈ উঠিলেই দাইৰ কেতিয়াবা ভাগৰ লাগি যায়।

কুহ্ভাৰ্থাই পুনৰ ক'লে, "মই টাইম-কিপাৰ হ'ম। বিলি লুইচ এজন সহকাৰী হ'ব। আনজন তই হ'ব লাগে, হিউ। হবিনে বাৰু?"

"হ'ম। মই যাম বাৰু। পিছে যুঁজখননো কেনেকৈ হ'বলৈ পালে।"

দায়ে ক'লে, "দাকোপ মাৰি ফুৰাৰ কাৰণে। চনিৰ কথা কৈছো, বুজিছ?"

চনি বিৰাট ওখ ডাঙৰ মানুহ। আকাৰত দাইতকৈ বহুতো ডাঙৰ। চনিয়ে আইনক ভয় দেখুৱাই টকা আদায় কৰি মদ খাই ফুৰে। বহুতে বহুবাৰ তাক এইবাবে মাৰ-পিটো কৰিছে। তাৰ কিন্তু শিক্ষা নহয়। তাক বহুতে ভয়ো কৰে। আনকি খনিতো তাক খনিৰ কৰ্মচাৰীসকলে যেই সেই কাম দিবলৈ সাহ নকৰে। আটাইতকৈ ভাল ঠাইত আটাইতকৈ সহজ কামটো সদায় লিয়ে পায়।

"যুঁজ ক'ত হব?" মই সুধিলো।

দায়ে ক'লে, "পাহাৰখনৰ সিফালৰ গাওঁখনত।"

"মই যাম বাৰু।"

৩৭

শনিবাৰে ব্ৰণক কথাটো কোৰাত ব্ৰণে ক'লে, "একো বিপদ-আপদ নহয় যদি যাগৈ যাব।"

"একো নহয় ব্ৰণ।"

আমি দুয়ো বৰ সুখী আছিলোঁ। সেই অকণমান ঘৰটোত আমি তেতিয়া পাঁচোকেয়ে বৰ সুখত আছিলোঁ।

ব্ৰণৰ প্ৰতি মোৰ গুপুত ইচ্ছাৰ বাবে মই লজ্জিত বুলি অনোৱা দিনাৰ পৰা আমাৰ সকলো ভয় শঙ্কা আঁতৰি গৈছিল। আমি দুয়ো দুয়োৰে ওচৰত আকৌ সহজ হৈ পৰিছিলোঁ।

ঘৰ এখনৰ নীৰৱ শান্তিৰ পৰা মানুহেৰে ভৰপূৰ হুলস্থুলীয়া ঠাইলৈ গৈ বৰ কেনেবা লাগে। মই ইয়াৰ আগতে তাণ্ডৱ বক্সিং খেল কেতিয়াও দেখা পোৱা নাছিলোঁ। এতিয়া কাণ্ড-কাৰখানা দেখি মোৰ বমি অহাৰ উপক্ৰম হ'ল। গাৰ ঘাম আৰু মাটিত পৰি থকা মদৰ গোন্ধত মোৰ উৎসাহ বন্ধ হোৱাৰ উপক্ৰম হ'ল। মানুহবোৰৰ পিনে চালোঁ—হুলস্থুল এখন লগাই যুঁজ চাবৰ বাবে বৈ আছে।

মোৰ অসহ্য লাগিল। দাইৰ ওচৰলৈ গৈ ক'লোঁ, "দাই, তোমালোকে আইন এজন সহায়কাৰী বিচাৰি লোৱা, মই যাওঁগৈ।"

"তোৰনো কি হ'ল আকৌ?"

"মই ইয়াত আৰু এক মিনিটো ৰ'ব নোৱাৰোঁ। এই ঠাইত মই আৰু অলপ সময় থাকিলে মৰি যাম।"

মোৰ কথা শুনি দাই ইমান আচৰিত হ'ল যে মোৰ হাঁহিয়ে উঠিব খুজিছিল। তেওঁ ক'লে, "চা হিউ, এইয়া বক্সিং খেল। বক্সিং খেল এনেকুৱা ঠাইত নহৈ ভাইতৰ গির্জাঘৰত হ'ব নেকি? তই মোৰ সহায়কাৰী হ'ব লাগিব, সেইটোহে

আচল কথা। অইন একো কথা মই শুনো, কি কয় হুহ্‌তাৰ্‌খা?"

হুহ্‌তাৰ্‌খাই মাখোন পিৰিক্ কৰে খুই এলোপা মহকুট হুৰলৈ মাৰি পঠিয়ালে।

অলপ পিছতে চনি ওলাই আহিল। চনিক ভুমি সিদিনা দেখিব লাগিছিল। ছ ফুট ওখ; গোটেই গাটোত এতালো লোম নাই। মূৰটো কাৰুৰ ওপৰতে, তিতি বুলি মাজত একো নায়েই প্ৰায়। টকলা মূৰটো কণীৰ দৰে জোঙা। তাৰ ওপৰত আকৌ বক্সিং খেলি আৰু এনেয়ে মাৰামাৰি কৰি পোৱা আঘাতৰ দীঘল দীঘল দাঁক কিছুমান।

ৰিলি লিৰিচে ফুচফুচাই মোক ক'লে, "আজি ভগৱানে ৰক্ষা কৰিলেহে ৰক্ষা। এই বুঢ়া দাইটোক ইয়াৰ লগত যুঁজিবলৈ কিহে পালে বাৰু? সেইটোৰ পিনে চাচোন, চা।"

মই ক'লো "বিৰাট মানুহ অৱশ্যে। কিন্তু দায়েও ক'ত খোঁচা কেনেকৈ চলাব লাগে জানে নহয়।"

তেনেতে হুহ্‌তাৰখাই ঘণ্টা এটা বজাই দি মানুহ এজনক যুঁজখনৰ বিষয়ে ঘোষণা কৰিবলৈ ক'লে। মানুহজনে চিঞৰিলে "পঁচিশ ৰাউণ্ডৰ যুঁজ—দাই ৰাণ্ডো আৰু চনি মউৰৰ মাজত।"

হুহ্‌তাৰখাই দ্বিতীয়বাৰ ঘণ্টা বজালে। দাই চনিৰ ওচৰলৈ গৈ দুয়ো দুয়োকে হাত মিলালে। যুঁজ আৰম্ভ হ'ল।

চনিৰ বাওঁহতীয়া প্ৰচণ্ড খোঁচা এটাৰ পৰা দাই কোনোমতে সাৰিল। কিন্তু লগে লগে দায়ে সোঁহাতেৰে চনিৰ বুকুত আৰু বাওঁহাতেৰে চকুত খুঁচিয়ালে।

মানুহবোৰে চিঞৰত আকাশ ফটাবৰ উপক্ৰম কৰিলে।

প্ৰথম ৰাউণ্ড শেষ হ'ল। দ্বিতীয় ৰাউণ্ডৰ আৰম্ভণিতে চনিয়ে দাইক এনে এটা খোঁচা শোধালে যে দাই বাগৰি পৰিল। আমি ভাবিলো খেল শেষেই হ'ল। ৰিলিয়ে পানীৰ বাল্টিটো ললে, মই মদৰ বটলটো ললো। দুয়ো দাইৰ কাষলৈ লৰ দিলো। মুখখন অলপ মেলি ধৰি মই দাইৰ মুখত মদ অলপ ঢালি দিলো। দায়ে চকু মেলিলে, সেই চকুত পোহৰৰ বেশ অৱণমানো নাছিল।

ৰিলিয়ে চিঞৰিব ধৰিলে, "এই দাই উঠনা। উঠ, উঠ। তই দেখোন এতিয়া সৱগলৈ উৰা মৰাতহে বেছি ব্যস্ত। উঠচোন। তই তাক শেষ কৰি আনিব ধৰিছই। উঠি এবাৰ তাক বগৰাই দেছোন।"

মোৰ কিন্তু দৃঢ় বিশ্বাস দায়ে এইবোৰৰ একোকে গম পোৱা নাছিল। টাকেলখনেৰে মই ঘনাই দাইৰ গাটো মচি দিবলৈ ধৰিলোঁ। আশা কৰিলোঁ দাইৰ চকুলৈ পুনৰ জীৱন উভতি আহিব।

হঠাতে……মোৰ আৰু বিনি লিবিচক ঠেলি দাই যেখোন জাপ মাৰি উঠিল। আমি লৰ মাৰি ৰিঙৰ পৰা ওলালোঁ। ইতিমধ্যে কিন্তু দুয়ো যুঁজ পুনৰ আৰম্ভ কৰি দিছে।

দাইৰ মুখৰপৰা তেজ ওলাই আছিল। এতিয়া চনিৰ সোঁ হাতৰ ঘোঁচা এটা আহি নাকত পৰাত দাইৰ নাকটো কাটি গ'ল। চনিয়ে ঘোঁচা চলাই থাকিল। দায়ে একোকে নকৰি তললৈ মূৰকৈ থিয় দি থাকিল। দাইৰ গোটেই শৰীৰটো এবাৰ কঁপি উঠিল। চকু মেলি চাবলৈ দায়ে চেষ্টা কৰিলে, কিন্তু ধাৰাসাৰে বোৱা তেজৰ কোবত চকুৰে একোকে নেদেখিলে। চনিয়ে আৰু এটা প্ৰচণ্ড ঘোঁচা মাৰিলে। দাইৰ থৰক বৰক লাগিল। চনিয়ে আৰু চাইথকা মানুহবোৰে বুজিলে দাইৰ যুঁজা শক্তি এইবাৰ শেষ হৈ যাব। মানুহবোৰে গিৰ্জনি মাৰি উঠিল। দাইৰ গোটেইটো গা তেজেৰে লুতুৰি পুতুৰি হৈছিল। চনিৰ প্ৰতিটো ঘোঁচা পৰাৰ লগে লগে দাইৰ গাৰ পৰা তেজ ছিটিকি পৰিছিল।

হঠাতে দেখিলোঁ থৰক্ বৰক্কৈ থকা দায়ে এখন হাতেৰে খেপিয়াই চনিৰ বাহু এখন ছুই চালে—যেন চনিৰ মূৰটো ক'ত আছে দায়ে তাকে গম লব খুঁজিছে। পিচ মুহূৰ্তত্তে দাইৰ সোঁ হাতৰ বিৰাট ঘোঁচা এটা আহি চনিৰ চকুৰ ওপৰত পৰিলহি। লগে লগে মাংস এৰাই গ'ল, যেন কোনোবাই চোকা কটাৰীৰেহে কাটি নিলে। দায়ে এইবাৰ বাওঁ হাতৰ ঘোঁচা চলালে। কিন্তু চনিৰ গাত নেলাগিল। মূৰৰ অলপ ওপৰেদি গ'ল।

দুহাতেৰে মুখ ঢাকি চনি কুঁজা হৈ ৰ'ল। হাতৰ আঙুলিৰ ফাঁকেৰে টপ্‌টপ্‌কৈ তেজৰ টোপালবোৰ পৰিব ধৰিলে। বাওঁ হাতেৰে খেপিয়াই খেপিয়াই দাই আগবাঢ়ি আহিল। চনিৰ মুখখন ছুই চাই দায়ে আকৌ ঘোঁচা চলালে। এইবাৰ ঘোঁচা ঠিক থুঁতৰিৰ ওপৰতে পৰিলগৈ। চনি ৰিঙৰ বাহিৰত বাগৰি পৰিল।

মই জাপ মাৰি ৰিঙৰ ভিতৰ সোমাই দাইৰ পাছফালে গৈ থিয় দিলোঁ। পাছফালৰলৈ গলোঁ কাৰণ তেতিয়াও মোৰ বোধেৰে দায়ে চকুৰে

একো দেখা নাছিলে। তেতিয়াও দাইৰ হাত দুখনে চলিব খেপিয়াই ঘূৰিছিল।

মুখখন দাইৰ কাণৰ ওচৰলৈ নি মই চিঞৰিলো, "দাই, মই হিউ। হাত নকোৰাচোন। যুঁজ শেষ হ'ল।"

"শেষ হল? মই তেন্তে হাৰিলো নেকি?"

"নহয় নহয়, তুমি জিকিলাহে।" মদৰ বটলটো দাইৰ মুখত হমুৱাই দিলো।

কুহ্‌ভাৰ্‌থা লৰি আহি মোক দূৰলৈ ঠেলি দি দাইক সাৱটি ধৰিলে। কান্দি কান্দি তেওঁ কৈ গল, "দাই, দাই, মই কুহ্‌ভাৰ্‌থা। মই কুহ্‌ভাৰ্‌থা, দাই।"

দাইৰ শকত হাত দুখনে কুহ্‌ভাৰ্‌থাৰ পিঠিত আদৰৰ মৃদু চাপৰ মাৰিলে।

মই কুহ্‌ভাৰ্‌থাক কলো, "আমি এতিয়া দাইক লৈ যাওঁ বলা।"

"ও, ঠিক কৈছ, এতিয়াই ব'ল।"

ওপৰৰ পিনে চাই থাকি দায়ে সুধিলে, "মই বাক আজি ভালদৰে যুঁজিব পাৰিছিলোনে?"

বিলিয়ে উত্তৰ দিলে "তই তাক মাৰি পেলাই দিলি, আকৌ এতিয়া সুধিছ ভালকৈ যুঁজিছিলি নে নাই। সি এতিয়াও উঠিব পৰা নাই।"

"হয়নে? ঠিক হৈছে।" অলপ বৈ দায়ে পুনৰ কলে, "কুহ্‌ভাৰথা, মোৰ চকুত কিবা হল অ'।"

ৰিঙৰ একোণলৈ গৈ কান্দি থকা কুহ্‌ভাৰথাই কিন্তু একো নুশুনিলে। মই আৰু বিলিয়ে দাইক একাষলৈ নি পানী কেইবালটিমান দাইৰ গাত ঢালি দিলো।

সেই ৰাতি যুঁজৰ পিছত পাহাৰৰ ওপৰে ওপৰে ঘৰলৈ ফিৰি অহাৰ কথা মই কেতিয়াও নেপাহৰোঁ। দায়ে মোৰ কান্ধত হাত এখন থৈ মোৰ পাছে পাছে আহি আছিল। কুহ্‌ভাৰথা মদ খাই টং হৈ গোটেই সংসাৰখনৰ ওপৰতে খঙত ভোৰভোৰাই আছিল।

বগা টেঁচা জোনটো আকাশত ওলাইছিল। মই কিন্তু মোৰ কান্ধত ধৰি আহি থকা মানুহজনৰ মনটোৰ অৱস্থাৰ কথাহে ভাবি আছিলো।

"মই তাক দেখিম নহয়।" কুহ্‌ভাৰ্‌থাই ভোৰভোৰাই উঠিল।

বিলিয়ে মাত দিলে, "আগতে ভালে ভালে ঘৰগৈ পাওঁচোন।"

কলৰীয়া অন্ত এটাৰ দৰে হুহ্‌ভাৱথাই চিঞঁৰি উঠিল, "মোৰ চকু আছে; মই যাব নোৱাৰিম কিয়? তইত বা ইয়াৰ পৰা। এতিয়াই যা।"

মই ক'লো, "যাক আমি এতিয়া যাওঁ। মই কাইলৈ তোমাক দেখা কৰিম, দাই।"

"জাহান্নামলৈ যা," হুথ্‌ভাৱ্‌থাই চিঞঁৰিলে। "তইতো কাইলৈ দেখা কৰিবি। কিন্তু দায়ে তোক দেখিব জানো?"

মই আৰু ঘিলি ঘৰৰ পিনে আগবাঢ়িলো। মাক এজনীৰ দৰে দাইক সাৱটি ধৰি নিচুকনি দি হুহ্‌ভাৱ্‌থা তাতে থিয় দি থাকিল।

... .

সকলোৱে ক'লে যে পাপৰ বাবেই দাই অন্ধ হ'ল। সেইদিনা মন্দো দাইহঁতৰ সতে আছিলো বাবে মানুহে ক'লে যে ঈশ্বৰৰ শাস্তি পাবলগীয়া পাপীবোৰৰ মধ্যে এজন। মই হেনো কোনোমতেহে সাৰি গলো।

কোনো কোনোৱে অৱশ্যে আমি পুৰণি গিৰ্জা এৰি অহাই ইয়াৰ কাৰণ বুলি কয়লৈ নেৰিলে। ভয়তে প্ৰায় দুবিজনে আমাৰ গিৰ্জা এৰি পুনৰ আগৰ গিৰ্জাত যোগ দিলেগৈ।

হুহ্‌ভাৱ্‌থাই দাইক কাৰ্ডিফ চহৰৰ ডাক্তৰ এজনৰ ওচৰলৈ লৈ গ'ল। কিন্তু নিলে কি হ'ব? চকুৰ ভিতৰৰ খুব নৰম কিবা এটি মাৰ পৰি নষ্ট হৈ গৈছিল। তথাপি, ডাক্তৰক দেখুৱাই অহাৰ পিছত দাইয়ে অলপ অলপ চকামকাকৈ দেখা পোৱা হ'ল।

দাই আৰু হুহ্‌ভাৱ্‌থাই লগ লাগি থ্ৰি বেলচ্‌ নামৰ মদৰ দোকানখন কিনিলে। দুয়ো তাতে থাকিবলৈকো ললে। দায়ে দিনটো অকলে মানুহ-বোৰক সোধ-পোচ কৰে। খনিৰ কামৰপৰা আজৰি পোৱা সময়খিনিত হুহ্‌-ভাৱ্‌থাই সহায় কৰি দিয়ে।

ইয়াৰ পিছত এদিন, মাত্ৰ এদিন, দায়ে দোকানখন এৰি খনিত কাম কৰা পোছাকযোৰ পিন্ধি খনিৰ তললৈ গৈছিল।

ও, এদিনেই মাত্ৰ।

৩৮

কাঠমিস্ত্ৰি হিচাপে মই লাহে লাহে নাম কৰিবলৈ ধৰিলোঁ। গোটেই উপত্যকাৰ মানুহ মোৰ ওচৰলৈ আহে দুৱাৰ, খিৰিকী আৰু অইন বস্তু সাজিবলৈ। ব্ৰণৰ আৰু এই ঘৰটোৰ পাছফালৰ চোতাল কাঠৰ গুদাম যেন হৈ উঠিল। মোৰ তলত চাৰিজন অইন মিস্ত্ৰি ৰাখিছিলোঁ। কাম শিকা সৰু ল'ৰা কেইজনমানো লগত আছিল।

……দুজন মানুহে ব্ৰণক বিয়া কৰোৱাত উঠি পৰি লাগি গৈছিল। এওঁলোক হ'ল মেথিউ হেৰিচ্‌ আৰু গমাৰ জেমচ্‌। এতিয়া কেতিয়াবা ভাবোঁ যে এই দুয়োজন মানুহ প্ৰকৃত ভদ্ৰলোক আছিল। কিন্তু সেই সময়ত আমি এনে ভবা নাছিলোঁ। মানুহৰ মনৰ ভাৱ ইমান সলনি হ'ব পাৰে

ব্ৰণ আৰু মই বহু বছৰ সেই ঘৰটোত একেলগে আছিলোঁ যদিও, আমি আগতে কেতিয়াও এইবোৰ কথা লৈ বিশেষ কথা-বতৰা হোৱা নাছিলোঁ। কেছত পৰি কাছাৰীলৈ যোৱা সেই দিনটোত ব্ৰণৰ প্ৰতি মোৰ গুপুত কামনাৰ বিষয়ে তেওঁৰ আগত মোৰ স্বীকৃতিৰ পিছত চিৰদিন আমি দুয়ো বন্ধুৰ দৰে আছিলোঁ। কেতিয়াবা অৱশ্যে কথা বেয়াৰ পিনে ঢাল খালে মই হয় কোঠাৰ পৰাই ওলাই গৈছিলোঁ নহয় অইন কিবা কথা আৰম্ভ কৰি দিছিলোঁ। মই ঠিক কৰি লৈছিলোঁ যে মনত কু-চিন্তা ৰাখি ব্ৰণৰ মনত আৰু কেতিয়াও কষ্ট নিদিওঁ। এই কথা মই ৰাখিছিলোঁ।

ব্ৰণৰ পিনৰ পৰাও বিপদৰ ভয় একো নাছিল। তাৰোপৰি মোৰ তেতিয়া বহুত কাম। ল'ৰা দুটাক লৈ ব্ৰণো ব্যস্ত থাকে। গতিকে আমি দুয়ো অকলে একেলগ খুব কমেই হ'বলৈ পাইছিলোঁ।

চিন্তা কৰিবলৈ আজৰি সময় বহুত থাকিলেহে মানুহ বিপদত পৰে। কেতিয়াবা অৱশ্যে কাঠ এডোখৰ কৰতেৰে কাটি থকা অৱস্থাতো মোৰ

কেইমনেনৰ কথা মনত পৰিছিল। কিন্তু কেইমনেন ক'ত আছে, কি কৰিছে কোনেও নেজানিছিল। কেবাৰেক মাৰভিনক মই কেইবাদিনো তাইৰ বিষয়ে সুধিছিলো। সিয়ো একো নেজানে। শেষত এদিন অইন ক'ৰবাত কয়লাৰ কাৰবাৰ কৰিবলৈ মাৰভিনহঁত আমাৰ উপত্যকা এৰি গুচি গ'ল। গতিকে কেইমনেনহঁতৰ পৰিয়ালৰ একো আমাৰ মাজত নেথাকিল। কেইমনেন আথোন মোৰ মনৰ স্মৃতি হিচাপেই ৰ'ল।

……এদিনাখন ৰাতি মেট্ হেৰিচে ব্ৰণক বিয়া কৰোৱাৰ প্ৰস্তাৱ দিলে।

মই সেইৰাতি আমাৰ নিজা ঘৰত ৰাতিৰ আহাৰসাজ খাবলৈ গৈছিলো। তাৰপৰা আহি দেখোঁ ব্ৰণ চকী এখনত বহি আছে। হাতত চিলাইৰ কাম আছে, কিন্তু সেইপিনে ব্ৰণৰ মন নাই।

মই সুধিলো, "কি হ'ল?"

"নাই, একো নাই হোৱা।"

মেজৰ ওপৰত কাঁহী-বাটি একো নেদেখি মই ক'লো, "খোৱা-বোৱা কৰিলা জানো?"

"নাই, আজি নেখাওঁ আৰু।" ব্ৰণে লাজকুৰীয়া হাঁহি এটি মাৰিলে। হঠাতে তেওঁ মোক সুধিলে, "মই মিছেছ ব্ৰণৱেন হেৰিচ হ'লে তই কেনে পাবি বাৰু?"

কথাষাৰ শুনি কিন্তু হিংসা ভাব অকণো নাহিল। বহুদিন আগতেই মই বুজিছিলো যে ব্ৰণৰ মনৰ ৰাজ্যত মই কোনোদিনেই ঠাই নেপাম। মই চিৰদিন তাত অপৰিচিত, অসুখী বাটকৰা হৈয়েই ৰ'ম।

ক'লো "গমাৰ জেমচতকৈ এওঁ ভাল হ'ব জানো?· ·· মোৰ একো আপত্তি নাই।"

"মই বিয়াত বহিলে তই জানো ভাল পাবি হিউ?" মাতটোৰ পৰা ধৰিব নোৱাৰিলো ব্ৰণে ঠাট্টা কৰিছে নে সঁচাকৈয়ে সুধিছে।

মেজত পৰা কাপোৰখন এনেয়ে টনাটনি কৰি থাকি মই ক'লো, "নেপাওঁ। অইন কোনো পুৰুষৰ লগত তোমাৰ সম্পৰ্ক হোৱাটো মই ভাল নেপাম।"

"কিয়?"

"তোমাৰ কাষত অইন এজন মানুহ থকা মোৰ মনত কিয় জানো অন্যায় যেন লাগে। তুমিও কাৰোবাৰ কথা মনত ভবাটো মই অন্যায় বুলি ভাবোঁ।"

"কিয় বাৰ ?" ব্ৰণৰ কিন্তু খং উঠা নাছিল।

কিয়, এই কথাৰ উত্তৰ দিয়াটো অসম্ভৱ।

মই জানিছিলো যে ব্ৰণৱেনে বিশ্বাস কৰিছিল মোৰ কথাকহে। মেট হেবিচক কিন্তু বিশ্বাস কৰিছিল পুৰুষ হিচাবে। এই দুটা বেলেগ ধৰণৰ বিশ্বাস। দুয়োটাৰ মাজত পাৰ্থক্যৰ কথা ভাবি মোৰ অলপ দুখ লাগিছিল যদিও ব্ৰণৱেনে যে অন্ততঃ মোৰ কথাখিনিক বিশ্বাস কৰে সেই কথা ভাবি ভালো লাগিছিল।

ভালেখিনি পৰৰ মূৰতহে মই ব্ৰণৱেনৰ প্ৰশ্নৰ উত্তৰ দিলোঁ, "তুমি ব্ৰণৱেন কাৰণে। অইন কোনো কাৰণত নহয়।"

"তোৰ আৰু মোৰ বিয়া হোৱাত আইনৰ কালৰপৰা বাধা আছিব," ব্ৰণে হঠাতে ক'লে।

মই ব্ৰণৰ মুখলৈ চালো। দেখিলো, ব্ৰণৰ চকুত চকুলো বিৰিঙি উঠিছে। মোৰ এনে লাগিল যেন ব্ৰণে মোক আশীৰ্বাদ কৰিবলৈ ওলাইছে।

ক'লোঁ, "ব্ৰণ, আমি দুয়ো বহুদিন একেলগে থাকিলো আৰু ভগৱানে আমাক খুব সুখতে ৰাখিলে। কিন্তু ব্ৰণ, বিয়া আমাৰ হ'ব নোৱাৰে—আইনৰ কোনো বাধা নেথাকিলেও নোৱাৰে। তুমি কোনোদিনেই মোৰ পত্নী হ'ব নোৱাৰা আৰু ময়ো তোমাৰ স্বামী হ'ব নোৱাৰোঁ।"

ধাৰাসাৰে চকুলো বোৱাই ব্ৰণে কৈ গ'ল, "মই জানো। কিন্তু তই কাষত থাকিলে মই অদ্ভুত সান্ত্বনা পাওঁ, জান? তোৰ স'তে আইভৰৰ বহুখিনি মিল আছে। তোৰ মাজত মই আইভৰক দেখা পাওঁ। তোৰ মাতত মই আইভৰৰ মাত শুনোঁ। তই আইভৰৰ দৰেই টাইতাল মাৰ, চুলি আচোঁৰ।"

সেইদিনাই মই বুজিছিলো মানুহে কিমান ভাণ্ডৰ পাপ কৰিব পাৰে।

আগতে মই ভাবিছিলো যে মোৰ আৰু ব্ৰণৰ ভয় একে ধৰণৰ আছিল—স্পৰ্শৰ ভয়, যি স্পৰ্শই সজমলৈ টানি নিব পাৰে। কিন্তু সেইদিনা আচল কথাটো বুজিব পাৰি লাজত মোৰ মাটিৰ লগত মিহলি হৈ যাবলৈ মন গৈছিল। সেইদিনাহে বুজিছিলো ব্ৰণে মোক আতঁৰত ৰাখিছিল নিজৰ দুৰ্বলতাক ভয় কৰি নহয়, মোৰ মনৰ গুপুত কামনাৰ কথা জানিহে। আৰু এইটো জনা সত্ত্বেও ব্ৰণে মোক তেওঁৰ লগত একেটা ঘৰতে থাকিবলৈ দিছিল—অইন কোনো কাৰণত নহয়, আইভৰৰ সতে মোৰ সাদৃশ্যৰ বাবেহে। ব্ৰণে মোক

পাইভৰক দেখা পাইছিল। তিৰোতাৰ প্ৰেম এটা মহান বস্তু, কিন্তু সদায় ইয়াক বুজাটো সহজ নহয়।

ব্ৰণৰ মুখৰপিনে নোচোৱাকৈ মই কোনোমতে ক'লো, "ব্ৰণ, মই এতিয়া কি ভাবি আছিলো জানানে ?"

হাঁহো নাইহোকৈ ব্ৰণে ক'লে, "জানো। পিছে তই এইবাবে লাজ পাবৰ একো নাই।"

"কিয়, মই বলিয়ালি কৰা নাছিলো জানো ?"

ব্ৰণে জুইকুৰাৰ পিনে চাই বহি থাকিল। জুইৰ ওপৰত কেট্‌লিটোৱে বহু সময়ৰপৰা সোঁ সোঁ কৰি আছিল। মই কেট্‌লিটো নমাই থৈ ব্ৰণৰ ওচৰত আঠুকাঢ়ি বহিলোগৈ। ব্ৰণৰ হাত এখন মই মোৰ হাতত ললো। কিন্তু তেতিয়া মোৰ মনত কোনো কামনা নাছিল। অন্তৰৰ অন্তঃস্থলত ব্ৰণৰ প্ৰতি মোৰ তেতিয়া আছিল মাথোন নিষ্কলুষ, পবিত্ৰ, ভাতৃবৎ ভালপোৱা।

ব্ৰণে শান্তভাৱে মোৰ মুখৰপিনে চালে। মই ব্ৰণৰ মাজত সেইদিনা মোৰ মাক দেখিলো।

হঠাতে ব্ৰণে মোক সুধিলে, "হিউ, তই মাক কেতিয়াবা কোনোবা ছোৱালীৰ সতে এইবোৰ··· ·?"

"ও, কৰিছোঁ।"

জুইকুৰাৰ পিনে আকৌ চাই থাকিবলৈ ধৰি ব্ৰণে সুধিলে, "কোন বাৰ ?"

মই উত্তৰ নিদিলো। পাহাৰৰ ওপৰত পোৱা সেই গভীৰ তৃপ্তিৰ বিষয়ে কাকো ক'বলৈ মোৰ মন নগ'ল।

"কেইন্‌ৱেন্ ফিলিপ্‌ছ, নহয় জানো ?"

মই একো নকলো।

"ইছ্ হিউ, মই তোৰ বাবে সঁচাকৈয়ে দুঃখিত।" ব্ৰণে মোক হাত এখনেৰে আঁকোৱালি ধৰিলে।

"কিয় বাৰ ?"

"মাথোন কিয়, কিয় আৰু কিয় ; সক কালৰ এই অভ্যাস তোৰ নগল," ব্ৰণে হাঁহি হাঁহি ক'লে। "তই যে নিষ্পাপ হৈ থকা নাই এই কথা ভাবিয়ে মই দুখ পাইছোঁ।"

"কিন্তু কিয় ? দিয়ে এক অপূৰ্ব তৃপ্তি।"

"ও, অপূৰ্ব তৃপ্তি! আইভৰেও ইয়াকে কৈছিল।"

মই বহাৰপৰা উঠি ক'লো, "সেই বাবেইতো আমাৰ দুয়োৰ বিয়া হ'ব নোৱাৰে। আইভৰে তোমাক বেলেগ পৃথিবী এখনৰ সোৱাদ দি গৈছে। সেই পৃথিবীত মই সোমালে সকলো চুৰমাৰ কৰাহে হ'ব। আইভে/ যি কৰিছে ঠিকেই কৰিছে।"

"হিউ, তই কি পৃথিবীৰ কথা কৈছ বাৰু ?"

"যিখন পৃথিবী পুৰুষে অকল নাৰীৰ লগ হৈ সৃষ্টি কৰিব পাৰে।" কথাষাৰ কৈয়ে মই বুজিলো যে মই বুদ্ধিহীন মূৰ্খৰদৰে কথা কৈছোঁ। চাহ খোৱা পিয়লা এটাৰ কথা সহজে কব পাৰি, কাৰণ ইয়াক আমি দেখা পাওঁ, হাতেৰে চুই চাব পাৰোঁ। কিন্তু এইবোৰ কথা বুজোৱা সহজ জানো ?

"সেইখন পৃথিবী কেনে বাৰু, হিউ ?"

"ব্ৰণ, মই তোমাক মই বিচাৰি পোৱা পৃথিবীখনৰ কথাহে ক'ব পাৰিম। ..... সেই পৃথিবীত আমি কেই মুহূৰ্তমানৰ বাবেহে থাকিবলৈ পাওঁ। সেই কেই মুহূৰ্তকে আমি গোটেই জীৱনটোৰ তৃপ্তি পাওঁ। ইয়াৰ পিছতে সৰগৰ দেবদূতে হাতত জলন্ত তৰোৱাল লৈ আমাক খেদি আহে।·· সেই পৃথিবীত সৌন্দৰ্য আছে, সঙ্গীত আছে।"

জুইকুৰাৰপিনে চাই থাকি উদাসভাবে ব্ৰণে ক'লে, "ও, সৌন্দৰ্য আছে, সঙ্গীত আছে। ইয়াৰ আকৰ্ষণ বৰ সাংঘাতিক, হিউ। বহুতে এই আকৰ্ষণৰ পৰা নিজক বচাব নোৱাৰে।"

"তুমি এই আকৰ্ষণ অনুভৱ কৰানেকি ব্ৰণ ?"

"ওঁ, কৰোঁ।"

মই কেট্‌লিটোৰ পিনে চালো। জুইৰ ওপৰত থাকি থাকি ক'লা পৰি গৈছে, কিন্তু তথাপি যি কোনো মুহূৰ্ততে জুইৰ ওপৰত বহি দুগাল ফুলাই ভাপ উকৰাবলৈ ই সদায় সাজু। কোনোদিন আপত্তি নাই, মাথোন একুৰা জুই আৰু অলপ পানী হ'লেই হ'ল।

নিজৰ দুৰ্বোধ্য জীৱনৰ তুলনাত কেট্‌লিটোৰ সহজ সৰল জীৱন মোৰ শ্ৰেষ্ঠ যেন লাগিল। পিছ মুহূৰ্ততে কিন্তু এনেকৈ ভবাৰ বাবে মোৰ লাজো লাগিল। মই মানুহ, মোৰ দায়িত্ব আছে। কিন্তু কেট্‌লিটো কেট্‌লিয়েই; অইন একো

নহয়। কেইটুলি হৈ অছিছে, শেষদিনালৈকে মুইৰ ওপৰত ক'লা পৰি যাহি থাকিব।

কিন্তু মই যে ভগৱানৰ নিজ আদৰ্শত সৃষ্ট মানুহ। মোৰ হাতত জীৱন-মৃত্যু ছুয়োটা শক্তি আছে। মোৰ নিজৰ সৃজন শক্তি আছে। মই পিতৃ হ'ব পাৰোঁ, অইনক জন্ম দিব পাৰোঁ।

মইনো কেইটুলি এটাক হিংসা কৰিব পাওঁনে?

তেনেতে ব্ৰণে ক'লে, "তোৰ স'তে এইবোৰ কথাপতাৰ কথা ভাবি মোৰ এতিয়া আচৰিত লাগিছে। তোৰ মাৰে যে এইবোৰ শুনিলে সেয়ে বহুত। শুনিলে মোক কি যে বেয়া পালেহেঁতেন।"

"মই বেয়া পাওঁ নেপাওঁ সেইটোহে আচল কথা।" ব্ৰণৰ গালত মই তাইৰ মনে চুমা এটা দি পুনৰ ক'লো, "তুমি মেট্টহেৰিচকে বিয়া কৰোৱা, বুজিছা?"

"ভাবি চাওঁ বাৰু।" ব্ৰণে চাহৰ যোগাৰ কৰিবলৈ উঠি গ'ল।

অলপ আঁতৰৰ পৰা মোৰ পিনে কেবাছিকৈ চাই ব্ৰণে সুধিলে, "তই বাৰু বেয়া পাইছ নেকি, হিউ?"

"নাই পোৱা।"

"সঁচা নে?"

"সঁচা।"

"মই তেন্তে দেখিবলৈ আপচু নেকি?" ব্ৰণৰ মাতত কান্দোনৰ সুৰ। তেনেকৈ কৈ মই যেন তেওঁৰ অসন্মান কৰিছো ব্ৰণৰ এনে ভাব।

মই ব্ৰণৰ কাষচাপি গৈ ক'লো, "নহয়, ব্ৰণ, আপচু হোৱাৰ কথা নহয়। তুমি পবিত্ৰ, সেইবাবেহে মোৰ তোমাৰ ওপৰত লোভ নাই। মোৰ চকু এতিয়া মেল খাইছে ব্ৰণ। তোমাৰ বিষয়ে তেনেকৈ ভাবি মই যি বলিয়ালিখন কৰিছিলো তাৰ কি পৰিণাম হ'লহেঁতেন বাৰু? কোনোবাদিনা মই নিজে লাজত মোৰ গল কাটি পেলালোহেঁতেন।"

ব্ৰণে চাহ আনি দি ক'লে, "এতিয়া এইবোৰ এৰ। চাহ খা।"

একো নকৈ চাহ খোৱাত লাগিলো যদিও মই ব্ৰণক লক্ষ্য কৰি থাকিলো। পুনৰ কথা আৰম্ভ কৰিবৰ কিন্তু মোৰ মন নগ'ল। সেইদিনা আমাৰ গোটেই কথা-বতৰাখিনি আছিল তাঁতৰ সুঁতাৰ জোটবোৰৰ মনে—এবাৰ আটাইবোৰ

মোট ঠিক হৈ যোৱা যেন লাগে, কিন্তু পিছ মুহূর্ত্ততে আকৌ গোটেইখন মোট লাগি থাকাং।

হঠাতে ব্রণে কৈ উঠিল, "মই কাকো বিয়া নকৰাওঁ।...এই বিষয়ে আৰু যেন কোনো আলোচনা কেতিয়াও নহয়।...যাক, এতিয়া যাওঁ। শোওঁগৈ।"

"যোৱা যাক।"

ব্রণ ওপৰৰ শোৱা কোঠালৈ গ'লগৈ। মই তাতে বহি থাকিলো।

অলপ পিছতে শুনিলো ব্রণে কোঠাৰ ভিতৰৰ পৰা দুৱাৰত হুক লগোৱা। সেয়েই প্ৰথমদিনা ব্রণে ভিতৰৰপৰা দুৱাৰ বন্ধ কৰি শুইছিল।

এই কথাই মোক যি আঘাত দিছিল নাই বাওঁৰ খোঁচাই-ও হয়তো মানুহক তেনে আঘাত দিব পৰা নাছিল।

ইয়াৰ পিছত কেইবাদিনলৈ মোৰ আৰু ব্রণৰ মাজলৈ আগৰ সেই মিলা-প্ৰীতিৰ ভাব ফিৰি নাহিল। শেষত মই ভাবিলো যে দুয়োজনৰ মনৰ শান্তিৰ বাবে অন্ততঃ মই ব্রণৰ ঘৰ এৰি গুচি যোৱা ভাল হ'ব।

মেট্ৰহেৰিচেহে এইটো হোৱাৰপৰা বচালে।

সঁচাকৈয়ে সুপুৰুষ আছিল মেট্ৰহেৰিচ। ধুনীয়া কেঁকোৰা চুলি, দীঘল একোচা মোচ্। এদিন এই মেট্ৰহেৰিচে আমাৰ ঘৰৰ পাছফালৰ এই চোতালখনলৈ আহি মোক ক'লে, "হিউ, তোমাৰ লগত মোৰ কথা আছে।"

"কি কথা?"

"তুমি খং নাখালেহে বকা। মই ব্রণৱেণৰ বিষয়ে কব খুজিছোঁ।" ব্রণৱেনৰ নামটো তেওঁ খুব লাহেকৈ ক'লে, যেন মোৰ আগত এই নামটো উচ্চাৰণ কৰিবলৈ তেওঁৰ লাজ লাগিছিল।

"কি কথা কওঁক্‌না।" মই অলপ অধৈৰ্য হৈ উঠিছিলো।

তেতিয়া মেটহেৰিচে কৈছিল, "মানুহে বহুত ধৰণৰ কথা উলিয়াইছে..... আৰু ব্রণৰ কথা। মই জানো, এইবোৰ মিছা কথা। কিন্তু মই জানিলে কি হ'ব? সিহঁতেতো নামানে? সিহঁতে কয় যে গমাৰ বা মই ব্রণক পোৱাৰ আশা নাই, কাৰণ ব্রণে হেনো ইতিমধ্যে তোমাক পাইছে।"

"আপুনি এইবোৰ কত শুনিলে?" মেট্ৰহেৰিচক সুধিলো।

"মোক মাই ক'লে। আজি কেইবাসপ্তাহৰ পৰা হেনো মাই হাটত এইবোৰ কথা শুনি আহিছে।"

আমি কেতিয়াবা অন্ধ হৈ পৰোঁ। এই অন্ধত্ব কেতিয়াবা বছৰ বছৰ ধৰি থাকে। নহলেনো মই বাৰু কেনেকৈ আশা কৰিছিলো যে মাখোন সৰু সৰু ল'ৰা ছুটা লগত লৈ মই আৰু ব্ৰণ একেটা ঘৰতে থাকিলে মানুহে একো নোকোৱাকৈ এৰিব!

পোনে পোনেই ব্ৰণৰ ওচৰলৈ গৈ মই সকলো কথা ক'লো। ব্ৰণে হাঁহিলে—প্ৰথমে মিচিকিয়াই হাঁহিৰ মৃদু আভাস এটি দিলে মাখোন; ইয়াৰ পিছতহে গোটেই মুখখন হাঁহিৰে উজলি উঠিল। ব্ৰণৰ সেই পুৰণি হাঁহি। এনে হাঁহি ব্ৰণেহে মাখোন হাঁহিব পাৰে।

"মই বহুদিনৰ আগৰ পৰাই জানো," ব্ৰণে ক'লে।

"তুমি জানিছিলা? জানিও এই বিষয়ে মোক কোৱা নাছিলা কিয়?" মই আচৰিত হৈ গৈছিলো।

"ক'লে তই গোলমাল এখন নলগোৱাকৈ এৰিলিহেতেঁন জানো? বুজিছ, তই এতিয়া আৰু একো কৰিব নালাগে। যি কয় ক'বলৈ দে। আমাৰনো কিটো অনিষ্ট হৈছে? মই আগতে যেনে আছিলো এতিয়াও তেনেই আছোঁ। তয়ো আগৰদৰেই আছ। সিহঁতে আমাৰ কথা কৈ ফুৰ্তি পায় যদি কৈ থাকক আমাৰ একো অনিষ্ট নহলেই হ'ল।"

"মই এইবোৰ কথাত ভোল নাযাওঁ। কথাবোৰ প্ৰথমে কোনে উলিয়াই-ছিল সেইটো মাখোন মোক এবাৰ গম পাবলৈ দিয়া। সিহঁতৰ জিভা ছিঙিহে এৰিম।"

মোৰ কান্ধত হাত এখন থৈ মোৰ চকুৰপিনে একেথৰে চাই থাকি ব্ৰণে তেতিয়া কৈছিল, "ছিঃ, ইমান খং কৰিব নাপায়। এৰ এইবোৰ।"

ঘৰৰ পৰা বাহিৰ ওলাই মই তেতিয়া পাহাৰৰ টিঙৰপিনে খোজ লৈছিলো। সংসাৰৰ আটাইবোৰ মানুহৰ ওপৰতে মোৰ খং উঠিছিল। বহুসময় পাহাৰৰ একেবাৰে ওপৰত বহি থকাৰ পিছতহে মোৰ খং শাম কাটিছিল।

৩৯

সেইদিনাই পাহাৰৰ টিঙৰপৰা নামি ঘৰলৈ উভতিব ধৰোঁতে মই ভয়ত উচাপ খাই উঠিছিলো। মই দেখিছিলো আমাৰ ঘৰবোৰৰ ঠিক পোনে পোনে পাহাৰৰ ওপৰত খনিৰ আবৰ্জনাবোৰ পেলাবলৈ আৰম্ভ কৰা হৈছে।

খনিৰ ক'ৰমেন লিৱিচক বাটত লগ পাই সুধিলো, "এইবোৰ ইয়াত পেলালে আমাৰ ঘৰবোৰৰ পিনে বাগৰি নাহিব জানো?"

"আহিব হয়তো। কিন্তু এতিয়াই নহয়, কেইবছৰমান পিছত আহিব পাৰে।" লিৱিচে মোৰ কথাত বৰ গুৰুত্ব দিয়া যেন নেলাগিল।

"কিন্তু খনিৰ মালিকহঁতে এইটো কৰিব পাৰে জানো? আমাৰ ঘৰবোৰৰ কথা তেওঁলোকে ভাবি চোৱা নাই নেকি?"

লিৱিছে ক'লে, "এই খোৱা সেইবোৰ। খনিৰ ময়লাবোৰ কোনোবা এঠাইততো পেলাব লাগিবই।"

মই বুজিলো যে লিৱিচৰ সতে কথা পাতি লাভ নহয়।

দেউতাক কথাটো ক'লোগৈ। দেউতাই মাথোন মূৰটো জোকাৰি চশমাবোৰৰ গ্লাছদুখন মচিবলৈ আৰম্ভ কৰিলে।

"আমি কিবা এটা কৰিবই লাগিব দেউতা শনকালে কৰিব লাগিব।"

অতি শান্তভাৱে দেউতাই ক'লে, "কি কৰিবি বাৰু? খনিৰ ময়লাবোৰ ক'ৰবাত পেলাবই লাগিব, আৰু তাকে নকৰি ময়লাবোৰ খনিৰ তলতে থব খুজিলে আমাৰ মানুহবোৰে লোকচান হ'ব। সিহঁতে তেতিয়া ময়লাই দ'ম কৰিব নে কয়লাই কাটিব?"

"আমি তেন্তে একো নকৰাকৈ বহি থাকিম নেকি?"

"ও, অন্ততঃ আমাৰ ল'ৰা তিৰোতাৰ কথা ভাবি। আমি ধৰ্মঘট এখন কৰিবলৈ গলে সিহঁত দেখাই মৰিব।"

সেউতাই তেনেকৈ কোৱাত প্ৰথমে মোৰ খুব খং উঠিছিল। পিছত কিন্তু বুজিছিলো সেউতাই ঠিকেই কৈছিল। আমাৰ দাবী বা আন্দোলন বিমানেই যুক্তিপূৰ্ণ নহওঁক, আমি সদায় হাব মানিবলগীয়া হওঁ আমাৰ তোকাতুৰ অৱস্থিতিবোতাইতৰ কথা ভাবি। ভোকত কান্দি থকা সন্তানতকৈ কোনো আন্দোলনেই ডাঙৰ হ'ব নোৱাৰে '

ইয়াৰ দুদিনমান পিছতে খনিৰ মালিকসকলৰ স'তে দেভিৰ কাজিয়া লাগিল। খনিৰ কৰ্তৃপক্ষই দেভিক খেদিবৰ চেলু বিচাৰি ফুৰিছিল। এদিন দৰমহা দিয়াত দেভিয়ে দেখিলে যে আইনমতে দিবলগীয়া নিম্নতম মানচতকৈ তাক কম পইচা দিয়া হৈছে। দেভিয়ে খনিৰ কৰ্তৃপক্ষলৈ লিখা-লিখি কৰিলে। একো লাভ নহ'ল। কৰ্তৃপক্ষই ক'লে দেভি হেনো খনিৰ কামৰবাবে ঠিক উপযুক্ত নহয় আৰু সেইবাবেই হেনো তাক কম দৰমহা দিয়া হৈছে। খনিত কামকৰা মানুহবোৰে দেভিৰ হৈ ধৰ্মঘট কৰিবলৈ ওলাল। উপায় নেপাই সেউতাই আদালতত গোচৰ দিলে। গোচৰৰ ফলাফল ভালেই হ'ল। আদালতে ৰায় দিলে যে দেভি খনিৰ কামৰ বাবে সম্পূৰ্ণ উপযুক্ত। গতিকে দেভিয়ে আনবোৰে পোৱামতে দৰমহা পাব লাগে।

ৰায় দিয়াৰ দিনা আমি আটাইবোৰ আদালতত বহি আছিলো। ৰায় শুনাৰ লগে লগে আমাৰ যি স্ফূৰ্তি সুযোগ পোৱা হ'লে সেইদিনা সেউতা, দাদাইত আৰু মই আটাইকেইজনে আদালতৰ ভিতৰতে নাচিবলৈ আৰম্ভ কৰি দিলোহেঁতেন।

সেই ৰাতি আমাৰ ঘৰলৈ বহুতো মানুহ আহিছিল। সকলোৱে আহি সেউতা আৰু দেভিক অভিনন্দন জনাইছিল। তেওঁলোকে কৈছিল সেউতা আৰু দেভিইতৰ নিচিনা মানুহহে খাটি মানুহ।

সেই ৰাতি ৰাতিৰ আহাৰ সাজ খাওঁতে আমাৰ ভালেখিনি পলম হ'ল। মা আৰু অলৱেন নামৰ ভনীজনীয়ে পাছফালৰ চোতালত বাচনবোৰ ধুই থাকোঁতে সেউতাই দেভিক ক'লে, "দেভি, তই এতিয়া কিবা এটা ঠিক কৰি পেলা। খনিৰ মালিকইতে তোক সুদাই নেৰিব। মোকো কি কৰে ক'ব নোৱাৰোঁ। মোৰ চাকৰি আৰু দুবছৰমানৰ বাবে আছে। যদি ৰাখে এই দুই বছৰ চাকৰি কৰিম। খেদি দিলেতো গুচি আহিবই লাগিব। আয়াণ্টো লোৱ কাৰখানাত সোমাইছে, হিউৱে কাঠমিস্ত্ৰিৰ কাম কৰি আছে ? তই কি কৰিব খুজিছ ক'।"

"বাকচটোত খোৱা পইচাৰ ভাগ মোক দি দিয়া দেউতা। মই নিউজিলেণ্ডলৈ যাম বুলি ভাবিছোঁ। বিনৰ দেউতাকো আমাৰ লগত যাবলৈ মান্তি হৈছে?"

"তাৰেৰ ডুজন আমেৰিকাত আছে? তালৈকে নাযাব কিয়?" এনেকৈ ক'লেও দেউতাই কিন্তু আশা কৰা নাছিল যে দেভি তেওঁৰ কথাত মান্তি হ'ব। দেউতাই দেভিক ভালকৈ জানিছিল।

গম্ভীৰ মাতেৰে দেভিয়ে মাথোন কৈছিল, "মই নিউজিলেণ্ডলৈহে যাম দেউতা।"

"বাৰু। তেন্তে তাকেই কৰ।"

তেনেতে আয়ান্টোই কৈছিল, "দেউতা, ময়ো যাবলৈ ওলাইছোঁ। আপুনি বেয়া নাপাব।"

মই দেখিলো হঠাৎ পোৱা আঘাতৰ কোবত দেউতাৰ চকুহাল অলপ সময়ৰ বাবে মুদ খাই গ'ল। অলপ পিছতহে দেউতাই সুধিলে, "তয়ো যাবিগৈ আয়ান্টো? ক'লৈ যাবি বাৰু? নিউজিলেণ্ডলৈ নে?"

"নহয় দেউতা, মই জাৰ্মানীলৈ যাম। আমাৰ লগত জাৰ্মান এজনে কাম কৰে। তেওঁ কৈছে জাৰ্মানীত হোনো মই ইয়াতকৈ ভাল কাম এটা সহজে পাব পাৰিম। গতিকে যোৱাই ভাল। ইয়াত থাকিতো একো লাভ নাই।"

"বাৰু, মাৰক পিছে আজি একো নকবি। আজি ৰাতিটো পাৰ হৈ যাবলৈ দে।"

আমি নিঃশব্দে বহি থাকিলো। আমি কোঠাটোৰ মজিয়াৰ পিনে চালো, বেৰকেইখনত চকু ফুৰালো, কোঠাটোৰ চকী-মেজবোৰতো আমাৰ চকু পৰিল, কিন্তু এজনে আনজনৰ পিনে নেচালো। বিশেষকৈ দেউতাৰ পিনে চাবলৈ আমাৰ ভয় লাগিছিল। আমি জানিছিলো দেউতাই তেতিয়া নামি আহিব খোজা চকুলো বন্ধ কৰিবলৈ চেষ্টা কৰি আছিল।

অলপ সময়ৰ পিছত দেউতাই ক'লে, "বাইবেলখন তহঁতৰ কোনোবা এজনে পঢ়চোন।" লগে লগে দেভি বাইবেলখন আনিবলৈ চকীৰপৰা উঠিল।

ক'লা চামৰাৰে বন্ধোৱা বাইবেলখন আঁঠুৰ ওপৰত মেলি লৈ দেভিয়ে সুধিলে, "কোনখিনি পঢ়িম দেউতা?"

“আইজায়া : ৫৫ অধ্যায়টো পঢ়।”

সেভিয়ে পঢ়ি থাকোঁতে মাই কোঠাটোলৈ আহি সেউতাৰ কাষৰ চকীখনত বহিল। অলবেনো আহিল। তাই মাটিতে বহি সেউতাৰ কোলাৰ ওপৰত এখন হাত থৈ ভেঁজা দি থাকিল। সেউতাই এখন হাত থলে অলবেনৰ মূৰৰ ওপৰত। অলবেনৰ চুলিয়ে সেউতাৰ হাতখন প্ৰায় নেদেখা কৰি থ'লে। সেউতাৰ আনখন হাত মাই নিজৰ হাতত লৈ বাইবেল শুনি থাকিল।

৪০

আয়াণ্টো আৰু দেউ একেলগে গ'লগৈ।

সিহঁত ঘৰৰপৰা ওলোৱাৰ পিছত মাই জুইৰ কাষত টুলখন পাৰি লৈ চিলাই কৰিবলৈ বহিছিল। আবেলিৰ বাহিৰে আন কোনো সময়ত মাই চিলাই কৰিবলৈ বহা মই আন কোনো দিনেই দেখা নাছিলো। মই ভালদৰেই বুজিছিলো চিলাই কৰিবলৈ বহাটো মিছা। মাই তাতে বহি বহি অলপ আগতে ঘৰখন এৰি গুচি যোৱা ল'ৰা দুজনাৰ কথাকে ভাবি আছিল। ভালেখিনি কুঁজা হৈ মাই টুলখনৰ ওপৰত বহি আছিল—যেন যি কোনো মুহূর্ততে ভাঙি পৰিব। মাক ইমান কুঁজা পৰা মই আগতে কেতিয়াও দেখা নাছিলো।

অসংখ্য উচুপি উচুপি মেজৰ ওপৰৰ পিয়লা-পিৰিচবোৰ গোটাই আছিল। তাই মাজে মাজে সেইবোৰ এনেকৈ থেকেচা মাৰি দিছিল যেন তাইৰ ককায়েকহঁত বিদেশলৈ গুচি যোৱাৰ কাৰণ সেই পিয়লা-পিৰিচবোৰহে।

আয়াণ্টো আৰু দেউ ঘৰ এৰি বিদেশলৈ গৈ ভালেই কৰিলে। নহ'লে সিহঁত বিপদত পৰিলহেঁতেন।

এদিনাখন দেউভাই মোক কৈছিল, “বিপদ আহিব ধৰিছে হিউ। এইবাৰেই আটাইতকৈ বেয়া বিপদ আহিব। মই মাৰকো কৈছোঁ। তোৰ দাদাহঁত যে ইয়াত নাই সেইখিনিতে ৰক্ষা। নহলে সিহঁত আটাইকেইটা কিজানি জেলত পৰিলহেঁতেন।”

মোৰ বোধেৰে মাও এই কথা শুনি অলপ সান্ত্বনা পাইছিল। তথাপি দাদাহঁতৰ কথা ভাবি মাৰ দুখৰ পাৰ নাই। মাজে মাজে মা কেনেবা হৈ যায়—কাৰো লগত কথা-বতৰা নকয়, সাধাৰণ ভুলৰ বাবেই অলৰেনক গালি-শপনি পাৰে। তেনেবোৰ সময়ত ব্ৰণৱেনেই আমাক বচাইছিল। আমি

মাক তেতিয়া মাতিবলৈকে সাহ নকৰিছিলো। ব্ৰণৱেনে কিন্তু ভয় নকৰিছিল। আমাৰ ঘৰলৈ গৈ মাৰ সতে দাদাইতৰ কথা, আংগাহ্লাদৰ কথা আৰু আঁৰ ত'ৰ সৰু-ডাঙৰ কথাবোৰ পাতি শেষত মাৰ মনটো ভাল লগাইহে এৰিছিল। দাদাইতৰ কথাবোৰ শুনি শুনি মাৰ চকুৰপৰা চকুলো বৰলৈ আৰম্ভ কৰিছিল আৰু শেষত মাৰ মুখত বিৰিঙি উঠিছিল মিচিকিয়া হাঁহি। মা আকৌ আগৰ নিচিনা হৈ পৰিছিল।

দিনবোৰ পাৰ হৈ যাবলৈ ধৰিলে। কিন্তু দিনক দিনে কথা বেয়া হৈ আহিল। আগতে আমাৰ উপত্যকাত এখন মিটিং হৈছিল যদি এতিয়া তাৰ ঠাইত বাৰখন মিটিং হ'বলৈ ধৰিলে। এতিয়া অকল ৰাতিয়ে নহয়, আবেলিও, আনকি কেতিয়াবা ৰাতিপুৱাও মিটিং হ'বলৈ ধৰিলে।

মিটিঙত হোৱা আলোচনাবোৰৰ কথা ভাবিহে মোৰ চিন্তা হৈছিল। মিষ্টাৰ গ্ৰুফিদ আৰু দাদাইতৰ দিনত মিটিং পতা হৈছিল কিবা এটা উদ্দেশ্য লৈ। সেই মিটিঙবোৰত শৃংখলা আছিল, মিটিঙৰ শেষত ভোৰ্টলৈ সকলোৰে মতামত লোৱা হৈছিল।

এতিয়া দেখিলো আগৰ সেই শৃংখলাও নাই, মহান উদ্দেশ্যও নাই। বুদ্ধি থাকক বা নাথাকক, যিজনে বেছি চিঞৰ-বাখৰ কৰিব পাৰে তেওঁহে দুআষাৰ ক'বলৈ পায়। ভদ্ৰভাবে কথা ক'বলৈ গ'লে বক্তা এজনে অকণো সহানুভূতি নাপায়। মানুহে তেওঁৰ কথা শুনিব নোখোজে।

… ৰাতিপুৱাৰপৰা গধূলিলৈ মই আমাৰ পাছফালৰ চোতালত মোৰ কাঠৰ কাম লৈ ব্যস্ত হৈ থাকোঁ। দুৱাৰ-খিৰিকি, মেজ চকী আদি সজাৰ 'অৰ্ডাৰ' মই ভালেখিনি পাইছিলো। মৃতদেহ থোৱা কফিন সজাৰ কাম কিন্তু মই নলৈছিলো। ইয়াৰ ফলত মই কেইবাটাও মোটা টকাৰ 'অৰ্ডাৰ' হেৰুৱাবলগীয়া হৈছিল।

কামত এনেকৈ ব্যস্ত হৈ থকা বাবে বাহিৰৰ পৃথিবীখনত কি ঘটিছে তাৰ খবৰ ৰাখিবলৈ মোৰ বৰ বেছি সময় নাছিল। সৰু-সুৰা ঘটনা কেতিয়াবা চকুত পৰিলেও কামত ব্যস্ত থকা বাবে সেইবোৰ সোনকালে পাহৰি গৈছিলো।

এদিনাখন শনিবাৰে ব্ৰণৱেনৰ জন্মদিন পাৰল। মই ঠিক কৰিলো ব্ৰণক লগত লৈ আমি ওচৰৰ চহৰখনলৈ যাম আৰু তাতে ব্ৰণৰ বাবে কিবা এটা

উপহাৰ কিনিব। ব্ৰণৰ ল'ৰা ছুটিক আমাৰ ঘৰত মাৰ লগত থৈ অলবেনকো লগত ললো।

ভালপোৱা কাৰোবাক লগত লৈ চহৰ ফুৰিবলৈ যোৱাৰ নিচিনা আনন্দ খুব কমেই আছে। সেই ভালপোৱা গৰাকীৰ বাবে পয়চা খৰছ কৰাত কিবা এটি ৰাজকীয় ভাব আহি পৰে। মই সেইদিনা উধাই মুধাই পয়চা খৰছ কৰিছিলো। চহৰত থকা গোটেইখিনি সময় মোৰ নিজকে কোনোবা ৰাজকুমাৰ যেন লাগি আছিল।

ব্ৰণবেনৰ বাবে উপহাৰ এটা কিনিম বুলি গৈছিলো যদিও আচলতে আমি বহুত বস্তু কিনিলো—কেৰিদ্ৱেন বাইদেউৰ সৰু ছোৱালী দুজনীৰ বাবে পুতলা, ব্ৰণৰ ল'ৰা ছুটাৰ বাবে এখন নাও আৰু এখন ৰেলগাড়ী, মাৰ বাবে চচ্‌পেন এটা। ইয়াৰ উপৰি ব্ৰণে তিৰোতা মানুহৰ কাপোৰ বেচা দোকান এখনত সোমাই কিবাকিবি এসোপা কাপোৰ কিনিলে। অলবেনে সেইখন দোকানতে এটা কোট কিনিলে।

চহৰত ঘূৰি ফুৰোঁতে আলিবাটৰ আটাইবোৰ মানুহে ব্ৰণ আৰু অলবেনক ঘূৰি ঘূৰি চাইছিল।

ব্ৰণে এবাৰ মোক সুধিছিল, "মানুহবোৰৰ কি হৈছে অ' হিউ? এনেকৈ চাই থাকে কিয়?"

মোৰ তেতিয়া বুকুখন গৰ্বত ফুলি উঠিছিল। মই উত্তৰ দিছিলো, "নাচাৰ কিয়? তোমাৰ নিচিনা ধুনীয়া তিৰুতা সিহঁতে কেইজনী দেখিছে?"

"ইচ্, এইটোৰ আকৌ কথাৰ ধৰণ চোৱা।" ব্ৰণে খং উঠা যেন দেখুৱাবৰ চেষ্টা কৰিলেও মই স্পষ্ট দেখিছিলো তেওঁৰ চকুযুৰি আনন্দত নাচি উঠিছিল।

ধুনীয়া ছোৱালী এজনীতকৈ ধুনীয়া কিবা থাকিব পাৰে বুলি মই নাভাবোঁ। যদি আছে মোক কোৱা—মই ভাত-পানী এৰি থৈ চাবলৈ লৰি যাম। মোৰ মতেৰে প্ৰতিজনী ছোৱালীৰ নিজস্ব কিবা এটি সৌন্দৰ্য আছে। গতিকে, ছোৱালীৰ পিনে চাব নাপায় বুলি যিসকলে কয় তেওঁলোকৰ কাণ্ডজ্ঞানো নাই, অনুভূতিও নাই। ঈশ্বৰে দিয়া মহান দৃষ্টিশক্তিৰ তেওঁলোক যোগ্য অধিকাৰী নহয়। তেওঁলোক মানুহেই নহয়।

……এসোপা বস্তু লগত লৈ আমি আমাৰ গাওঁৰ কাষৰ ৰেল ষ্টেচনত

নামিলোঁহি। টমাছে যোঁৰাগাড়ীখন লৈ আমাৰ বাবে বৈ আছিল। যোঁৰাগাড়ীত উঠি আমি ঘৰৰ পিনে আগ বাঢ়িলোঁ।

আমাৰ উপত্যকা পোৱাৰ ঠিক আগে আগে পোৱা বাটৰ ওঁাজটো ঘূৰি আমি দেখিলোঁ দূৰৈত শ শ লেমৰ পোহৰ। টমাছে অধৈৰ্যভাৱে জিভাখনেৰে ইচ্ ইচ্ শব্দ কৰি ক'লে, "ইহঁতৰ 'লেকৃচাৰ' এতিয়ালৈ শেষেই হোৱা নাই দেখিছোঁ। ইমাননো বকিব পাৰেনে।"

"কি হৈছেনো টমাছ ?" মই আচৰিত হৈ সুধিলোঁ।

"কি হব আৰু ? সিহঁতে ধৰ্মঘট কৰিবলৈ ওলাইছে।"

"মই ইয়াতে নামো। কি কৈছে মই শুনি যাওঁ।"

মোৰ হাত এখনত ধৰি মোক ৰাখিবলৈ চেষ্টা কৰি ত্ৰণে ক'লে, 'গোলমাল এখন কৰিব নালাগে হিউ। ব'ল, আমাৰ লগত ঘৰলৈ ব'ল।"

মই শুনিলোঁ। গাড়ীখনৰপৰা নামি মই মিটিঙৰ পিনে আগ বাঢ়িলোঁ।

অচিনাকি মানুহ এজনে বক্তৃতা দি আছিল। অনবৰত তেওঁ দুজন মানুহৰ নাম কৈ আছিল—মাৰ্ক্স আৰু হেগেল। তেওঁৰ কথা কোৱাৰ ধৰণ দেখি এনে লাগিল মাৰ্ক্স যেন নব-অভ্যুদিত যীশুখৃষ্ট আৰু হেগেল যেন যীশুৰ ভক্ত জন্ দি ব্যাপ্টিষ্ট।

মানুহজনে বক্তৃতা দি থকা কালতে মিটিঙৰ আন কিছুমান মানুহে নিজৰ ভিতৰত তুমুল তৰ্ক জুৰি দিছিল। মিটিঙৰ দুই এঠাইত দেখিলোঁ মানুহে মাৰপিট কৰিবলৈ আৰম্ভ কৰিছে। বক্তৃতা দিয়া মানুহজনে বিচাৰিছিল বিপ্লৱ। তেওঁ বিচাৰিছিল যে সকলোৱে আহি বঙা নিচানৰ তলত থিয় দিয়ক, সকলো মানুহ সমান হৈ পৰক।

মিটিঙৰ চাৰিওপিনে ইমান গণ্ডগোল হৈছিল যে মই চিঞৰি মৰিলেও মোৰ কথা কাৰো কাণত নোসোমালহঁেতেন। তাৰোপৰি, মানুহবোৰৰ কাণ্ড-কাৰখানা দেখি মোৰ মনটো ভাঙি গৈছিল। একো নকৈ মই তাৰ পৰা আঁতৰি আহিলোঁ। আন্ধাৰৰ মাজেদি মই ঘৰলৈ খোজ ললোঁ। বহু দূৰলৈ মই মানুহবোৰৰ চিঞৰ-বাখৰ শুনি আছিলোঁ। খনিৰ আবৰ্জনাৰ দ'মটো পাৰ হোৱাৰ পিছতহে সেইবোৰ মুগুনা হ'লো। জীৱনত সেই এবাৰেই মই আবৰ্জনাৰ দ'মটোৰ প্ৰতি কৃতজ্ঞ হৈছিলোঁ।

মানুহবোৰৰ মূৰ্খামি দেখি মোৰ দুখ লাগিছিল। এই কথা ভাবি মোৰ

বেছি দুখ লাগিছিল যে মানুহবোৰে বুৰঞ্জীৰ কথা, মিষ্টাৰ গ্ৰিফিনৰ কথা, আমাৰ বীৰ পূৰ্ব-পুৰুষ সকলৰ কথা নাভাবি ক'বৰ্ত্তাৰ বিদেশী কিছুমানৰ কথাতহে বেছি মূল্য দিলে। মানুহবোৰৰ চিন্তা-শক্তিত নিশ্চয় আউল লাগিছিল। নহ'লেনো আমাৰ হেজাৰ হেজাৰ বছৰ পুৰণি ৰীতি-নীতি এৰি বিদেশী চিন্তাৰ বশ হব পাৰে জানো?

পাহাৰখনৰ থিয় বাটটো বগাই মই অতি লাহে লাহে ঘৰৰ পিনে গৈ থাকিলো। বাটত মিষ্টাৰ গ্ৰিফিন থকা ঘৰটো পালো। সেইখিনি ঠাইত মই প্ৰভাত মূৰ দোঁৱালো।

ঘৰ সোমোৱাৰ লগে লগে মাই সুধিলে, "গোলমাল এখন লগাই আহিলি নেকি?"

"নাই মা।"

"কিনো হৈছে অ'?" দেউতাই সুধিলে।

"সিহঁতে বিপ্লৱ কৰিব হেনো। দাদাইঁতে শুনিলে কি কৰিলেহেঁতেন মই তাকে ভাবিছোঁ।"

পাইপটো টানি থাকি দেউতাই ক'লে, "থ, থ। বিপ্লৱ কৰিব। যিহে সিহঁতৰ বুদ্ধি—পানীৰ ক'ল এটাকে খুলিব নেজানে, সিহঁতে আকৌ বিপ্লৱ কৰিব।"

... পিছদিনা ৰাতিপুৱা আমি খবৰ পালো আমাৰ কাষৰ উপত্যকাখনত ধৰ্মঘট আৰম্ভ হৈছে।

সেইদিনা ৰাতিপুৱাই ব্ৰণৱেনে অলৱেনক লগত লৈ আংগাহ্ৰাদহঁতৰ ঘৰলৈ গৈছিল। আংগাহ্ৰাদ ঘৰত নাছিল যদিও মাজে সময়ে ব্ৰণ গৈ ঘৰটো চাই চিতি আহিছিলগৈ।

সেই দিনাই আবেলি অলৱেন মোৰ ওচৰলৈ লৰি আহি কৈছিল, "হিউ, সিখন উপত্যকাৰ ধৰ্মঘট কৰা মানুহবোৰ আমাৰ পাহাৰখনৰ চাৰিওপিনে ঘূৰি ফুৰিছে। আয়েষ্টিন খনিৰ মালিক কাৰণে আৰু আমি তেওঁলোকৰ ঘৰৰ পৰা অহা দেখি আমাক বিহকে পায় তাকে কৈ জোকাইছে অ'।"

মোৰ ভনী আৰু বৌক জোকাবলৈ সাহ কৰাৰ কথা শুনি খঙত মোৰ গোটেই শৰীৰটো জ্বলি উঠিল। মনে মনে ঠিক কৰিলো যিয়ে জোকাইছে তাক এশিকনি দিহে এৰিম'

সেই ৰাতি বৰ ক্লান্ত ভাবে ৰবত সোমাই দেউতাই আমাক কৈছিল, "আমাৰ ইয়াতো ধৰ্মঘট আৰম্ভ হ'ল। মই ইয়ান বুজালো; কোনেও শুনিলে।"

মই কৈছিলো, "মানুহবোৰে ইয়ান ডাঙৰ মূৰ্খামি কেনেকৈ কৰে বাৰু? ইয়ান ঠেকা খায়ো সিহঁতৰ শিক্ষা নহয় নেকি?"

দেউতাই উত্তৰ দিছিল, "আমাৰ মানুহবোৰক কেনেকৈ দায় দিবি? সিহঁত তেনেই অজলা। ক'ৰবাৰ পৰা কোনোবা আহি সিহঁতক অলপ তোষামোদ কৰিলে, দুটামান মিঠা কথা কলেই সিহঁত ভোল যায়গৈ। জগতে বিদ্ৰোহ, বিপ্লৱ আদিৰ নিচিনা শব্দ দুটামান লগাই দিলেতো আৰু কথাই নাই; লগে লগে সিহঁত বলিৰ পঠা হৈ পৰে। যি দুই এজনে লোকৰ কথাত ভোল নগৈ এইবোৰৰ পৰা আঁতৰি থাকিব খোজে তেওঁলোকক আনবোৰে কাপুৰুষ, ধনিৰ মালিকৰ গোলাম বুলি হাঁহিবলৈ ধৰে। তইতো তেনেবোৰ দুৰ্ভগীয়া মানুহৰ কথা জানই, হিউ।"

ও, মই তেওঁলোকক জানো, তেওঁলোকক মই ভাল পাওঁ। তেওঁলোকৰ বাবেই মোৰ আটাইতকৈ বেছি দুখ লাগে।

মা দেউতাক সুধিছিল, "এতিয়া কি কৰিবা?"

"কি কৰিম আৰু? বহি বহি ধৰ্মঘট ভঙা দিনলৈ বাট চাই থাকিম।"

মই তেতিয়া কৈছিলো, "কিন্তু দেউতা, এইটোৱে জানো আমি সিহঁতক বুজোৱাৰ আচল সময় নহয়?"

মোৰ কান্ধত হাত এখন থৈ, মোৰ চকুৰ পিনে বহুপৰ একেথৰে চাই থাকি দেউতাই কৈছিল, "হিউ, সিহঁতক বুজাবলৈ আৰু সিহঁতৰ হৈ যুঁজিবলৈ ওলোৱাৰ বাবেই তোৰ দাদাৰহঁতে ঘৰ এৰি গুচি যাবলগীয়া হৈছে। দাদাৰহঁতেও সিহঁতক ধৰ্মঘট নকৰিবলৈ বহুবাৰ বুজাইছিল। ধৰ্মঘটৰ পৰা যে আমাৰ একো লাভ নহয় সেই কথা মই বহুদিন আগতেই বুজিছিলো। দাদাৰহঁতেও শেষত বুজিছিলগৈ মানুহবোৰক এতিয়া বুজাবৰ চেষ্টা কৰি একো লাভ নাই। সিহঁতক এতিয়া ভূতে পাইছে। তই মই সেই ভূত খেদিব নোৱাৰিম, বুজিছ?"

৪১

খিৰিকী কেইখনমানত আইনা লগাবলৈ মই সেই ৰাতি দাই ৰাওোইঁতৰ খি্ৰেলচ নামৰ মদৰ দোকানখনলৈ গ'লো।

ধৰ্মঘটৰ কথা ভাবি দাইৰ মনটো বৰ ভাল নাছিল। কুহ্ভাৰথাৰো একে অৱস্থা। ধৰ্মঘট মানেই ব্যৱসায়ৰ লোকচান। ব্যৱসায় চলিলেও ৰাকীতহে চলিব। ধৰ্মঘটকাৰী আন মানুহবোৰৰ লগত খনিৰ কাম এৰি কুহ্ভাৰথাও গুচি আহিছে। দোকানত সোমোৱাৰপৰা কুহ্ভাৰ্থাই দাইৰ গালি-শপনি শুনি আছে।

দায়ে কোৱা শুনিলো, "বঙা নিচান। মই সিঁহতক বঙা নিচান লোৱাৰ মজা দেখুৱালোহেঁতেন। মোৰ চকুদুটা বেয়া হৈয়েই মোৰ মৰণ হ'ল। নহলে মই সিঁহতক ভালকৈ এশিকনি দিলোহেঁতেন। তহাঁকি কৰ কচোন কুহ্ভাৰ্থা।"

লাজত মৰি যোৱা যেন হৈ কুহ্ভাৰথাই ক'লে, "দাই, তই মোক গালি পাৰি আছ কিয়? সব মানুহ গুচি আহিলে মই অকলে কি কৰিম। অকলে অকলে মই কয়লা কাটিলোৱেইবা, সেইবোৰ কঢ়িয়াই নিব কোনে?"

"তই অকলে হ'লেও থাকিব লাগিছিল। পাষণ্ড কেইটামানৰ কথামতে তই চলিব পাৰনে? ধৰ্মঘট কৰি আমাৰ আগতে কত লোকচান হৈছে। নমতাকৈ আছ কিয়? কচোন, ধৰ্মঘট কৰি আমাৰ কিটো লাভ হ'ব। বুজিছ কুহ্ভাৰ্থা, একো লাভ নহয়, একো লাভ নহয়।"

"কথা কবলৈ মোৰ আৰু মন যোৱা নাই দাই। মই এতিয়া এক পিপামান মদ খাই বেহুচ হৈ পৰি থাকিম। তাকে নকৰি আৰু কি কৰিবলৈ আছে?"

দায়ে তেতিয়া মোক কৈছিল, "হিউ, সিঁহতে তোৰ দেউতাৰৰ কথা শুনিব লাগিছিল। তাকে নকৰি সিঁহত ক'ৰবাৰ পাষণ্ডবোৰৰ লগ লাগিছে।...... খাৰ আইনাবোৰৰ লগোৱা হ'লনে?"

দোকানৰ চাবিওপিনে এবাৰ চাই লৈ দায়ে মুখখন মোৰ কাণৰ ওচৰলৈ আনি ফুচফুচাই ক'লে, "সিহঁতে বোলে খনিটো পানীৰে ওপচাই পেলাব। মই খবৰটো নিজে কথাবাৰ কোৱা শুনা নাই। শুনিলে মই তেনেকৈ কোঁৱাৰজনক আটাইকেইটা দাঁত সৰাই দিলোহেঁতেন। সিহঁত কিন্তু বৰ চালাক বুজিছ। আচল মানুহকেইটা ক'ৰপৰা আহিছে, কোনে সিহঁতক চলাইছে কোনেও নেজানে।· বাৰু, তই যি শুনিলি কাকো নকবি। কাণ খোলা ৰাখিবি, বুজিলিনে হিউ? তই যদি ক'ৰবাত কিবা শুন মোক জনালেই হ'ব। কি কৰ কুহ্ভাৰ্থা?"

"ঠিক কৈছ দাই। মই তাক ধৰি আনি দিম। তই যি কৰ কৰিবি।"

"হিউ, কালি মোৰ লগত এবাৰ পাহাৰৰ সিফাললৈ ফুৰিবলৈ ওলাবিনে?" দায়ে মোক সুধিলে।

"ও, যাম বাৰু। মোৰ কামো আছে। আমি দুয়ো তেওঁ আংগাহ্বাদহঁতৰ ঘৰৰ পিনে গৈ বৌ আৰু ভনীজনীক লগ ধৰিমগৈ। আজি সিফালৰপৰা আহোঁতে কোনোবাই বোলে সিহঁতক যি পায় তাকে কৈ জোকাইছিল।"

দাইৰ মুখখন মেল খাই গ'ল। একো নমতাকৈ তেওঁ প্ৰবল মোৰ পিনে চাবলৈ ধৰিলে। ভালেখিনি পৰৰ পিছত দায়ে ক'লে, "তোৰ ভনীয়েৰ আৰু বৌয়েৰক জোকাবলৈ সাহ কৰা হ'ল। উস প্ৰভু, আমি ইমান অধঃপাতে গলোনে? ঠিক আছে হিউ, তই কালি ৰাতি মোৰ লগত ওলাবি। কুহ্ভাৰ্থাই আৰু কেইজনমানক্ লগত লৈ আমাৰ পাছে পাছে গৈ থাকিব। কি কৰ কুহ্ভাৰ্থা?"

"ঠিক আছে দাই। মই কিন্তু অলপ পাছতে থাকিম দেই। বেছি পাছত থাকিলে তইঁতেহে মাৰপিটখন কৰিবলৈ পাবি। মই এনেয়ে বাদ পৰি যাম।"

"নাই, নাই, তই আকৌ কিয় বাদ পৰিবি? কালি বাৰু সিহঁতক দেখিম নহয়।" দায়ে খঙৰ জালাতে মেজখনৰ ওপৰত ইমান জোৰে ভুকু এটা মাৰিলে যে মোৰ ভয় হ'ল মেজখন ফাটি যাব।

হঠাতে লৰি-ঢাপৰি দোকানলৈ সোমাই আহিল জেমচ ৰ'লেও। তেওঁ যে কিবা বেয়া খবৰ আনিছে সেইটো তেওঁৰ মুখৰপৰাই বুজা গৈছিল।

সোমায়েই তেওঁ ক'লে, "মিষ্টাৰ উইল্‌টন চাৰ্চিলে আমাৰ ইয়ালৈ সৈন্য পঠিয়াব ওলাইছে।"

"তেওঁ কোননো ?" দায়ে সুধিলে।

কুহ্ভাব্খাব হাতৰশবা মদব গিলাচ এটা নবলৈ ধৰি বলেওে ক'লে, "তেওঁ হোম চেক্রেটাবী। লণ্ডনত থাকে।"

দায়ে এইবোৰ একো নুবুজি সুধিলে, "কোনোবা ডাঙৰ মানুহনেকি ?"

"ওঁ, ডাঙৰ মানুহ।"

খুব লাহেকৈ দায়ে সুধিলে, "সৈন্য ? ইংৰাজ সৈন্য, নহয় জানো ?"

জেমচ বালেওে ওলোটাই সুধিলে, "ইংৰাজ সৈন্য নপঠিয়াই আমাৰ নিজৰ বেলছ সৈন্য পঠিয়াব নেকি ?"

"ইংৰাজ সৈন্য। কুহ্ভাব্থা, শুনিলিনে বাৰু ?"

"ওঁ, ভালকৈয়ে গণ্ডগোল লাগিব।"

"চকু মোৰ থাকক বা নাথাকক মই কিন্তু এইবাৰ সুদাই নেৰোঁ। পাষণ্ড ইংৰাজ সৈন্য। জাহান্নামে যাওঁক সিহঁত। তই কি কব কুহ্ভাব্থা ?"

"ঠিক কৈছ দাই। জাহান্নামে যাওঁক সিহঁত।"

ইয়াঁৰ কেইদিনমান পিছত দাইহঁতৰ দোকানলৈ গৈ দেখিছিলো এজাক ইংৰাজ সৈন্য বহি বিয়াৰ খাই আছে—তাকো বিনা পইচাই।

দাইক ক'লো, "তোমাৰ দেখোন কথাৰ ঠিক নোহোৱা হ'ল। ছুদিন আগতে ইহঁতক জাহান্নামে যাওঁক বুলি গালি পাৰিলা, আজি দেখোন বিনা পইচাই মদ বিলাইছা ?"

লাজত ৰঙা-চিঙা পৰি উঠি দায়ে ক'লে, "নহয় অ' হিউ। ইহঁত ভাল মানুহ, বুজিছ। ইহঁতে আমাক বেয়া নাপায়। নহয় জানো, কুহ্ভাব্থা ?"

"ঠিক কৈছ, দাই। আটাইবোৰ লিখা-পঢ়া জনা মানুহ। আমাকনো মিছাতে কিয় বেয়া পাব ?"

আন আটাইবোৰ উপত্যকাতে ভালকৈ গোলমাল হৈছিল। ঠায়ে ঠায়ে ভীষণ মাৰামাৰিও চলিছিল। আমাৰ উপত্যকাত কিন্তু বেয়া ধৰণৰ গণ্ডগোল একো হোৱা নাছিল।

আমাৰ গাৱঁৰ প্ৰধান আলিবাটটোৰ কাষৰ বেৰখনত কাম-বন নোহোৱা মানুহৰ পিঠিৰ ঘহনিৰ দাগ আকৌ এবাৰ ফুটি উঠিল। প্ৰতিবাৰ ধৰ্মঘটে এই দাগটো ফুটাই তোলে। ই অইন একো নহয়, শ শ কৰ্মঠ মানুহ হঠাতে কামলৈ নগৈ বেৰখনত পিঠিৰ ভেজা দি ঘণ্টাৰ পিছত ঘণ্টা ধৰি মেল মৰাৰ চিন মাথোন।

পুলিচ এজনে হঠাতে মূৰ্ছা গৈ এটা কৰি নেপেলোৱা হ'লে আমাৰ উপত্যকাখনত হয়তো বেয়া ধৰণৰ গোলমাল মূঠেও নহ'লহেঁতেন। আমাৰ গাৱঁতে চেমি নামৰ আধাবলিয়া ল'ৰা এটা আছিল। মাকৰ বাহিৰে সংসাৰত তাৰ আৰু কোনো নাছিল। এদিনাখন গধূলি মানুহবোৰ মিটিং এখনৰ পৰা আহিবলৈ ধৰিছে। মই বাটৰ কাষতে থিয় দি নেউতালৈ বৈ আছোঁ। এনেতে দেখিলো পুলিচ এজনে ঘোঁৰা এটা ভীষণ বেগেৰে চেকুৰাই মানুহৰ মাজেদি আহিব ধৰিছে। ঘোঁৰাৰ গচক খোৱাৰ ভয়ত ওচৰৰ মানুহবোৰ আলিবাটৰ কাষৰ ঘৰবোৰৰ বাৰান্দাত উঠিলগৈ। দূৰৈত থকা মানুহ কিছুমানে ঘোঁৰাটো ধৰিবলৈ চেষ্টা কৰিলে। কিছুমানে আকৌ পুলিচজনক মাৰ-ধৰ কৰিবলৈ চিএৰ-বাখৰ এখন লগালে।

ইফালে চেমি নামৰ আধা বলিয়াটোৱে এবাৰ বাটটোৰ ফালে এবাৰ সিফালে লৰি ফুৰোঁতে ঘোঁৰাটোৰ ঠিক তলতে পৰিলগৈ। কিয় ক'ব নোৱাৰোঁ, পুলিচজনেও হাতত থকা লাঠিডালেৰে চেমিৰ মূৰত ভীষণ জোৰেৰে মাৰ এটা শোধালে। চেমিৰ মূৰ ফাটি গ'ল।

মানুহবোৰক আৰু পায় কোনে। যুদ্ধ আৰম্ভ হ'ল। ৰূপালী বুতাম লগোৱা নীলা পোছাক পিন্ধা মানুহ মানেই শত্ৰুত পৰিণত হ'ল।

সেই ৰাতি প্ৰায় এহেজাৰ মানুহে খনিৰ বয়লাৰ ঘৰটো আক্ৰমণ কৰিলে। ধৰ্মঘট আৰম্ভ হোৱা দিনৰ পৰা তাত পুলিচ পহৰা দিয়া হৈছিল।

সেই মানুহবোৰৰ আটাইবোৰ কিন্তু আমাৰ উপত্যকাৰ মানুহ নাছিল। তাৰ ভিতৰত বাহিৰৰ মানুহো আছিল আৰু সেই বাহিৰৰ মানুহবিলাকেই উন্মত্ত দলটোৰ নেতৃত্ব কৰিছিল। হঠাতে মই শুনিলো কোনোবাই মানুহ-বোৰক খনিত পানী সুমুৱাই দিবলৈ আদেশ দিব ধৰিছে। লগে লগে মই দাই বাওো আৰু কুহ্‌ভাৰ্‌থাক বিচাৰি লৰ দিলো।

মোৰ কথা শুনি দায়ে ক'লে, "বাৰু, ঠিক আছে। কুহ্‌ভাৰ্‌থা, আমাৰ লগৰীয়াবোৰক মাত।'

থিট্‌থিটিয়া আন্ধাৰৰ মাজেদি আমি কুৰিজনমান কয়লা খনিৰ পিনে খোজ ললো। মানুহবোৰে য'ত গোলমাল লগাই আছিল তাৰ কাষলৈ নগৈ আমি আন এটা সৰু বাটেদি খনি এলেকাৰ ভিতৰ সোমালো।

মানুহবোৰে শিল দলিয়াই খনিৰ অফিচঘৰৰ আইনাবোৰ ভাঙিছিল।

মোৰ কাষত থৰি আহি থকা দায়ে থঙতে চিঞৰিছিল, "পাৰগুবোৰে এইবোৰ কৰি কি লাভ পাব বাৰু ?" আমি থনিৰ কল ঘৰটোৰ ওচৰ আহি পোৱাত দায়ে কৈছিল, "ভিতৰৰ মানুহক চিঞৰ কুহ্‌ভাৰ্‌থা। দুৱাৰ খুলি দিয়ক।"

কুহ্‌ভাৰ্‌থা আৰু আমি কেইবাজনে বহুসময় মতাৰ পিছত ঘৰৰ ভিতৰত থকা আয়ৰ্‌বেথ্‌ নামৰ মানুহ এজনে দুৱাৰখন অলপ মেলি থৰি বাহিৰত কেইবাজনো মানুহ দেখি পুনৰ লৰালৰিকৈ দুৱাৰখন জপাই দিলে। আকৌ বহুপৰ চিঞৰি চিঞৰি দুৱাৰ খোলাইহে আমি কোনোমতে কলঘৰৰ ভিতৰ সোমালো।

আয়ৰ্‌বেথ্‌ আৰু তেওঁৰ লগৰীয়া দুজনমান আজি কেইবাদিনো কলঘৰতে পৰি আছে। ঘৰলৈ যাবলৈ ভয় কৰে—জানোচা ধৰ্মঘটকাৰীসকলে বাটত থৰি মাৰে।

দায়ে ক'লে, "আয়ৰ্‌বেথ্‌, আমাক থিৰিকী এথনৰ কাষলৈ লৈ ব'লচোন। গণ্ডগোলৰ গুৰিত কোন আছে আমি এবাৰ ভালকৈ চাই লব খোজোঁ। সেইটো গম পালেই আমি যি কৰিব লাগে কৰিম। তাৰ পিছত তই আমাৰ লগতে ঘৰলৈ উভতিব পাৰিবি। তই ঘৰত থাকিবলৈ ভয় কৰ যদি মোৰো ত্তোৰ ঘৰত থাকিব পাৰেঁ।"

"ও দাই, তুমি মোৰ লগত থাকিলেতো কথাই নাই। আহা।"

আমি আটাইকেইটা থিৰিকী এথনৰ কাষলৈ গ'লো। মানুহবোৰে কলঘৰটোলৈকো শিল দলিয়াই আছিল। শিল আহি যাতে আমাৰ গাত নপৰে তাৰ বাবে আমি যথেষ্ট সাৱধান হ'লো।

অলপ পৰ বাহিৰলৈ চাই থকাৰ পিছত কুহ্‌ভাৰ্‌থাই চিঞৰিলে, "সৌটো। মই তাক চিনি লৈছোঁ।"

কুহ্‌ভাৰ্‌থাই আঙুলিয়াই দিয়ামতে চাই দেখিলো টুপী পিন্ধা ফিট্‌ফাট্‌ মানুহ এজনে মানুহবোৰৰ ঠিক মাজতে থাকি খুব পেক্‌পেকাই আছে।

কুহ্‌ভাৰ্‌থাই ক'লে, "অকল তই আৰু মই গ'লেই হ'ব দাই। বাকীবোৰ যাব নেলাগে।"

কোটটো আৰু টুপীটো খুলিব থৰি দায়ে ক'লে, "আমি দুজনেই হ'ব। তই মাথোন মোক ঠিক ঠাইত নি থিয় কৰাই দিবি।"

হাতত ধৰাধৰিকৈ দুয়োজন গট্‌মটাই কলঘৰৰ বাহিৰ ওলাল। মানুহবোৰে দাইহঁতক দেখি ভাবিলে সিহঁতেও ধৰ্মঘটকাৰী দলত যোগ দিবলৈ আহিছে। আনন্দত মানুহবোৰে জয়ধ্বনি দি উঠিল। দাই আৰু কুহ্‌ভাব্‌থা মানুহবোৰৰ একেবাৰে ওচৰ পালেগৈ। আৰু তাৰ পিছত·· ?

দাইৰ শকত বগা হাত দুখন জিলিকি উঠা দেখিলো। দাইৰ কাষতে থাকি কুহ্‌ভাব্‌থাইও তাণ্ডৱলীলা আৰম্ভ কৰিলে। এটা এটাকৈ কেইবাটাও মানুহ মাটিত বাগৰি পৰিল। ভালেখিনি সময়ৰ পিছত দাই আৰু কুহ্‌ভাব্‌থাই খেপত দুয়োহাত ভৰাই আগৰদৰেই গট্‌মটাই কলঘৰৰ ভিতৰ সোমালহি।

কুহ্‌ভাব্‌থাই আয়ৰ্‌ৰেথক ক'লে, "তই এতিয়া ঘৰলৈ যাব যদি যাগৈ। ইয়াত আমি থাকিম বাৰু।"

আয়ৰ্‌ৰেথে ক'লে, "এটা কথা। বয়লাৰ ঘৰৰ জুই হেনো নুমাই আহিব ধৰিছে। তাৰ জুই নুমালে সাংঘাতিক কথা হ'ব। আমি বয়লাৰ ঘৰলৈ গৈ সহায় কৰাহে ভাল হ'ব।"

দায়ে লগে লগে ক'লে, "ব'ল তেন্তে, তালৈকে ব'ল।" আমি কলঘৰৰ বাহিৰ ওলাই বয়লাৰ ঘৰটোৰ পিনে খোজ ললো। আমাক দেখি মানুহবোৰে শিল দলিয়াইছিল। কিন্তু এটা শিলো আমাৰ কাৰো গাত নালাগিল।

পুলিচ আৰু কেৰাণী কেইজনমানক লগত লৈ খনিৰ মেনেজাৰজন বয়লাৰ ঘৰতে আছিল। আমি গৈ পাই দেখিলো পুলিচ কেইজনে তাচ খেলি আছে। কেৰাণী কেইজনে বয়লাৰৰ জুই জ্বলাই ৰাখিবৰ চেষ্টা কৰিছে। জুই কিন্তু মৰাৰ উপক্ৰম। আটাইকেইজন শ্ৰান্ত, ক্লান্ত।

জুইত সুমুৱাবলৈ বিৰাট কাঠ এচটা হাতত লৈ কুহ্‌ভাব্‌থাই কেৰাণী কেইজনক ক'লে, "আপোনালোক ঘৰলৈ যাওঁকগৈ। আমি ইয়াত থাকি যি কৰিব লাগে কৰিম।"

মেনেজাৰে তেতিয়া আমাক সুধিছিল, "তোমালোক ইউনিয়নৰ মানুহ নেকি ?"

মই উত্তৰ দিছিলো, "হয়।"

মোক দেখি মানুহজন আচৰিত হৈ গৈছিল। "তুমি মৰ্গানৰ ঘৰৰ ল'ৰা নোহোৱা জানো ? তোমাৰ দাদাৰহঁতেই যেখোন আগতে আটাইতকৈ বেছি গণ্ডগোল লগাইছিল ?"

মই উত্তৰ দিলোঁ, "সেইবোৰ কথা এতিয়া নোকোৱাই ভাল। আমি খনিৰ কামত সহায় কৰিবলৈ আহিছোঁ, তাকে কৰিবলৈ দিয়ক।"

"এৰা খুব ভাল কৰিছা। এইবাবে আমি চিৰদিন কৃতজ্ঞ থাকিম।"

আমি ভাত খিতাপি লগাৰ পিছত দায়ে লগত কেইজনমানক লৈ ঘৰলৈ গ'লগৈ। মই কুহ্‌ভাৰ্‌থা আৰু ডুজনমান থাকিলোঁ।

ৰাতিপুৱা ছয়মান বজাতে দেখিলোঁ কঁকালত এটা পাচি লৈ ব্ৰণ অকলে অকলে আহিব ধৰিছে। পাচিটোত ব্ৰণে আনিছিল এসোপা খোৱা বস্তু? আমি সকলোৱে খোৱাত লাগি গ'লোঁ। খোৱা বস্তুৰে ছয়ো গাল ফুলাই কুহ্‌ভাৰ্‌থাই কোনোমতে ক'লে, "উঁ, তিকতা মানুহ এনেকুৱাহে হ'ব লাগে। ৰাতিপুৱাতে চাহ-পানী লৈ হাজিৰ।"

ব্ৰণে মোক সুধিলে, "হিউ, ঘৰলৈ যাবি নে নেযাৱ?"

মই কণী এটা খাই থাকি ক'লোঁ, "আমাৰ সলনি কোনোবা ইয়ালৈ আহে যদি যাব পাৰিম। নহ'লে ইয়াতে থাকিব লাগিব।"

মোৰ কান্ধত হাত এখন থৈ ব্ৰণে তেতিয়া খুব মৰমেৰে ক'লে, "একো গণ্ডগোল নকৰ যেন।"

"গণ্ডগোল? গণ্ডগোল মই কৰিছোঁ নে তুমি কৰিছা? তুমি অকলে অকলে ইমান দূৰ আহিব পোৱানে? মানুহবোৰ বলিয়া কুকুৰৰ দৰে হৈ আছে। কাক ক'ত কি কৰে একো ঠিক নাই। ব্ৰণ, ল'ৰা কেইটাক লৈ তুমি ঘৰতে থাকিবা। অলপেনকো তোমাৰ লগত আনি ৰাখিবা।"

"তাকে কৰিম বাৰু। তই দিচে মোক অলপ আগবঢ়াই থৈ আহ।"

মই ব্ৰণৰ স'তে ওলাই গ'লোঁ। ঘৰৰ ভিতৰৰপৰা কুহ্‌ভাৰ্‌থাই আমাক প'হৰা দি থাকিল। আলিবাটত পিছে এটাও মানুহ নাছিল।

সেইদিনা ৰাতিপুৱা ব্ৰণক আৰু ধুনীয়া লাগিছিল। আবৰত ব্ৰণৰ গাল দুখন অলপ ৰঙা পৰি উঠিছিল। চকুত ফুটি উঠিছিল কোমল নীল আভা। কোৱাল বতাহ এজাক বৈ থকাৰ কাৰণে সেই চকুযুৰি অলপ তিতি উঠিছিল।

তিৰোতাৰ শৰীৰত কিবা এটি অদ্ভুত সম্পূৰ্ণতা আছে—আকাৰৰ, ৰঙৰ, সোৱাদৰ, গোন্ধৰ সম্পূৰ্ণতা। সেইবাবেই সিহঁতক জোৰেৰে সাৱটি ধৰিবৰ মন যায়। সেই সাৱটত পুৰুষৰ শৰীৰে নাৰীৰ শৰীৰৰ সকলোখিনি আঁকোৱালি ল'ব খোজে। যিখিনি নোৱাৰে সেইখিনিৰ বাবে পুৰুষে বিৰক্তিত জ্বলি পুৰি মৰে।

সেইদিনা ব্ৰণৱেনক দেখি মোৰো তেনে ইচ্ছা হৈছিল। মই পিছে তেওঁৰ একো কোৱা নাছিলো।

আলি-বাটটোৰে কিছু দূৰ আগবাঢ়ি গৈ আমি এঠাইত বৈছিলো। কথা কৰলৈ মই একোকে বিচাৰি পোৱা নাছিলো। কিয় জানো ক'ব নোৱাৰোঁ, ব্ৰণে হাঁহি হাঁহি মোক সুধিছিল, "কি হ'ল ?"

"নাই, একো হোৱা নাই।· · · বাৰু, তুমি যোৱাগৈ। মই ইয়াৰপৰাই ফিৰি যাওঁ। ঘৰৰ বাহিৰ নহ'বলৈ মই মানা কৰাৰ কথা মনত ৰাখিবা কিন্তু।"

শান্ত স্কুলীয়া ছোৱালী এজনীৰ দৰে ব্ৰণে খুব লাহেকৈ কৈছিল, "বাৰু। · ·· মই তেন্তে যাওঁ।"

বহু সময় আমি দুয়ো দুয়োৰে পিনে চাই আছিলো। ব্ৰণৰ নিচিনা ধুনীয়া তিৰোতা এগৰাকীক ভাল পোৱাত কি অন্যায় থাকিব পাৰে মই ভাবি আচৰিত হওঁ।

ব্ৰণে আকৌ মাত লগালে, "যাওঁ দেই।" থিয় আলিবাটটোৰেদি ব্ৰণে ঘৰৰ পিনে খোজ দিলে। ব্ৰণৰ খোজবোৰো চাবলগীয়া। অলপ দূৰ গৈ তেওঁ মোৰপিনে ঘূৰি হাত জোকাৰিলে। সেই ঠাইতে বহুপৰ বৈ মই ব্ৰণৰ পিনে চাই থাকিলো।

৪২

ৰঞ্জলাৰ ঘৰটোত আমাৰ কেইবাদিনো হ'ল। সদায় ৰাতিপুৱা সেউতাই আমাৰ চাহ-পানী লৈ আহে। লগত কেইজনমান লৈ দাই প্ৰত্যেক ৰাতি আহি থাকে।

দিনক দিনে ধৰ্মঘটকাৰী মানুহবোৰ বেছি সাংঘাতিক হৈ উঠিল। নেতাবোৰে একো কৰিব নোৱাৰিলে, খনিৰ কৰ্তৃপক্ষই দাবীবোৰ মানি লব খুখুজিলে, চৰকাৰেও ধৰ্মঘটৰ প্ৰতি বিশেষ কাণযাৰ নিদিলে। আমাৰ উপত্যকাখনত সৈন্যদল আৰু পুলিচে দিনে-ৰাতি পিয়াপি দি ফুৰিলে। কেইবাখনো দোকানত লুটপাট হ'ল। কেইবাজনো ভদ্ৰলোকক চেঙেলীয়া ল'ৰা কিছুমানে বাটত ধৰি অপমান কৰিলে। এই ল'ৰাবোৰৰ আটাই-বোৰ শিক্ষিত। চৰকাৰে সিহঁতক আঠ বছৰ ধৰি বিনা পয়চাই শিক্ষা লাভৰ সুযোগ দিছিল। আঠ বছৰে পঢ়া-শুনা কৰিও সিহঁতৰ অলপো জ্ঞান নহ'ল।

এদিনাখন আবেলি আমি আন দিনাতকৈ ডাঙৰকৈ চিঞৰ-বাখৰ হোৱা শুনিবলৈ পালো। দুৱাৰখন খুলি বাহিৰলৈ গৈ দেখো অলবেন নামৰ মোৰ ভনীজনী আমি থকা ঘৰটোৰ পিনে আহিবলৈ চেষ্টা কৰিছে। বলিয়া কুকুৰৰ দৰে হোৱা মানুহবোৰে তাইক বেঢ়ি ধৰিছে। দুই এজনে তাইৰ কাপোৰত আৰু চুলিত ধৰি টানিছেও।

লোহাৰ ডাণ্ডা, ফলা কাঠ যি য'ত পালো হাতত লৈ আমি মানুহজাকৰ পিনে চোঁচা ললো। একালৰপৰা মৰিয়াই গ'লো। মাৰখাই দুজনমান মাটিত বাগৰি পৰিল। বাকীবোৰে পলাই ফাট মাৰিলে।

অকলে অকলে ভেনেকৈ অহা দেখি ভনীজনীৰ ওপৰত মোৰ ভীষণ খং উঠিছিল। তাইক ক'লো, "তই আকৌ মৰিবলৈ আহিছিলি কিয়?"

তাই কান্দি আছিল। কোনোমতে ক'লে, "ঘোঁৰা, ঘোঁৰাবোৰ তাতে আছে।"

"কি ঘোঁৰা?" মোৰ খং তেতিয়াও মাৰ যোৱা নাছিল।

"খনিত কাম কৰা ঘোঁৰাবোৰ। সিহঁত খনিৰ ভিতৰতে আছে। আজি অতদিনে এখুদ খাবলৈ পোৱা নাই, এটোপা পানী পোৱা নাই।"

কুহ্‌ভাৰ্‌থাই চিঞৰি উঠিল, "উস প্ৰভু! আমি যাক ইমান পাহৰিব পাওঁনে?"

অলৰেনে আৰু ক'লে, "আনবোৰ উপত্যকাত ঘোঁৰাবোৰ হেনো আগতে উলিয়াই আনিছে। আমাৰ ইয়াতহে সিহঁত খনিৰ ভিতৰত পৰি আছে। সেইটোৱেই মোক কথাষাৰ কোৱাৰ লগে লগে মই ইয়ালৈ লৰি আহিছোঁ।"

মই ক'লো, "কুহ্‌ভাৰ্‌থা, সৌ কুকুৰইতক এইবাৰে মই সহায় খুজিব ওলাইছোঁ। তুমি কেনে দেখা?"

"কৈ চা এবাৰ।"

মই মানুহবোৰৰ পিনে আগুৱাই গ'লো। মোক দেখি সিহঁতে পোনেই শিল দলিয়াবলৈ আৰম্ভ কৰিলে। মই চিঞৰিলো, "শুনা, ঘোঁৰাবোৰ খনিৰ ভিতৰতে আছে। আমি ঘোঁৰাবোৰ উলিয়াই আনিবলৈ যাব ওলাইছোঁ। তোমালোকৰ কেইজনমান আমাৰ লগত আহিবানে?"

কোনোবা এজনে চিঞৰি উত্তৰ দিলে, "ঘোঁৰাৰ কথা ভাবিবলৈ আমাৰ সময় নাই। আমাৰ কথানো কোনে ভাবিছে?"

শেষত কিন্তু মানুহবোৰে বুজিছিল। ভালেকেইজন মানুহ আমাৰ লগত যাবলৈ আগবাঢ়ি আহিছিল। মই মাথোন কুৰিজন লগত ললো। খনিৰ ভিতৰলৈ নমা সঁজাটোত সোমাই আমি আটাইবোৰ খনিৰ তললৈ নামিলো।

সেইদিনা ঘোঁৰা কেইটাই আমাক দেখি কেনে কৰিছিল তুমি দেখিলাহেঁতেন যদি। অকণ অকণ ল'ৰা-ছোৱালীৰ দৰে সিহঁতে আনন্দত নাচি-বাগি উঠিছিল। ল'ৰা-ছোৱালীৰ দৰে সিহঁতে কোঢ়াল এখনো আৰম্ভ কৰি দিছিল। খনিৰ তলত ক'তো এটা লাইট জ্বলা নাছিল। আমাৰ হাতৰ মম কেইডালেই যি অলপ পোহৰ দিছিল। এন্ধাৰ হলেও ঘোঁৰা কেইটাই কিন্তু খনিৰ ওপৰলৈ উঠা সঁজালৈ বাটটো ভালকৈ চিনি পাইছিল।

সিহঁতেই আমাক বাট দেখুৱাই সঁজাটোলৈ নিলে। ধোঁৱা, মানুহ আদি আটাইবোৰ খনিৰ ভিতৰৰপৰা মুক্ত আকাশৰ তললৈ আহিলো।

মাটিৰ ওপৰলৈ আহি সঁজাটোৰপৰা বাহিৰলৈ উলিয়াই দিয়াৰ লগে লগে ধোঁৱা কেইটাৰ কি স্ফূৰ্তি। বছৰৰ পিছত বছৰ আন্ধাৰৰ মাজত থাকি খনিৰ ধোঁৱাবোৰ সদায় অন্ধ হৈ যায়গৈ। এই ধোঁৱা কেইটাও সম্পূৰ্ণ অন্ধ আছিল। তথাপি সিহঁতে জানিছিল খনিৰ ওপৰৰ পৃথিৱীখনত সিহঁতৰ বাবে আছে মৰম, আছে উদাৰতা। খনিৰ ভিতৰতকৈ ওপৰৰ পৃথিৱীখনত বিপদ কম।

দেউতাই এটা খনিৰপৰা আন এটা খনিলৈ গৈ খনিৰ ভিতৰবোৰ পৰিদৰ্শন কৰি ফুৰিছিল। ইয়াৰ ফলত দেউতাই জীৱনটো হাতৰ মুঠিত লৈ ফুৰিবলগীয়া হৈছিল। সেই সময়ত খনিৰ কৰ্তৃপক্ষৰ হৈ কাম কৰা মানুহক ধৰ্মঘটকাৰীসকলে খুন কৰিবলৈকো সাজু আছিল।

মই জানিছিলো যে সেইদিনা দেউতা অলপ দূৰৰ খনি এটালৈ গৈছিল। তেওঁ মোক কৈ গৈছিল যে মাটিৰ তলে তলে আহি তেওঁ আমাৰ খনিত ওলাবহি। গতিকে তেওঁৰ অলপ পলম হ'ব পাৰে। দেউতাৰ উদ্দেশ্য আছিল খনিৰ ভিতৰলৈ গৈ পানীতোলা পাম্পবোৰ ঠিক মতে চলিছে নে নাই সেইটো চোৱা। কয়লাখনিৰ ভিতৰৰ বহু ঠাইত তলৰপৰা পানী ওলায়। সেই পানী ওপৰলৈ উলিয়াই নিদিলে খনিত বানপানী আহি পৰে। এবাৰ এনেকুৱা বানপানী হ'লে খনি এটা চিৰদিনৰ বাবে নষ্ট হোৱাৰ সম্ভাৱনা থাকে। গতিকে বলিয়া কুকুৰজাকে চিঞৰ-বাখৰ, শিল দলিয়াদলি কৰি থকা কালত দেউতাই খনিৰ ভিতৰৰ আন্ধাৰত আনৰ জীৱিকাৰ নিৰাপত্তাৰ বাবে অকলে অকলে ঘূৰি ফুৰিছিল।

আবেলি হ'ল—দেউতা ফিৰি অহা নাই। গধূলিও হ'লহি—দেউতা তেতিয়ালৈ ফিৰি নাহিল। মোৰ অলপ চিন্তা লাগিল।

কুহ্‌ভাৰ্‌থাই মোক মাতিলে, "হিউ, এইপিনে আহচোন।"

কলঘৰটোত থকা মিটাৰ এটা তেওঁ খুব মন দি চাই আছিল। মই তেওঁৰ ওচৰলৈ গৈ মিটাৰটোত চকু দিলো। দেখিলো ক'লা আঁক এডাল উঠি আহিব ধৰিছে। ইয়াৰ অৰ্থ হ'ল আমাৰ খনিৰ তলত পানী বাঢ়ি আহিব ধৰিছে। আটাইকেইটা পাম্পে যিমান পানী বাহিৰলৈ উলিয়াই আনিব পাৰে তাতকৈ বেছি পানী তলৰপৰা ওলোৱাৰ বাবে তেনে হৈছিল।

চিন্তাত মুখখন ক'লা পৰি উঠা কুহ্‌ভাব্‌থাই ক'লে, "মই এতিয়াই খনিৰ ভিতৰলৈ যাওঁ। কোনোবাই ক'ৰবাত কিবা বন্দাইছি কৰিছে।"

"সেউতাৰ কি হ'ব ?" মই সুধিলো।

"সেউতাৰ হয়তো আগতেই কোনোবা পিনেদি বাহিৰ ওলাইছে। তই চিন্তা নকৰিবি। মই এঘণ্টাৰ ভিতৰতে ঘূৰি আহি তোক খবৰ দিম।"

কুহ্‌ভাব্‌থা ওলাই গ'ল। মই বাহিৰত বৈ থকা মানুহজাকৰ ওচৰলৈ গলো। চিঞৰি চিঞৰি মই ক'লো, "খনিৰ ভিতৰত পানী উঠিব ধৰিছে। আমি তালৈ যাব ওলাইছোঁ। তোমালোকৰ কোনোবা যাবলৈ ওলাবানে ?"

দুজনমানে যাবলৈ খুজিছিল, কিন্তু শেষত ভয় খালে—জানোচা মানুহে বাটত ধৰি পিটে।

মই আকৌ চিঞৰিলো, "তোমালোকে নিজে নিজৰ ভিডিত ছুৰী বহুৱাইছা। ভাবি চোৱাচোন কাইলৈ যদি ধর্মঘট ভাঙে তোমালোকে কামত লাগিব পাৰিবা জানো ? পানী সুড়ঙ্গকোৱালৈকে এনেয়ে তোমালোকে বহি থাকিব লাগিব। গতিকে এতিয়াই আমাৰ লগত আহি খনিটো বচোৱা।"

কোনোবাই চিঞৰিলে, "আৰু অলপ ওচৰ চাপি আহচোন চাওঁ। আমাৰ ডিঙিৰ ছুৰী তোৰ ডিঙিতো এবাৰ দি চাওঁ আহ্‌।"

মানুহবোৰে মোৰ গালৈ শিল দলিয়াবলৈ ধৰিলে। বুজিলো সিহঁতৰ সহায় বিচাৰি লাভ নাই। মই পুনৰ বয়লাৰ ঘৰটোলৈ উভতি আহিলো।

মই ভালদৰে জানিছিলো মায়ে ঘৰত অকলে অকলে থাকি মোৰ বাবে চিন্তা কৰি থাকিব। ঘৰ এৰি খনিত ইমান কেইদিন থাকিও মাৰ কথা মই এবাৰো চিন্তা নকৰাৰ বাবে মোৰ হঠাতে বৰ লাজ লাগিল। এই আটাই-কেইদিনে মই মাক এবাৰো দেখা কৰাগৈ নাই, খবৰ এটাও পঠিওৱা নাই। সেউতা বা আন কোনোবাই মাক মোৰ বিষয়ে খি জনায়গৈ মাই তাকে লৈয়ে সন্তুষ্ট থাকে। এইটো কিন্তু বৰ অন্যায় কথা। মানুহে পৃথিবীৰ বহুতো বস্তুৰ কথাই চিন্তা কৰে, কিন্তু মাকহঁতৰ চিন্তা দূৰ কৰাৰ বিষয়ে খুব কম সন্তানেহে চিন্তা কৰে।

পুলিচ কেইজন আমাৰ সতে পহৰা দিবলৈ অহালৈ মই বলো। তেওঁলোক আহি পোৱাৰ লগে লগে মই বয়লাৰ ঘৰটোৰপৰা ওলাই আমাৰ ঘৰৰ পিনে

খোজ ললোঁ। ঘৰলৈ যোৱাৰ আগতে মই দাইহঁতৰ দোকানত সোমালোঁ। দায়ে অকলে অকলে তাচ খেলি আছিল।

মই কলোঁ "দাই, খনিত পানী উঠিছে নেকি চাবলৈ কুহুভাৰথা খনিৰ ভিতৰলৈ গৈছে।"

"হয় নেকি?" দায়ে তাচ খেলিয়েই থাকিল। "দেউতাৰৰ কিবা খবৰ পালিনে?"

"নাই পোৱা। মই এতিয়া মাৰ ওচৰলৈ যাওঁ। কুহুভাৰথা একো বিপদত নপৰেতো দাই?"

"নাই, নাই, তাৰ একো নহয়। মাৰক মোৰ নমস্কাৰ জনাবি। খনিলৈ উভতি যাওঁতে তই এবাৰ ইয়াত সোমাই যাবি। মই মানুহ কেইজনমান ঠিক কৰি থম।"

অলপ দূৰৈৰপৰাই দেখিলোঁ আমাৰ পাক-ঘৰত জুই জ্বলি আছে। ব্ৰণৰ পাক-ঘৰটো কিন্তু এন্ধাৰ দেখিলোঁ। আন দিনা কিন্তু এইখিনি সময়ত ব্ৰণৰ পাক-ঘৰৰপৰা ৰাতিৰ আহাৰ ৰন্ধাৰ বঢ়িয়া গোন্ধ ভাহি আহে, ব্ৰণে পাক-ঘৰত মৃদু সুৰে গান গাই ৰন্ধা-বঢ়া কাম কৰি থাকে।

মনটো কেনেবা লাগিল।

ঘৰত সোমাই মাক মাত দিলোঁ।

মাই সুধিলে, "কোন? হিউ নেকি? দেউতাৰ তোৰ লগত আহিছেনে?"

"নাই।" মই বুজিছিলোঁ মায়ে দেউতাৰ কাৰণে চিন্তা কৰি আছে। মাই কিন্তু সেইটো লুকুৱাবলৈ চেষ্টা কৰিছিল। মাৰ কঁপালত চুমা দিবলৈ গৈ মই সেইটো আৰু ভালদৰে বুজিব পাৰিছিলোঁ। মাৰ গোটেই গাটো কঁপি আছিল। দেউতা সদায় বহা চকীখনত মা অকলে অকলে এন্ধাৰ কোঠাটোত বহি আছিল।

মোক সাৱটি ধৰি মাই কৈছিল, "হিউ, দেউতাৰ পুৱাই ওলাই গৈছে। এতিয়ালৈ উভতি অহা নাই।"

"জানো মা। আৰু সেইবাবেই তুমি ইয়াত অকলে অকলে বহি দেউতাৰ বাবে বাট চাই আছা, নহয় জানো?"

"নহয় অ', মই পাক-ঘৰত আলু কাটি আছিলোঁ। ...তেনেতে .. হঠাতে .. ...আইভৰ আহি ওলাল।"

মই উচাপ্ খাই উঠিলো। মোৰ ভয় হ'ল মা হয়তো বলিয়া হৈ গৈছে। ক'লো, "মা, তুমি দেউতাৰ কাৰণে চিন্তা কৰি থকাৰ বাবে এনে হৈছে।"

শান্ত গম্ভীৰ মাতেৰে মাই তেতিয়া মোক ক'লে, "মই নিজৰ ল'ৰাক চিনি নাপাম নেকি? আইভৰৰ বাহিৰে আন কোনো নহয়। মই তাৰ পিনে চাই হাঁহিছিলো, সিও মিচিকিয়াই হাঁহি উত্তৰ দিছিল।"

মাই মোৰ পিনে চাই হাঁহিবৰ চেষ্টা কৰিছিল। মাৰ ওঁঠ দুটিয়ে কিন্তু কান্দো কান্দো কৰি আছিল।

মাই সুধিলে, "দেউতাৰ এতিয়াও অহা নাই কিয় বাৰু?" মাৰ মাতটোত কান্দোন উপচি পৰিছিল।

"ক'ব নোৱাৰোঁ। মই পিছে এতিয়াই দেউতাৰ খবৰ কৰিবলৈ খনিৰ ভিতৰলৈ যাম। ব্ৰণবেন ঘৰত নাই নেকি?"

"নাই। দেউতাৰৰ খবৰ কৰিবলৈ তাই সেই আবেলিতে দেউতাৰ লগত সেই খনিটোলৈ গৈছে। লগত অলবেনো গৈছে।"

"তালৈ আকৌ কিয় গ'ল? দেউতা আমাৰ খনিত ওলাবহি বুলি মোক কৈ গৈছিল নহয়।"

"দেউতাৰে ইমান বেলি কৰিছে। সিহঁত নগৈ কি কৰিব?"

"সিহঁত ঘৰ এৰি এনেকৈ অকলে যাব নেলাগিছিল। বাৰু মা, তুমি চিন্তা কৰিব নালাগে। দেউতা এতিয়াই আহিব। তুমি এনেকৈ আন্ধাৰত বহি আছা কিয়? আন্ধাৰত অকলে বহি থাকিলে চিন্তা আৰু বেছিহে হ'ব। লেমটো জ্বলাই দি তোমাক চাহ একাপ কৰি দিওঁ ৰবা।"

"তই ইয়াৰপৰা যা-না। দেউতাৰৰ ওচৰলৈ নেযাব কিয়?" মাই ইমান কঠোৰ ভাবে কথা কোৱা মই আগতে কোনো দিনেই শুনা নাছিলো।

"বাৰু মা।" মই বেগাবেগিকৈ দাইহঁতৰ দোকানৰ পিনে আগ বাঢ়িলো। দায়ে ইতিমধ্যে মানুহ কেইজনমান গোটাই থৈছিল। আটাইকেইজনেই খনিত কাম কৰা ডেকা ল'ৰা। সিহঁত আটায়ে খনিত কাম কৰা পোছাক পিন্ধি আছিল। দাইয়ো তেওঁ একালত খনিত কাম কৰোঁতে পিন্ধা পোছাকযোৰ পিন্ধিছিল। চকু বেয়া হোৱাৰ পিছত দাইয়ে কাপোৰযোৰ ধুই-পখালি বাকচত সুমুৱাই থৈছিল। আজিহে উলিয়াই পিন্ধিছে। কাপোৰযোৰ এতিয়া দাইৰ গাত অলপ টান হয়।

খনি গৈ পোৱাত ধৰ্মঘটকাৰীবোৰে আমাক আগুৰি ধৰিছিলহি। কিন্তু দাইৰ খোঁচা, আমাৰ কোদাল-ছাবলৰ মাৰ আৰু পুলিচৰ লাঠি-চালনাৰ আগত সিহঁত বেছিপৰ তিষ্টিব নোৱাৰিলে। দায়ে এখন হাতেৰে মোৰ কান্ধত ধৰি আনখন হাতেৰে খোঁচা চলাই আগবাঢ়ি গৈ আছিল।

সঁজাটোত সোমাই আমি আঠাইকেইজন খনিৰ ভিতৰ সোমালো। সঁজাটো একেবাৰে তললৈ নমাৰ পৰা নগ'ল। খনিৰ তলৰ পানী বাঢ়ি আহি তেতিয়া একঁকাল হৈছিল। সঁজাটো পানীয়ে ছুব নোৱাৰাকৈ অলপ ওচৰতে ৰাখি আমি সঁজাৰপৰা জঁাপ মাৰি জঁাপ মাৰি খনিৰ মজিয়ালৈ নামিলো। লগে লগে আমাৰ হাত-ভৰিবোৰ অৱশ হৈ অহা যেন লাগিল। পানীবোৰ বৰফ যেন চেঁচা হৈ আছিল। আমি কোনোমতে পানীসিচা পাম্প কেইটাৰ পিনে আগুৱাই গলো। এটা পাম্পহে কোনোবাই একেবাৰে নষ্ট কৰি থৈছিল। বাকী কেইটা পাম্প ঠিকেই আছে যেন লাগিল। পাম্পবোৰ ভাল কৰাত লাগি গলো। বহু সময়ৰ পিছতহে আমাৰ লগত যোৱা খনিৰ ইঞ্জিনিয়াৰ কেইজনে ক'লে আৰু ভয় নাই। পাম্পবোৰ এতিয়া ঠিকেই চলিব।

এজন ইঞ্জিনিয়াৰে ক'লে, "কোনোবাই আটাইকেইটা পাম্প নষ্ট কৰিব খুজিছিল। কিন্তু আমাৰ ভাগ্য ভাল যে নোৱাৰিলে। কোনোবাই আহি সিহঁতক বাধা দিয়া যেন লাগে।"

"কুহভাৰথা নিশ্চয়। আন কোনে খুঁজিবলৈ সাহ কৰিব? কুহভাৰথাৰ মাৰ খাই বদমাইছহঁতৰ দুই এজন নিশ্চয় ইয়াতে ক'ৰবাত পৰি আছে। পিছে, কুহভাৰথাটো নো ক'লৈ গ'ল?"

"তেওঁ কিজানি মানুহবোৰৰ পাছে পাছে খেদা দিলে?" আমাৰ লগৰ এজনে ক'লে।

"দিবও পাৰে। ব'ল, আমি এতিয়া তাক বিচাৰোঁ ব'ল। তহঁতৰ চকু আছে। মই ভালকৈ দেখা নাপাওঁ। মোক বাট দেখুৱাই লৈ ব'লচোন।"

খনিৰ প্ৰধান বাটটোৰেদি আমি আগ বাঢ়িলো। পানীৰ বাবে হাতৰ মমবোৰ প্ৰায় মুৰৰ সমান ওখলৈকে দাঙিবলগীয়া হৈছিলো। কোনো কোনো ঠাইত পানী আহি আমাৰ বুকু পাইছিলহি। কিছুদূৰ যোৱাৰ পিছতে আৰু আগুৱাব নোৱাৰা হ'লো। সন্মুখৰ বাট বন্ধ। খনিৰ চালখন খহি পৰিছে।

দায়ে চিঞৰি উঠিল, "হে প্ৰভু, সি ইয়াৰ তলতহে আছে নেকি?"

"দেউতাও ইয়াৰ তলত আছে নেকি ?" মই সুধিলো। যাৰ কৰুণ মুখখন মোৰ চকুৰ আগত ভাহি উঠিল।

দায়ে ক'লে, "আহ্, এতিয়া সেইবোৰ চিন্তা কৰি লাভ নাই। কামত লাগ।"

ভয়ত ভৰি-হাত এক থৰকৈ কঁপিছিল যদিও, কণ্ঠ-কণ্ঠ শুকাই গৈছিল যদিও মই আনবোৰৰ স'তে প্ৰাণপণে শিল, কয়লাৰ টুকুৰা, বোকা আদি আঁতৰোৱাত লাগি গলো। কামটো সহজ নাছিল। প্ৰথমে কিহবাবে মবিয়াই সেইবোৰ ঢিলা কৰি লব লাগে। তাৰপিছত এটা এটাকৈ শিল, এডোখৰ এডোখৰকৈ কয়লা, এক কোদাল এক কোদালকৈ বোকা আঁতৰ কৰিব পাৰি। আমি কামত লাগি থাকিব পাৰিছিলো এই কথা ভাবিহে যে সেই দ'মটোৰ তলত ক'ৰবাত মোৰ দেউতা বা কুহুভাৰথা মৃতপ্ৰায় হৈ পৰি আছে।

কাম কৰি থকাৰ লগে লগে আমি প্ৰাৰ্থনাও কৰি থাকিলো। আমি খুব সাৱধানে কাম কৰিবলগীয়া হৈছিলো। আমি জানিছিলো যে অলপ অসাৱধান হ'লেই চালখনৰ বাকী অংশও খহি আমাৰ মূৰৰ ওপৰতে পৰিবহি।

মমবোৰ শেষ হৈ আহিবলৈ ধৰিলে। আমাৰ লগৰ এজনে মম আনিবলৈ খনিৰ ওপৰলৈ গ'ল। পানী আৰু বোকাত বহু সময় থকাৰ বাবে আমাৰ হাত-ভৰিবোৰ দুৰ্বল হৈ আহিবলৈ ধৰিছিল। আমি যিমানে আগবাই গৈছিলো সিমানে পানী বাঢ়ি আহিছিল।

দাইৰ গোটেই গাটো বোকাৰে লুতুৰিপুতুৰি হৈছিল। তথাপি তেওঁ বলিয়াৰ দৰে শিল আৰু বোকাবোৰ দুহাতেৰে দাঙি ধৰি পাছ ফাললৈ দলিয়াই থাকিল। দাইৰ দুচকুত যেন দুকুৰা জুই জ্বলিছিল।

ঘণ্টাৰ পিছত ঘণ্টা পাৰ হৈ গ'ল। পানী আহি আমাৰ কঁকাল পালেহি। তথাপি আমি কাম কৰি গলো। আমাৰ মনত তেতিয়া জীৱনৰ অৰ্থ মাথোন এটা—খান্দা, কচিওৱা আৰু দলিওৱা। হাত কাটি তেজ ওলাবলৈ ধৰিলে, শৰীৰৰ মাংসপেশীবোৰ টনটনাই উঠিল।

দায়ে কিন্তু এক মুহূৰ্তৰ বাবেও বিশ্ৰাম নললে। ঘোৰ আন্ধাৰৰ মাজত আটাইতকৈ সমুখত থাকি দায়ে মাথোন খান্দি আৰু দলিয়াই থাকিল।

হঠাতে দায়ে চিঞৰিলে, "কুহ্‌ভাৰ্‌থা! চা, এইটো তাৰ কোট চা।"

দেখিলো প্ৰধান বাটটোৰপৰা ওলোৱা সৰু বাট এটাৰ মুখত কয়লা আৰু শিলৰ তলত কোটটো চেপা খাই পৰি আছে।

এতিয়াহে আচল লেঠা হ'ল। কোন পিনে আগবাঢো? আহি থকা বাটটোকে মুকলি কৰি আগুৱাই যাওঁ যদি কুহ্‌ভাৰথা আৰু লগতে মোৰ দেউতাও হয়তো সৰু বাটটোত পৰি থাকিব। সৰু বাটটোৰ বাধা আঁতৰোৱাত লাগো 'যদি প্ৰধান বাটটোত হে দেউতাহঁত মৃতপ্ৰায় হৈ থাকিব পাৰে। হে ভগৱান! কি কৰোঁ। কাম বন্ধ কৰি আমি ভাবিবলৈ ধৰিলো। তেনেতে ... হঠাতে আমি কিহবাৰ ঠুক ঠুক শব্দ শুনিলো। লগে লগে বুজিলো ই কুহ্‌ভাৰ্‌থাৰ কোদালৰ শব্দ, তেনেকৈ টুকুৰিয়াই আমাক ইঙ্গিত দিছে। শব্দটো আহিছিল সৰু বাটটোৰ ফালৰপৰা। বাটটো মুকলি কৰাত লাগি গলো।

প্ৰাৰ্থনা কৰিবলৈ দাই গিৰ্জালৈ যোৱা মই খুব কমেই দেখিছিলো। এতিয়া দেখিলো দায়ে মাটিত আঁঠুকাঢি বহি লৈ ভিৰোতা মানুহৰ দৰে উচুপি উচুপি প্ৰাৰ্থনা কৰিবলৈ আৰম্ভ কৰি দিছে—"হে প্ৰভু! আমাক এনেকৈ সহায় কৰাৰ বাবে তোমাক অশেষ ধন্যবাদ। প্ৰভু! কুহ্‌ভাৰ্‌থা মোৰ হিয়াৰ আপোন। তাৰ যেন একো অনিষ্ট নহয়। মোক শক্তি দিয়া প্ৰভু! যীশু খৃষ্টৰ নামত—আমেন।"

আমি সকলোৱে ক'লো, "আমেন"।

দায়ে যেন গাত নতুন শক্তি পালে। তেওঁ চিঞৰিলে, "এই মৰাহঁত, তহঁত অলপ আঁতৰ হচোন। চাও, মোক কোদাল এখন দে।"

দাইৰ হাতৰ কোদাল উঠিল আৰু পৰিল, উঠিল আৰু পৰিল। খনিৰ চালখন আমাৰ মূৰৰপৰা মাত্ৰ কেইফুটমান হে ওখত আছিল। সেইবাবে আমি আটায়ে অনবৰত কুঁজা হৈ কাম কৰিবলগীয়া হৈছিল। দাইৰ কোদাল চলোৱাৰ ধৰণ দেখি আমাৰ এজনে ভয় খাই ক'লে, "দাই, সাৱধানে কোদাল চলোৱা। চালখনত অলপ লাগিলেই আমাৰ মূৰত খহি পৰিব।"

কবহে পালে, জন্তু এটাৰ দৰে দাইয়ে গৰ্জি উঠিল, "বাদ দে তোৰ চাল। আগতে কুহ্‌ভাৰথাক বিচাৰি উলিয়া।"

লেম কেইটামান লৈ মানুহ কিছুমান খনিৰ তললৈ আহিল। তেওঁলোকৰ মাজত খনিৰ মেনেজাৰো আছিল। মেনেজাৰে আমাক ক'লে—"তোমালোকে

বহুত সময় কাম কৰিলা। তোমালোক এতিয়া যোৱাই ভাল হ'ব। মই লগত নতুন মানুহ লৈ আহিছোঁ। তেওঁলোকে কাম কৰিব পাৰিব।"

দাইয়ে কিন্তু কোদাল মাৰিয়েই থাকিল। আমিও কাম বন্ধ নকৰিলো। মেনেজাৰে অলপ বেয়া পাই পুনৰ ক'লে, "তোমালোকে কাম বন্ধ কৰাচোন। এওঁলোকক এৰি নিদিয়া কিয় ?"

ঠেক বাটটোত কুচিমুচি কাম কৰি থাকি দায়ে গৰ্জিলে, "এই, তই তে তাক যাবলৈ ক। নহলে মই তাক শেষ কৰি দিম। কুহ্‌ভাৰ্‌থাক ইয়াৰপৰা উলিয়াইহে মই এই ঠাই এৰিম, তাৰ আগতে নহয়।"

মেনেজাৰে দাইৰ মনৰ অৱস্থা বুজিলে। তেওঁ একোকে নক'লে। দাইয়ে তেতিয়া মাটিত দীঘল দি শুই পৰি শিল, কয়লা আদি গুচাব ধৰিছে। শুই পৰাৰ কাৰণ হ'ল যিমানে আমি আগুৱাই গলো সিমানে বাটটো সৰু হৈ আহিল। কুঁজা হ'লেও পিঠিখন ওপৰৰ চালত লাগি যোৱা অৱস্থা হ'ল। উপায় নাপাই আমি আটাইয়ে শুই শুই কাম কৰিবলৈ ধৰিলো। আটাইতকৈ সন্মুখত থাকি দায়ে শিল, কয়লা, বোকা আদি আঁতৰাই তেওঁৰ পাছতে দীঘল দি পৰি থকা মানুহজনৰ হাতত দিয়ে, তেওঁ আকৌ তেওঁৰ পাছত থকা মানুহজনক দিয়ে। তেনেকৈ আমাৰ কাম চলি থাকিল। কয়লাত ঘহা খাই থাকি আমাৰ পেটৰ ছাল এৰি তেজ ওলাবলৈ ধৰিলে। কয়লাৰ গুৰিবোৰে নাকে মুখে সোপা মাৰি ধৰা বাবে উশাহ লোৱাত ভীষণ কষ্ট হ'বলৈ ধৰিলে।

হঠাতে দাইয়ে চিঞৰ এটা মাৰিলে। সেইটো আছিল ভয় আৰু বিজয়ৰ মিশ্ৰিত চিঞৰ। "কুহ্‌ভাৰ্‌থা। কুহ্‌ভাৰ্‌থা। চাওঁ, তইঁত এতিয়া পাছুৱাই যা'চোন।"

মোৰ আগত থকা জনে মোক ক'লে, "পাছুৱা।"

মই মোৰ পাছত থকা বিলিক ক'লো, "পাছুৱা।"

বিলিয়ে তাৰ পাছত থকাজনক ক'লে "পাছুৱা।"

পাছুৱাই বগৰা বাই আনি এজন এজনকৈ বাটটোৰপৰা ওলাই প্ৰধান বাটটোৰ পানীত ভৰি দিলোহি। একেবাৰে শেষত ওলাল দাই। দাইৰ সিদিনা যি মূৰ্তি দেখিছিলো তেনেকুৱা মূৰ্তি চয়তানেও বোধহয় লব নোৱাৰে। অৰ্দ্ধ উলঙ্গ, বোকাবে লুতুৰিপুতুৰি হোৱা দাইৰ শৰীৰটো লেমৰ পোহৰত

জিলিকি উঠিছিল। প্ৰায় অন্ধ চকু দুটা বগা পৰি আছিল আৰু তাৰপৰা ধাৰাসাৰে চকুলো বৈছিল। মুখখন ওপৰৰ ফালে কৰি আৰু বহলকৈ মেলি থৰি দাইয়ে খুব কষ্টেৰে উশাহ-নিশাহ লৈ আছিল।

দাইৰ দুবাহুৰ মাজত আছিল কুহ্ ভাব্ থা—নিঠৰ, কিন্তু নিৰ্জীৱ নহয়।

মই সুধিলো, "দেউতাও তাত পৰি আছে নেকি ?"

"মই য'ত আছিলো তাতকৈ আগত আছে। মই তেওঁৰেই পাছে পাছে গৈ আছিলো।" কুহ্ ভাব্ থাই কথাখিনি কোনোমতে লেহাই লেহাই ক'লে।

দায়ে ক'লে, "মই কুহ্ ভাব্ থাক ওপৰলৈ লৈ যাওঁ। তাক থৈ মই আকৌ ইয়ালৈ আহি দেউতাৰক বিচৰাত লাগিম।"

"মই দেউতাক বিচাৰি যাওঁৱেই।"

"যা বাক, সাৱধানে কাম কৰিবি।"

মই পুনৰ সৰু বাটটোত সোমালো। দায়ে যিখিনি ঠাইত কুহ্ ভাব্ থাক পাইছিল সেইখিনি গৈ পাই মই মাতিলো, "দেউতা, দেউতা।"

প্ৰতিধ্বনিৰ পাছত প্ৰতিধ্বনি উঠি মাতটো হেৰাই গ'ল। একো উত্তৰ নাহিল।

শিলবোৰ এটা এটাকৈ আঁতৰাই মই অতি লাহে লাহে আগুৱাই গৈ থাকিলো।

তেনেতে হঠাতে মই দেউতাক দেখা পালো।

হেজাৰ হেজাৰ মোন কয়লা আৰু শিলৰ তলত দেউতাৰ গোটেই গাটো চাক খাই আছিল। মূৰটো মাথোন ওলাই আছিল। হাতৰ মমডাল শিল এটাৰ ওপৰত বহুৱাই থৈ মই বগুৱা বাই দেউতাৰ কাষ চাপিলো। মই ভালকৈ বুজিছিলো বেছিকৈ লৰচৰ কৰিলে মূৰৰ ওপৰত থকা খনিৰ চালখন আমাৰ আগত খহি পৰিব। দেউতাইও সেইটো বুজিছিল আৰু সেইবাবে মূৰটো অলপ জোকাৰি মোক সাৱধান হবলৈ কৈছিল। দেউতাই জানিছিল মোৰ পাছত মোৰ লগৰ আন মানুহবোৰো আছে।

দেউতাৰ কাষলৈ গৈ মই তেওঁৰ মূৰটো কোলাত তুলি ললো। বগুৱা বাই আগুৱাই আহি থকা বিলিয়ে মোক সুধিলে, "হিউ, দেউতাৰক পাইছ নেকি ?"

"ওঁ।" ইয়াতকৈ বেছি একো ক'বলৈ মোৰ মন নগ'ল।

দেউতাৰ মূৰটো কোলাত লৈ থাকি মই মাথোন ভাবিবলৈ ধৰিলো। উশাহ-নিশাহ লোৱাত দেউতাৰ যি কষ্ট হৈছে সেইটো কমোৱা যায় কেনেকৈ? কয়লা আৰু শিলবোৰে দেউতাক হেঁচা মাৰি ধৰি আছিল। মই সৰ্বশক্তিমান ভগৱানৰ ওচৰত সহায়ৰ বাবে প্ৰাৰ্থনা জনালো। প্ৰাৰ্থনা কৰি থকা কালতে কিন্তু মই বুজিছিলো যে ভগৱানৰ ওচৰত মই অসম্ভৱ কিবা এটা বিচাৰিছো। হেজাৰ হেজাৰ মোন কয়লা আৰু শিল তৎক্ষণাৎ আঁতৰোৱাৰ সাধ্য কাৰোবাৰ আছে জানো?

দেউতাৰ চকু দুটা ক্ৰমে উখহি আহিছিল –যেন বাহিৰলৈ ওলাই আহিব। মুখখন মেল খাই গৈছিল। কয়লাৰ গুৰিবে ঢাক খাই জিভাখন নিৰ্জীৱ হৈ মুখখনৰ ভিতৰত পৰি আছিল। হাত ফুৰাই দেউতাৰ মুখখন চুবৰ মন গৈছিল যদিও মই তেনে নকৰিলো। যি মাটিয়ে দেউতাক হেঁচা মাৰি ধৰি আছিল মোৰ হাত দুখনো যে সেই মাটিৰে সৃষ্টি।

দেউতাৰ নাক আৰু মুখেৰে তেজ ওলাবলৈ ধৰিলে। চকু দুটা ভীষণ ৰঙা হৈ উঠিল। তথাপি মই স্পষ্ট দেখিলো দেউতাৰ অন্তৰৰ পৱিত্ৰতাৰ হাঁহিৰে চকু দুটাই তেতিয়াও হাঁহি আছে। চৰম বিপদতো ভয় নোখোৱা, শেষ মুহূৰ্তলৈকে যুঁজিব পৰা মোৰ দেউতাৰ কথা ভাবি বুকুখন গৰ্বত ফুলি উঠিল।

দেউতাৰ মূৰটো এবাৰ কঁপি উঠিল। দেউতাই ভগৱানৰ নাম ললে। মোৰ কোলাত দেউতাৰ তেজ চপ্‌চপীয়া হৈ উঠিল। হঠাতে দেউতা নিঠৰ হৈ গ'ল—চকু দুটি মাথোন জিলিকি থাকিল। দেউতাৰ পৰ্বত সদৃশ আত্মাৰ ওপৰত সেই দুটি যেন আকাশ-প্ৰদীপ।

দেউতাৰ হাতত হাত দি সৰুকালিত দেউতাৰ লগত ফুৰা দিনবোৰলৈ মোৰ মনত পৰিল। মনৰ চকুৰে দেখিলো খনিৰ কামৰপৰা আহি পাছ কালৰ চোতালত গা ধুই থকা দেউতাক! দেখিলো গিৰ্জাত আঁঠুকাঢি প্ৰাৰ্থনা কৰি থকা দেউতাক।

চকু দুটা আৰু মুখখন জপাই দি মই দেউতাৰ মূৰটো জোৰেৰে সাৱটি ধৰি বহি থাকিলো। দেউতা আৰু নাই বুলি জানি মোৰ মনটো একেবাৰে মৰি গৈছিল।

বহু সময় পিছত মই বিলিক কৈছিলো, "বিলি, আমি এতিয়া কয়লাবোৰ আঁতৰাও আহ।"

"কিয় ? দেউতাৰ তেজে……?"

"ওঁ, মোৰ দেউতা মৰিল।"

"হে ভগৱান।" খিলিয়ে কন্দা মই শুনিবলৈ পালো।

.. ...

……মাই পাক-ঘৰত কাম কৰোঁতে পিন্ধা কাপোৰযোৰ পিন্ধি চকী এখনত বহি দুৱাৰেৰে পাহাৰখনৰ টিঙৰ পিনে একেথৰে চাই আছিল।

এবাৰ মাই মোক ক'লে, "ঈশ্বৰে দেউতাৰক আৰু কত আন উপায়েৰে নিব পাৰিলেহেঁতেন। এনেকৈ কষ্ট দি মাৰিব পায়নে? ভৰিৰ তলৰ পকবাৰ নিচিনাকৈ চেপি চেপি দেউতাৰক মাৰিলে।" মাৰ দুয়ো চকুৰে ধাৰাসাৰে চকুলো বৈ আহিল।

ক'লো, "দেউতাই বিশেষ কষ্ট পোৱা নাছিল মা।"

"ঠিকেই কৈছ।" মাই ইহা যেন কৰিলে যদিও হাঁহি নোলাল। "তই ঠিকেই কৈছ। দেউতাৰ শান্তিৰে মৰিছে। মই তেওঁক দেখিছিলো নহয়। ঈশ্বৰৰ মুখামুখি হ'বলৈ তেওঁ যেন সাজু হৈ আছিল। পিছে দেউতাৰৰ হাত দুখন দেখিছিলিনে? উস্ প্ৰভু। একেবাৰে ঠেটেলা হৈ গৈছিল।… মই আৰু কেতিয়াও গির্জালৈ নাযাওঁ, বুজিছ। মৰাৰ পাছত যদি তইতে নিয় সেইটো বেলেগ কথা।"

মই কি বুলি মাক বুজাওঁ বাৰু?

.. ..

মনটোৰে কত কথা পাহৰি গ'ল। অথচ আজিৰপৰা ত্ৰিশ বছৰতকৈও আগতে দেখা সামান্য ফুল কেইপাহমানৰ ছবি পাহৰিব নোৱাৰিলে। এইটো আচৰিত কথা নহয় জানো?

দেউতা ঢুকুৱাৰ সময়ত আমাৰ বহা কোঠাটোৰ খিৰিকীমুখত যি কেইটা ফুলৰ টাৱ আছিল সেই কেইটাৰ কথা মোৰ আজিও স্পষ্ট মনত আছে।…মাই দেউতাৰ বাবে বিলাপ কৰি আছিল। ব্ৰণৰেন ফুলবোৰৰ কাষত থিয় দি আছিল। তাঠ পৰ্দাখনৰপৰা বাহিপুৰা সূৰ্যৰ পোহৰ প্ৰতিফলিত হৈ ব্ৰণৰ মুখখন গভীৰ সোণালী কৰি তুলিছিল। টাৱবোৰৰ এটা অলপ ফটা আছিল। সেইটোৰপৰা টোপাটোপে পানী মজিয়াত পৰিছিলহি।

এইবোৰ আজিৰপৰা ত্ৰিশ বছৰ আগৰ কথা। কিন্তু আজিও মোৰ স্পষ্ট মনত আছে—এইবোৰ যেন এতিয়াৰহে কথা।

মোৰ নিজৰ কথা চিন্তা কৰি মোৰ বিশেষ দুখ নালাগে। মই ছিউ মৰ্গাম—মোৰ মনৰ ভিতৰৰ পৃথিৱীখনক লৈ মই সম্পূৰ্ণ সুখী। কিন্তু বাহিৰৰ পৃথিৱীখনৰ কথা ভাবিহে কেতিয়াবা মোৰ অলপ বেয়া লাগে। তাততো মই একো কৰি যাব নোৱাৰিলো। কিন্তু জীৱনত বিশেষ একো কৰিব নোৱাৰা এই পৃথিৱীত মন্নোতো অকল নহওঁ?

তথাপি এই পৃথিৱীত ভাল বিখিনি আছে সেই সকলোখিনিৰে সোৱাদ মই পাইছোঁ। বেয়াও অৱশ্যে পাইছোঁ, কিন্তু ভালৰ ভাগ সৰহ। অন্ততঃ ভাল খাদ্য, ভাল কাম আৰু মানুহৰ অন্তৰৰ ভালখিনিৰ সোৱাদ মই পাইছো।

কিন্তু এই ভালবোৰৰ আটাইখিনি এতিয়া চিৰদিনৰ বাবে নাইকিয়া হৈ গৈছে। নাইকিয়া হৈ গৈছে বুলি‌নো কেনেকৈ কওঁ? সেইবোৰ যেখোন মোৰ মনৰ গহীন গুহাত আজিও মণি-মাণিকৰ দৰে জিক্‌মিক্ কৰি আছে? গতিকে মোৰ ভাই-ভনীহঁত, তোমালোক মৰিলা বুলিনো মই কেনেকৈ কওঁ? মোৰ মনত তোমালোক মোৰ দৰেই জীৱিত।

মোৰ নগৰীয়াইতৰ মাত মই আজিও স্পষ্ট শুনিবলৈ পাওঁ। সিহঁত তেন্তে মৰিল কেতিয়া?

নাই, নাই মৰা। চিঞৰি চিঞৰি মই আজি কম, 'নাই মৰা। মৰা নাই।'

কেইনবেন মৰিছে জানো? তাইৰ সৌন্দৰ্যৰ সোৱাদ দেখোন মই আজিও পাওঁ। চিক্‌চিকিয়া তাইৰ উজ্জ্বল চকুযুৰিয়ে আজিও মোৰ পিনে চাই থাকে। জোৰেৰে থামোচ মাৰিমোৰ বাহু ৰঙা কৰি তোলে।

ব্ৰণবেন, যিয়ে মোক ভালপোৱাৰ সত্যতা উপলব্ধি কৰাইছিল, সেই ব্ৰণবেন মৰিছে জানো? ব্ৰণবেন, যিয়ে মোক শিকাইছিল যে, পুৰুষৰ ঘোঁচাৰ শক্তিতকৈ নাৰীৰ ভালপোৱাৰ শক্তি বহু ডাঙৰ, সেই ব্ৰণবেন জানো মৰিব পাৰে?

মোৰ দেউতা কয়লাৰ হেঁচাৰ চেপাত মৰিল হেনো। কিন্তু ··কিন্তু··· সৌৱা চোৱা—যেতিয়ে বাগ্‌ৰী খেলোঁতো পিন্ধা ৰঙা জাচিটো পিন্ধি লৈ সৌৱা দেউতাই আলি-বাটত নাচিব ধৰিছে, সৌৱা দেউতাই আমাৰ ঘৰৰ আগফালৰ

কোঠাটোত বহি পাইপ খাব ধৰিছে, সৌৱা, সেউতাই মহাৱাণীয়ে নিজ হাতে তেওঁৰ বৰ পুতেকক দিয়া ছবিখনলৈ চাই চাই থিয় দি আছে।

শিল আৰু জুইৰে তৈয়াৰী মিষ্টাৰ গ্ৰুফিদ মৰিল জানো? তেওঁ আছিল একেলগে মোৰ বন্ধু আৰু পথ-পৰিদৰ্শক। মোক ভাল পাইছিল বাবেই তেওঁৰ একমাত্ৰ সম্পত্তি এই ঘড়ীটো মোক দিছিল। তেওঁক চিৰদিনৰ বাবে বিদায় দিবৰ সময়ত মই একোকে ক'ব পৰা নাছিলো। কিহবাই গলত যেন সোপা দি ধৰিছিলহি। তেওঁ যাবৰ পৰত মোৰ চকুপানী ওলাইছিল। সেই চকুপানী সেখোঁান এতিয়াও শুকোৱা নাই। তেওঁ মৰিছে জানো?

তেওঁ মৰিছে যদি ময়ো মৰিছোঁ। তেওঁ মৰিছে যদি আমি সকলোৱে মৰিছোঁ। আমি মাথোন জীয়া মানুহৰ ভাও ধৰি ল'ৰা-ধেমালি এথন কৰি আছোঁ।

মোৰ উপত্যকাখন, মোৰ পূৰ্বপুৰুষৰ উপত্যকাখন ইমান যে ধুনীয়া আছিল।